ভাষা-চিন্তা-বিচিত্ৰা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ
সোণালী জয়ন্তী উপলক্ষে
প্ৰকাশিত গ্ৰন্থ

সম্পাদনা ঃ

ড° নগেন ঠাকুৰ
বিভাগীয় প্ৰধান অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয

ড° খগেশ সেন ডেকা
জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ
পূব কামৰূপ মহাবিদ্যালয়

পূবেৰুণ
গুৱাহাটী - ৭৮১০০১

BH A S A -CINT A -BICITR A

A collection of essays on language and linguistics, compiled and edited by Dr Nagen Thakur and Dr Khagesh Sen Deka, on behalf of the Golden Jubilee Celebration Committee, Department of Assamese Gauhati University and published by M/s Puberun Guwahati 781 001

Price Rupees one hundred twenty five only

সম্পাদনা সমিতি

ড নগেন ঠাকুৰ
সভাপতি সোণালী জয়ন্তী উদযাপন সমিতি

ড উমেশ ডেকা
প্ৰধান সম্পাদক সোণালী জয়ন্তী উদযাপন সমিতি

ড নগেন ঠাকুৰ

ড খগেশ সেন ডেকা
গ্ৰন্থ সম্পাদক

ড দীপ্তি ফুকন পাটগিৰি
সদস্যা

।। প্ৰকাশক পূবেৰুণ গুৱাহাটী ৭৮১০০১।।
।। পৰিবেশক অৰুণ প্ৰকাশন কলেজ হোষ্টেল ৰ'ড গুৱাহাটী ৭৮১০০১।।
পূৰ্বাঞ্চল প্ৰকাশ আমবাৰী গুৱাহাটী ৭৮১০০১।।
।। টাইপ ছেটিং পেৰাগন অফছেট আমবাৰী গুৱাহাটী ৭৮১০০১।।

।। প্ৰচ্ছদ • নবীন বৰুৱা।।
।। প্ৰথম প্ৰকাশ : ৭ এপ্ৰিল ২০০০।।

।। মূল্য : এশ পঁচিশ টকা মাত্ৰ ।।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম কলাগুৰু তথা অসমীয়া বিভাগৰ প্ৰথম বিভাগীয় প্ৰধান, নিষ্ণাত ভাষাতত্ত্ববিদ, সাহিত্য-সমালোচক, বৰেণ্য পণ্ডিত ড° বাণীকান্ত কাকতিদেৱৰ পবিত্ৰ সোঁৱৰণত ।।

সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদকৰ একাষাৰ

উত্তৰ-পূব ভাৰতৰ উচ্চ-শিক্ষাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মলগ্নতে প্ৰতিষ্ঠাপিত অসমীয়া বিভাগে যোৱা শতিকাটোৰ অন্তিম পৰ্বত পঞ্চাশ বছৰ অতিক্ৰম কৰিছে। এই উপলক্ষে বিভাগটোৱে বছৰ-জোৰা কাৰ্যসূচীৰে সোণালী জয়ন্তী উদযাপনৰ ব্যৱস্থা গ্ৰহণ কৰে। সোণালী জয়ন্তীৰ বিশেষ কাৰ্যসূচীৰ অংশ হিচাপে বিভাগটোৱে যোৱা বছৰটোত এলানি বক্তৃতা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। তদুপৰি সোণালী জয়ন্তী-সামৰণী উৎসৱ চলিত বৰ্ষৰ ৭ ৮ আৰু ৯ এপ্ৰিল তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে সমাপন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানৰ যথাযথ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বিদ্যায়তনিক স্থায়িত্বৰ প্ৰতি দৃষ্টি দি ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক এলানি গ্ৰন্থ প্ৰকাশৰ আঁচনিও প্ৰস্তুত কৰা হয়। **ভাষা-চিন্তা-বিচিত্ৰা** গ্ৰন্থখনি এনে প্ৰচেষ্টাৰেই বিনম্ৰ স্বাক্ষৰ।

গ্ৰন্থখনি সুসমৃদ্ধ কৰি তোলাত শ্ৰদ্ধেয় লেখক-লেখিকাসকলৰ ভূমিকাই অধিক। এই ছেগতে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ভাষাৰ সকলো দিশ সামৰি এনে এখন গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত দিহা পৰামৰ্শ আগবঢ়োৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জৱাহৰলাল নেহৰু অধ্যাপক ড শৈলেন ভৰালী আৰু বিভাগীয় প্ৰধান ড নগেন ঠাকুৰৰ ওচৰত আমি বিশেষভাৱে কৃতজ্ঞ। স্বাভাৱিকতে ব্যয়বহুল আৰু বৃহৎ কলেৱৰৰ গ্ৰন্থখন প্ৰকাশৰ বাবে আগবাঢ়ি অহা নতুন প্ৰকাশন প্ৰতিষ্ঠান পূবেৰুণ চিৰদিনৰ বাবে আমাৰ কৃতজ্ঞতাৰ পাত্ৰ হৈ ৰ'ল।

আশা কৰোঁ গ্ৰন্থখনে সুধী সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব।

২ এপ্ৰিল, ২০০০ খ্ৰী৹

ড উমেশ ডেকা
প্ৰধান সম্পাদক
সোণালী জয়ন্তী উদযাপন সমিতি,
অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়।

সম্পাদকীয় টোকা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা লগতে জন্ম লাভ কৰা অসমীয়া বিভাগটোৱে বয়সৰ লেখেৰে ইতিমধ্যে পঞ্চাশ বছৰ পূৰ কৰিলে। বিগত সময়ছোৱাত অসমৰ ভাষা সাহিত্য সমাজ সংস্কৃতিলৈ বিস্তৰ বৰঙণি আগবঢাই অহা এই বিভাগটোৰ এইবেলি সোণালী জয়ন্তী উৎসৱ উদযাপনৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ লগতে সঙ্গতি ৰাখি উদ্‌যাপন সমিতিয়ে ভাষা সাহিত্য সংস্কৃতি বিষয়ক এলানি গ্ৰন্থ প্ৰকাশৰো দিহা কৰিছে। এই সংকলনটি তাৰেই সোণালী ফচল। ভাষা-সম্পৰ্কীয় বিভিন্ন চিন্তাৰ বৈচিত্ৰ্যপূৰ্ণ সমাহাৰ ঘটা হেতুকে ইয়াৰ নাম ৰখা হৈছে—**ভাষা-চিন্তা-বিচিত্ৰা**।

বাক ক্ষমতা অৰ্থাৎ ভাষাৰ বাবেই মানুহ সৰ্বশ্ৰেষ্ঠ প্ৰাণীৰূপে পৰিগণিত হৈছে। মানৱ সভ্যতাৰ অগ্ৰগতিৰ মূল চালিকা শক্তিও হৈছে ভাষা। সম্ভৱত সভ্যতাৰ সেন্দুৰী আলিত প্ৰথমটো খোজ পেলোৱাৰ দিনৰে পৰাই অনুসন্ধিৎসু মানৱ মনে ভাষা বা বাক সম্পদৰ উৎস তাৰ গঠন আৰু প্ৰকৃতি ইত্যাদি সম্বন্ধে অসীম আগ্ৰহ প্ৰকাশ কৰি আহিছে। সময়ৰ বিৱৰ্তনত সেই আগ্ৰহ আৰু তজ্জনিত ধ্যান-ধাৰণা এক বিশেষ বিদ্যাৰূপে পৰিগণিত হয় যাৰ সাম্প্ৰতিক নাম ভাষাবিজ্ঞান।

ভাষাবিজ্ঞান মূলত ভাষা-বিশ্লেষণ-প্ৰক্ৰিয়াৰ লগতে জড়িত হ'লেও অতি সম্প্ৰতি মানৱ-বিদ্যাৰ অন্যান্য শাখা যথা—নৃতত্ত্ব লোক-সংস্কৃতি মনস্তত্ত্ব সাহিত্য-সমালোচনা দৰ্শন-বিদ্যা সমাজ তত্ত্ব ইত্যাদিলৈকো ইয়াৰ বিস্তাৰণ লক্ষ্য কৰিব পাৰি। এক কথাত ক'বলৈ গ'লে ভাষাবিজ্ঞানৰ লগতে সম্যক পৰিচয় অবিহনে এতিয়া সকলো প্ৰকাৰৰ জ্ঞানৰ দুৱাৰ বন্ধপ্ৰায়। বৌদ্ধিক তথা বিদ্যায়তনিক ক্ষেত্ৰখনত উদ্ভৱ হ'ব পৰা এনে সমস্যাৰ সম্ভাৱনীয়তালৈ লক্ষ্য কৰিয়েই বোধহয় অসমৰ মহাবিদ্যালয়/বিশ্ববিদ্যালয় স্তৰৰ অসমীয়া বিষয়ৰ পাঠ্যক্ৰমত পোনৰে পৰাই ভাষাবিজ্ঞানৰ পাঠ অন্তৰ্ভুক্ত কৰা হৈছিল যাতে ভাৱী প্ৰজন্মৰ বাবে এনে সংকুল পৰিস্থিতি অনায়াসগম্য হৈ উঠে। মন কৰিবলগীয়া যে এই পাঠ্যক্ৰম আজিকোপতি অব্যাহত আছে মাথোঁ সময়ৰ লগতে তাল মিলাই তাৰ গ্ৰহণ-বৰ্জন

ঘটিছে। কিন্তু পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'লেও অসমীয়াত এই বিষয়ক গ্ৰন্থৰ অভাৱ আজিও আঁতৰা নাই। **ভাষা-চিন্তা বিচিত্ৰা** ৰ গ্ৰথনত এই দিশটোৰ প্ৰতি বিশেষভাৱে লক্ষ্য ৰখা হৈছে।

গ্ৰন্থখনৰ মূল আঁচনিখনত ভাষা চিন্তা বিষয়ক প্ৰায় আটাইবোৰ দিশ সামৰিবৰ যত্ন কৰা হৈছিল আৰু সেই মৰ্মে উক্ত বিষয়ৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বিভিন্নজনৰ পৰা লেখা আহ্বান কৰা হৈছিল। এই আহ্বানৰ যথোচিত সঁহাৰি পোৱা গৈছিল যদিও নিৰ্দিষ্ট সময়ত গুৰুত্বপূৰ্ণ বিষয়কেইটামানৰ লেখা আহি নোপোৱাত আঁচনিৰ পৰিপূৰ্ণ ৰূপায়ণ সম্ভৱ নহ'ল। গ্ৰন্থখনিত সামান্য ভাষাবিজ্ঞান (General Linguistics) সম্পৰ্কীয় লেখা কিছু তাকৰ হোৱাৰ এইটোৱে প্ৰধান কাৰণ।

গ্ৰন্থখনিৰ পৰিভাষা বানান লিপ্যন্তৰকৰণ ইত্যাদি ভাষাগত দিশবোৰৰ ক্ষেত্ৰত এক ঐক্যসূত্ৰ মানি চলিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছে। তথাপি কেতবোৰ বানানত — বিশেষকৈ ঙ + ব্যঞ্জন / ং + ব্যঞ্জন ব/ৱ আৰু কেইটামান শব্দৰ লিপ্যন্তৰকৰণত ঠায়ে ঠায়ে বিকল্প ৰূপো প্ৰত্যক্ষ কৰা যাব। বৰ্ণাশুদ্ধিৰ ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰা সত্ত্বেও কিছু অশুদ্ধি দৃষ্টিৰ অগোচৰে থাকি গ'ল। তাৰ বাবে সংশ্লিষ্ট লেখক আৰু পাঠক সমাজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

সংকলনটিৰ পৰিকল্পনা অনুযায়ী প্ৰবন্ধসমূহ একো একোটা নিৰ্দিষ্ট পৰিচ্ছেদত সংস্থাপিত কৰিবলগীয়া হোৱা হেতুকে অনিচ্ছা সত্ত্বেও অগ্ৰজজনৰ নাম কোনো কোনো ক্ষেত্ৰত পিছলৈ নিবলগীয়া হৈছে। তদুপৰি লেখকসকলৰ নামৰ আগত শ্ৰী বা ড লেখাৰ পৰাও বিৰত থকা হৈছে। সামগ্ৰিক শৃঙ্খলাবদ্ধতাৰ খাতিৰতহে তেনে কৰা হৈছে, অশ্ৰদ্ধা বা অসন্মানৰ কথা কোনেও যেন মনলৈ নানে।

সংকলনটিৰ আটাইকেইগৰাকী লেখক ভাষাবিজ্ঞানৰ একান্ত সাধক তথা মহাবিদ্যালয়/বিশ্ববিদ্যালয় পৰ্যায়ৰ কৃতি শিক্ষক। তেখেতসকলে দহো কাম এৰি নিচেই কম সময়ৰ ভিতৰতে আমাৰ এই আঁচনিৰ সফল ৰূপায়ণত অৰিহণা যোগাই আমাক শুজিব নোৱৰা ঋণেৰে ঋণী কৰিছে। তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা এই গ্ৰন্থৰ অন্যতম সম্পাদক ড° নগেন ঠাকুৰ আৰু সম্পাদনা সমিতিৰ সদস্যা ড দীপ্তি ফুকন পাটগিৰিৰ সৰ্বক্ষণ সহযোগিতাই সম্পাদনাৰ কাম যথেষ্ট উজু কৰি তুলিছে। উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ড° উমেশ ডেকা আৰু সমিতিৰ অন্যান্য বিষয়ববীয়া তথা সদস্য/সদস্যা ক্ৰমে লক্ষ্মী দাস পাঠক সমীৰণ দাস ড লোপা বৰুৱা আৰু ড উমেশ চন্দ্ৰ

ডেকাৰ সহায়ো এই ক্ষেত্ৰত বিশেষভাৱে স্মৰণীয়। সদৌটিলেকে আমাৰ আন্তৰিক শলাগ যাচিছোঁ।

নতুনকৈ প্ৰতিষ্ঠাপিত বিদ্যোৎসাহী প্ৰকাশন প্ৰতিষ্ঠান পূৰ্বেৰুণ এ গ্ৰন্থখনিৰ প্ৰকাশৰ গুৰুভাৰ বহন কৰি আমাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঐতিহ্যমণ্ডিত অসমীয়া বিভাগটোৰ মহৎ উপকাৰ সাধিছে। অনুষ্ঠানটিলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পেৰাগন অফছেটৰ ডি টি পি অপাৰেটৰ অৰুনী গগৈলৈকো এই ছেগতে কৃতজ্ঞতাৰ শৰাই যাচিছোঁ।

গ্ৰন্থ একোখনৰ সফলতা বি৲বা বিফলতা নিৰ্ভৰ কৰে পাঠক সমাজৰ সঁহাৰিৰ ওপৰত। সহৃদয়জনে ইয়াৰ পৰা কিঞ্চিৎ উপকাৰ পালে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

গুৱাহাটী ১৪
২ মাৰ্চ /২০০০ খ্ৰী

ড খগেশ সেন ডেকা
সম্পাদক
ভাষা-চিন্তা-বিচিত্ৰা

বিষয়-ক্ৰমণিকা

সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদকৰ একাষাৰ
সম্পাদকীয় টোকা

প্ৰথম পৰিচ্ছেদ ভাষাবিজ্ঞান প্ৰসঙ্গ

ভাষা-অধ্যয়নৰ ক্ৰমবিকাশৰ সংক্ষিপ্ত পৰিচিতি নগেন ঠাকুৰ ১৫-৩৩
নৌম চমস্কি আৰু তেওঁৰ ভাষা চিন্তা মদন শৰ্মা ৩৪-৪৮
ব্যাকৰণ তত্ত্ব আৰু স্বৰূপ খগেশ সেন ডেকা ৪৯-৬৫
গুপ্তভাষা এটি চমু আভাস দয়ানন্দ পাঠক ৬৬-৭২
ভাৰতীয় আলংকাৰিকৰ ভাষা-চিন্তা আৰু শৈলীবিজ্ঞান
মালিনী গোস্বামী ৭৩-৮৩

দ্বিতীয় পৰিচ্ছেদ অসমীয়া ভাষা প্ৰাচীনযুগ

প্ৰাক্-আহোমকালীন অসমৰ পুৰালেখ অধ্যয়নৰ ইতিহাস
নাৰায়ণ দাস ৮৭-৯২
অসমীয়া ভাষাৰ ইতিহাস বিচাৰত প্ৰাচীন
কামৰূপীয় লেখাৱলীৰ ভাষা সুবাসনা মহন্ত ৯৩-১১৫
চৰ্যাপদৰ ভাষা আৰু ব্ৰজাৱলী ভাষা পৰীক্ষিত হাজৰিকা ১১৬ ১৩৭

তৃতীয় পৰিচ্ছেদ অসমীয়া ভাষা মধ্যযুগ

মধ্যযুগৰ অসমৰ অনুশাসনৰ ভাষা সতীশ চন্দ্ৰ ভট্টাচাৰ্য ১৪১ ১৫১
সপ্তদশ শতিকাৰ অসমীয়া ভাষা আৰু
ৰঘুনাথ মহন্তৰ কথা-ৰামায়ণ সমীৰণ দাস ১৫২-১৬২
মধ্যযুগীয় কথাচৰিত আৰু বুৰঞ্জীৰ
ভাষা এটি তুলনামূলক বিশ্লেষণ মুকুল চক্ৰৱৰ্ত্তী ১৬৩-১৭৭
বুৰঞ্জী সাহিত্যৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য অৰ্পণা কোঁৱৰ ১৭৮-১৯২

চতুৰ্থ পৰিচ্ছেদ : অসমীয়া ভাষা : আধুনিক যুগ

অৰুনোদইকালীন অসমীয়া ভাষাৰ বিকাশত
ভোলানাথ দাসৰ ভূমিকা • বসন্ত কুমাৰ ভট্টাচাৰ্য ১৯৫-২০৪

মিছনেৰীৰ অসমীয়া ভাষা আৰু হেমচন্দ্ৰ বৰুৱা
ভবপ্ৰসাদ চলিহা ২০৫-২১২

পঞ্চম পৰিচ্ছেদ অসমীয়া ভাষা ঃ সাম্প্ৰতিক যুগ

সংস্কৃত লিঙ্গৰ পোহৰত অসমীয়া ভাষাৰ লিঙ্গ বিচাৰ
লীলাৱতী শইকীয়া বৰা ২১৫-২২৫

অসমীয়া তদ্ধিত প্ৰত্যযৰ উদ্ভৱ আৰু বিকাশ
জ্যোতিষ চন্দ্ৰ বৰ্মন ২২৬-২৩৩

অসমীয়া বাক্যতত্ত্ব আৰু বাক্যৰ আসন্ন অঙ্গ
বিশ্লেষণ-প্ৰক্ৰিয়া নৰনাৰায়ণ শৰ্মা ২৩৪-২৪০

একবিংশ শতিকাত অসমীয়া ভাষাৰ সম্ভাব্য ৰূপ
গোলোকচন্দ্ৰ গোস্বামী ২৪১-২৪৩

ষষ্ঠ পৰিচ্ছেদ উপভাষা লোকভাষা প্ৰসঙ্গ

অসমীয়া ভাষাৰ উপভাষাৰ অধ্যয়ন উপেন্দ্ৰনাথ গোস্বামী ২৪৭-২৫৪

অসমৰ মুখ্য উপভাষা তিনিটাৰ তুলনামূলক আলোচনা
বিভা ভৰালী ২৫৫-২৬৬

ছয়গাঁও আৰু নলবাৰী অঞ্চলৰ কথিত
অসমীয়াৰ ধ্বনি-সংস্থান অনুপমা বৰ্মণ (ডেকা) ২৬৭-২৭৪

লোকভাষা আৰু অসমীয়া লোকাযত বাগ্‌ভঙ্গী
লক্ষী দাস পাঠক ২৭৫-২৮১

সপ্তম পৰিচ্ছেদ অন্যান্য প্ৰসঙ্গ

উচ্চাৰণ বানান আৰু লিপি এটি সমীক্ষা সুকুমাৰ বিশ্বাস ২৮৫-২৯১

অসমীয়া আৰু উৰিয়া ভাষাৰ সম্বন্ধবাচক শব্দ
দীপ্তি ফুকন পাটগিৰি ২৯২-২৯৬

ৰাভামিজ অসমীয়াৰ অন্যতম নৃগোষ্ঠীয় উপভাষা
উপেন ৰাভা হাকাচাম ২৯৭-৩১৮

বড়ো আৰু অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি বৰ্ণালী ডেকা ৩১৯-৩৩০

ৰাজবংশী ভাষা আৰু কোচ ৰাজবংশীসকল
দ্বিজেন্দ্ৰ নাথ ভকত ৩৩১-৩৪০

লেখক-পৰিচিতি ৩৪১-৩৪৩

প্ৰথম পৰিচ্ছেদ

ভাষাবিজ্ঞান প্ৰসঙ্গ

ভাষা-অধ্যয়নৰ ক্ৰমবিকাশৰ সংক্ষিপ্ত পৰিচিতি

❑ নৰেন ঠাকুৰ

A historical perspective for linguistics is useful because it explains to a very great extent why the modern subject has developed in a way it has

David crystal

মানুহে নিজৰ শ্ৰেষ্ঠতম অধিকাৰ 'ভাষা' সম্পৰ্কে সচেতন হৈ এই সম্পৰ্কে চিন্তা-চৰ্চাৰ পাতনি মেলাৰ প্ৰমাণ খ্ৰীষ্ট-পূৰ্ব এহেজাৰ বছৰমানৰ পূৰ্বৰ পৰাই বিক্ষিপ্তভাৱে পোৱা যায় যদিও প্ৰকৃততে ইয়াৰ শৃঙ্খলাবদ্ধ আৰু ধাৰাবাহিক আলোচনাৰ ইতিহাস আৰম্ভ হয় খ্ৰীষ্ট-পূৰ্ব পঞ্চম শতাব্দীমানৰ পৰা। এনে চিন্তা-চৰ্চা বিশ্বৰ ভিতৰত প্ৰথম সূচনা হয় ভাৰতবৰ্ষত আৰু ইয়াতেই সুবিন্যস্ত আলোচনাৰে ইতিহাসৰো আৰম্ভণি হয়। ভাৰতবৰ্ষৰ পাছতে এনে চিন্তাৰ উদ্‌গম-ভূমি আছিল গ্ৰীছদেশ।

খ্ৰীষ্ট-পূৰ্ব পঞ্চম শতাব্দীৰ পৰা বৰ্তমান পৰ্যন্ত এই সুদীৰ্ঘ আঢৈ হেজাৰ বছৰৰ ভিতৰত হোৱা ভাষা-চিন্তাৰ ক্ৰমবিকাশৰ ইতিহাসক প্ৰধানতঃ তিনিটা ধাৰাত ভাগ কৰিব পাৰি :

(ক) ব্যাকৰণ (Grammar) : (পৰম্পৰাগত বা প্ৰথাগত ব্যাকৰণ-ধাৰা);
(খ) ভাষাতত্ত্ব (Philology) : (তুলনামূলক-ঐতিহাসিক ভাষা-চৰ্চাৰ ধাৰা);
(গ) ভাষাবিজ্ঞান (Linguistics) : (বিশুদ্ধ বা যথাৰ্থ ভাষা-চৰ্চাৰ ধাৰা)।

ভাৰতবৰ্ষ আৰু গ্ৰীছ দেশত সুকীয়া সুকীয়াকৈ সূচনা হোৱা ভাষা-চিন্তাৰ মাজত কালগত ব্যৱধানেই নাই লগতে মৌলিক পাৰ্থক্যও বিদ্যমান। এনে সত্ত্বেও সৰ্বশেষ বিচাৰত ধাৰা হিচাপে দুই ভিন্ন দেশত হোৱা ভাষা-চিন্তা একে ঐক্য-সূত্ৰত আবদ্ধ। সেয়েহে ভাষা চিন্তাৰ প্ৰথম ধাৰাটো 'ব্যাকৰণ' অভিধাৰে চিহ্নিত কৰিব পাৰি। অৱশ্যে 'ব্যাকৰণ' শব্দ ভাষা-বিশ্লেষণত অদ্যাৱধি ব্যৱহৃত এটি বহুল প্ৰচলিত শব্দ কিন্তু বৰ্তমান ব্যৱহৃত 'ব্যাকৰণ' শব্দৰ লগত প্ৰাচীন 'ব্যাকৰণ'ৰ তাৎপৰ্যপূৰ্ণ পাৰ্থক্য আছে। এনে কাৰণতে ভাষা-চৰ্চাৰ প্ৰাথমিক স্তৰত সূচনা হোৱা প্ৰাচীন ব্যাকৰণ

-ধাৰাক বৰ্তমান *পৰম্পৰাগত'* বা *প্ৰথাগত ব্যাকৰণ* (Traditional Grammar) হিচাপে চিহ্নিত কৰা হয়। এই ব্যাকৰণ-ধাৰা দুই প্ৰধান উপধাৰাত বিভক্ত ঃ

(১) দাৰ্শনিক (Philosophical) আৰু

(২) নিৰ্দেশাত্মক বা নিয়মাত্মক (Normative or Prescriptive)।

'ভাষাতত্ত্ব' শীৰ্ষক দ্বিতীয় ধাৰাটো অষ্টাদশ শতাব্দীৰ শেষ ভাগত সূচনা হৈ উনবিংশ শতাব্দীত বিশেষভাৱে প্ৰতিষ্ঠ হয়। এই ধাৰা (ক) *তুলনামূলক* (Comparative) আৰু (খ) *ঐতিহাসিক* (Historical) এনে দুই উপধাৰাত বিভক্ত। এই দুই উপধাৰাক একেলগে *'তুলনামূলক-ঐতিহাসিক* ধাৰা বুলিও অভিহিত কৰিব পাৰি। অৱশ্যে *'তুলনামূলক ভাষাতত্ত্ব* (Comparative Philology) বুলিহে এই ধাৰা অধিক সুপৰিচিত।

বিংশ শতাব্দীৰ প্ৰাৰম্ভৰ পৰা ভাষা-চিন্তা নতুন গতিৰে আগবাঢ়িল তেতিয়াৰ পৰা বৰ্তমান পৰ্যন্ত ভাষা-চিন্তাৰ ধাৰাটোক *'ভাষা-বিজ্ঞান* নামকৰণেৰে বুজাব পাৰি। ইয়ে আধুনিক ধাৰা। এই ধাৰাটোকো দুটা প্ৰধান উপধাৰাত ভাগ কৰিব পাৰি ঃ

(১) গঠনমূলক ভাষা-বিজ্ঞান/বৰ্ণনামূলক ভাষা-বিজ্ঞান
(Structural Linguistics)/(Descriptive Linguistics)

(২) ৰূপান্তৰমূলক-সৃজনধৰ্মী ব্যাকৰণ বা **ৰূপান্তৰ-স্ফোট ব্যাকৰণ**
(Transformational-Generative Grammar)

(ক) ব্যাকৰণ-ধাৰা ঃ

'ব্যাকৰণ বা শব্দ-বিশ্লেষণ শাস্ত্ৰৰ মাজেদি ভাষা-চিন্তাৰ প্ৰথম সূচনা হয় আৰু এনে চিন্তাৰ উন্মেষণ ঘটে সৰ্বপ্ৰথম ভাৰতবৰ্ষতে। খ্ৰীষ্ট-পূৰ্ব ১২০০-৮০০-ৰ ভিতৰত বিকাশ হোৱা বৈদিক-সাহিত্যৰ দ্বিতীয় স্তৰৰ অথৰ্ব আৰু যজুৰ্বেদত লগতে বিভিন্ন 'ব্ৰাহ্মণ গ্ৰন্থসমূহৰ মাজত ভাৰতত ব্যাকৰণ-চিন্তাৰ উদ্‌গম হোৱাৰ কিছু প্ৰমাণ পোৱা গ'লেও এই চিন্তাই সুনিৰ্দিষ্ট আৰু প্ৰণালীবদ্ধ ৰূপত আত্মপ্ৰকাশ কৰে আনুমানিক খ্ৰীষ্ট-পূৰ্ব পঞ্চম শতাব্দীৰ মহৰ্ষি পাণিনিৰ দ্বাৰা ৰচিত 'মানৱ মনীষাৰ মহত্তম কীৰ্তি' বুলি পৰিগণিত বিশ্বৰ প্ৰথমখন পূৰ্ণাঙ্গ ব্যাকৰণ 'অষ্টাধ্যায়ী নামে খ্যাত 'শব্দানুশাসনম্ নামৰ গ্ৰন্থৰ মাজত। এনে কাৰণতে ব্যাকৰণ-ধাৰাৰ বিকাশৰ কাল পাণিনিৰ সময়ৰ পৰা, অৰ্থাৎ আনুমানিক খ্ৰীষ্ট-পূৰ্ব পঞ্চম শতাব্দীৰ পৰা 'তুলনামূলক ভাষাতত্ত্ব -ৰ সূচনা হোৱা বছৰ—১৭৮৬ খ্ৰীষ্টাব্দ পৰ্যন্ত বুলি চিহ্নিত কৰিব পাৰি।

যজুৰ্বেদৰ 'কৃষ্ণ' ভাগত দেৱতাসকলে ইন্দ্ৰক 'অব্যাকৃত' বা 'অখণ্ড বাক্-ক ব্যাকৃত বা বিশ্লিষ্ট কৰিবলৈ অনুৰোধ কৰাৰ কথা পোৱা যায়। এই 'ব্যাকৃত বা 'বিশ্লিষ্ট' কৰাৰ অৰ্থতে পৰৱৰ্তী কালত 'ব্যাকৰণ' শব্দৰ প্ৰচলন হয়। 'ব্যাকৰণ' শব্দৰ প্ৰথম উল্লেখ পোৱা যায় 'অথৰ্ববেদ'-ৰ 'গোপথ ব্ৰাহ্মণত। বিভিন্ন ব্ৰাহ্মণ, উপনিষদ

আৰু আনুমানিক খ্ৰীষ্ট-পূৰ্ব ৮০০-৭০০-ৰ ভিতৰৰ যাস্কৰ শব্দ-ব্যুৎপত্তিমূলক গ্ৰন্থ 'নিৰুক্ত'-ৰ মাজত পোৱা ভাষা-সম্বন্ধীয় পৰিভাষাসমূহে প্ৰমাণ কৰিব পাৰে যে আনুমানিক খ্ৰীষ্ট-পূৰ্ব ১২০০-৮০০-ৰ ভিতৰত ভাষাক বিশ্লেষণ কৰাৰ প্ৰযত্নেৰে ভাৰতত ব্যাকৰণ-ধাৰা এটাৰ প্ৰৱৰ্তন হৈছিল আৰু সিয়ে পৰৱৰ্তী বেদাংগ-যুগত আনুমানিক ৮০০ ৬০০-ৰ ভিতৰত পূৰ্ণাঙ্গ ব্যাকৰণৰ ৰূপত আত্মপ্ৰকাশ কৰে। 'ব্যাকৰণ' ষড বেদাংগ বা ছয় বেদাংগৰ (শিক্ষা কল্প, ব্যাকৰণ নিৰুক্ত ছন্দ জ্যোতিষ) শ্ৰেষ্ঠাংগ বুলি বিবেচিত হৈছিল। ইযাৰ কাৰণ আছিল বেদৰ শব্দৰ শুদ্ধ গঠন-প্ৰক্ৰিযাৰ জ্ঞানৰ বাবে আৰু তাৰ দ্বাৰা বেদৰ শুদ্ধ পাঠৰ বাবে ব্যাকৰণ-চৰ্চা অত্যাৱশ্যকীয হৈ উঠিছিল। শব্দটোৰ ব্যুৎপত্তিগত অৰ্থযো তাকে প্ৰকাশ কৰে ঃ বি+আ+ $\sqrt{}$ কৃ+অন (অনট)= ব্যাকৰণ। বি-পূৰ্বক আ-পূৰ্বক কৃ-ধাতুত অন্ (অনট) প্ৰত্যযৰ যোগত নিষ্পন্ন শব্দটোৰ 'বি' উপসৰ্গই 'বিশেষ' 'আ' উপসৰ্গই 'ব্যাপ্তি' বা 'বিস্তৃতি' বুজায $\sqrt{}$ কৃ ধাতুৰ লগত 'অন্' প্ৰত্যয় যোগ হৈ সাধিত হোৱা 'ব্যাকৰণ' শব্দই ভাষাৰ 'বিশেষ আৰু বিস্তৃত ব্যাখ্যান বা বিশ্লেষণ কৰা' অৰ্থ প্ৰকাশ কৰে। গতিকে ই আছিল 'শব্দ বিশ্লেষণ শাস্ত্ৰ'। বেদৰ শব্দ-জ্ঞানৰ বাবে বিশেষ আৰু বিস্তৃত বিশ্লেষণ অৰ্থতে ভাৰতত ব্যাকৰণ-চৰ্চাৰ উদ্‌গম হৈছিল। বেদক পুৰুষৰ লগত তুলনা কৰি 'ব্যাকৰণ'ক বেদ-পুৰুষৰ মুখ বুলি ভবা হৈছিল কাৰণে বেদৰ শব্দৰ জ্ঞান অৰ্থাৎ শুদ্ধ গঠন-প্ৰক্ৰিযাৰ জ্ঞান অপৰিহাৰ্য হৈ উঠিছিল। সেযেহে 'ব্যাকৰণ' আছিল 'শব্দানুশাসন' আধুনিক অৰ্থৰ 'ৰূপতত্ত্ব' (Morphology)।

ভাৰতত ব্যাকৰণ-চিন্তাৰ চৰম বিকাশ ঘটে পাণিনিৰ 'অষ্টাধ্যায়ী'-ৰ মাজত। এই ক্ষেত্ৰত প্ৰাক্-পাণিনীয ব্যাকৰণ-চিন্তাৰ অৱদান কম নহয যদিও পাণিনিৰ কৃতি এনে মহত্তম যে পাণিনিক কেন্দ্ৰীয স্থানত অৱতীৰ্ণ কৰাই ভাৰতীয় ব্যাকৰণ-ধাৰাক প্ৰাক-পাণিনীয় 'পাণিনীয' আৰু 'উত্তৰ-পাণিনীয়' এনে তিনিটা প্ৰধান ধাৰাত ভাগ কৰিব পাৰি। বিজ্ঞানসম্মত সুশৃংখলিত চিন্তা আৰু অসাধাৰণ শিল্প-নৈপুণ্য গুণেৰে সুসমৃদ্ধ পাণিনিৰ 'অষ্টাধ্যায়ী'-ৰ প্ৰভাব ভাৰতীয় ব্যাকৰণ-ধাৰাত ইমানেই গভীৰ আছিল যে, তেওঁ প্ৰতিষ্ঠা কৰা আদৰ্শেৰে পৰৱৰ্তী দুহেজাৰ বছৰ ধৰি ভাৰতত শতাধিক বৈযাকৰণে কেৱল সংস্কৃতৰে নহয় পালি-প্ৰাকৃত ভাষাৰো ব্যাকৰণ প্ৰণযন কৰি ভাৰতীয় ব্যাকৰণ-ধাৰাক অত্যন্ত সমৃদ্ধিশালী কৰি তুলিছিল। পাণিনিৰ পৰৱৰ্তী কালত ঐন্দ্ৰ চান্দ্ৰ শাকটায়ন জৈনেন্দ্ৰ হেমচন্দ্ৰ, কাতন্ত্ৰ সাৰস্বত মুগ্ধবোধ জৌমৰ সৌপদ্ম, হৰিনামামৃত, নব্যন্যায় নামধাৰী বাৰটা পৰ্যন্ত বৈয়াকৰণ-সম্প্ৰদায় ভাৰতত প্ৰতিষ্ঠা হৈছিল। ইয়াৰে কিছুসংখ্যকে অ-পাণিনীয় দৃষ্টিভঙ্গীৰে ব্যাকৰণ প্ৰণয়ন কৰিছিল যদিও অৱশেষ বিচাৰত পাণিনীয় ধাৰাই প্ৰতিষ্ঠিত হৈছিল।

পাণিনিয়ে যদিও তেওঁৰ সমকালত প্ৰচলিত শিষ্ট ভাষাটোৰ ৰূপ বিশ্লেষণ কৰি

বৰ্ণনামূলক ভাষা-বিশ্লেষণৰ (Descriptive) দৃষ্টিভঙ্গীৰ পৰিচয় দিব পাৰিছিল, পৰৱৰ্তী কালত তেওঁৰ ব্যাকৰণৰ প্ৰতি এনে শ্ৰদ্ধাশীল মনোবৃত্তি গঢ়ি উঠিছিল যে তেওঁ প্ৰতিষ্ঠা কৰা আদৰ্শ অনুযায়ীয়েই ভাষা-বিশ্লেষণ কৰা ৰীতি প্ৰতিষ্ঠা হৈছিল। এনে কাৰণতে কেৱল সংস্কৃত ভাষাৰে নহয় পালি-প্ৰাকৃতৰো সমস্ত ব্যাকৰণ পাণিনিৰ ব্যাকৰণৰ আদৰ্শ-অনুগামী হৈ উঠিছিল। সেয়েহে পাণিনিৰ ভাষা বিশ্লেষণ বৰ্ণনামূলক হোৱা সত্ত্বেও অৱশেষত প্ৰাচীন ভাৰতীয় ব্যাকৰণ-ধাৰা 'নিয়মাত্মক' (Prescriptive) বা 'নিৰ্দেশাত্মক (Normative) হৈ উঠিল।

ইউৰোপ তথা পাশ্চাত্য জগতত সৰ্বপ্ৰথম ভাষা-চিন্তাৰ অংকুৰণ ঘটিছিল প্ৰাচীন গ্ৰীচ্ দেশত আৰু দাৰ্শনিক প্লেটোৱেই (খ্ৰীষ্ট-পূৰ্ব ৪২৭-৩৪৮) আছিল এনে অংকুৰণৰ বীজ প্ৰোথিত কৰা প্ৰথমজন ব্যক্তি। প্লেটোৱে তেওঁৰ দাৰ্শনিক চিন্তা-সমৃদ্ধ 'Dialogues নামৰ গ্ৰন্থত কথোপকথনৰ মাধ্যমেৰে ভাষাৰ উৎপাদনৰ লগত মনৰ সম্বন্ধ, শব্দ আৰু অৰ্থৰ মাজৰ যোগসূত্ৰ ইত্যাদি লৈ যুক্তি-নিৰ্ভৰ নানা চিন্তা আগবঢ়াই পৰৱৰ্তী ভাষা-অনুসন্ধিৎসুসকলৰ বাবে নতুন ক্ষেত্ৰ মুকলি কৰি দিছিল। ইয়াৰ ফলতে তেওঁৰ শিষ্য এৰিষ্টোটলে (খ্ৰীষ্ট-পূৰ্ব ৩৮৪-৩২২) অধিক বিশ্লেষণেৰে ভাষা-চিন্তাৰ সৌধ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিল। প্ৰকৃততে এৰিষ্টোটলেহে ইউৰোপীয় জগতত ভাষাৰ উপাদান বা বৈয়াকৰণিক দিশসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছিল আৰু তেওঁৰ আলোচনা-পদ্ধতিয়ে পৰৱৰ্তী বৈয়াকৰণসকলক এই দিশত আগবাঢ়িবলৈ প্ৰেৰণা দিছিল। তেওঁ কাব্য-ভাষা প্ৰসঙ্গত parts of speech বা ভাষাৰ গাঁথনিক দিশৰ এনে কিছুমান কথা আলোচনা কৰিছিল যিবোৰ আছিল যথেষ্ট প্ৰভাৱ সঞ্চাৰী। এৰিষ্টোটলৰ পাছত ষ্টোইক (Stoic) দাৰ্শনিকসকলে ভাষা-চিন্তাত প্ৰবৃত্ত হৈ ইয়াক এক স্বতন্ত্ৰ জ্ঞান-শাখা ৰূপে প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

কিন্তু প্লেটো-এৰিষ্টোটলেই হওক বা ষ্টোইক-দাৰ্শনিকসকলেই হওক, কোনেও ভাষা-সম্পৰ্কীয় আলোচনাক 'ব্যাকৰণ বা তেনে জাতীয় কোনো অভিধাৰে বুজোৱা নাছিল। তেওঁলোকৰ যি ভাষা-চিন্তা আছিল, সি আছিল প্ৰাসঙ্গিক আৰু দাৰ্শনিক চিন্তা-সমৃদ্ধ। এনে কাৰণতে খ্ৰীষ্ট-পূৰ্ব দ্বিতীয় শতাব্দীৰ গ্ৰীক ভাষাৰ প্ৰথমজন বৈয়াকৰণ ডিওনুছিওছ থ্ৰাক্স (Dionusios Thrax) পৰ্যন্ত গ্ৰীক ভাষা-চিন্তা আৰু বৈয়াকৰণিক দিশৰ আলোচনাক *'দাৰ্শনিক ব্যাকৰণ'* (Philosophical Grammar) বুলি অভিহিত কৰা হয়।

ইউৰোপীয় ব্যাকৰণ-ধাৰা প্ৰকৃততে প্ৰতিষ্ঠা হয় খ্ৰীষ্ট-পূৰ্ব দ্বিতীয় শতাব্দীৰ ডিওনুছিওছ থ্ৰাক্সে *টেখ্নে গ্ৰাম্মাটিকে* ৰচনা কৰাৰ পৰা। এইখন গ্ৰীক ভাষাৰ প্ৰথম ব্যাকৰণ হোৱাৰ উপৰিও এইখনৰ জৰিয়তে থ্ৰাক্সে ভাষা-চৰ্চাক ইউৰোপীয়

জগতত এক স্বতন্ত্ৰ জ্ঞান-শাখাৰূপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ল। এওঁৰ প্ৰযুক্ত ব্যৱহৃত 'গ্ৰাম্‌মাটিকে (Grammatike) শব্দৰ পৰাই লেটিনত 'গ্ৰামাটিকাএ' (Grammaticae) আৰু ইংৰাজীত গ্ৰামাৰ' (Grammar) শব্দ প্ৰচলিত হৈ ভাষা-বিশ্লেষণত প্ৰযুক্ত হয়। গ্ৰীক গ্ৰাম্‌মাটিকে শব্দই ভাৰতীয় 'ব্যাকৰণ' শব্দৰ অৰ্থ সম্পূৰ্ণকৈ নুবুজালেও দুয়োটা প্ৰায় সমপৰ্যায়ৰ শব্দ বুলি গণ্য কৰিব পাৰি, ভাৰতীয় 'ব্যাকৰণ-ৰ দৰে 'শব্দ-বিশ্লেষণ'-ৰ অৰ্থ নুবুজালেও 'লিখন-বোধ' বা পঠন-লিখনৰ নৈপুণ্য অৰ্থ প্ৰকাশ কৰিছিল। এই প্ৰসঙ্গত ডেভিদ ক্ৰিষ্টেলৰ (David Crystal) ব্যাখ্যা উল্লেখযোগ্য : the term grammar (grammatike), which in this early period implied understanding the use of letters —that is, having the skill of reading and writing"।' থ্ৰাক্স আছিল এৰিষ্টোটলৰ চিন্তাৰ অনুগামী আৰু সেই কাৰণে এৰিষ্টোটলৰ দৰে হোমাৰীয় যুগৰ কাব্য-ভাষা বোধৰ বাবে ভাষা-বিশ্লেষণ কৰি তাক 'grammatike' আখ্যা দিছিল। পাছলৈ অৱশ্যে ইংৰাজী grammar -ৰূপে ব্যৱহাৰ হৈ ভাষা-বিশ্লেষণৰ অৰ্থ বুজোৱা হ'লগৈ। বৰ্তমান ইংৰাজী grammar' আৰু ভাৰতীয় 'ব্যাকৰণ' একে অৰ্থতে ব্যৱহাৰ হয়।

থ্ৰাক্সৰ পাছত খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ ভিতৰত গ্ৰীক ব্যাকৰণ-ধাৰা বিশেষভাৱে সমৃদ্ধ হৈছিল এপোলোনিওছ ডুস্কোলোছ (Appollōnios Duskolos) আৰু হেৰোডিয়ানুছ (Hērōdianus) নামৰ দুজন বৈয়াকৰণৰ জৰিয়তে। থ্ৰাক্সক অনুসৰণ কৰিয়েই দুয়োজনে ব্যাকৰণ প্ৰণয়ন কৰিছিল যদিও থ্ৰাক্সে আলোচনা নকৰা অনেক কথা এওঁলোকে আলোচনা কৰি গ্ৰীক ব্যাকৰণ-ধাৰাক পূৰ্ণাংগ কৰি তুলিছিল।

খ্ৰীষ্ট-পূৰ্ব প্ৰথম শতাব্দীত গ্ৰীছ দেশ ৰোমান সাম্ৰাজ্যৰ অন্তৰ্গত হোৱাৰ ফল স্বৰূপে গ্ৰীক ব্যাকৰণ-ধাৰা খ্ৰীষ্টাব্দ দ্বিতীয় শতাব্দী পৰ্যন্ত চলি আছিল যদিও ক্ৰমশঃ অৱলুপ্ত হ'ল। আনফালে ৰোমান পণ্ডিতসকলে থ্ৰাক্স, ডুস্কোলোছ আদিয়ে প্ৰৱৰ্তন কৰা গ্ৰীক ব্যাকৰণৰ আৰ্হিত প্ৰাচীন লেটিন সহিত্যৰ ব্যাকৰণ ৰচনাত মনোনিবেশ কৰিলে, ইয়াৰ ফলত এক শক্তিশালী লেটিন ব্যাকৰণ-ধাৰা প্ৰৱৰ্তিত হ'ল। গ্ৰীক আৰ্হিৰে যিকেইজন ৰোমান পণ্ডিতে লেটিন ব্যাকৰণ ৰচনা কৰি প্ৰসিদ্ধ হৈছিল সেইকেইজনৰ ভিতৰত খ্ৰীষ্ট-পূৰ্ব প্ৰথম শতাব্দীৰ *ভাৰো* (Varrō), *কুইন্টিলিয়ানুছ* (Quintiliānus) খ্ৰীষ্টাব্দ চতুৰ্থ শতাব্দীৰ *ডোনাটুছ* (Doātus) আৰু খ্ৰীষ্টাব্দ পঞ্চম শতাব্দীৰ *প্ৰিছকিয়ান* বা *প্ৰিছকিয়ানুছৰ* (Prisciān/Prisciānus) নাম বিশেষ উল্লেখযোগ্য। এইকেইজনৰ ভিতৰত প্ৰিছকিয়ানেই প্ৰসিদ্ধ। লেটিন বৈয়াকৰণিক চিন্তাৰ ক্ৰমবিকাশৰ ইতিহাসত এওঁ ভাৰতৰ পাণিনিৰ সমমৰ্যাদাৰ আসনত সমাসীন। অৱশ্যে পাণিনিৰ ব্যাকৰণ-চিন্তাৰ মৌলিকতা আৰু দক্ষতা এওঁ প্ৰদৰ্শন কৰিব পৰা

নাছিল। তথাপিতো এওঁৰ ইনষ্টিটুটিওনেছ গ্ৰামাটিকাএ (Institutiones Grammaticae) নামৰ ওঠৰটা খণ্ডত বিভক্ত বৃহৎ ব্যাকৰণখনৰ প্ৰভাৱ ইউৰোপীয জগতত আছিল অত্যন্ত গভীৰ। প্ৰকৃততে ক'বলৈ গ'লে পঞ্চদশ শতাব্দীত সূচনা হোৱা 'নবজাগৰণ -ৰ (Renaissance) পূৰ্ব পৰ্যন্ত, এই এহেজাৰ বছৰ কাল ব্যাপি ইউৰোপীয় জগতৰ ব্যাকৰণ-চৰ্চাত এই ব্যাকৰণেই আছিল একমাত্ৰ আদৰ্শ ব্যাকৰণ। ত্ৰয়োদশ চতুৰ্দশ শতাব্দীত ইউৰোপত ব্যাকৰণ -চৰ্চাৰ ক্ষেত্ৰত এক নতুন চিন্তাৰ সূত্ৰপাত হয় — সেই চিন্তা হ'ল এক 'সাৰ্বভাষিক' বা 'বৈশ্বিক ব্যাকৰণ (Universal Grammar) ৰচনাৰ উদ্যোগ। ত্ৰযোদশ শতাব্দীৰ ৰোজাৰ বেকন আছিল এনে চিন্তাৰ অগ্ৰণী। তেওঁ ঘোষণা কৰিছিল যে বিভিন্ন ভাষাৰ মাজত পাৰ্থক্য থাকিলেও সেয়া মাথো বাহিৰৰ পাৰ্থক্য আভ্যন্তৰীণ দিশৰ পৰা সকলো ভাষাৰ ব্যাকৰণ একেই। এনে চিন্তাৰ মূলতে আছিল ইউৰোপৰ গ্ৰীক-লেটিনৰ উপৰিও অন্যান্য নতুন নতুন ভাষাৰ লগত পৰিচিতি আৰু ইয়াৰ ফলত বিভিন্ন ভাষাৰ মাজত ঐক্যৰ সন্ধান। বিভিন্ন ভাষাৰ মাজত থকা স্বকীয বৈশিষ্ট্যসমূহত গুৰুত্ব নিদি বিশ্বজগতত যি ঐক্য বিৰাজমান তেনে ঐক্য ভাষাৰ মাজতো বিৰাজমান বুলি ভাষাৰ লগত বিশ্বজগতৰ সম্পৰ্ক আবিষ্কাৰৰ প্ৰচেষ্টা হ'ল। ইয়াৰ ফলত ভাষা-বিশ্লেষণত এক দাৰ্শনিক চিন্তা-ধাৰাৰ সূচনা হ'ল লক্ষ্য হৈ পৰিল সাৰ্বভাষিক ব্যাকৰণ ৰচনাৰ মাজেদি এক আদৰ্শ ভাষাৰ স্থাপন। এই ক্ষেত্ৰত প্ৰাচীন লেটিনেই (Classical Latin) হৈ উঠিল প্ৰধান আধাৰ। চতুৰ্দশ শতাব্দীত *মোডিষ্টেই* বা *স্পেকুলেটিভ বৈয়াকৰণ* (Modistae or Speculative Grammarians) বুলি জনা এদল পণ্ডিতে লেটিন ভাষাৰ ব্যাকৰণৰ নিযম সকলো ভাষাতে প্ৰযোজ্য হ'ব পৰাকৈ ব্যাকৰণ ৰচনাত উদ্যোগী হৈ উঠিল। ইয়াৰ ফলত লেটিন-নিযমানুশাসিত 'সাধাৰণ ব্যাকৰণ'-ৰ (General Grammar) শ্ৰেণী এটা প্ৰবৰ্তন হ'ল। প্ৰধানতঃ প্ৰিছকিয়ানৰ লেটিন ব্যাকৰণৰ আদৰ্শতে এনে সাৰ্বভাষিক ব্যাকৰণ অষ্টাদশ শতাব্দী পৰ্যন্ত বিপুলভাৱে ৰচনা কৰা হৈছিল। ই এনে এক পৰ্যায় পাইছিলগৈ যে, লেটিন ব্যাকৰণৰ আদৰ্শ অনুসৰণ নকৰা ব্যাকৰণক অশুদ্ধ বুলিয়েই গণ্য কৰা হৈছিল। কেৱল লেটিন-মূলৰ ভাষাৰে নহয়, 'নবজাগৰণ'-ৰ ফল স্বৰূপে লেটিল-মূলৰ নোহোৱা অন্যান্য যিবোৰ ভাষাৰ লগত ইউৰোপীয় পণ্ডিত আৰু ধৰ্ম-প্ৰচাৰকসকলৰ পৰিচিতি হৈছিল সেইবোৰ ভাষাৰ ব্যাকৰণো লেটিন ব্যাকৰণৰ নিৰ্দেশিত নিয়ম অনুসৰণ কৰি ৰচনা কৰা প্ৰথা গঢ়ি উঠিছিল। প্ৰত্যেক ভাষাৰ মাজত থকা স্বকীয় বৈশিষ্ট্যসমূহৰ প্ৰতি মন নিদিয়াকৈ লেটিন ব্যাকৰণ নিৰ্দেশিত নিয়মেৰে ব্যাকৰণ ৰচনাৰ লক্ষ্য হোৱাত ব্যাকৰণসমূহ হৈ উঠিল *নিৰ্দেশাত্মক* (Normative)। অষ্টাদশ শতাব্দীৰ শেষ ভাগত সূচনা হোৱা 'ভাষাতত্ত্ব নামৰ ধাৰাটো উদ্‌গমৰ পূৰ্ব পৰ্যন্ত এনে 'নিৰ্দেশাত্মক

ব্যাকৰণ -ৰ জৰিয়তে ইউৰোপৰ বিভিন্ন ভাষাৰ আলোচনা হৈ আছিল। অৱশ্যে ইয়াৰ পাছতো যে এই শ্ৰেণীৰ ব্যাকৰণ ৰচনা হোৱা নাছিল বা এনে ব্যাকৰণ ৰচনাৰে ভাষাৰ বিশ্লেষণৰ কাম হোৱা নাছিল এনে নহয় কিন্তু ভাষাতত্ত্ব ধাৰাটোৱে ভাষা চৰ্চাৰ ক্ষেত্ৰ নতুন ৰূপত মুকলি কৰি দিয়াৰ কাৰণে সেই সময়লৈকে 'ব্যাকৰণ ধাৰা বুলিলে ভাষা চিন্তাৰ ক্ৰমবিকাশৰ ইতিহাস অনুধাৱন কৰা সহজ হয়।

একে নিয়ম অনুৱৰ্তী হৈ কেনে হোৱা উচিত তাক নিৰ্দেশ কৰাই ব্যাকৰণ ধাৰাৰ প্ৰধান কথা হৈ পৰাৰ কাৰণে বৰ্তমান ইয়াক প্ৰথাগত বা পৰম্পৰাগত (Traditional) বুলি আখ্যা দিয়া হ'লেও দুহেজাৰ বছৰৰো অধিক কাল এই ধাৰা পৰিব্যাপ্ত হৈ থাকি ভাষা-চৰ্চাৰ ইতিহাসক যে সজীৱ আৰু প্ৰাণৱন্ত কৰি ৰাখিছিল সেই কথা নুই কৰিব নোৱাৰি।

(খ) ভাষাতত্ত্ব-ধাৰা ঃ

'ভাষাতত্ত্ব বুলি চিহ্নিত ভাষা চিন্তাৰ ক্ৰমবিকাশৰ দ্বিতীয় ধাৰাটোৰ সময়-সীমা ১৭৮৬ *খ্ৰীষ্টাব্দৰ পৰা ১৯১৫ খ্ৰীষ্টাব্দ পৰ্যন্ত* বুলি নিৰ্ণয় কৰিব পাৰি। ১৭৮৬ খ্ৰীষ্টাব্দক এই ধাৰাৰ আৰম্ভণি বুলি ধৰাৰ কাৰণ হ'ল সেই খ্ৰীষ্টাব্দৰ ২ ফেব্ৰুৱাৰীত কলিকতাৰ ৰয়েল এছিয়াটিক ছোচাইটি -ৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সেই সময়ত কলিকতাস্থ সংস্কৃতজ্ঞ বিচাৰপতি ছাৰ উইলিয়াম জোনছে (Sir William Jones 1746 1794) ভাষা-বিষয়ক এনে এক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰিছিল যি সমসাময়িক ইউৰোপীয় ভাষাতাত্ত্বিকৰ মনত নতুন চিন্তা আৰু উদ্দীপনা সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ লিখিত বক্তৃতা প্ৰদানৰ মাজেদি ঘোষণা কৰিছিল যে —'সংস্কৃত ভাষা যিমানেই প্ৰাচীন নহওক লাগিলে তাৰ গঠন-প্ৰণালী বিস্ময়জনক গ্ৰীক ভাষাতকৈও নিখুঁত লেটিন ভাষাতকৈও বিস্তৃত আৰু এই দুই ভাষাতকৈও অনেক বেছি পৰিশীলিত। তেওঁ এই ভাষাকেইটা অৰ্থাৎ গ্ৰীক লেটিন সংস্কৃত কোনো এক বিলুপ্ত প্ৰাচীন উৎসৰ পৰা বিকাশমান বুলি ভাবিছিল আৰু প্ৰাচীন গোঠীয় কেলটীয় আৰু পাৰছীয় ভাষাক সংস্কৃতৰ সগোত্ৰীয় বুলি অনুমান কৰিছিল। অৱশ্যে জোনছৰ পূৰ্বতে ষোড়শ শতাব্দীত ইটালীয় মিছনেৰী ফিলিপ্পো ছাছেটিয়ে ইটালীয় শব্দৰ লগত সংস্কৃত শব্দৰ পৰ্টুগীজ মনীষী থমাছ ষ্টেফেন্‌ছে গ্ৰীক লেটিন সংস্কৃতৰ গাঁথনিক দিশৰ সামঞ্জস্য আৰু অষ্টাদশ শতাব্দীৰ ফৰাছী যাজক কুৰ্ডোৱে লেটিন শব্দৰ লগত সংস্কৃত শব্দৰ সাদৃশ্যৰ কথা উনুকিয়াইছিল। কিন্তু জোনছৰ বক্তৃতাইহে অধিক দৃঢ়তাৰে সংস্কৃত ভাষাৰ শ্ৰেষ্ঠতা আৰু গ্ৰীক-লেটিন-গোঠীয়-কেল্টীয় পাৰছীয় ভাষাৰ লগত ইয়াৰ সাদৃশ্যৰ কথা ঘোষণা কৰিছিল। সেয়েহে জোনছৰ এই ঘোষণাই প্ৰথমবাৰৰ বাবে ইউৰোপীয় ভাষা-অনুসন্ধিৎসু পণ্ডিতমণ্ডলীৰ মাজত এক আলোড়ন জগাই তুলিবলৈ সমৰ্থ হ'ল। তেওঁৰ সুচিন্তিত

অভিমত কেন্দ্ৰ কৰিয়েই ঊনবিংশ শতাব্দীৰ আৰম্ভণিৰ পৰাই জাৰ্মানীক কেন্দ্ৰ কৰি সমগ্ৰ ইউৰোপতে প্ৰাচীন সাহিত্য-সমৃদ্ধ এই ভাষাসমূহৰ তুলনামূলক অধ্যয়নে বিশেষ বিস্তৃতি লাভ কৰিলে সিয়ে 'তুলনামূলক ভাষাতত্ত্ব (Comparative Philology) নামেৰে পৰিচিত হৈ ভাষাৰ চিন্তা-চৰ্চাই এক নতুন দিশত অগ্ৰগতি লাভ কৰি সুসমৃদ্ধ হৈ উঠিল। এনে কাৰণতে ছাৰ উইলিয়াম জোন্‌ছক এই ধাৰাৰ উদঘাটনৰ প্ৰথম ব্যক্তি বুলি অভিহিত কৰিব পাৰি। জোন্‌ছৰ বক্তৃতা সম্পৰ্কে এডগেৰটন ফ্ৰেংকলিনে (Edgerton Franklin) আগবঢ়োৱা মন্তব্য এই প্ৰসঙ্গত উল্লেখযোগ্য ° the first known printed statement of the fundamental postulate of Indo-European comparative grammar more than that of comparative linguistics as a whole " অৱশ্যে ফ্ৰেংকলিনে কোৱাৰ দৰে 'ছপাৰ হৰফৰ প্ৰথম উক্তি এই কথা সত্য নহ'লেও জোন্‌ছৰ উক্তিৰেই যে 'তুলনামূলক ভাষাতত্ত্ব বা 'ভাষাতত্ত্ব-ধাৰাটোৰ শুভাৰম্ভ হয় সেই কথা সত্য। জোন্‌ছে সংস্কৃত ভাষাৰ শ্ৰেষ্ঠতা আৰু গ্ৰীক-লেটিন-কেল্‌টীয়-গোঠীয় আদি প্ৰাচীন ভাষাৰ লগত ইয়াৰ সম্বন্ধ উনুকিওৱাৰ পাছত জাৰ্মান পণ্ডিতসকলে প্ৰায় লগে লগে নিৰলসভাৱে সংস্কৃত-গ্ৰীক-লেটিন-কেল্‌টীয-গোঠীয আদি ভাষাসমূহৰ তুলনামূলক আলোচনাত প্ৰবৃত্ত হয় আৰু এই সগোত্ৰজ ভাষাসমূহৰ মূল যে এক 'আদিম ইণ্ডো-ইউৰোপীয় (Primitive Indo-European) সেই কথা প্ৰতিপন্ন কৰে (অৱশ্যে জাৰ্মান পণ্ডিতসকলে 'ইণ্ডো-জাৰ্মানীয (Indo Germanic) নামটোৰহে পৃষ্ঠপোষকতা কৰিছিল পাছতহে 'ইণ্ডো ইউৰোপীয় নামটোৰ প্ৰতিষ্ঠা হয়)। পোন প্ৰথম আলোচনাৰ মাধ্যমেৰে এই তুলনামূলক ভাষাতত্ত্বৰ সূচনা হয জাৰ্মান ভাষাতাত্ত্বিক ফিয়েড্ৰিখ বন শ্লেগেল-ৰ (Friedrich Von Schlegel 1772-1829) ১৮০৮ খ্ৰীষ্টাব্দত প্ৰকাশিত On the Language and the Wisdom of the Indians নামৰ গ্ৰন্থখনৰ জৰিয়তে। সেই কাৰণেই এই গ্ৰন্থ সম্পৰ্কে মন্তব্য কৰা হৈছে ঃ the starting point of the study of Indian languages and comparative philology"[*]। তেওঁৰেই সৰ্বপ্ৰথম সংস্কৃত ভাষাৰ ঐশ্চৰ্য সম্পৰ্কে জাৰ্মান তথা বিশ্বৰ পণ্ডিতসকলৰ দৃষ্টি আকৰ্ষণ কৰে আৰু তাৰ ফলস্বৰূপে জাৰ্মানীক কেন্দ্ৰ কৰি ইউৰোপত তুলনামূলক ধাৰাটোৱে বিশেষ প্ৰতিষ্ঠা লাভ কৰে।

প্ৰাচীন ভাষাসমূহৰ বিশেষকৈ সাহিত্য-সম্পদেৰে সমৃদ্ধ প্ৰাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাই প্ৰাধান্য পোৱাৰ কাৰণে এই ধাৰাৰ আলোচনা comparative philology বা 'তুলনামূলক ভাষাতত্ত্ব' বুলি পৰিচিত হৈছিল যদিও 'philology বা 'ভাষাতত্ত্ব বুলিও কোৱা হৈছিল, philology -ৰ লগে লগে

glossology glottology আদি নামো ব্যৱহাৰ হৈছিল। এনে বিভিন্ন নামেৰে নামকৰণ হোৱাৰ তাৎপৰ্য এয়ে যে এই ধাৰাৰ ভাষাৰ অধ্যয়ন বা ভাষাৰ বিশ্লেষণ মূলতং আছিল শব্দ কেন্দ্রিক। শব্দ বা তাৰ লগত জড়িত ধ্বনিক কেন্দ্র কৰি বিভিন্ন ভাষাৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্য অতীত-ইতিহাস মূল নিৰূপণ পৰিবৰ্তনৰ প্ৰকৃতি আদিৰ আলোচনা কৰা হৈছিল। philology শব্দটো প্ৰাচীন সাহিত্যৰ শব্দ নিৰ্ণয়ৰ ক্ষেত্ৰত ১৭৭৭ খ্ৰীষ্টাব্দত জাৰ্মানীৰ ফ্ৰিয়েড্ৰিখ ৱোল্‌ফে (Friedrich Wolf) ব্যৱহাৰ কৰিছিল। পাছত জাৰ্মানীক কেন্দ্ৰ কৰি গঢ়ি উঠা প্ৰাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাত ই প্ৰযুক্ত হৈ পৰে। অসমীয়াত এই philology -ৰ প্ৰতিশব্দ হিচাপে 'ভাষাতত্ত্ব' গ্ৰহণ কৰিব পাৰি যেনেদৰে পাৰি comparative philology-ক 'তুলনামূলক ভাষাতত্ত্ব' বুলি।

এই ধাৰাত বিভিন্ন প্ৰাচীন ভাষাৰ প্ৰাপ্ত সমলৰ ওপৰত ভিত্তি কৰি তুলনামূলক বিচাৰ পাৰস্পৰিক সম্বন্ধ মূল নিৰূপণ আৰু কালক্ৰমিক পৰিবৰ্তন আদিৰ আলোচনাই গুৰুত্ব লাভ কৰিছিল। 'ব্যাকৰণ-ধাৰা'ৰ লগত এই ধাৰা-ৰ মূলগত পাৰ্থক্য হ'ল— *বৈয়াকৰণসকলৰ দৰে ভাষাতাত্ত্বিকসকলৰ দৃষ্টি কোনো এটা বিশেষ সাহিত্যিক-ভাষাৰ বিশ্লেষণতে সীমাবদ্ধ নাথাকি একাধিক প্ৰাচীন সাহিত্যিক-ভাষাৰ তুলনা বংশগত সম্পৰ্ক নিৰ্ণয় ঐতিহাসিক ক্ৰমবিৱৰ্তন আদিৰ সম্পৰ্কেও প্ৰসাৰিত হৈছিল।* ১৯১৫ খ্ৰীষ্টাব্দত ছুইজাৰলেণ্ডীয় ভাষাবিজ্ঞানী অধ্যাপক ফাৰ্ডিনাণ্ড দা ছছ্যুৰৰ (Prof Ferdinand De Saussure 1859 1913) Cours de Linguistique Ge ne rale বা ইংৰাজী নাম Course in General Linguistics' প্ৰকাশ হৈ ওলোৱা পৰ্যন্ত এই ধাৰাৰ সীমাৰেখা বুলি নিৰূপণ কৰিব পাৰি। অৱশ্যে ইয়াৰ পাছলৈকো, বিংশ শতাব্দীৰ তৃতীয় দশক পৰ্যন্ত ভাষাতত্ত্বৰ ধাৰা পূৰ্ণ পয়োভৰেৰে চলি আছিল। কিন্তু ছছ্যুৰৰ গ্ৰন্থই ভাষাৰ অধ্যয়নত এনে এক নতুন চিন্তাৰ ঢৌ তুলিছিল যে তেওঁ আগবঢোৱা চিন্তা-সূত্ৰৰ আঁত ধৰিয়েই বিংশ শতাব্দীৰ তৃতীয় দশকমানৰ পৰা ভাষা-অধ্যয়নত এক বৈপ্লৱিক পৰিৱৰ্তনৰ ধাৰা প্ৰবৰ্তন হোৱা সম্ভৱ হ'ল। সেয়েহে 'ভাষাতত্ত্ব'-ৰ ধাৰাটো ছছ্যুৰৰ গ্ৰন্থ প্ৰকাশ হৈ ওলোৱা বছৰটোলৈকে বুলি সময়-সীমা অংকন কৰিব পাৰি।

সমগ্ৰ উনবিংশ শতাব্দীৰ উপৰিও বিংশ শতাব্দীৰ প্ৰাৰম্ভ পৰ্যন্ত এই ধাৰাৰে চলি থকা ভাষা-অধ্যয়নক অধ্যয়নৰ প্ৰকৃতিলৈ লক্ষ্য কৰি প্ৰধানতঃ দুটা উপধাৰাত ভাগ কৰিব পাৰি ঃ (ক) *তুলনামূলক* (Comparative) আৰু (খ) *ঐতিহাসিক* (Historical)।

তুলনামূলক অধ্যয়নে বিস্তৃতি লাভ কৰিছিল উনবিংশ শতাব্দীৰ প্ৰথমাৰ্ধত আৰু ঐতিহাসিক অধ্যয়নে প্ৰসাৰ লাভ কৰিছিল উনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ পৰা বিংশ

শতাব্দীৰ প্ৰাৰম্ভ পৰ্যন্ত।

উনবিংশ শতাব্দীৰ প্ৰথমাৰ্ধত মুখ্য আলোচ্য বিষয় আছিল সংস্কৃত গ্ৰীক লেটিন আৰ্মেনীয় লিথুৱানীয় আইছলেণ্ডীয় পাৰ্ছীয় গোঠীয় প্ৰভৃতি প্ৰাচীন সাহিত্য সম্পদেৰে সমৃদ্ধ ভাষাসমূহৰ তুলনামূলক বিচাৰ আৰু লগতে পাৰস্পৰিক সম্বন্ধ বংশ নিৰূপণ তথা মূল-নিৰূপণ। তুলনাৰে পাৰস্পৰিক সম্বন্ধ আৰু ভাষাসমূহৰ আঁতি গুৰি নিৰূপণ কৰাৰ প্ৰচেষ্টা হোৱাৰ কাৰণে এই সময়ৰ ভাষা-অধ্যয়ন 'তুলনামূলক ভাষাতত্ত্ব' নামেৰে পৰিচিত হৈ পৰিছিল। অৱশ্যে আলোচকসকলে 'তুলনামূলক ব্যাকৰণ' নামটোও ব্যৱহাৰ কৰিছিল কিন্তু সামগ্ৰিকভাৱে 'তুলনামূলক ভাষাতত্ত্ব' নামহে অধিক জনপ্ৰিয় হৈছিল। এই তুলনামূলক ভাষাতত্ত্বক সমৃদ্ধ কৰাত জাৰ্মান ভাষাতাত্ত্বিক পণ্ডিতসকলৰ অৱদান অপৰিসীম। যিসকলে অগ্ৰণী ভূমিকা লৈছিল সেইসকলৰ ভিতৰত *ফিয়েড্ৰিখ ৱন শ্লেগেল আউগুষ্ট ৱন শ্লেগেল উইলহেল্‌ম ৱন হামবোল্ট ৰাছমুখ ক্ৰিষ্টিয়ান ৰাস্ক যাকোব গ্ৰীম ফ্ৰানৎস বোপ আউগুষ্ট ফিয়েড্ৰিখ পোট আউগুষ্ট শ্লেইচাৰ*-ৰ নাম বিশেষ উল্লেখযোগ্য।

উনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত বিশেষকৈ সপ্তম-অষ্টম দশকত জাৰ্মান দেশৰ 'নব্য-বৈয়াকৰণ গোষ্ঠী'-ৰ (Junggrammatiker = Neo-grammarians) *কাৰ্ল ব্ৰুগমান বেৰ্টোল ডেলব্ৰুক হেৰমান ওচথোফ হেৰমান পাউল* ফ্ৰান্সৰ *আঁটোৱান মেইয়ে, জে ভেনড্ৰিশ্‌* আমেৰিকাৰ *উইলিয়াম ডুৱিট হুইটনি* প্ৰভৃতি ভাষাতাত্ত্বিকসকলে প্ৰথমাৰ্ধৰ প্ৰাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাৰ ঠাইত কোনো এটা বিশেষ প্ৰাচীন ভাষাৰ আৰু লগতে প্ৰচলিত আধুনিক ভাষা যেনে—ইংৰাজী ফৰাছী জাৰ্মান আদিৰ ঐতিহাসিক ক্ৰমিবকাশ সম্বন্ধে আলোচনা কৰিবলৈ আৰম্ভ কৰিলে লগতে সগোত্ৰীয় ভাষাসমূহৰ লগত তুলনা কৰা কাৰ্যতো প্ৰবৃত্ত হ'ল। তুলনামূলক আলোচনাই স্থান পাইছিল যদিও সামগ্ৰিক বিচাৰত অধ্যয়ন হৈছিল ঐতিহাসিক দৃষ্টিভঙ্গীৰ।

ইতিমধ্যে ফ্ৰান্সত ফৰাছী ভাষাতাত্ত্বিকসকলে তেওঁলোকৰ ভাষা-আলোচনাক Linguistique অভিধাৰে বুজাইছিল। শব্দটো মূলতে লেটিনৰ লেটিন lingua (ভাষা) আৰু istique (বিশেষ জ্ঞান বা বিজ্ঞান) এই দুই ৰূপৰ সমাহাৰত গঢ় লৈ উঠিছিল ইয়েই ইংৰাজীত হ'ল Linguistics (ভাষাবিজ্ঞান)। উনবিংশ শতাব্দীৰ শেষ ভাগৰ পৰা ঐতিহাসিক দৃষ্টিভঙ্গীৰে সূচনা হোৱা ভাষা-আলোচনাত পূৰ্বৰ Philology-ৰ ঠাইত এই Linguistics শব্দ ব্যৱহাৰ হ'বলৈ ধৰে আৰু আলোচনাৰ প্ৰকৃতিও কোনো বিশেষ ভাষাৰ ঐতিহাসিক বিৱৰ্তনমূলক হোৱাৰ কাৰণে পূৰ্বৰ Comparative Philology-ৰ ঠাইত Historical Linguistics অধিক জনপ্ৰিয় হৈ উঠে। এই ক্ষেত্ৰত ফৰাছী ভাষাতাত্ত্বিকসকলৰ অৱদানেই আছিল

যথেষ্ট। বিশেষকৈ সুপ্ৰসিদ্ধ ভাষাতাত্ত্বিক আঁটোৱান মেইয়েৰ বৰঙণি বিশেষ স্মৰণীয়। তেওঁৰ দুখন প্ৰসিদ্ধ গ্ৰন্থ Historical and General Linguistics আৰু The Comparative Method of Historical Linguistics ৰ (গ্ৰন্থ দুখনৰ ফৰাছী নাম যথাক্ৰমে Linguistique Historique et Linguistique Ge ne rale La Me thode Comparative en Linguistique Historique) মাজেদি Historical Linguistics বা ঐতিহাসিক ভাষা-বিজ্ঞান নাম অধিক প্ৰতিষ্ঠা হৈ পৰে। বিংশ শতাব্দীৰ ভাষাৰ আলোচনা ঐতিহাসিক নহৈ বৰ্ণনামূলক হোৱা সত্বেও এই Linguistics শব্দকে ব্যৱহাৰ কৰা হ'ল আৰু পূৰ্বৰ ভাষাৰ আলোচনাক ঐতিহাসিক ভাষা বিজ্ঞান বুলি বিংশ শতাব্দীৰ নতুন ধাৰাৰ ভাষাৰ আলোচনাক কোৱা হ'ল 'বৰ্ণনামূলক ভাষা-বিজ্ঞা৷ (Descriptive Linguistics) অৰ্থাৎ ভাষাৰ আলোচনা *ঐতিহাসিক আৰু 'বৰ্ণনামূলক এনেদৰে প্ৰধানতঃ দুটা ভাগত বিভক্ত হৈ পৰিল।*

(গ) ভাষা-বিজ্ঞান ঃ

'ভাষা-বিজ্ঞান বুলি অভিহিত কৰা ভাষা-চিন্তা বিকাশৰ তৃতীয় ধাৰাটোৱেই আধুনিক ভাষা বিজ্ঞানৰ ধাৰা। প্ৰকৃততে এই ধাৰাটো 'যথাৰ্থ' বা 'বিশুদ্ধ ভাষা'-বিজ্ঞান -ৰ ধাৰা। *১৯১৫ খ্ৰীষ্টাব্দত ছছ্যুৰৰ Cours de Linguistique Ge ne rale বা Course in General Linguistics প্ৰকাশ হোৱাৰ পৰা বৰ্তমান পৰ্যন্ত ইয়াৰ সীমাৰেখা।*

Linguistics শব্দটো ঊনবিংশ শতাব্দীৰ শেষ ভাগৰ পৰাই ঐতিহাসিক ক্ৰমবিৱৰ্তনৰ দৃষ্টিৰে ভাষাৰ তুলনামূলক বাস্তৱ বৰ্ণনাৰ প্ৰসঙ্গত ব্যৱহাৰ কৰা হৈ আহিছিল যদিও প্ৰকৃততে সেই শব্দ এই ধাৰাৰ ক্ষেত্ৰতহে প্ৰযোজ্য। বৰ্তমান 'ভাষা বিজ্ঞান বুলিলে ছছ্যুৰকে ইয়াৰ জন্মদাতা বুলি গণ্য কৰা হয় আৰু এই শব্দই আমেৰিকাক কেন্দ্ৰ কৰি বিংশ শতাব্দীত নতুন ধাৰাৰে ভাষাৰ গঠনবিন্যাসমূলক বৰ্ণনাৰ আলোচনাৰ ধাৰাকে সূচনা কৰে। ইয়াৰ কাৰণ হ'ল ছছ্যুৰে প্ৰৱৰ্তন কৰা চিন্তাধাৰা আৰু তেওঁৰ সমসাময়িক কালতে আমেৰিকাত ফ্ৰেনজ বোআছ-ৰ (Franz Boas) ভাষাৰ বৰ্ণনামূলক অধ্যয়নত গুৰুত্ব আৰু তাৰ পৰিণতি স্বৰূপে এডৱাৰ্ড ছাপিৰ (Edward Sapir) লেওনাৰ্ড ব্লুমফিল্ড-ৰ (Leonard Bloomfield) দ্বাৰা তাৰ নীতি-নিয়ম নিৰ্ধাৰণ ৰুছ ভাষা বিজ্ঞানী নিকোলাই ট্ৰুবেটজকয় (Nikolai trubetzkoy) ৰোমান যাকোবছন (Roman Jakobson) আদিৰ দ্বাৰা ধ্বনিতত্ত্বৰ ব্যতিক্ৰমী সূক্ষ্মাতিসূক্ষ্ম আলোচনা ইত্যাদিৰে এই ধাৰা পূৰ্বৰ ভাষা চৰ্চাৰ ধাৰাৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰি এক সুকীয়া ৰূপত আত্মপ্ৰকাশ কৰি উঠিল।

আলোচনাৰ প্ৰকৃতিত স্পষ্টতা (explicitness) প্ৰণালীবদ্ধতা (systematicness) আৰু বস্তুনিষ্ঠতা (objectivity)[৫] গুণ ফুটি উঠিলেহে যি কোনো এটা বিষয়ৰ অধ্যয়ন বিজ্ঞানসম্মত হ'ব পাৰে। এনে গুণৰ সমাৱেশেৰে ভাষাৰ প্ৰচলিত ৰূপৰ বিভিন্ন দিশ বিশ্লেষিত হোৱাৰ প্ৰৱণতাৰ কাৰণে বিংশ শতাব্দীৰ ভাষা-অধ্যয়ন হৈ উঠে 'যথাৰ্থ' বা 'বিশুদ্ধ ভাষা-বিজ্ঞান।

সামগ্ৰিকভাৱে ভাষাক এক মানৱিক আচৰণ হিচাপে লৈ নৈৰ্ব্যক্তিক বিশ্লেষণেৰে এই ধাৰাত এনে কিছুমান নিয়ম-শৃংখলা গঢ়ি তোলা হ'ল যিবোৰৰ দ্বাৰা যি কোনো দেশৰ যি কোনো ভাষাৰ ধ্বনি আৰু ৰূপৰ বিশ্লেষণ বাক্য আৰু অৰ্থৰ প্ৰসঙ্গ বিচাৰ কৰা সহজ হৈ উঠিল।

ভাষা-চিন্তাৰ ক্ৰমবিকাশৰ এই তৃতীয় ধাৰাটো প্ৰধানতঃ *গঠনমূলক ভাষা-বিজ্ঞান/বৰ্ণনামূলক ভাষা-বিজ্ঞান আৰু ৰূপান্তৰমূলক-সৃজনধৰ্মী অথবা ৰূপান্তৰস্ফোট ব্যাকৰণ*— এই দুই উপধাৰাৰে সমৃদ্ধ হৈছে।

প্ৰথমটো উপধাৰাৰ সময় নিৰূপণ কৰিব পাৰি ১৯১৫-ৰ পৰা ১৯৫০ পৰ্যন্ত অৰ্থাৎ ছছ্যুৰৰ গ্ৰন্থ প্ৰকাশৰ পৰা ১৯৫৭ -ত নোআম চমস্কিৰ (Noam Chomsky) Syntactic Structures নামৰ গ্ৰন্থ প্ৰকাশ হৈ ওলোৱা পৰ্যন্ত। দ্বিতীয়টো উপধাৰাৰ সময় ১৯৫৭ -ৰ পৰা বৰ্তমান পৰ্যন্ত।

ছছ্যুৰৰ গ্ৰন্থৰ চিন্তাই পূৰ্ববৰ্তী ভাষা-চৰ্চাৰ আমূল পৰিবৰ্তন ঘটাই যিদৰে এক নতুন চিন্তা-স্ৰোত প্ৰবাহিত কৰিবলৈ সক্ষম হৈছিল, তেনেদৰে চমস্কিৰ Syntactic Structures গ্ৰন্থযো ভাষা-চৰ্চাত এক বিপ্লৱ সৃষ্টি কৰিবলৈ সমৰ্থ হ'ল বিশেষকৈ ব্যাকৰণ-তত্ত্বৰ ক্ষেত্ৰত এক যুগান্তকাৰী বিপ্লৱ আনিলে। সেয়েহে এই দুগৰাকী বিশেষ প্ৰতিভাসম্পন্ন ভাষাতাত্ত্বিকৰ প্ৰথম প্ৰকাশিত গ্ৰন্থৰ ওপৰত ভিত্তি কৰি 'ভাষা-বিজ্ঞান নামৰ ধাৰাটোক দুই উপধাৰাত প্ৰধানকৈ ভাগ কৰিব পৰা যায়।

ছছ্যুৰৰ ভাষা-চিন্তাৰ অভিনৱত্ব হ'ল

(ক) *কালক্ৰমিক* (diachronic) আৰু *এককালিক* (synchronic) ৰূপে ভাষাৰ আলোচনাক দুই প্ৰধান ভাগত ভাগ কৰি *এককালিক ভাষা-চৰ্চাত গুৰুত্ব আৰোপ*

(খ) ভাষাৰ অৱস্থিতিত *লাঁগ* (Langue) আৰু *পাৰল* (Parole) যাক ক'ব পাৰি 'ভাষা পদ্ধতি' আৰু 'ভাষা-ব্যৱহাৰ বিভাজন কৰি 'লাঁগ -ৰ বিচাৰ বিশ্লেষণৰ প্ৰতি মনোযোগ আকৰ্ষণ

(গ) চিহ্নৰ প্ৰণালী হিচাপে ভাষাৰ চিহ্ন বা উপাদানসমূহৰ পাৰস্পৰিক সম্বন্ধৰ প্ৰতি সজাগতা আৰু গঠনাত্মক সঙ্গতি বিচাৰত গুৰুত্ব আৰোপ।

ছছ্যুৱে কেইটামান মৌলিক চিন্তা প্ৰসূত যুগ্ম-বৈপৰীত্য (binary opposi-

tion) বা দ্বি-ভাজন তত্ত্বৰে (dichotomics) (যেনে— synchrony-diachrony Langue parole signifier signified syntagmatic-paradigmatic) কোনো এটা ভাষাৰ এককালত প্ৰচলিত ভাষা-পদ্ধতিৰ structure বা গঠনৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰিলে অৰ্থাৎ কোনো এটা ভাষা এককালত যি ৰূপত প্ৰচলিত থাকে তাক বুজিবলৈ গ'লে যি অভ্যন্তৰ সম্পৰ্কৰ পৰা ভাষাৰ বিভিন্ন উপাদানবিলাক সংযুক্ত হৈ থাকে তাক বিশ্লেষণ কৰিব লাগিব তেতিয়াহে তাৰ প্ৰকৃত স্বৰূপ প্ৰকাশ পাব। এনে কৰিবলৈ হ'লে আগতে ভাষা কেনে আছিল সেই কথা আলোচনা নকৰিলেও হয়। ইযাৰ কাৰণ হ'ল ভাষা হ'ল ব্যক্তিগত আৰু সামাজিক প্ৰযোজনৰ অপৰিহাৰ্য সমল আৰু সেযেহে প্ৰয়োজন সাধনৰ বাবে বা নিত্য নতুন ধাৰণা প্ৰকাশৰ বাবে ভাষাও নতুন ৰূপত স্বতঃস্ফূৰ্তভাৱে আত্মপ্ৰকাশ কৰে। সেযেহে ভাষাৰ পৰিৱৰ্তন কোনো অস্বাভাৱিক নহয বৰং প্ৰয়োজন সাধনৰ বাবে আভ্যন্তৰীণ বৈশিষ্ট্যৰ বাস্তৱিক ৰূপান্তৰ মাথোন। ভাষাতাত্ত্বিকৰ লক্ষ্য হ'ব লাগে এটা কালত প্ৰচলিত থকা ভাষাৰ প্ৰত্যেক উপাদানৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিচাৰ কৰা। এনেদৰে ছছ্যুৰে কালক্ৰমিক বা ঐতিহাসিক ভাষা-চৰ্চাৰ ক্ষেত্ৰৰ পৰা আঁতৰি এককালিক ভাষিক স্তৰৰ structure বা গাঁথনিক দিশৰ বিশ্লেষণত গুৰুত্ব আৰোপ কৰি তাৰ নিয়ম-নীতি নিৰ্ধাৰণ কৰিছিল কাৰণে তেওঁৰ দ্বাৰাই ভাষাৰ অধ্যয়নত গঠনমূলক ভাষা বিজ্ঞান (Structural Linguistics) নামৰ এক নতুন ধাৰা প্ৰতিষ্ঠা হয আৰু ইযে আধুনিক ভাষাবিজ্ঞানৰো সূচনা কৰে।

কিন্তু আনফালে ছছ্যুৰৰ একে সমযতে আমেৰিকাত আমেৰিকাৰ আদিম অধিবাসীসকলৰ ভাষাৰ অধ্যয়নৰ প্ৰতি এক বিশেষ মনোযোগ আহি পৰিছিল। কিন্তু বাস্তৱত দেখা গৈছিল যে সেইসকলৰ ভাষাৰ গঠন-পদ্ধতি পৰিচিত ভাষাৰ পৰা সম্পূৰ্ণ বেলেগ। গতিকে উপলব্ধি হৈছিল যে এইসকলৰ মাজত প্ৰচলিত বিভিন্ন ভাষাৰ স্বৰূপ বুজিবলৈ হ'লে প্ৰকৃত উচ্চাৰিত দিশটোৰ পৰা বৰ্ণনা কৰিব লাগিব। ইযাৰ ফল স্বৰূপে—প্ৰকৃত উচ্চাৰিত দিশৰ পৰা ভাষাসমূহৰ বৰ্ণনা তথা বিশ্লেষণ কৰাৰ এক প্ৰচেষ্টা হ'ল। ফ্ৰেনজ্ বোআছ (Franz Boas 1858-1942) আছিল এনে প্ৰচেষ্টাৰ অগ্ৰণী ব্যক্তি। যদিও তেও ভাষাতাত্ত্বিক নাছিল আছিল এগৰাকী নৃতাত্ত্বিক পণ্ডিতহে তথাপিতো নিজস্ব অভিজ্ঞতা আৰু আৱিষ্কৃত পদ্ধতিৰে ১৯১১ খ্ৰীষ্টাব্দত আমেৰিকাৰ আদিম অধিবাসীসকলৰ ভাষা লৈ তেওঁ প্ৰকাশ কৰি উলিয়ায় A Handbook of American Indian Language। তেওঁৰ উদ্যমত একান্ত সহযোগ আগবঢ়ালে প্ৰথমতে এডৱাৰ্ড ছাপিৰে (Edward Sapir 1884-1939) আৰু পাছত লেওনাৰ্ড ব্লুমফিল্ডে (Leonard Bloomfield 1887-1949)। এইসকলে আমেৰিকাৰ আদিম অধিবাসীসকলৰ নতুন নতুন

ভাষাৰ উচ্চাৰিত দিশ তথা গাঁথনিক দিশ বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰিলে আৰু লগে লগে ভাষাৰ বৰ্ণনামূলক নীতি পদ্ধতি সম্বন্ধীয় গ্রন্থ প্রণয়নতো উদ্যমী হ'ল। ১৯২১ খ্রীষ্টাব্দত ছাপিৰে প্ৰকাশ কৰি উলিয়ালে Language শীৰ্ষক এখনি গ্রন্থ ইয়াৰ বাৰ বছৰৰ পাছত অৰ্থাৎ ১৯৩৩ খ্রীষ্টাব্দত ব্লুমফিল্ডেও Language নামকৰণেৰে অন্য এক গ্রন্থ প্ৰকাশ কৰি উলিয়ালে। দুইজনৰ অধ্যয়ন পদ্ধতি যদিও ভিন্নধৰ্মী আছিল এই দুজনৰ গ্রন্থ দুখনে ইউৰোপ-আমেৰিকা জুৰি ভাষাতাত্ত্বিকসকলক গভীৰভাৱে প্ৰভাৱিত কৰিলে আৰু ভাষাত বৰ্ণনামূলক দৃষ্টিভঙ্গী গ্রহণ কৰিবলৈ অনুপ্রাণিত কৰিলে। যিহেতু ভাষাৰ ধ্বনি-ৰূপ আৰু তাৰ গাঁথনিক দিশৰ বৰ্ণনাই প্ৰাধান্য পাইছিল সেইকাৰণে এই ধাৰাৰ ভাষাৰ আলোচনা descriptive বা 'বৰ্ণনামূলক বুলি পৰিচিত হ'ল। এই ধাৰাৰে ভাষাৰ আলোচনা প্ৰতিষ্ঠা কৰাত ব্লুমফিল্ডৰ অৱদানেই সৰ্বাধিক যদিও তাক বিস্তৃতভাৱে সৰ্বব্যাপী কৰাত বিশেষ বৰঙণি আগবঢ়ালে Bernard Bloch George L Trager Zellig S Harris C F Hockett H A Gleason আদিয়ে। বিংশ শতাব্দীৰ প্ৰথমাৰ্ধ এই ধাৰাৰে ভাষাৰ আলোচনা অতি সক্রিয় হৈ আছিল। চম্যুৰে এককালিক ভাষাৰ গাঁথনিক দিশৰ আলোচনাৰে ভাষাৰ অধ্যয়নত গুৰুত্ব প্ৰদান কৰি যি structural linguistics -ৰ পাতনি মেলিছিল আমেৰিকাত প্ৰায় তেনে দৃষ্টিভঙ্গীৰে descriptive linguistics -ৰ প্ৰতিষ্ঠা হৈছিল। চম্যুৰৰ structuralism -ৰ ভিত্তি যদিও descriptive -ৰ পৰা যথেষ্ট বিস্তৃততৰ বৃহত্তৰ দৃষ্টিভঙ্গীৰ পৰিপ্ৰেক্ষিতত দুই আলোচনাৰ ধাৰা একে ঐক্যসূত্ৰত আবদ্ধ। দুই মহাদেশত সুকীয়া সুকীয়াকৈ দুই চিন্তাধাৰা একে সময়তে বিকাশ হোৱাই নহয় সৰ্বশেষ প্ৰত্যয় আৰু লক্ষ্যত একেধৰ্মী আছিল। *সেয়েহে গঠনমূলক আৰু বৰ্ণনামূলক ভাষা বিজ্ঞান সমাৰ্থকৰূপে ব্যৱহাৰ হয়।*

কিন্তু ১৯৫৭ খ্রীষ্টাব্দত চমস্কিৰ Syntactic Structures প্ৰকাশ হোৱাৰ লগে লগে বৰ্ণনামূলক ভাষা-বিজ্ঞানৰ ওপৰত এক প্ৰচণ্ড আঘাত পৰিল আৰু ভাষাৰ অধ্যয়নত এক নতুন দৃষ্টিভঙ্গী আহি পৰিল। বৰ্ণনামূলক ভাষাবিজ্ঞান কোনো ভাষাৰ ধ্বনি-সংস্থান আৰু ৰূপ গঠনৰ বিশ্লেষণৰ মাজতে সীমাবদ্ধ হৈ থাকে। কিন্তু ভাষাৰ ধ্বনি বা ৰূপ বাহ্যিক সংগঠন মাথোন। ইয়াৰ বিশ্লেষণে নেদেখুৱায়—কেনেকৈ বাক্য মানুহৰ অন্তৰ্লীন বা আভ্যন্তৰীণ ভাষা চেতনাৰ পৰা উদ্ভূত হয় আৰু কেনেকৈ একেখিনি ধ্বনি একেখিনি ব্যাকৰণৰ নিয়মাৱলীৰ মাজেদি নিত্য-নতুন বাক্য উৎপাদন হৈ ভাষাৰ জীৱন সঞ্জীৱিত হৈ থাকে। ধ্বনি বা ৰূপ হ'ল ভাষাৰ বহিৰাঙ্গিক সংগঠন ইয়াৰ অন্তৰালত থাকে এক গভীৰ বা অন্তৰাঙ্গিক সংগঠন—যি মাতৃভাষা কোৱা যি কোনো লোকৰে মৌলিক সম্পদ বা নিজস্ব অধিকাৰ। ইয়াৰ অৰ্থ হ'ল যে

প্ৰত্যেক ব্যক্তিৰ নিজস্ব মাতৃভাষাৰ মূল নিয়মাৱলীৰ ক্ষেত্ৰত এক অন্তৰ্লীন জ্ঞান থাকে এই অন্তৰ্লীন জ্ঞানেই হৈছে মানুহৰ ভাষাগত পাৰদৰ্শিতা (linguistic competence) বা নিজ ভাষা সম্পৰ্কে এজন মানুহৰ সামগ্ৰিক জ্ঞান। সেই পাৰদৰ্শিতা বা ভাষা-জ্ঞানৰ পৰাই মানুহে নিজা ভাষাত সীমিত শব্দ আৰু সীমিত ব্যাকৰণৰ নিয়মাৱলীৰ মাজেদি সীমাহীন বাক্য ৰূপান্তৰ (Transformation) আৰু নিত্য নতুন বাক্য সৃজন বা উৎপাদন (Generate) কৰিব পাৰে। গতিকে ভাষা-বিশ্লেষণৰ মূল লক্ষ্য হ'ব লাগে যি অভ্যন্তৰ বোধ বা অন্তৰ্লীন জ্ঞানৰ দ্বাৰা বাক্য ৰূপান্তৰ আৰু সৃজনশীল হয় তাৰ নিয়মাৱলী আৱিষ্কাৰ কৰা। ভাষাৰ আভ্যন্তৰীণ নিয়ম-শৃংখলা সম্পৰ্কে জ্ঞান বা যোগ্যতা (সামৰ্থ্য) মানুহৰ এক মনস্তাত্ত্বিক বৈশিষ্ট্য সেই জ্ঞান বা যোগ্যতাৰ বাস্তৱিক প্ৰকাশ ঘটে ধ্বনি বা ৰূপৰ মাধ্যমেৰে ব্যৱহাৰ বা সম্পাদনত। কেনেকৈ প্ৰকাশ ঘটিছে সি মূল্যবান নহয় যি অন্তৰ্লীন জ্ঞানৰ দ্বাৰা চালিত হৈ নিয়মৰ মাধ্যমেৰে পৰিস্ফূৰণ ঘটিছে বা নিত্য নতুন ব্যাকৰণসম্মত বাক্য ৰচনা সম্ভৱ হৈছে তাৰ স্বৰূপ ব্যাখ্যা কৰাহে বিশেষ মূল্যবান। চমস্কিৰ ভাষা সম্পৰ্কীয় এনে তাত্ত্বিক চিন্তাধাৰা ভাষা-অধ্যয়নৰ ইতিহাসত সম্পূৰ্ণ নতুন আৰু ইয়াৰ মূলত আছিল 'অৱগতিমূলক মনস্তত্ত্ব (Cognitive psychology)। ভাষাজ্ঞান, অৰ্থাৎ বিভিন্ন প্ৰকাৰৰ বাক্য ৰচনাৰে মনৰ ভাবৰ যি পৰিস্ফূৰণ তাক চমস্কিয়ে মানুহৰ প্ৰকৃতিৰ অন্তৰ্নিহিত সহজাত জ্ঞান বুলি ভাবে। সেই সহজাত জ্ঞান নিয়মৰ ওপৰত গঢ় লয় আৰু সেই নিয়মৰ জ্ঞানৰ ওপৰত দখল থকাটো বিশেষ ভাষা-ভাষীৰ বৈশিষ্ট্য। এই বৈশিষ্ট্যই ভাষাক সৃজনশীল কৰে আৰু নতুন বাক্য সৃষ্টিৰে ভাষাক নিতে নৱ ৰূপ প্ৰদান কৰিব পাৰে।

চমস্কিৰ তত্ত্বই দেখুৱালে যে মানুহৰ ভাষাৰ এক ঐক্য বা বিশ্বজনীনতা আছে কাৰণ মানুহৰ কোৱাৰ আৰু শুনাৰ প্ৰক্ৰিয়া একে। ভাষা কোৱাৰ বা উৎপাদনৰ যি নিয়ম তাক যদি মূল ব্যাকৰণ বুলি ধৰি লোৱা হয় তেন্তে দেখা যায় যে একো একোটা ভাষা-সম্প্ৰদায়ে তেওঁলোকৰ ভাষা কিছুমান নিয়মৰ সমাহাৰেৰে পৰিস্ফূৰণ কৰে মাত্ৰ নিয়ম-প্ৰণালীৰ বিভিন্নতা থাকে অৰ্থাৎ ভাষা সৃষ্টিৰ মূল উপাদানবিলাক একেই, মাত্ৰ নিয়ম-প্ৰণালী কোন পদ্ধতিৰে ব্যৱহাৰ হৈছে তাৰ দ্বাৰাই ভাষাৰ বিভিন্নতা সৃষ্টি হয়। চমস্কিৰ ভাষা-চিন্তা তেওঁ অনুসৰণ কৰা মাৰ্ক্সীয় দৰ্শনৰ চিন্তাধাৰাৰ সৈতে একত্ৰ হৈছে আৰু তাৰ দ্বাৰা 'ভাষিক-বিশ্বজনীনতা (Language Universal) অৰ্থাৎ মানুহৰ ভাষাৰ ঐক্যধাৰা প্ৰতিভাত হৈছে, যিটো কথা আমেৰিকাৰ অন্য এগৰাকী প্ৰসিদ্ধ ভাষা-বিজ্ঞানী Mario pei -ৰ ভাষাৰে ক'বলৈ গ'লে এনে ধৰণৰ : "Like structural anatomy and functional physiology language is among the fundamental proof

that all men are brothers under the skin

চমস্কিৰ চিন্তাধাৰাই, অৰ্থাৎ তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত Transformational Generative Grammar বা সংক্ষেপে T G -ৰ চিন্তাধাৰাই যিহেতু যি নিয়মৰ দ্বাৰা মানুহে কথা কয় বা ক'ব পাৰে আৰু আনে অৰ্থ অনুধাৱন কৰিব পাৰে সেই নিৰ্দিষ্ট নিয়মাৱলী যি মানুহৰ মনৰ অন্তৰ্লীন গভীৰত নিহিত হৈ থাকে তাক আৱিষ্কাৰ কৰিবলৈ বিচাৰে—সেয়েহে ইয়াৰ ধ্বনিতত্ত্ব ৰূপতত্ত্ব বা শব্দ-ক্ৰমৰ বিচাৰ-পদ্ধতি বৰ্ণনাত্মক ব্যাকৰণৰ পৰা সম্পূৰ্ণ বেলেগ। বৰ্ণনামূলক ভাষাবিজ্ঞান ক্ষুদ্ৰ ধ্বনি গোটৰ পৰা বৃহত্তৰ বাক্য গোটলৈ আগবঢ়াৰ পদ্ধতি কিন্তু চমস্কি প্ৰৱৰ্তিত T G বৃহত্তৰ বাক্য-গোটৰ পৰা ক্ষুদ্ৰ ধ্বনিগোটলৈ নিম্নগামী হৈ ভাষা-বিশ্লেষণ কৰা পদ্ধতি। সাম্প্ৰতিক সময়ত T G -লৈ অনেক আলোচনা হৈছে, আলোচনাৰ অন্ত পৰা নাই অথবা আলোচনাৰ সৰ্বজন স্বীকৃত ৰূপ এটা প্ৰাপ্ত অৱস্থাও হোৱা নাই, বৰং পৰীক্ষা-নিৰীক্ষাৰে ইয়াৰ নতুন নতুন দিশত আলোকপাত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। সেয়ে হ'লেও চমস্কিৰ চিন্তাধাৰা আধুনিক ভাষা-চিন্তাত যথেষ্ট প্ৰভাৱসঞ্চাৰী ধাৰা বুলি স্বীকৃত হৈছে। ভাষা-বিজ্ঞান আধাৰিত সাহিত্য-সমালোচনাৰ অন্যতম শাখা 'শৈলী-বিজ্ঞান-ৰ (Stylistics) পৰা 'ফলিত ভাষাবিজ্ঞান (Applied Linguistics) পৰ্যন্ত ইয়াৰ প্ৰভাৱ বিয়পি পৰিছে।

কিন্তু চমস্কিৰ চিন্তাধাৰাৰ মাজতে আধুনিক ভাষাবিজ্ঞান বৈ থকা নাই বা সিয়ে শেষ কথা হৈ থকা নাই। তাত মাত্ৰ পৰিবৰ্তিত এক চিন্তাধাৰা প্ৰতিফলিত হৈছে। চল্লিশৰ দশকৰ পৰাই বিভিন্ন দেশত ভাষা-চিন্তাৰ ভিন ভিন প্ৰকাশ ঘটিবলৈ আৰম্ভ কৰিছিল। ছছ্যুৰৰ তত্ত্বৰ অনুসৰণত ডেনমাৰ্কৰ লুইছ হিয়েল্ম্স্লেভে (Louis Hjelmslev) ১৯৪৩ খ্ৰীষ্টাব্দত 'গ্লছেমেটিক্‌ছ্ (Glossematics) নামৰ এটা নতুন ধাৰা প্ৰবৰ্তন কৰিছিল। তেওঁৰ আদৰ্শ আছিল গণিত। গণিতত যিদৰে বস্তু নিৰপেক্ষভাৱে সংখ্যাবিলাকৰ সম্পৰ্ক নিৰ্ণয় কৰা হয়, তেনেদৰে বস্তু নিৰপেক্ষভাৱে ভাষাৰ উপাদানৰ মাজত সম্পৰ্ক বিচাৰিব লাগে। তেওঁৰ মতে ভাষা হ'ল এটা ৰূপ বা আকাৰ (form) কোনো সাৰ বা বস্তু (substance) নহয়। ভাষাৰ উপাদানৰ লগত বস্তুৰ যোগ থাকিবও পাৰে নাথাকিবও পাৰে। ভাষাতাত্ত্বিকৰ কাম হ'ব লাগে ভাষাৰ উপাদানৰ মাজত সম্পৰ্ক বিচাৰ কৰা। এই Glossematics -ৰ প্ৰভাৱেৰে আমেৰিকাৰ ছিদনি লেম্বে (Sidney Lamb) গঢ়ি তুলিছে স্তৰীকৰণ ব্যাকৰণ ধাৰা (Stratificational Grammar)—য'ত ধ্বনি ৰূপ আদি ভাষাৰ স্তৰসমূহে ভাব প্ৰকাশত কেনে ভূমিকা গ্ৰহণ কৰে বা কেনে কাৰ্য সম্পাদন কৰে সেই বিষয়ে আলোচনা কৰা হয়। আনহাতে Kenneth Lee pike -এ ভাব প্ৰকাশৰ উচ্চতম গোট বাক্যৰ পৰা নিম্নতম গোট ধ্বনিলৈকে ভাষা-বিশ্লেষণ পদ্ধতিৰে গঢ়ি তুলিছে

Tagmemics নামৰ অন্য এক ভাষা-বিশ্লেষণৰ ধাৰা। ই গাঁথনিক বিশ্লেষণৰে এক নতুন প্ৰশাখা। J R Firth -ৰ prosodic phonology Michael Halliday -ৰ Scale and Category grammar পাছলৈ যাৰ নাম হয় Systemic grammar' আৰু T G -ৰ পৰিবৰ্তিত আকাৰ Charles Fillmore -ৰ 'Case grammar আন কেইটামান নতুন চিন্তা আলোকৰ ভাষা-বিশ্লেষণ ধাৰা। ছস্যুৰ বা চমস্কি প্ৰবৰ্তিত ধাৰাৰ দৰে এই ধাৰাসমূহৰ প্ৰভাৱ ব্যাপক নহ'লেও ভাষাৰ গাঁথনিক বিষয়ত নতুন নতুন চিন্তা প্ৰতিফলিত কৰিছে।

পঞ্চাশৰ দশকৰ পৰা আধুনিক ভাষা-চিন্তাৰ অঙ্গ হিচাপে দুটা শাখা বিশেষ উল্লেখনীয় দিশত আগবাঢ়িছে ° *'সামাজিক ভাষাবিজ্ঞান'* (Socio-Linguistics) আৰু *'মনস্তাত্ত্বিক ভাষা-বিজ্ঞান* (Psycho-Linguistics)। ছস্যুৰৰ ভাষা-চিন্তাৰ দ্বিভাজন তত্ত্বৰ অন্যতম Parole আৰু Language -ৰ মাজতে এই দুইৰ বীজ অংকুৰিত হৈছিল যদিও তেওঁৰ মৃত্যুৰ দুকুৰিমান বছৰৰ পাছতহে এই ধাৰা দুটাই বিশেষ গা কৰি উঠে। ১৯৫২ খ্ৰীষ্টাব্দত হাভাৰ কুৰীৰে 'ছোছিও-লিংগুইষ্টিক' বা 'সামাজিক ভাষা-বিজ্ঞান কথাটি সৰ্বপ্ৰথম ব্যৱহাৰ কৰে আৰু পাছত উইলিয়াম লেবোভ (William Labov), পেটৰ ট্ৰুজিল (Peter Trudgill), আৰ. এ হাডছন (R A Hudson) আদিয়ে বিস্তৃত আলোচনাৰে এই ধাৰাক সমৃদ্ধ কৰে। সমাজ ব্যৱহাৰৰ অঙ্গ হিচাপে মানুহৰ ভাষা-প্ৰয়োগৰ স্বৰূপ বিশ্লেষণ বা ভাষাৰ ব্যৱহাৰৰ লগত মানুহৰ সামাজিক পৰিস্থিতিৰ যি সম্পৰ্ক তাৰ আলোচনাই সামাজিক ভাষা-বিজ্ঞানৰ বিষয়বস্তু।

মনোভাষা-বিজ্ঞান বা মনস্তাত্ত্বিক ভাষা-বিজ্ঞান ব্যক্তিৰ মনৰ লগত তাৰ বাহ্যিক প্ৰকাশমান ভাষা ব্যৱহাৰৰ লগত সম্পৰ্কান্বিত। ভাষাৰ মাজেদি মানুহৰ মনৰ বহিৰ্প্ৰকাশ ঘটে। মানুহৰ বিশেষ আচৰণ হিচাপে ভাষাৰ যি এক আভ্যন্তৰীণ গঠন প্ৰণালী মনৰ গভীৰত আছে, যিহৰ দ্বাৰা সেই আচৰণ নিয়ন্ত্ৰিত হয় তাৰ আলোচনাই মনস্তাত্ত্বিক ভাষা-বিজ্ঞান। আন কথাত ক'বলৈ গ'লে ব্যক্তিৰ মানসিকতাই কিদৰে ভাষাগত আচৰণক নিয়ন্ত্ৰিত কৰে বা প্ৰভাৱিত কৰে তাকে মনস্তাত্ত্বিক ভাষা-বিজ্ঞানত আলোচনা কৰা হয়। প্লেটোৰ সময়ৰ পৰাই ভাষাৰ লগত মনৰ সম্পৰ্ক সম্বন্ধে আলোচনা কৰা পোৱা যায় যদিও আৰু উনবিংশ শতাব্দীৰ 'তুলনামূলক ভাষাতত্ত্ব'-ৰ অন্যতম পুৰোধা উইল্‌হেল্‌ম বন হুমবোল্টেও (Wilhelm Von Humboldt 1767-1835) এই সম্পৰ্কে উন্নত পৰ্যায়ৰ আলোচনাত প্ৰবৃত্ত হৈছিল যদিও, প্ৰকৃতপক্ষে বিংশ শতাব্দীৰ পঞ্চাশৰ দশকৰ পৰা কিছুসংখ্যক মনোবিজ্ঞানীয়ে ব্যক্তিৰ মানসিকতাই ভাষাগত আচৰণক কেনেদৰে প্ৰভাৱিত কৰে সেই লৈ আলোচনাত প্ৰবৃত্ত হোৱাত এই ধাৰাই এক সুচিন্তিত বিজ্ঞানৰ ৰূপ লৈ ভাষাৰ চিন্তা-চৰ্চাত নতুন

দিশ উন্মোচিত কৰিবলৈ ধৰে। অৱশ্যে ইয়াৰ পূৰ্বতে আধুনিক ভাষা-চিন্তাৰ বিকাশৰ লগত মনস্তত্ত্ববিদৰ চিন্তা-চৰ্চা সংযোগ হৈছিল। ছুছুৰ মনস্তত্ত্ববিদ ছিগমণ্ড ফ্ৰয়েডৰ দ্বাৰা প্ৰভাৱিত হৈছিল ব্লুমফিল্ড জে বি ওৱাটছনৰ 'আচৰণবাদ'-ৰ (behaviour ism) দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল ৰুছ ভাষাতাত্ত্বিক ট্ৰুবেটজকয় আৰু তেওঁৰ ছাত্ৰ ৰোমান যাকবছনৰ জটিল ধ্বনিতত্ত্বৰ চিন্তাৰ পিছত আছিল অষ্ট্ৰিয়াৰ মনস্তত্ত্ববিদ কাৰ্ল বুহলেৰৰ (Karl Buhler) বক্তা-শ্ৰোতা-বক্তব্যৰ মাজত থকা ভাষাৰ কাৰ্য (Functions) সম্বন্ধীয় ধাৰণাৰ তত্ত্ব। কিন্তু পঞ্চাশৰ দশকত মনোবিজ্ঞান আৰু ভাষাবিজ্ঞান ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিল। শিশুৰ ভাষা-আহৰণ অৰ্থগত সমস্যা শিক্ষা-সমস্যা ইত্যাদি লৈ মনস্তত্ত্ববিদসকলে ভাষা চিন্তাত প্ৰবৃত্ত হ'ল আৰু এই ক্ষেত্ৰত বি এফ স্কিনাৰ (B F Skinner) জে এ ফোদোৰ (J A Fodor), ই এইছ লেনেবাৰ্গ (E H Lenneberg) ওছগোড (Osgood) বেভেৰ (Bever) আদিৰ নাম বিশেষ উল্লেখযোগ্য। ১৯৫৭ খ্ৰীষ্টাব্দত স্কিনাৰৰ Verbal Behaviour প্ৰকাশ হোৱাত তেওঁ প্ৰবৰ্তন কৰা আচৰণতত্ত্বৰ (Behaviouristic), য'ত প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছিল যে জন্মতে শিশুৰ কোনো ভাষিক জ্ঞান নাথাকে ডাঙৰেহে শিশুৰ ভাষাৰ আচৰণ গঢ় দিয়ে —তাৰ প্ৰতিবাদ কৰিবলৈ গৈয়ে চমস্কিয়ে নতুন তত্ত্ব পৰিবেশন কৰি ভাষা-চিন্তাত খলকনি তোলে। প্ৰকৃততে মনস্তত্ত্ববিদ আৰু ৰাজনৈতিক-টিপ্পনীকাৰ চমস্কিয়ে আচৰণবাদীসকলৰ মতবাদৰ প্ৰতিবাদ কৰিবলৈ গৈয়ে ভাষা-বিজ্ঞান চৰ্চাত মনোনিৱেশ কৰে। চমস্কিয়ে প্ৰতিপন্ন কৰিবলৈ বিচাৰিলে যে জ্ঞান আহৰণ বা ভাষা আহৰণ মানুহৰ প্ৰকৃতিৰ সহজাত বা অন্তৰ্নিহিত, এফালে আছে সহজাত মনোবৃত্তি আৰু আনফালে আছে এই মনোবৃত্তিৰ ভাষাৰ মাধ্যমেৰে বাহ্যিক প্ৰকাশ —এই দুটাকে চমস্কিয়ে অভিহিত কৰিছে যথাক্ৰমে— যোগ্যতা বা 'সামৰ্থ্য (Competence) আৰু 'ব্যৱহাৰ বা 'সম্পাদন' (Performance) এই দুইক আনপ্ৰকাৰে ভাষা-জ্ঞান আৰু ভাষা-ব্যৱহাৰ বুলিও ক'ব পাৰি। ভাষা-জ্ঞান হ'ল এটা ভাষাৰ আভ্যন্তৰীণ নিয়ম-শৃংখলা সম্পৰ্কে জ্ঞান—যি মানুহৰ সহজাত ই মানুহৰ প্ৰকৃতিৰ মনস্তাত্ত্বিক বৈশিষ্ট্য। চমস্কিৰ ভাষা-চিন্তাই মনস্তাত্ত্বিক ভাষা-বিজ্ঞানৰ ক্ষেত্ৰ বিস্তৃততৰ কৰি তোলে। বৰ্তমান ভাষা-শিক্ষা তথা বিভিন্ন ভাষিক পৰিস্থিতিত শিশুৱে ভাষা আয়ত্ত কৰাৰ মানসিকতাত কি ধৰণৰ মনস্তত্ত্বই ক্ৰিয়া কৰে সেই লৈয়ো নানা আলোচনা পৰীক্ষা-নিৰীক্ষা চলি মনস্তাত্ত্বিক ভাষা-বিজ্ঞান এক দ্ৰুতগতিত সম্প্ৰসাৰিত হৈছে।

সাম্প্ৰতিক কালত ভাষা-বিজ্ঞান ন ন প্ৰশাখাৰে অধিক বিস্তৃত হৈ বিস্তীৰ্ণ ক্ষেত্ৰ সামৰি লৈছে। দ্বি-ভাষিক বহুভাষিক অঞ্চলত ভাষা-ব্যৱহাৰৰ সমস্যা ভুল ত্ৰুটি আদিৰ আলোচনাৰে 'ফলিত ভাষা-বিজ্ঞান (Applied Linguistics) নামৰ নতুন

এক ধাৰা দ্ৰুত সম্প্ৰসাৰিত হৈছে। তদুপৰি শৈলী-বিজ্ঞান (Stylistics) নামধাৰী ভাষা-বিজ্ঞান আধাৰিত এক উচ্চ-স্তৰীয় সাহিত্য-সমালোচনাৰ ধাৰা প্ৰতিষ্ঠিত হৈছে। আধুনিক প্ৰযুক্তি-বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে ভাষা-বিজ্ঞানৰ নানা সমল তাতো প্ৰযুক্ত হৈ ন ন নামকৰণেৰে নতুন নতুন শাখাৰ বিকাশ ঘটাইছে।

এনেদৰে ছছ্যুৰৰ ভাষা চিন্তাৰ মাজেদি বিংশ শতাব্দীৰ প্ৰাৰম্ভত সূচনা হোৱা 'ভাষা-বিজ্ঞান ধাৰাটোৱে চমস্কিৰ বৈপ্লৱিক চিন্তাৰ মাজেদি লগতে নতুন নতুন ব্যাকৰণ তত্ত্বৰ উপস্থাপনৰ জৰিয়তে নতুন দিক-দিগন্তৰ দুৱাৰ মুকলি কৰি ক্ৰমবৰ্ধমান গতিত আগুৱাই গৈ আছে।❑

প্ৰসঙ্গ উল্লেখ :

১ David Crystal *Linguistics* 1971 p -50

২ The Sanskrit language, whatever be its antiquity is of wonderful structure more perfect than the Greek more copious than the Latin and more exquisitely refined than either — *Works of Sir William Jones vol II* Collected by Lord Teignmouth, London 1804, p -268

৩ Edgerton Franklin Sir William Jones *Protrait of Linguistics* 1967 Vol I, p -6

৪ Stache-Rosen Valentina *German Indologists* 1981 p 9-10

৫ David Crystal *Linguistics* 1971 p -78

নৌম চমস্কি আৰু তেওঁৰ ভাষা-চিন্তা

❑ মদন শৰ্মা

।। এক ।।

এভ্ৰাম নৌম চমস্কি (Avram Noam Chomsky) কুৰি শতিকাৰ এগৰাকী বিশিষ্ট চিন্তাবিদ বুদ্ধিজীৱী ভাষাবিজ্ঞানী দাৰ্শনিক আৰু সমাজ-সমালোচক। ১৯৫৭ চনত তেওঁৰ প্ৰথম গ্ৰন্থ *Syntactic Structures* প্ৰকাশিত হোৱাৰ পাছৰ পৰা আজিলৈকে চাৰি দশকৰ ওপৰ কাল আধুনিক ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত চমস্কিৰ মৌলিক চিন্তা আৰু গৱেষণাৰ ফলসমূহে বিশেষ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। তেওঁৰ ভাষা-চিন্তাই কেৱল আধুনিক ভাষাবিজ্ঞানকে নহয় — দৰ্শন ভাষা-শিক্ষণ বৈজ্ঞানিক তত্ত্ব-নিৰ্মাণ আৰু সংজ্ঞানাত্মক বিজ্ঞান আদি অনেক ক্ষেত্ৰকে প্ৰভাৱিত কৰিছে। মানুহৰ মুক্তিত বিশ্বাসী চমস্কিৰ সাম্ৰাজ্যবাদ বিৰোধী অৱস্থানৰ লগত ভাষাবিজ্ঞানৰ সৈতে বিশেষ সম্পৰ্ক নৰখা মানুহো কম-বেছি পৰিমাণে পৰিচিত।

১৯২৮ চনৰ ৭ ডিচেম্বৰত চমস্কিৰ জন্ম হয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ পেন্‌চিলভেনিযা ৰাজ্যৰ ফিলাডেলফিযাত। ফিলাডেলফিযাতে স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰি তেওঁ পেনচিলভেনিযা বিশ্ববিদ্যালযত ভাষাবিজ্ঞান অংকশাস্ত্ৰ আৰু দৰ্শন অধ্যযন কৰে। ১৯৫১ চনৰ পৰা ১৯৫৫ চনলৈকে তেওঁ হাৰ্ভাৰ্ড বিশ্ববিদ্যালযত জুনিযৰ ফেলো-ৰূপে গৱেষণা-কাৰ্য চলাই যায আৰু ১৯৫৫ চনত পেনচিলভেনিয়া বিশ্ববিদ্যালযৰ পৰা ভাষাবিজ্ঞানৰ পি এইচ্চ ডি লাভ কৰে। সেই বছৰতে তেওঁ বিখ্যাত মেছাচুছেট্‌ছ্ ইনষ্টিটিউট অব টেকনোল'জি (চমুকৈ MIT) ত কামত যোগ দিযে। বিস্ময়কৰ প্ৰতিভা আৰু মৌলিক চিন্তাৰ অধিকাৰী চমস্কিযে মাত্ৰ ৩২ বছৰ বযসতে MIT ৰ পূৰ্ণকালীন প্ৰ'ফেছৰৰ পদ লাভ কৰে। পাছলৈ তেওঁ আধুনিক ভাষাসমূহ আৰু ভাষাবিজ্ঞানৰ ফেৰাৰি পি ৱাৰ্ড আসন সুশোভিত কৰে। ১৯৭৬ চনত তেওঁলৈ যচা হয MIT ৰ অতি সন্মানজনক Institute Professor ৰ পদ। এই বিৰল সন্মান তেওঁত বাহিৰে আৰু মাত্ৰ কেইগৰাকীমান নোবেল বঁটা বিজয়ী প্ৰতিভাইহে লাভ কৰিছে। তেওঁৰ অধীনত গৱেষণা কৰি এশগৰাকীৰো অধিক গৱেষকে পি এইচ্চ ডি উপাধি লাভ কৰিছে। বৰ্তমান সমযৰ ভাষাবিজ্ঞানৰ বহু অগ্ৰণী পণ্ডিত একালত তেওঁৰ ছাত্ৰ আছিল। তেওঁ নিজেও সুখ্যাত ভাষাবিজ্ঞানী

জেলিগ হেৰিছ (Zelig Harris)-ৰ উজ্জ্বলতম ছাত্ৰসকলৰ অন্যতম।

চমস্কিৰ বিশিষ্ট বৰঙণিৰ প্ৰতি স্বীকৃতিৰ চিনস্বৰূপে বিশ্বৰ ভালে কেইখন আগশাৰীৰ বিশ্ববিদ্যালয়ে তেওঁলৈ যাচিছে সন্মানজনক পি এইচ ডি উপাধি। তেওঁ American Society for the Advancement of Science আৰু British Academy ৰ ফেলো National Academy of Sciences American Academy of Arts and Sciences American Academy of Political and Social Sciences ৰ সদস্য। ১৯৫৮ ৫৯ চনত তেওঁ আছিল সুবিখ্যাত প্ৰিন্সটনৰ ইনষ্টিটিউট অব এডভান্সড ষ্টাডিজৰ ফেলো। কেইবাখনো বিশ্ববিদ্যালয়ৰ তেওঁ আছিল ভিজিটিং ফেলো। ১৯৬৯ চনত তেও অক্সফোৰ্ড বিশ্ববিদ্যালয়ত জন লক্ বক্তৃতামালা আৰু লণ্ডন বিশ্ববিদ্যালয়ত শিয়াৰমেন স্মাৰক বক্তৃতা প্ৰদান কৰে। ১৯৭১ চনত তেও কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ট্ৰিনিটি কলেজ বাৰ্ট্ৰাণ্ড ৰাচেল বক্তৃতা প্ৰদান কৰে।

ভাষাবিজ্ঞানক আৰু সামগ্ৰিকভাৱে সমাজবিজ্ঞানক অভিজ্ঞতাবাদী (empiricist) দৰ্শনৰ প্ৰভাৱৰ পৰা মুক্ত কৰাত চমস্কিৰ ভূমিকা সৰ্বাধিক। সংজ্ঞানাত্মক (cognitive)* প্ৰাকৃতিক বিজ্ঞানৰ বিকাশত তেওঁৰ বৰঙণি ইতিমধ্যে স্বীকৃত হৈছে। ভাষাৰ প্ৰকৃতি সম্পৰ্কীয় তেওৰ গৱেষণাই কম্পিউটাৰ বিজ্ঞানীসকলক বিশেষভাৱে সহায় কৰিছে। ভাষাৰ স্বৰূপ মানৱ-মন/মগজুত ভাষাৰ স্থিতি ভাষাবৈজ্ঞানিক তত্ত্ব ভাষাবৈজ্ঞানিক বিশ্লেষণৰ পদ্ধতি আৰু ভাষাৰ দৰ্শন সম্পৰ্কে নতুন আৰু বহুক্ষেত্ৰত বৈপ্লৱিক চিন্তা-চৰ্চাৰ বিকাশত চমস্কিৰ ভূমিকা চিৰস্মৰণীয় হৈ ৰ'ব। ভাষাবিজ্ঞানৰ আধুনিকতম বিকাশৰ কথা কওঁতে চমস্কীয় বিপ্লব (Chomskyan revolution) শব্দগুচ্ছ প্ৰায়ে ব্যৱহাৰ কৰা হয়।

ভাষাবিজ্ঞানৰ অনেক ছাত্ৰই হয়তো নাজানে বা জনাটো গুৰুত্বপূৰ্ণ বুলি নাভাৱে যে চমস্কিৰ ভাষা-চিন্তা আৰু তেওঁৰ ৰাজনৈতিক দৰ্শনৰ মাজত নিবিড় সম্পৰ্ক আছে। তেওঁৰ বিশ্বাস যে মানৱ-মনৰ গাঁথনিয়ে ভাষাৰ গাঁথনি নিৰ্ধাৰণ কৰে। মানৱ-মনত অনেক বিধৰ সংজ্ঞানাত্মক সক্ষমতা (cognitive faculties) থাকিব পাৰে। পিছে, ভাষা হ'ল এনে এবিধ সংজ্ঞানাত্মক সক্ষমতা যি কেৱল মানুহৰ আচুতীয়া আহৰণ। ভাষা হ'ল যুক্তিধৰ্মী চিন্তাৰ বাহন। ভাষিক সক্ষমতা (language faculty)-ই হ'ল তেওঁৰ মতে মানৱ-প্ৰকৃতি। মানৱ-প্ৰকৃতিৰ স্বৰূপ নিৰ্ণয় কৰিছে মানুহৰ ভাষা আহৰণৰ জন্মগত সামৰ্থ্যই। মানৱ-প্ৰকৃতি আমাৰ বংশগতিক উত্তৰাধিকাৰ। সেয়া হোৱা বাবেই মানৱ-মনক কোনো অশুভ বাহিৰা শক্তিয়ে দমাই

* ইংৰাজী Cognitive-ৰ অসমীয়া প্ৰতিশব্দৰূপে কোনো কোনোৱে 'অৱগতিমূলক' শব্দটোও ব্যৱহাৰ কৰে। —*সম্পাদক*

ৰাখিব নোৱাৰে। কোনো দমন নির্যাতনকাৰী ৰাজনৈতিক ব্যৱস্থাই মানব-মনক ইচ্ছামতে গঢ দি নিয়ন্ত্রণ কৰিব নোৱাৰে। একে ধৰণে কোনো বাহিৰা শক্তিয়ে জন্মগতভাৱে প্রাপ্ত ভাষিক সক্ষমতাক বাধা দি ৰাখিব নোৱাৰে।

ভাষাৰ প্রকৃতি ভাষাবিজ্ঞানৰ স্বৰূপ ভাষাবিজ্ঞানৰ তত্ত্ব আৰু ভাষাৰ দর্শন সম্পর্কে চমস্কিৰ চিন্তা চর্চাৰ উমান পাবলৈ হ'লে ১৯৫৭ চনত তেওঁ লেখা *Syntactic Structures* ৰ পৰা ১৯৯৫ চনত ৰচিত *The Minimalist Program* লৈকে বিভিন্ন গ্রন্থত চমস্কিয়ে উত্থাপন কৰা তত্ত্ব আৰু প্রযোগ-পদ্ধতিৰ আলোচনা কৰাটো অনিবার্য হে পৰে। সমস্ত তাত্ত্বিক চিন্তাৰ বিশদ আলোচনা আগবঢোৱাটো এই প্রবন্ধ লেখকৰ সাধ্যৰ বাহিৰত। চমস্কিৰ ভাষা-চিন্তাৰ বিবর্তনৰ চমু আভাস দিয়াই এই লেখাৰ উদ্দেশ্য।

।। দুই।।

সংগঠনবাদী ভাষাবিজ্ঞানৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰা আমেৰিকান ভাষাবিজ্ঞানী লেনার্ড ব্লুমফিল্ডৰ মহৎ কীর্তি Language গ্রন্থখনি প্রকাশিত হয ১৯৩৩ চনত। ব্লুমফিল্ডে ভাষাবিজ্ঞানক স্বয়ংসম্পূর্ণ/স্বশাসিত আৰু বৈজ্ঞানিক বুলি প্রতিষ্ঠিত কৰাৰ প্রয়াস কৰে। ব্লুমফিল্ড আছিল অভিজ্ঞতাবাদী দার্শনিক মতবাদৰ দ্বাৰা প্রভাৱিত। অভিজ্ঞতাবাদীসকলৰ মতে ইন্দ্রিয়জ অভিজ্ঞতাই জ্ঞানৰ উৎস। সকলো ধৰণৰ জ্ঞান গঢ় লয় অভিজ্ঞতাৰ ভেটিত, জ্ঞান আহৃত হয় অভিজ্ঞতাৰ জৰিয়তে। ব্লুমফিল্ডৰ সময়ত প্রচলিত ধাৰণা অনুসৰি তেওঁ ধৰি লৈছিল যে কেৱল পর্যবেক্ষণ কৰিব পৰা তথ্য/সমলৰ যথাযথ বিশ্লেষণৰ ভিত্তিতহে কোনো বৈজ্ঞানিক তত্ত্ব গঢ লোৱা সম্ভৱ। ভাষাবিজ্ঞানক 'বিজ্ঞান' বুলি প্রতিষ্ঠা কৰাৰ বাবে ভাষাবিজ্ঞানীয়েও বৈজ্ঞানিক তত্ত্ব নির্মাণৰ তেনে পদ্ধতিহে অবলম্বন কৰা উচিত। গতিকে তেওঁ ক'লে যে পর্যবেক্ষণ লব্ধ বা পর্যবেক্ষণ কৰিব পৰা প্রপঞ্চসমূহহে ভাষাবিজ্ঞানৰ তথ্য (data) হ'ব পাৰে। ইন্দ্রিয়ৰে পোনপটীয়াকৈ জানিব-বুজিব পৰা তথ্যৰ যথাযথ বিশ্লেষণৰ অন্তত সাধাৰণীকৃত নিয়ম কেতবোৰ 'আৱিষ্কাৰ' কৰাই ভাষাবিজ্ঞানৰ লক্ষ্য হোৱা উচিত। ভাষাৰ অনেক দিশেই/কথাই যে পোনপটীয়াকৈ চাব পর্যবেক্ষণ কৰিব পৰা নাযায়— এই সত্য অভিজ্ঞতাবাদীসকলে আওকাণ কৰিছিল।

কেইবাগৰাকী বিশেষজ্ঞৰ মতে (যেনে— Lyons Steinberg 1992 Newmeyer 1994) ১৯৫৭ চনত *Syntactic Structures* প্রকাশৰ সময়লৈকে চমস্কি আছিল কিছু পৰিমাণে অভিজ্ঞতাবাদৰ দ্বাৰা প্রভাৱিত। পিছে, ভাষাবৈজ্ঞানিক অধ্যয়নৰ স্বৰূপ সম্পর্কে আনকি ১৯৫৫ চনমানতে চমস্কিৰ মনত প্রশ্নৰ উদয়

হয়। বিকল্প ভাষাবৈজ্ঞানিক তত্ত্ব নিৰ্মাণ আৰু তাৰ প্ৰয়োগৰ প্ৰাৰম্ভিক প্ৰচেষ্টাৰ উমান পোৱা যায় ১৯৫৫ চনত চমস্কিয়ে লেখা আৰু ১৯৭৫ চনত সম্পাদিত ৰূপত কিতাপ আকাৰে প্ৰকাশিত *The Logical Structures of Linguistic Theory* ত। *Syntactic Structures* ত উক্ত গ্ৰন্থৰ মূল বক্তব্য চমুকৈ উপস্থাপন কৰা হয়।

চমস্কিয়ে ক'লে যে বৈজ্ঞানিক তত্ত্ব-নিৰ্মাণৰ পদ্ধতি অভিজ্ঞতাবাদীসকলে কোৱাৰ লেখীয়া নহয়। অৰ্থাৎ কোনো বৈজ্ঞানিকে কোনো তথ্যৰ ওপৰত যান্ত্ৰিকভাবে কেতবোৰ নিয়ম প্ৰয়োগ কৰি তত্ত্বত উপনীত নহয়। দৰাচলতে বৈজ্ঞানিক তত্ত্ব নিৰ্মাণৰ বাটত কেনেকৈ আগবাঢ়ে সেয়া গুৰুত্বপূৰ্ণ নহয় গুৰুত্বপূৰ্ণ হ'ল উত্থাপিত তত্ত্বই উপযুক্তভাবে ব্যাখ্যা-বিশ্লেষণ আগবঢ়াব পাৰিছে নে নাই।

Syntactic Structures গ্ৰন্থতে চমস্কিয়ে ৰূপান্তৰণ-সৃজনশীল ব্যাকৰণ (transformational generative grammar)-ৰ* তত্ত্ব উত্থাপন কৰে। এই গ্ৰন্থত ব্যক্ত চমস্কিৰ কিছু ধাৰণাত ব্লুমফিল্ডৰ উত্তৰসূৰীসকলৰ মতবাদৰ প্ৰতিফলন ঘটিছে; বিশেষকৈ এই কাৰণে যে তেওঁ ব্যাকৰণ (বাক্যতত্ত্ব + ধ্বনিতত্ত্ব) -ক স্বশাসিত হয় বুলি আৰু অৰ্থ-নিৰ্ভৰ নহয় বুলি কয়।

Generative অভিধাটি চমস্কিয়ে ভাষাবিজ্ঞানত প্ৰয়োগ কৰে এই গ্ৰন্থতে। Generative (সৃজনশীল)-ৰ সহজ অৰ্থ হ'ল— ভাষা একোটাৰ ব্যাকৰণসম্মত বাক্যৰ সংহতি ব্যাখ্যা কৰাৰ বাবে ব্যাকৰণৰ ক্ষমতা। দৰাচলতে সৃজনশীল ব্যাকৰণ হ'ল— ভাষাটি গঠন কৰা সম্ভাব্য সমস্ত বাক্যৰ অসীম সংহতিৰ ওপৰত বাক্যৰ সীমিত সংহতি থপাৰ এলানি সুস্পষ্ট ৰূপতাত্ত্বিক নিয়ম। ৰূপান্তৰণ ব্যাকৰণ হ'ল এবিধ সৃজনশীল ব্যাকৰণ। ই ভাষাৰ সৃষ্টিশীল বৈশিষ্ট্যবোৰ প্ৰতিফলিত কৰে।

Syntactic Structures -ত চমস্কিয়ে এই কথাত গুৰুত্ব দিয়ে যে ব্যাকৰণে সৃজন কৰা বাক্যবোৰ ভাষা কওতাজনৰ বাবে গ্ৰহণযোগ্য হ'ব লাগিব। চমস্কি-প্ৰস্তাবিত সৃজনশীল ব্যাকৰণে ভাষা কওঁতাজনৰ intuition বা অসচেতন ভাষিক জ্ঞানৰ ব্যাখ্যা আগবঢ়াব পাৰে। ভাষা কওতা (অৰ্থাৎ ভাষাটো যাৰ মাতৃভাষা তেওঁৰ) intuition ৰ ভূমিকা এই গ্ৰন্থত স্বাধীন সাক্ষ্যৰহে ভূমিকা। Intuition সম্পৰ্কীয় এই ধাৰণাৰ পিছলৈ পৰিবৰ্তন হয় আৰু পিছৰ আলোচনাত তেওঁ এই intuition -ক ব্যাকৰণে ব্যাখ্যা কৰিবলগীয়া তথ্যৰ ভিতৰুৱা বুলি ধৰিছে।

১৯৫৯ চনত চমস্কিয়ে আচৰণবাদী মনোবিজ্ঞানী বি এফ স্কিনাৰৰ ১৯৫৭ চনত প্ৰকাশিত গ্ৰন্থ *Verbal Behaviour* ৰ এটি সমালোচনা লিখি প্ৰকাশ কৰে।

---

*Transformational Generative Grammar -ৰ প্ৰতিশব্দৰূপে অসমীয়াত 'ৰূপান্তৰ স্ফোট ব্যাকৰণ 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ আদি ৰূপো সম্পাদনিকৈ ব্যৱহৃত। —*সম্পাদক*

এই সমালোচনাৰ মাজতে চমস্কিয়ে প্ৰথমবাৰৰ বাবে এইমত প্ৰকাশ কৰে যে ভাষাবৈজ্ঞানিক তত্ত্ব দৰাচলতে মানুহৰ জ্ঞানৰ এটা দিশৰ মনোবৈজ্ঞানিক আৰ্হি। চমস্কিৰ এই সমালোচনাই ভাষা আৰু ভাষা আহৰণ সম্পৰ্কীয় আচৰণবাদী তত্ত্ব উৎখাত কৰে বুলিব পাৰি। কেৱল অনুকৰণ (ডাঙৰৰ মাত-কথাৰ অনুকৰণ) আৰু অভ্যাস গঠনৰ জৰিয়তে শিশুৱে ভাষা আহৰণ কৰে বুলি আচৰণবাদীসকলে কৈছিল। আচৰণবাদীসকল অভিজ্ঞতাবাদৰ দ্বাৰা প্ৰভাৱিত। তেওলোকৰ মতে (আৰু অভিজ্ঞতাবাদী দৰ্শনত বিশ্বাসীসকলৰ মতে) পোনপটীয়া ইন্দ্ৰিয়জ সংবেদনৰ জৰিয়তে বুদ্ধি ধাৰণা আদি আহৃত হয়। বুদ্ধি আহৰণৰ পিছত ভাষাকে ধৰি অমূৰ্ত ধাৰণা আদি আহৃত হয। অভিজ্ঞতাবাদীসকলৰ মতে জন্মতে মনত জ্ঞান বোলা একো নাথাকে। আচৰণবাদীসকলৰ মতে ভাষা হ'ল বাচিক আচৰণ (verbal behaviour)। আচৰণ আহৃত হয় অনুকৰণ পুনৰুক্তি অভ্যাস গঠনৰ দ্বাৰা। অভ্যাস গঠিত হয উদ্দীপক (stimulus) আৰু তাৰ প্ৰতি সঁহাৰি (response) -ৰ মাজত সম্পৰ্ক স্থাপিত হোৱাৰ পৰা। জন্তুৱে কিবা কৰিবলৈ শিকা আৰু মানুহে ভাষা শিকা/আহৰণ কৰাৰ মাজত মৌলিক পাৰ্থক্য নাই। চমস্কিয়ে এই অৱস্থানৰ বিৰোধিতা কৰি কয যে ভাষা আহৰণৰ দৰে জটিল মানসিক প্ৰক্ৰিয়া এটাক এনেদৰে ব্যাখ্যা কৰিব নোৱাৰি। অনুকৰণ কৰি, আনৰ কথাৰ পুনৰুক্তি কৰি ভাষা শিকাহেঁতেন শিশুৱে (মাতৃভাষাত) আগেয়ে কোনেও নোকোৱা একেবাৰে নতুন বাক্য সাজি ক'ব নোৱাৰিলেহেঁতেন, নতুন শব্দ সাজিব নোৱাৰিলেহেঁতেন। তেওৰ মতে ভাষা আহৰণৰ প্ৰক্ৰিয়াটো এটা জৈৱিক প্ৰক্ৰিয়া।

অভিজ্ঞতাবাদক নস্যাৎ কৰি চমস্কিয়ে যুক্তিবাদ গ্ৰহণ কৰে যদিও যুক্তিবাদৰ কেতবোৰ সিদ্ধান্ত তেও নামানে। যুক্তিবাদীসকলৰ মতে প্ৰাৰম্ভিক জ্ঞান জন্মগত। যুক্তি আৰু অভিজ্ঞতাৰ জৰিয়তে সেই জ্ঞান সক্ৰিয় হয়। চমস্কিৰ মতে জ্ঞানৰ কিছু গোটহে জন্মগত। সেয়াই faculties of mind। আছুতীয়া ভাষিক ক্ষমতা language faculty ৰ কথা তেও পাছলৈহে উত্থাপন কৰে। স্কিনাৰৰ গ্ৰন্থৰ সমালোচনা কৰি তেও কয় যে প্ৰতিজন ব্যক্তিয়ে কিবা স্বৰূপে মাতৃভাষাৰ ব্যাকৰণ আত্মস্থ কৰে। ভাষাৰ স্বৰূপ আৰু ভাষা আহৰণৰ প্ৰক্ৰিয়া সম্পৰ্কে চমস্কিয়ে পাছৰ কালছোৱাত বিস্তৃত আলোচনা কৰে। ভাষা আহৰণ সম্পৰ্কে ১৯৫৯ চনতে চমস্কিয়ে আগবঢ়োৱা আলোচনাই ভাষাবিজ্ঞান আৰু ভাষা-শিক্ষণৰ তত্ত্বসমূহক প্ৰভাৱিত কৰে। ভাষাৰ মনোবিজ্ঞানকো তেওৰ আলোচনাই নতুন পথৰ ইঙ্গিত দিয়ে।

॥ তিনি॥

১৯৬৫ চনত প্ৰকাশিত গ্ৰন্থ *Aspects of the Theory of Syntax* ত চমস্কিয়ে

বৰ্ণনা কৰা ব্যাকৰণৰ তত্ত্বক Standard Theory বুলি জনা যায়। এই গ্ৰন্থত উত্থাপিত অনেক ধাৰণা ভাষা আৰু ভাষাৰ ব্যাকৰণৰ তাত্ত্বিক আলোচনাত এতিয়াও প্ৰাসঙ্গিক হৈ আছে। পৰৱৰ্তী পৰ্যায়ত এই তত্ত্বৰ সংশোধন আৰু বিস্তাৰ ঘটিছে। *Aspects* ত ভাষা কওঁতাৰ intuition সম্পৰ্কে চমস্কিৰ ধাৰণা অধিক স্পষ্ট অধিক সংহত ৰূপত ব্যক্ত হৈছে। ভাষাবৈজ্ঞানিক তত্ত্বৰ স্বৰূপ আৰু লক্ষ্য সম্পৰ্কেও তেওঁ স্পষ্ট মত আগবঢ়াইছে ৽ Linguistic theory is concerned primarily with an ideal speaker listener in a completely homogeneous speech community who knows its language perfectly and is unaffected by such grammatically irrelevant conditions as memory limitations, distractions shifts of attention and interest, and errors (random or characteristic) in applying his knowledge of the language in actual performance " (Chomsky 1965 3 ঠ প্ৰথমবাৰৰ বাবে চমস্কিয়ে 'আদৰ্শ' বক্তা-শ্ৰোতাৰ আৰু তেওঁৰ ভাষাৰ অসচেতন জ্ঞান অৰ্থাৎ competence আৰু ভাষাৰ ব্যৱহাৰ অৰ্থাৎ performance (বাস্তৱ পৰিস্থিতিত ভাষাৰ প্ৰকৃত ব্যৱহাৰ)-ৰ মাজৰ মৌলিক পাৰ্থক্যৰ কথা উত্থাপন কৰে। লগতে তেওঁ এই কথাও ক'লে যে, ভাষাবৈজ্ঞানিক তত্ত্ব অনিবাৰ্যভাৱেই মন-কেন্দ্ৰিক বা mental কিয়নো ভাষিক আচৰণৰ (ভাষাৰ ব্যৱহাৰৰ) আঁৰৰ মানসিক বাস্তৱৰ স্বৰূপ্ ভাষাবিজ্ঞানীয়ে ব্যাখ্যা কৰিব লাগিব। ভাষাৰ ব্যাকৰণ হ'ল তেওঁৰ মতে আদৰ্শ বক্তা-শ্ৰোতাৰ অসচেতন ভাষিক জ্ঞান (competence) -ৰ বৰ্ণনা। এই ব্যাকৰণ বুদ্ধিৰ ওপৰত নিৰ্ভৰশীল নহয়। প্ৰতিজন বক্তাই তেওঁৰ ভাষাৰ জ্ঞান ব্যক্ত কৰা generative grammar (সৃজনশীল ব্যাকৰণ) আয়ত্ত আৰু আত্মস্থ কৰে। সৃজনশীল ব্যাকৰণক তেওঁ এক 'নিয়ম-প্ৰণালী বুলি কয় ° by a generative grammar I mean simply a system of rules that in some explicit and well difined way assigns structural descriptions to sentences ' ভাষাৰ জ্ঞান থকা মানে বুজায়— অসীম সংখ্যক বাক্য বুজাৰ সহজাত অসচেতন ক্ষমতা থকা।

চমস্কি-বৰ্ণিত সৃজনশীল ব্যাকৰণৰ অংশ/ভাগ তিনিটা ৽ বাক্যতাত্ত্বিক ধ্বনিতাত্ত্বিক আৰু অৰ্থতাত্ত্বিক। *Aspects*-ত বৰ্ণিত Standard Theory মতে ব্যাকৰণ কেইবাগোটা নিয়ম লৈ গঠিত। তাৰে কেতবোৰ বাক্যতাত্ত্বিক কেতবোৰ ধ্বনিতাত্ত্বিক আৰু কেতবোৰ অৰ্থতাত্ত্বিক নিয়ম। প্ৰতিগোট নিয়মে একোটা বাক্যৰ ভাষাবৈজ্ঞানিক বৰ্ণনা আগবঢ়ায়— চাৰিটা স্তৰত। এই স্তৰকেইটা হ'ল— ধ্বনিৰ স্তৰ অৰ্থৰ স্তৰ আৰু বাক্যতত্ত্বৰ দুই স্তৰ— অন্তৰ্লীন (deep) আৰু বাহ্যিক (surface) গাঁথনিৰ স্তৰ। উক্ত তত্ত্ব অনুসৰি ব্যাকৰণৰ প্ৰকৃতি তলৰ চিত্ৰত দেখুওৱা ধৰণৰ (Steinberg 1992) ঃ



খণ্ডবাক্য-গাঁথনিৰ নিযমে বাক্য একোটাক তাৰ মূল গাঁথনিক ৰূপ প্ৰদান কৰে বাক্য একোটাক ইয়াৰ অন্তৰ্গত খণ্ডবাক্য আৰু শব্দলৈ বিশ্লেষিত কৰে। বাক্যৰ অন্তৰ্লীন (deep) গাঁথনি গঠিত হয় খণ্ডবাক্য-গাঁথনিৰ নিযম আৰু শব্দেৰে। যিহেতু খণ্ডবাক্য-গাঁথনিৰ একে নিয়মকে বাৰম্বাৰ প্ৰয়োগ কৰিব পৰা যায়, সেয়েহে শব্দকোষৰ সহায় লৈ এই নিবমসমূহে অসীম সংখ্যক অন্তৰ্লীন গাঁথনিৰ নিৰ্মাণ কৰিব পাৰে। অন্তৰ্লীন গাঁথনিত কেতবোৰ ৰূপান্তৰণ নিয়ম প্ৰয়োগ কৰি বাহ্যিক গাঁথনিত উপনীত হোৱা যায। ৰূপান্তৰণ নিয়মবোৰৰ কেতবোৰে বাক্যৰ কোনো উপাদান বাদ দিয়ে বাক্যত কোনো উপাদান যোগ দিযে কোনো কোনো উপাদানৰ স্থান পৰিৱৰ্তন কৰে।

সত্তৰৰ দশকত বাক্যতত্ত্বৰ স্বয়ং সম্পূৰ্ণতা/স্বাযত্ততা দাবী কৰা চমস্কিৰ মত বিৰোধিতাৰ সম্মুখীন হয ঘাইকৈ অৰ্থতাত্ত্বিক গাঁথনিত গুৰুত্ব দিয়া Generative Semanticist -সকলৰ হাতত। ব্যাকৰণৰ তত্ত্ব -নিৰ্মাণত অৰ্থতত্ত্বৰ প্ৰধান ভূমিকা আছে বুলি Generative Semanticist -সকলে কয। কেইবাটাও নতুন আৰ্হি কিছুসংখ্যক ভাষাবিজ্ঞানীয়ে দাঙি ধৰে। ফিলমোৰৰ অৰ্থতাত্ত্বিক কাৰক ব্যাকৰণ তত্ত্ব (Case for Case Theory)-ত উত্থাপিত কিছু তাত্ত্বিক দিশৰ কথা চমস্কিয়ে নিজেও গ্ৰহণ কৰে। তেও নিজে আৰু তেওঁৰ অনুগামীসকলে Standard Theory ৰ বিস্তাৰ ঘটাই Extended Standard Theory উত্থাপন কৰে। Standard Theory ৰ বিস্তাৰ ঘটে ঘাইকৈ অৰ্থতাত্ত্বিক নিয়মৰ প্ৰসাৰত। কেতবোৰ অৰ্থতাত্ত্বিক

নিময় আনকি বাহ্যিক গাঁথনিৰ সৈতে ক্ৰিয়াশীল হ'ব পাৰে বুলি পাছলৈ দেখুওৱা হ'ল। ফলত ক্ৰমে অন্তৰ্লীন গাঁথনিৰ পূৰ্বৰ গুৰুত্বৰ অৱমূল্যায়ন ঘটে।

১৯৮১ চনত *Lectures on Government and Binding* গ্ৰন্থত চমস্কিয়ে উত্থাপন আৰু ব্যাখ্যা কৰা Government and Binding (চমুকৈ GB) তত্ত্বই ব্যাকৰণৰ স্বৰূপ সম্পৰ্কে কিছু নতুন কথাৰ অৱতাৰণা কৰে। এই তত্ত্ব অনুসৰি ব্যাকৰণৰ আভ্যন্তৰীণ গাঁথনি 'মডিউলাৰ'। অৰ্থাৎ ব্যাকৰণৰ ভিতৰত কেইবোৰ উপপ্ৰণালী আছে। এইবোৰৰ আন্তঃক্ৰিয়াই বাক্যতত্ত্বক জটিলতা প্ৰদান কৰে। ব্যাকৰণ হ'ল বিভিন্ন সাৰ্বজনীন ভাষিক নীতি (Principles) আৰু ভিন্নতাৰ সূত্ৰ (Parameters) প্ৰতিফলিত কৰা তত্ত্ব-উপতত্ত্বসমূহৰ আন্তঃক্ৰিয়াৰ ফল। এই ধাৰণাৰ বাবে GB তত্ত্বক Principles and Parameters approach অনুসৰণ কৰা বুলি কোৱা হয়। বাক্যতাত্ত্বিক তত্ত্বৰ লক্ষ্য হ'ল উল্লিখিত প্ৰণালী উপপ্ৰণালীসমূহ চিহ্নিত কৰি সিবোৰ ভাষা ভেদে কিমান দূৰ ভিন্ন হ'ব পাৰে তাক বিচাৰ কৰি চোৱা। ভাষাসমূহৰ মাজত দেখা গাঁথনিগত পাৰ্থক্য বা ভিন্নতাৰ কাৰণ এয়ে যে প্ৰতিটো ভাষাই প্ৰতিটো উপপ্ৰণালী বা 'মডিউল'ত সুকীয়া মূল্য আৰোপ কৰে অথবা parameter ভিন ভিন ধৰণে স্থিৰ কৰি লয়।

GB তত্ত্বত উত্থাপিত ব্যাকৰণৰ আৰ্হি অনুসৰি বাক্যৰ তিনি-স্তৰীয় গাঁথনি আছে ० d structure, s sturcture আৰু PF (Phonetic Form) আৰু LF (Logical Form) ঃ

d structure
|
s structure
PF — LF

পূৰ্বৰ তত্ত্বত deep structure আছিল অসচেতন ভাষিক জ্ঞান (competence) -ৰ স্তৰত। surface structure আছিল বিভিন্ন প্ৰণালীৰ মাজত পাৰস্পৰিক সম্পৰ্ক ঘটা (interface) স্তৰত। GB তত্ত্বত শব্দকোষ (lexicon) d structure আৰু s structure -তিনিওটা আছে অসচেতন ভাষিক জ্ঞানৰ স্তৰত। PF আৰু LF হে interface স্তৰত। d structure হ'ল বাক্যতাত্ত্বিক নিয়ম প্ৰয়োগৰ আগৰ গাঁথনিৰ স্তৰ। s structure বাক্যতাত্ত্বিক সকলো নিয়ম প্ৰয়োগৰ পিছৰ গাঁথনিৰ স্তৰ। শব্দকোষ আৰু শ্ৰেণীগত উপাদান (categorical components) লগ লাগি Base গঠন কৰে। Base -নিয়মসমূহে d structure সৃষ্টি কৰে। s structure- d structure -ৰ পৰা আৰু LF (যুক্তিতাত্ত্বিক/অৰ্থতাত্ত্বিক ৰূপ) s structure -ৰ পৰা এটা মাত্ৰ ৰূপান্তৰণ Move Alpha -ৰ সহায়ত সাধন কৰা হয়। Move

Alpha -ৰ অৰ্থ হ'ল— যি কোনো উপাদান যি কোনো স্থানলৈ নিয়া।

ধ্বনি আৰু অৰ্থৰ মাজৰ স্তৰ হ'ল s structure। ই স্থানান্তৰণ নিয়মেৰে ইযাত অন্তৰ্নিহিত হৈ থকা d structure -ৰ সৈতে সম্পৰ্কিত। উভয় স্তৰেই কৈ অহাৰ দৰে অমূৰ্ত স্তৰ। d structure -এ বাক্যৰ মূল গাঁথনিগত সম্পৰ্কবোৰ ধৰি ৰাখে। s structure– surface structure বা বাহ্যিক গাঁথনি নহয় ই অমূৰ্ত আৰু স্থানান্তৰণৰ চিন (trace)-এৰে সমৃদ্ধ। d structure ত বাক্যৰ অন্তৰ্গত উপাদানসমূহ নিজ নিজ ঠাইতে থাকে। s structure-ত সিহঁতে সেই সেই স্থান পৰিবৰ্তন কৰে। উদাহৰণ স্বৰূপে, ইংৰাজীৰ wh শব্দেৰে আৰম্ভ হোৱা প্ৰশ্নবোধক বাক্য এটাৰ কেইটামান উপাদান যেনে— তলৰ বাক্যটিৰ wh word when আৰু you d structure ত থকা অৱস্থানৰ পৰা আঁতৰি গৈছে, s structure ত সিহঁতৰ স্থানান্তৰণ (movement) ঘটিছে। স্থানান্তৰিত হোৱা উপাদানবোৰে s structure -ত চিন (trace) এৰি থৈ যায়। পূৰ্বৰ অৱস্থানটিক কোৱা হয় trace (চিন) বুলি আৰু t আখৰটোৰে সেই s structure ত সলনি হোৱা অৱস্থান সূচোৱা হয়।

d structure	You are coming when
s structure	when t are you coming t ?

স্থানান্তৰণ সাৰ্বজনীন। কিন্তু ভাষাভেদে ই s structure -ত বা LF-ত ঘটিব পাৰে। অসমীয়া ভাষাত LF-ত হে ঘটে s structure-ত নহয়। ইতিমধ্যে উল্লেখ কৰি অহা F আন্তঃক্ৰিয়াশীল উপতত্ত্বোৰ হ'ল ° Government theory X bar theory Theta theory Case theory Binding theory Bounding theory আৰু Contrd theory ।

GB তত্ত্বমতে ব্যাকৰণৰ স্বৰূপ



উল্লেখযোগ্য যে X-bar বাক্যতত্ত্বই শব্দকোষক বাক্যতত্ত্বৰে লগ লগায়। Projection principle -এ শব্দকোষৰ শব্দৰ বৈশিষ্ট্য/বিশেষত্ব বাক্যতত্ত্বত আৰোপ কৰে আৰু শব্দবোৰক LF এৰে সাঙোৰে। PF (ধ্বনিতাত্ত্বিক ৰূপ) আৰু LP (যৌক্তিক/অৰ্থতাত্ত্বিক ৰূপ) হ'ল ভাষা আৰু অন্য সংজ্ঞানাত্মক প্ৰণালীৰ মাজত সম্পৰ্ক ৰক্ষা কৰা স্তৰ। বাক্যতত্ত্বৰ বিভিন্ন তত্ত্ব-উপতত্ত্ব উত্থাপনৰ জৰিয়তে চমস্কিয়ে দৰাচলতে সকলো মানুহে জন্মতে লৈ অহা ভাষিক সক্ষমতা (language faculty)-ৰ ভিতৰৰা সাৰ্বজনীন ব্যাকৰণৰ প্ৰকৃত স্বৰূপ বৰ্ণনাৰ প্ৰয়াস চলাই যায়। ভাষাৰ বৰ্ণনাৰ বাবে ব্যৱহাৰ কৰা তাত্ত্বিক-বৰ্ণনাত্মক যতন (apparats) ন্যূনতম (minimal) কৰাৰ প্ৰয়াসতে নৱৈৰ দশকত Minimalism ৰ জন্ম হয়। ১৯৯২ চনত প্ৰথম উত্থাপন কৰা তত্ত্বটি ১৯৯৫ চনত প্ৰকাশিত গ্ৰন্থ *The Minimalist Program* -ত বিস্তৃতভাৱে ব্যাখ্যা কৰোঁতে তেওঁ ইয়াক তত্ত্ব বুলি নকৈ "a research program" বুলি কৈছে। ইয়াত উত্থাপিত বহু কথাৰ আঁৰৰ ধাৰণা এতিয়াও সম্পূৰ্ণৰূপে স্পষ্ট হৈছে বুলি ক'ব নোৱাৰি। তথাপি তেওঁৰ শেহতীয়া তাত্ত্বিক বিচাৰে, ঘাইকৈ ইয়াৰ সৰলতাই, ভাষাবিজ্ঞানৰ গৱেষকসকলক ইতিমধ্যেই প্ৰভাৱিত কৰিছে।

চমস্কিৰ মতে মানুহৰ মন/মগজুত অনান্য সংজ্ঞানাত্মক প্ৰণালীৰ লগতে আছে ভাষা আহৰণ ভাষাৰ উৎপাদনৰ সৈতে জড়িত ভাষিক সক্ষমতা (language faculty)। ই অনান্য সংজ্ঞানাত্মক প্ৰণালীৰ পৰা একেবাৰে আছুতীয়া তথা স্বতন্ত্ৰ অথচ সিবোৰৰ সৈতে ক্ৰিয়া কৰে। এই ভাষিক সক্ষমতাৰ দুটা অংশ আছে ঃ তথ্য সঞ্চিত কৰি ৰখা সংজ্ঞানাত্মক প্ৰণালী এটি, আৰু সেই তথ্য ব্যৱহাৰ কৰা ভাষা-ব্যৱহাৰৰ বিভিন্ন প্ৰণালী। *The Minimalist Program*-ত চমস্কিয়ে এই মত প্ৰকাশ কৰে যে উল্লিখিত সংজ্ঞানাত্মক প্ৰণালীয়ে মাত্ৰ দুটা ভাষা-ব্যৱহাৰৰ 'বাহিৰা প্ৰণালীৰ সৈতে ক্ৰিযা কৰে। এই দুই প্ৰণালীক তেওঁ ক্ৰমে articulatory perceptual system (A P) আৰু conceptual intentional system (C I) বুলিছে। এই দুই প্ৰণালীৰ পৰাই পোৱা যায়— ধ্বনি আৰু অৰ্থৰ স্তৰ ক্ৰমে ধ্বনিতাত্ত্বিক ৰূপ (PF) আৰু যৌক্তিক ৰূপ (LF)। এই দুই স্তৰ পৰস্পৰ সম্পৰ্কিত।

The Minimalist Program অনুসৰি ভাষা বিশেষৰ সংজ্ঞানাত্মক প্ৰণালীত থাকে এটি সংসাধনাত্মক প্ৰণালী (computational system) আৰু এখন শব্দকোষ (Lexicon)। এই শব্দকোষৰ পৰা সমলসমূহে নিজস্ব বৈশিষ্ট্য সহ সংসাধনাত্মক প্ৰণালীত প্ৰৱেশ কৰে। সংসাধনাত্মক প্ৰণালীয়ে এই উপাদানসমূহৰ সহায়ত শব্দ সাধন কৰে আৰু গাঁথনিক বৰ্ণনা সৃজন কৰে, অৰ্থাৎ ৰূপ প্ৰত্যয় আদিযুক্ত আৰু

সেই বুলি চিহ্নিত উপাদানৰ লানি বা ক্ৰম (string) নিৰ্মাণ কৰে। *The Minimalist Program*-ত বৰ্ণিত ব্যাকৰণৰ ৰূপ তলৰ চিত্ৰত দেখুওৱা ধৰণৰ (Napoli 1996 391)



দেখা গ'ল GB তত্ত্বৰ d structure s structure-ৰ ধাৰণাও এই program -ত ত্যাগ কৰা হ'ল। অৰ্থাৎ পূৰ্বৰ ৰূপান্তৰণ-সৃজনশীল ব্যাকৰণৰ অন্তৰ্লীন গাঁথনি নাই বুলি ধৰা হ'ল। s structure -ৰ ঠাই spell out-এ লৈছে যেন লাগিলেও spell out কিন্তু বাক্যতাত্ত্বিক স্তৰ নহয়। LF আৰু PF বিভাজিত হোৱা বিন্দুটোৱে spell out।

।। চাৰি।।

Knowledge of Language গ্ৰন্থত চমস্কিয়ে ভাষাবিজ্ঞানৰ প্ৰতি দুটা ভিন্ন দৃষ্টিভঙ্গীৰ কথা আলোচনা কৰিছে। প্ৰথমটো হ'ল Externalized বা E language-ৰ দৃষ্টিভঙ্গী আনটো Internalized বা I language-ৰ দৃষ্টিভঙ্গী। মানৱ-মনৰ বৈশিষ্ট্য হিচাপে নাচাই বিচ্ছিন্নভাৱে চোৱা/বুজা বাক্যৰ সমষ্টিয়ে হ'ল E language। এই দৃষ্টিভঙ্গী পোষণ কৰা ভাষাবিজ্ঞানীয়ে ভাষা গঠিত হোৱা 'বাহ্যিক তথ্যবোৰৰ সংহতিক ব্যাখ্যা কৰে গাঁথনি বা 'সজ্জা (pattern)-ৰ ধাৰণা উত্থাপন কৰি। গঠনবাদী ভাষাবিজ্ঞানে এনে দৃষ্টিভঙ্গীকে আকোঁৱালি লৈছিল।

আনহাতে I language-ৰ ধাৰণা গ্ৰহণ কৰা ভাষাবিজ্ঞানীৰ বিচাৰ্য হ'ল ভাষা কওঁতাৰ ভাষাৰ জ্ঞানৰ স্বৰূপ কি এই জ্ঞান কেনেকৈ উদয় হয় ইত্যাদি। এই দৃষ্টিভঙ্গীৰ পৰা ভাষাক 'বাহিৰত থকা সত্তা বুলি ধৰা নহয় মানৱ-মনৰ আভ্যন্তৰীণ বৈশিষ্ট্য বা গুণ বুলিহে ধৰা হয়। ভাষাৰ ব্যাকৰণ 'বাহিৰা সত্যকেতবোৰৰ অৰ্থাৎ বাক্যৰ বিষয়ে বৰ্ণনাত্মক উক্তিৰ সংগ্ৰহ নহয়। ব্যাকৰণ গঠিত হয় সাৰ্বজনীন ভাষিক নীতি (principles) আৰু ভিন্নতাৰ সূত্ৰেৰে। ভাষা হ'ল ব্যক্তিৰ মন/মগজুত থকা

এটা প্ৰণালী। সাম্প্ৰতিক কালত ভাষাবিজ্ঞান E language-ৰ পৰা আঁতৰি ক্ৰমে I language-ৰ ফালে ঢাল খাইছে। চমস্কিৰ ভাষা সম্পৰ্কীয় তত্ত্বই I language -ৰ ধাৰণাহে মানি লৈছে। তেওঁৰ মতে ভাষাবিজ্ঞান হ'ল I language-ৰ, I language ৰ জ্ঞানৰ আৰু সেই জ্ঞানৰ ভিত্তিৰ অধ্যয়ন। তেওঁৰ ভাষাৰ তত্ত্বৰ লক্ষ্য হ'ল মানৱ-মনৰ এটি বিশিষ্ট গুণ হিচাপে ভাষাৰ বৰ্ণনা কৰা।

মানুহৰ ভাষিক সক্ষমতাৰ ভিতৰুৱা সাৰ্বজনীন ব্যাকৰণৰ তত্ত্বত উপনীত হোৱাৰ প্ৰয়াসেৰে তেওঁ বিভিন্ন আৰ্হি উত্থাপন কৰিছে GB তত্ত্ব আৰু Minimalism -ৰ জৰিয়তে। সাৰ্বজনীন ব্যাকৰণ হ'ল জ্ঞানৰ তত্ত্ব। এই জ্ঞান, ভাষিক জ্ঞান কেনেকুৱা আৰু ইনো কেনেকৈ মানৱ-মনত থিতাপি ল'লে এই দুয়োটা প্ৰশ্ন অঙ্গাঙ্গীভাৱে জড়িত।

ভাষা আহৰণৰ মানসিক প্ৰক্ৰিয়াটোৰ এটা গ্ৰহণযোগ্য ব্যাখ্যা আগবঢ়াবলৈ চমস্কিয়ে আৰম্ভণিৰে পৰা প্ৰয়াস কৰি আহিছে। মানৱ-মন/মগজুত এটা ভাষাই, তাৰ ভাষিক জ্ঞানে কেনেকৈ থিতাপি লয় সেই সম্পৰ্কে তেওঁ আৰ্হি উপস্থাপন কৰে আৰু সেই আৰ্হি আৰু অধিক সুস্পষ্ট ৰূপত দাঙি ধৰিবলৈ চেষ্টা কৰি আহিছে।

অন্ততঃ ১৯৫৯ চনমানৰ পৰা এতিয়ালৈকে চমস্কিৰ ভাষা-চিন্তাত এটা ধাৰাবাহিকতা লক্ষ্য কৰা দেখা যায়। ভাষা, ভাষা আহৰণ সম্পৰ্কে সংজ্ঞানাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰি তেওঁ নিৰন্তৰ ভাষা কওঁতা-শুনোতাৰ জন্মগত ভাষিক জ্ঞানৰ বৰ্ণনা দিবলৈ চেষ্টা কৰিছে। ভাষা কওঁতাৰ জন্মগত ভাষিক জ্ঞান (competence)-ৰ ধাৰণা ১৯৬৫-তে উপস্থাপন কৰাৰ পাছৰ পৰা তেওঁ তাৰ স্বৰূপ সম্পৰ্কে চিন্তা-চৰ্চা চলাই যায়। ভাষাবিজ্ঞানৰ প্ৰকৃত লক্ষ্য সম্পৰ্কে তেতিয়াই উত্থাপন কৰা মতৰ পৰা তেওঁ অলপো আঁতৰি অহা নাই। বাক্যতাত্ত্বিক তত্ত্বসমূহৰ নিৰ্মাণ, পুনৰ্নিৰ্মাণ সংশোধন ইত্যাদি হ'ল ভাষিক সক্ষমতা আৰু সাৰ্বজনীন ব্যাকৰণৰ স্বৰূপ সম্পৰ্কে ক্ৰমে আৰু অধিক স্পষ্ট হৈ অহা তেওঁৰ (আৰু অন্য গৱেষকসকলৰ) উপলব্ধি। মানৱ-মন/মগজুত ভাষাই কেনেকৈ থিতাপি লয় ভাষা বিশেষৰ জ্ঞান কেনেকৈ ক্ৰিয়াশীল হয় — সেই অদৃশ্য প্ৰক্ৰিয়াৰ স্বৰূপ ব্যাখ্যা কৰাৰ প্ৰয়াসতেই ইতিমধ্যে আলোচনা কৰি অহা তত্ত্বসমূহ উত্থাপিত হয়।

Language and Problems of Knowledge (১৯৮৮) গ্ৰন্থত ভাষাৰ অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে চমস্কিয়ে কিছু কথা আলোচনা কৰিছে। তেওঁৰ মতে পাশ্চাত্য দৰ্শন আৰু মনোবিজ্ঞানত ভাষাৰ অধ্যয়ন গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে দুটা বিষয়ৰ অনুসন্ধানৰ ক্ষেত্ৰত— (ক) মানুহৰ মৌলিক প্ৰকৃতিৰ স্বৰূপ আৰু (খ) মানুহৰ মন/মগজুৰ স্বৰূপ আৰু তাৰ কাম-কাজ। মানুহৰ চিন্তা-ভাৱনা

কাম-কাজ মানসিক আচৰণ আৰু সামাজিক সম্পৰ্কৰ সৈতে ভাষা অনবৰতে জড়িত হৈ থাকে।

উক্ত গ্ৰন্থত চমস্কিয়ে কৈছে যে আমাৰ জ্ঞানৰ বোধৰ কিছু জন্মগত বংশগতিকভাৱে প্ৰাপ্ত বা আহৃত। মানৱ-মনত থকা পৰস্পৰৰ সম্পৰ্কিত আন্তঃক্ৰিয়াশীল সংজ্ঞানাত্মক প্ৰণালীৰ ভিতৰৰে এটা হ'ল ভাষিক সক্ষমতা। এই সক্ষমতা যে দৰাচলতে আছে বা থাকিবই লাগিব তাকে ব্যাখ্যা কৰিবলৈ গৈ চমস্কিয়ে আঙুলিয়াইছে যে প্ৰতিগৰাকী ব্যক্তিৱে নিজ-ভাষাৰ অসীম সংখ্যক বাক্য কোৱাৰ বুজাৰ ক্ষমতা আছে। কিন্তু আমাৰ স্মৃতি তেনেকৈ সীমিত। এই সীমিত স্মৃতিয়ে সকলো কোৱা-শুনা আৰু ভৱিষ্যতে ক'ব-শুনিব-বুজিব পৰা অসীম সংখ্যক বাক্য ধৰি ৰাখিব নোৱাৰে। গতিকে বুজিব পাৰি যে মানৱ-মনত ভাষিক জ্ঞানৰ সীমিত প্ৰণালী এটি আছে আৰু ই মানুহক অসীম সংখ্যক বাক্য বুজাত গঢ়াত কোৱাত সহায় কৰে। সেই সীমিত প্ৰণালীটি সুস্পষ্টকৈ ব্যাখ্যা কৰাৰ বাবে এলানি ভাষিক নীতি আৰু নিয়মৰ অৱতাৰণা কৰা হয়। প্ৰশ্ন হ'ল— আমাৰ মন/মগজুৰ অন্তৰ্লীন/আভ্যন্তৰীণ ব্যাকৰণে সেই নীতিবোৰনো কেনেকৈ জানিলে কেনেকৈ পালে? ইয়াৰ উত্তৰ হ'ল এয়ে যে কেতবোৰ নীতি জন্মতেই, বংশগতিৰ স্বাভাৱিক নিয়মতেই মানৱ-মনত থাকে। সেই উমৈহতীয়া (সকলো মানুহৰ আছে বাবে) নীতি নিয়মৰ প্ৰণালীয়েই সাৰ্বজনীন ব্যাকৰণ (Universal grammar চমুকৈ UG)। চমস্কিৰ মতে Universal grammar may be thought of as some system of principles, common to the species and available to each individual prior to experience (চমস্কি, ১৯৮১ ৭)। ইয়াত prior to experience শব্দগুচ্ছই বুজাইছে— ভাষিক অভিজ্ঞতা আহৰণৰ পূৰ্বৰ অৱস্থা। জন্মৰ পাছৰে পৰাই শিশুৱে তাৰ চৌপাশে ডাঙৰে কোৱা কথা-বতৰা শুনাৰ মাজেদি আৰু পাছলৈ নিজে ক'বলৈ চেষ্টা কৰাৰ মাজেদি নিজ-ভাষাৰ (ভাষিক) অভিজ্ঞতা লাভ কৰে। চমস্কিৰ কথাষাৰৰ অৰ্থ এয়ে যে কোনো এটা ভাষাৰ সংস্পৰ্শলৈ অহাৰ আগতেই ভাষাজ্ঞানৰ কিছু অংশ মগজুত থাকে। ইয়াকে চমস্কিয়ে genetic blueprint for language বুলি কৈছে। ইয়াত থাকে সকলো ভাষাতে প্ৰযোজ্য এলানি সাৰ্বজনীন ভাষিক নীতি (principles)। লগতে থাকে ভাষা ভেদে সেই ব্যাকৰণৰ নীতিৰ ভিন্নতাৰ প্ৰকাশ কৰিব পৰা কিছুমান ভিন্নতাৰ সূত্ৰ (parameters)। সকলো ভাষাতে দেখা সাধাৰণ প্ৰৱণতাৰ সৈতে মিলা বৈশিষ্ট্যক unmarked properties বোলে। ভাষাৰ অভিজ্ঞতা লাভ কৰিলে এই নীতি বৈশিষ্ট্যবোৰ সক্ৰিয় হৈ কেন্দ্ৰস্থ ব্যাকৰণ (core grammar) গঢ়ি তোলে। প্ৰক্ৰিয়াটো তলৰ চিত্ৰত

ইঙ্গিত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি ৷

ভাষা এটাৰ অভিজ্ঞতা → সাৰ্বজনীন ব্যাকৰণ (নীতি+ভিন্নতাৰ সূত্ৰ) → কেন্দ্ৰস্থ ব্যাকৰণ

কেন্দ্ৰস্থ ব্যাকৰণ গঠিত হোৱাৰ পাছত শিশুৱে আৰু বেছি ভাষিক অভিজ্ঞতা আহৰণৰ লগে লগে শব্দ আহৰণ কৰে। লগতে ভাষিক তথ্যৰ ভিত্তিত ভিন্নতাৰ সূত্ৰৰ মূল্য নিৰ্ধাৰণ কৰি দুটা বিকল্পৰ এটা বাছি লয়। উদাহৰণ স্বৰূপে কোনো বাক্য বা গৰ্ভবাক্য কৰ্তা নোহোৱাকৈ বৰ্তি থাকিব পাৰে নে নোৱাৰে তাক নিৰ্ধাৰণ কৰে PRO DROP ভিন্নতাৰ সূত্ৰই। ভাষিক অভিজ্ঞতাই শিশুক জনায়— তেওঁৰ ভাষাত কৰ্তা বাদ দিব পাৰি নে নোৱাৰি। অসমীয়া ইংৰাজীত নোৱাৰি। গতিকে অসমীয়া ইংৰাজী হ'ল non pro drop ভাষা। তেনেদৰে HEAD Parameter বা খণ্ডবাক্যৰ মুখ্য অংশ সম্পৰ্কীয় ভিন্নতাৰ সূত্ৰই এই কথা নিৰ্ধাৰণ কৰে যে কোনো এটা ভাষাৰ খণ্ডবাক্যত মুখ্য অংশ প্ৰথমতে বহিব নে শেষত বহিব। প্ৰথমতে বহা ভাষাবোৰ হ'ব head first ভাষা, শেষত বহাবোৰ হ'ব head last ভাষা। উদাহৰণ স্বৰূপে ইংৰাজী head first আৰু অসমীয়া head last ভাষা। তলৰ ক্ৰিয়া খণ্ডবাক্য কেইটালৈ মন কৰিলেই কথাটো পৰিস্কাৰ হ'ব

১ **Kill** the rat
head

২ এন্দুৰটো মাৰা
head

১নং বাক্যত ক্ৰিয়া বহিছে নাম খণ্ডবাক্যৰ বাওঁফালে ২নং বাক্যত নাম খণ্ডবাক্যৰ সোঁফালে ক্ৰিয়া বহিছে।

চমস্কিয়ে স্পষ্টভাৱে কৈছে— When parameters of UG are fixed in one of the permitted ways a particular grammar is determined, what I will call a "core grammar" (Chomsky 1981 7)। শিশুৱে ভাষিক অভিজ্ঞতা আহৰণ কৰিবলৈ গৈ থকাৰ লগে লগে উক্ত কেন্দ্ৰস্থ ব্যাকৰণৰ পৰাই বিস্তাৰ ঘটি মাতৃভাষাৰ পূৰ্ণাঙ্গ ব্যাকৰণ আয়ত্ত্ব কৰে।

ভাষাবিজ্ঞানী সম্পৰ্কে চমস্কিৰ শেহতীয়া স্থিতি হ'ল ৷ ভাষাবিজ্ঞানীয়ে ভাষা এটাৰ কোনখিনি সমল/উপাদান/নীতি সাৰ্বজনীন কোনখিনি কেৱল সেই ভাষাটোৰ ক্ষেত্ৰত প্ৰযোজ্য আৰু সি কেনেকৈ সাৰ্বজনীন ব্যাকৰণৰ ভিন্নতাৰ সূত্ৰৰ সৈতে

সম্পৰ্কিত— এই বিষয়ে অনুসন্ধান চলাব লাগিব। আন ভাষাৰ বৰ্ণনাৰ সৈতে তুলনা কৰি আন আন ভাষাৰ উদাহৰণ বিচাৰ কৰি সাৰ্বজনীনখিনি বাছি উলিয়াব লাগিব। বাক্যতাত্ত্বিক অধ্যয়নত এতিয়া তুলনামূলক কাম-কাজৰ গুৰুত্ব বাঢ়ি গৈছে। □

গ্ৰন্থপঞ্জী ঃ

Chomsky Noam 1965 **Aspects of the Theory of Syntax** MIT Press Cambridge Mass

1981 **Lectures on Government and Binding** Foris Dordrecht

1986 **Knowledge and Language its Nature Origin and Use** Praeger New York

1988 **Language and Problems of Knowledge The Managua Lectures** MIT Press Cambridge Mass

1995 **The Minimalist Program** MIT Press Cambridge Mass

Crystal David 1991 (3rd edn) **A Dictionary of Linguistics and Phonetics** Black well Oxford

Lyons John 1970 1977 **Chomsky** Fontana/Collins

Napoli Donna Jo 1996 **Linguistics An Introduction** Oxford University Press New York

Newmeyer F J 1988 "Extensions and Implications of Linguistic Theory an Overview" in Newmeyer ed **Linguistics The Cambridge Survey Vol II** Cambridge University press Cambridge

Radford Andrew 1997 **Syntactic Theory and the Structure of English A Minimalist Approach** Cambridge University press Cambridge

Steinberg Danny D 1993 **An Introduction to Psycholinguistics** Longman London New York

ব্যাকৰণ ঃ তত্ত্ব আৰু স্বৰূপ

❑ খগেশ সেন ডেকা

০ ১ প্ৰস্তাৱনা

মানৱ-সভ্যতাৰ বুৰঞ্জীত ভাষাৰ লিপিবদ্ধকৰণ এক মহত্ত্বপূৰ্ণ ঘটনা। সময়ৰ বিৱৰ্তনত মুখৰ ভাষাই লিখিত ৰূপ লোৱাৰে পৰা অনুসন্ধিৎসু মানৱ-মনে ভাষাটো কি ইয়াৰ প্ৰকৃতিনো কেনেকুৱা ইয়াৰ গঠনত কোনবোৰ উপাদানেনো কাম কৰে ইত্যাদি প্ৰশ্নৰ উত্তৰ বিচাৰি চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰে। এনেদৰেই উদ্ভৱ হয় ভাষাক বিশ্লেষ কৰা প্ৰক্ৰিয়াৰ। প্ৰাচ্য প্ৰতীচ্য উভয় দেশৰ বৌদ্ধিক ইতিহাস ফঁহিয়াই চালে দেখা যায় লিখিত সাহিত্য-সৃষ্টিৰ অব্যৱহিত পৰৱৰ্তী কালৰ পৰাই দুয়ো দেশতে ভাষা বিশ্লেষণ কাৰ্যৰ আৰম্ভ হৈছিল। প্ৰাচ্যত এই দিশৰ অগ্ৰণী আছিল ভাৰতবৰ্ষ আৰু প্ৰতীচ্যত গ্ৰীচ দেশ। অৱশ্যে দুয়োটা পৰম্পৰা আছিল মূলত ৰক্ষণশীল চিন্তাৰ পৰিণতি গ্ৰীকসকলৰ উদ্দেশ্য আছিল হোমাৰীয় ভাষাৰ পবিত্ৰতা ৰক্ষা কৰা আনহাতে ভাৰতীয়সকলৰ লক্ষ্য আছিল অপৌৰুষেয়ৰূপে চিহ্নিত বেদৰ ভাষাৰ বিশুদ্ধতা সংৰক্ষণ কৰা। সেয়ে হ'লেও গ্ৰীকসকলে কোনো বিশেষ ভাষাৰ ৰীতিসিদ্ধ (Formal) বিচাৰৰ প্ৰতি আগ্ৰহ দেখুওৱা নাছিল। তেওঁলোকৰ ভাষা-চিন্তাও আছিল বহু পৰিমাণে অসংহত। ইয়াৰ বিপৰীতে ভাৰতীয়সকলে কিন্তু পোনৰে পৰাই এক চুম্বকীয় বৈজ্ঞানিক বিশ্লেষণ-ৰীতি অৱলম্বন কৰা দেখা যায়। উল্লেখনীয় যে ভাৰতীয় পৰম্পৰাত ভাষা-বিশ্লেষণ বুজাবলৈ 'ব্যাকৰণ শব্দটো সণ্ডালনিকৈ ব্যৱহৃত আনহাতে পাশ্চাত্যত এই বিষয়টো ইংৰাজী Grammar শব্দেৰে সামৰা হয়। এই আলোচনাত ব্যাকৰণ বা Grammar শব্দই ক্ৰমাগতভাৱে আহৰণ কৰা অৰ্থ ইয়াৰ প্ৰকৃতি সংজ্ঞা ভাষা-বিশ্লেষণৰ অন্যান্য প্ৰক্ৰিয়াৰ সৈতে ইয়াৰ পাৰ্থক্য ইত্যাদি দিশ বিচাৰ কৰিবৰ চেষ্টা কৰা হৈছে। পৰিসৰ সীমিত হোৱা হেতুকে ব্যাকৰণৰ বিভিন্ন শাখা-প্ৰশাখাৰ তাত্ত্বিক বিশ্লেষণ ইয়াত সন্নিবিষ্ট কৰা হোৱা নাই।

১ ১ ব্যুৎপত্তিগত বিচাৰ ঃ

ভাৰতীয় পৰম্পৰাত কৃষ্ণযজুৰ্বেদ-তে ইন্দ্ৰই ভাষাক 'ব্যাকৃত কৰাৰ কথা পোৱা যায় যদিও ভাষা-বিশ্লেষণৰূপে 'ব্যাকৰণ শব্দটোৰ প্ৰথম উল্লেখ ঘটে গোপথ

ব্ৰাহ্মণ ত। সেযে হ'লেও উত্তৰ বৈদিক যুগৰ যড বেদাঙ্গৰ স্তৰতহে ই সংজ্ঞাটিক ব্যৱহাৰ হ'বলৈ লয়। মন কৰিবলগীয়া যে পাণিনি প্ৰমুখ্যে ভাৰতীয় মনীষীসকলে কিন্তু এই বিষযক শাস্ত্ৰ বুজাবলৈ 'শব্দানুশাসনম শব্দটোহে ব্যৱহাৰ কৰিছে।

সংস্কৃত 'ব্যাকৰণ শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হৈছে 'ব্যাক্ৰিযতে ব্যুৎপাদ্যন্তে শব্দাঃ যেন (দ্বাৰকা প্ৰসাদ শৰ্মা আৰু তাৰিণীশ ঝা সম্পা ১৯৮৯ সংস্কৃত শব্দাৰ্থ কৌস্তুভ) বি আ √ কৃ + অন(ট)—অৰ্থাৎ, বিশেষ আৰু বিতৎভাৱে কৰা বিশ্লেষণ। মনিযেৰ উইলিযামছ (১৯৯৫) আৰু ৱামন আপ্তেৰ (১৯৮৮) অভিধান অনুসাৰেও ইযাৰ অৰ্থ—'বিতৎ বিশ্লেষণ' অৰ্থাৎ, য'ত ভাষা এটাৰ গঠন-পদ্ধতি তন্ন তন্নকৈ ফঁহিযাই দেখুওৱা হয সেযে সেই ভাষাৰ ব্যাকৰণ। আনহাতে ইংৰাজী Grammar শব্দটো লেটিনৰ মাজেৰে গ্ৰীক ভাষাৰ পৰা আহিছে। গ্ৰীক ভাষাত Gramma মানে আখৰ Grammata মানে আখৰ জনা তত্ত্ব আৰু Grammatiké techne -ৰ অৰ্থ হ'ল লেখন-কলা (Art of writing) বা 'লিখা-পঢ়াৰ দক্ষতা (Skill of reading and writing)। গ্ৰীক Grammatike -ৰ পৰা উদ্ভূত লেটিন Grammaticus শব্দই ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব জনা মানুহক বুজাইছিল। লেটিনৰ পৰা আহি ফৰাচী ভাষাত শব্দটোৱে Gramire ৰূপ পৰিগ্ৰহ কৰে। তাৰ পৰা মধ্যযুগীয ইংৰাজীত Gram(m)er(e) আৰু আধুনিক ইংৰাজীত Grammar শব্দৰ প্ৰচলন হয।

গ্ৰীক পৰম্পৰাত শব্দটো নিতান্তই শিথিলভাৱে ভাষাৰ সামগ্ৰিক অধ্যয়ন বুজাবলৈ ব্যৱহৃত হৈছিল আৰু ই আছিল দৰ্শন-বিদ্যাৰ অন্তৰ্গত। মধ্যযুগত ৰোমান পৰম্পৰাত ই পঢ়াশলীয়া পাঠ্যক্ৰমৰ সৈতে জড়িত হয। ফলত লেটিন ভাষাক ভিত্তি কৰি ব্যাকৰণবাচক শব্দটোৱে ক্ৰমাগতভাৱে ভাষাৰ বিশুদ্ধ প্ৰয়োগৰ মান নিৰ্ণয়কাৰী 'নিয়ম বিধিৰ গোট (set of rules)—এনে এক সংকুচিত অৰ্থ আহৰণ কৰে। ঊনবিংশ শতাব্দী পৰ্যন্ত ইয়াৰ অৰ্থ আছিল ভাষাৰ আইন প্ৰণেতা তথা শুদ্ধাশুদ্ধ প্ৰয়োগ সম্বন্ধীয় নিদানমূলক (Prescriptive) বা নিৰ্দেশমূলক (Normative) শাস্ত্ৰ। পাশ্চাত্যৰ এই ধাৰণা বৃটিছ প্ৰশাসক আৰু মিছনেৰীসকলৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন দেশলৈ প্ৰসাৰিত হোৱাত সেইবোৰ দেশৰ ভাষাৰ ব্যাকৰণত ইয়াৰ সোনপটীয়া প্ৰভাৱ পৰে। ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। আধুনিক ভাৰতীয় ভাষাসমূহৰ ব্যাকৰণ-পুথিবোৰত এই ধাৰণা অদ্যাৱধি বিদ্যমান। অৱশ্যে বৰ্তমান উচ্চস্তৰীয বৈযাকৰণিক চিন্তা-চৰ্চাত ইংৰাজী Grammar আৰু ভাৰতীয় ব্যাকৰণ শব্দই সমাৰ্থক হিচাপে ভাষাৰ গাঁথনিক বিশ্লেষণ বুজাবলৈ লোৱা পৰিলক্ষিত হৈছে।

২.১ ব্যাকৰণৰ প্ৰকৃতি :

দৈনন্দিন জীৱন-প্ৰবাহত 'ব্যাকৰণ' বা 'গ্ৰামাৰ' শব্দই ক্ৰমাগতভাৱে আহৰণ কৰা কেতবোৰ ধাৰণা এনে ধৰণৰ :

(ক) ব্যাকৰণ হ'ল কোনো এটা ভাষাৰ বিষয়ে লিখা পুথি বিশেষ।

(খ) কেৱল লিখিত ভাষাৰহে ব্যাকৰণ থাকে। কথিত ভাষা যিহেতু সঘন পৰিৱৰ্তনশীল, এতেকে তাৰ কোনো ব্যাকৰণ থকা সম্ভৱ নহয়, অথবা সি আংশিকভাৱেহে ব্যাকৰণসম্মত।

(গ) কিছুমান ভাষাৰ ব্যাকৰণ আছে, আন কিছুমানৰ নাই, অৰ্থাৎ যিবোৰ ভাষাৰ ৰূপ-সাধন (Inflection) আছে সেইবোৰৰ ব্যাকৰণো আছে, বাকীবোৰৰ নাই।

(ঘ) ব্যাকৰণ হ'ল ভাষাৰ প্ৰায়োগিক মান নিৰূপণকাৰী শাস্ত্ৰ, আন কথাত ভাষাৰ শুদ্ধ ৰূপ নিৰ্দেশ কৰা নিয়মৰ সমষ্টিয়ে ব্যাকৰণ।

(ঙ) কিছুমানে নিজৰ ভাষাৰ ব্যাকৰণ জানে, কিছুমানে নাজানে।

(চ) সকলো ভাষাৰ ব্যাকৰণ একে।

ইয়াৰে প্ৰথমটো ধাৰণা মাইকৈ পঢ়াশলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰচলিত। 'মোক এখন ব্যাকৰণ লাগে' বা 'ব্যাকৰণখন দিয়াচোন' আদি উক্তি তাৰেই প্ৰমাণ। কেতিয়াবা কিতাপখনক নুবুজাই তাৰ ভিতৰৰ লেখাখিনিকো বুজাব পাৰে। দুয়ো ক্ষেত্ৰতে শব্দটোৰ অৰ্থ নিতান্তই সীমিত।

দ্বিতীয়টো ধাৰণা মানিবলৈ গ'লে ব্যাকৰণ লিখিত ভাষাৰ মাজত সীমাবদ্ধ হ'ব। এই ক্ষেত্ৰত সাম্প্ৰতিক কালৰ বাগ্‌বিজ্ঞানীসকলৰ মত কিছু সুকীয়া। অ'ট' জেছপাৰ্ছনৰ (1924 : 17-18) মতে ভাষাৰ লিখিত ৰূপ কথিত ৰূপৰ বিকল্পহে। তথাকথিত বানান-পদ্ধতি কোনো ভাষাৰেই প্ৰকৃত উচ্চাৰণ প্ৰতিফলিত কৰিবলৈ পৰ্যাপ্ত নহয়। তদুপৰি লিখিত ভাষাত শ্বাসাঘাত, সুৰ, সুৰ-লহৰ ইত্যাদি ভাষাৰ অত্যাৱশ্যকীয় উপাদানবোৰৰো কোনো প্ৰতিফলন নঘটে। এতেকে বৈয়াকৰণসকলে ভাষাৰ কথিত ৰূপটোকহে মুখ্য উৎস হিচাপে গণ্য কৰা উচিত। এই ক্ষেত্ৰত লিওনাৰ্ড ব্লুমফিল্ডৰ নিম্নোক্ত উক্তিটোও প্ৰণিধানযোগ্য। তেওঁৰ মতে "Writing is not language, but merely a way of recording language by means of visible marks" (1935 : 21)।

তৃতীয়টো ধাৰণা শুদ্ধ বুলি স্বীকাৰ কৰিলে ব্যাকৰণ কেৱল ভাষাৰ ৰূপতত্ত্ব (Morphology) বা শব্দ-গঠন-প্ৰণালীৰ আলোচনাহে হ'ব। তদুপৰি ৰূপ-সাধন প্ৰক্ৰিয়া নথকা ভাষাবোৰ ব্যাকৰণবিহীন—এনে এক ভ্ৰান্ত ধাৰণা সৃষ্টিৰো অৱকাশ থাকিব। উদাহৰণ স্বৰূপে—সংস্কৃত, ইংৰাজী আদি ভাষা মূলতঃ ৰূপ-সাধনৰ দ্বাৰা

নিয়ন্ত্রিত। এইবোৰ ভাষাত একেটা শব্দকে প্রত্যয় বিভক্তি আদি সংযোগ কৰি বিভিন্ন অর্থবাচক ৰূপলৈ নিব পৰাৰ ব্যৱস্থা আছে। আনহাতে চীনা ভাষাত তেনে ব্যৱস্থা অনুপস্থিত। এতেকে সংস্কৃত ইংৰাজী আদি ভাষাৰ ব্যাকৰণ আছে আৰু চীনা ভাষাৰ নাই—এনে এক বিভ্রান্তিকৰ ধাৰণাৰ সৃষ্টি হ'ব।

চতুর্থটো ধাৰণা অনুসাৰে ব্যাকৰণ হ'ল ভাষা শুদ্ধকৈ লিখা আৰু পঢ়াৰ নিয়ম সম্বলিত পুথি বিশেষ। এই ধাৰণা পঢ়াশলীয়া ব্যাকৰণ-পুথিবোৰত অদ্যাবধি গভীৰভাৱে প্রোথিত। কোৱা বাহুল্য যে সর্বসাধাৰণৰ ব্যাকৰণ সম্পর্কীয় ধাৰণাও এইটোৱে। এই ক্ষেত্রত ফ্রেংক পামাৰৰ নিম্নোল্লিখিত মন্তব্যটো বিচার্য। তেওঁ লিখিছে, 'Most of these rules of grammar have no justification and there is therefore no serious reason for condemming the errors they prescribe What is correct and what is incorrect is ultimately only a matter of conventions within society (1971 15)। ইয়াৰ অর্থ এয়ে যে ভাষাৰ ভুল-শুদ্ধ ইত্যাদি কথাবোৰ সেই ভাষা কোৱা সমাজখনৰ ওপৰতহে নির্ভৰশীল। অশুদ্ধ ৰূপ এটা যদি সমাজৰ অধিকাংশ লোকে দৈনন্দিন বাক্-প্রবাহত ব্যৱহাৰ কৰি থাকে তেনেহ'লে সময়ত সিয়েই গ্রহণীয় বা শুদ্ধ বুলি বিবেচিত হ'ব। অৱশ্যে সেয়া নির্ভৰ কৰিব কোনে ক'ত কেতিয়া কেনেদৰে ব্যৱহাৰ কৰিছে—তাৰ ওপৰত। কাৰণ অৱশেষ বিচাৰত ভাষাৰো এক আচাৰ বা ধৰণ (Manner) থাকে। সমাজসিদ্ধ হ'লেও ভাষাৰ কিছুমান ৰূপ নিতান্তই অশিষ্ট বা অভব্য। আকৌ কেতবোৰ ৰূপ কিছুমান বিশেষ পৰিস্থিতিতহে গ্রহণীয়। ভাষাৰ এনেবোৰ দিশ সমাজ-ভাষাবিজ্ঞানৰ (Sociolinguistics) সৈতেহে জড়িত। ব্যাকৰণত সাধাৰণতে এইবোৰ অন্তর্ভুক্ত কৰা নহয়। বৈয়াকৰণৰ প্রথম আৰু প্রধান কাম হ'ল ভাষা বিশেষৰ গাঁথনিক স্বৰূপ উদঘাটন কৰা। ভুল-শুদ্ধ ভাল-বেয়া নিৰূপণ তেওঁৰ কর্মক্ষেত্রৰ ভিতৰুৱা হোৱা একোপধ্যেও উচিত নহয়।

পঞ্চমটো ধাৰণা মতে কোনো এটা ভাষাৰ ব্যাকৰণ জনা বুলিলে সেই ভাষাটো ব্যাকৰণসম্মতভাৱে কোৱাটোকে বুজায়। এই ক্ষেত্রত মন কৰিবলগীয়া কথাটো হ'ল—ভাষা এটাক যি পর্যন্ত বিশ্লেষণ কৰা নাযায় সেই পর্যন্ত তাৰ ব্যাকৰণো নাথাকে। ইয়াত ব্যাকৰণ শব্দটোৱে পুথিগত ব্যাকৰণকহে বুজাইছে, ভাষাত অন্তর্নিহিত নিয়ম-কানুনৰ কথা বুজোৱা নাই।

ব্যাকৰণ সম্পর্কীয় ষষ্ঠ ধাৰণাটোও মানি ল'বলৈ টান। জগতৰ প্রতিটো ভাষাৰ গঠন-পদ্ধতি যিহেতু সুকীয়া এতেকে সিবোৰৰ ব্যাকৰণো সুকীয়া হ'বলৈ বাধ্য। দোহৰা নিষ্প্রয়োজন যে ভাষাৰ গঠনেহে ব্যাকৰণৰ স্বৰূপ নির্ণয় কৰে। ভাষাই ব্যাকৰণক অনুসৰণ নকৰে বৰং ব্যাকৰণেহে ভাষাৰ গঠনক অনুসৰণ কৰে। সেই

কাৰণে ব্যাকৰণ সামান্য বা সাৰ্বজনীন হোৱাটো সম্ভৱ নহয়। এনেকি ঐতিহাসিক বিৱৰ্তনৰ ফলস্বৰূপ একে মূলৰ পৰা অহা ভাষাবো ব্যাকৰণ ভিন্ন হয়। অৱশ্যে যিবোৰ সূত্ৰৰ অৱলম্বনত ব্যাকৰণ ৰচনা কৰা হয় সেইবোৰ সাৰ্বজনীন হ'ব পাৰে।

এইখিনিতে খ্ৰী ১৬শ ১৭শ শতিকাত পাশ্চাত্য দেশত সকলো ভাষাৰ অন্তৰ্নিহিত গাঁথনিক নিয়মবোৰৰ ভিত্তিত যি সাৰ্বজনীন ব্যাকৰণৰ ধাৰণা গঢ় লৈ উঠিছিল তাৰ যৎ কিঞ্চিৎ আভাস দিয়া সমীচীন হ'ব। ম'ডিষ্টেই (Modistae) দৰ্শনভিত্তিক এই সামান্য ব্যাকৰণৰ ধাৰণা প্ৰকৃততে সাহিত্য-নিৰ্ভৰ ব্যাকৰণৰ বিৰুদ্ধে এক প্ৰতিক্ৰিয়া স্বৰূপে সৃষ্টি হৈছিল। ফ্ৰান্সৰ পৰ্ট ৰয়েল কনভেণ্ট -ৰ গ্ৰামাৰ জেনেৰেল এ'ট ৰিজনি এই ধাৰণাৰ আটাইতকৈ উল্লেখযোগ্য সৃষ্টি। ইয়াৰ মাই উদ্দেশ্য আছিল ভাষাৰ গঠনক যুক্তিৰ পৰিণাম হিচাপে প্ৰতিপন্ন কৰা। এই ব্যাকৰণৰ প্ৰৱক্তাসকলৰ মতে ভাষা কেৱল যোগাযোগৰ মাধ্যমতে সীমিত নহয়, একে সময়তে ই সৃজনধৰ্মীও। পৰ্ট ৰয়েল ব্যাকৰণৰ পূৰ্বে সামান্য ব্যাকৰণৰ ধাৰণা লেটিন ভাষাক কেন্দ্ৰ কৰি সৃষ্টি হৈছিল। অৱশ্যে দুয়োৰে মাজত বিস্তৰ ব্যৱধান বিদ্যমান।

'ব্যাকৰণ শব্দটোৰ সাম্প্ৰতিক কালত হোৱা অৰ্থ বিস্তৃতিও মন কৰিবলগীয়া। বৰ্তমান ই ভাষাৰ পৰিধি অতিক্ৰম কৰি অন্যান্য ক্ষেত্ৰলৈকো সম্প্ৰসাৰিত হৈছে। 'সঙ্গীতৰ ব্যাকৰণ 'ৰাজনীতিৰ ব্যাকৰণ "তবলাৰ ব্যাকৰণ ইত্যাদি প্ৰযোগ তাৰ প্ৰকৃষ্ট উদাহৰণ। এনে প্ৰযোগে 'ব্যাকৰণ'ৰ অৰ্থ যি কোনো বিষয়ৰ প্ৰাথমিক জ্ঞানলৈ প্ৰসাৰিত কৰিছে।

অন্যান্য প্ৰসঙ্গত ব্যাকৰণৰ অৰ্থ যিয়েই নহওক ভাষাবিজ্ঞানৰ পৰিসীমাত ই কিন্তু মুখ্যত ধ্বনিতত্ত্ব (Phonology) আৰু অৰ্থতত্ত্বৰ (Semantics) পৰা পৃথক এক প্ৰযুক্তিগত (Technical) অৰ্থতহে ব্যৱহৃত হয়। ভাষাৰ ৰূপতত্ত্ব (Morphology) আৰু বাক্যতত্ত্ব (Syntax) ইয়াৰ মাহ প্ৰতিপাদ্য বিষয়। এই দুয়োটা বিষয়ৰ মাজত ই সংযোগ-সেতুৰ দৰে কাম কৰে। স্মৰণীয় যে বৰ্ণনাত্মক ভাষা চিন্তাৰ প্ৰৱক্তাসকলে উল্লিখিত ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব অৰ্থতে ব্যাকৰণ শব্দটোৰ প্ৰযোগ কৰি আহিছে। এওলোকৰ মানত ভাষা একোটাত নিহিত হৈ থকা প্ৰাকৃতি (Morpheme) আৰু বাক্যত সিবোৰৰ পাৰস্পৰিক সম্পৰ্কই ব্যাকৰণ। আনহাতে সাম্প্ৰতিক সময়ৰ আটাইতকৈ প্ৰভাৱশালী তত্ত্ব—ৰূপান্তৰ স্ফোট ব্যাকৰণৰ (Trans formational Generative Grammar) চিন্তাবিদসকলে ধ্বনিতত্ত্ব আৰু অৰ্থতত্ত্বকো ব্যাকৰণৰ ভিতৰতে সামৰি লৈছে। এই তত্ত্বত ধ্বনিগত শব্দগত ৰূপগত আৰু বাক্যগত উপাদানৰ উপৰি এটা অৰ্থগত উপাদানো সন্নিৱিষ্ট হয় (Horrocks 1987 25)।

বাক-ক্ষমতাই মানুহক অন্যান্য জীৱৰ পৰা পৃথক কৰিছে আৰু ব্যাকৰণে সেই ক্ষমতাক অত্যাৱশ্যকীয় মানৱ সম্পদৰূপে চিহ্নিত কৰিছে। বাগ্‌বিজ্ঞানীসকলে বিভিন্ন সময়ত ভাষাক জীৱ জন্তুৰ মাত তথা যোগাযোগৰ অন্যান্য যান্ত্ৰিক পদ্ধতিৰ সৈতেও বিজাই চাইছে। তেওঁলোকৰ মতে এই মাধ্যমবোৰৰ লগত মানৱ ভাষাৰ সৰ্বপ্ৰধান পাৰ্থক্যটো হৈছে ইয়াৰ জটিলতা (Complexity of language)। দৈনন্দিন জীৱনত মানুহে অসীম সংখ্যক বাক্য উৎপাদন কৰে। এই বাক্যবোৰৰ গঠন-পদ্ধতি অতিশয় জটিল আৰু ভাষা ভেদে ভিন ভিন। ধ্বনিৰ সৈতে ধ্বনিৰ সংযোগ ধ্বনিৰ সৈতে অৰ্থৰ সংযোগত এই জটিলতা প্ৰত্যক্ষ কৰিব পাৰি। ভাষাৰ এনে জটিলতাৰ ঘাই সাক্ষী—এটা ভাষাক আন এটালৈ যান্ত্ৰিক পদ্ধতিৰে সম্পূৰ্ণ সন্তুষ্টি পাব পৰাকৈ অনুবাদ কৰিব নোৱৰাটো। কাৰণ জগতৰ প্ৰতিটো ভাষাতে স্বকীয় কালিকা বৰ্তমান। ভাষা এটাৰ এনে কালিকা নিহিত থাকে তাৰ জতুৱা ঠাঁচত। বৈয়াকৰণৰ আংশিক কৰ্তব্য হ'ল ভাষা বিশেষৰ এনে জটিল পদ্ধতিৰ স্বৰূপ উদ্‌ঘাটন কৰা। গঠনৰ এনে জটিলতাৰ বাবেই আজিকোপতি কোনো ভাষাৰে পূৰ্ণাঙ্গ ব্যাকৰণ ৰচনা কৰিব পৰা হোৱা নাই। আনকি পৃথিৱীৰ আটাইতকৈ পূৰ্ণাঙ্গ ব্যাকৰণৰূপে স্বীকৃত পাণিনিৰ অষ্টাধ্যায়ীৰো কেতবোৰ বিচ্যুতি বৰ্তমান কালৰ কোনো কোনো বাগ্‌বিজ্ঞানীয়ে দেখুৱাইছে। সম্ভৱত ভাষাৰ এনে জটিলতালৈ লক্ষ্য কৰিযেই এডোৱাৰ্ড ছেপিৰে 'All grammars leak (1970 39) বুলি মন্তব্য কৰিছিল।

এইখিনিতে আন এটা কথাও লক্ষ্য কৰিবলগীয়া। মানুহৰ বাক্-ক্ষমতাৰ সৈতে উদ্ভাৱনী শক্তিও সকলো সময়তে জড়িত হৈ থাকে। মানুহে কেৱল আনক অনুকৰণ কৰিয়ে কথা নকয় নিজৰ উদ্ভাৱনী শক্তিৰ সহায়ত নিত্য নতুন অৰ্থৱহ বাক্যৰ উৎপাদনো কৰে। ব্যাকৰণৰ প্ৰধান কাম হ'ল এই স্মৰণীয় সত্যটোৰ ব্যাখ্যা কৰা। শেহতীয়াভাৱে ৰূপান্তৰ স্ফোট ব্যাকৰণ-তত্ত্বই এই দিশত যথেষ্ট আলোকপাত কৰা পৰিলক্ষিত হৈছে।

৩ ১ ভাষাতত্ত্ব ভাষাবিজ্ঞান আৰু ব্যাকৰণ :

ভাষা বিশ্লেষণ বুজাবলৈ বৰ্তমান বহুলভাৱে ব্যৱহৃত আন দুটা শব্দ হ'ল ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান। অসমীয়াত এই শব্দ দুটা ক্ৰমে ইংৰাজী Philology আৰু Linguistics -ৰ প্ৰতিশব্দ হিচাপে ব্যৱহৃত। ব্যাকৰণ শব্দটো ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানতকৈ কিছু পৃথক অৰ্থত প্ৰচলিত হ'লেও পিছৰ দুটা প্ৰায়ে সমাৰ্থক হিচাপে প্ৰয়োগ হোৱা দেখা যায়। সেযে হ'লেও তত্ত্বগতভাৱে তিনিওটা শব্দৰ মৌলিক পাৰ্থক্য আছে।

গ্ৰীক Philologia -ৰ পৰা লেটিন Philologia —ফৰাচী Philologie -ৰ মাজেৰে ইংৰাজীলৈ অহা Philology শব্দটোৱে সময়ৰ বিৱৰ্তনত আহৰণ

কৰা কেতবোৰ অৰ্থ এনে ধৰণৰ ঃ

(ক) শিক্ষা আৰু সাহিত্যৰ প্ৰতি ধাউতি অধ্যয়ন পাণ্ডিত্য

(খ) লিখিত নথি তথা সাহিত্য পাঠৰ বিশ্বাসযোগ্যতা অৰ্থ আদিৰ বাবে কৰা অধ্যয়ন

(গ) ভাষাবিজ্ঞানৰ পুৰণি নাম ইত্যাদি।

এই অৰ্থবোৰৰ ভিতৰত শেষৰটো ঊনবিংশ শতাব্দীৰ ঐতিহাসিক আৰু তুলনামূলক ভাষা-চিন্তাৰ সৈতে সম্পৰ্কিত। Oxford Encyclopaedic Dictionary -ৰ মতেও ইয়াৰ অৰ্থ The science of language, esp in the historical and comparative aspects'

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্টভাৱে প্ৰতীয়মান হয় যে Philology মূলতঃ লিখিত নথিৰ সৈতে জড়িত। পি ডি গুণেৰ ভাষাত Philology strictly means the study of a language from the literary point of view (1970 1)। বৃটিছ ভাষাতাত্ত্বিকসকলে ইয়াক Comparative Philology -ৰ সমাৰ্থকৰূপে ব্যৱহাৰ কৰে যাৰ প্ৰসঙ্গও ঘাইকৈ লিখিত ভাষাৰ সৈতে সম্পৰ্কান্বিত। পুৰণি পুথি শিলালেখ তাম্ৰলেখ আদিৰ বিবিধ পাঠান্তৰ বিশ্লেষণ কৰি ভাষা একোটাৰ শুদ্ধ আৰু পূৰ্ণাঙ্গ ৰূপ নিৰ্ণয় কৰাই ইয়াৰ ঘাই উদ্দেশ্য। একে সময়তে ই সংশ্লিষ্ট জাতি তথা দেশৰ সাংস্কৃতিক ঐতিহ্যৰ দিশটোও সামৰি লয়। মুঠতে লিখিত নথিৰ নান্দনিক আৰু মানৱীয় মূল্যায়ন আৰু তাৰ পৃষ্ঠভূমিত লুকাই থকা সাংস্কৃতিক তাৎপৰ্যৰ উদঘাটনেই হৈছে Philology -ৰ প্ৰধান আলোচ্য বিষয়।

ভাষা-বিশ্লেষণ বুজাবলৈ ঊনবিংশ শতাব্দীৰ মধ্যভাগৰ পৰা সঞ্চালনিকৈ ব্যৱহৃত আনটো শব্দ হ'ল Linguistics। ই লেটিন Lingua (মাত কথা) আৰু Istics (তত্ত্ব জ্ঞান)-ৰ সংযোগত গঠিত। ইয়াৰ প্ৰচলিত অৰ্থ হৈছে ভাষাৰ বিজ্ঞান (Science of language)। চি এফ হকেটৰ ভাষাত organized body of information about language which their investigations produce is called linguistics (1970 2)। অৰ্থাৎ, মানৱ-ভাষাত অন্তৰ্লীন হৈ থকা প্ৰণালী (Systems) আৰু বিধিসমূহৰ (Principles) বিজ্ঞানসম্মত বিচাৰ-বিশ্লেষণকে ভাষাবিজ্ঞান বোলা হয়। ইয়াৰ প্ৰতিপাদ্য বিষয় হৈছে বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত বাক্যাবদ্ধ অৰ্থবহ আৰু যথেচ্ছ ধ্বনি-প্ৰতীকবোৰ, যাৰ সহায়ত মানুহে ভাব বিনিময় কৰি দৈনন্দিন জীৱনৰ কাম নিয়াৰিকৈ সম্পাদন কৰে।

ভাষাৰ বিশ্লেষণ প্ৰক্ৰিয়া যেতিয়া সুস্পষ্ট প্ৰণালীবদ্ধ বস্তুধৰ্মী পৰস্পৰ বিৰোধী মন্তব্যৰ অনুপস্থিতি সংক্ষিপ্ত বা চুম্বকীয় ৰীতি (Crystal 1971 77 Robins

1964 7) ইত্যাদি গুণেৰে সমৃদ্ধ হয় তেতিয়া সি বিজ্ঞানৰ শাৰীলৈ উন্নীত হয়। অন্যান্য বস্তুবিজ্ঞান যেনে —পদাৰ্থবিজ্ঞান ৰসায়নবিজ্ঞান আদিৰ দৰে ভাষাবিজ্ঞানেও সংযেত পৰ্যবেক্ষণ প্ৰকল্প গঠন (Hvpothesis) পুংখানুপুংখ বিশ্লেষণ সাধাৰণীকৰণ সম্ভাৱনা (Prediction) পুনৰীক্ষণ নিশ্চিতকৰণ গ্ৰহণযোগ্য নহ'লে প্ৰকল্পৰ বৰ্জন ইত্যাদি পদ্ধতি অনুসৰণ কৰে বাবেই ইয়াক বিজ্ঞানৰূপে স্বীকাৰ কৰা হৈছে। অৱশ্যে ভাষাবিজ্ঞান বস্তুবিজ্ঞান নহয় ই সমাজ-বিজ্ঞানৰ অন্তৰ্গত বিষয়। সেই বাবে ইয়াত অপ্ৰত্যক্ষ জ্ঞান বৰ্জনীয় নহয়। কিন্তু সেয়ে হ'লেও তেনে জ্ঞান বিষয়ৰ সৈতে খাপ খোৱা যুক্তিনিষ্ঠ আৰু বিদ্বাৎমণ্ডলীৰ দ্বাৰা স্বীকৃত হোৱা আৱশ্যক।

ভাষাবিজ্ঞানত লিখিত ভাষাতকৈ কথিত ভাষাৰ গুৰুত্ব অধিক। লিখিত ভাষা কিছু পৰিমাণে পৰিশীলিত ৰক্ষণধৰ্মী আৰু কৃত্ৰিম হোৱা হেতুকে ইয়াক গৌণ উৎস হিচাপেহে গণ্য কৰা হয়। অৱশ্যে সাম্প্ৰতিক কালৰ এচাম ভাষাবিজ্ঞানীয়ে সাহিত্য-জগতলৈকো নিজৰ ক্ষেত্ৰ সম্প্ৰসাৰিত কৰা দেখা গৈছে। এওলোকৰ মতে মানৱ মনৰ বিচিত্ৰ ভাবাবেগ অনুভূতি আদিৰ গভীৰতা সৃষ্টিশীল সাহিত্যিকসকলেহে কিছুদূৰ ধৰি ৰাখিবলৈ সমৰ্থ হয়। তদুপৰি এনে লিখিত ভাষাই ব্যক্তিৰ সামগ্ৰিক পৰিমাৰ্জনৰ লগে লগে বাচিব ভাষাকো প্ৰভাৱান্বিত কৰে (Verma and Krishnaswamy 1989 371)।

সি যি কি নহওক ভাষাবিজ্ঞানীয়ে যি উৎসৰ পৰাই তথ্য সংগ্ৰহ নকৰক তাৰ বিশ্লেষণত কিন্তু সুস্পষ্টতা সুনিৰ্দিষ্ট প্ৰণালী তথা নৈৰ্ব্যক্তিকতা অৱলম্বন কৰিবই লাগে। মানুহৰ বাগ্‌বিধি অতি জটিল আৰু বিস্তৃত পৰিধিৰ। সেয়ে এক শৃঙ্খলাবদ্ধ পৰিসৰতহে তাৰ সঠিক বিশ্লেষণ সম্ভৱ। কিছু বছৰ আগলৈকে ভাষাৰ বিশ্লেষণত ধ্বনি → ৰূপ-গঠন → বাক্য → অৰ্থ এনে এক ক্ৰম অনুসৰণ কৰা হৈছিল। অতি সম্প্ৰতি বাক্যৰ পৰা ধ্বনিলৈকে ওলোটা ক্ৰম অনুসৰণ কৰিবলৈ লোৱা হৈছে। ধ্বনি বা বাক্য য'ৰ পৰাই আৰম্ভ নহওক বিশ্লেষণত নিৰ্দিষ্ট ক্ৰম ৰক্ষা কৰাটো অপৰিহাৰ্যৰূপে বিবেচিত। এনেদৰে এটা নিৰ্দিষ্ট ক্ৰমত সংগৃহীত তথ্য সুবিন্যস্ত হোৱাৰ পাছত যেতিয়া দেখা যায় যে একেই কাৰণৰ পৰা বাৰে বাৰে একেই ফল উৎপন্ন হৈছে কিংবা সদৃশ পৰিস্থিতিত প্ৰতিক্ৰিয়াও একেই হৈছে, তেতিয়া সিবোৰৰ সাধাৰণীকৰণ কৰা হয়। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে অন্যান্য বস্তুবিজ্ঞানৰ দৰে ভাষাবিজ্ঞানেও বিশেষ দৃষ্টান্তৰ পৰা বিভিন্ন স্তৰৰ মাজেৰে আহি সাধাৰণ সূত্ৰ ৰচনা কৰে আৰু এই সাধাৰণ সূত্ৰবোৰ যি কোনো ভাষাৰ তথ্য-বিশ্লেষণত প্ৰযোজ্য হয়। অন্তিম বিচাৰত ভাষাবিজ্ঞান সামান্য (General) হ'ব পাৰে।

ভাষাৰ বিশুদ্ধ বা ভব্য ৰূপ (Elegent speech) নিৰূপণৰ ধাৰণা ভাষা

চিন্তাৰ সৈতে পোনপটীয়াকৈ জড়িত যদিও ভাষাবিজ্ঞানীসকল ইয়াৰ দ্বাৰা মোহাবিষ্ট হোৱা একোপধেও উচিত নহয়। ভাষাৰ ভুল শুদ্ধ ভাল বেয়া ইত্যাদি সম্পৰ্কে নিদান দিয়া ভাষাবিজ্ঞানীৰ কৰ্মক্ষেত্ৰৰ ভিতৰুৱা নহয় তেওঁৰ কাম হ'ল ভাষাৰ যথাযথ বিৱৰণ দিয়া। ভাষা একোটাৰ ভৱা ৰূপ কেতবোৰ বিশেষ সামাজিক পৰিস্থিতিৰ পৰা উদ্ভূত। ভাষাবিজ্ঞানীয়ে অন্যান্য উপাদানৰ দৰে এনে ৰূপো অৱশ্যেই পৰ্যবেক্ষণ কৰিব লাগে। কিন্তু তেওঁৰ দৃষ্টিভঙ্গী হ'ব লাগে বস্তুনিষ্ঠ তথা নৈব্যৰ্ক্তিক।

ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ ব্যুৎপত্তি আৰু প্ৰকৃতি সম্পৰ্কে ওপৰত যি আলোচনা দাঙি ধৰা হ'ল তাৰ পৰা এটা কথা স্পষ্টভাৱে ওলাই পৰিছে যে এই দুয়োটা তত্ত্ব মূলত ভাষাৰ প্ৰণালীবদ্ধ আলোচনাৰ সৈতে সম্পৰ্কান্বিত। সেয়ে হ'লেও দুয়োৰে মাজত ভালেখিনি পাৰ্থক্যও আছে। উভয়ৰে মৌলিক প্ৰভেদবোৰ তলত দিয়া ধৰণে চমুৱাই দেখুৱাব পাৰি

(ক) ভাষাতত্ত্ব প্ৰধানত ভাষাৰ প্ৰাচীন ৰূপৰ সৈতে সম্পৰ্কিত। পুৰণি পুথি-পাঁজি শিলালেখ আদি তাৰ ঘাই আলোচ্য সমল। এনে নথিত সংৰক্ষিত ভাষাৰ স্বৰূপ বিশ্লেষণ আৰু তাৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট ভাষাটোৰ পৃষ্ঠভূমিত থকা সাহিত্য-সংস্কৃতিৰ ৰহস্য সন্ধান ইয়াৰ মূল প্ৰতিপাদ্য বিষয়। ইয়াৰ বিপৰীতে ভাষাবিজ্ঞানত ঘাইকৈ ভাষাৰ চলিত প্ৰৱাহৰ অৰ্থাৎ কথিত তথা জীৱন্ত ৰূপটোৰ প্ৰণালীবদ্ধ বিচাৰ বিশ্লেষণ কৰা হয়।

(খ) ভাষাতত্ত্বত ভাষা বিশেষৰ উৎস বংশ-লতা ইত্যাদি দিশবোৰৰ উপৰি সামগ্ৰিক ইতিহাসৰ সন্ধান কৰা হয় কিন্তু ভাষাবিজ্ঞানত চলিত ভাষাৰ গঠন (Structure) আৰু সিবোৰৰ প্ৰায়োগিক দিশবোৰৰ বিতং বিশ্লেষণ থাকে। ভাষাবিজ্ঞানৰ প্ৰধান লক্ষ্য দুটা (১) ভাষা-বিশ্লেষণ-তত্ত্বৰ প্ৰতিষ্ঠা আৰু (২) সেই তত্ত্বৰ আধাৰত কোনো বিশেষ ভাষা বা ভাষাসমূহৰ বিতং বিৱৰণ দিয়া।

(গ) ভাষাতত্ত্বত বিশেষৰ পৰা বিশেষৰেই অন্তৰ্নিহিত তাৎপৰ্য উদঘাটনৰ প্ৰয়াস থাকে আনহাতে ভাষাবিজ্ঞানত আৰোহী পদ্ধতিৰে (Inductive method) বিশেষৰ পৰা সাধাৰণলৈ গতি কৰা হয়।

(ঘ) ভাষাতত্ত্বত ভাষাক সংশ্লিষ্ট দেশৰ সাংস্কৃতিক ঐতিহ্য হিচাপে পৰ্যবেক্ষণ কৰা হয় কিন্তু ভাষাবিজ্ঞানীৰ মানত ই নৈসৰ্গিক সম্পদহে।

(ঙ) ঐতিহাসিকভাৱে ভাষাতত্ত্বৰ সমৃদ্ধি ঘটিছিল উনবিংশ শতাব্দীত—জাৰ্মান পণ্ডিতসকলৰ হাতত কিন্তু আধুনিক ভাষাবিজ্ঞানৰ উদ্ভৱকাল বিংশ শতাব্দী আৰু ইয়াক সৰবৰহী কৰি তুলিছে ঘাইকৈ আমেৰিকান পণ্ডিতসকলে।

ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ এইবোৰেই পাৰ্থক্য হ'লেও দুয়োৰে মাজত

নিবিড় সম্পৰ্কও আছে। উদাহৰণ স্বৰূপে ভাষা বিষয়ক সাধাৰণ সূত্ৰৰ আবিষ্কাৰ যদিও মূলত ভাষাবিজ্ঞানীৰ দান তথাপি ভাষাতাত্ত্বিকসকলৰ ভূমিকাও নিচেই কম বুলিব নোৱাৰি। ঊনবিংশ শতাব্দীৰ ভাষাতাত্ত্বিকসকলৰ দ্বাৰা উদঘাটিত সাধাৰণ সূত্ৰসমূহ এই ক্ষেত্ৰত অৱশ্য স্মৰণীয়। সঁচা অৰ্থত ক'বলৈ গ'লে সেই সাধাৰণ সূত্ৰসমূহৰ ওপৰত ভিত্তি কৰিয়েই ভাষাতত্ত্ব ভাষাবিজ্ঞানলৈ উন্নীত হৈছে। বৰ্তমান ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ পাৰ্থক্য সংকুচিত হৈ অহাটো মন কৰিবলগীয়া। পুৰণি ভাষাতত্ত্বৰ ভালেমান কথাই এতিয়া ভাষাবিজ্ঞানৰ ভিতৰুৱা।

ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ তাত্ত্বিক পাৰ্থক্য যিয়েই নহওক এই দুই তত্ত্বৰ আবিৰ্ভাবৰ প্ৰাক্‌কালৰ ভাষা চিন্তা পাশ্চাত্যত Grammar আৰু ভাৰতবৰ্ষত ব্যাকৰণৰূপেহে জনাজাত আছিল। প্ৰায় তেতিয়াৰে পৰা বৰ্তমান পৰ্যন্ত এই বিদ্যা শিক্ষা-ব্যৱস্থাৰ এক অন্যতম অঙ্গ হিচাপে পৰিগণিত হৈ আহিছে। ভাৰতবৰ্ষত প্ৰাচীন শিক্ষা-ব্যৱস্থাত ব্যাকৰণ-অধ্যয়ন আৱশ্যিক হিচাপে বিবেচিত হৈছিল। ষড় বেদাঙ্গ— যাৰ চাৰিটা শাখাই (শিক্ষা কল্প নিৰুক্ত আৰু ব্যাকৰণ) প্ৰত্যক্ষভাৱে ভাষাৰ সৈতে জড়িত তাৰ অধ্যয়ন সম্পূৰ্ণ নকৰাকৈ কোনো ছাত্ৰৰ শিক্ষা সম্পূৰ্ণ নহৈছিল। একেদৰে পাশ্চাত্য দেশৰ শিক্ষা-ব্যৱস্থাতো গ্ৰীক আৰু লেটিন ভাষাৰ জ্ঞান অপৰিহাৰ্য হিচাপে ঘোষিত হৈছিল। তেতিয়াৰে পৰা বৰ্তমান পৰ্যন্ত ব্যাকৰণ পঢ়াশলীয়া পাঠ্যক্ৰমৰ এক এৰাব নোৱৰা বিষয় হিচাপে চলি আহিছে। সেয়ে হ'লেও প্ৰাচীন Grammar/ব্যাকৰণৰ সৈতে বৰ্তমানৰ Grammar/ব্যাকৰণৰ মৌলিক পাৰ্থক্য বিদ্যমান।

সাম্প্ৰতিক কালৰ ভাষাবিজ্ঞানীসকলে ব্যাকৰণক পঢ়াশলীয়া পাঠ্যক্ৰমৰ সংকীৰ্ণতাৰ পৰা উলিয়াই আনি এক বিস্তৃত পৰিসৰত সংস্থাপন কৰাটো তাৎপৰ্যপূৰ্ণ কথা। এই ক্ষেত্ৰত ৰূপান্তৰ স্ফোট ভাষাবিজ্ঞানীসকলৰ অৱদান আটাইতকৈ বেছি। বৰ্ণনাত্মক বা গঠনবাদী ভাষাচিন্তাবিদসকলে ভাষাৰ ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব বুজাবলৈহে ব্যাকৰণ শব্দটো ব্যৱহাৰ কৰিছে। আনহাতে ৰূপান্তৰ স্ফোট-তত্ত্বই সমগ্ৰ ভাষা বিশ্লেষণ-প্ৰক্ৰিয়াটোকে ইয়াৰ ভিতৰুৱা কৰিছে। এই তত্ত্বৰ শিৰোনামাতে ব্যাকৰণ (Grammar) শব্দটোৰ ব্যৱহাৰ হোৱাটো তাৰ উল্লেখযোগ্য প্ৰমাণ। এওলোকৰ মানত ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ কোনো পাৰ্থক্য নাই। ভাষা একোটাৰ বাক্য সংগঠনত কি কি উপাদান থাকে আৰু সেই উপাদানবোৰ পৰস্পৰে পৰস্পৰৰ লগত কিদৰে সম্পৰ্কান্বিত হয় তাৰ লিখিত আলোচনাই ব্যাকৰণ আনহাতে ভাষাবিজ্ঞানীৰ কামো হৈছে মানুহে বাক্য কিদৰে প্ৰয়োগ কৰে তাৰ যথাযথ ব্যাখ্যা দিয়া।

ওপৰৰ কথাখিনিৰ পৰা সহজে বুজা যায় যে সাম্প্ৰতিক সময়ত ভাষাবিজ্ঞান

আৰু ব্যাকৰণ এই দুযোটা তত্ত্বৰ পাৰ্থক্যৰ সীমাৰেখা সংকুচিত হৈ আহিছে। তথাপি পৰম্পৰাগতভাৱে ব্যাকৰণ ৰচনাত প্ৰযোগ হৈ অহা ৰীতিবোৰৰ ভিত্তিত দুয়োটা বিষযৰ কেতবোৰ পাৰ্থক্য এনেদৰে দেখুৱাব পাৰি

প্ৰথমতে ভাষাবিজ্ঞানত ভাষাৰ যথাযথ বিৱৰণহে সন্নিবিষ্ট হয়। ইযাৰ কৰ্মক্ষেত্ৰ অত্যন্ত বিস্তৃত। ইযাৰ বিপৰীতে ব্যাকৰণৰ কৰ্মক্ষেত্ৰ নিতান্তই সীমিত। ইয়াত পোনপটীযাকৈ এটা বা দুটা ভাষাৰ গঠন-প্ৰণালী সম্পৰ্কেহে আলোচনা কৰা হয। ভাষাৰ ব্যৱহাৰিক দিশটোৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াটো ব্যাকৰণৰ অন্যতম উদ্দেশ্য। আধুনিক বৈযাকৰণসকলে ভাষাবিজ্ঞানৰ দৰে ব্যাকৰণতো নিদানমূলক দৃষ্টিভঙ্গী পৰিহাৰ কৰি বৰ্ণনাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। অৱশ্যে সংস্কৃত ব্যাকৰণ পৰম্পৰাত এনে দৃষ্টিভঙ্গী খ্ৰী পূং পঞ্চম শতাব্দীমানতে প্ৰোথিত হোৱাটো এই ক্ষেত্ৰত মন কৰিবলগীযা। নিদানমূলক দৃষ্টিভঙ্গীৰ আমদানি মধ্যযুগীয লেটিন ব্যাকৰণৰ পৰাহে হৈছিল।

দ্বিতীযতে ভাষাবিজ্ঞানত ভাষাৰ জন্ম ইযাৰ উপাদান আৰু প্ৰকৃতি ইত্যাদি বিষয়বোৰো অন্তৰ্ভুক্ত হয় অৰ্থাৎ ভাষাবিজ্ঞানত ভাষাৰ সামগ্ৰিক দিশৰ আলোচনা থাকে। আনহাতে ব্যাকৰণত কিন্তু ভাষা নিৰপেক্ষ বিষযবোৰ উপেক্ষা কৰা হয়।

তৃতীযতে ব্যাকৰণ মুখ্যত ভাষাৰ লিখিত ৰূপৰ সৈতে সম্পৰ্কিত। সেই হেতুকে ইযাত লিখিত ৰূপটোকে সামগ্ৰিকভাৱে আলোচ্য ভাষাৰ বিশুদ্ধ ৰূপ বুলি ধৰি লোৱাৰ প্ৰৱণতা থাকে তাত কথিত ৰূপৰ প্ৰৱেশ নিষিদ্ধ। এই বিষযত বৈয়াকৰণসকল কিছু পৰিমাণে সংকীৰ্ণমনা আৰু ৰক্ষণশীল ভাষাক তেওঁলোকে নিযম-কানুনেৰে বান্ধি ৰাখিব খোজে। ইযাৰ বিপৰীতে ভাষাবিজ্ঞানীসকল কিন্তু যথেষ্ট উদাৰমনা। ভাষা সম্পৰ্কে প্ৰকৃত তথ্যৰ যোগান ধৰাটোৱেই ভাষাবিজ্ঞানীৰ মুখ্য কাম। তেওলোকে সেই বাবে লিখিততকৈ কথিত ভাষাৰ ওপৰত অধিক গুৰুত্ব দিযে। ভাষাবিজ্ঞানীৰ মানত সকলো উপভাষাৰ তাত্ত্বিক মৰ্যাদা সমান। লিখিত ভাষাত নথকা বহুতো আৱশ্যকীয তথ্য উপভাষাৰ মাজতহে পোৱা সম্ভৱ বুলি তেওলোক ভাষাৰ আঞ্চলিক ভেদবোৰো গুৰুত্ব সহকাৰে লক্ষ্য কৰে। কিন্তু ব্যাকৰণত যিহেতু লিখিত সাধু ৰূপটোৰ বিচাৰ বিশ্লেষণহে থাকে এতেকে তাৰ মাজত সেই ভাষাৰ সামগ্ৰিক ৰূপটো পাবলৈ টান হয়।

চতুৰ্থতে ভাষাবিজ্ঞান বিশেষৰ পৰা সামান্যলৈ অগ্ৰসৰ হোৱা হেতুকে ই সাৰ্বজনীন তথা সামান্য হ'ব পাৰে। আনহাতে ব্যাকৰণত কোনো এটা বিশেষ ভাষাৰ বিশ্লেষণহে থাকে। সেই হেতুকে ই সাৰ্বজনীন হোৱা সম্ভৱ নহয় (ছেদ ২ ১ দ্ৰষ্টব্য)।

পঞ্চমতে ভাষাবিজ্ঞানত বিশেষ ভাষাৰ বিশ্লেষণৰ যোগেদি কিছুমান সাধাৰণ সূত্ৰ আৱিষ্কৃত হয় আৰু সেই সূত্ৰসমূহ অৱলম্বন কৰি ব্যাকৰণকাৰে একোটাইত

বিশেষ ভাষাৰ ব্যাকৰণ ৰচনা কৰে। ভাষাতত্ত্ববিদ সুকুমাৰ সেনে বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু বৰ্ণনাত্মক ব্যাকৰণৰ পাৰ্থক্য দেখুৱাই লিখিছে, 'বৰ্ণনামূলক ব্যাকৰণত ঐতিহাসিক ব্যাকৰণৰ সম্পৰ্ক সম্পূৰ্ণ বৰ্জিত নহয। কিন্তু বৰ্ণনামূলক ভাষা-বিশ্লেষণত সেই ভাষাৰ অতীত ইতিহাসৰ আলোচনা সমূলি বাদ দিয়া হয। ইযাত মাত্ৰ ব্যৱহাৰিক দিশৰ পৰাহে ভাষাৰ গঠন-ৰীতি বিশ্লেষণ কৰা হয (১৯৮৭ ২৩)। সন্দেহ নাই সেনৰ এই মন্তব্য ঘাইকৈ পৰম্পৰাগত ব্যাকৰণৰ ক্ষেত্ৰত প্ৰযোজ্য। আধুনিক ভাষাবিজ্ঞানসন্মত ব্যাকৰণত ঐতিহাসিক ব্যাকৰণৰ সম্পৰ্ক ৰক্ষিত হোৱা দেখা নাযায। প্ৰকৃত বিচাৰত বৰ্ণনাত্মক ভাষাবিজ্ঞানত সামান্য তত্ত্ব আৰু বিজ্ঞানসন্মত ব্যাখ্যাৰ দিশটোৱেই প্ৰধান আনহাতে বৰ্ণনাত্মক ব্যাকৰণত কোনো বিশেষ ভাষাৰ ব্যৱহাৰিক বাস্তৱ বৰ্ণনা আৰু বিশ্লেষণৰ দিশটোহে মুখ্য।

৪ ১ পৰম্পৰাগত বনাম আধুনিক ব্যাকৰণ

ভাষাৰ বিজ্ঞানসন্মত বিচাৰ বিশ্লেষণ আৰম্ভ হোৱাৰ পূৰ্বকালত যি পদ্ধতি অৱলম্বন কৰি ব্যাকৰণ ৰচনা কৰা হৈছিল তাক পৰম্পৰাগত ব্যাকৰণ (Traditional Grammar) বোলা হৈছে। ইউৰোপ মহাদেশৰ গ্ৰীক লেটিন আৰু নৱজাগৰণৰ সময়ৰ ব্যাকৰণসমূহক এই শ্ৰেণীত ধৰা হয। গ্ৰীক আৰু লেটিন ব্যাকৰণৰ আহি্ত ৰচিত পৰৱৰ্তী সময়ৰ ব্যাকৰণবোৰো এই শাখাৰ অন্তৰ্গত। আনহাতে আধুনিক ব্যাকৰণ হ'ল based on observable forms abstracted from utterances actually produced or approved by native speakers or writers of the language under investigation (Robins 1964 181)। আৰ এল ৱাৰ্ছনি (1993 207) আৰ এইচ ৰবিনছ (1964 179 182) আদিয়ে উভযৰ পাৰ্থক্যসমূহ এনেদৰে চিহ্নিত কৰিছে

(ক) পৰম্পৰাগত ব্যাকৰণ অষ্টাদশ শতিকাৰ পূৰ্বৰ সৃষ্টি আনহাতে আধুনিক ব্যাকৰণ ঘাইকৈ বিংশ শতাব্দীৰ অৱদান।

(খ) পৰম্পৰাগত ব্যাকৰণ বিশৃঙ্খল আৰু বাহুল্যধৰ্মী ইযাৰ বিপৰীতে আধুনিক ব্যাকৰণ সুশৃঙ্খল আৰু চুম্বকধৰ্মী।

(গ) বৈযাকৰণিক যুক্তিসমূহৰ ক্ষেত্ৰত পৰম্পৰাগত ব্যাকৰণৰ দুৰ্বলতা অনেক। এই ব্যাকৰণত তেনে কোনো সুনিৰ্দিষ্ট পদ্ধতিও পাৰলৈ নাই। আনহাতে আধুনিক ব্যাকৰণ যুক্তি আৰু পদ্ধতিৰ দিশত অতিশয বলিষ্ঠ।

(ঘ) পৰম্পৰাগত ব্যাকৰণে সকলো ভাষাকে সদৃশ বুলি গণ্য কৰে, ইয়াৰ বিপৰীতে আধুনিক ব্যাকৰণে জগতৰ প্ৰাতটো ভাষাৰ স্বকীয গঠন-ৰীতিলৈ লক্ষ্য কৰি প্ৰত্যেককে সুকীয়া মৰ্যাদা দিযে।

(ঙ) আধুনিক ব্যাকৰণ বস্তুনিষ্ঠ আনহাতে পৰম্পৰাগত ব্যাকৰণ বিষযনিষ্ঠ।

(চ) পৰম্পৰাগত ব্যাকৰণ ব্যাখ্যামূলক আনহাতে আধুনিক ব্যাকৰণ বৰ্ণনামূলক।

(ছ) পৰম্পৰাগত ব্যাকৰণত ভাষাৰ লিখিত ৰূপক—বিশেষকৈ সাহিত্যৰ ভাষাক অগ্ৰাধিকাৰ দিয়া হয় আধুনিক ব্যাকৰণকাৰসকলে কিন্তু ইয়াৰ সলনি ভাষাৰ কথিত প্ৰৱাহৰ পৰাহে তথ্য আহৰণ কৰে।

(জ) পৰম্পৰাগত ব্যাকৰণ নিদানমূলক বা নিৰ্দেশমূলক নিয়ম-বিধিৰ সমষ্টি। ভাষাৰ ভুল-শুদ্ধৰ বিচাৰ ইয়াৰ মূল উপজীব্য। ইয়াৰ বিপৰীতে আধুনিক ব্যাকৰণে ভাষাৰ যথাযথ ৰূপৰ বিত, বিৱৰণহে দাঙি ধৰে। আধুনিক ব্যাকৰণ ভাষাৰ বৰ্ণ প্ৰাকৃতি খণ্ডবাক্য গৰ্ভবাক্য বাক্য আদিৰ আৱিষ্কাৰক।

(ঝ) পৰম্পৰাগত ব্যাকৰণত অৰ্থৰ দিশটোৱে বিশেষ প্ৰাধান্য পায়। ইয়াৰ বিপৰীতে আধুনিক ব্যাকৰণত ভাষাৰ গঠনৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা হয়।

(ঞ) পৰম্পৰাগত ব্যাকৰণৰ ঘাই আৰ্হি হ'ল গ্ৰীক আৰু লেটিন ব্যাকৰণ আনহাতে আধুনিক ব্যাকৰণ ভাষাৰ বাস্তৱ তথ্যৰ ওপৰত নিৰ্ভৰশীল।

(ট) ভাষা বিশেষৰ সাধু ৰূপটো কিদৰে শুদ্ধভাৱে লিখিব আৰু ক'ব লাগে তাৰ বিধি-ব্যৱস্থা তৈয়াৰ কৰাই পৰম্পৰাগত ব্যাকৰণৰ ঘাই উদ্দেশ্য। এই ধাৰাৰ ব্যাকৰণৰ মাজেৰে লিখিত ভাষাটো শুদ্ধ আৰু উচ্চমানৰ—এনে এক উন্নাসিক ধাৰণা প্ৰতিফলিত হয়। আধুনিক ব্যাকৰণে যে ভাষাৰ বিশুদ্ধ ৰূপটো সমূলি পৰিহাৰ কৰে তেনে নহয় ভাষাৰ নিৰ্দিষ্ট ব্যৱহাৰিক মানৰ প্ৰতি লক্ষ্য ৰাখি অশিষ্ট অভব্য ৰূপবোৰ এই ব্যাকৰণেও বৰ্জন কৰে কিন্তু পৰম্পৰাগত ব্যাকৰণে দেখুওৱা তথাকথিত ভুলবোৰ ই পোনচাটে নাকচ নকৰি তাৰ ব্যৱহাৰৰ অনুপযোগিতাৰ যথাযথ ব্যাখ্যা দিয়ে।

(ঠ) শব্দ-গঠনত প্ৰাকৃতিৰ (Morpheme) ভূমিকা সম্পৰ্কে পৰম্পৰাগত ব্যাকৰণত কোনো ব্যাখ্যা পাবলৈ নাই। আনহাতে আধুনিক ব্যাকৰণে এই দিশৰ যথাৰ্থ ব্যাখ্যা দিবলৈ সমৰ্থ হৈছে।

ওপৰত উল্লেখ কৰা প্ৰভেদসমূহলৈ লক্ষ্য কৰিলে এটা কথা প্ৰতীয়মান হয় যে আধুনিক ভাষাবিজ্ঞানীসকলে বৰ্ণনাত্মক বা গাঁথনিক ভাষাবিজ্ঞানৰ সূত্ৰৰ আধাৰত ৰচিত ব্যাকৰণকে যথাৰ্থ আধুনিক ব্যাকৰণ বুলিছে। কিন্তু অতি সম্প্ৰতি চমস্কীয় ধাৰাই এনে ব্যাকৰণৰো দোষ-দুৰ্বলতাসমূহ উদঙাই দেখুৱাইছে। বিশেষকৈ অৰ্থৰ দিশটোৰ প্ৰতি গাঁথনিক ভাষাবিজ্ঞানে দেখুওৱা উদাসীনতাৰ ৰূপান্তৰ স্ফোট ধাৰাৰ প্ৰৱক্তাসকলে যথেষ্ট কঠোৰ সমালোচনা কৰা দেখা যায়।

৫ ১ ব্যাকৰণৰ সংজ্ঞা :

ব্যাকৰণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি বাগ্‌বিজ্ঞানীসকলে নিৰ্দেশ কৰা কেতবোৰ সংজ্ঞা নিম্নোক্ত ধৰণৰ ঃ

(১) ব্যাকৰণ হ'ল — কোনো এটা ভাষাৰ গঠন-পদ্ধতিৰ যথাসম্ভৱ বিত৲ বিশ্লেষণ (গোস্বামী ১৯৯০ ১২)।

(২) কোনো এটা ভাষাৰ উপাদানসমূহৰ সামগ্রিক বিচাৰ-বিশ্লেষণ যি বিদ্যাৰ বিষয় তাক সেই ভাষাৰ ব্যাকৰণ বোলে (সেন ১৯৮৭ ২৩)।

(৩) The grammar of a language mav be regarded as a system of rules which relates stretches of sound (or se quences of marks on a flat surface) with meanings' (Encyclopaedia Britannica, Vol VIII 1973 74 265 Horrocks 1987 23)

(৪) A grammar is a finite system of rules which generates and describes an infinite number of all and only possible sentences of a language (Verma and Krishnaswamy 1989 244 Encyclopaedia Britannica, Vol VIII 1973 74 265)

বাগ্‌বিজ্ঞানীসকলে ব্যাকৰণৰ এনে বিজ্ঞানসম্মত সংজ্ঞা দিয়াৰ পাছতো এই বিষয়ে বিতর্ক আৰু ভ্রান্তিৰ ওৰ পৰিছে বুলি ক'বলৈ টান। ভাষাৰ ব্যৱহাৰিক বাস্তৱ সামগ্রীলৈ আওকাণ কৰি তথাকথিত শুদ্ধ আৰু শিষ্ট ৰূপৰ বিধান দিয়া ব্যাকৰণ -পুথি আজিও তেনেই সুলভ। সময়ৰ পৰিবর্তনৰ লগে লগে ভাষাৰো যে সার্বিক পৰিবর্তন অৱশ্যম্ভাৱী আৰু ব্যাকৰণৰ কোনো অনুশাসনেই যে তাৰ গতি ৰোধ কৰিব নোৱাৰে সেই কথা এনে ব্যাকৰণৰ ৰচয়িতাসকলে একোপধ্যেও মানি ল'ব নোখোজে।

এইখিনিতে ভাষাবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে ৰচিত ব্যাকৰণত ভাষাৰ বিশুদ্ধতাৰ বিষয়টো একেবাৰেই আওকাণ কৰা হ'ব নেকি তেনে এক প্রশ্নৰ উদয় হয়। ফ্রেংক পামাৰে (1971 ঃ 16 27) ইয়াৰ উত্তৰত কৈছে যে ভাষাৰ সকলোবোৰ ৰূপ গ্রহণীয় বুলি স্বীকাৰ কৰিবলৈ টান। কেতবোৰ ৰূপ সেই ভাষা কোৱা সমাজেই অগ্রহণীয় বুলি নাকচ কৰা দেখা যায় (ছেদ ২ ১ দ্রষ্টব্য)। আধুনিক বৈয়াকৰণসকলেও অগ্রহণীয় বাক্য চিনাক্ত কৰি উলিয়ায়। তদুপৰি উপভাষাগত সামাজিক স্তৰৰ কথা কৈ তজ্জনিত ৰূপবোৰৰ অগ্রহণীয়তাৰ যথাযথ ব্যাখ্যা দিয়ে। অর্থাৎ, সর্বশেষ বিচাৰত ব্যাকৰণে পৰোক্ষভাৱে হ'লেও ভাষাৰ এক শিষ্ট ৰূপৰ নির্দেশ দিয়ে। এই আটাইবোৰ দিশ বিবেচনালৈ আনি ভাষাচার্য সুনীতি কুমাৰ চট্টোপাধ্যায়ে সেই হেতুকে ব্যাকৰণৰ সংজ্ঞা নিম্নোক্তভাৱে নির্ধাৰণ কৰিছে ঃ

'যি বিদ্যাৰ দ্বাৰা কোনো ভাষাক বিশ্লেষ কৰি তাৰ স্বৰূপ আলোচনা কৰা হয় আৰু সেই ভাষাৰ পঠন লিখন আৰু কথোপকথনত তাক শুদ্ধভাৱে প্রয়োগ কৰা হয়

সেই বিদ্যাক সেই ভাষাৰ ব্যাকৰণ (Grammar) বোলে (১৯৯২ ঃ ১০)।

৬ ১ সামৰণ ঃ

জ্ঞানৰ বিভিন্ন শাখাৰ বিশ্বজোৰা বিস্ফোৰণৰ এই অতি সাম্প্রতিক কালত প্রতিজন শিক্ষিত ব্যক্তিয়ে ব্যাকৰণৰ প্রতি অসীম আগ্রহ দেখুওৱা উচিত আছিল যদিও বাস্তৱত তাৰ ওলোটাটোহে দেখা গৈছে। সমাজৰ দুটা শ্রেণী—শিক্ষক আৰু ছাত্রইহে যৎ সামান্য ব্যাকৰণ চর্চা কৰে—তাকো পাঠ্যক্রমৰ তাগিদাত। বাকীসকলে এই বিষয়ে চিন্তা-চর্চা কৰাৰ কোনো প্রযোজন তথা আগ্রহ অনুভৱ কৰা দেখা নাযায়। ফ্রেংক পামাৰে (1971 9) ইযাৰ দুটা সম্ভাব্য কাৰণ উনুকিয়াইছে ঃ (১) ব্যাকৰণ ৰচনাৰ পদ্ধতিগত ত্রুটি আৰু (২) অত্যাৱশ্যকীয় মানৱ-কর্ম হিচাপে ইযাৰ গুৰুত্ব চিহ্নিত কৰিব নোৱৰা। আন কথাত ব্যাকৰণৰ প্রতি সর্বসাধাৰণে দেখুওৱা অনীহাৰ গুৰি কাৰণ সেই বিষযক গ্রন্থৰ মাজতে নিহিত আছে।

সাম্প্রতিক কালত ব্যাকৰণৰ নানান শাখা প্রশাখাৰ উদ্ভৱ হৈছে। এইবোৰৰ প্রতিটোৱেই মৌলিক চিন্তাৰে সমুজ্জ্বল। মানৱ-বিদ্যাৰ বিশেষ অঙ্গ হিচাপে এই তত্ত্বোৰৰ প্রতি সমাজৰ প্রত্যেক ব্যক্তিয়ে অসীম আগ্রহ প্রদর্শন কৰা উচিত।□

টোকা আৰু উদ্ধৃতি ঃ

১ The Indian Grammar presented to European eyes for the first time a complete and accurate description of a language base not upon theory but upon observation (Bloomfield 1935 11) আৰ এইচ ৰবিনছে (1967 148 163) আধুনিক ভাষাবিজ্ঞানৰ কেতবোৰ ধাৰণা যথা—ধ্বনিতত্ত্ব সন্ধি শূন্য প্রাকৃতি ভাষা আৰু বাক (Langue and Parole) ৰূপ আৰু সাৰ (Form and Substance) আদিত প্রাচীন ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ গভীৰ প্রভাৱ লক্ষ্য কৰিছে।

২ সাম্প্রতিক সময়ৰ সবাতোকৈ প্রভাৱশালী মার্কিন ভাষাবিজ্ঞানী নৌম চমস্কিক এই ধাৰণাই কিছু প্রভাৱান্বিত কৰা যেন লাগে। চমস্কিয়ে (1965 8) পর্ট ৰয়েল ব্যাকৰণৰ কেইবাটাও দিশৰ বহল আলোচনা কৰিছে। তাৰ ভিতৰত বাক্যৰ অন্তর্গঠন (Deep structure) আৰু বহির্গঠন (Surface structure) সম্পর্কীয় ধাৰণা বিশেষভাৱে উল্লেখযোগ্য।

৩ ৰবিনছে (1964 177) General Linguistics গ্রন্থত এনে এক সীমিত অর্থতে Grammar শব্দটো ব্যৱহাৰ কৰা বুলি স্পষ্টীকৰণ দিয়াটো এই প্রসঙ্গত উল্লেখযোগ্য।

৪ আধুনিক শব্দটোৰ কালগত আপেক্ষিকতা আৰু পাণিনি প্ৰমুখ্যে প্ৰাচীন ভাৰতীয় বৈয়াকৰণসকলৰ বিজ্ঞানসন্মত বিশ্লেষণ-ৰীতিলৈ লক্ষ্য কৰি ইংৰাজী Positive বা Formal grammar -ৰ প্ৰতিশব্দ হিচাপে অসমীয়াত কোনো কোনোৱে 'নতুন ব্যাকৰণ' 'বাস্তৱ ব্যাকৰণ' আদি শব্দ ব্যৱহাৰ কৰিছে।

সহায়ক গ্ৰন্থপঞ্জী ঃ

Belvalkar S K 1980 *An Account of the Different Existing Systems of Sanskrit Grammar* Oriental Publishers Amritsar

Bloomfield L 1935 reprint 1985 *Language* Motilal Banarsi Dass Delhi

Chomsky N 1965 reprint 1992 *Aspects of the Theory of Syntax* MITP

Crystal David 1971 reprint 1990 *Linguistics* Penguin

1987 *The Cambridge Encyclopedia of Language* Cambridge UP

Gune P D 1970 *An Introduction to Comparative Philology* Oriental Book House Poona

Hocket C F 1970 *A Course in Modern Linguistics* Oxford and IBH New Delhi

Horrocks G 1987 reprint 1989 *Generative Grammar* Longman

Jesperson, O 1924 reprint 1934 *The Philosophy of Grammar* Allen and Unwin London

Palmer F 1971 reprint 1990 *Grammar* Penguin

Robins R H 1964 reprint 1991 *General Linguistics* Longman

1967 reprint 1992 *A Short History of Linguistics* Longman

Sapir E 1970 *Language* Rupart Hart Davis London

Verma S K and N Krishnaswamy 1989 reprint 1992 *Modern Linguistics An Introduction* Oxford UP Delhi

Varshney R L 1993 *An Introductory Textbook of Linguistics and Phonetics* Student Store Bareilly

গোস্বামী উপেন্দ্ৰনাথ ১৯৮১ *অসমীয়া ভাষাৰ ব্যাকৰণ*। মণি মাণিক প্ৰকাশ। গুৱাহাটী।

গোস্বামী গোলোকচন্দ্ৰ ১৯৮৭ পৰিবৰ্ধিত ১৯৯০ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*। বীণা লাইব্ৰেৰী। গুৱাহাটী।

চট্টোপাধ্যায় সুনীতিকুমাৰ ১৯৯২ *ভাষা প্ৰকাশ বাংলা ব্যাকৰণ*। ৰূপা। কলিকাতা।

পাঠক ৰমেশ ১৯৮৮ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান*। বীণা লাইব্ৰেৰী। গুৱাহাটী।

বৰা সত্যনাথ ১৯৬৬ *অসমীয়া ভাষাৰ বহল ব্যাকৰণ*। জ্ঞাননাথ বৰা প্ৰকাশক। গুৱাহাটী।

বৰুৱা হেমচন্দ্ৰ ১৮৫৯ পুনৰ্মুদ্ৰণ ১৯৯৫ *অসমীয়া ভাষাৰ ব্যাকৰণ*। অসমীয়া বিভাগ। ডিব্ৰুগড বিশ্ববিদ্যালয়।

শ ৰামেশ্বৰ ১৯৯২ *সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা*।পুস্তক বিপনি। কলকাতা।

সেন সুকুমাৰ ১৯৮৭ *ভাষাৰ ইতিবৃত্ত*। ইষ্টাৰ্ণ পাব্লিছাৰ্ছ। কলকাতা।

গুপ্তভাষা ঃ এটি চমু আভাস

❑ দয়ানন্দ পাঠক

ভাষা মানৱ জাতিৰ বাবে এক অমূল্য সম্পদ। ভাষা যে কেৱল শব্দৰ মাধ্যমেৰেই অভিব্যক্ত হয় তেনে নহয়। এগৰাকী ব্যক্তিয়ে বিভিন্ন ধৰণে নিজৰ মনৰ ভাবাৱেগ বেকত কৰিব পাৰে। যেনে— হাতৰ ইঙ্গিত মুখৰ ইঙ্গিত চকুৰ চাৱনি শৰীৰৰ অঙ্গচালনা ওঠৰ কম্পন ইত্যাদিৰ মাধ্যমেৰেও ভাবৰ বিনিময় সম্ভৱ। কবি-নাট্যকাৰ উইলিয়াম শ্বেক্সপিয়াৰে তেওঁৰ নাটকৰ একাধিক স্থানত দুগৰাকী প্ৰেমিক-প্ৰেমিকাৰ মাজত শব্দবিহীন ভাষাৰ (speechless Message) কথা উল্লেখ কৰিছে। শাব্দিক ভাষাতকৈ এনে শব্দবিহীন ভাষাৰ তাৎপৰ্য কোনো গুণে কম নহয়। এনে শব্দবিহীন ভাষাই শুনোতাজনৰ হৃদয় মনতো কম্পনৰ সৃষ্টি কৰিব পাৰে। কিন্তু ব্যক্তি সমাজ পৰিবেশ-পৰিস্থিতি আৰু প্ৰয়োজনৰ তাড়নাত মানুহৰ পৰস্পৰৰ মাজত যে এক প্ৰকাৰৰ গুপ্তভাষাও ব্যৱহৃত হ'ব পাৰে। সেই কথা ভাবিবলৈ টান লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত গুপ্তভাষাৰ অবস্থিতিক অস্বীকাৰ কৰিব নোৱাৰি।

গুপ্তভাষাৰ প্ৰয়োজন কি? কি কি বিশেষ পৰিবেশত কেনে কেনে ব্যক্তিৰ বাৰ্তালাপত গুপ্তভাষাৰ প্ৰয়োগ হয়? এনে প্ৰশ্নৰ উত্তৰৰ মাজতেই গুপ্তভাষাৰ সকলোখিনি তাৎপৰ্য নিহিত হৈ আছে। গুপ্তভাষা দুগৰাকী ব্যক্তি অথবা ততোধিক ব্যক্তিৰ মাজত ব্যৱহৃত হোৱা কোনো গুপ্ত অৰ্থবহ ভাষা। এনে ভাষা এটা বা ততোধিক শব্দৰ ব্যৱহাৰেৰেও হ'ব পাৰে বা এটা বা ততোধিক বাক্যৰ মাজেৰেও হ'ব পাৰে। এনে শব্দ বা বাক্যই কোনো বিশেষ সংকেত বহন কৰে বাবে এনে ভাষাক সাংকেতিক ভাষাও বুলিব পাৰি। ইংৰাজীত এনে ভাষাক কেতিয়াবা Password বা Pass language আৰু ক্ষেত্ৰ বিশেষে Argot Cryptic language বা Anti language বুলি কোৱা হৈছে।

গুপ্ত ভাষাৰ প্ৰয়োগ বিভিন্ন কাৰণত হ'ব পাৰে। এনে ভাষাৰ প্ৰয়োগ ব্যক্তিগত কাৰণত সমষ্টিগত কাৰণত বা বৃত্তিগত কাৰণত হ'ব পাৰে। ক্ৰেতাৰ পৰা অধিক দাম আদায় কৰিবলৈ বা নিম্নমানৰ সামগ্ৰীক উচ্চমানৰ বুলি কৈ উচ্চমানৰ দাম আদায় কৰিবলৈ বা কৰাবলৈ একে স্থানতে দুগৰাকী বিক্ৰেতাৰ মাজত গুপ্তভাষাৰ প্ৰয়োগ হ'ব পাৰে। তেনে বিক্ৰেতাৰ বৃত্তিগত ভাষা যাতে ক্ৰেতাই বা অইনে বুজিব

নোৱাৰে তাৰ বাবে ব্যৱহৃত ভাষাকো অবোধ্য ৰূপত ব্যৱহাৰ কৰাৰ উদাহৰণ বহুত। এটা উদাহৰণ দিব পাৰি। কেইজনমান চহা মানুহ কলিকতাৰ কাপোৰৰ দোকানৰ গলি এটাত সোমাইছে। তেওঁলোকে কাপোৰ কিনিব। তেতিয়া দোকানৰ মালিকে বিক্ৰেতা কৰ্মচাৰীজনক (Salesman) গুপ্তভাষাৰে সুধিছে—

কেশব কেশব।

বিক্ৰেতা কৰ্মচাৰীজনে উত্তৰত ক'লে— "গোপাল, গোপাল।"

গোপাল গোপাল?

"হৰি হৰি বিক্ৰেতাই ক'লে।

উত্তৰত মালিকে ক'লে— "হৰ হৰ।

মালিক আৰু বিক্ৰেতাৰ মাজত কেৱল ভগৱানৰ নামেই উচ্চাৰিত হোৱা শুনা গ'ল। ক্ৰেতাই মনতে ভাবিলে এওঁলোক ঈশ্বৰৰ পৰম ভক্ত। কিন্তু মালিক আৰু বিক্ৰেতাৰ বাৰ্তালাপৰ অৰ্থ আৰু তাৎপৰ্য সম্পূৰ্ণ বিপৰীত। তেওঁলোকৰ কথাৰ অৰ্থ আচলতে এনে ধৰণৰ— কেশব (এওঁলোক কোন) গোপাল (এওঁলোক গৰুৰ পাল) হৰি (এওঁলোকৰ পৰা বেছি দাম লমনে) হৰ (নিশ্চয এওঁলোকৰ জেপৰ পৰা ধন হৰণ কৰা হওক)। এইদৰে ঈশ্বৰৰ নামৰ মাজেৰেই মালিক আৰু তেওঁৰ বিক্ৰেতা-কৰ্মচাৰীৰ মাজত এক গুপ্তভাষা চলিল।

ৰাজনৈতিক অথবা সন্ত্ৰাসবাদী সংগঠনসমূহৰ মাজতো গুপ্তভাষাৰ প্ৰচলন চলে। এটা ৰাজনৈতক দলৰ কাৰ্যসূচী গোপনে ৰাখিবলৈ গুপ্তভাষাৰ ব্যৱহাৰ কৰিবলগীয়া হয। এনে ভাষাক সাংকেতিক ভাষা (Code Language) বুলিও ক'ব পাৰি। 'ক'ড ভাষাক 'দি ক'ড' (De Code) কৰিব পাৰে কেৱল গুপ্তভাষাটো জনাজনেহে। অইনে সেই কাম কৰিব নোৱাৰে।

সেনা বাহিনীৰ মাজতো এনে ধৰণৰ একোটি গুপ্তভাষাৰ প্ৰযোগ হৈ থাকে। প্ৰতিপক্ষই যাতে সেনা বাহিনীৰ গুপুত কথাবোৰ বা আগত পৰিকল্পনাৰ কথা বুজিব নোৱাৰে তাৰ বাবেও গুপ্তভাষাৰ নিতান্ত প্ৰযোজন। অন্ততঃ পৰিকল্পনা বা কাৰ্যসূচী বাস্তৱায়িত নোহাৱা পৰ্যন্ত গুপ্তভাষাৰে সকলো কাম চলে। ভাৰতীয সেনাই অমৃতচৰৰ স্বৰ্ণমন্দিৰৰ পৰা খালিস্তানী সন্ত্ৰাসবাদীসকলক লুকাই থকা অৱস্থাৰ পৰা উলিয়াই আনিবলৈ 'অপাৰেশ্বন ব্লুষ্টাৰ' শব্দটি ব্যৱহাৰ কৰিছিল। প্ৰথম অৱস্থাত শব্দটি গুপ্তশব্দৰূপেই ব্যৱহৃত হৈছিল। একেদৰে গুপ্তচৰসকলৰ মাজতো এক নিজস্ব বৃত্তিগত গুপ্তভাষাৰ প্ৰচলন আছে। অপৰাধ জগততো এনে ভাষাৰ প্ৰচলন অতি ব্যাপক। তেওঁলোকৰ ভাষা কেৱল তেওঁলোকেহে বুজি পায়। অইনৰ সম্মুখত তেনে ভাষাৰে বাৰ্তালাপ কৰিলে কোনেও বুজি পোৱাৰ উপায নাই। এইদৰে তেওঁলোকে কাৰ্যসূচীৰ গোপনীযতা ৰক্ষা কৰে। প্ৰচলিত শব্দৰ বৰ্ণক্ৰম ওলোটাকে

উচ্চাৰিত কৰি শব্দৰ আগত বা শেষত তেওঁলোকৰ নিজস্ব ৰীতিৰে কোনো পূৰ্বপ্ৰত্যয় বা পৰ-প্ৰত্যয় অথবা অইন কোনো অৰ্থহীন শব্দৰ সংযোজনেৰে তেওঁলোকে অইনৰ বোধগম্য নোহোৱাকৈ একোটি নতুন শব্দ তৈয়াৰ কৰি লয়। যেনে— কাট > টকা ভাত > তভা মৰা > ৰাম চোৰ কৰা > ৰচ কৰা ইত্যাদি।

কলিকতা চহৰত পকেটমাৰ দুটাই পকেট মাৰিবলৈ যাওতে পৰস্পৰৰ মাজত এক গুপ্তভাষাৰ প্ৰয়োগ কৰিব। সিহঁতৰ ভাষা অইন শুনোতাই বুজি নাপায়। কলিকতাত চুৰি কৰিবলৈ যাওঁতে যদি গাড়ী ব্যৱহাৰ কৰিবলগীয়া হয় তেন্তে এটা চোৰে আনটো চোৰৰ সম্মুখত 'সৰ্দাৰ বিড়ি'ৰ উল্লেখ কৰিব। একেদৰে কাৰোবাৰ ঘৰৰ আলমাৰীৰ তলা খোলাৰ কথা বুজাবলৈ হ'লে সিহঁতে অইনৰ সম্মুখত পৰস্পৰৰ মাজত 'ফাউন্টেইন পেন'-ৰ কথা উল্লেখ কৰিব। কলিকতাৰ অপৰাধ জগতৰ গুপ্তভাষা হিন্দী-উৰ্দু ভাষাৰ শব্দেৰে ভৰপূৰ। বঙলা অপৰাধীহঁতৰ ক্ষেত্ৰতো প্ৰায় একেটাই কথা। সিহঁতে সিহঁতৰ গুপ্তভাষা কিছুমান প্ৰতীকাত্মক শব্দৰ দ্বাৰা প্ৰকাশ কৰিবলৈ যত্ন কৰে। যেনে— আতপ (বিধবা তিৰোতা অৰ্থাৎ বগা চাউল) আবিৰ (সধবা তিৰোতা) কুলিন (উচ্চবৰ্গৰ বেশ্যা) ত্ৰিভুজ (পাৰ্ক বা ৰাজহুৱা উদ্যান) কাকন (মহিলাই হাতত পিন্ধা বালা) মালাডোডা (বিয়া কৰোৱা) চৰখা (চাইকেল) ঘোড়া (পিষ্টল ৰিভলভাৰ) বান্ধাকবি (পাগুৰিমৰা পাঞ্জাবী মানুহ) ঠাণ্ডা-গৰম (বৃদ্ধ স্বামী-তৰুণী পত্নী) গদা (দেশী বন্দুক) গলতা (আড্ডাৰ ঠাই) ভিতৰ (জেলখানা বা ল'ক আপ) পাগলি (জেলৰ ভিতৰৰ বিপদৰ সংকেত বহন কৰা ঘণ্টাধ্বনি) চন্দ্ৰবিন্দু হোৱা (মৃত্যু হোৱা) লোদ ছেদি, (আন্ধাৰ বা বিপদজনক পৰিস্থিতিৰ উদ্ভৱ হোৱা) মাথাফাটা (বিবাহিতা মহিলা) বাদাম পাৰ্টি (সম্ভীয়া বজকৰা ছোৱালী) মনিদা (মিনিবাছ) এম বি বি এচ (কাম-বন নোহোৱা মানুহ) ভিয়েটনাম (গণিকালয় বা ৰেড লাইট এৰিয়া) টিং (পকেট) কলম (দুৱাৰ ভঙা সৰঞ্জাম) ইত্যাদি।

কলিকতা চহৰৰ জুৱাৰীবোৰৰ মাজতো কিছু গুপ্তশব্দ শুনা যায়। যেনে— তৰকাৰী (ছয়) ৰসগোল্লা (দহ) ছাৰপোকা (৫০ পইচা) আদি।

গুপ্তভাষাৰ অৱস্থিতিৰ কথা ভাষাৰ গৱেষক গ্ৰিয়াৰছনেও (Grierson) তেওঁৰ *Linguistic Survey of India* গ্ৰন্থত স্বীকাৰ কৰিছে। তেওঁ ভাৰতবৰ্ষৰ বিভিন্ন স্থানত ব্যৱহৃত গুপ্তভাষাৰ গঠন বা কথন-ৰীতিৰ সৈতে তদ্ৰূপ বিদেশী গুপ্তভাষাৰ মাজত থকা বহুখিনি সামঞ্জস্য লক্ষ্য কৰিছে। সাধাৰণতে গুপ্তভাষাৰ শব্দসম্ভাৰৰ এক বৃহৎ অংশ অস্থানীয় তথা বিদেশী শব্দৰ অপব্যৱহাৰে সামৰি ৰাখিছে।

ড উপেন্দ্ৰনাথ গোস্বামীয়ে এনে গুপ্তভাষাৰ গঠন-ৰীতি আৰু কথন-ৰীতি সম্পৰ্কে লিখিছে,— লণ্ডন চহৰৰ চোৰ বা ডকাইত এটাই নিজৰ পত্নীক ডনাহ

(Donah) বুলি মাতে (ভাষাবিজ্ঞান)। পুলিচ (Police) শব্দটো সিহঁতে ওলোটাকৈ নিজা ৰীতিৰে গঠন কৰি লয়। যেনে— Police শব্দৰ ঠাইত সিহঁতে ব্যৱহাৰ কৰে— Ecilop বা সংক্ষেপতে Slop বুলি। ইযাৰ উপৰি কেতিয়াবা এটা শব্দৰ আগত বা পিছত নতুন আখৰ সংযোগ কৰিও গুপ্তশব্দৰ সৃষ্টি কৰা হয়। ড গোস্বামীযে তেনে শব্দৰ কথা উল্লিখিত গ্ৰন্থত দেখুৱাইছে। যেনে— পাঞ্জাবৰ অপৰাধী লোকসকলে দো (দুই) শব্দটি বুজাবলৈ দোধৰ (দো + ধোৰ) শব্দ ব্যৱহাৰ কৰে।

বিশ্বৰ অইন অইন ভাষাত থকাৰ দৰে অসমৰ বিভিন্ন সম্প্ৰদায় আৰু জনগোষ্ঠীৰ মাজতো গুপ্তভাষাৰ প্ৰচলন আছে। একেখিনি মানুহ আৰু একে পৰিবেশ-প্ৰযোজনতহে তেনে ভাষাৰ গোপন প্ৰচলন।

বৃত্তিগত প্ৰযোজনতো বিশেষ বিশেষ সম্প্ৰদাযৰ লোকে গুপ্তভাষাৰ প্ৰযোগ কৰে। ড গোস্বামীযে মঙ্গলদৈ জিলাৰ ব্যাসপাৰা অঞ্চলৰ ব্যাস-ওজাসকলে নিজৰ বৃত্তিগত প্ৰযোজনত এক গুপ্তভাষাৰ ব্যৱহাৰ কৰে বুলি উল্লেখ কৰিছে। তেওঁলোক জ্যোতিষ-বিদ্যাত পাৰ্গত। তেওঁলোকৰ এই বৃত্তিগত কথাখিনি তেওঁলোকৰ মাজতে সীমাবদ্ধ কৰি ৰাখিবলৈ তেওঁলোকৰ পৰস্পৰৰ সৈতে এক বিশেষ গুপ্তভাষাৰ প্ৰযোগ কৰে। এনে গুপ্তভাষাক তেওলোকে ঠাৰ বুলি কয়। তেনে ভাষাৰ কেইটিমান উদাহৰণ দাঙি ধৰা হ'ল। সাধাৰণতে মূল শব্দৰ বৰ্ণকেইটি ওলট পালট কৰি বা মূল শব্দৰ ধ্বনিগত পৰিবৰ্তন কৰি নতুন শব্দৰ সৃষ্টি কৰা হয। যেনে— ভৰি > ৰভি চোলা > লোচা দুপৰীযা > পুদৰীযা আদি।

কামৰূপ জিলাৰ হাজো অঞ্চলতো মৰিয়া সম্প্ৰদায়ৰ মাজত এনে গুপ্তভাষাৰ প্ৰযোগ দেখা যায। মৰিযাসকল মুছলমান সেনাপতি তুৰবকৰ লগত অসম আক্ৰমণ কৰিবলৈ অহা সৈন্য-সামন্ত। তেওঁলোকে ১৫৩২ খ্ৰীষ্টাব্দত অসম আক্ৰমণ কৰিবলৈ আহি আহোম ৰজাৰ হাতত পৰাজয বৰণ কৰিবলগীয়া হয। ৰণাঙ্গনত তুৰবকৰ মৃত্যু হয। তেওঁলোকৰ লগত অহা সৈন্যসকলৰ এক বুজন অংশ অসমৰ বিভিন্ন স্থানত স্থাযীভাৱে বসবাস কৰিবলৈ লয। অসমত এইদৰে স্থায়ীভাৱে বৈ যোৱা মুছলমান সৈন্যসকলকেই মৰিযা বুলি চিনাক্ত কৰা হয। এই সম্প্ৰদায়ৰ লোকে পিতলৰ বাচন-বৰ্তন তৈযাৰ কৰিবলৈ লয়। বৃত্তিগত কাৰণতেই হওক অথবা অইন কোনো কাৰণতেই হওক তেওঁলোকৰ মাজত আজিও এক গুপ্তভাষাৰ প্ৰচলন আছে। বিশেষকৈ হাজো অঞ্চলৰ মৰিযাসকলৰ গুপ্তভাষা প্ৰণিধানযোগ্য। তেওঁলোকে ব্যৱহাৰ কৰা গুপ্তভাষাৰ সৈতে মান্য অসমীয়া ভাষাৰো যথেষ্ট মিল লক্ষ্য কৰা যায। তলত কেইটিমান উদাহৰণ দাঙি ধৰা হ'ল—

(ক) মূল শব্দৰ আগত নতুন বৰ্ণৰ সংযোগৰ দ্বাৰা সৃষ্টি কৰা শব্দ ° লাভ

> কোলাভ মানুহ > খানুহ, আমি > বামি আদি।

(খ) ধ্বনিগত পৰিৱৰ্তন ঘটাই সৃষ্টি কৰা শব্দ বুঢ়ী > খুৰী চাবি > টাবি বা থাবি বুঢ়া > থুৰা আদি।

(গ) মূল শব্দৰ শেষত নতুন ধ্বনিৰ সংযোগৰ দ্বাৰা সৃষ্ট শব্দ ঃ ল'ৰা > লোৰাৰী মই > মাইয়ু বা মালু, দি (দিয়া) > দিখা আদি।

হাজোৰ মৰিয়াসকলে ব্যৱহাৰ কৰা শব্দৰ মূল বিচাৰি পোৱাটো কঠিন। যেনে— চোৰ > নাধিয়াৰ চাহ > নিৰু গাই গৰু > বৌদালি ধন > মায়লা আদি ।

ড প্ৰবীণ চন্দ্ৰ দাসে হাজোৰ মৰিয়াসকলৰ মাজত ব্যৱহৃত কেইটিমান বাক্য আৰু বাক্যাংশৰ উল্লেখ কৰিছে। তেনে কেইটিমান বাক্যাংশ তলত দেখুওৱা হ'ল—

দুখ কামৰ খানুহ (তেওঁ আমাৰ মানুহ)·

দুখ খালুহিল (তেওঁ আহিছে)·

দুখ জাখা খানুহ (তেওঁ ডাঙৰ মানুহ)

লোৰাৰিজান জাদুৰা (তিৰোতাজনী বেয়া)· (A note on the Argot of the Maria of Hajo **Prabhasika** , Linguistic Society of Assam Journal, Vol II 1985)।

বৰ্তমানৰ বৰপেটা জিলাৰ বজালী অঞ্চলতো গুপ্তভাষাৰ প্ৰচলন লক্ষ্যণীয়। কালজিৰাপাৰা বজালী অঞ্চলৰ এখন ঐতিহ্যমণ্ডিত গাঁও। এই গাঁৱৰ বণিয়া সম্প্ৰদায়ৰ মাজত এটি গুপ্তভাষাৰ প্ৰচলন আছে বুলি জনা যায়। উক্ত ভাষা সেই সম্প্ৰদায়ৰ মাজতেই আবদ্ধ। অইনে সেই ভাষা জনাৰ বা বুজাৰ কোনো উপায় নাই। বজালী অঞ্চলৰ বিশিষ্ট শিক্ষক শ্ৰীধীৰেন তালুকদাৰে উল্লিখিত গুপ্তভাষা জানিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। কালজিৰাপাৰাৰ বণিয়াসকলে নতুন নতুন শব্দ নিজৰ প্ৰয়োজনত সৃষ্টি কৰি লয় আৰু নিজে বিচৰা অৰ্থৰ বাবে তেনে শব্দবোৰ ব্যৱহাৰ কৰে। যেনে— চিৰকুইতা (সান্দহ) মালি বাতাহ (টকা নাই) মালি ফুত (টকা আছে) ধুইলন (গাখীৰ), ৰঙৰ (বামুণ গণক) সুতকৈনা (ভাত), বাথিল (মৰিল) ফুত ধাতি (ধুনীযা ছোৱালী) জুলা সুতা (বুঢ়া মানুহ) জুলী সুতা (বুঢ়ী মানুহ) চেচ্‌বা সুতা (ল'ৰা মানুহ) ফুল মালি (ভঙনীয়া পইচা), ৰাঙলি (চাহ) ইত্যাদি।

উক্ত গুপ্তভাষাত মাত্ৰ শব্দৰ ওপৰতহে গুৰুত্ব দিযা হয়। প্ৰত্যয় বা ক্ৰিয়াৰ ওপৰত গুৰুত্ব দিয়া নহয। কেইটিমান বাক্য তলত দেখুওৱা হ'ল—

জুলা সুতা দুটা বৈছে (বুঢ়া মানুহ দুজন গৈছে)·

সুতকৈনা ফুত না বাহাত (ভাত আছে নে নাই)·

গাই ধুইলন ফুত (গাইজনীৰ গাখীৰ আছে) ইত্যাদি। ('বজালী অঞ্চলৰ এটি গুপ্তভাষা প্ৰভাষিকা অসম ভাষাবিজ্ঞান সমিতি ১৯৮৫)।

বিশ্বৰ প্ৰতিটো ভাষাতেই এনে গুপ্তশব্দৰ পযোভৰ আছে। ইউৰোপৰ আধুনিকতম সমাজতো এনে গোপন ভাষাই প্ৰমাণ কৰি দেখুৱাইছে যে, গুপ্তভাষা মানুহৰ পেছা সংস্কৃতি বৃত্তি তথা আন আন প্ৰয়োজনৰ ওপৰত নিৰ্ভৰশীল। এনে প্ৰযোজন আৰু পটভূমিৰ আধাৰতেই গুপ্তভাষাৰ গঠন-গঢন-ভাঙন আৰু পৰিবৰ্তন-পৰিবৰ্ধন। ইটালীয়ানসকলে এনে ভাষাক Vulgar Latin বুলি কয়। ইংৰাজসকলে ইযাক Slang Cant বা Jargon বুলি চিহ্নিত কৰে। চীনাসকলে এই পৰ্যায়ৰ ভাষাক Hiantechang স্পেনিছসকলে Xe rogo nza বুলি কয। ক্লিমেণ্ট কেচিয়নিয়ে (Clement Casciani) তেওঁৰ *Dictionnaire d Argot* নামৰ গ্ৰন্থত এনে শব্দৰ এখন দীঘলীযা তালিকা দাঙি ধৰিছে।

গুপ্তশব্দৰ জন্ম কেতিযাবা জনপ্ৰিয় অপভাষাৰ (Slang) মাধ্যমেৰেও হ'ব পাৰে। একেটা শব্দ বিশিষ্ট সমাজত বৰ্জিত হ'ব পাৰে। তেনে বৰ্জিত ভাষাই চহা জীৱনত নতুন মাত্ৰা প্ৰদান কৰাৰো উদাহৰণ আছে। অপভাষাই কেতিয়াবা গুপ্তভাষাৰ স্থানতো উপবিষ্ট হয। য'ত এটা বৃত্তিৰ সম্প্ৰদাযে নিজৰ বৃত্তিগত স্বাৰ্থৰ বাবে এটা গোপন ভাষা ব্যৱহাৰ কৰে তেনে ভাষাত অপভাষা বা অপকৃষ্ট ভাষাৰ উপাদান নাথাকিবও পাৰে। কিন্তু য'ত কোনো অপৰাধমূলক কাৰ্যসিদ্ধিৰ বাবে উদ্দেশ্যপ্ৰণোদিতভাৱে এটা ভাষাক বিকৃত কৰি কোৱা হয তেনে ভাষাই লোক-ভাষা বা চহা-ভাষাৰ মৰ্যাদা পাব নোৱাৰে। চহা-ভাষাই বাস্তৱ ক্ষেত্ৰত মানুহৰ মাজত তৎকাল সম্প্ৰীতি আনে। একেটা কথা এটা বিশেষ সম্প্ৰদায় বা গোষ্ঠীৰ মাজত গুপ্তভাষাৰ মাজেৰেও সম্ভৱ হ'ব পাৰে। তেনে এটা বৃত্তিয়াল সম্প্ৰদাযৰ সৈতে তৎকাল যোগাযোগ স্থাপনৰ বাবে তেওঁলোকৰ মাজত প্ৰচলিত গুপ্তভাষাৰ সহায় ল'ব পাৰি। পিছে, তেনে ক্ষেত্ৰত গুপ্তভাষাৰ সৈতে পৰিচিত হৈ ল'ব লাগিব। যেনে— মাছমৰীয়াসকলৰ সমাজত এনে কিছু গুপ্তশব্দৰ প্ৰয়োগ হয় যিবোৰৰ মাজেৰে তেওঁলোকে নিজৰ সমস্যা-সংকটৰ কথা বেকত কৰে। এনে শব্দসম্ভাৰৰ মাজত বহুখিনি অশালীন শব্দও আছে। ১৭৮৫ চনতে ফ্ৰানছিছ গ্ৰছ-এ (Francis Grose) *A Classical Dictionary of Vulgar Tongue* নামৰ শব্দ-সঞ্চয়নখনত ইংৰাজ সমাজত ব্যৱহৃত হোৱা অপকৃষ্ট শব্দবোৰ গোট খুৱাইছে।

গুপ্তভাষা কেতিয়াবা অপকৃষ্ট ভাষাৰ পৰাও উদ্ভৱ হ'ব পাৰে। অপকৃষ্ট ভাষা বা শব্দ সময়ৰ অগ্ৰগতিৰ লগে লগে গুপ্তভাষাৰ পৰ্যায়ভুক্ত হ'ব পাৰে বুলি বিশিষ্ট ভাষাবিদসকলেও ভাবে। অধ্যাপক ছাইমন পটাৰে লিখিছে— Now because slang is intimate it passes imperceptively into secret or sryptic

language and that is why the boundaries between slang and cant are hard to discern and define (*Our Language*)

অনেক সময়ত নিষিদ্ধ ভাষা বা শব্দও গুপ্তভাষাৰ পৰ্যাযভুক্ত হ'ব পাৰে। নিষিদ্ধ ভাষা কি? এনে প্ৰশ্নৰ উত্তৰ দিযাটো কঠিন। যি শব্দ শালীন সমাজত নচলে তেনে শব্দ তেনে সমাজত নিষিদ্ধ। তেনে শব্দ Tabooed word হৈ গুপ্তভাষাৰ জোলোঙাত সোমাই পৰে। নগৰ-চহৰত বৃত্তিগতভাৱে থকা গণিকা সমাজতো এনে গুপ্তভাষাৰ প্ৰচলন মন কৰিবলগীয়া। ঠিক অপৰাধ জগতৰ লগত সংশ্লিষ্ট নহ'লেও গণিকা সমাজৰো এক নিজস্ব শব্দ ভাণ্ডাৰ আছে। বিশেষকৈ যৌনকৰ্ম তথা যৌন ব্যৱসাযৰ লগত জড়িত অনেক শব্দ শালীন সমাজত নিষিদ্ধ হৈ অধুনা গুপ্তভাষাৰ সীমনাত সোমাই পৰিছে। সামাজিক পৰিবৰ্তনৰ পটভূমিত কেতিয়াবা অশালীন শব্দ কিছুমানো নতুনকৈ নতুন মাত্ৰাৰে শালীন সমাজত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। অধ্যাপক পিটাৰ ট্ৰাদজিলে (Peter Trudgill) এই সম্পৰ্কে লিখিছে— Until recently the strict rules associated with some taboo words in English received legal as well as social reinforcement (*Sociolinguistics*)

নিষিদ্ধ শব্দ আৰু গুপ্তভাষাৰ মাজৰ সীমাৰেখা অতি দুৰ্বল। কাৰণ গুপ্তভাষা কোৱা বা ব্যৱহাৰ কৰা লোকসকলৰ ঘৰত তেনে ভাষাক নিজৰ বাবে নহ'লেও অইনৰ বাবে নিষিদ্ধ বুলিয়েই ভবা হয।

গুপ্তভাষা সদায অৰ্থহীন আৰু বিসঙ্গতিপূৰ্ণ নহয। এটা শব্দৰ চিৰাচৰিত আৰু প্ৰচলিত অৰ্থই শেষ কথা হ'ব নোৱাৰে। অৰ্থবহ শব্দও কেতিযাবা প্ৰযোজনৰ খাতিৰত নতুন অৰ্থেৰে আত্মপ্ৰকাশিত হয। যেনে— পুলিচ বুজাবলৈ পুলিচ নুবুলি অইন অৰ্থবহ শব্দ ব্যৱহাৰ কৰাৰো উদাহৰণ নোহোৱা নহয। বিশেষকৈ অপৰাধ জগতৰ বাসিন্দাসকলে (Underworld Citizens) প্ৰতিষ্ঠিত অভিধানখনকেই নতুনকৈ লিখি লোৱাৰ উদাহৰণ আছে। ভক্তিপ্ৰসাদ মল্লিকে এনে Underworld ৰ ভাষা সম্পৰ্কে আলোচনা কৰিছে।

নাৰী-সমাজৰ মাজত পৰিবেশ সাপেক্ষে ব্যৱহৃত হোৱা ভাষা কেতিযাবা পুৰুষ সমাজৰ বাবে গুপ্তভাষা হ'ব পাৰে। এনে কিছুমান শব্দ আছে যিবোৰ শব্দৰ প্ৰযোগ কেৱল নাৰী-সমাজতহে চলে। পুৰুষ-সমাজত তেনে ভাষা অচল। এই সম্পৰ্কেও যৎ কিঞ্চিৎ আলোচনা কৰিছে আব্দুল কালাম মনজুৰ খোৰশেদে তেওঁৰ *ভাষাতত্ত্ব* গ্ৰন্থত। একেদৰে হিজৰাবোৰৰ মাজতো আমাৰ বাবে অবোধ্য এক গুপ্তভাষা আছে। ❑

ভাৰতীয় আলংকাৰিকৰ ভাষা-চিন্তা আৰু শৈলীবিজ্ঞান

❑ মালিনী গোস্বামী

(১)

সাহিত্য ৰচনাৰ লগে লগে ভাষাৰ চিন্তা ভাৰতীয় প্ৰজ্ঞাৰ প্ৰাচীন পৰম্পৰা। সুবিশাল বৈদিক সাহিত্যৰাজিৰ অধ্যয়ন আবৃত্তি আৰু অৰ্থবোধৰ বাবে ছয় প্ৰকাৰ বেদাঙ্গৰ অন্যতম শিক্ষা ব্যাকৰণ আৰু নিৰুক্ত ৰচিত হৈছিল। এই সমূহ গ্ৰন্থই লেখা আৰু কথা উভয়বিধ ভাষাৰে বিশুদ্ধতা ৰক্ষাৰ বাবে যত্নপৰ হৈছিল। শিক্ষাই বিশুদ্ধ বেদপাঠৰ জ্ঞান দিয়ে। শিক্ষা গ্ৰন্থসমূহ ধ্বনিবিজ্ঞানৰো উৎস। ইয়াত বৰ্ণ স্বৰ মাত্ৰা বল সাম আৰু সন্তাৰ (সন্ধি) আলোচনা আছে। চৌষষ্টীটালৈকে বৰ্ণৰ ব্যৱহাৰ উচ্চাৰণৰ স্থান স্বৰবৰ্ণ এটাক উচ্চাৰণ কৰোঁতে লগা সময় ব্যঞ্জনৰ উচ্চাৰণৰ স্থান প্ৰযত্ন আদিৰ ব্যৱহাৰিক তথা সুষম উচ্চাৰণৰ বাবে প্ৰয়োজনীয় যোগ্যতা সমতা সংহিতা বা পদসমূহৰ একান্ত সন্নিধি আদি ভাষাৰ মৌখিক ব্যৱহাৰ বিধি এই গ্ৰন্থবোৰে নিৰ্দেশ কৰে। শিক্ষাৰ সমান্তৰালভাৱে ৰচিত প্ৰাতিশাখ্যসমহত উচ্চাৰণ পদ্ধতি স্বৰ বিধানৰ উপৰিও সন্ধিকে ধৰি পাণিনি আদিৰ ব্যাকৰণত বিবৃত আন ভালেমান বৈয়াকৰণিক বিষয়েও স্থান পাইছে। সায়নাচাৰ্যই প্ৰধানঞ্চ ষটসু অঙ্গেষু ব্যাকৰণম বুলি ব্যাকৰণৰ বাবে উচ্চ স্থান নিৰূপণ কৰিছে। 'ব্যাকৰণং বৈ মুখং বেদানাম মুখং ব্যাকৰণং স্মৃতম আদি অভিমতেৰে সেই কালত ব্যাকৰণ তথা ভাষা চৰ্চাক অগ্ৰাধিকাৰ দিছে। ঋকবেদত ব্যাকৰণ বা শব্দশাস্ত্ৰক বৃষভৰ ৰূপকেৰে প্ৰশংসা কৰা হৈছে (৪/৫৮/৬)। কাত্যায়ন আৰু পতঞ্জলিয়ে দীঘলীয়া যুক্তিৰে বুজাই দিছে যে লোপ আগম বৰ্ণবিকাৰৰ নীতি লিঙ্গ বিভক্তিৰ উপযোগ সমাসমান পদ ভঙা পতাৰ কৌশল নাজানিলে বেদমন্ত্ৰৰ অপপ্ৰয়োগ হ'ব পাৰে। দুষ্ট শব্দ বৰ্জন কৰিবলৈ অৰ্থবোধ শুদ্ধ হ'বলৈ আৰু লগতে আশ্ৰম সংস্কৃতি ঋত্বিক পদ্ধতি আৰু গাৰ্হস্থ্য-ৰীতি ৰক্ষা কৰিবলৈকো ব্যাকৰণ জ্ঞানৰ ওপৰত গুৰুত্ব দিছে। কিয়নো সুস্থ সমাজ জীৱন যাপনৰ বাবে একমাত্ৰ মাধ্যম যে ভাষা আৰু ভাষাৰ সুপ্ৰয়োগ অবিহনে যে দলবদ্ধ জীৱন সুখকৰ নহয় সেই কথা প্ৰাচীনসকলে

ভালদৰে উপলব্ধি কৰিছিল বাবেই সেই যুগত কথ্য লেখ্য দুযোবিধ ভাষাৰ চৰ্চা বহলভাৱে হৈছিল। পৰৱৰ্তী কালত ভাষাৰ অনুশাসনৰ বাবে ব্যাকৰণ ৰচনা কৰা হৈছিল আৰু ব্যাকৰণেই ভাষাৰ কথ্য আৰু লেখা স্বৰূপ নিৰূপণ কৰি দিছিল। তথাপি অলংকাৰ-শাস্ত্ৰ কোষশাস্ত্ৰ আৰু ছন্দশাস্ত্ৰযো ভাষাৰ কাৰ্যকাৰিতাৰ ওপৰত চোকা দৃষ্টি ৰাখি তাৰ গতিবিধি নিয়ন্ত্ৰণ কৰিছিল। অলংকাৰ আৰু ছন্দশাস্ত্ৰ প্ৰধানকৈ সাহিত্যৰ লগত পোনপটীয়াকৈ জড়িত হোৱাৰ বাবে দুযোবিধ গ্ৰন্থই সাহিত্যৰ ভাষা বা লেখ্য ভাষাৰ ওপৰতহে চিন্তা-চৰ্চা আগবঢ়াইছিল।

আচাৰ্য ভৰতমুনিৰ নাট্যশাস্ত্ৰখনত নাট্য সম্বন্ধীয় কথাই প্ৰধানকৈ সন্নিবিষ্ট হৈছে যদিও ৰস ৰীতি সংলাপ আদিকে ধৰি কাব্যৰ বাবে প্ৰযোজনীয় সকলো বিষয় অন্তৰ্ভুক্ত হৈছে বাবে ইয়াক অধুনা প্ৰাপ্ত প্ৰথমখন অলংকাৰ শাস্ত্ৰ বুলিও কোৱা হয়।

ভৰতমুনিয়ে নাট্যশাস্ত্ৰৰ পঞ্চদশ অধ্যায়ত বাচিক অভিনযৰ প্ৰসঙ্গত স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ ঘোষ অঘোষ আদিৰ স্থানৰ লগতে স্বৰ ব্যঞ্জন বিশেষ্যপদ ক্ৰিয়াপদ উপসৰ্গ প্ৰত্যয ক্ৰিয়া-বিশেষণ সমাস আদিৰ বিষযে বহলাই আলোচনা কৰিছে। 'বিভক্ত্যন্তং পদং জ্ঞেযং বুলি পদৰ সংজ্ঞা দি চূৰ্ণ আৰু নিবন্ধ ভেদে দুই প্ৰকাৰ পদৰ স্বৰূপ ব্যাখ্যা কৰিছে আৰু নাট্য সংলাপত ভাষাৰ অশুদ্ধিযে যে চৰিত্ৰৰ স্বৰূপ সলনি কৰিব পাৰে তাকো সকিযাই দিছে। প্ৰধানকৈ কাব্যৰ শৰীৰতত্ত্ব আৰু আত্মাতত্ত্ব বিশ্লেষণ কৰাহে অলংকাৰ-শাস্ত্ৰৰ প্ৰধান কাম আছিল যদিও কাব্যৰ ৰস গুণ ৰীতি ধ্বনি উক্তি আদিৰ লগত ভাষাৰ যি নিবিড় সম্পৰ্ক তাক আলংকাৰিকসকলে ভালদৰে উপলব্ধি কৰিছিল আৰু কাৰক বিভক্তি প্ৰত্যযৰ এটা সামান্য চিহ্নই দিব পৰা অভিব্যঞ্জনা সম্পৰ্কে সচেতন দৃষ্টি ৰাখিছিল।

নাট্যশাস্ত্ৰৰ পৰা কাব্যতত্ত্বৰ বিষযটোক সুকীয়াকৈ আঁতৰাই আনি ভামহে পোন প্ৰথমবাৰৰ বাবে স্বতন্ত্ৰ অলংকাৰ-শাস্ত্ৰৰ ধাৰা প্ৰৱৰ্তন কৰে। ইযাত কাব্যৰ সংজ্ঞা দি ভামহে 'শব্দাৰ্থৌ সহিতৌ কাব্যম্ বুলি কৈ শব্দাৰ্থৰ মিলিত সত্তাক বাচ্য-বাচক সম্বন্ধেৰে প্ৰতিষ্ঠা কৰিছে। কাৰক বিভক্তি প্ৰত্যয আদি যুক্ত একেটা শব্দৰে ভিন ভিন ৰূপে কাব্যভাষাত দিয়া ভিন ভিন অৰ্থৰ তাৎপৰ্য সম্পৰ্কেও ভামহে চিন্তা আগবঢ়াইছে। অলংকাৰক প্ৰাধান্য দি তেও কাব্যালংকাৰ গ্ৰন্থ ৰচনা কৰিছে যদিও কাব্যভাষাৰ ব্যাকৰণগত বৈশিষ্ট্যসমূহত মনোযোগ নিদিয়াকৈ থকা নাই। কিয়নো 'সৰ্বথা পদমপোকং ন নিগাদ্যমবদ্যবত বুলি কৈ দোষযুক্ত এটি শব্দত অলংকাৰ প্ৰয়োগ কৰাটো ভামহে অনুমোদন কৰা নাই।

ভামহৰ পৰৱৰ্তী অলংকাৰবাদী দণ্ডীয়েও ব্যাকৰণক উপেক্ষা কৰি যিসকলে কাব্যত অপশব্দ প্ৰয়োগ কৰিবলৈ কুণ্ঠিত নহয সেইসকলক কু-কবি আখ্যা দিছে

আৰু তেওঁলোকক লক্ষ্য কৰি কৈছে গৌ গৌ° কামদুঘা সম্যক্ প্রযুক্তাস্মর্যাতে বুধৈ°। দুস্প্রযুক্তা পুন গোত্বং প্রযোক্তু° সৈৱ আশংসতি।। (১/৬)।

কাব্যালংকাৰ নির্মাণৰ ক্ষেত্রত তেওঁ প্রকৃতি-প্রত্যয়ৰ ভূমিকা সম্পৰ্কেও উল্লেখ কৰিছে। তেওঁ কাব্যাদর্শত যি 'মার্গ'ৰ বিষয়ে অৱতাৰণা কৰিছে তাত ভাষাৰীতিৰ ভিন্নতাই প্রধানকৈ গুৰুত্ব লাভ কৰিছে। শব্দচয়ন শব্দগ্রথন বাক্যবিন্যাস অলংকাৰ-প্রয়োগ আদিৰ ওপৰত নির্ভৰ কৰি হোৱা ভাষাৰ ভিন্নতাতে বিভিন্ন কাব্যমার্গই স্বীকৃতি লাভ কৰে। সুকুমাৰ মধ্যম আৰু বিচিত্র এই তিনি মার্গৰ পার্থক্য সমাসৰ বাৰংবাৰতা আৰু পদান্বয়ৰ ওপৰত নির্ভৰ কৰিয়ে দণ্ডীয়ে থিৰ কৰিছে। গতিকে দণ্ডীৰ দৃষ্টিভঙ্গীৰে সাহিত্য-সমালোচনা কৰিবলৈ হ'লে ভাষা-প্রয়োগ-বিধি সমালোচকে আয়ত্ত কৰিব লাগিব। সেয়েহে সন্ধি আৰু সমাসৰ বিস্তৃত আলোচনাই সাহিত্য-সমালোচনাৰ অধিকাংশ অধিকাৰ কৰিছে।

ৰীতি প্রস্থানৰ প্রবর্তকৰূপে আৰু কাব্যৰ আত্মান্বেষণত ব্রতী প্রথমজন আলংকাৰিক হিচাপে অষ্টম শতিকাৰ আচার্য বামনে বিশেষ কৃতিত্ব অর্জন কৰিবলৈ সক্ষম হৈছে। কাব্যালংকাৰসূত্রবৃত্তি° নামৰ অলংকাৰ গ্রন্থৰ প্রথম অধিকৰণৰ প্রথম অধ্যায়ৰ প্রথমটো সূত্রৰ স্বৰচিত বৃত্তিত তেওঁ কাব্য শব্দৰ দ্বাৰা সাধাৰণভাৱে আৰু লাক্ষণিকভাৱেও গুণ-অলংকাৰ সংযুক্ত শব্দার্থক বুজাইছে। বামনে প্রতিটো অধিকৰণৰ প্রতিটো অধ্যায়ত বিষয়ানুক্রমে সূত্র ৰচনা কৰি গৈছে আৰু প্রতিটো সূত্রৰ লগে লগে স্বৰচিত গদ্যাত্মক বৃত্তি আগবঢ়াইছে। বৃত্তিত সূত্রব্যাখ্যা কৰিবৰ বেলিকা পদে পদে ভাষাতাত্ত্বিক বিশ্লেষণৰ আশ্রয় লৈছে। ব্যাকৰণিক নিয়মকে তেওঁ কেতিয়াবা সূত্র নির্বচনৰ আহিলাৰূপে ব্যৱহাৰ কৰিছে। উদাহৰণ স্বৰূপে সৌন্দর্য্যমলংকাৰ° — এই বুলি অলংকাৰৰ সংজ্ঞা দি বৃত্তিত তাৰ ব্যাখ্যা কৰি কৈছে কাব্যৰ সৌন্দর্য সম্পাদক সকলো উপাদানেই অলংকাৰ। কিন্তু কৰণ কাৰকত ব্যুৎপত্তি বিচাৰিলে এই অলংকাৰ শব্দই উপমা প্রভৃতিক বুজাব। একেটা শব্দৰে পৰা ভিন ভিন কাৰক প্রয়োগেৰে ভিন ভিন অর্থ উলিওৱাৰ এই কৌশল ধ্বন্যালোকৰ বৃত্তিকাৰেও প্রয়োগ কৰিছে। সূত্র-চুম্বক আৰু স্পষ্ট কৰিবৰ বাবে বৃত্তিকাৰে এনে কৌশল অৱলম্বন কৰে।

কবিসকলে আয়ত্ত কৰিবলগীয়া বিদ্যাসমূহৰ উল্লেখ কৰোঁতে বামনে শব্দস্মৃতি বা ব্যাকৰণক অগ্রাধিকাৰ দিছে— 'শব্দস্মৃত্যভিধান কোশ ছন্দোবিচিতিকলাকামশাস্ত্রদণ্ডনীতি পূর্বাবিদ্যা° (১/৩/৩) এই সকলো বিদ্যাৰ ভিতৰত ব্যাকৰণ ইত্যাদিৰ জ্ঞান কবিৰ বাবে অপৰিহার্য। কিয়নো 'শব্দস্মৃতে° শব্দশুদ্ধিঃ ব্যাকৰণৰ পৰা শব্দৰ শুদ্ধ প্রয়োগৰ জ্ঞান হয়।

বামনৰ মতে শ্রেষ্ঠ সাহিত্য-ৰীতি সৃষ্টিৰ বাবে কবিজন বক্তব্য বিষয়ত স্পষ্ট

আৰু শব্দশাস্ত্ৰত নিষ্ণাত হোৱাটো একান্তই প্ৰয়োজনীয় কথা। শব্দানুশাসনত অৰ্থাৎ ব্যাকৰণ শাস্ত্ৰত বিশেষ ব্যুৎপত্তি নাথাকিলে কবিৰ ৰচনাত বাঙমাধুৰ্য ক্ষৰিত নহয়— বামনে বৃত্তিত কৈছে—'সতি বক্তৰি সত্যৰ্থে সতি শব্দানুশাসনে। অস্তি তন্ন বিনা যেন পৰিস্ৰাৱতি বাঙমধু।। অতি লক্ষ্যণীয় যে 'সমস্তগুণোপেৎ বৈদৰ্ভী'-ৰ পৰিচয়মূলক সূত্ৰটোৰ বৃত্তিত বামনে এই শ্লোক ফাকিৰ অৱতাৰণা কৰিছে আৰু লগে লগে বৈদৰ্ভী ৰীতিৰ উদাহৰণৰূপে বামনে কালিদাসৰ শকুন্তলা নাটকৰ প্ৰথম অংকৰ পৰা এটি শ্লোক উদ্ধাৰ কৰিছে। শ্লোকটিত গ্ৰীষ্মকালীন দুপৰীয়া এটাত বন্য পশুৰ আচৰণ বৰ্ণিত হৈছে। শ্লোকটিৰ বাক্য গাঁথনিত কোনো ব্যাকৰণগত ভুল নাই। শব্দসজ্জা আৰু বাক্যসজ্জা বিষয়বস্তুৰ লগত খাপ খাই পৰিছে। শ্লোকটোৰ প্ৰতি চৰণতে উত্থাপিত ভিন ভিন বিষয়বস্তুৰ অনুকূলে বিশেষভাৱে বৰ্ণসমূহ গ্ৰথিত হৈছে। প্ৰথমটো চৰণত মহিষৰ দলে পংকিল পল্বলৰ (জলাশয়ৰ) পানী শিঙেৰে আলোড়ন কৰাৰ কথা ক'বলৈ যাওঁতে কবিয়ে শৃঙ্গৈমুহুস্তাড়িতম আদিৰ দৰে সমাসবদ্ধ পদ ব্যৱহাৰ কৰিছে। ৰ -কাৰৰ সঘন প্ৰয়োগ ঘটিছে। য শ আদিৰ উপৰিও ড আৰু যুক্তাক্ষৰ প্ৰয়োগ কৰিছে। ৰচনাৰ গাঢ়তাই বক্তব্য বস্তুলৈ গাঢ়তা আনিছে। কিন্তু চতুৰ্থটো চৰণত য'ত ৰজাই জ্যা (ধনুৰ গুণ) শিথিল কৰি ধনুক বিশ্ৰাম দিয়াৰ কথা কৈছে, তাত কবিয়ে শিথিলতা বিশ্ৰাম আদিৰ ভাব আনিবলৈ অলপ প্ৰযত্নতে উচ্চাৰিত লঘু বৰ্ণ আৰু ত বৰ্গৰ বৰ্ণ সঘনে ব্যৱহাৰ কৰিছে। ট -বৰ্গৰ বৰ্ণ সম্পূৰ্ণৰূপে বৰ্জন কৰিছে। সেয়েহে চতুৰ্থ চৰণটি পঢ়োঁতে পাঠকৰ জিভাত এনেয়ে এটা শিথিলতা আহিয়ে পৰিছে। ফলত বক্তাৰ অভিপ্ৰেত ভাবে পাঠকৰ মনো সহজে স্পৰ্শ কৰি গৈছে।

ৰীতিৰ এনে বিশ্লেষণাত্মক চৰ্চাৰ পৰা এটা কথা স্পষ্টভাৱে বুজিব পাৰি যে প্ৰাচীনসকলে ৰীতিক কাব্যৰ বহিৰঙ্গগত আভৰণ বুলি কেতিয়াও ভবা নাছিল। বৰং অলংকাৰৰ পৰা পৃথক কৰি দেখুৱাবলৈ বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পণত ৰীতিক 'ৰীতিৰৱয়ব সংস্থান বিশেষৱৎ বুলি কৈছে। মানুহ এজন নিখুঁত সুন্দৰ আৰু সম্পূৰ্ণ হ'বলৈ হ'লে চকু কাণ নাক আদি অৱয়ব বিশেষভাৱে স্থাপিত হ'ব লাগিব। আনহাতে অলংকাৰক কোৱা হৈছে 'কটককুণ্ডলাদিৱৎ।

ওপৰত উদ্ধৃত বামনৰ বৃত্তিটিৰ পৰা এই কথা স্পষ্টকৈ বুজিব পাৰি যে যিসকল আলংকাৰিকে সাহিত্যত ৰীতিৰ বিচাৰ কৰিছিল তেওঁলোকে কবি-সাহিত্যিকৰ নিৰ্মিতিত শব্দৰ ধ্বনিগত সাৰ্থকতা আৰু ব্যাকৰণগত শুদ্ধতা সদায় কামনা কৰিছিল। এনেদৰে ভাষাৰ সফল প্ৰয়োগ পৰীক্ষা কৰিহে কবি আৰু কবিতাৰ মান নিৰ্ণয় কৰা হৈছে। কাৰণ তাত সাহিত্যিকজনৰ ৰুচি শব্দ-চয়নৰ দক্ষতা আঞ্চলিক বৈশিষ্ট্য আদিৰ লগতে ভাষা-জ্ঞানৰ পৰিসৰো বিবেচনা কৰা হৈছিল। ৰীতিবাদী

আলংকাৰিকসকলে কাব্য গুণৰ কথা যেতিয়া আলোচনা কৰিছে, তেতিয়া কাব্যভাষাক কেৱল লেখকৰ ভাব প্ৰকাশৰ মাধ্যম বুলিয়ে ভবা নাই, বৰং কাব্যত ব্যৱহৃত গুণাত্মক ৰীতিয়ে পাঠকৰ ওপৰত পেলোৱা প্ৰভাৱ আৰু প্ৰতিক্ৰিয়াৰ কথাও ভাবিছে। মাধুৰ্য ওজ আৰু প্ৰসাদ নামৰ ত্ৰিনিবিধ গুণৰ পৰিপোষক বৰ্ণাৱলীৰ কাৰ্যকাৰিতা লক্ষ্য কৰিলে বুজিব পাৰি যে বৰ্ণৰো ৰস ভাব আৰু আৱেগ-অনুভূতি প্ৰকাশ কৰিব পৰা ক্ষমতা আছে।

সাহিত্য-পাঠৰ সময়ত পাঠকৰ চিত্তৰ বা মনটোৰ বিভিন্ন অৱস্থা প্ৰাপ্ত হয়। কেতিয়াবা শোকত বা স্নেহত মনটো সেমেকি উঠে তাকে দ্ৰুতি বোলে। কেতিয়াবা খঙত গা জ্বলি যোৱা যেন হয় মনৰ তেনে অৱস্থাক দীপ্তি বোলে। কেতিয়াবা হাঁহিত মনটো ফৰকাল হৈ পৰে তাকে বিকাশাৱস্থা বোলে। ভয়ত বা ঘৃণাত মনটো কোঁচ খাই পৰে তাকে চিত্তৰ সংকোচ ঘটা বোলে। কেতিয়াবা আচৰিত বৰ্ণনা পঢ়ি চকু বহলকৈ মেল খাই যায় তেনে অৱস্থাত চিত্তৰ বিস্তাৰ ঘটে। এনেদৰে সৃষ্টিশীল ৰচনা পঢ়াৰ সময়ত পাঠকৰ চিত্তই দ্ৰুতি দীপ্তি, বিকাশ সংকোচ বিস্তাৰ বিক্ষেপ আদি বিভিন্ন অৱস্থা লাভ কৰে। আচলতে ৰস মাত্ৰৰে অনুভৱত পাঠকৰ চিত্তত এনেবোৰ প্ৰতিক্ৰিয়া হয়। কিন্তু ৰসতো সদায় ব্যঞ্জনাৰহে বস্তু। গতিকে যিবোৰ শব্দৰ দ্বাৰা ৰস বিশেষ ৰূপায়িত হয় সেইবোৰ শব্দই পাঠকৰ মনত এনে প্ৰতিক্ৰিয়া ঘটোৱাৰ দায়িত্ব ল'বলগীয়া হয়। সেয়েহে অভিপ্ৰেত ৰস-ভাৱৰ অনুকূলে শব্দ চয়ন কৰাটো কবিৰ বাবে এক গুৰু দায়িত্ব হৈ পৰে। সেয়ে ভাষাৰ মূল সামগ্ৰী ধ্বনি (sound) সম্পৰ্কে কবি সমালোচক উভয় পক্ষ সচেতন হোৱাটো প্ৰয়োজনীয় বুলি আলংকাৰিকসকলে ভাবে।

শৃংগাৰ কৰুণ আদি ৰস আৰু মৰম স্নেহ শ্ৰদ্ধা ভক্তি আদি কোমল ভাব ব্যঞ্জিত কৰিবলৈ শব্দত মাধুৰ্য নামৰ গুণবিধ থকা প্ৰয়োজন। বৰ্গৰ পঞ্চম বৰ্ণ ট-বৰ্গৰ বাহিৰে ক-কাৰ আদি চাৰি বৰ্গৰ আখৰ সমাসহীন বা অল্প সমাসবিশিষ্ট মৃদু ৰচনাকে মধুৰ ৰচনা বোলা হয়। পণ্ডিতৰাজ জগন্নাথৰ মতে ট-বৰ্গ ভিন্ন আন বৰ্গৰ প্ৰথম আৰু দ্বিতীয় বৰ্ণ শ ষ স য ৰ ল ৱ আৰু পঞ্চম বৰ্ণই শব্দত মাধুৰ্য প্ৰদান কৰে। অনুনাসিকৰ লগত দন্ত্য বৰ্ণৰ সংযোগে ৰচনা মৃদু কৰি তোলে। ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি বিষয়ক কবিতাত এনে পদ-ৰচনাই প্ৰাধান্য পাইছে। মাধুৰী কবিতাটি ইয়াৰ উত্তম উদাহৰণ।

ট-বৰ্গৰ সকলো বৰ্ণ ড ঢ শ ষ ৰ -কাৰৰ বহুল প্ৰয়োগ বৰ্গৰ প্ৰথম আৰু তৃতীয় বৰ্ণৰ লগত দ্বিতীয় চতুৰ্থ বৰ্ণৰ যুক্তাক্ষৰ তথা ৰেফযুক্ত যুক্তাক্ষৰ দীৰ্ঘ সমাসযুক্ত পদ ওজঃ গুণৰ ব্যঞ্জক। বীৰ ৰৌদ্ৰ ভয়ানক বিভৎস আদি ৰসৰ ৰূপায়ণত যুদ্ধ বিপ্লৱ দুৰ্যোগ আদিৰ বৰ্ণনাত ওজঃ গুণযুক্ত শব্দই সাৰ্থকভাৱে

অভিপ্ৰেত বক্তব্য দাঙি ধৰিব পাৰে। উদাহৰণস্বৰূপে

ঠাট প্ৰকট পটু কৌটি কৌটি কপি
গিৰি গড গড পদ ঘাৰে।

—ট -বৰ্গৰ বহুল প্ৰযোগ ড আৰু চতুৰ্থ বৰ্ণৰ ব্যৱহাৰে ৰচনাটি ওজস্বিনী কৰি তুলিছে। হৰিশ্চন্দ্ৰ উপাখ্যানৰ যুদ্ধৰ বৰ্ণনাংশত শঙ্কৰদেৱে বাৰে বাৰে ওজংগুণযুক্ত পদাৱলী ৰচনা কৰিছে।

শব্দৰ যি গুণটিযে থিতাতে পাঠকৰ মন অভিভূত কৰি তুলিব পাৰে সেই গুণটিক প্ৰসাদ গুণ বুলি কোৱা হৈছে। শব্দ আৰু অৰ্থৰ স্পষ্টতা ব্যাকৰণৰ শুদ্ধতা বৰ্ণ-বিচ্যুতিৰ অভাব আদিযে শব্দলৈ প্ৰসাদ গুণ কঢিযাই আনে।

বামনকে ধৰি ৰীতিৰ আলোচনাত প্ৰবৃত্ত হোৱা সকলো কাব্যতাত্ত্বিকে বিভিন্ন গুণৰ সমাবেশত প্ৰস্তুত হৈ উঠা বিভিন্ন ৰীতিৰ লক্ষণো নিৰ্দিষ্ট কৰি দিছে। সেই মতে ভাবৰ অনুকূলে সকলো গুণ য'ত থাকে তাকেই বৈদৰ্ভী ৰীতি বুলিছে। সন্ধি-সমাসৰ বাহুল্য জটিল বাক্য গাঁথনি আৰু ওজ আৰু কান্তি গুণবিশিষ্ট শব্দাৱলীৰ সমাবেশত গৌড়ী ৰীতি। মাধুৰ্য সৌকুমাৰ্য প্ৰসাদ আদি গুণযুক্ত শব্দ-সম্ভাৰৰ প্ৰাচুৰ্যই পাঞ্চালী ৰীতিৰ জন্ম দিযে।

ওপৰৰ চমু আলোচনাৰ পৰা বুজা যায যে ৰসভাবৰ পৰিপুষ্টিৰ বাবে বিষযবস্তুৰ অনুকূলে বিশেষ নিযমে শব্দগ্ৰথনকে ৰীতি বুলি কোৱা হৈছে। কিন্তু এনে শব্দগ্ৰথন বা পদ-ৰচনা হ'ব লাগিব বিষযগত। গতিকে ৰীতি বস্তুনিষ্ঠ ৰচনা কৌশল। ইযাক বাগ্বিধিৰ নিযম আৰু কাব্যভাষাৰ শ্ৰেণী-বিভাজনো বুলিব পাৰি।

বামনৰ পৰৱৰ্তীকালীন ৰুদ্ৰটে কাব্যভাষাত শব্দ-সন্নিধিৰ উপকাৰিতা আৰু অপকাৰিতাৰ আলোচনা কৰিছে। কুন্তকে কাব্যৰ ধ্বনি আৰু ৰসক উপেক্ষা নকৰাকৈ বক্ৰোক্তিক কাব্যৰ জীৱন বুলি কৈছে। কাব্যশৰীৰৰ বিভিন্ন অঙ্গত বক্ৰতা প্ৰযোগৰ সম্ভাবনীয়তা লক্ষ্য কৰাৰ সময়তো তেওঁ প্ৰধানকৈ নিৰ্ভৰ কৰিছে ভাষাৰ ব্যাকৰণগত উপাদানসমূহৰ ওপৰত। ছয প্ৰকাৰ বক্ৰতাৰ ভিতৰত চাৰি প্ৰকাৰ বক্ৰতা যেনে— বৰ্ণ পদপূৰ্বাৰ্ধ পদাপৰাৰ্ধ আৰু বাক্য—এই চাৰিটি মূলত ভাষিক উপাদানৰ ওপৰত নিৰ্ভৰশীল। বৰ্ণ-বিন্যাস বক্ৰতা প্ৰধানকৈ বৰ্ণৰ ধ্বনিসাম্যৰ দ্বাৰা নিৰ্মিত হয়। বিশেষণ সমাস উপসৰ্গ ধাতু লিঙ্গ ক্ৰিয়াৰ প্ৰয়োগ আৰু অৰ্থৰ বৈচিত্ৰ্যৰ ওপৰত পদপূৰ্বাৰ্ধ বক্ৰতা নিৰ্ভৰশীল। কাল কাৰক বচন বাচ্য সৰ্বনাম অব্যয় আদিৰ সহযোগত পদাপৰাৰ্ধ বক্ৰতা আৰু অলংকাৰ-নিৰ্ভৰ বাক্য-গঠন-ৰীতিত বাক্যবিন্যাস বক্ৰতা ৰচনা কৰা হয়। গতিকে কুন্তকৰ কাব্য-সমালোচনা-বিধিত ভাষাতাত্ত্বিক বিশ্লেষণে অধিক গুৰুত্ব পাইছে। কুন্তকে ব্যাকৰণগত বিশুদ্ধিৰ ওপৰত জোৰ দিছে যদিও বৰ্ণ পদ বাক্যৰ ব্যতিক্ৰমী ব্যৱহাৰক কবি-প্ৰতিভাৰ প্ৰকাশ বুলি

প্ৰশংসা কৰিছে।

কুন্তকৰ বক্ৰোক্তি ব্যাপাৰৰ লগত ক্ষেমেন্দ্ৰৰ ঔচিত্যৰ ধাৰণাৰ মিল দেখা যায়। ক্ষেমেন্দ্ৰযো ভাষাৰ ক্ষুদ্ৰতম উপাদানৰ পৰা বৃহত্তৰ উপাদানলৈকে ঔচিত্যৰ অনুসন্ধান কৰিছে। ঔচিত্যৰ ধাৰণাত কাব্য-জিজ্ঞাসা আৰু ভাষা-জিজ্ঞাসা একাকাৰ হৈ গৈছে। তেওঁ অতি সূক্ষ্মভাৱে কবিকৃতিত পদ বাক্য প্ৰবন্ধ অৰ্থ গুণ অলংকাৰ ৰস ক্ৰিয়া, কাৰক লিঙ্গ বচন বিশেষণ উপসৰ্গ নিপাত কাল দেশ ব্ৰত, তত্ত্ব সত্ত্ব অভিপ্ৰায় স্বভাৱ সাৰ প্ৰতিভা অৱস্থা বিচাৰ নাম আদি অন্যান্য কাব্যাঙ্গৰ যথোচিত প্ৰযোগো কামনা কৰিছে। স্থান ভেদে ক্ষেমেন্দ্ৰই গ্ৰাম্যতা অশ্লীলতা আদিতো ঔচিত্য আৰোপ কৰিছে। এনে ক্ষেত্ৰত কেৱল প্ৰসঙ্গ আৰু শব্দাৰ্থ সঙ্গতিৰ যথাৰ্থতা বিবেচনা কৰাত গুৰুত্ব দিছে। ঔচিত্যৰ কথা পূৰ্ববৰ্তী ধ্বনিকাৰ আদিয়েও কৈছে যদিও এই বিষয়ত ইমান অনুপুংখ বিশ্লেষণ ক্ষেমেন্দ্ৰইহে আগবঢ়াইছে। আচলতে ক্ষেমেন্দ্ৰৰ ঔচিত্য বিচাৰ চৰ্চা নামৰ গ্ৰন্থখনৰ এক বিস্তৃত আলোচনা হ'লেই আলংকাৰিকৰ ভাষা-চিন্তা সম্পৰ্কে সম্যক ধাৰণা পাব পাৰি। প্ৰবন্ধৰ বিস্তৃতিৰ ভয়ত দীঘলীয়া আলোচনাৰ পৰা বৰ্তমান বিৰত থকা হ'ল। ৰাজশেখৰে কাব্য মীমাংসাত ভাষাৰ নিপুণ প্ৰযোগক কেন্দ্ৰ কৰি কাব্যভাষাৰ গুণাগুণ নিৰূপণ কৰিবলৈ চেষ্টা কৰোঁতে পাকবিবেক নামৰ এটি বিষয়ৰ অৱতাৰণা কৰিছে। কবিসকলৰ ভাষা-জ্ঞান পৈণত হ'বৰ বাবে কি কি বিষয়ৰ অধ্যয়নৰ প্ৰযোজন তাক কাব্য মীমাংসাৰ পদবাক্য বিবেক নামৰ ষষ্ঠ অধ্যায়ৰ পৰা জানিব পাৰি। সপ্তম অধ্যায়ত বাক্য বিধি কাকু প্ৰকাৰ আৰু পাঠ প্ৰতিষ্ঠা আলোচিত হৈছে। এই অধ্যায়ত বাক্য মানে বচন—'বাক্যং বচনমিতি ব্যৱহৰন্তি'। কাকু হ'ল স্বৰ লহৰ। পাঠ প্ৰতিষ্ঠা হ'ল কাব্য পাঠৰ অৰ্থাৎ কবিতা আবৃত্তিৰ বিধি। স্পষ্ট যে এই অধ্যায়ত মুখৰ ভাষাৰ বিষয়ে আলোচনা হৈছে। এনে আলোচনাক হয়তো আধুনিক ভাষাবিজ্ঞানৰ পৰিসৰত সামৰি ল'ব নোৱাৰি। তথাপি প্ৰাচীনসকলৰ কথ্য আৰু লেখ্য উভয়বিধ ভাষাৰ যোগ্যতাৰ ওপৰত থকা তীক্ষ্ণ দৃষ্টিক স্বীকাৰ নকৰি নোৱাৰি।

(২)

পশ্চিমৰ দেশতো সাহিত্য-চিন্তাৰ সমান্তৰালভাৱে ভাষা-চিন্তাই বিদ্বানমণ্ডলীক ব্যস্ত কৰি তুলিছিল। এৰিষ্টোটলে বাগ্‌ভঙ্গীক ষ্টাইল শব্দেৰে নিৰ্দেশ কৰিছিল। কথ্য আৰু কাব্য নামে প্ৰকাশভঙ্গীৰ দুটা প্ৰকাৰ ভেদ স্বীকাৰ কৰিছিল। গ্ৰেণ্ড মিডল, ল—এই তিনি স্তৰৰ কথ্য ভাষাশৈলীৰ পৰা পৃথক কৰি দেখুৱাবৰ বাবে লেখ্য বা কাব্যশৈলীৰ ক্ষেত্ৰত প্ৰয়োজনীয় ভাষাৰ বিশিষ্ট প্ৰয়োগ-কৌশলৰ মূলতত্ত্ব উত্থাপন কৰিছিল। সেই মতে কাব্যভাষা হ'ব লাগে পদ্যগন্ধী (non-prosaic) য'ত বহু প্ৰচলিত শব্দৰ পৰিৱৰ্তে অলংকৃত প্ৰসাৰিত আৰু ৰূপকাত্মক শব্দাবলীৰ

প্ৰয়োগ ঘটিব লাগে। এৰিষ্টোটলে বৰ্ণ পদাংশ বিভক্তি প্ৰত্যয় বিশেষ্য ক্ৰিয়া কাৰক আদিৰ প্ৰয়োগ পদ্ধতিলৈকে বিশ্লেষণ কৰি শৈলী-বিচাৰৰ ক্ষেত্ৰত ভাষা নিৰ্মাণৰ কৌশল ফঁহিয়াই চোৱাৰ প্ৰযোজনীয়তা স্বীকাৰ কৰি গৈছে (যেনেকৈ বামনাচাৰ্যই 'সতি বক্তৰি সত্যৰ্থে সতি শব্দানুশাসনে' বুলি কাব্যৰ বাগ্‌ভঙ্গীৰ গুণাগুণ নিৰূপণত ভাষাশাস্ত্ৰৰ ভূমিকা স্বীকাৰ কৰি গৈছে আৰু ক্ষেমেন্দ্ৰই বৰ্ণ ধ্বনি পদ পদাংশ কাৰক বিভক্তিলৈকে কাব্যভাষাৰ ঔচিত্য বিচাৰত প্ৰবৃত্ত হ'বলৈ বাট দেখুৱাই গৈছে)।

এৰিষ্টোটলৰ পৰৱৰ্তীকালত শৈলী সম্বন্ধে চিন্তা বহু আগবাঢ়িছে। 'উপযুক্ত স্থানত উপযুক্ত শব্দ-প্ৰয়োগ (the right word in right place)— ছুইফটৰ শৈলীৰ এই সংজ্ঞাৰ লগত বামন আদি ৰীতিবাদী আলংকাৰিকৰ বিশিষ্ট পদ ৰচনা ৰ কিঞ্চিৎ মিল থাকিলেও আন সমালোচকসকলে শৈলী অভিধাটিৰ বাবে এক বিস্তৃত পৰিসীমা নিৰ্ধাৰণ কৰিলে আৰু ৰচনা-ৰীতিৰ লগতে লেখকজনৰ মনৰ ধৰ্মকো সামৰি ল'লে। চেষ্টাৰফিল্ডে শৈলীক লেখকৰ ভাবৰ পোচাক (the dress of thought) কাৰ্ডিনেল নিউমেনে 'ভাষাৰ ৰূপত চিন্তাৰ পৰিণতি (thinking out in language) বুলি কৈছে। শ্বপেনাৱাৰৰ মতে 'ৰচনা শৈলী হৈছে মনৰ বহিঃপ্ৰকাশ (physiognomy of the mind)। মিডলটন মাৰিয়ে লেখকৰ ভাব চিন্তা সম্প্ৰেৰণৰ বাবে বিশেষ ভাষাৰ মান (quality of language particular to the author) বুলিছে। অষ্টাদশ শতিকাৰ ফৰাচী চিন্তাবিদ বুফোঁৱে একেবাৰে পোনপটীয়াকৈ লেখকজনেই তেওঁৰ শৈলী (the style is the man himself) বুলি শৈলীৰ সম্পূৰ্ণ বিষয়ীগত পৰিচয় দাঙি দৰিছে। খ্ৰী৹ পূ চতুৰ্থ শতিকাৰ পৰা কুৰি শতিকাৰ আগভাগলৈকে ৰচিত শৈলীৰ সংজ্ঞা পটিলে বুজিব পাৰি যে শৈলীৰ ধাৰণাই বিৱৰ্তনৰ ইতিহাসত আগবাঢ়োঁতে ক্ৰমে ক্ৰমে বিস্তৃত আযতন লাভ কৰিলে। সেই মতে এতিয়া শৈলী হ'ল সাহিত্যিকৰ ৰচনা শিল্প য'ত সাহিত্যৰ সৌষ্ঠৱ ফুটি উঠাৰ লগতে লেখকৰ ব্যক্তিত্ব তথা মানসিকতা প্ৰতিফলিত হয।

প্ৰাচীন সাহিত্যতাত্ত্বিকসকলে সাহিত্য-শিল্পত কাব্যিক আৰু ভাষিক দুয়োবিধ উপাদানৰে গুৰুত্ব উপলব্ধি কৰিছিল যদিও দুয়োটা বিষযৰ বাবে দুখন চৰ্চাক্ষেত্ৰ ৰচনা কৰি লোৱা নাছিল। কিন্তু পৰৱৰ্তী কালত সমালোচকৰ সূক্ষ্ম দৃষ্টিত সাহিত্যৰ ভাষিক আৰু কাব্যিক বৈশিষ্ট্যসমূহ সুকীয়া সুকীয়াকৈ ধৰা পৰিল আৰু সেইবোৰ সুকীয়া সুকীয়াকৈ আলোচনা কৰাৰ প্ৰৱণতা বাঢ়িল। ভাষাবিজ্ঞানীসকলে ধ্বনিৰ বৈচিত্ৰ্য ব্যাকৰণিক অনুশাসন আদিৰ ওপৰত গুৰুত্ব দি সাহিত্য-বিচাৰত নামি পৰিল আৰু সাহিত্য-সমালোচকসকলে ছন্দ অলংকাৰ চিত্ৰকল্প শব্দশক্তিৰ বিচাৰত প্ৰবৃত্ত হৈ সাহিত্য-সমালোচনাৰ আন এটি শাখা শক্তিশালী কৰি তুলিলে।

কিন্তু এটা বিষয়ৰ চৰ্চা বাদ দি আন এটা বিষযৰ অধ্যয়ন যে সম্পূর্ণ নহয় সেই কথা অচিৰেই সমালোচকসকলে বুজি পালে। সাহিত্যৰ বিভিন্ন উপাদান খণ্ড খণ্ডকৈ নহয় বৰং সাহিত্যক সামগ্রিকভাৱে সমালোচনাৰ তুলাচনীত তুলি লোৱা হ'ল। এই কথাও বিদ্বৎ সমাজে অনুভৱ কৰিলে যে সাধাৰণীকৃত সূত্র সকলো লেখকৰ ৰচনাৰে একক পৰিমাপক হ'ব নোৱাৰে কিয়নো মানুহটোৱে পতি মনটো হোৱাৰ দৰে লেখকজনে প্রতি ৰচনা-ৰুচিৰ প্রভেদ ঘটে। এইবাৰ লেখকৰ ব্যক্তিগত চেতনা আৰু প্রৱণতাই সমালোচকৰ আলোচনাত গুৰুত্ব পালে। একাধিক সমালোচনা সূতিৰ সমাহাৰত স্বীকৃতি লাভ কৰা সাহিত্য-বিচাৰৰ এই নতুন পদ্ধতিৰ নাম দিয়া হ'ল ষ্টাইলিষ্টিকছ্, যাৰ ভাৰতীয় সমাৰ্থক হ'ল শৈলীবিজ্ঞান।

ষ্টাইল আৰু লিংগুইষ্টিকছ্ শব্দ দুটাৰ সংযোগ ঘটাই ষ্টাইলিষ্টিক্‌ছ শব্দটি প্রস্তুত কৰা হৈছে। শুনিলেই বুজা যায় যে এই বিষযটোৰ অধীনত সাহিত্য-সমালোচনা আৰু ভাষাবৈজ্ঞানিক বিচাৰে সমানে গুৰুত্ব লাভ কৰে। অসমীয়াত ইযাৰ প্রতিশব্দ 'শৈলীবিজ্ঞান কৰা হৈছে আৰু বৰ্তমান ই সৰ্বজন স্বীকৃতপ্রায়। লেখকে স্বকীয ভাবানুভূতি প্রকাশৰ বাবে আৰু তাক পাঠকলৈ আগবঢাই দিবৰ বাবে কেনে ভাষিক প্রণালী শাব্দিক সজ্জা আদিৰ আশ্রয লয তাৰ প্রণালীবদ্ধ বিচাৰ ষ্টাইলিষ্টিক্‌ছ বা শৈলীবিজ্ঞানৰ কাম। সেযেহে ইযাত ভাষিক উপাদানসমূহক সংযোগ সাধনৰ আহিলাৰূপে গণ্য কৰিহে বিচাৰ্য লেখাটিত সেই উপাদানবোৰৰ ভূমিকা আৰু যথাৰ্থতা সম্পৰ্কে বিচাৰ কৰা হয।

সাহিত্য-সমালোচনাৰ প্রচলিত প্রথাৰ লগত শৈলীবিজ্ঞানৰ নতুন পদ্ধতিৰ পাৰ্থক্য ড মদন শৰ্মাই বৰ সৰল আৰু স্পষ্ট ভাষাৰে বুজাই দিছে এনেদৰে---

পৰম্পৰাগত সাহিত্য-সমালোচনাই পাঠে কি বুজায তাকে ক'ব খোজে। শৈলী-বিজ্ঞানভিত্তিক বিশ্লেষণে পাঠে কি কেনেকৈ অৰ্থাৎ কি প্রক্রিযাৰে বুজায তাক দেখুৱাব খোজে (শৈলী-বিজ্ঞান আৰু কথা বিশ্লেষণ নাহেন্দ্র পাদুন সম্পা **চিন্তা-প্রৱাহ**, পৃ ৭২)।

এনে চিন্তাভঙ্গীযে সাহিত্যৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ শিল্প সৌষ্ঠৱৰ বিচাৰ কৰাৰ লগতে লেখকৰ ব্যক্তিত্ব মানসিকতা ৰুচি-অভিৰুচি আনকি মুদ্রাদোষ আদিকো বিচাৰ কৰি চাবলৈ সমালোচকক উদগণি দিলে। ফলত সমালোচনা কিছুমান ধৰা-বন্ধা সূত্ৰৰ ভিত্তিত সাহিত্যৰ বিচাৰ-পদ্ধতি হৈ নাথাকি এক মুকলি পৰ্যালোচনা হৈ পৰিল যি সৃষ্টিৰ লগতে স্রষ্টাকো সহৃদয়ৰ অন্তৰঙ্গ কৰি তোলাত সহায় কৰিলে। সৰ্বোপৰি ষ্টাইলিষ্টিক্‌ছ নামৰ এই নব্য সমালোচনা-ধাৰাই সমালোচককো সূত্র-বন্ধনৰ পৰা মুক্ত কৰি চিন্তা আৰু কল্পনাৰ স্বাধীনতা দিলে।

(৩)

বৰ্তমান প্ৰবন্ধৰ শিৰোনামাৰ প্ৰসঙ্গত এইখিনিতে এটা কথা মনলৈ আহে। ষ্টাইলিষ্টিক্‌ছ নামৰ বিদ্যাটিয়ে যি দৃষ্টিভঙ্গীৰে সাহিত্য-চিন্তা কৰিবলৈ লৈছে, সেই দৃষ্টিভঙ্গীৰে ভাৰতত কেতিয়াও কোনেও চিন্তা কৰা নাছিল নেকি? এই সংশয়ৰ উত্তৰ বিচাৰি আমি সংস্কৃত সাহিত্যৰ প্ৰাচীন সমালোচকসকলৰ কৰ্ম-পদ্ধতিলৈ মন দিব পাৰোঁ। সংস্কৃত সাহিত্যৰ টীকাকাৰসকল যে একো একোগৰাকী সুদক্ষ সমালোচক আছিল তাত সন্দেহ নাই। একোটা শ্লোকৰ বা এছোৱা গদ্যৰ টীকা লিখিবৰ সময়ত শব্দবোৰৰ সংস্কাৰমূলক অৰ্থ আৰু কবিৰ অভিপ্ৰেত অৰ্থ দি তেওঁলোকে স্বকীয় নিৰ্বচন আগবঢ়ায় ভাষানুকূলে শব্দবোৰৰ বৰ্ণ-সজ্জা তথা বৰ্ণৰ ধ্বনিসাম্য বিচাৰ কৰে ব্যাকৰণিক শুদ্ধাশুদ্ধি বিচাৰ কৰে তেনে বিচাৰৰ সমৰ্থনত ব্যাকৰণৰ সূত্ৰ উদ্ধাৰ কৰে ছন্দ অলংকাৰ ৰস ৰীতি আদিৰতো বিচাৰ কৰেই লগতে ৰচনাটিয়ে পাঠকৰ মনত ঘটাব পৰা প্ৰতিক্ৰিয়াৰ কথাও চিন্তা কৰে আৰু তাৰ বাবে তেওঁলোকে কাব্যগুণৰ বিশ্লেষণো কৰে। অৱশ্যে এটা কথা ঠিক মল্লিনাথ নীলকণ্ঠ আদি নিপুণ প্ৰজ্ঞাবান আৰু উদাৰ দৃষ্টিভঙ্গীৰ টীকাকাৰেহে এই সকলোবোৰ কথা বিবেচনা কৰি টীকা-ব্যাখ্যা লিখে।

আৰ এফ ৰেটামাৰে শৈলীবিজ্ঞানক 'ব্যতিক্ৰমী প্ৰকাশভঙ্গীৰ অধ্যয়ন (study of what is extra-logical in language) বুলি কৈছে। মল্লিনাথে ৰঘুবংশ মহাকাব্যৰ সঞ্জীৱনী টীকাত কালিদাসৰ একাধিক ব্যতিক্ৰমী প্ৰয়োগৰ আলোচনা কৰিছে। এটা উদাহৰণ—ৰঘুবংশৰ দ্বিতীয় সৰ্গত কৈছে, বনান্তৰ পৰা ঘূৰি অহা দিলীপক সুদক্ষিণাই উপবাসী নয়নেৰে পান কৰিলে—পপৌ নিমেষলেসলপক্ষ্ম-পংক্তিৰুপোষিতাভ্যামিব লোচনাভ্যাম্। মল্লিনাথে ইয়াত পপৌ ক্ৰিয়াপদটোৰ যথাৰ্থতা বিচাৰি দীঘলীয়া আলোচনা আগবঢ়াইছে আৰু শৃংগাৰৰ প্ৰসঙ্গত ইয়াৰ সফলতা সাব্যস্ত কৰিছে। কালিদাসৰ দৰে নিপুণ কবিয়ে ভাব-ব্যঞ্জনাৰ বাবে বহু অপাৰম্পৰিক শব্দ কাব্যত প্ৰযোগ কৰিছে। ভ্ৰমৰৰ বাবে দ্বিৰেফ ষটপদী ৰজাৰ বাবে ষষ্ঠাংশবৃত্তি আদি শব্দ নিজে উদ্ভাৱন কৰি লৈছে। কেতিয়াবা হাঁহি, যশ পাপ আদি বিমূৰ্ত্ত বস্তুক ৰূপ-ৰসেৰে মূৰ্ত্তিমান কৰি সজাই পেলাইছে। কবিসকলৰ এনে ব্যতিক্ৰমী বিনিযোগক মল্লিনাথৰ দৰে টীকাকাৰে সপ্ৰশংস দৃষ্টিৰে সমালোচনা কৰিছে। শৈলীবিজ্ঞানীসকলে এটি ৰচনাৰ ভাষিক উপাদানবোৰক সংযোগ মাধ্যমৰূপে গণ্য কৰে। টীকাকাৰসকলেও নিশ্চয় বৰ্ণ, প্ৰত্যয় কাৰক, বিভক্তি আদিৰ সংযোগ-ক্ষমতা নিৰূপণ কৰিব খুজিছিল আৰু সেইবাবেই বৰ্ণটোৰে প্ৰতি কাব্যগুণ আৰু ঔচিত্যৰ বিচাৰ কৰিছিল। সমালোচনাৰ সময়ত বাৰে বাৰে ব্যাকৰণৰ সূত্ৰ আওঁৰাই, ভাষাৰ শুদ্ধাশুদ্ধি পৰীক্ষা কৰি ব্যতিক্ৰমী বিনিয়োগবোৰৰ যথাৰ্থতা পৰীক্ষা কৰি চাইছিল।

আলংকাৰিকসকলৰ দৰে কবিমানস সম্পৰ্কে তেওলোক একেবাৰে উদাস হৈ থকা নাছিল। বৰং মল্লিনাথে কালিদাসৰ ব্যক্তিত্বৰ প্ৰশংসাৰ লগতে নিন্দাও কৰি গৈছে। শৃংগাৰ ৰসৰ কবি কালিদাসে শ্লীলতাৰ সীমা নাজানে বুলি কবিৰ ৰুচিবোধকে গৰিহণা দিছে। গোপাল ৰঘুনাথ নন্দৰ্গীকাৰৰ দ্বাৰা সম্পাদিত সঞ্জীৱনী টীকা সহ ৰঘুবংশ-খন (১৯৬১) মেলি চালে প্ৰাচীন আৰু অৰ্বাচীন সমালোচকৰ এনে চিন্তাৰ সমতাৰ কথা মনলৈ আহে।

আলংকাৰিকসকল সূত্ৰ-নিৰ্মাতাহে আছিল। সমালোচনাৰ থিয়ৰিখিনিহে তেওঁলোকৰ গ্ৰন্থত পোৱা যায়। কিন্তু এই বিষয়ৰ এপ্লাইড অৰ্থাৎ প্ৰায়োগিক অভ্যাস টীকাকাৰসকলেহে কৰিছিল। গতিকে প্ৰাচীন ভাৰতীয় সমালোচকৰ ভাষা-সাহিত্যৰ জিজ্ঞাসাই অলংকাৰ-শাস্ত্ৰৰ সীমাবদ্ধতা অতিক্ৰমি যে স্বকীয় পৰিধি ৰচনা কৰিছিল সি লক্ষ্যণীয়। কিন্তু এই কথা স্বীকাৰ্য যে নবীনসকলৰ দৰে প্ৰাচীনসকলৰ সমালোচনা পদ্ধতি ইমান প্ৰণালীবদ্ধ নাছিল। তাতোকৈ পৰিতাপৰ কথা ভাৰতীয় আলংকাৰিকে উদ্ভাৱন কৰা ধাৰাই পূৰ্ণৰূপত বিকাশ লাভ কৰিবলৈ নাপালে। কেৱল ধ্বনিবাদ আৰু ৰসবাদেহে অধিক কাল অধিক সংখ্যক সমালোচকৰ মনোযোগ লাভ কৰিলে। ভাৰতীয় কাব্য-সমালোচনাৰ সুঁতিটো সপ্তদশ শতিকাত স্থবিৰ হৈ নোযোৱা হ'লে হয়তো আজি ভাৰতীয় সমালোচনাৰ ধাৰাই বহু উৎকৰ্ষ লাভ কৰিলেহেঁতেন। ❑

দ্বিতীয় পৰিচ্ছেদ

অসমীয়া ভাষা ঃ প্ৰাচীন যুগ

প্ৰাক্ আহোমকালীন
অসমৰ পুৰালেখ অধ্যয়নৰ ইতিহাস

❑ নাৰায়ণ দাস

১ পুৰালেখ অধ্যয়নে এখন দেশৰ সামাজিক সাংস্কৃতিক আৰু ঐতিহাসিক জীৱনত কিমানখিনি পোহৰ পেলায় তাক জানোতাই জানে। ইয়াৰ অধ্যয়ন অবিহনে ভাষা-সাহিত্যৰ যথাৰ্থ ছবি অস্পষ্ট হ'বলৈ বাধ্য। পুৰণি প্ৰাগজ্যোতিষ-কামৰূপত অখণ্ড প্ৰতাপেৰে ৰাজত্ব কৰা বিভিন্ন ৰাজবংশৰ নৃপতিমণ্ডলীয়ে ভিন্ন উপলক্ষ্যত প্ৰদান কৰা শৈল তাম্ৰ আৰু অন্যান্য লেখ অধ্যয়নৰ ইতিহাসে সুদীৰ্ঘ ডেৰশ বছৰ অতিক্ৰম কৰাটো উল্লেখযোগ্য। ইংৰাজসকলে এই ভূখণ্ডৰ শাসনৰ বাঘজৰী হাতত লোৱাৰ পাছৰে পৰা পুৰালেখ অধ্যয়নৰ শুভাৰম্ভ হয়—যাৰ গইনা লৈ পৰৱৰ্তী কালৰ ঐতিহাসিকসকলে লৌহিত্যৰ দুই কূলস্থ প্ৰাগজ্যোতিষ-কামৰূপৰ লিপি ভাষা-সাহিত্য আৰু সমাজ-সংস্কৃতিৰ নিৰ্ভৰযোগ্য ইতিহাসৰ ৰূপৰেখা আঁকিবলৈ সমৰ্থ হৈছে। তলৰ ছেদকেইটাত অসমৰ বিভিন্ন স্থানত প্ৰাপ্ত প্ৰাক্ আহোম যুগীয় অভিলেখসমূহৰ অধ্যয়নৰ আভাস দাঙি ধৰা হ'ল।

২ অসমত বৰ্তমানলৈকে উদ্ধাৰ হোৱা পুৰালেখৰ ভিতৰত নগাজৰী-খনিকৰ গাঁও প্ৰস্তৰখণ্ড-লিপি আৰু সুৰেন্দ্ৰবৰ্মাৰ উমাচল শৈললিপিৰ কথা জযজয়তে উল্লেখ কৰা প্ৰয়োজন। ইংৰাজী ১৯৭২ চনত গোলাঘাটৰ সৰুপথাৰ অঞ্চলৰ খনিকৰ গাঁও নিবাসী লুডুৰাম শইকীয়াৰ ঘৰত ড মোহিনীকুমাৰ শইকীয়াই উদ্ধাৰ কৰা খণ্ডিত শৈললেখখনিৰ পাঠ জযজয়তে উদ্ধাৰ কৰে—ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে (*JARS* Vol XX pp 3 5)। এই ফলিৰ ক, খ, জ দ, প ব ভ, ম ৰ আদি আখৰ পুৰণি ধৰণৰ। নগাজৰী-খনিকৰ গাঁও প্ৰস্তৰখণ্ড-লিপিৰ চ ম মা মু, ৰা হা প্ৰভৃতি আখৰ সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখৰ আখৰেৰে মিলি যায়। ইংৰাজী ১৯৫৫ চনত উদ্ধাৰ হোৱা সুৰেন্দ্ৰবৰ্মাৰ উমাচল শিলালিপিৰ প্ৰথম পাঠ প্ৰকাশ কৰে—প্ৰেমধৰ চৌধুৰীৰ সৈতে ড দীনেশচন্দ্ৰ সৰকাৰে (*Epigraphia Indica* Vol XXXI part II)। এই শৈললেখৰ ই, ক জ ত ন ভ ম ৰ আৰু ষ- অক্ষৰ গুপ্ত লিপিৰে অভিন্ন। অসমীয়া লিপি যে গুপ্ত লিপিৰ পূৰ্বী শৈলীৰ পৰা বিকশিত

তাক আলোচিত শৈললেখ দুখনিৰ অক্ষৰে স্পষ্টকৈ প্ৰমাণ কৰে।

৩ খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ ভূতিবৰ্মাৰ দিনৰ বৰগংগা শিলালিপিখন পুৰালিপি আৰু ঐতিহাসিক দৃষ্টিকোণৰ পৰা তাৎপৰ্যপূৰ্ণ। এই ফলিখনৰ প্ৰথম পাঠ প্ৰকাশ কৰে—এন কে ভট্টশালীয়ে (*Epigraphia Indica* Vol XXVII pp 18 23)। পাছত ড দীনেশচন্দ্ৰ সৰকাৰে শৈললেখখনিৰ এটি উন্নত পাঠ প্ৰকাশ কৰে (*Epigraphia Indica* Vol XXX part II)।

৪ খ্ৰীষ্টীয় সপ্তম শতাব্দীত অখণ্ড প্ৰতাপেৰে ৰাজত্ব কৰা কুমাৰ ভাস্কৰবৰ্মাৰ দুখনি অভিলেখ উদ্ধাৰ হৈছে। ইয়াৰে নিধনপুৰ তাম্ৰশাসনখনি উদ্ধাৰ হয়—ইংৰাজী ১৯১২ চনত বাংলা দেশৰ শ্ৰীহট্ট জিলাৰ নিধনপুৰ গাঁৱত। ইয়াৰে তিনিখনি তাম্ৰফলকৰ পাঠ (১ ২ ৭ নং) পোনতে পদ্মনাথ বিদ্যাবিনোদে প্ৰকাশ কৰে (*ৰংপুৰ সাহিত্য পৰিষদ পত্ৰিকা* ১৩১৯ সাল ৪ৰ্থ সংখ্যা)। ইয়াৰ পাছত বিদ্যাবিনোদেই ৩ আৰু ৬ নং ফলকৰ পাঠো প্ৰকাশ কৰে (*Epigraphia Indica* Vol XIX nos 19)। কুমাৰ ভাস্কৰবৰ্মাৰ দ্বিতীয়খনি অভিলেখ বৰপেটা জিলাৰ পাঠশালাৰ নিকটৱৰ্তী ডুবি পৰিহৰেশ্বৰত ইংৰাজী ১৯৫০ চনত পোৱা হয়। ফলিখনিৰ প্ৰথম পাঠ উদ্ধাৰ কৰে প্ৰেমধৰ চৌধুৰীয়ে (*JARS* Vol XI আৰু XII)। আলোচিত শাসন দুখনিত ব্যৱহৃত ষ ভ ন আৰু হ-ৰ পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। ডুবিৰ 'ন পুৰণি ধৰণৰ কিন্তু নিধনপুৰৰ 'ন আধুনিক ৰূপৰ।

৫ খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ শাসন হিচাপে নহ'লেও কেইখনো শৈললেখ উদ্ধাৰ হৈছে। ইয়াৰে ভিতৰত শংকৰ-নাৰায়ণ মূৰ্তিলিপি (পাঠ প্ৰেমধৰ চৌধুৰী ডিম্বেশ্বৰ শৰ্মা সম্পাদিত *কামৰূপ-শাসনাৱলী*) হৰিহৰ মূৰ্তিলিপি (পাঠ কাশীনাথ দীক্ষিত *Epigraphia Indica* Vol XVIII pp 329 30) আৰু শ্ৰীকুমাৰ দেৱৰ ঘণ্টালিপি (পাঠ ড প্ৰতাপচন্দ্ৰ চৌধুৰী *JARS* Vol XVI p 57) উল্লেখযোগ্য।

৬ খ্ৰীষ্টীয় নৱম শতাব্দীত প্ৰাগজ্যোতিষত ৰাজত্ব কৰা হৰ্জৰবৰ্মাদেৱৰ উদ্ধাৰ হোৱা অভিলেখকেইখনি পুৰালিপি ইতিহাস আৰু সংস্কৃতিৰ ফালৰ পৰা গুৰুত্বপূৰ্ণ। তেজপুৰৰ পশ্চিম প্ৰান্তৰত অৱস্থিত ভৈৰৱপদ দেৱালয়ৰ ওচৰৰ ধেনুখনা পাহাৰৰ ন শৰীয়া হৰ্জৰবৰ্মাদেৱৰ দিনৰ ফলিখনিৰ পাঠ ইং ১৯১৭ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী ডাঙৰীয়াই বিহাৰ আৰু উৰিষ্যাৰ গৱেষণা-পত্ৰিকাত প্ৰকাশ কৰি সুধীজনৰ দৃষ্টি আকৰ্ষণ কৰে। কাৰ্বি আংলং জিলাৰ হায়ুংথল নামে ঠাইত উদ্ধাৰ হোৱা হৰ্জৰবৰ্মাৰ শাসনখনিৰ পাঠ উদ্ধাৰ কৰে পদ্মনাথ বিদ্যাবিনোদে (*কামৰূপ শাসনাৱলী* পৃ ৪৪-৫৩)। কুব্জবাবাহী সত্ৰত উদ্ধাৰ হোৱা আলোচিত নৃপতিজনাৰ তাম্ৰশাসনখনিৰ পাঠোদ্ধাৰ কৰে ড ধৰ্মেশ্বৰ চুতীয়াই (*অসম সাহিত্য সভা পত্ৰিকা*

ত্ৰিংশ বছৰ চতুৰ্থ সংখ্যা)। হৰ্জৰবৰ্মাৰ শাসন দুখনিত ব/ৱ -ৰ উপৰি শ য আৰু স নাইবা জ/য -ৰ পাৰ্থক্য সকলো সময়তে সংৰক্ষিত হোৱা নাই। ইয়াৰ এ অক্ষৰটিৰ গঢ় সাঁচিপাত তুলাপতীয়া পুঁথিৰে অভিন্ন।

৭ বৃটিছ-শাসিত অসমৰ কমিছনাৰ জেনেৰেল জেনকিন্‌ছ চাহাবে শোণিতপুৰ জিলাৰ তেজপুৰৰ নিকটৱৰ্তী কোনোবা স্থানত ৰাজমোহৰি ছাপযুক্ত আঙুঠিৰে গঁথা তিনিখনি তাম্ৰফলকযুক্ত শাসন এখনি পাই তাৰ চয়-নিচয় জানিবলৈ কলিকতাৰ এছিয়াটিক ছোচাইটিলৈ পঠিয়াই দিয়ে আৰু ইংৰাজী ১৮৪০ চনত ছোচাইটিৰ গৱেষণা পত্ৰিকাত পোহৰ ছবি নোহোৱাকৈয়ে উক্ত শাসনৰ পাঠ প্ৰকাশ পায় (*JASB* Vol IX 1840 p 766)। পণ্ডিত কমলাকান্ত আৰু সাৰদাপ্ৰসাদে উক্ত পাঠৰ মূল আৰু ইংৰাজী তৰ্জমা প্ৰস্তুত কৰিছিল। শাসনৰ পাঠৰ লগতে আছিল— আখৰবোৰৰ নমুনা। সেই নমুনাই পুৰণি কামৰূপীয় লিপি যে গুপ্ত লিপিৰ পূৰ্বী শৈলীৰ পৰা বিকশিত হৈছিল তাক প্ৰমাণ কৰাত সাহায্য দান কৰে। পৰৱৰ্তী কালত বনমালবৰ্মাদেৱৰ আৰু দুখনি তাম্ৰশাসন পোহৰলৈ আহে। প্ৰথমখনি উদ্ধাৰ হয়— তেজপুৰৰ নিকটৱৰ্তী পৰ্বতীয়াত। সমাজ-কৰ্মী বিশ্বদেৱ শৰ্মাৰ সৌজন্যত তিনিখনি ফলকযুক্ত আৰু ৰাজকীয় মোহৰযুক্ত আঙুঠিৰে গ্ৰথিত তাম্ৰশাসনখনি আৰ্ল ল কলেজৰ অধ্যক্ষ এচ কে দত্তৰ ওচৰ পায় আৰু অৱশেষত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সম্পদ হৈ পৰে। এই শাসনখনিৰ পাঠ জয়জয়তে উদ্ধাৰ কৰে প্ৰেমধৰ চৌধুৰী আৰু ড দীনেশচন্দ্ৰ সৰকাৰে (*Epigraphia Indica* Vol XXIX no 20 pp 149 59)। ব আৰু ৱ -ৰ পাৰ্থক্য নথকা উক্ত শাসনখনিত আ, খ, জ গ আৰু স -ৰ উপৰি মধ্যৱৰ্তী এ -কাৰ (-ে) আৰু ও কাৰে (-ে া-) সম্পূৰ্ণ অসমীয়া ৰূপ ধাৰণ কৰাটো লক্ষ্য কৰিবলগীয়া। আলোচিত নৃপতিজনাৰ তৃতীয়খনি ফলি উদ্ধাৰ হয়—কলিযাবৰৰ দীঘলী গাঁৱত। তিনিখনি তাম্ৰফলকত সমাপ্ত হোৱা এই শাসনখনিৰ পাঠোদ্ধাৰ আৰু ইংৰাজী অনুবাদ প্ৰকাশ কৰে—ড ধৰ্মেশ্বৰ চুতীয়াই (*JARS* Vol XXIX pp 317 32)। খ্ৰীষ্টীয় নৱম শতাব্দীৰ পুৰণি কামৰূপীয় লিপিৰ স্বৰূপ বুজিবলৈ আলোচিত নৃপতিজনাই প্ৰদান কৰা শাসন তিনিখনিৰ মূল্য অপৰিসীম।

৮ খ্ৰীষ্টীয় নৱম শতাব্দীত ৰাজত্ব কৰা তৃতীয় বলবৰ্মাদেৱৰ শাসনসমূহে পুৰণি কামৰূপীয় লিপিৰ বিকাশৰ এটি দিশত স্পষ্টভাৱে পোহৰ পেলায়। উক্ত নৃপতিজনাৰ এখনি শাসন জয়জয়তে উদ্ধাৰ হয়—নগাঁও পুৰণি গুদামৰ নিকটৱৰ্তী সুতাৰ গাঁৱৰ কলংপাৰৰ খেতি পথাৰত। এজন পুলিচ ইনস্পেক্টৰৰ সৌজন্যত সেই শাসনখনি মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্যই পাই তাৰ প্ৰথম পাঠটি প্ৰকাশ কৰে— *আসাম* -ৰ জৰিয়তে। পাছত ছাৰ এডোৱাৰ্ড গেইটে উক্ত শাসনখনি ইংৰাজী ১৮৯৫ চনত

এছিয়াটিক ছোচাইটিলৈ প্ৰেৰণ কৰাত সুখ্যাত পুৰালিপিতত্ত্ববিদ ড হৰ্ণলি চাহাবে শাসনখনিৰ সম্পূৰ্ণ পাঠ আৰু তাৰ ইংৰাজী অনুবাদ ছোচাইটিৰ গৱেষণা-পত্ৰিকাত প্ৰকাশ কৰে (*JASB* Vol LXIV pp 285 97)। আলোচিত নৃপতিজনাৰ দ্বিতীয়খনি শাসন উদ্ধাৰ হয় –ইংৰাজী ১৯৫৩ চনত কাৰ্বি আংলং জিলাৰ হাওৰাঘাট অঞ্চলৰ উত্তৰ বৰবিলত—এজন খেতিয়কে মাটি খাদোতে। তিনিখনি তাম্ৰফলক যুক্ত এই শাসনখনি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগলৈ অনাত তাৰ প্ৰথম পাঠ উদ্ধাৰ কৰে বুৰঞ্জীবিদ ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে (*অসম সাহিত্য সভা পত্ৰিকা* পঞ্চদশ বৰ্ষ তৃতীয় সংখ্যা পৃ ১৮৭-৯৪)। এই শাসনখনিত ব্যৱহৃত 'ত -ৰ ৰূপ সম্পূৰ্ণৰূপে অসমীয়া। লুপ্ত হ -ৰ ব্যৱহাৰ শাসনখনিৰ আন এটি বৈশিষ্ট্য।

তৃতীয় বলবৰ্মাদেৱৰ তৃতীয়খনি শাসন উদ্ধাৰ হয়— শোণিতপুৰ জিলাৰ উলুবাৰী গাঁৱত। ইংৰাজী ১৯৭৭ চনত তৎকালীন দৰং জিলাৰ ভূমি বন্দোবস্তী বিষয়া চিদানন্দ বৰুৱা আৰু কনকচন্দ্ৰ শৰ্মাই উক্ত ফলিৰ মূল পাঠ (*অসম বাণী* ১৭ জুন ১৯৭৭) আৰু ইংৰাজী অনুবাদ (*The Assam Tribune* 7th May 1977) প্ৰকাশ কৰে।

৯ পালবংশৰ নৃপতিসকলীয়ে প্ৰদান কৰা বিভিন্ন অভিলেখৰ লিপিয়ে পুৰণি কামৰূপীয় লিপিৰ একাদশ খ্ৰীষ্টাব্দৰ বিকশিত ৰূপটো স্পষ্ট কৰি তোলে। এই ক্ষেত্ৰত জয়জযতে ৰত্নপালৰ বৰগাঁও শাসনখনিৰ উল্লেখ কৰা প্ৰযোজন। শোণিতপুৰ জিলাৰ বৰগাঁও মৌজাৰ নাহোৰ হাবিগাঁৱত খেতিযক এজনে পোৱা ৰত্নপালৰ শাসনখনি এডোৱাৰ্ড গেইট চাহাবে ইংৰাজী ১৮৯৭ চনত এছিযাটিক ছোচাইটিলৈ প্ৰেৰণ কৰাৰ ফলস্বৰূপে ড হৰ্ণলি চাহাবে সেই ফলিৰ পোহৰ ছবি মূল পাঠ আৰু তাৰ ইংৰাজী ভাঙনি ছোচাইটিৰ গৱেষণা-পত্ৰত প্ৰকাশ কৰি উলিযায (*JASB* Vol LXVII p 99)। ৰত্নপালৰ দ্বিতীযখনি শাসন উদ্ধাৰ হয—কামৰূপ জিলাৰ শুৱালকুছিত। এডোৱাৰ্ড গেইট চাহাবে শাসনখনি ইংৰাজী ১৮৯৬ চনত এছিযাটিক ছোচাইটিলৈ প্ৰেৰণ কৰাৰ পাছত হৰ্ণলি চাহাবে তাৰ মূল পাঠ আৰু অনুবাদ প্ৰকাশ কৰে (*JASB* Vol LXVII pp 113 32)। এইজনা নৃপতিৰ তৃতীযখনি শাসন পোৱা গৈছে—কামৰূপৰ চৰাতবাৰীত। তিনিখনি ফলকযুক্ত এই শাসনখনিৰ প্ৰযোজনীয পাঠাংশ প্ৰকাশ কৰিছে—ড মুকুন্দমাধৱ শৰ্মাই (*Inscriptions of Ancient Assam*)।

১০ খ্ৰীষ্টীয় একাদশ শতাব্দীৰ পালবংশী নৃপতি ইন্দ্ৰপালদেৱে প্ৰদান কৰা অভিলেখ কেইখনিয়েও পুৰণি কামৰূপীয লিপি-বিকাশৰ অন্তিম তৰঙ্গটি প্ৰোজ্জ্বল কৰি তোলে। উক্ত নৃপতিজনাৰ প্ৰথমখনি শাসন উদ্ধাৰ হয়—পাতিদৰঙৰ বৰপানাৰা গাঁৱত। প্ৰথম উদ্ধাৰৰ প্ৰায ডেৰ কুৰি বছৰৰ পাছত গেইট চাহাবে সেই খিনি

বহু কষ্টৰে হস্তগত কৰি ড হৰ্ণলি চাহাবৰ ওচৰলৈ পঠিয়াই দিয়ে। ইংৰাজী ১৮৯৭ চনত পুৰালিপিতত্ত্ববিদজনাই এছিয়াটিক ছোচাইটিৰ পত্ৰিকাত শাসনখনিৰ মূল পাঠ আৰু তাৰ অনুবাদ প্ৰকাশ কৰে যদিও তাত ভালেখিনি ভুল বৈ যায। আলোচিত নৃপতিজনাৰ দ্বিতীয়খনি শাসন উদ্ধাৰ হয—ইংৰাজী ১৯২৫ চনত নলবাৰী জিলাৰ গুৱাকুছিত। ফলিখনিৰ পাঠ পদ্মনাথ বিদ্যাবিনোদৰ *'কামৰূপ-শাসনাৱলী'*-ৰ অন্তৰ্ভুক্ত হয়। ইংৰাজী ১৯৮৮ চনত একেজনা নৃপতিৰ তৃতীয়খনি শাসন উদ্ধাৰ হয়— কাৰ্বি আংলং জিলাৰ হাওৰাঘাটৰ নিকটৱৰ্তী এৰাদীঘল পানীগাঁৱত। একাদশ শতাব্দীত পুৰণি প্ৰাগজ্যোতিষত ৰাজত্ব কৰা গোপালবৰ্মাদেৱৰ এখন মাত্ৰ শাসন বৰ্তমানলৈকে নগাঁও—ডবকাৰ নিকটৱৰ্তী গছতলত উদ্ধাৰ হৈছে। শাসনখনি অসম্পূৰ্ণ। সেই অসম্পূৰ্ণ পাঠ জয়জযতে উদ্ধাৰ কৰে ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে (*JARS* Vol XVIII 1968 pp 55-60)।

১১ খ্ৰীষ্টীয দ্বাদশ শতাব্দীৰ ভালেকেইখন শাসন বৰ্তমানলৈকে পোহৰলৈ আহিছে। এই শতিকাৰ শাসনসমূহৰ ভিতৰত ধৰ্মপালৰ খনামুখ শাসনখনিৰ নাম সৰ্বাগ্ৰে উল্লেখনীয। শাসনখনি উদ্ধাৰ হয—নগাঁও জিলাৰ বৰভগীযা মৌজাৰ খনামুখত। শাসনখনিৰ প্ৰথম পাঠ উদ্ধাৰ কৰে প্ৰেমধৰ চৌধুৰী ডাঙৰীযাই (*JARS* Vol II no 4 p 113)। ধৰ্মপালৰ ৰাজত্বৰ তৃতীয় বৰ্ষত প্ৰদান কৰা শুভংকৰ পাটক শাসনখনিৰ প্ৰথম পাঠ প্ৰকাশ কৰে পদ্মনাথ বিদ্যাবিনোদে—তেওঁৰ *'কামৰূপ শাসনাৱলী'* -ৰ জৰিয়তে। একেজনা নৃপতিৰ আন এখনি শাসন উদ্ধাৰ হৈছে— উত্তৰ গুৱাহাটীৰ পুষ্পভদ্ৰা নৈৰ বুকুত। পদ্মনাথ বিদ্যাবিনোদে জযজযতে পাঠোদ্ধাৰ কৰা (*কামৰূপ-শাসনাৱলী* পৃ ১৬৮-১৮৪) এই শাসনৰ প দ আৰু হ অক্ষৰ শুভংকৰ পাটকৰ আখৰেৰে নিমিলাটোৱে আলোচিত শতিকাত পুৰণি কামৰূপীয লিপিৰ দুটা শৈলী থকা বুলি অনুমান কৰাৰ সুযোগ দিযে। বল্লভদেৱৰ অসম শাসনখনিৰ পাঠ ড কীলহৰ্ণ চাহাবে প্ৰকাশ কৰে (*Epigraphia Indica* Vol V pp 181 88)। এই শাসনৰ আদি স্থানৰ এ ত গ ন ম ঞ্চ ত্ত ত্ৰ স্তু, জ ফ ব য আৰু ৰ আখৰ আধুনিক অসমীযাৰে অভিন্ন। বৈদ্যদেৱৰ ৰাজত্বৰ চতুৰ্থ বৰ্ষত প্ৰদান কৰা কমৌলী শাসনৰ গ্ৰহীতা হ'ল— শ্ৰীধৰ আৰু প্ৰদান কৰা ভূমি হ'ল—কামৰূপ মণ্ডলৰ প্ৰাগজ্যোতিষ ভুক্তিৰ অন্তৰ্গত। শাসনখনিৰ পাঠ এ ভেনিচে *এপিগ্ৰাফিয়া ইণ্ডিকা* -ত (Vol II pp 347 358) প্ৰকাশ কৰে। এই শাসনখনিৰ ত গ ন ব আৰু য় সম্পূৰ্ণ অসমীয়া গঢৰ। এ, খ, ঝ, ত ধ ল ষ গ্ৰ, ঞ্চ ত্ৰ প্ৰভৃতি অক্ষৰৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য।

খ্ৰীষ্টীয ত্ৰয়োদশ শতাব্দীত খোদিত কৰা দুখন ফলিয়ে পুৰণি অসমীয়া লিপিৰ পূৰ্ণ বিকাশৰ ছবিখনি উজ্জলাই তোলা বুলি বিশেষজ্ঞসকলৰ অভিমত। এই লিপি

দুখন হ'ল যথাক্রমে--কানাই বৰশী বোৱা শিলৰ তুবুস্ক ক্ষযৰ শিলৰ ফলি আৰু সমুদ্রপালৰ আমবাৰী শিলালিপি। এই ফলি দুখনিৰ পাঠ আৰু তাৰ ঐতিহাসিক গুৰুত্বৰ কথা যথাক্রমে পদ্মনাথ বিদ্যাবিনোদ (*কামৰূপ-শাসনাৱলী* ভূমিকা ৪৪) আৰু ড প্রতাপচন্দ্র চৌধুৰীযে (*Journal of Indian History* Vol XLVIII pt I) ৰাইজৰ আগত প্রকাশ কৰি শলাগৰ যোগ্য হয। আহোম যুগৰ বহুসংখ্যক শিলালেখ আৰু তাম্রলেখ উদ্ধাৰ হৈছে আৰু সিবোৰৰ যথাযথ অধ্যয়নো নোহোৱা নহয। সেইবোৰে অসম ৰাজ্যৰ ঐতিহাসিক সামাজিক আৰু সাংস্কৃতিক তথ্য যোগান ধৰাৰ লগতে পুৰণি অসমীয়া লিপিৰ সাক্ষ্যো বহন কৰিছে। ❑

সংক্ষিপ্ত ৰূপ *JARS* *Journal of Assam Research Society*
JASB *Journal of the Asiatic Society of Bengal*

অসমীয়া ভাষাৰ ইতিহাস বিচাৰত প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষা

❑ সুবাসনা মহন্ত

০১০০ প্ৰস্তাৱনা ঃ

অসমীয়া ভাষাৰ ইতিহাস বিচাৰত প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাৰ আলোচনাই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। প্ৰাক-আহোমকালীন প্ৰাচীন কামৰূপৰ বৰ্মণ শালস্তম্ভ পালবংশীয় ৰজাসকলে লিখোৱা লেখাৱলীৰ (তাম্ৰলেখ আৰু শিলালেখ) সংস্কৃত ভাষাৰ মাজত পোৱা সংস্কৃত ব্যাকৰণবহিৰ্ভূত ৰূপ তথা থলুৱা দেশজ শব্দ কিছুমানৰ ৰূপ আদিৰ ভিত্তিত প্ৰাচীন কামৰূপত এটা থলুৱা প্ৰাকৃত ভাষাৰ প্ৰচলন আছিল বুলি অনুমান কৰা হৈছে আৰু সেই প্ৰাকৃত ভাষাক 'কামৰূপী প্ৰাকৃত' নামেৰে অভিহিত কৰা হৈছে। অসমীয়া ভাষাৰ ঐতিহাসিক পৃষ্ঠভূমিৰূপে ৬ষ্ঠ – ১২শ শতিকাত প্ৰাচীন কামৰূপত প্ৰচলিত এই থলুৱা প্ৰাকৃত ভাষাটোৰ কথা সৰ্বপ্ৰথম উল্লেখ কৰিছিল বেণীমাধৱ বৰুৱাই। পৰৱৰ্তী কালত ডিম্বেশ্বৰ নেওগ বিশ্বেশ্বৰ হাজৰিকা প্ৰভৃতি ভাষাতাত্ত্বিকসকলে 'কামৰূপী প্ৰাকৃত'ৰ পৰাই অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু 'কামৰূপী প্ৰাকৃত'ৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এখেতসকলৰ ধাৰণা বেণীমাধৱ বৰুৱাৰ ধাৰণাতকৈ কিছু পৃথক। ডিম্বেশ্বৰ নেওগৰ মতে, অসমত প্ৰাচীন কালতে এক আৰ্য আক্ৰমণ সংঘটিত হৈছিল। বৈদিক আৰু উত্তৰবৈদিক শব্দাৱলীৰ লগত বহুতো অসমীয়া শব্দৰ সাদৃশ্য থকালৈ চাই কামৰূপত প্ৰচলিত প্ৰাচীন ভাৰতীয় উপভাষাটো বৈদিক আৰু উত্তৰবৈদিক শব্দাৱলী যʼৰ পৰা উদ্ভূত হৈছিল সেই ভাষাটোৰ সমকালীন আৰু সদৃশ আছিল বুলি অনুমান কৰিছে। অসমৰ কলিতাসকলেই ভাৰতবৰ্যত প্ৰাচীনতম আৰ্য অধিবাসী বুলি কালিৰাম মেধিয়ে আগবঢ়োৱা মত সমৰ্থন কৰি তেওঁ মন্তব্য কৰিছে যে ভাৰতীয় আৰ্য আৰু ইৰানীয়সকল পৃথক হোৱাৰ আগতেই আৰ্যসকলৰ এটা ফৈদ অসমলৈ আহে আৰু কলিতাসকলেই সেই ফৈদটোৰ প্ৰতিনিধিত্ব কৰিছে. নেওগ ডাঙৰীয়াই অৱশ্যে প্ৰাচীন কামৰূপত প্ৰচলিত উল্লিখিত উপভাষাটোৰ মূল উৎসৰ পৰা ক্ৰমবিৱৰ্তনৰ ইতিহাস সম্পৰ্কে

বিচাৰ বিশ্লেষণ কৰি দেখুওৱা নাই। বিশ্বেশ্বৰ হাজৰিকাৰ মতে প্ৰাচীন প্ৰাগজ্যোতিষলৈ খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত অহা আৰ্যসকলে প্ৰাচ্য অশোকীয় প্ৰাকৃত ভাষাৰ প্ৰাচীনতৰ মধ্যকালীন ভাৰতীয় আৰ্যভাষা এটা কৈছিল। এই মধ্যকালীন আৰ্যভাষাটোৰ পৰা খ্ৰীষ্ট জন্মৰ আগতে প্ৰাগজ্যোতিষ প্ৰাকৃতৰ উদ্ভৱ হয়। খ্ৰীষ্টাব্দৰ আৰম্ভণিৰ লগে লগে প্ৰাগজ্যোতিষ প্ৰাকৃতৰ ধ্বনি পৰিবৰ্তন ঘটি কামৰূপী প্ৰাকৃত হয়।[২] কালিৰাম মেধি[৩] আৰু দেবানন্দ ভৰালিয়েও অসমীয়া ভাষাত প্ৰাপ্ত প্ৰাক্-বৈদিক আৰু বৈদিক উপাদানৰ সম্ভাব্য আধাৰত খ্ৰীষ্টপূৰ্ব শতিকাতেই অসমত আৰ্য সভ্যতাই বিস্তাৰ লাভ কৰাৰ সম্ভাৱনা দাঙি ধৰিছে। কিন্তু নৃতাত্ত্বিক ভাষাতাত্ত্বিক তথা ঐতিহাসিকভাৱে নিৰ্ভৰযোগ্য প্ৰামাণিক তথ্য-পাতিৰ অভাৱত খ্ৰীষ্টপূৰ্ব শতিকাতেই অসমত আৰ্য বসতিৰ আনুমানিক সিদ্ধান্ত গ্ৰহণযোগ্য হৈ উঠা নাই আৰু সেয়েহে এই সিদ্ধান্তৰ লগত সংশ্লিষ্ট 'কামৰূপী প্ৰাকৃত'ৰ অস্তিত্বক লৈও বিতৰ্কৰ সৃষ্টি হৈছে। ড ৰমেশ পাঠকৰ মতে পণ্ডিতসকলে সুকীয়া প্ৰাকৃতৰ যিবোৰ লক্ষণ দাঙি ধৰি কামৰূপী প্ৰাকৃত নামেৰে অভিহিত কৰিছে, সেইবোৰৰ বেছি ভাগেই শৌৰসেনীৰ লগত মিলে। প্ৰাকৃত ব্যাকৰণবোৰতো কামৰূপী প্ৰাকৃতৰ উল্লেখ নাই। কামৰূপী প্ৰাকৃতৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য আমি তথ্যৰ ভিত্তিত যুক্তি সহকাৰে প্ৰতিষ্ঠা কৰিব নোৱাৰালৈকে পণ্ডিত সমাজৰ স্বীকৃতি আদায় কৰিব নোৱাৰিম।[৫] ড পাঠকৰ যুক্তি অস্বীকাৰ কৰিব নোৱাৰি যদিও প্ৰাক্-আহোমকালীন কামৰূপীয় লেখাৱলীত প্ৰাপ্ত সংস্কৃতভিন্ন ৰূপসমূহৰ লগত প্ৰত্ন অসমীয়া ভাষাৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। এই লেখাসমূহত সংস্কৃতৰ পৰিচ্ছন্ন ৰূপৰ মাজতে সোমাই থকা সংস্কৃতভিন্ন উপাদানবোৰে তৎকালীন কামৰূপত ৰজাঘৰীয়া আৰু সাহিত্যিক ভাষাৰূপে গৃহীত সংস্কৃতৰ সমান্তৰালভাৱেই জনসাধাৰণৰ মাজত প্ৰচলিত স্থানীয় গঢ়ৰ ভাষা এটাৰ ক্ৰমবিৱৰ্তনৰ আভাস দাঙি ধৰে যাক 'আৰ্যমূলীয় কামৰূপী লোকভাষা' আখ্যা দিব পাৰি। প্ৰাকৃতজনানাং ভাষা প্ৰাকৃতম্ —এই অৰ্থত কামৰূপৰ জনসাধাৰণৰ ব্যৱহৃত ভাষা হিচাপে আৰ্যভাষাৰ উপাদানপ্ৰধান এই ভাষাটোক 'কামৰূপী প্ৰাকৃত' আখ্যা দিব পাৰি যদিও কামৰূপী প্ৰাকৃতৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কীয় উল্লিখিত বেমেজালিৰ পৰা হাত সাৰিবলৈ আমি এই আলোচনাত 'আৰ্যমূলীয় কামৰূপী লোকভাষা' নামটোকে গ্ৰহণ কৰিছোঁ। প্ৰাক্-আহোমকালীন কামৰূপীয় লেখাৱলীত সন্নিবিষ্ট 'আৰ্যমূলীয় কামৰূপী লোকভাষা'ৰ বৈশিষ্ট্যসূচক উপাদানবোৰ বিশ্লেষণ কৰিলে দেখা যায় যে এই ভাষাই ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰৰ আদৰ্শ কথ্য ভাষাবোৰৰ লগত অৰ্থাৎ সৰ্বভাৰতীয় জানপদ ভাষাৰ (Pan Indian Koine) লগত অসমীয়া ভাষাৰ যোগসূত্ৰ স্থাপন কৰিছে। অসমীয়া ভাষাৰ ঐতিহাসিক পৃষ্ঠভূমিৰূপে প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাৰ

এক সংক্ষিপ্ত অধ্যয়ন প্ৰবন্ধটিত আগবঢ়োৱা হ'ল।

০২.০০ প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাৰ স্বৰূপ ঃ

০২.১০ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ ভিতৰতে উত্তৰ ভাৰতত আৰ্যশক্তি সুপ্ৰতিষ্ঠিত হয় যদিও আৰ্যাৱৰ্তৰ লগত প্ৰাচীন কামৰূপৰ সম্পৰ্কৰ নিৰ্ভৰযোগ্য ঐতিহাসিক প্ৰমাণ খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰাহে পোৱা যায়।[১] খ্ৰীষ্টীয় চতুৰ্থ শতিকাত আৰ্যপ্ৰধান ভাৰতীয় সংস্কৃতিৰ সম্পৰ্কলৈ গৈ ভাৰতীয়কৰণৰ আদৰ্শ গ্ৰহণকাৰী প্ৰাচীন কামৰূপীয় ৰজাসকলে সেই সময়ৰ বুদ্ধিজীৱীসকলৰ সৰ্বভাৰতীয় মাধ্যম সংস্কৃত ভাষাকেই ৰাজকীয় ভাষাৰূপে গ্ৰহণ কৰিছিল আৰু ভূমিদান সম্পৰ্কীয় ফলিবোৰকে ধৰি অন্যান্য ৰাজকীয় অভিলেখসমূহ এই ভাষাতেই ৰচনা কৰোৱাইছিল। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ নগাজৰী খনিকৰ গাঁও শিলালেখ আৰু সুৰেন্দ্ৰবৰ্মাৰ উমাচল শিলালেখৰ পৰা খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আমবাৰী শিলালেখলৈকে এই সময়ছোৱাৰ ৰজাঘৰীয়া দানৰ লগত সংশ্লিষ্ট শিলালেখ আৰু তামৰ ফলিবোৰৰ ভাষা নিৰীক্ষণ কৰিলে দেখা যায় যে এইবিলাকৰ ভাষা মূলত সংস্কৃতেই যদিও এই সংস্কৃত ভাষাৰ মাজত সংস্কৃত ব্যাকৰণৰ নিয়মবহিৰ্ভূত ৰূপো সন্নিৱিষ্ট হৈছে। শ্লোক আৰু গদ্যমিশ্ৰিত এই লেখসমূহত প্ৰাচীন কামৰূপীয় ৰজাসকলৰ বংশাৱলী, লেখসমূহৰ ৰচয়িতা প্ৰস্তুতকৰ্তা আৰু আখৰকটীয়াৰ নাম যিসকল ব্ৰাহ্মণক ভূমিদান কৰা হৈছে তেওঁলোকৰ নাম আৰু বংশাৱলী দান কৰা ভূমিৰ পৰিমাণ সীমা আদিৰ বিৱৰণ সন্নিৱিষ্ট হৈছে। বিতোপন চিত্ৰকল্প অলংকাৰ ছন্দ আদিৰে সমৃদ্ধ ৰজাসকলৰ প্ৰশস্তিমূলক শ্লোকসমূহে ৰচয়িতা কবিসকলৰ উচ্চ স্তৰৰ কাব্য প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিছে। এই লেখসমূহৰ সাহিত্যিক অংশবোৰ ধ্ৰুপদী কাব্যশৈলীৰ। তথাপিও এই লেখসমূহৰ মাজতেই এনে কিছুমান ব্যতিক্ৰম প্ৰয়োগ সন্নিৱিষ্ট হৈছে, যিবোৰে সেই সময়ৰ কামৰূপত ৰজাঘৰীয়া আৰু সাহিত্যিক ভাষাৰূপে গৃহীত সংস্কৃতৰ সমান্তৰালভাৱেই জনসাধাৰণৰ মাজত প্ৰচলিত স্থানীয় গঢ়ৰ ভাষা এটাৰ ক্ৰমবিৱৰ্তনৰ আভাস দাঙি ধৰে। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা কামৰূপৰ বিভিন্ন ৰাজবংশৰ ৰজাসকলৰ সময়ত ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগত ঘটা ৰাজনৈতিক সম্পৰ্কৰ ফলস্বৰূপে ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা বিভিন্ন প্ৰাকৃতভাষী লোক ৰাজনৈতিক সাংস্কৃতিক অৰ্থনৈতিক প্ৰভৃতি বিভিন্ন কাৰণত ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহাত তেওঁলোকৰ সমূহীয়া মাধ্যমৰূপে আৰু ইয়াৰ থলুৱা লোকসকলৰ লগত ভাব বিনিময়ৰ প্ৰয়োজনতে হয়তো আৰ্যভাষাৰ উপাদানপ্ৰধান এটা নতুন কামৰূপী লোকভাষা গঢ় লৈ উঠিছিল। আৰ্যভাষাৰ উপাদানপ্ৰধান এই কামৰূপী লোকভাষাত থলুৱা অনাৰ্য ভাষাৰ উপাদানো আছে। প্ৰাচীন কামৰূপীয় লেখাৱলীত প্ৰাপ্ত সংস্কৃতভিন্ন ৰূপবোৰে প্ৰাকৃতভাষী লোকৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱিত এই কথিত

উপভাষাটোৰ চানেকি দাঙি ধৰে। সংস্কৃতৰ এই অশুদ্ধ প্ৰয়োগবোৰক সেই সময়ৰ শিক্ষিত আৰু অৰ্ধশিক্ষিত শ্ৰেণীটোৰ মাজত প্ৰচলিত কথিত উপভাষাটোৰ প্ৰতুৰূপ বুলি বিবেচনা কৰিব পাৰি। এইখিনিতে উল্লেখযোগ্য যে প্ৰাচীন কামৰূপীয় লেখাৱলীত প্ৰাপ্ত সংস্কৃতৰ নিয়মবহিৰ্ভূত উপাদানসমূহ বিক্ষিপ্তভাৱে পোৱা গৈছে আৰু এইবিলাকৰ পৰা আৰ্যমূলীয় কামৰূপী লোকভাষাটোৰ কালানুক্ৰমিক ক্ৰমবিৱৰ্তন স্পষ্টভাৱে দেখুৱাব নোৱাৰি। সি যি কি নহওক প্ৰাক্-আহোমকালীন প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষা নিশ্চিতভাৱেই সংস্কৃত আৰু সাহিত্যিক অংশবোৰ ধ্ৰুপদী কাব্যশৈলীৰ যদিও এই সংস্কৃতৰ মাজতেই কিছুমান ব্যতিক্ৰম প্ৰয়োগো সন্নিবিষ্ট হৈছে। এই ব্যতিক্ৰম প্ৰয়োগবোৰৰ ভিতৰত মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰৰ বৈশিষ্ট্যসূচক ৰূপ থলুৱা ৰূপ আৰু অনিয়মিত সংস্কৃত ৰূপ কিছুমান সন্নিবিষ্ট হৈছিল। গতিকে প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাক তলত দিয়া ধৰণেৰে চিত্ৰিত কৰি দেখুৱাব পাৰি



০৩০০ 'আৰ্যমূলীয় কামৰূপী লোকভাষা'ৰ বৈশিষ্ট্য ঃ

প্ৰাচীন কামৰূপীয় লেখাৱলীত সংস্কৃতৰ পৰিচ্ছন্ন ৰূপৰ মাজতে সোমাই থকা সংস্কৃত ব্যাকৰণৰ নিয়মবহিৰ্ভূত ৰূপসমূহকেই 'আৰ্যমূলীয় কামৰূপী লোকভাষা'ৰ বৈশিষ্ট্যসূচক নিদৰ্শন হিচাপে গণ্য কৰিব পাৰি। এই বৈশিষ্ট্যসমূহৰ এটি সাধাৰণ পৰিচয় তলত দাঙি ধৰা হ'ল।

০৩১০ ধ্বনিগত বৈশিষ্ট্য

০৩১১ স্বৰ-ধ্বনিগত ঃ

(১) **স্বৰ-ধ্বনিৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা ঃ** ৭ম-১২শ শতিকাৰ নিধনপুৰ

পৰ্বতীয়া নগাঁও বৰগাঁও গুৱাহাটী গছতল শুভংকৰপাটক আৰু পুষ্পভদ্ৰা লিপিত এনে ধৰণৰ প্ৰয়োগৰ ভালেসংখ্যক উদাহৰণ পোৱা যায়। যেনে— ধৃতিস্বামী>ধৃতীস্বামী ঈশ্বৰ>ইশ্বৰ (নিধনপুৰ) অগ্ন্যাহিত>আগ্ন্যাহিত শাংকৰী>শংকৰী (বৰগাঁও) ভুৱং>ভূৱং কামৰূপ>কামৰুপ (পুষ্পভদ্ৰা) ইত্যাদি।

(২) **ঋ ধ্বনিৰ পৰিবৰ্তন ঃ** প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ 'ঋ ধ্বনিটো অ ই, ৰি আৰু ৰু-ধ্বনিলৈ পৰিবৰ্তন হোৱাৰ উদাহৰণ ১১শ-১২শ শতিকাৰ বৰগাঁও, গছতল আৰু কমৌলি ফলিত পোৱা গৈছে। যেনে— বৃহদাল্যাং>ব্ৰহদাল্যাং ঋষিগণ>ৰুষিগণ (বৰগাঁও)· হৃত>হিত (গছতল)· কৃত্বা>ক্ৰিত্বা (কমৌলি) ইত্যাদি।

(৩) **দ্বিস্বৰ ঐ আৰু ঔ-ৰ পৰিবৰ্তন ঃ** প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ঔ>ও আৰু ঐ>এ ই ধ্বনিত পৰিণত হোৱাৰ উদাহৰণ ৭ম শতিকাৰ নিধনপুৰ ফলি ১২শ শতিকাৰ পুষ্পভদ্ৰা আৰু বল্লভদেৱৰ অসম ফলিত পোৱা গৈছে। যেনে—ধৌতেশ্বৰ>ধোতেশ্বৰ শনৈশ্চৰ>শণিশ্চৰ (নিধনপুৰ) দণ্ডপাশিকৌ> দণ্ডপাশিকো (পুষ্পভদ্ৰা)· গৰুড়ৈ>গৰুড়ে (অসম ফলি) ইত্যাদি।

(৪) **স্বৰৰ সলনি স্বৰান্তৰৰ প্ৰয়োগ ঃ** ৭ম-১২শ শতিকাৰ নিধনপুৰ উলুবাৰী গুৱাকুচি পুষ্পভদ্ৰা আৰু কমৌলি লিপিত স্বৰৰ সলনি স্বৰান্তৰৰ প্ৰয়োগৰ ভালেকেইটি উদাহৰণ পোৱা গৈছে। যেনে—

অ > উ ঃ তৰ্ককেষ > তৰ্ককেষু (কমৌলি)
আ > ঈ ঃ ক্ষুণ্ন পাতাল > ক্ষুণ্ন পাতীল (পুষ্পভদ্ৰা)
ই > অ ঃ কল্পিতা > কল্পতা (নিধনপুৰ)
উ > অ ঃ সুনয়ন > সনয়ন (নিধনপুৰ)
উ > অ ঃ শম্ভোদদ্যুত > শম্ভোদদ্যত (গুৱাকুচি)
এ > অ ঃ আত্ৰেয় > আত্ৰয় (নিধনপুৰ)
এ > ই ঃ তাৰেৰ > তাৰিৰ (উলুবাৰী)
এ > ঐ ঃ কুলাচলস্যেৰ > কুলাচলস্যৈৰ (নিধনপুৰ)
ও > অ ঃ যশোভূতি > যশভূতি (নিধনপুৰ)।

(৫) **সম্প্ৰসাৰণ ঃ** ৮ম/৯ম শতিকাৰ দেওপানীৰ বিষ্ণুমূৰ্তিলেখ আৰু ১২শ শতিকাৰ পুষ্পভদ্ৰা লিপিত সম্প্ৰসাৰণৰ উদাহৰণ পোৱা যায়। যেনে— মৰ্ত্ত্য >মাৰ্ত্তি (দেওপানীৰ বিষ্ণুমূৰ্তি লেখ), হস্ত্যশ্বোষ্ট্ৰ>হস্তিশ্বোষ্ট্ৰ (পুষ্পভদ্ৰা)।

(৬) **স্বৰলোপ আৰু স্বৰাগম ঃ** ৭ম-১২শ শতিকাৰ নিধনপুৰ, গুৱাকুচি গছতল, শুভংকৰপাটক আৰু পুষ্পভদ্ৰা লিপিত স্বৰলোপ আৰু স্বৰাগম প্ৰক্ৰিয়াৰে ধ্বনি পৰিবৰ্তনৰ উদাহৰণ পোৱা যায়। যেনে—উডুম্বৰ>ডুম্বৰী, প্ৰাপয়িতা>প্ৰাপয়িত (নিধনপুৰ); শ্ৰী>সিৰি (গুৱাকুচি), পয়ঃ>পয়োঃ (গছতল); ভ্ৰাত্ৰে>ভ্ৰাতৰে

(শুভংকৰপাটক); প্ৰসিদ্ধ>প্ৰসিদ্ধি (পুষ্পভদ্ৰা) ইত্যাদি।

০৩ ১২ ব্যঞ্জন ধ্বনি সম্পৰ্কীয় :

০৩ ১২ ১০ একক ব্যঞ্জনৰ পৰিবৰ্তন :

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দন্ত্য মূৰ্ধন্য আৰু তালব্য উষ্ম ধ্বনিকেইটাৰ (স,ষ শ-ৰ) বিকল্প প্ৰয়োগ ৭ম-১২শ শতিকাৰ কামৰূপীয় লেখাবলীৰ ভাষাত প্ৰচুৰ পৰিমাণে দেখা যায়। যেনে—দৰ্শিত>দৰ্ষিত অশ্ব>অস্ব (নিধনপুৰ)· কল্মষঃ>কল্মশ০ (উত্তৰ বৰবিল)· কেশৰি>কেসৰি যশসি>যশশি (নগাঁও) নিসেৱিত>নিষেৱিত দ্বিজেশং>দ্বিজেষং (বৰগাঁও) কাশী>কাষী দশ>দস সকল>শকল (গুৱাহাটী) শাসনী>সাসনী স্ৰোত০>শ্ৰোতঃ বিশদং>বিষদং বিদ্বেষি>বিদ্বেসি (গছতল) শক> সক (আমবাৰী শিলালেখ) ইত্যাদি।

(২) 'য, 'জ আৰু 'ব 'ৱ -ৰ বিকল্প প্ৰয়োগৰ উদাহৰণো কামৰূপীয লেখাৱলীৰ যত্ৰ-তত্ৰ পোৱা যায। 'য় জ -ৰ বিকল্প প্ৰযোগৰ উদাহৰণ ৭ম ১১শ শতিকাৰ নিধনপুৰ বৰগাঁও গুৱাহাটী গুৱাকুচি আৰু গছতল লেখত পোৱা যায। 'ব 'ৱ -ৰ বিকল্প প্ৰয়োগৰ উদাহৰণ ৫ম—১২শ শতিকাৰ উমাচল শিলালেখ ডুবি অনুশাসন, নিধনপুৰ, বৰগাঁও, গুৱাহাটী, গছতল, খনামুখ, পুষ্পভদ্ৰা আৰু শুভংকৰপাটক ফলিত পোৱা যায়। যেনে—য়াগেশ্বৰ>জাগেশ্বৰ (নিধনপুৰ) য়ানুৰাগাজ্জনেষু>জানুৰাগাজ্জনেষু, জায়েত>যায়েত (বৰগাঁও); য়শা>জশা (গুৱাহাটী) যজুৰ্ব্বেদী>য়য়ুৰ্ব্বেদো (গুৱাকুচি); য়স্য>জস্য (গছতল)· বলভদ্ৰ>ৱলভদ্ৰ (উমাচল শিলালেখ), বাহু>ৱাহু (ডুবি অনুশাসন); বলবৰ্মা>ৱলৱৰ্মা (নিধনপুৰ) বালহৰিণী>ৱালহৰিণী (পুষ্পভদ্ৰা) ইত্যাদি।

(৩) অঘোষীভৱন, ঘোষীভৱন, অল্পপ্ৰাণীভৱন, মহাপ্ৰাণীভৱন লোপমূলক পৰিৱৰ্তন, বিপৰ্যাসমূলক পৰিৱৰ্তন আদিৰ উদাহৰণো ৭ম-১২শ শতিকাৰ কামৰূপীয লেখাৱলীৰ ভাষাত ৰক্ষিত হৈছে। যেনে—অভিগামিক>অভিকামিক (নিধনপুৰ)· বাসবা>ৱাসপা (বৰগাঁও); এতদ্দ্বয়ং>এততদ্বয়ং (কমৌলি); মঠপতি>মতৱদী (দেওপানীৰ বিষ্ণুমূৰ্তিৰ লেখ); লিখিতম্>লিখিদঃ (দেওপানীৰ হৰিহৰ মূৰ্তিৰ লেখ)· বাডা>ৱাৱা, ৰাণকাধিকৃতান>ৰাণকাদিকৃত্যান (শুভংকৰপাটক); প্ৰান্ত>প্ৰান্ঠ (বৰগাঁও); শাসয়িতা>শাসইতা (নিধনপুৰ); তায়িক>তাইক (বৰগাঁও), পয়োধি>পধি (কমৌলি); অনুৰাধেতি>অনুধাৰেতি (গুৱাকুচি) সুনুকন্ত>সুনুকন্তন (গছতল); অমলম্>অমলন (নগাঁও) ইত্যাদি।

(৪) প্ৰাচীন কামৰূপীয় লেখাৱলীত অনুস্বাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত সংস্কৃতৰ নিয়মবহিৰ্ভূত বিভিন্ন ধৰণৰ ৰূপ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে বৈদিক আৰু সংস্কৃত ভাষাত ব্যঞ্জনবৰ্ণৰ পূৰ্বত থকা পদান্তস্থিত 'ম্'- ৰ স্থানত অনুস্বাৰ হয়, কিন্তু

স্বৰবৰ্ণৰ পূৰ্ববৰ্তী পদান্ত ব্যঞ্জনৰ স্থানত নহয়। অন্যহাতে মধ্য ভাৰতীয় আৰ্যভাষাত স্বৰ ব্যঞ্জনৰ পৰৱৰ্তী অৱস্থান নিৰ্বিশেষে পদান্ত 'ম অনুস্বাৰত পৰিণত হয়। ৫ম ১২শ শতিকাৰ কামৰূপীয লেখাৱলীত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ নিয়মবহিৰ্ভূত মধ্য ভাৰতীয আৰ্যভাষাৰ বৈশিষ্ট্যসূচক ৰূপ আৰু তাৰ ব্যত্যয় প্ৰযোগো দেখা যায। যেনে—গুহং কৃতম্ (উমাচল লেখ) ইদং আশ্ৰমং (বৰগংগা লেখ), তনযং, নিলযং (নিধনপুৰ) ব্যগ্ৰমমুগ্ৰং (বৈদ্যদেৱৰ অসম ফলি) ইত্যাদি। ইয়াৰ উপৰি ৭ম শতিকাৰ ডুবি আৰু নিধনপুৰ তাম্ৰফলি, ৯ম শতিকাৰ হায়ুংথল আৰু নগাঁও লেখত 'শ আৰু 'হ ৰ পূৰ্ববৰ্তী অনুস্বাৰ (ং) ঙ'ত পৰিণত হোৱাৰ উদাহৰণ পোৱা যায। যেনে—অংশ>অঙশ (নিধনপুৰ), সিংহ>সিঙহ (ডুবি, নিধনপুৰ) সিংহাসন>সিঙহাসন (হায়ুংথল নগাঁও) ইত্যাদি। আকৌ ৭ম-১১শ শতিকাৰ নিধনপুৰ নগাঁও বৰগাঁও গুৱাহাটী গুৱাকুচি ফলিত 'ৱ ৰ পূৰ্ববৰ্তী অনুস্বাৰ (ং) 'ম'-ত পৰিণত হোৱাৰ উদাহৰণ (যেনে—দুৰিতং ৱঃ>দুৰিতম্‌ৱ যং ৱেদ>য়ম্‌ৱেদ ইত্যাদি) পোৱা যায়। সংস্কৃতত বৰ্গৰ প্ৰথম দ্বিতীয়, তৃতীয়, চতুৰ্থ বৰ্ণ আৰু শ, ষ, স, হ - ৰ পূৰ্ববৰ্তী পদমধ্যস্থ 'ন্' আৰু 'ম্' ৰ ঠাইত অনুস্বাৰ (ং) হয়। ৯ম-১২শ শতিকাৰ উত্তৰ বৰবিল, বৰগাঁও, গুৱাহাটী, গুৱাকুচি, শুভংকৰপাটক আৰু পুষ্পভদ্ৰা ফলিত এই নিযমৰ ব্যত্যয প্ৰযোগ দেখা পোৱা যায়, যেনে—পুংসাম>পুন্সাম (উত্তৰ বৰবিল), হংস>হন্স (বৰগাঁও) অংশ>অন্স (গুৱাকুচি) ইত্যাদি।

(৫) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ 'অ'-কাৰৰ পিছৰ বিসৰ্গ 'ও'-কাৰত পৰিণত হোৱাৰ উদাহৰণ ৭ম শতিকাৰ নিধনপুৰ আৰু ৯ম শতিকাৰ পৰ্বতীয়া ফলিত পোৱা গৈছে। যেনে— নাগেভ্য°>নাগেভ্যো (নিধনপুৰ) গৃহঃ>গৃহো (পৰ্বতীয়া) ইত্যাদি।

(৬) মধ্য ভাৰতীয় আৰ্যভাষাত প্ৰাচীন ভাৰতীয়-আৰ্যভাষাৰ পদান্ত ম্ - কাৰত অনুস্বাৰৰ বাহিৰে সকলো ব্যঞ্জন ধ্বনি লোপ হৈছিল, অৰ্থাৎ অধিকাংশ শব্দই স্বৰান্ত হৈ দেখা দিছিল। অন্ত্য ব্যঞ্জন লোপ নোহোৱাকৈ তাকেই স্বৰান্ত কৰাৰ প্ৰৱণতা ১১শ-১২শ শতিকাৰ গুৱাহাটী পুষ্পভদ্ৰা কমৌলি আৰু বৈদ্যদেৱৰ অসম ফলিত দেখা যায়। যেনে—সম্যগভৱৎ>সম্যগভৱত (গুৱাহাটী), শ্ৰীমান্>শ্ৰীমান (পুষ্পভদ্ৰা), নিশ্চয়াৎ>নিশ্চযাত (কমৌলি), য়স্মিন্>য়স্মিন (অসম ফলি) ইত্যাদি।

০৩ ১২ ২০ সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন : প্ৰাচীন কামৰূপীয় লেখাৱলীৰ মাজত ঠায়ে ঠায়ে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভৱৰ সংযুক্ত ব্যঞ্জন কিছুমানৰ পৰিৱৰ্তিত ৰূপৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। এইবোৰৰ কিছুমান মধ্য ভাৰতীয় আৰ্যভাষাৰ লক্ষণসম্পন্ন আৰু কিছুমান নিয়মবহিৰ্ভূত সংস্কৃতভ্ৰষ্ট ৰূপ। মধ্য ভাৰতীয় আৰ্যভাষাৰ লক্ষণসম্পন্ন ৰূপবোৰত সৰলীকৰণৰ প্ৰবৃত্তি আৰু সংস্কৃতভ্ৰষ্ট ৰূপবোৰত ইয়াৰ বিপৰীত প্ৰবৃত্তি দেখা যায়।

০৩.১২.২১ সৰলীকৃত ৰূপ

(১) ৰ আৰু য-যুক্ত ব্যঞ্জনৰ ৰ 'য লোপ সংযুক্ত বৰ্ণৰ তলত বা ওপৰত থকা 'ৰ' অৰ্থাৎ ৰেফ বা ৰ-কাৰ আৰু য যুক্ত ব্যঞ্জনৰ য-কাৰ লোপৰ ভালেসংখ্যক উদাহৰণ ৭ম-১২শ শতিকাৰ নিধনপুৰ বৰগাঁও গুৱাহাটী গুৱাকুচি শুভংকৰপাটক পুষ্পভদ্ৰা আৰু কমৌলি ফলিত পোৱা গৈছে। যেনে— গাৰ্গ্যো>গাৰ্গো কাশ্যপো>কাশপো (নিধনপুৰ) অন্যো>অনো (বৰগাঁও) পৱিত্ৰো>পৱিতো লক্ষ্ম্যা>লক্ষ্মা (গুৱাহাটী) শম্ভোদৰ্দ্যাতে>শম্ভোদদাত তন্ত্ৰ>তন্ত (গুৱাকুচি) দ্যাপেতা>দাপেতা (শুভংকৰপাটক) অৰ্দ্ধস্ৰোত>অদ্ধশোত প্ৰাগজ্যোতিষা>প্ৰাগজোতিষা (পুষ্পভদ্ৰা) পূৰ্ব্বপূৰ্ব্ব>পূৱবপূৱব ভ্ৰমশমাৎ>ভমশমাৎ(কমৌলি) ইত্যাদি।

(২) যুক্ত ব্যঞ্জনৰ সমবৰ্ণ লোপ : ৭ম-১২শ শতিকাৰ ডুবি নিধনপুৰ পৰ্বতীয়া, নগাঁও বৰগাঁও গুৱাহাটী গুৱাকুচি গছতল শুভংকৰপাটক পুষ্পভদ্ৰা আৰু কমৌলি ফলিত সংযুক্ত সমবৰ্ণৰ এটা লোপ হোৱাৰ ভালেসংখ্যক উদাহৰণ পোৱা যায়। যেনে— সমুজ্জ্বাল্য>সমুজ্বাল্য (ডুবি) ভট্টিনন্দ>ভটিনন্ত তস্মান্নৈতানি>তস্মানৈতানি (নিধনপুৰ) কেচিদ্দিশো>কেচিদিশো (পৰ্বতীয়া) দ্বিষজ্জ্বৰো>দ্বিষজ্বৰো (নগাঁও) মোদ্দেশ>মোদেশ (বৰগাঁও) ভট্টাৰক>ভটাৰক (গুৱাহাটী) কুট্টিমং>কুটিমং (গুৱাকুচি) জ্জ্বলিতা>জ্বলিতা (গছতল) সচ্চৰিত্ৰ>সচৰিত্ৰ (শুভংকৰপাটক) উৎক্ৰান্ত>উত্ৰস্থ (পুষ্পভদ্ৰা) সত্ত্ব>সত্ব (কমৌলি) ইত্যাদি।

(৩) সমীভৱন স্বৰভক্তি : প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সংযুক্ত ব্যঞ্জনবোৰ সমীভৱন স্বৰভক্তি আদি প্ৰক্ৰিয়াৰে সৰলীকৃত হোৱাৰ উদাহৰণো ৭ম-১২শ শতিকাৰ নিধনপুৰ গুৱাহাটী গুৱাকুচি পুষ্পভদ্ৰা শুভংকৰপাটক আৰু কমৌলি ফলিত পোৱা গৈছে। যেনে—বাহ্বৃচা>বাহ্বৃচ্চ ভোক্তু>ভোত্তু কৰ্ণসুবৰ্ণ>কন্নসুবন্ন প্ৰদ্যুম্ন>প্ৰদ্যুম্ন (নিধনপুৰ) বীৰ্য>বীজ্জ সৰ্বা>সৱ্বা (গুৱাহাটী) শ্ৰী>সিৰি (গুৱাকুচি) ডুম্বৰী>ডুম্মৰী ভ্ৰাত্ৰে>ভ্ৰাতৰে (শুভংকৰপাটক) ৰাজন্যক>ৰাজন্নক (পুষ্পভদ্ৰা) স্বৰ্লোকং>স্বল্লোকং (কমৌলি) ইত্যাদি।

(৪) অন্যান্য পৰিবৰ্তন : কামৰূপীয় লেখাৱলীত প্ৰাপ্ত সংযুক্ত ব্যঞ্জনৰ অন্যান্য পৰিবৰ্তনবোৰ এনে ধৰণৰ

ক্ষ > খ কৃখ ক্ষিতিমথ > খিমথ (বৰগাঁও)
মাক্ষিয়ান > মাকৃখিয়ান (গুৱাহাটী)

ম্ৰ > ম্ৱ ম্ব আম্ৰ > আম্ৱ (গুৱালকুচি)
অম্ব (গুৱাকুচি)

ৎস > চ্ছ বৎসৰে > বচ্ছৰে (খনামুখ)

ষ্ট > স্ত প্ৰৱিষ্টঃ > প্ৰৱিস্ত (তেজপুৰ)
ষ্ক > স্ক ৰহিষ্কৃতা > ৰহিস্কৃতা (অসম ফলি)
স্ক > ক স্কন্ধ > কন্ধ (কমৌলি)
ঞ্ছ > চ্ছ প্ৰোঞ্ছয়ন > প্ৰোচ্ছয়ন (কমৌলি)।

০৩ ১২ ২২ সংস্কৃতভ্ৰষ্ট অনিয়মিত ৰূপ ঃ

(১) 'ৰ ৰ অব্যৱহিত পূৰ্ব্ববৰ্তী বা পৰৱৰ্তী ব্যঞ্জনৰ দ্বিত্বকৰণ যেনে— শক্ৰ > শক্ক্ৰ, কৰ্কশ > কৰ্ক্কশ (ডুবি) যত্ৰ > যত্ত্ৰ (নিধনপুৰ) ছত্ৰ > চ্ছত্ত্ৰ (নগাঁও) ইত্যাদি।

(২) সাদৃশ্যমূলক দ্বিৰুক্তি যেনে— স্থিতি > স্থিতি লক্ষ্মীসমা > লক্ষ্মীসসমা (নিধনপুৰ) ভগদত্তনামা > ভগদত্তন্নামা শাৰ্দ্দূলৈ > শাৰ্দ্দূল্লৈঃ (গুৱাকুচি) ছুৰিকা > চ্ছুৰিকা (অসম ফলি) ইত্যাদি।

০৩ ১৩ সন্ধি সম্পৰ্কীয় বৈশিষ্ট্য ঃ সন্ধিৰ প্ৰাচুৰ্য প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰৰ বৈদিক আৰু সংস্কৃতৰ এক প্ৰধান বৈশিষ্ট্য আছিল। সন্নিহিত দুটা বৰ্ণৰ মাজত যতেই সন্ধি সম্ভৱ তাতেই সন্ধি হৈছিল বিশেষকৈ সংস্কৃতত সন্ধি হৈ পৰিছিল বাধ্যতামূলক আৰু নিৰ্দিষ্ট নিয়মেৰে সন্ধি সাধন কৰাটো এক ৰীতিয়েই হৈ পৰিছিল। ৭ম-১২শ শতিকাৰ কামৰূপীয় লেখাৱলীৰ সংস্কৃত ভাষাৰ মাজত আৱশ্যকীয় স্থানত সন্ধিৰ বৰ্জন আৰু ভুলভাৱে কৰা সন্ধিৰ উদাহৰণ পোৱা গৈছে।

(১) **সন্ধি-বৰ্জনৰ উদাহৰণ ঃ** চন্দ্ৰ ইব (ডুবি) হৰি অদ্ভুত (নিধনপুৰ) দণ্ডপাশিক-ঔপচাৰিক-ঔৎখেটিক (নগাঁও) লসৎ শ্ৰীফলৈঃ (কমৌলি) এতৎ সীমাৰহিস্কৃত্য (অসম ফলি) ইত্যাদি।

(২) **ভুলভাৱে কৰা সন্ধি ঃ** ভূত + দধৌ = ভূতদধৌ > ভূতদধৌ অংশা + চতুৰ্থ = অংশাচ্চতুৰ্থ > অংশাচতুৰ্থ (নিধনপুৰ) আজ্ঞাপয়তি + এৱ = আজ্ঞাপয়ন্ত্যেৱ > আজ্ঞাপয়ন্তিৱ (হাযুংথল) জগৎ + জয়লব্ধ = জগজ্জয়লব্ধ > জগজয়লব্ধ (বৰগাঁও) হস্তি + অশ্ব = হস্ত্যশ্ব > হস্তিশ্ব (পুষ্পভদ্ৰা) ইত্যাদি।

০৩ ২০ ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

০৩ ২১ শব্দৰূপগত ঃ কামৰূপীয় লেখাৱলীৰ সংস্কৃত ভাষাৰ মাজত শব্দৰূপৰ ক্ষেত্ৰতো সংস্কৃতভ্ৰষ্ট ৰূপ কিছুমান পৰিলক্ষিত হয়। সেইবোৰৰ কেইটিমান উদাহৰণ তলত দাঙি ধৰা হ'ল

(১) **সাদৃশ্যজাত পৰিবৰ্তন ঃ** তলত দিয়া ৰূপকেইটা ইন ভাগান্ত আৰু -অন্ ভাগান্ত শব্দৰ কিন্তু অ-কাৰান্ত শব্দৰ সাদৃশ্যত ৰূপ কৰা হৈছে ঃ ভগৱত বলভদ্ৰস্বামিনঃ > ভগৱতঃ বলভদ্ৰস্বামিনায় (উমাচল লেখ) ভূতিৱৰ্মণ > ভূতিৱৰ্মসা (বৰগংগা লেখ)।

(২) **সমকাৰকত্ব ঃ** তলত দিয়া ৰূপসমূহত প্ৰথমা তৃতীয়া চতুৰ্থী যষ্ঠী

সপ্তমী বিভক্তিৰ এটাৰ ঠাইত আনটোৰ প্ৰযোগ হৈছে দেৱী মহাদেৱী > দেৱ্যা মহাদেৱ্যা (হায়ুংথল) তৎকুগুলেন সৰসি > তৎকুগুলে সৰসা (বৰগাঁও) ৰাজ্ঞি ভুৱি প্ৰকাশে > ৰাজ্ঞ ভুৱ৹ প্ৰকাশ৹ (হায়ুংথল) মধুসূদনায নৃপতে > মধুসূদনস্য নৃপতি (পুষ্পভদ্ৰা) ইত্যাদি।

(৩) **অনিয়মিত ভ্ৰষ্ট ৰূপ** • ৭ম ১২শ শতিকাৰ কামৰূপীয লেখাৱলীৰ ঠাযে ঠাযে অনিযমিত ভ্ৰষ্ট ৰূপ কিছুমানো দেখা যায, যেনে—জ্যেষ্ঠভদ্ৰান্ স্বামিনঃ পিতৃভি > জ্যেষ্ঠভদ্ৰ স্বামিনো পিতৃভ (নিধনপুৰ) পতাকা > পতাকে (ডুবি) ৱাসৱঃ > ৱাসৱৈঃ (হায়ুংথল), যস্য ক্ষেত্ৰে চাত্মনঃ > য়সা ক্ষেত্ৰাং চাত্মনং (বৰগাঁও), দক্ষিণকূলে > দক্ষিণকূলৌ (গুৱাকুচি), প্ৰথম দিনে > প্ৰথম দিনা (কমৌলি) ইত্যাদি।

(৪) **নিৰ্বিভক্তিক প্ৰয়োগ ঃ** কামৰূপীয় লেখাৱলীৰ ঠায়ে ঠাযে (ঘাইকৈ বৰগাঁও গুৱাকুচি আৰু কমৌলি ফলিত) নিৰ্বিভক্তিক প্ৰয়োগৰ উদাহৰণো পোৱা গৈছে, যেনে— পশ্চিমগ পূৰ্বগ, উত্তৰগ, কোষ্ঠ, গামেকা ইত্যাদি।

০৩ ২২ **ধাতুৰূপগত ঃ** ধাতুৰূপৰ ক্ষেত্ৰত কৰ্তৃবাচাত কৰ্মবাচ্যৰ ক্ৰিযাৰূপৰ প্ৰয়োগ, ভবাদিগণীয় আত্মনেপদী ধাতুৰ তনাদিগণীয পৰস্মৈপদীৰ দৰে ৰূপ ইত্যাদি বেমেজালিৰ দুই-এটি উদাহৰণ পোৱা গৈছে, যেনে—অধ্যাসতে > অধ্যাসিতং (হায়ুংথল) শোভিষ্ট > শোভোত (বৰগাঁও) ইত্যাদি।

০৩ ২৩ **ৰূপৰচনাত্মক প্ৰত্যয় ঃ** প্ৰাচীন কামৰূপীয লেখাৱলীৰ সংস্কৃত ভাষাৰ মাজত বৰ্তমানৰ অসমীয়া ভাষাত প্ৰচলিত কেইটিমান তদ্ধিত আৰু স্বাৰ্থিক প্ৰত্যযৰ প্ৰযোগ দেখিবলৈ পোৱা যায়।

০৩ ২৩ ১০ **সাধাৰণ তদ্ধিত প্ৰত্যয ঃ**

(১) -ইযা ঃ কালি + ইযা = কালিযা (নিধনপুৰ)
(২) -উৱা ঃ নৌকা + উৱা = নৌকুৱা (বনমাল ৹ তেজপুৰ)
(৩) -ঈ/-ই ঃ নাকজোস + ঈ = নাকজোসী (হৰ্জৰবৰ্মা ° তেজপুৰ)
ওৰাঙ্গ বা ওৰঙ্গ + ই = ওৰঙ্গি (শুভংকৰপাটক)
অৱঘু + ই = অৱঘিু (পুষ্পভদ্ৰা)।

০৩ ২৩ ২০ **স্বাৰ্থিক প্ৰত্যয় ঃ**

(১) -এ ৹ চন্দ্ৰ > চন্দ + এ = চন্দে (গুৱালকুছি)
(২) -ওক ঃ ইন্দ্ৰ > ইন্দ + ওক = ইন্দোক (বনমাল ঃ তেজপুৰ)
(৩) -ও পূৰ্ণ > পুন্ন + ও = পুন্নো (নিধনপুৰ)
মান + ও = মানো (পুষ্পভদ্ৰা)।

০৩ ৩০ **শব্দগত বৈশিষ্ট্য ঃ** প্ৰাচীন কামৰূপীয লেখাৱলীৰ ভাষাৰ মাজত ঘাইকৈ দান কৰা ভূমিৰ লগত সংশ্লিষ্ট বিভিন্ন তথ্যপাতিসম্বলিত গদ্যাংশত বৰ্তমানৰ

অসমীযা ভাষাত প্ৰচলিত শব্দৰ লগত সাদৃশ্য থকা ৰূপ কিছুমান আৰু বৰ্তমানৰ অসমীযা শব্দ কিছুমানৰ প্ৰত্নৰূপো সংৰক্ষিত হৈছে। দান কৰা ভূমিৰ সীমা আদিত থকা ভূমি স্থান পুখুৰী নৈ আদিৰ নাম আৰু বিভিন্ন প্ৰসংগত অহা ব্যক্তিৰ নামবোৰৰ বহুলাংশই অবোধ্য আৰু কিছুমানৰ ব্যুৎপত্তিগত অৰ্থ নিশ্চিতভাৱে উলিযাব নোৱাৰি যদিও ইযাৰে কিছুমান অনাৰ্যমূলীয় স্থানীয শব্দ আৰু কিছুমান আৰ্যমূলীয প্ৰাকৃত ভাষাৰ থলুৱা ৰূপ বুলি অনুমান কৰিব পাৰি। এনে ধৰণৰ নিদৰ্শন কিছুমান তলত দেখুওৱা হ'ল।

০৩ ৩১ ব্যক্তিৰ নামবাচক শব্দ : ব্যক্তিৰ নামবাচক শব্দবোৰৰ ভিতৰত ৭ম শতিকাৰ নিধনপুৰ ফলিৰ খাসোক ক্ষিকুন্দ, দুন্দুনাথ, কালিয়া, পুগো ৯ম শতিকাৰ হৰ্জ্জৰবৰ্মাৰ তেজপুৰ ফলিৰ ভট্টজীউ, লাহিলী ঝা, হৰ্জ্জৰ, ৯ম শতিকাৰে বনমালবৰ্মাৰ তেজপুৰ ফলিৰ ইন্দোক, নৌকুৱা, সভ্ৰায়িকা ৯ম শতিকাৰে তৃতীয় বলবৰ্মাৰ উলুবাৰী ফলিৰ গৰ্ভেশ্বৰিকা, ১১শ শতিকাৰ ৰত্নপালৰ বৰগাঁও ফলিৰ শ্যামায়িকা, ১১শ শতিকাৰ গুৱালকুছি ফলিৰ চন্দে, ছেপায়িকা, গুৱাকুচি ফলিৰ সনি, ঢনি, অনি, ১২শ শতিকাৰ শুভংকৰপাটক ফলিৰ ওৰঙ্গি, পাউকা, ৰত্না, পুষ্পভদ্ৰা ফলিৰ নোৰুডেৰৰীপাল, গোৱাভ ভোগ, মানো, দিজ্জৰত্নিহড়ি, অৰঞ্চি, নয়না, জীৱা, নেত্ৰা, পত্ৰা ইত্যাদি নামবোৰ উল্লেখ কৰিব পাৰি।

০৩ ৩২ ঠাইৰ নামবাচক শব্দ : ঠাইৰ নামবাচক থলুৱা শব্দবোৰ হৈছে—হাৰূপেশ্বৰ (হৰ্জ্জৰবৰ্মা বনমালবৰ্মা আৰু তৃতীয় বলবৰ্মাৰ ফলি) নাৰুজোস (হৰ্জ্জৰবৰ্মাৰ তেজপুৰ ফলি), দিজ্জিনা হেঙসিৱা (নগাঁও); কলঙ্গা (গুৱালকুছি); হপ্যোম, মকুতি-মাকৃখিযান (গুৱাহাটী) মকুতিকুম্যৰা, মৰ্কম্যীকোৰু মন্দি, পগুৰী (গুৱাকুচি); দক্ষিণপাটক (খনামুখ) ভল্লাভিঠা (শুভংকৰপাটক) চাৰোজাণ থৈসাভোবৃত্তি (পুষ্পভদ্ৰা), হাপ্যচা (অসম ফলি) ইত্যাদি।

০৩ ৩৩ পুখুৰী বিল নৈৰ নামবাচক শব্দ : কামৰূপীয লেখাৱলীত প্ৰাপ্ত পুখুৰী বিল নৈৰ নামবাচক থলুৱা শব্দবোৰ এনে ধৰণৰ— দিন্দেসা সেৱা (নগাঁও) দিমদৌজোল (উলুবাৰী)· দিয়াম্বৰজোল (গুৱালকুছি)· হাহাৰবিজোল স্ৰোতসীজোল (গুৱাকুচি), জডমকাজোল (খনামুখ); ওৰচোবজোল (শুভংকৰপাটক) দিজমৰুাজোল চমল্যাজোলি শিঙ্গডিজোলি সোৰবডি (পুষ্পভদ্ৰা), বুঢ়িপোখিৰী (কমৌলি); দিৰ্ম্মা নদী (গুৱাহাটী) জৌগল্ল বেৰুগুঙ্কা নদী (পুষ্পভদ্ৰা)।

০৩ ৩৪ গছ-গছনিৰ নাম বুজোৱা শব্দ : প্ৰাচীন কামৰূপীয ফলিত দান কৰা ভূমিৰ সীমা প্ৰসংগতে কিছুমান গছ-গছনিৰ নামো পোৱা গৈছে, এই নামবিলাক এনে ধৰণৰ—ডুম্বৰী জাটলী (নিধনপুৰ)· আম্ৰ সুৱৰ্ণদাৰু (নগাঁও); আম্ৰ হিজল (গুৱালকুচি); অম্ব, কন্টাফল (গুৱাকুচি); ডুম্বৰি ওডিআম্ম ঋৰী, পাকটি, কাশিম্না, বহুবাল (শুভংকৰপাটক) পাবলি সিজড়ি (পুষ্পভদ্ৰা) ইত্যাদি।

০৩ ৩৫ অন্যান্য শব্দ ঃ

বৰ্তমানৰ অসমীয়া ভাষাত প্ৰচলিত অন্যান্য বিভিন্ন বিষয়ক শব্দৰ লগত সাদৃশ্য থকা ৰূপ আৰু প্ৰত্নৰূপ কিছুমানো কামৰূপীয় ফলিত পোৱা গৈছে। যেনে— পুষ্কিৰিণী (নিধনপুৰ পৰ্বতীয়া নগাঁও গুৱাহাটী) পুষ্কিৰি (পৰ্বতীয়া) নাৰু (হৰ্জৰবৰ্মা তেজপুৰ) কোপ্না (নগাঁও) সোন্ত খোডা (গুৱালকুছি) মাকৃখি ভটাৰক (গুৱাহাটী) কণ্টা (শুভংকৰপাটক) ৰেৰু মুণ্ডা৹ ডোব্‌ভি জাণ (পুষ্পভদ্ৰা) চাপডি পোখিৰি (কমৌলি) ইত্যাদি।

০৪ ০০ 'আৰ্যমূলীয়- কামৰূপী লোকভাষা'ৰ মূল্যায়ন ঃ

০৪ ১০ 'আৰ্যমূলীয় কামৰূপী লোকভাষা'ৰ বৈশিষ্ট্যসূচক উল্লিখিত উপাদানসমূহ বিশ্লেষণ কৰি চালে দেখা যাব যে ইয়াত ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিৱৰ্তনৰ বিভিন্ন স্তৰৰ উপাদানৰ লগতে থলুৱা আৰ্যভিন্ন উপাদানো সানমিহলি হৈ আছে। এইখিনিতে উল্লেখযোগ্য যে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰেই হওক বা মধ্যভাৰতীয় আৰ্যভাষাৰেই হওক ঔপভাষিক ৰূপবোৰক ঘাইকৈ দুটা প্ৰৱাহৰ অন্তৰ্ভুক্ত কৰিব পাৰি ঃ সাহিত্যাশ্ৰিত উপভাষা আৰু কথ্য বা লৌকিক উপভাষা। দুটা সমান্তৰাল পদ্ধতিত বিৱৰ্তিত হৈছিল যদিও সাধু বা সাহিত্যসন্মত ভাষাৰ লগত কথ্য ভাষাৰ নিবিড় সম্পৰ্ক আছিল। বৈদিক বৈদিক-সংস্কৃত সংস্কৃত আদি সাহিত্যিক ভাষাসমূহ উদীচ্য উদীচ্য-মধ্য মধ্য উপভাষাক (এইবোৰ আঞ্চলিক উপভাষা) কেন্দ্ৰ কৰি গঢ লৈ উঠিছিল আৰু এই ভাষাবোৰৰ লগত কথ্য লোকভাষাৰ সম্পৰ্ক ছিন্ন হোৱা নাছিল। সংৰক্ষণশীল আৰু মুখ্যত ধৰ্মীয় শিষ্টভাষাৰূপে বিশিষ্টতা অৰ্জন কৰা বৈদিক ভাষাৰ মাজতো প্ৰাকৃত ভাষাৰ প্ৰভাৱ বা প্ৰাকৃতায়ন দুৰ্লভ নহয়। ব্যাকৰণিক আৰ্য প্ৰয়োগ আৰু শিথিলতা দ্বিবচনৰ সীমিত প্ৰয়োগ (গ্ৰীক লেটিন আৰু প্ৰাকৃতসুলভ) শব্দৰূপ-ধাতুৰূপৰ বহু বিকল্প প্ৰয়োগ সন্ধিৰ শিথিলতা আৰু স্বৰ সংযোগৰ প্ৰাচুৰ্য আদিয়েও বৈদিক ভাষাৰ লগত কথ্য ভাষাৰ নিবিড় সম্পৰ্কৰ প্ৰমাণ দাঙি ধৰে। বৈদিক বৈদিক সংস্কৃত সংস্কৃত আদি সাহিত্যাশ্ৰিত সাধু ভাষাৰ বিপৰীতে অনভিজাত শ্ৰেণীৰ জনসাধাৰণৰ মৌখিক আদৰ্শ ভাষাক 'কথ্য বা লৌকিক সংস্কৃত (Spoken Sanskrit) বুলি ক'ব পাৰি। এই জাতীয় কথ্য সংস্কৃতৰ (পুনৰ্গঠিত আৰু অনুমানসিদ্ধ ভাষা) লিখিত নিদৰ্শন স্বাভাৱিকতেই আশা কৰা নাযায় যদিও বৈদিক আৰু বেদোত্তৰ সংস্কৃত আনকি কালিদাস-পূৰ্ব যুগৰ ৰচনাতো এই ভাষাৰ প্ৰভাৱ আগে গুৰিয়ে দেখা যায়। উল্লেখযোগ্য যে মহাকাব্যদ্বয়ৰ (ৰামায়ণ আৰু মহাভাৰত) আৰু বৌদ্ধ-মিশ্ৰ সংস্কৃতত ৰচিত সমগ্ৰ ৰচনাৱলীৰ ভাষাদৰ্শ কথ্য সংস্কৃতৰে প্ৰত্যক্ষ পৰিণতি। প্ৰথমটিৰ ক্ষেত্ৰত ভাষা-প্ৰাকৃতায়িত সংস্কৃত আৰু দ্বিতীয়টিৰ ক্ষেত্ৰত সংস্কৃতায়িত প্ৰাকৃত। প্ৰকৃতপক্ষে কথ্য সংস্কৃতৰ ভাষাতাত্ত্বিক

প্ৰৱণতা হ'ল অসম্পূৰ্ণ প্ৰাকৃতায়নৰ (Pre mature changes) অৰ্থাৎ পৰৱৰ্তী যুগত মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত দেখা দিয়া প্ৰাকৃতৰ সাধাৰণ লক্ষণসমূহৰ অস্ফুট পদধ্বনি কথা সংস্কৃততে শুনিবলৈ পোৱা যায়। কোৱা বাহুল্য যে এই আদৰ্শ মৌখিক ভাষাৰ আঞ্চলিক উপভাষাসমূহৰ পৰাই পৰৱৰ্তী যুগৰ প্ৰাকৃত ভাষাসমূহ বিৱৰ্তিত হৈছে। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ সূচিত কৰিছে পাণিনি নিৰ্ধাৰিত সংস্কৃতে বা ধ্ৰুপদী সংস্কৃতে। ভাৰতৰ মধ্যদেশীয় অঞ্চলত ব্ৰাহ্মণ যুগৰ (খ্ৰীষ্টপূৰ্ব ৮০০-৫০০ অব্দ) শেহৰ ফালে সাধু বা সাহিত্যিক ভাষাৰূপে গঢ় লৈ উঠিছিল যদিও এই ভাষাৰ মাজতো উদীচ্য বা প্ৰাচ্যৰ উপভাষাগত বিভেদ বৈচিত্ৰ্য আৰু লোকভাষাৰ উপাদান দুৰ্লভ নহয়। নানা উপভাষাৰ বৈচিত্ৰ্যৰ মাজত কেন্দ্ৰাঞ্চলৰ সংহত ভাষা এই সংস্কৃত আছিল অভিজাত আৰু ব্ৰাহ্মণ্য সম্প্ৰদায়ৰ অনুশীলিত শিষ্টজনসম্মত মুখ্য ভাষা। এই মান্য ভাষাদৰ্শৰ ব্যাকৰণিক সংগঠন (Structure) ৰচনা কৰিছিল প্ৰসিদ্ধ বৈয়াকৰণ পাণিনিয়ে (খ্ৰীষ্ট-পূৰ্ব ৫০০/৪০০ অব্দ)। আনহাতে লোক-সংস্কৃত বা কথ্য সংস্কৃতকেন্দ্ৰিক বিৱৰ্তনৰ ফলত আনুমানিক খ্ৰীষ্টপূৰ্ব ৬ষ্ঠ শতিকাত ভাৰতীয় আৰ্যভাষাৰ মধ্যকালীন ৰূপ প্ৰস্ফুটিত হয়। কিন্তু সম্ৰাট অশোকৰ সময় পৰ্যন্ত (খ্ৰীষ্টপূৰ্ব ৩য় শতিকা) মধ্য ভাৰতীয় আৰ্যভাষাৰ কোনো লিখিত নিদৰ্শন পোৱা নাযায়। মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত যদি এক বিশুদ্ধ কথ্য ভাষাৰ আদৰ্শ অনুমান কৰা যায় তেনেহ'লে তাৰ প্ৰামাণ্য সাক্ষ্য হৈছে অশোকৰ অনুশাসনসমূহৰ ভাষাদৰ্শ। অশোকৰ অনুশাসনসমূহৰ ভাষাঞ্চলজনিত চাৰিটা ভেদ দেখা যায়। ই তদানীন্তন সমগ্ৰ ভাৰতৰ কথ্য উপভাষাগত বিভেদ-বৈচিত্ৰ্যৰ প্ৰমাণ দাঙি ধৰে। অশোক-পূৰ্ব যুগত ভাৰতীয় আৰ্যভাষাই পৰিৱৰ্তনৰ গতি প্ৰৱাহৰ ফলত উত্তৰ-পশ্চিমা পশ্চিমা দক্ষিণী মধ্যদেশীয় বা প্ৰাচ্য মধ্যা আৰু প্ৰাচ্যা—এই যি পাঁচোটা আঞ্চলিক ৰূপত আত্মপ্ৰকাশ কৰিছিল বুলি অনুমান কৰা হৈছে অশোকৰ অনুশাসনমালাই তাৰে উত্তৰ পশ্চিমা পশ্চিমা প্ৰাচ্য মধ্যা আৰু প্ৰাচ্যা—এই চাৰিটা ৰূপ প্ৰতিফলিত কৰিছে। কথ্য ধৰ্ম ৰূপায়ণৰ ক্ষেত্ৰত অশোকৰ অনুশাসনৰ পাছতে গান্ধাৰী প্ৰাকৃতৰ ভূমিকা উল্লেখনীয়। অন্ত্য উপস্তৰীয় অপভ্ৰংশ ভাষাতো সাহিত্যিক প্ৰাকৃতৰ তুলনাত কথ্যধৰ্মিতা অধিক। সম্ভৱত লুপ্ত পৈশাচী প্ৰাকৃততো কথ্যধৰ্মিতা যথেষ্ট পৰিমাণে পৰিস্ফুট হৈছিল কিয়নো প্ৰাচীন ঐতিহ্য অনুযায়ী এই ভাষা আছিল লোক-সাহিত্যৰ বাহন। এই কথ্যধৰ্মী প্ৰাকৃতৰ বিপৰীত মেৰুবিন্দুত আছে ধৰ্মীয় সাহিত্যত ব্যৱহৃত শিষ্ট আদৰ্শ প্ৰাকৃত যেনে—পালি বৌদ্ধ সংস্কৃত অৰ্ধমাগধী জৈন-মাহাৰাষ্ট্ৰী জৈন-শৌৰসেনী আৰু অপভ্ৰংশ। ধৰ্মীয় প্ৰাকৃত আখ্যা দিয়া এই প্ৰাকৃতবোৰ কথ্যধৰ্মাশ্ৰিত হ'লেও সংৰক্ষণশীল হোৱা বাবে বহু পৰিমাণে সংস্কৃত ভাষাদৰ্শৰ ওচৰা উচৰি। সাহিত্যত ব্যৱহৃত শৌৰসেনী

মাহাৰাষ্ট্ৰী মাগধী আদি সাহিত্যিক প্ৰাকৃতবোৰো আঞ্চলিক লক্ষণাক্ৰান্ত হ'লেও মূলতঃ শিষ্ট ভাষাসন্মত (Regional standard)। এই ভাষাসমূহৰ অন্তৰালত যেন সংস্কৃত আদৰ্শৰ অৰ্বাচীন ৰূপটো লক্ষ্য কৰিব পাৰি। তদুপৰি এই প্ৰাকৃতসমূহ সংস্কৃত নাটকত গতানুগতিক প্ৰথা অনুসৰি ৰীতিসিদ্ধ কৃত্ৰিম প্ৰযোগেৰে ব্যৱহৃত যেনে—কবিতা আৰু গীতত মাহাৰাষ্ট্ৰী সম্ভ্ৰান্ত মহিলা বিদূষক আৰু মধ্যম শ্ৰেণীৰ পুৰুষ চৰিত্ৰৰ সংলাপত শৌৰসেনী আৰু নিম্নশ্ৰেণীৰ চৰিত্ৰৰ সংলাপত মাগধীৰ প্ৰযোগ কৰা হৈছিল। প্ৰাচীন কামৰূপীয় লেখাৱলীৰ সংস্কৃত ব্যাকৰণৰ নিয়ম বহিৰ্ভূত ৰূপসমূহৰ মাজত ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰৰ সাধু বা সাহিত্যসন্মত ভাষাৰ লগতে কথ্যধৰ্মী লোকায়ত ভাষাৰ উপাদানো সন্নিৱিষ্ট হৈছে। তদুপৰি কিছু পৰিমাণে থলুৱা আৰ্যভিন্ন ভাষাৰ উপাদানো আছে।

০৪.২০ 'আৰ্যমূলীয় কামৰূপী লোকভাষা'ত ভাৰতীয় আৰ্যভাষা আৰু থলুৱা উপাদানৰ পৰ্যালোচনা ঃ

০৪.২১ ভাৰতীয় আৰ্যভাষাৰ উপাদান ঃ

০৪.২১.১০ ধ্বনিগত ঃ

(১) ধ্বনিগত বৈশিষ্ট্যসমূহৰ ভিতৰত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা ঋ ধ্বনিৰ পৰিৱৰ্তন দ্বিস্বৰ ঐ আৰু ঔ-ৰ ৰূপ পৰিৱৰ্তন সম্প্ৰসাৰণ স্বৰলোপ স্বৰাগম আদি প্ৰায়ভাগ বৈশিষ্ট্য মধ্য ভাৰতীয় আৰ্যভাষাৰ কেউটা উপস্তৰতে প্ৰাপ্ত সাধাৰণ বৈশিষ্ট্য। উল্লেখযোগ্য যে এনে ধৰণৰ প্ৰাকৃতসুলভ দুই-এটি উদাহৰণ প্ৰাচীন ভাৰতীয় আৰ্যভাষাতো পোৱা গৈছিল। অ ই উ-ৰ দীৰ্ঘীকৰণৰ উদাহৰণ বৈদিক আৰু সংস্কৃততো পোৱা গৈছে যেনে—নৰ+অধম>নৰাধম সু+উক্তি>সূক্তি বেদত ছন্দোঘটিত কাৰণত প্ৰায়েই অন্ত্যস্বৰ দীৰ্ঘ হৈছিল যেনে—অথা অধা এৱা নূ ইত্যাদি অব্যয় এনা তেনা ইত্যাদি বিভক্তি। বিশেষ ধ্বনিতাত্ত্বিক সংস্থানত সমাসবদ্ধ পদৰ 'ৱ ধ্বনিৰ পূৰ্বৰ অ>আ আৰু 'য ধ্বনিৰ পূৰ্বৰ ই উ >ঈ ঊ হৈছিল যেনে—ঋতৱসু>ঋতাৱসু শ্ৰু>শ্ৰূযতে স্তু>স্তূযতে। ঋ ধ্বনিৰ পৰিৱৰ্তনৰ দুই-এটি উদাহৰণো ঋগ্বেদ আৰু সূত্ৰ সাহিত্যত পোৱা গৈছে যেনে—বৈদিক ভাষাত বৃশ>বুস ঋশৃথিৰ> শিথিৰ গৃহ/গেহ/গেহ্য ভৃত/ভট ইত্যাদি আৰু সূত্ৰ সাহিত্যত ঋণিক>অণিক ইত্যাদি। দ্বিস্বৰ ঐ আৰু ঔ-ৰ ৰূপ পৰিৱৰ্তনৰো দুই-এটি উদাহৰণ অৰ্বাচীন বৈদিক আৰু বেদোত্তৰ ব্ৰাহ্মণ সাহিত্যত আছে যেনে—ঋগ্বেদ গমধ্যৈ>তৈত্তিৰীয় সংহিতা গমধ্যে তৈত্তিৰীয় সংহিতা ঔষধীযু>মৈত্ৰাযণীয সংহিতা ওষধীযু ইত্যাদি। সেইদৰে লোপ আগমজনিত পৰিৱৰ্তন আৰু সম্প্ৰসাৰণৰ উদাহৰণো প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰত পোৱা যায় যেনে— উদক/দক উৰু+ৱশী>উৰ্ৱশী বৈদিক সুবৰ্ণ>সংস্কৃত স্বৰ্ণ সংস্কৃত ইন্দ্ৰ/বৈদিক ইন্দৰ বৈদিক পৰ্ষদ/সংস্কৃত

পৰিষদ প্ৰথ /পৃথ স্বপ্ন>সুপ্ত যজ/ইষ্ট ইত্যাদি।

(২) প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাৰ মাজত 'য আৰু 'জ'-ৰ বিকল্প প্ৰযোগ ঠায়ে ঠায়ে দেখা যায়। বেদোত্তৰ বা প্ৰাক্ সংস্কৃত যুগৰ ব্ৰাহ্মণ আৰু সূত্ৰ সাহিত্যতো য/জ -ৰ বিকল্প প্ৰযোগৰ উল্লেখ পোৱা যায়। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম উপস্তৰৰ বৌদ্ধ-সংস্কৃত আৰু অশোকৰ অনুশাসনৰ উত্তৰ-পশ্চিমা উপভাষাত এনে উদাহৰণ পোৱা গৈছে যেনে—পালি অনেজ>অনেয় (বৌদ্ধ-সংস্কৃত), যন্ত্ৰ >জন্ত (বৌদ্ধ-সংস্কৃত) ময়ুৰা>মজুৰ কম্বোজ>কম্বোয় (অশোকৰ অনুশাসন) ইত্যাদি। সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত মাগধী আৰু পৈশাচীভিন্ন অন্যান্য প্ৰাকৃতত পদাদিস্থিত য়>জ হৈছিল। মাগধীত 'য ৰক্ষিত হোৱাৰ উপৰিও জ>য় হৈছিল।

(৩) প্ৰাচীন কামৰূপীয় লেখাৱলীৰ বহু স্থানতে স্পৰ্শ ধ্বনি 'ব আৰু অন্তঃস্থ 'ৱ -ৰ পাৰ্থক্য ৰক্ষিত হোৱা নাই। মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্ত্য স্তৰৰ অপভ্ৰংশতো এই লক্ষণটো দেখা পোৱা যায়। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ আদ্য 'ব পশ্চিমী আৰু দক্ষিণী অপভ্ৰংশত 'ৱ হয় আৰু প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ আদ্য 'ৱ পূৰ্বী অপভ্ৰংশত 'ব হয়। খ্ৰীষ্টীয় ৫ম শতিকাৰ উমাচল শিলালেখৰ পৰা ১২শ শতিকাৰ ধৰ্মপালৰ লেখসমূহলৈকে প্ৰাচীন কামৰূপীয় লেখাৱলীৰ যত্ৰ-তত্ৰ পশ্চিমী আৰু দক্ষিণী অপভ্ৰংশৰ ব>ৱ হোৱাৰ প্ৰবৃত্তিটো দেখা যায়। অন্যহাতেদি পূৰ্বী অপভ্ৰংশৰ ৱ>ব হোৱাৰ লক্ষণটো কামৰূপীয় লেখাৱলীত বৰকৈ পোৱা নাযায় বৈদ্যদেৱৰ কমৌলি ফলিত এটা মাত্ৰ উদাহৰণহে (ক্ৰম শব্দটোত) আমাৰ চকুত পৰিছে। এইখিনিতে উল্লেখযোগ্য যে ব ৱ-ৰ বৈকল্পিক ৰূপৰ বিধান সংস্কৃততো আছিল যেনে—বক/ৱক বকুল/ৱকুল বাণ/ৱাণ ইত্যাদি।

(৪) ঘোষীভৱন অঘোষীভৱন অল্পপ্ৰাণীভৱন মহাপ্ৰাণীভৱন লোপমূলক পৰিৱৰ্তন বিপৰ্যাসমূলক পৰিবৰ্তন আদিৰ যি উদাহৰণ কামৰূপীয় লেখাৱলীত পোৱা যায় তেনে ধৰণৰ পৰিৱৰ্তনবোৰ মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন উপস্তৰত ৰক্ষিত হৈছে। ঘোষীভৱনৰ বৈশিষ্ট্যটো মধ্য ভাৰতীয় আৰ্যভাষাৰ কেউটা স্তৰতে ৰক্ষিত হৈছে, মধ্য স্তৰৰ সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত শৌৰসেনী আৰু মাগধীত এই প্ৰৱণতা প্ৰবল। অঘোষীভৱনৰ বৈশিষ্ট্যটো আদি স্তৰৰ অশোকৰ অনুশাসন আৰু পালিত, ক্ৰান্তি স্তৰৰ খোটানী ধম্মপদ আৰু নিয়া প্ৰাকৃতত পোৱা যায়। সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত পৈশাচী প্ৰাকৃতত এই প্ৰৱণতা প্ৰবল। ঘোষীভৱন-অঘোষীভৱন অল্পপ্ৰাণীভৱন-মহাপ্ৰাণীভৱন প্ৰক্ৰিয়াৰে ধ্বনি পৰিৱৰ্তনৰ উদাহৰণ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰতো বিৰল নহয়। যেনে—শৃঙ্খাণিকা> শৃঙ্ঘাণিকা, টংক> টংগ বৈদিক বণ্ড/সংস্কৃত পণ্ড দৃফ/দৃপ সেপ/শেফ ইত্যাদি।

(৫) প্ৰাচীন কামৰূপীয় লেখাৱলীৰ মাজত দেখিবলৈ পোৱা স্বৰৰ সন্ধি স্বৰান্তৰৰ প্ৰয়োগৰ বৈশিষ্ট্যটো মধ্য ভাৰতীয় আৰ্যভাষাৰ কেউটা উপস্তৰতে দেখা যায়। অন্ত্য উপস্তৰৰ অপভ্ৰংশত এই প্ৰৱণতা বৰ বেছি। নিধনপুৰ আৰু পুষ্পভদ্ৰা লিপিত প্ৰাপ্ত এ>ঐ আৰু আ>ঈ হোৱাৰ নিদৰ্শন অৱশ্যে বৌদ্ধ-সংস্কৃত আৰু অশোকৰ গিৰনাৰ ৪ৰ্থ শিলালেখতহে দেখা যায়।

(৬) ১১শ শতিকাৰ গোপালবৰ্মাৰ গছতলা লেখত ল>ড (দুৰ্ল্ললিত>দুৰ্ল্লডিত) হোৱাৰ যি উদাহৰণ পোৱা গৈছে সেই বৈশিষ্ট্যটো অশোকৰ অনুশাসনৰ পশ্চিমা আৰু উত্তৰ পশ্চিমা উপভাষাতো পোৱা যায় (মহিলা>মহিডা)। মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ পালি ভাষা আৰু মধ্য স্তৰৰ মাহাৰাষ্ট্ৰী শৌৰসেনীত ইয়াৰ বিপৰীতে ড>ল হয়। উল্লেখযোগ্য যে বৈদিক আৰু সংস্কৃতত ড আৰু ল ৰ এনে বিপৰ্যয়ৰ উদাহৰণ পোৱা যায় যেনে— বৈদিক ঈলে=সংস্কৃত ঈডে।

(৭) ১১শ শতিকাৰ ৰত্নপালৰ বৰগাঁও ইন্দ্ৰপালৰ গুৱাকুচি আৰু ১২শ শতিকাৰ বল্লভদেৱৰ অসম ফলিত ণ>ন হোৱা দেখা যায় (যেনে—ৰিযনু ধৰনিৰনস্ত চোত্তৰায়নে)। মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন উপস্তৰৰ অধিকাংশ ভাষাতে ঘাইকৈ ইয়াৰ বিপৰীতে মূৰ্ধন্যীভৱন প্ৰক্ৰিয়াৰে ন>ণ হোৱাহে দেখা যায়। আৰ্যমূলীয় কামৰূপী লোকভাষাৰ এই বৈশিষ্ট্যটো মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰৰ অশোকৰ অনুশাসনৰ প্ৰাচ্যা প্ৰাচ্য-মধ্যা আৰু অন্যান্য প্ৰত্নলেখত আৰু মধ্য স্তৰৰ পৈশাচী প্ৰাকৃতত পোৱা যায়।

(৮) আৰ্যমূলীয় কামৰূপী লোকভাষাত প্ৰাপ্ত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰৰ সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তিত ৰূপসমূহৰ ক্ষেত্ৰত ঘাইকৈ মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এইখিনিতে উল্লেখযোগ্য যে মধ্য ভাৰতীয় আৰ্যভাষাৰ সুদীৰ্ঘ যুগটোৰ বিভিন্ন উপস্তৰত কাল অনুযায়ী ভাষাগত পৰিবৰ্তনো কিছু সুকীয়া হৈছিল। তুলনামূলক বিচাৰ-বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰথম অৱস্থাৰ ধ্বনিগত বৈশিষ্ট্যসমূহৰ একাধিক বিকল্প বা বিভিন্নতাৰ ৰূপ পৰিলক্ষিত হৈছিল। পৰৱৰ্তী কালত এই দ্বিবিধ লক্ষণ নাইকিয়া হৈ প্ৰায় নিয়মিত ৰূপ লাভ কৰিছিল অৱশ্যে অঞ্চল ভেদে বৈকল্পিক ৰূপো আছিল। আৰ্যমূলীয় কামৰূপী লোকভাষাত ঘাইকৈ প্ৰথম অৱস্থাৰ বৈকল্পিক ৰূপ অধিক পৰিমাণে দেখা যায়। প্ৰাচীন কামৰূপীয় লেখাৱলীত ৰ আৰু য যুক্ত ব্যঞ্জনৰ ৰ য লোপ আৰু যুক্ত ব্যঞ্জনৰ সমবৰ্ণৰ এটা লোপ হোৱাৰ যি উদাহৰণ পোৱা যায় তেনে উদাহৰণ মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ অশোকৰ অনুশাসনৰ পশ্চিমা প্ৰাচ্য মধ্যা আৰু প্ৰাচ্যাত পালি আৰু বৌদ্ধ সংস্কৃতত ৰক্ষিত হৈছে। আনহাতে মধ্য স্তৰৰ সাহিত্যিক প্ৰাকৃতসমূহত যুক্ত ব্যঞ্জনৰ ৰ য লোপ পালে অৱশেষ বৰ্ণটো দ্বিত

হৈছিল। দ্বিত্ব নোহোৱাকৈ ৰ য লোপ হোৱা আৰু সংযুক্ত সমবৰ্ণৰ এটা বৰ্ণ লোপ হোৱা এনে বৈকল্পিক ৰূপ অশোকৰ অনুশাসন বৌদ্ধ সংস্কৃতৰ লগতে ক্ৰান্তি স্তৰতো দেখিবলৈ পোৱা যায়। মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ নিয়মৰ ব্যতিক্ৰম কিন্তু অশোকৰ অনুশাসনত বৈকল্পিক ৰূপত প্ৰাপ্ত অন্য কিছুমান সংযুক্ত ব্যঞ্জনৰ প্ৰয়োগ কামৰূপীয় লেখাৱলীৰ মাজত পোৱা যায় যেনে—স্কন্ধ> কন্ধ (কমৌলি)। অশোকৰ বৃহৎ শিলানুশাসনৰ চতুৰ্থখনৰ প্ৰাচ্য আৰু উত্তৰ পশ্চিমা উপভাষাত স্ক> ক হোৱাৰ এনে নিদৰ্শন পোৱা গৈছে। পালি প্ৰাকৃতত সাধাৰণতে স্ক> খ হয়। আকৌ মধ্য ভাৰতীয় আৰ্যভাষাত সাধাৰণতে একে বৰ্গৰ নাসিক্য আৰু স্পৰ্শ ব্যঞ্জনৰ সংযুক্ত বৰ্ণ অপৰিৱৰ্তিতভাৱে থাকে। অশোকৰ অনুশাসনত নাসিক্য আৰু স্পৰ্শৰ সংযুক্ত ব্যঞ্জনৰ ক্ষেত্ৰত নাসিক্য অনুস্বাৰত পৰিণত হোৱাৰ উদাহৰণ পোৱা যায় (যেনে—পংচসু কংবোজ ইত্যাদি) ১২শ শতিকাৰ কমৌলি ফলিতো এনে উদাহৰণ পোৱা গৈছে, যেনে—প্ৰোংছ্যন। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ষ ধ্বনিটোৰ দুই ধৰণৰ পৰিৱৰ্তিত ৰূপ আৰ্যমূলীয় কামৰূপী লোকভাষাত দেখিবলৈ পোৱা যায়। ১১শ শতিকাৰ প্ৰথমাৰ্ধৰ বৰগাঁও ফলিত খ আৰু এই শতিকাৰে দ্বিতীয়াৰ্ধৰ গুৱাহাটী ফলিত কখ ৰূপ পোৱা গৈছে। অশোকৰ অনুশাসনৰ পাচ্য মধ্য আৰু প্ৰাচ্য উপভাষাত ক্ষ> খ হৈছিল পালি শৌৰসেনী আৰু অৰ্ধমাগধীত ক্ষ> কখ হৈছিল।

(৯) আৰ্যমূলীয় কামৰূপী লোকভাষাত অ-কাৰান্ত বিসৰ্গ ও -কাৰত পৰিণত হোৱাৰ যি উদাহৰণ পোৱা যায় তেনে উদাহৰণ বৈদিক ভাষাতো বিৰল নহয় যেনে—স > সো মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্য স্তৰত মাগধীভিন্ন আন সকলো প্ৰাকৃততে পদান্ত অ প্ৰায়ে ও ত পৰিণত হৈছিল।

(১০) 'আৰ্যমূলীয় কামৰূপী লোকভাষাত মাগধী প্ৰাকৃতৰ দৰে ষ্ট> স্ত আৰু ষ্ক > স্ক হোৱাৰ নিদৰ্শনো পোৱা গৈছে যেনে—প্ৰৱিষ্টং> প্ৰৱিস্ত (হৰ্জৰবৰ্মা তেজপুৰ) ৱহিষ্কৃতা> ৱহিস্কৃতা (অসম ফলি)।

(১১) কামৰূপীয় লেখাৱলীৰ সংস্কৃত ভাষাৰ মাজত আৱশ্যকীয় স্থানত সন্ধিৰ বৰ্জন আৰু ভুলভাৱে কৰা সন্ধিৰ উদাহৰণ পোৱা গৈছে। আৱশ্যকীয় স্থানত সন্ধিৰ বৰ্জনে প্ৰাকৃত প্ৰভাৱৰে সাক্ষ্য দাঙি ধৰিছে। কাৰণ প্ৰাকৃতত সন্ধি বাধ্যতামূলক নাছিল আৰু সন্ধি হ'লেও নিপাতন সিদ্ধ সন্ধিয়েই আছিল বেছি। উল্লেখযোগ্য যে সন্ধিৰ ক্ষেত্ৰত ব্যাকৰণ-বিৰুদ্ধ প্ৰয়োগৰ উদাহৰণ বেদোত্তৰ সূত্ৰ সাহিত্যৰ ভাষাত আৰু পুৰাণ সাহিত্যৰ ভাষাতো দেখা যায় যেনে—পত্ন্যাঞ্জলৌ (কৌশিক সূত্ৰ) ৱাসুদেৱেতি ৰজোদ্ৰেক (বিষ্ণুপুৰাণ) ইত্যাদি।

০৪ ২১ ২০ ৰূপতাত্ত্বিক ° প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষাত শব্দৰূপ-ধাতুৰূপৰ

ক্ষেত্রত প্রাকৃতসুলভ বিপর্যয়ৰ দুই-এটি উদাহৰণ পোৱা গৈছে। এনে ধ্বৰণৰ বিপর্যযৰ উদাহৰণ বৈদিক মহাকাব্যিক সংস্কৃত পুৰাণ সাহিত্যৰ ভাষা আৰু ভাস-অশ্বঘোষৰ ৰচনাতো পোৱা যায়।

০৪ ২১ ৩০ শব্দগত ঃ প্ৰাচীন কামৰূপীয় লেখাৱলীত প্ৰাপ্ত আর্যমূলীয কামৰূপী লোকভাষাৰ বৈশিষ্ট্যসূচক শব্দবোৰৰ (ছেদ ০৩ ৩০-০৩ ৩৫ দ্ৰষ্টব্য) ভিতৰত ঘাইকৈ ব্যক্তিৰ নামবাচক শব্দ গছ-গছনিৰ নাম বুজোৱা শব্দ আৰু অন্যান্য বিভিন্ন বিষয়ক শব্দবোৰত ভাৰতীয় আর্যভাষাৰ উপাদান পোৱা যায়। স্থানবাচক শব্দবিলাকৰ কিছুমানো আর্যমূলীয প্ৰাকৃতৰ থলুৱা ৰূপ যেন বোধ হয।

০৪ ২২ থলুৱা উপাদান ঃ প্ৰাচীন কামৰূপীয় লেখাৱলীত প্ৰাপ্ত ব্যক্তি ৰ নামবাচক দুই-এটি শব্দ(যেনে - হজ্জৰ) স্থানবাচক আৰু পুখুৰী বিল নৈৰ নামবাচক শব্দবোৰৰ অধিকাংশই থলুৱা অনার্যমূলীয় ভাষাৰ পৰা অহা বুলি অনুমান কৰা হৈছে। এই শব্দবোৰৰ অষ্ট্ৰিকমূলীয় আৰু বড়োমূলীয ব্যুৎপত্তি সম্পৰ্কে বাণীকান্ত কাকতিয়ে তেখেতৰ Place and Personal Names in the Early Land Grants of Assam শীর্ষক প্ৰবন্ধত আলোচনা কৰিছে।

০৫ ০০ সামৰণি ঃ

০৫ ১০ প্ৰাচীন কামৰূপীয় লেখাৱলীৰ মাজত প্ৰাপ্ত 'আর্যমূলীয় কামৰূপী লোকভাষা'ত পৰৱৰ্তী কালৰ অসমীযা ভাষাৰ ৰূপ আৰু প্ৰত্নৰূপৰ লক্ষণ পোৱা যায় (১) প্ৰাচীন কামৰূপীয লেখাৱলীৰ ভাষাত হ্ৰস্ব-দীৰ্ঘৰ বৈকল্পিক প্ৰযোগ পোৱা যায়। হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা অসমীযা ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। প্ৰাচীন অসমীযা আৰু বৰ্তমানৰ অসমীযাত লিপিগতভাৱে হ্ৰস্ব-দীৰ্ঘ দুযোবিধ স্বৰধ্বনিৰে মুখ্য আৰু গৌণ ৰূপৰ ব্যৱহাৰ আছে যদিও উচ্চাৰণগত পাৰ্থক্য নাই। প্ৰাচীন অসমীয়া পুথিসমূহত লিপিগতভাৱেও হ্ৰস্ব-দীৰ্ঘৰ বৈকল্পিক প্ৰযোগ দেখা যায়। (২) প্ৰাচীন ভাৰতীয় আর্যভাষাৰ ঋ-ধ্বনিটোৰ ৰি হিচাপে প্ৰযোগৰ উদাহৰণ কমৌলি ফলিত পোৱা গৈছে। প্ৰাচীন অসমীযা আৰু সেইদৰে বৰ্তমানৰ অসমীয়া ভাষাতো লিপিগতভাৱে ঋ স্বৰৰ মুখ্যৰূপ আৰু গৌণৰূপ (<')-ৰ ব্যৱহাৰ আছে যদিও এই ধ্বনিটো 'ৰি হিচাপেহে উচ্চাৰিত হয়। (৩) প্ৰাচীন কামৰূপীয় লেখাৱলীত পোৱাৰ দৰে সম্প্ৰসাৰণৰ (য>ই ৰ>ঋ) উদাহৰণ প্ৰাচীন অসমীয়াতো পোৱা গৈছে যেনে- অগষ্ট্য>অগষ্টি (মাধৱ কন্দলীৰ ৰামাযণ), ধ্যান>ধিআন(হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ)। ৰাত্ৰি>ৰাতৃ ত্ৰিদশ>তৃদশ (হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ)। (৪) প্ৰাচীন ভাৰতীয আর্যভাষাৰ দ্বিস্বৰ ঐ ঔ'ৰ পৰিবৰ্তন, স্বৰৰ সলনি স্বৰান্তৰৰ প্ৰয়োগৰ যিবোৰ উদাহৰণ প্ৰাচীন কামৰূপীয় লেখাৱলীত পোৱা যায় তেনে নিয়মেৰে ধ্বনি পৰিবৰ্তৰ উদাহৰণ পৰৱৰ্তী কালৰ

অসমীযা ভাষাতো পোৱা যায়। যেনে—তৈল>তেল কৈবৰ্ত>কেওট (ঐ>এ), সৌগন্ধ>সোন্ধা সোন্দা (ঔ>ও)· উৎকুণ>ওকণী (উ>অ)· বড়িশ>বৰশী (ই>অ)· কুহেলিকা>কুঁৱলী (এ>অ) শোভাঞ্জন>চজিনা (ও>অ) মেথিকা>মিথি (এ>ই) ব্ৰাহ্মণ>বামুণ (অ>উ) ইত্যাদি। (৫) প্ৰাচীন কামৰূপীয লেখাৱলীত প্ৰাপ্ত লোপ আগম বিপৰ্যাসমূলক পৰিৱৰ্তন অল্পপ্ৰাণীভৱন মহাপ্ৰাণীভৱন ঘোষীভৱন অঘোষীভৱন তালব্যীভৱন সমীভৱন আদি বিভিন্ন প্ৰক্ৰিয়াৰে ধ্বনি পৰিবৰ্তনৰ নিদৰ্শন পৰৱৰ্তীকালৰ অসমীযা ভাষাতো পোৱা যায়। (৬) প্ৰাচীন কামৰূপীয লেখাৱলীত প্ৰাপ্ত য জ ব ৱ শ য স-ৰ বিকল্প প্ৰযোগ, দন্ত্য-মূৰ্ধন্যৰ পাৰ্থক্যহীনতা ক্ষ>খ ল>ন হ>ঘ আদি ধ্বনি পৰিবৰ্তনৰ উদাহৰণো পৰৱৰ্তীকালৰ অসমীযা ভাষাত পোৱা যায। (৭) প্ৰাচীন কামৰূপীয লেখাৱলীৰ 'আৰ্যমূলীয় কামৰূপী লোকভাষা'ৰ নিদৰ্শনৰূপে গণ্য কৰা -ইয়া, -উৱা -ঈ/ ই আদি তদ্ধিত প্ৰত্যয়ৰ প্ৰয়োগ একে অৰ্থতে বৰ্তমানৰ অসমীয়াতো পোৱা যায়। জীবিকা বা ব্যৱসায় অৰ্থত -ঈয়া প্ৰত্যয়ৰ প্ৰয়োগ (যেনে—ঢুলীয়া, খুলীয়া, তালীয়া, কালীয়া ইত্যাদি); সম্বন্ধবাচক বিশেষ্য বা বিশেষণ গঠন কৰিবলৈ ইয়াত জন্ম বা বাস অৰ্থত শব্দৰ পিছত -ঈ প্ৰত্যয়ৰ প্ৰযোগ (যেনে—কামৰূপী, কাবুলী, নেপালী ইত্যাদি); সম্বন্ধবাচক সংজ্ঞা বা বিশেষণ সিদ্ধ কৰিবলৈ '-উৱা' প্ৰত্যয়ৰ প্ৰয়োগ (যেনে—পেটুৱা, কেচুৱা, সমজুৱা, এলেহুৱা, বনুৱা, ৰণুৱা ইত্যাদি) বৰ্তমানৰ অসমীয়া ভাষাতো পোৱা যায়। কামৰূপীয় ফলিত জন্ম বা বাস অৰ্থত -ই/-ঈ প্ৰত্যয়ৰ সংযোগত নাক্কজোসী ওৰঙ্গি আৰু অৱধিঞি শব্দ ব্যৱসায অৰ্থত -ঈযা প্ৰত্যযৰ প্ৰযোগেৰে গঠিত 'কালিয়া নামটো আৰু নৌকা'ৰ লগত সম্বন্ধিত অৰ্থত -উৱা প্ৰত্যয়ৰ যোগত নৌকুৱা শব্দটো সিদ্ধ হৈছে বুলি ভাবিব পৰা যায়। সেইদৰে ভূমিদানৰ ফলিৰ মাজত পোৱা ব্যক্তিৰ নামবাচক চন্দে পুগ্গো, মানো আদি শব্দত ব্যৱহৃত -এ, -ও স্বাৰ্থিক প্ৰত্যয়যুক্ত নামৰ প্ৰচলন ঘাইকৈ নামনি অসমত আছে বুলি ড বাণীকান্ত কাকতিযে মন্তব্য কৰিছে। (৮) বৰ্তমান অসমীয়া ভাষাত প্ৰচলিত শব্দৰ লগত সাদৃশ্য থকা ৰূপ আৰু প্ৰত্নৰূপ কিছুমানো কামৰূপীয় ফলিৰ ভাষাৰ মাজত পোৱা গৈছে। যেনে—সংস্কৃত কূপঃ >কোপ্প (নগাঁও ফলি) >কুঁৱা সংস্কৃত স্ৰোতঃ>সোত্ত (গুৱালকুছি ফলি) >সোঁত সংস্কৃত কন্টক>কণ্টা (শুভংকৰপাটক) >কাঁটা সংস্কৃত খণ্ড>খোড়া (গুৱালকুছি) >খঁৰা, খাড়া সংস্কৃত মুণ্ড>মুণ্ডা৹ (পুষ্পভদ্ৰা) >মূঢ়া সংস্কৃত স্বৰ্ণদ্ৰু >সুৱৰ্ণদাৰু (নগাঁও পুষ্পভদ্ৰা)>সোণাৰু হিজ্জল>হিজল(গুৱালকুছি) ঔড়আম্ৰ>ওডিআম্ম (শুভংকেৰপাটক)>উৰিয়াম, জটি পৰ্কটি>ঝৰী, পাকটি (শুভংকৰপাটক)>জৰি পাকৰী পাটলি শৃংগাটক>পাৰলি সিঙ্গডি (পুষ্পভদ্ৰা)>পাৰলি, শিঙৰি ইত্যাদি।

০৫ ২০ খ্ৰীষ্টীয় পঞ্চম -ত্ৰয়োদশ শতিকাৰ প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষা সম্পৰ্কে ওপৰত কৰি অহা আলোচনাৰ ভিত্তিত আমি এতিয়া নিশ্চয় বেণীমাধব বৰুৱাই কোৱাৰ দৰে অসমীয়া ভাষাৰ ঐতিহাসিক পৃষ্ঠভূমিৰূপে তৎকালীন কামৰূপত প্ৰচলিত থলুৱা প্ৰাকৃত ভাষা এটাৰ অস্তিত্ব স্বীকাৰ কৰিব পাৰোঁ। সেই সময়ৰ শিক্ষিত আৰু অৰ্ধশিক্ষিত শ্ৰেণীটোৰ মাজত কথ্য ভাষাৰূপে আৰু জনজাতীয় সামন্তসকল আৰু ৰজাঘৰীয়া বিষয়াসকলৰ মাজত সম্পৰ্ক স্থাপনৰ সংযোগী ভাষাৰূপে হয়তো এই ভাষাটোৰ প্ৰচলন আছিল। খ্ৰীষ্টীয় চতুৰ্থ শতিকাত গুপ্ত শাসন-ব্যৱস্থা তথা আৰ্যপ্ৰধান ভাৰতীয় সংস্কৃতিৰ লগত নতুনকৈ সম্পৰ্ক ঘটা কামৰূপৰ শাসকসকলে সেই সময়ৰ বুদ্ধিজীৱীসকলৰ একমাত্ৰ সৰ্বভাৰতীয় মাধ্যম সংস্কৃত ভাষাকেই ৰাজকীয় কাম-কাজৰ লিখিত ভাষাৰূপে গ্ৰহণ কৰিলেও এই ভাষা সেই সময়ত সৰ্বভাৰতীয় ক্ষেত্ৰতো সাধাৰণ বাগ্-ব্যৱহাৰৰ ভাষা নাছিল আৰু কামৰূপৰ থলুৱা জনসাধাৰণৰ বাবেও ই এক আচহুৱা ভাষাই আছিল। সমুদ্ৰগুপ্তৰ দিগ্বিজয় কালৰ এহেজাৰতকৈও বেছি বছৰৰ আগৰে পৰা (খ্ৰীষ্টপূৰ্ব ৬ষ্ঠ শতাব্দীমানৰো আগতেই) উত্তৰ আৰু পশ্চিম ভাৰতত প্ৰাকৃত ভাষাৰ এটা সুদীৰ্ঘ পৰম্পৰা আছিল। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীমানৰ ভিতৰতে বৈদিক যুগৰ কথিত ভাষাই ভাৰতৰ বিভিন্ন অঞ্চলত বিৱৰ্তনৰ গতিত বিভিন্ন আঞ্চলিক ৰূপত আত্মপ্ৰকাশ কৰিছিল বুলি অনুমান কৰা হৈছে। পৰৱৰ্তী কালত এই প্ৰাকৃতবোৰেই অঞ্চল ভেদে বিশেষ বিশেষ আঞ্চলিক বৈশিষ্ট্যেৰে নিৰ্দিষ্ট গঢ় লৈ বিভিন্ন আঞ্চলিক নামেৰে (শৌৰসেনী মাহাৰাষ্ট্ৰী মাগধী আদি) পৰিচিত হয়। স্থানভেদে সুকীয়া সুকীয়া নামেৰে পৰিচিত হোৱা এই প্ৰাকৃত ভাষাসমূহেই লোক-জীৱনৰ ভাব প্ৰকাশৰ মাধ্যম আছিল আৰু এই প্ৰাকৃতবোৰৰ একোটা সাধু ৰূপত সাহিত্যাদিও সৃষ্টি হৈছিল। সাহিত্যত ব্যৱহাৰ হোৱাত ইবিলাক 'সাহিত্যিক প্ৰাকৃত নামেৰে পৰিচিত হয়। প্ৰাকৃত বৈয়াকৰণসকলে সংস্কৃত ব্যাকৰণৰ আদৰ্শেৰে লৌকিক প্ৰাকৃতক পৰিমাৰ্জিত কৰি প্ৰাকৃতৰ সাহিত্যিক ভাষাদৰ্শ গঢ়ি তোলে। অন্যহাতে প্ৰাচীন কামৰূপত ভাৰতীয় আৰ্যভাষাৰ প্ৰচলনৰ নিশ্চিত সাক্ষ্য খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰাহে, অৰ্থাৎ মধ্য ভাৰতীয় আৰ্যভাষাৰো মধ্য স্তৰটোৰ শেহৰ পৰাহে পোৱা যায়। সংস্কৃত ভাষাত ৰচিত খ্ৰীষ্টীয় পঞ্চম শতিকাৰ উমাচল শিলালেখ আৰু নগাজৰী খনিকৰ গাঁৱৰ শিলালেখে প্ৰাচীন কামৰূপত ভাৰতীয় আৰ্যভাষাৰ প্ৰচলনৰ নিশ্চিত ঐতিহাসিক তথ্য দাঙি ধৰে। খ্ৰীষ্টীয় চতুৰ্থ শতিকাত সমুদ্ৰগুপ্তৰ ৰাজত্বকালত সীমান্তৱৰ্তী কৰদাতা ৰাজ্যৰূপে গুপ্ত শাসন-ব্যৱস্থাৰ সম্পৰ্কলৈ যোৱা প্ৰাচীন কামৰূপৰ বৰ্মণবংশী ৰজাসকলে শাসন-ব্যৱস্থা সামাজিক-সাংস্কৃতিক বিভিন্ন ক্ষেত্ৰত গুপ্তসকলৰ আদৰ্শ গ্ৰহণ কৰি সেই আৰ্হিতে কামৰূপতো নতুন শাসন-ব্যৱস্থা গঢ় দিবলৈ গুপ্ত সাম্ৰাজ্যৰ কেন্দ্ৰভূমি

মাগধী ক্ষেত্ৰৰ পৰা অনা লোকসকলৰ জৰিয়তে কামৰূপত মাগধী প্ৰাকৃতৰ প্ৰৱেশ ঘটে। সমুদ্ৰগুপ্তই সমগ্ৰ আৰ্যাবৰ্ততে ৰাজ্য বিস্তাৰ কৰিছিল সেযেহে গুপ্ত সাম্ৰাজ্যৰ কেন্দ্ৰভূমি মাগধী প্ৰাকৃত অঞ্চলৰ উপৰি গুপ্ত সাম্ৰাজ্যৰ অধীনৰ অন্যান্য ভাষা-ভাষী অঞ্চলৰ লোকো কামৰূপ অঞ্চললৈ অহাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। তেজপুৰৰ দ-পৰ্বতীয়াৰ শিলৰ দুৱাৰত থকা গংগা-যমুনাৰ নাৰী মূৰ্ত্তিৰ (আনুমানিক খ্ৰীষ্টীয় ৫ম/৬ষ্ঠ শতিকা) লগত প্ৰাক্-গুপ্তকালীন নাগ-ভাৰশিৱ ৰজাসকলৰ শিল্পকলাৰ সাদৃশ্যই সেই সময়তে কামৰূপলৈ শৌৰসেনী প্ৰাকৃত ভাষা-ভাষী অঞ্চলৰ লোকৰ আগমনৰো সাক্ষ্য দিয়ে। আকৌ হৰ্ষবৰ্ধনৰ সময়ত ঘটা কনৌজ-কামৰূপৰ সম্পৰ্কয়ো সপ্তম শতিকাৰ পাছত কামৰূপত শৌৰসেনী ভাষাঞ্চলৰ প্ৰভাৱৰ সম্ভাৱনা দাঙি ধৰে।[৮] দশম-একাদশ শতিকামানৰ বুলি অনুমান কৰা ডবকা অঞ্চলৰ আকাশীগংগা আৰু তেজপুৰৰ বামুণী পাহাৰৰ ভাস্কৰ্যত দেখা পোৱা দক্ষিণ-পশ্চিম ভাৰতৰ চালুক্য শিল্পৰীতিৰ লক্ষণে ব্ৰহ্মপুত্ৰ উপত্যকালৈ মাহাৰাষ্ট্ৰী প্ৰাকৃত প্ৰচলিত অঞ্চলৰ লোকৰ আগমনৰো সাক্ষ্য দিয়ে। অনাৰ্য ভাষা-সংস্কৃতি অধ্যুষিত ব্ৰহ্মপুত্ৰ উপত্যকাত এনেদৰেই বিভিন্ন কাৰণত বিভিন্ন সময়ত অহা ভাৰতৰ বিভিন্ন অঞ্চলৰ বিভিন্ন প্ৰাকৃত ভাষী লোকৰ সমূহীয়া মাধ্যমৰূপে আৰু থলুৱা লোকসকলৰ লগত ভাৱ বিনিময়ৰ প্ৰয়োজনত আৰ্যভাষাৰ উপাদানপ্ৰধান এটা নতুন কামৰূপী লোকভাষা গঢ লৈ উঠিছিল বুলি অনুমান কৰিব পাৰি। কামৰূপৰ প্ৰাকৃতজনে (অৰ্থাৎ সাধাৰণজনে) কোৱা ভাষা হিচাপে 'কামৰূপী প্ৰাকৃত আখ্যা দিয়া এই লোকভাষাটো মাগধী শৌৰসেনী মাহাৰাষ্ট্ৰী প্ৰভৃতি অন্যান্য সাহিত্যিক প্ৰাকৃতসমূহৰ সৈতে একে পৰ্যায়ৰ ভাষা নহয় এই লোকভাষাটোৰ উৎপত্তি আৰু বিকাশৰ ধৰণটো সময় আৰু গঠন প্ৰণালীৰ ক্ষেত্ৰত উল্লিখিত প্ৰাকৃতসমূহতকৈ কিছু পৃথক। সাহিত্যিক প্ৰাকৃতসমূহৰ সমপৰ্যায়ৰ ভাষা নোহোৱাৰ বাবে প্ৰাচীন বৈয়াকৰণসকলৰ ৰচনাত এই ভাষাৰ উল্লেখ পোৱা নাযায়। সেইদৰে আঞ্চলিক লক্ষণাক্ৰান্ত হ'লেও মূলতঃ শিষ্টভাষাসম্মত সাহিত্যিক প্ৰাকৃতবোৰৰ বৈয়াকৰণনিৰ্দিষ্ট লক্ষণবোৰেৰে 'আৰ্যমূলীয় কামৰূপীয় লোকভাষা বা কামৰূপী প্ৰাকৃতক বিচাৰ কৰিব নোৱাৰি। এই ভাষাত সাধু বা সাহিত্যসন্মত ভাষাৰ উপাদানৰ লগতে ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰৰ লোকায়ত ভাষাৰ উপাদানেও (ঘাইকৈ অশোকৰ অনুশাসনৰ ভাষা) প্ৰাধান্য লাভ কৰিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাচীন কামৰূপৰ আৰ্যমূলীয় লোকভাষাটো ঘাইকৈ লৌকিক কথ্য ৰূপৰ ভিত্তিত গঢ লৈ উঠিছিল আৰু সেই বাবেই হয়তো কালগত ব্যৱধান থকা সত্ত্বেও আৰ্যমূলীয় কামৰূপী লোকভাষাত অশোকৰ অনুশাসনৰ বিভিন্ন উপভাষাৰ বৈশিষ্ট্যসূচক ৰূপ বহু পৰিমাণে পোৱা যায়। সামৰণিত ক'ব পাৰি যে ভাৰতলৈ অহা বিভিন্ন ফৈদৰ আৰ্যসকলৰ কথ্য বাগ্‌ধাৰাৰ আবহমান

পৰম্পৰাত খ্ৰীষ্টীয় পঞ্চম-ত্ৰয়োদশ শতিকাত প্ৰাচীন কামৰূপত গঢ় লৈ উঠা লোকভাষাটোৰেই ক্ৰমবিবৰ্তনৰ পথত পৰিবৰ্তন-পৰিবৰ্ধনৰ জৰিয়তে চতুৰ্দশ শতিকাত পূৰ্ণাঙ্গ সাহিত্যিক ভাষাৰূপে প্ৰতিষ্ঠিত হ'ব পৰাকৈ এটা নিৰ্দিষ্ট গঢ় লয়। ঘাইকৈ গুপ্ত সাম্ৰাজ্যৰ কেন্দ্ৰভূমি মাগধী প্ৰাকৃত অঞ্চলৰ পৰাই ভাৰতীয় আৰ্যভাষাৰ প্ৰবাহটো প্ৰাচীন কামৰূপলৈ অহাৰ বাবে এই ভাষাক মাগধী প্ৰাকৃতৰ লগত সম্বন্ধিত বুলি ক'ব পাৰি কিন্তু মগধ সাম্ৰাজ্যত প্ৰচলিত জনসাধাৰণৰ ভাষাৰ অৰ্থতহে ই 'মাগধী প্ৰাকৃত' বৈয়াকৰণনিৰ্দিষ্ট তথাকথিত সাহিত্যিক মাগধী প্ৰাকৃত নহয়। অন্যহাতে 'কামৰূপ'ত গঢ় লোৱা কামৰূপী জনসাধাৰণৰ ভাষা বাবে ইয়াক 'কামৰূপী প্ৰাকৃত আখ্যা দিলেও হয়তো ভুল নহ'ব।□

পাদটীকা ঃ

১ Dumbeswar Neog *The Origin and Growth of the Asamia* Language p 31

২. ডিম্বেশ্বৰ হাজৰিকা ঃ *অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ*, পৃ ৬৬

৩ কালিৰাম মেধি ঃ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* Itroduction Section I p 4 section II p 16

৪ দেৱানন্দ ভৰালি ঃ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্বৰ সমালোচনা *কালিৰাম মেধি স্মৃতিমালা।*

৫ ৰমেশ পাঠক ঃ 'অসমীয়া ভাষাৰ জন্ম আৰু বিকাশ সম্পৰ্কীয় বিতৰ্কিত মত শীৰ্ষক প্ৰবন্ধ *ভাষাৰ তত্ত্ব-কথা* সম্পাদনা ঃ নাহেন্দ্ৰ পাদুন।

৬ গুপ্ত সম্ৰাট সমুদ্ৰগুপ্তৰ দিগ্বিজয়ৰ বৰ্ণনা থকা প্ৰয়াগ প্ৰশস্তিত (৩৫০ খ্ৰীষ্টাব্দ) গুপ্ত সাম্ৰাজ্যৰ সীমান্তৱৰ্তী কৰদাতা ৰাজ্যৰূপে কামৰূপৰ উল্লেখ কৰা হৈছে।

৭ ব্ৰাহ্মণ উপনিষদত ব্যৱহৃত বেদোত্তৰ বা প্ৰাক্-সংস্কৃত যুগৰ (কালানুসৰি খ্ৰীষ্টপূৰ্ব ৮০০ ৫০০ অব্দ) ভাষা। এই স্তৰৰ ভাষাৰ বৈশিষ্ট্যসমূহ আংশিকভাৱে বৈদিক আৰু আংশিকভাৱে সংস্কৃত লক্ষণযুক্ত। এই নামকৰণ কৰে ভাষাবিজ্ঞানীসকলৰ।

৮ খ্ৰীষ্টীয় পঞ্চম শতিকাৰ উমাচল শিলালেখৰ বিষয়বস্তু বলভদ্ৰস্বামীৰ পূজা শৌৰসেনী ভাষাক্ষেত্ৰৰ প্ৰাণকেন্দ্ৰ মথুৰা অঞ্চলত খ্ৰীষ্টপূৰ্ব যুগৰ পৰাই চলি আহিছিল। গয়াৰ ওচৰৰ দেকনগঢ়ত প্ৰাপ্ত খ্ৰীষ্টীয় প্ৰথম শতিকাৰ সৰ্পফণাযুক্ত হলধাৰী বলভদ্ৰৰ মূৰ্তিয়ে (পাটনা সংগ্ৰহালয় আৰ্কিয়লজী সংখ্যা ১১৩০০০) শৌৰসেনী ক্ষেত্ৰৰ প্ৰভাৱ মাগধী ক্ষেত্ৰলৈ অহাৰ প্ৰমাণ দিয়ে। গয়া গুপ্ত সাম্ৰাজ্যৰ ৰাজধানী পাটলিপুত্ৰৰ ওচৰৰ ঠাই। গতিকে উমাচল লেখত উল্লিখিত বলভদ্ৰ স্বামীৰ পূজাৰ বাবে গুহ্য মন্দিৰ নিৰ্মাণৰ কথাই তৎকালীন কামৰূপত গুপ্ত সাম্ৰাজ্যৰ ৰাজধানী অঞ্চলৰ সাংস্কৃতিক প্ৰভাৱৰ সাক্ষ্য দিয়ে।

প্ৰাসঙ্গিক গ্ৰন্থ :

গোস্বামী উপেন্দ্ৰনাথ — *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ* গুৱাহাটী ১৯৯১।

পাদুন নাহেন্দ্ৰ (সম্পা) — *ভাষাৰ তত্ত্ব-কথা* শিৱসাগৰ ১৯৯৩।

ভট্টাচাৰ্য পদ্মনাথ (সংকলিত) — *কামৰূপশাসনাৱলী* ৰঙ্গপুৰ সাহিত্য পৰিষদ সন ১৩৩৮ সাল।

ভৰালি দেবানন্দ : *অসমীয়া ভাষাৰ মৌলিক বিচাৰ* গুৱাহাটী ১৯৯৩।

মজুমদাৰ পৰেশচন্দ্ৰ — *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ* কলিকতা ১৯৯৬।

মহন্ত, বাপচন্দ্ৰ : *অসমীয়া জাতি ভাষা আৰু সাহিত্যৰ জন্মকথা* যোৰহাট, ১৯৯৬।

মেধি কালিৰাম : *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব*, গুৱাহাটী, ১৯৭৮।

হাজৰিকা, বিৰেশ্বৰ : *অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ*, গুৱাহাটী ১৯৮৮।

সহায় শিৱস্বৰূপ : *ভাৰতীয় পুৰালেখোঁ কা অধ্যয়ন* বাৰাণসী ১৯৯৩।

Barpujari H K (ed) — *The Comprehensive History of Assam* Volume I Guwahati 1990

Barua B K — *A Cultural History of Assam* (Early period) Volume I Gauhati 1986

Barua K L — *Studies in the Early History of Assam* Jorhat 1873

Macdonell A A — *A Vedic Grammar for Students* Delhi

Sarma Dimbeswar (ed) — *Kāmarūpasāsanāvalī* Gauhati 1981

Sharma M M (ed) — *Inscriptions of Ancient Assam* Gauhati 1978

Sen Sukumar — *A Comparative Grammar of Middle Indo-Aryan* Poona 1960

Whitney William Dwight — *Sanskrit Grammar* Delhi 1989

চৰ্যাপদৰ ভাষা আৰু ব্ৰজাৱলী ভাষা

❑ পৰীক্ষিত হাজৰিকা

চৰ্যাপদবোৰ মহাযানী বৌদ্ধধৰ্মৰ অন্তৰ্গত তন্ত্ৰযান শাখাৰ শেহতীয়া স্তৰ সহজযান পন্থাৰ আধাৰত ৰচিত হোৱা সাধনমূলক গীত। ৮ম শতিকাৰ শেষৰ পৰা ১২শ শতিকাৰ ভিতৰত সহজীয়া সিদ্ধাচাৰ্যসকলে এটা-দুটাকৈ এই গীতবোৰ ৰচনা কৰিছিল বুলি বেছি ভাগ পণ্ডিতে ধাৰণা কৰিছে। তেতিয়াৰ যুগৰ তান্ত্ৰিক সাধনাৰ প্ৰধান কেন্দ্ৰস্থল কামৰূপ-পীঠত মিলিত হৈ সিদ্ধাচাৰ্যসকলে সহজযান ধৰ্মটো চৰ্চা কৰিছিল। তেওঁলোকৰ ভিতৰত কামৰূপৰ বাহিৰেও বঙ্গ উৰিষ্যা মিথিলা আৰু নেপালৰ ভক্ত-সাধকো আছিল। এওঁলোকে বহু বছৰ ধৰি কামৰূপী সিদ্ধাচাৰ্যসকলৰ লগত কামৰূপ-পীঠত ধৰ্ম সাধনা কৰোঁতে কামৰূপৰ থলুৱা ভাষাটো শিকি লৈছিল। তাহাঁনিৰ সেই ভাষাটো আছিল কামৰূপী অপভ্ৰংশ ভাষা। ইয়াৰ লগত বঙ্গ উৰিষ্যা মৈথিলী আদি ভাষাৰ উপাদানো পাৰস্পৰিক কথা-বতৰা পাতোঁতে সোমাই পৰিছিল। এনেকুৱা সামাজিক প্ৰক্ৰিয়াৰ লগত কামৰূপী অপভ্ৰংশ ভাষাই প্ৰাচ্য ভাৰতত এক উমৈহতীয়া সংযোগী ভাষাৰ (Lingua Franca) গুৰুত্ব বহন কৰিছিল। সহজযানী সিদ্ধাচাৰ্যসকলে কামৰূপী অপভ্ৰংশ ভাষাৰ ভেটিত গঢ় লৈ উঠা উমৈহতীয়া ভাষাতেই বেছিভাগ দোহা আৰু চৰ্যাগীত ৰচনা কৰিছিল অৱশ্যে সাধন ক্ৰিয়াৰ তাত্ত্বিক কথাবোৰ কেইবাটাও কাৰণত গোপনে ৰখাৰ উদ্দেশ্যে তেওঁলোকে গীতবিলাকত নিজৰ ধৰ্মীয় পাৰিভাষিক আৰু সাংকেতিক শব্দ প্ৰয়োগ কৰিছিল। সেই কাৰণেই চৰ্যাপদৰ ভাষাটো ৰহস্যপূৰ্ণ হৈ পৰিছে।

তালপাতত (সাঁচিপাত) লিখা চৰ্যাগীতৰ মূল পুথিখনৰ নাম 'চৰ্যাগীতি কোষ'। ১৯০৭ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াক নেপালৰ ৰাজদৰবাৰৰ পুথি ভঁৰালত আৱিষ্কাৰ কৰে আৰু ইয়াৰ প্ৰতিলিপি কলিকতালৈ আনে তেওঁ ইয়াৰ নাম দিযে 'চৰ্যাচৰ্য বিনিশ্চয' বুলি। পাছত ইয়াক সম্পাদনা কৰি 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা' নাম দি ১৯১৬ চনত বঙ্গীয় সাহিত্য পৰিষদৰ জৰিয়তে ছপাই উলিয়ায।

'চৰ্যাগীতি কোষ' পুথিখন ২৩ বা ২৪জন সিদ্ধাচাৰ্যৰ গীতেৰে সমৃদ্ধ। সম্প্ৰতি ইয়াত চাৰে ছিয়াল্লিশটা গীতহে আছে বাকী চাৰে তিনিটা গীত নষ্ট হৈ গৈছে।

খৃষ্টীয় চতুৰ্দশ শতিকাত আচাৰ্য মুনিদত্তই সংস্কৃত ভাষাত চৰ্যাগীতি-কোষৰ টীকা-ব্যাখ্যা লিখোঁতে ইয়াৰ ভাষাৰ অংশ বিশেষক সন্ধ্যাভাষা বুলি কৈছে। প্ৰসঙ্গ অনুসাৰে তেও 'সন্ধ্যা 'সন্ধ্যা-বচন 'সন্ধ্যা-সংকেত শব্দৰ দ্বাৰাও বিষয়-বস্তুৰ গূঢ় অৰ্থ দাঙি ধৰিছে। অলপ দকৈ ভাবি চালে ধাৰণা হয় যে 'সন্ধ্যা-ভাষা কথাষাৰৰ দ্বাৰা মুনিদত্তই সহজযান পন্থাৰ গূঢ়-তত্ত্বৰ প্ৰকাশিকা ঠাঁচটোকে বুজাইছে, কিন্তু তেও চৰ্যাপদৰ অন্তৰঙ্গ-বহিৰঙ্গ ভাষাটিক সন্ধ্যা-ভাষা বোলা নাই। অথচ হৰপ্ৰসাদ শাস্ত্ৰীকে মুখ্য কৰি তেওঁৰ পৰৱৰ্তী ভালেমান পণ্ডিতে চৰ্যাপদৰ ভাষাক সন্ধ্যা-ভাষা বুলিহে অভিজ্ঞান কৰিছে।

চৰ্যাপদৰ সামগ্ৰিক ভাষাটো দুতৰপীয়া ভাষা ইয়াৰ এটা তৰপ হ'ল— ৮ম-১২শ শতিকাৰ প্ৰাচ্য ভাৰতীয় তথা বিশাল কামৰূপ দেশৰ লোকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সাধাৰণ ভাষা আৰু আনটো হ'ল সহজযান পন্থী গুৰু-শিষ্যই ব্যৱহাৰ কৰা সন্ধ্যা-ভাষা। সাধাৰণ ভাষাৰ তৰপটোক সংস্কৃত, প্ৰাকৃত অপভ্ৰংশ, তদ্ভৱ বা থলুৱা শব্দই পৰিপুষ্ট কৰিছে। ইযাৰ পদ-চয়নৰ ঠাঁচ বাক্যসুলভ শৈলী বৈযাকৰণিক ৰীতি আৰু ভাৱ প্ৰকাশৰ বৈশিষ্ট্যই প্ৰত্ন-অসমীযাৰ প্ৰতিনিধিত্ব কৰিছে। আনহাতে সন্ধ্যা-ভাষাৰ তাৎপৰ্য হ'ল— ইযাৰ অন্তৰালত এটা অভীষ্ট অৰ্থ থাকে তদুপৰি উপৰুৱা অৰ্থ এটাও বিদ্যমান সেযে ই দ্ব্যৰ্থক। গতিকে সন্ধ্যা-ভাষা হ'ল দুটা অৰ্থ যুক্ত ভাষা। সাংকেতিক শব্দ পাৰিভাষিক শব্দ সাধাৰণ শব্দ ধ্ৰুৱপদ ব্যাজ উৎপ্ৰেক্ষা উপমা আৰু ৰূপক অলঙ্কাৰে সন্ধ্যা-ভাষাটোক এটি ৰহস্যময় ৰূপ প্ৰদান কৰিছে। থলুৱা সাধাৰণ ভাষাৰ লগত সাংকেতিক সন্ধ্যা-ভাষাৰ মিশ্ৰণ দি সহজীযা সাধকবৃন্দ আৰু সৰ্বসাধাৰণ পাঠকবৃন্দক ভাগে ভাগে আনন্দ দিব পৰা কুশলতা গীত-ৰচকসকলৰ এক বিশেষ কৃতিত্ব।

চৰ্যাপদবিলাকক অথবা ইযাৰ ভাষাক বঙলা উৰিযা আৰু মৈথিলী ভাষা-ভাষী লেখকসকলে নিজৰ নিজৰ ভাষাৰ প্ৰাচীনতম লিখিত চানেকি বুলি দাবী কৰিছে, কিন্তু তেওঁলোকে চৰ্যাপদৰ লগত জড়িত থকা ঐতিহাসিক তথ্য সামাজিক পটভূমি আৰু ধৰ্মীয় ঐতিহ্য সম্পৰ্কে প্ৰামাণিকভাৱে দেখুৱাব পৰা নাই। আনহাতে প্ৰাচীন কামৰূপৰ পটভূমিত চৰ্যাপদবোৰ বিশ্লেষণ কৰি চালে বুজা যায় যে অধিকাংশ চৰ্যাপদৰ ভাষা— ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য শব্দ-সম্ভাৰ সেইবোৰৰ বানান-পদ্ধতি পদ-চয়নৰ ৰীতি ৰূপক-উপমাৰ প্ৰযোগ ফকৰা যোজোনাৰ ব্যৱহাৰ গ্ৰাম্য চিত্ৰৰ অঙ্কন ৰাগৰ সংযোজন সমাজ-জীৱনৰ বৈচিত্ৰ্য আৰু ধৰ্ম-চৰ্চাৰ ঐতিহ্য আদিয়ে প্ৰাচীন অসমীযা জাতি ধৰ্ম ভাষা সাহিত্য সঙ্গীত আৰু সমাজ-সংস্কৃতিৰ লগত চৰ্যাপদৰ সম্পৰ্ক তেজ-মঙহৰ দৰে অতি ঘনিষ্ঠ। কাৰণ চৰ্যাপদত উল্লেখিত সম্প্ৰদায়কেইটা চতুৰ্দশ-ষোড়শ শতিকাৰ অসমীযা গ্ৰন্থৰাজিত পোৱা যায। বৰ্তমানৰ

অসমীয়া সমাজতো এই বৃত্তিধাৰী সম্প্ৰদায়ভুক্ত লোকসকলৰ স্থিতি বিদ্যমান। সিদ্ধাচাৰ্যসকলে পালন কৰা সহজযান ধৰ্মটো যে কামৰূপ-পীঠক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল আৰু প্ৰাচীন কামৰূপ দেশত চলিছিল সেই কথা অসমীয়া আৰু অনা-অসমীয়া পণ্ডিতৰ দ্বাৰাই প্ৰমাণিত হৈছে। অবিভক্ত অসমত চলি থকা 'ৰাতিখোৱা ভকতীয়া সম্প্ৰদায়টো সহজীয়া পন্থাৰেই পৰিবৰ্তিত ৰূপ বুলি কিছুমানে ভাবে।' ভাষাৰ ক্ষেত্ৰত ক'ব পাৰি যে চৰ্যাপদৰ সাধাৰণ ভাষাটো অসমীয়া ভাষাৰ প্ৰাচীনতম লিখিত নিদৰ্শন। কাৰণ ইয়াৰ মাজেৰে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য বৈয়াকৰণিক ৰীতি, চতুৰ্দশ-অষ্টাদশ শতিকাৰ অসমীয়া সাঁচিপতীয়া পুথিত লিখাৰ দৰে বানানৰ ৰূপ, পুৰণি অসমীয়া সমাজ-সাহিত্যত ব্যৱহৃত শব্দ অসমীয়া ব্ৰজাৱলী ভাষাৰ শব্দ-বৈচিত্ৰ্য আৰু ফকৰা-যোজোনাৰ পূৰ্ব ৰূপ আদি স্পষ্টভাৱে ফুটি উঠিছে। অধিক কি, অসমৰ ৰজাঘৰীয়া তামৰ ফলি শিলৰ ফলিৰ শব্দ বিশেষো চৰ্যাপদত পোৱা গৈছে। তদুপৰি, ৰাগ-ৰাগিনী সমন্বিতে চৰ্যাপদৰ সঙ্গীতৰ ধাৰাটো পঞ্চদশ-ষোড়শ শতিকাৰ শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীত-অঙ্কীয়া নাটসমূহত পীতাম্বৰ দ্বিজৰ উষা-পৰিণয় কাব্যত, মনকৰৰ মনসা-কাব্যত, দুৰ্গাবৰৰ গীতি-ৰামায়ণত আৰু এওঁলোকৰো পৰৱৰ্তী কালৰ বৈষ্ণৱ কবি-নাট্যকাৰসকলৰ ৰচনাত পল্লৱিত হৈ উঠা দেখা যায়। এইদৰে চৰ্যাপদ আধাৰিত নানা দিশ আৰু নানা বিষয়ৰ উত্তৰাধিকাৰী হিচাপে অসম আৰু অসমীয়া জাতি চলি আহিছে।

এই চৰ্যাপদবোৰে ব্ৰজাৱলী ভাষাৰো চানেকি বহন কৰিছে। যদিও ব্ৰজাৱলী ভাষাৰ উদ্ভৱ আৰু বিকাশৰ সময় খ্ৰীষ্টীয় চতুৰ্দশ-ষোড়শ শতিকা বুলি কেইবাজনো ভাষাতত্ত্ববিদ আৰু সমালোচকে নানা যুক্তিৰে আলোচনা কৰিছে, তথাপি আমি ক'ব খোজো যে ব্ৰজাৱলী ভাষাটো চৰ্যাপদ-ৰচনাৰ সময়তে গীতি-সাহিত্যত ব্যৱহৃত হৈছিল আৰু ই দশম-দ্বাদশ শতিকাৰ ভিতৰতেই সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল। সেযেহে ত্ৰয়োদশ শতিকাৰ আগ ভাগত খোদিত কৰা আমবাৰীৰ শিলালিপি (১১৫৪ শক বা ১২৩২ খ্ৰী) আৰু চতুৰ্দশ শতিকাৰ মাজ ভাগত খোদিত কৰা গছ-তলৰ স্তম্ভ লিপিত (১২৮৪ শক বা ১৩৬২ খ্ৰী) ব্ৰজাৱলী ভাষাৰ নিদৰ্শন পাওঁ। লিপিত ব্যৱহাৰ কৰালৈ চাই অসমৰ ব্ৰজাৱলী ভাষাক যে ৰাজকীয় কাম-কাজত প্ৰয়োগ কৰিছিল তাক সহজে বুজা যায়। শিলালিপি দুখনৰ পাঠ তলত দিয়া ধৰণৰ —

(ক) আদিত্য সম শ্ৰীসমুদ্ৰ পাল ৰাজো প্ৰবল সবাসিক সত্ৰ সগুণ কৃযা। সন্বাসীন (সন্যাসীণ) বোলে দান পুঞন্ন সজ্জ। যোগীহাতী। সক ঈশ বাণ চক্ৰ। মুঢ় ভনতি। (আমবাৰীৰ শিলালিপি)।

(খ) শিমা এৰিযা যবন ডবাকত গযত। (শক) ১২৮(৪) ৱেদাষ্টৰাণী গণন।

ইতি শ্ৰীবিষ্ণু বাসুধৰ শৈলকাৰ। শকত ম্লেচ্ছ ইথান উযাসা। দেখহু শতত্ৰিশ বইৰ বঙ্গাল বহু কাৰ্য(ত) ইহাত ফগু। বহাখ জল। তোসভ সঞ্জাত যাব। দি জলশ্ৰী। পঞ্চকাখ্য বাদ্যৰোল। জলসেনাই বৈৰীক ভাথি জলান্তুশেক খদাবি। (গছতলৰ শিলালিপি)।

ওপৰৰ প্ৰথমখন শিলালিপিত ২২টা শব্দ আছে; তাৰ ভিতৰত আদিত্য, সম, ৰাজ্যে প্ৰবল, সত্ৰ সগুণ, কৃয়া বোলে, দান, পুঞ্জন (পুইণ), সজ, যোগী, হাটী, ঈশ, বাণ, চক্ৰ, মূঢ আৰু ভণতি শব্দকেইটা প্ৰাক্শাঙ্কৰী যুগৰ সাহিত্যত আৰু শঙ্কৰদেৱৰ ৰচনাৱলীত হুবহু প্ৰয়োগ হৈছে। সম, সগুণ, যোগী, বাণ, মূঢ়, ভণতি শব্দকেইটা চৰ্যাপদত ব্যৱহৃত শব্দ। সেইদৰে দ্বিতীয়খন শিলালিপিত থকা ৩৪ টা শব্দৰ ভিতৰত শিমা (সীমা) এৰিযা যবন গণন ইতি শকত ইথান দেখহু, শতত্ৰিশ, বইৰ, বঙ্গাল, বহু, কাৰ্য, ইহাত, ফগু, বহাখ (বহাগ), জল, সঞ্জাত, যাব, বাদ্য বোল বৈৰী ভাথি (ভাঠি) আদি শব্দবোৰ পুৰণি অসমীয়া সাহিত্যত পোৱা যায়। ইয়াত থকা বঙ্গাল, বহু, জল, যায়, (জাসি ৰূপত), বৈৰী আদি শব্দবোৰ চৰ্যাগীতত বিদ্যমান।

এতিয়া দেখা গ'ল যে ৮ম-১২শ শতিকাৰ চৰ্যাপদৰ ভাষা, ১৩শ-১৪শ শতিকাৰ লিপিৰ ভাষা আৰু ১৪শ-১৬শ শতিকাৰ অসমীযা ভাষাৰ এক ৰূপগত সাদৃশ্য আছে। আনহাতে এইটোও প্ৰমাণিত হ'ল যে, অসমীয়া ব্ৰজাবলী ভাষাটো বহুতে কোৱাৰ দৰে ব্ৰজধাম বা মিথিলাৰ পৰা ধাৰ কৰা ভাষা নহয়, ই প্ৰাচীন অসমতে উদ্ভৱ হোৱা ভাষা অৱশ্যে বাহিৰৰ উপাদান সুলভ প্ৰভাৱ ইয়াত পৰিব পাৰে, আনহাতে মিথিলাকে ধৰি সমগ্ৰ প্ৰাচ্য ভাৰততে এটা উমৈহতীয়া ভাষা (lingua franca) আছিল বুলি ধাৰণা জন্মে।[৪]

ব্ৰজাবলী ভাষাৰ ভেটি চৰ্যাপদৰ কালতে গঢ লৈ উঠিছিল। সেই কাৰণে চৰ্যাপদৰ ভাষাত ব্ৰজাবলী শব্দৰ পয়োভৰ দেখা যায। কিন্তু ৮ম-১২শ শতিকাত প্ৰাচ্য ভাৰতত সামাজিক আৰু ধৰ্মীয বিৱৰ্তন ঘটা বাবে (হযতো আন কোনো কাৰণতো) সাহিত্য-চৰ্চা বহুলভাৱে হোৱা নাছিল সেই কাৰণে ব্ৰজাবলী ভাষাত ৰচিত পুথিৰ সংখ্যা কম আনকি ব্ৰজাবলীৰ সমসাময়িক অন্য ভাষাতো যথোচিত লিখিত পুথি পাবলৈ টান। ১৪শ শতিকাৰ বিদ্যাপতি উমাপতিৰ ৰচনাত ব্ৰজাবলীৰ নিদৰ্শন বিদ্যমান। ১৩শ-১৪শ শতিকাত ৰাজনৈতিক সংঘৰ্ষই বঙ্গদেশক অস্থিৰ কৰি তুলিছিল। কিন্তু কামৰূপ ৰাজ্য কেতিযাও বাহিৰা শত্ৰুৰ বিশেষকৈ মোগলৰ আক্ৰমণত পৰাভূত হোৱা নাছিল। কামৰূপী পণ্ডিত সমাজ গৃহহাৰা হ'ব লগা নৈহেছিল। মহাপুৰুষ শঙ্কৰদেৱকে মুখ্য কৰি ১৫শ-১৭শ শতিকাৰ অসমৰ বৈষ্ণৱ ধৰ্মাধিকাৰসকলৰ ৰচিত অঙ্কীয়া নাট আৰু বৰগীতবোৰ অসমীয়া ব্ৰজাবলী ভাষাত

ৰচিত। সম্প্ৰতি আমি একে অৰ্থবাচক সমৰূপক অঙ্কীয়া নাট-বৰগীতৰ শব্দ আৰু চৰ্যাৰ শব্দ তুলনাৰ অৰ্থে দাঙি ধৰিলোঁ। আনহাতে চতুৰ্দশ শতিকাৰ মাধৱ কন্দলি আৰু হৰিহৰ বিপ্ৰৰ ৰচনাৱলীতো চৰ্যাত ব্যৱহৃত হোৱা শব্দ ভালেমান আছে, প্ৰসঙ্গ অনুযায়ী সেইবোৰো দেখুওৱা হৈছে ঃ

চৰ্যাপদৰ শব্দ	অঙ্কীয়া নাটৰ শব্দ
অইসন/অইসণি—	অইছন পৰকাৰে দৈৱকী বহুবিধ বিনয়ে বোলয (জন্মযাত্ৰা নাট)।
অচিন্ত—	তোহাৰি অচিন্ত প্ৰভাৱ (অৰ্জুন ভঞ্জন নাট)।
অঙ্কৱালী—	কাহ্ন আঙ্কোৱালি তুলি বৈঠাই মধুৰ বানি বোল (ৰুক্মিনী হৰণ নাট)।
অনুদিন—	ৰাখল অনুদিন গকুলবাসি (কংসবধ নাট)।
অদভুঅ—	দেখু অদভুত ভকতি মহিমাক (পাৰিজাত হৰণ নাট)।
অন্তৰে—	অন্তৰে কতো হুযা এডাএডি (ক না)।
অন্তে—	আদি অন্তে কহিবাক লাগিলা তখনে (ৰামাযণ)।
অন্ধকাৰা—	ৰাত্ৰি অন্ধকাৰ দিস নপাই (জন্মযাত্ৰা নাট)।
অন্ধাৰি/অন্ধাৰী—	দিশ দশ আন্ধাৰি দেখিএ মূৰ্চ্ছিত হুযা পৰল (ৰু হ না)।
অভাগে—	স্বামীক নিন্দতে আছাহা আমাৰ বৰ অভাগে (ৰামায়ণ)।
অমিঅ/অমিআ—	
অমিয/অমিযা—	বাণি অমিযা ৰস (ৰু হ না)।
অৱৰ—	হন্তে মধুপুৰি আৱৰ বহুৰি পেখবো (উদ্ধৱজান)।
আকাশ—	দেৱলোকে আকাশ পূৰিল শঙ্খনাদে (বভ্ৰুবাহনৰ যুদ্ধ)।
আগ—	সিসুসব আগ কৰিএ জৈচে বিলাপ কৰিতে আৱে (কা দ যা)।
আগি—	ধ্বজ ব্ৰজ পংকজ দেখিতে দহে আগি (কালি দমন যাত্ৰা)।
আগে—	নন্দসুত কৃষ্ণ হামাক আগে কোন হয (পত্নী প্ৰসাদ নাট)।
আচ্ছন্তেঁ—	আমিসব আছন্তে কি যুঝিবে অৰ্জুনে (ব যু)।
আচহুঁ/আচ্ছহুঁ—	সিকাৰণে মণি ৰাখি আছোহোঁ পাতালে (ব যু)।
আনন্দে—	নযণে আনন্দে লোতক ঝুৰয (ক না)
আভৰণে—	নানাবিধ অলঙ্কাৰ কৰি আভৰণ (ব যু)।
উঠে—	তোৰ কায কাৰণে মোহোৰ উঠে হাসি (ৰামাযণ)।
উপাডী—	তত্তকালে পাৰিজাতক সমিপ চাপি সমুলি উপাড়ী আনল (পা হ না)।

একে—	দুখান সাগৰ যেন ভৈল এক ঠাই (ব যু)।
এত—	বানৰ গোটিত মোৰ এত মান ভঙ্গ (ৰামায়ণ)।
এতকাল—	তুমি আমি এতকাল হুয়া আছোঁ দুখী (ৰামায়ণ)।
এথা—	তুহু কে কথা হন্তে এথা আৱলি থিক (ৰু হ না)।
কপাট—	ফলৰ ছাতিত খসি কপাট পৰয় (ৰামায়ণ)।
কমলিনী—	নাসা তিলফুল কমলিনী মায়ী (ৰা বি না)।
কৰহুঁ—	কৰহু অতএ করুনা গোসাঞিঁ (কা দ যা)।
কৰই/কৰউ—	আহেৰ কথনে মথনে কৰই (ৰা বি না)।
কৰি—	সবাকে লেখিলা চিত্ৰকৰে ভাল কৰি (ব যু)।
কৰিবে—	সি সবে বৈৰকো ৰক্ষা কৰিবে লাগয (ৰামায়ণ)।
কৰিনি—	মত্ত মাতঙ্গ সঙ্গে জৈচন তৰুনি কৰিনি আৱে (ৰা বি না)।
কহণ নজাই—	হৰি গুণ কহণ নজাই (ৰু হ না)।
কহন্তি—	সি কথা কহন্তে তোৰ বৈলখ নলাগে (ৰামা ৫/৩৫)।
কহি/কাহি—	মোক এৰি কহি গৈল হা প্ৰাণ-পুত (ব যু)।
কহিব—	গন্ধৰ্ব্বে বোলয তই কহিব বানৰ (ৰামা ৫/৪৬-২৭)।
কাঙ্কাণ—	দণ্ডিযা সকলে লৈবো হাতেৰ কঙ্কণ (কো খে ঝু)।
কাপুৰ—	কমলা কাপুৰ কন্টকি যে নাৰিকল (ৰামায়ণ)।
কিস/কিষ—	সহস্ৰেক ৰামে মোৰ কৰিবেক কিস (ৰামায়ণ)।
কুঠাৰ/কুঠাৰে—	সে সোনিতে কুঠাৰ মলিন ভেল (ৰা বি না)।
কুম্ভীৰ—	কুম্ভীৰ মগৰ মৎস্য কচ্ছপ সকল (ৰামাযণ)।
কুলিনজন—	কুলীন পৰাণি ভৈলে ভালে তাৰ (ৰামাযণ)।
কুলিশ—	শতঘ্নী তোমাৰ খৰ বেলেখ কুলিশ (ৰামাযণ)।
কোই—	তুৱা সম সোভাগিনি নাহি কোই (পা হ না)।
খৰতড়ি—	আগে যেন মনুয্যে লৱৰে খৰতড়ি (ব যু)।
গগন—	সে ক্ৰন্দনক উৰ্ম্মি গগন বেড়ল (কে গো না)।
গলপাশ—	সীতাক হৰিলে তোৰ হুইবে গলপাশ (ৰামাযণ)।
গুণন্তে—	বিস্ময়ে গুণন্তে কপি সাগৰৰ মাজ (ৰামাযণ)।
গুণে—	অৰ্দ্ধচন্দ্ৰ শৰ ৰাজা জুৰিলন্ত গুণে (ব যু)।
গুহাড়া—	তুযা পাৱে কযলু গুহাড়ি (পা হ না)।
গেলি—	প্ৰাণ পিউ আস কৈচন দূৰ গেলি (ৰু হ না)।
গো—	নিসি অৱসানে বংসিৰ নিসানে গো (ভো বি ঝু)।
ঘণ্টা—	ঘণ্টা নাড়ি ঘাৰ কৰয মোড় (ৰু হ না)।

ঘিণ— মাথা নাকাটিলো বৰ ঘিণে (ৰামা ৫/৩৪-৫)।
চউদিস— ঠাঠে চউদিসে বেঢ়ল লংকা (ৰা বি না)।
চড়ি— উচ্চিত মঞ্চে চড়ি ৰহল (কংসবধ নাট)।
চলিল— বিজুলী ছটক যেন চলিল নৰাচ (ৰামাযণ)।
চলিলা— লক্ষ্মণৰ পাশক চলিলা সূৰ্পণখী (ৰামাযণ)।
চুম্বী— চুম্বি জগত আধাৰু (ৰু হ না)।
চৌৰি— ভকতক কৃপাযে চৌৰি কৰিকচ (অ ভ না)।
ছাড়িল— সেহিসে কাৰণে মোক লক্ষ্মণে ছাৰিল (ৰামাযণ)।
জবে— জবে প্ৰত্যয় নাহি জাৱ, তব দেৱতাসবক বাক্যে প্ৰমাণ লৱ (প প্ৰ না)।
জাঅ— গোৱালক পাচু পাচু কতী হোঁ জাৱ (প প্ৰ না)।
জাই— শ্ৰীকৃষ্ণ ৰুকমিণি কন্যাক হৰি লিয়া জাই (ৰু হ না)।
জাউ— জাৱত যুদ্ধ নাহি হয়, আগু দেশে জাঞ (ৰু হ না)।
জাণী— ইহ জানি সত্বৰ সমাজ পতাই মহেসক ধনু আনহ (ৰা বি না)।
জাহেৰ— জাহেৰ চৰণ ব্ৰহ্মাৰুদ্ৰাদি ধ্যানে ধৰয (কে গো না)।
জীবন্তে— মাৰোঁ বব্ৰুবাহা আজি জীৱন্তে নযাস (ব যু)।
জে— জে জগতক পৰম গুৰু পৰম পুৰুষোত্তম (কা দ যা)।
জৌবন— নব জৌৱন তন বদৰি প্ৰমাণ (ৰা বি না)।
ডাহ/দাহ— ওঁহি দুখানলে হৃদয দাহ কৰে (কা দ যা)।
ণিঅড/ণিঅডি— গৈলেসে জানিয পথ নিযৰ কি দূৰ (ব যু)।
তইসনে— তৈসানি হৰিয হৈবোঁ ৰাৱণ মাৰিযা তুমি (ৰামাযণ)।
তবে— কানাকানি কৰে দেখো তবে কপিগণ (ৰামাযণ)।
তৰই— ইহাৰ শ্ৰৱণ কীৰ্ত্তনে তৰয মহা মহা পাপীচয (ৰামায়ণ)।
তৰঙ্গ— তৰঙ্গ বৰঙ্গ কৰি চতুৰ্দ্দিশ যায (ৰামাযণ)।
তৰুবৰ— ফলমূল সহিতে দেখিল তৰুবৰ (ৰামাযণ)।
তসু— পাচু পাচু তচু মাধৱ ধাৱে (কে গো না)।
তাসু— তাসু মাঝে নন্দ সুত বিৰাজিত (ভো বি ঝু)।
তুট— দিন টুটে প্ৰাণ চুটে ক্ষনেক যুগ জাই (উদ্ধৱজান)।
তুটই— তৃপিতি নাহি টুটয (কংসবধ)।
তেন্তুলি— তেন্তুলি কণ্টকি আম জাম নাগেশ্বৰ (ৰামাযণ)।
তোৰা— আহে গুৰুসব তোৰাসব পৰম পণ্ডিত (প প্ৰ না)।

তোৰেঁ—	আৰ লাগ নাছাড়িবোঁ তোৰে (অ ভ না)।
তোহাৰ—	তবে তোহাৰ গৃহবাস সব সাফল হওএ (ৰু হ না)।
থাকি/থাকী—	হামু হৃদযে থাকি অনুমতি দেঞ (প প্ৰ না)।
দহদিহে/দশদিসেঁ—	শ্ৰীকৃষ্ণ ধনু টঙ্কাৰে দসোদিস কম্পাই (পা হ না)।
দাহিণ—	ডাহিনৰ চক্ষু মোৰ সঘনে সঘনে ফুৰে (ৰামাযণ)।
দুআৰত—	ভযঙ্কৰ শিলা গোট দুৱাৰত দিয়া (ৰামাযণ)।
দেখিল—	ৰামক ইন্দ্ৰে দেখিল (ৰামায়ণ)।
দ্বাদশ—	কতোহো বানৰ পযানে চলিলা দ্বাদশ হস্তীৰ বল (ৰামাযণ)।
ধৰণ নজাই—	জিঙ্কোৰিলা কপিবল ধৰণ নযাই (ৰামা ৫/২২-৬)।
নঅ—	টুটল নঅ অনুৰাগ (কে গো না)।
নউ—	হেন নউ দেখি কোথানে গৃহাৰম্ভ (ব যু)।
নগৰ বাহিৰ—	নগৰ বাহিৰে ৰহল (কংসবধ)।
নাটক—	কেলি গোপাল নাম নাটক সম্পূৰ্ণ ভেল (কে গো না)।
নাদ—	স্তম্ভৰ ভিতৰে তন্দ্ৰত নাদ কৰল (নৃ যা)।
নায়ক—	জয জগ নাযক মুকুতি দাযক (প প্ৰ না)।
নাৰী—	সৰত মৰত জোহি গোপিনি নাৰি (পা হ না)।
নাহা—	শুনিযোক বাপ পৃথিবীৰ নিজ নাহা (ৰামাযণ)।
নিচ্চল—	হেমৱন্ত গিৰি যেন দেখিয়া নিশ্চল (ৰামা ৫/১৯-১৫)।
নিৰ্বাণে—	ততকালে নিৰ্ব্বান গেল (কা দ যা)।
নিতি—	নিতি কৰু নিৰজান (পত্নী প্ৰসাদ নাট)।
নিৱাৰিউ—	সূৰ্য্যৰ কিৰণ নিবাৰিযা যাই চলি (ৰামা ৫/২১-৪৭)।
নিভৰ—	নিৰ্ভৰ কৃড়া কৰিতে সকল নিসি সমাপল (কে গো না)।
নৌকা—	তোমাৰ চৰণ নৌকা জে আশ্ৰয কৰয (জন্মযাত্ৰা)।
পাঞ্চজনা—	পলাই গৈযা গহ্বৰত আছে পাঞ্চজন (ৰামাযণ)।
পডিযা—	পৰিযা আছিলো ৰাম বৰ সন্তাপতে (ৰামাযণ)।
পতিআই—	জব মোহি বাক্য নাহি পতিআযা (পা হ না)।
পৰিমাণ—	শঙ্কা এৰি মোৰ বাক্য বেদ-পৰিমাণ (ৰামা)।
পহিল/পহিলে—	কাম পহিল প্ৰবেশ (ৰা বি না)।
পাগল—	ৰণত পাগল তই অশকতি ভৈলি (ৰামা ৫/৩৫ ৮)।
পেখু—	পেখু পেখু দোহো ৰাক্ষস আৱে (ৰা বি না)।
পোহাইলী—	আজু বৈৰি নিসি নিমিসে পুহাৱলি (কে গো না)।
ফুলিলা—	ফুলিল পলাশ যেন অধিক সুহাৱে (ব যু)।

ফুটিলা—	মাৰুতিৰ হৃদযত ফুটিলা সন্ধানে (ৰামাযণ ৫/১৭ ১৬৯)।
বজ্ৰধাৰী—	বহ বহ কাহে পালাৱব বজ্ৰধাৰী (পা হ না)।
বল—	অসংখ্য পদাতি বল দশোদিশে যাই (ৰামা ৫/৩০৩)।
বহই—	সুগন্ধিত বহয পৱন (ৰামাযণ)।
বহল—	বভ্ৰুবাহা ৰাজাৰ বহল সভাখান (ব যু)।
বহুড়ী—	বহাৰী অনাথা কৰি যাহা যমপুৰ (ৰামাযণ)।
বাক—	ঋষিযে বোলয কেনে বোল হেন বাক (ৰামায়ণ)।
বাটত—	বাটতে কাটিল তাক ভল্ল তিনি শৰে (ব যু)।
বাঢ়ই—	একান্ত ভকতি বাঢ়য (স্যমন্ত-হৰণ যাত্ৰা)।
বাধা—	ঐচন প্ৰকাৰে ব্ৰাহ্মনসবে বহু বিধ বাধা কযল (প প্ৰ না)।
বাণে—	তীক্ষ্ণত্তৰ মহাদিব্য বাণে (ৰামা ৫/৩৬ ৭)।
বাপুড়া—	বিভীষণ বপুৰাযে নপাইন্ত ৰাজ (ৰামাযণ)।
বাম—	বিহি ভেলি বাম (ৰু হ না)।
বিদ্যা –	সমস্ত বিদ্যাত তুমি শাস্ত্ৰত পণ্ডিত (ৰামা ৫/৩৭-৪৪)।
বিন্ধ—	হনুমন্তে বীৰক বিন্ধিল দশ বাণে (ৰামা ৫/৩৫-৩)।
বিৰলেঁ—	ভুজ যুগ সুকোমল শুনয বিৰল (ৰামাযণ)।
বিশেষ—	সাধু সাধু বভ্ৰুবাহা নৃপতি বিশেষ (ব যু)।
বিষমা—	তাহাঙ্ক দেখি বিষম (ৰামাযণ)।
বীৰনাঁদে—	আৰো জানো মন কৃষ্ণ কৰা বীৰ নাঁদ (ব যু ৫৮১)।
বেগ—	হামাক যদি ৰাখব বেগে জাব (কে গো না)।
বেঢ়িল—	দুৱাৰ বেঢ়িল হাতে ধৰি তৰু শাল (ৰামাযণ ৫/১৯-২৪)।
ভতাৰে—	অব তোহাৰি ভতাৰক কৈছে নাহি পলাটাযা (পা হ না)।
ভৰ—	পৰম দুখ-ভৰ পাই হেঠমাথ কযল (কে গো না)।
ভান্তি—	পদতল অকলত ভান্তি (ৰু হ না)।
ভিড়ি —	মুনি আসন ভিড়ি তথি বৈঠল (পা হ না)।
ভুঞ্জই—	ভুঞ্জয ডাবৰ পানী (ৰামাযণ)।
ভেলা—	ধূলি ধুসৰিত ভেলা (ভু লু ঝু)।
ভো—	ভো ভো সভাসদ (ৰা বি না)।
মৰণে—	মোহোৰ মৰণে বৰ হৈবেক অকাৰ্য্য (ব যু)।
মহাসুখ/মহাসুহ—	ৰত্নৰ শয্যাত কেহো শুইল মহাসুখে (ৰামাযণ)।
মূঢ়া—	স্বামী দেৱৰক পৰোক্ষত মূঢ়া মুনিসাই পৰিহৰি (ৰামাযণ)।
মোলাণ—	সুবলিত ভুজ যুগ ৰতন মোলাণ (ৰু হ না)।

ৰথে —	সেহি সময়ত ৰথে চড়িলা নৃপতি (ব যু)।
শঙ্কা—	ইহাত কিছো সঙ্কা নাহি (কা দ যা)।
শবৰী—	নামত শবৰী তাই আতি বৰ বৃদ্ধা (ৰামায়ণ)।
শিআলী—	শিয়ালীক লাগি যেন কেশৰী কিটাইল (ৰামায়ণ)।
যাৰা—	বালী বোলে শুনাওৰে পটেশ্বৰী তাৰা। ৰূপে-গুণে বিতোপনী সংসাৰতে সাৰা।। (ৰামায়ণ)।
সংহাৰ—	তাহেক কালৰূপে সংহাৰ কৰহ (অ ভ)।
সন্ধানে—	ওহি বজ্ৰ সন্ধানে তোহাৰি প্ৰাণ চোডাঞু (পা হ ন)।
সৰ-সন্ধানে—	দৃঢ় শৰ-সন্ধানে ব্যথিত ভৈল যোদ্ধ (ব যু)।
সমাঅ/সমায—	গোৱাৰিক ডেৰ সমাই (ভু হ ঝু)।
সসি—	সৰত সসি নিসি ধাৱলি অধিক (কে গো না)।
সাঙ্কম/সাঙ্কমত—	তিনিখান সাঙ্কো আছে সঙ্গে আছে জুৰি (ৰামায়ণ)।
সাঙ্গে—	বিধবা নোহস তাক জানোঁ সাঙ্গে সাঙ্গে (ৰামাযণ)।
সাচ—	কোন সচা কোন মিছা ইহাক নাহি জানলু (ব্ৰহ্মামোহন ঝুমুৰা)।
সাসু—	সত্যভামা অদিতি সাসুক জানুপাৰি প্ৰণাম কযল (পা হ ন)।
সুণা—	সুনা হাতে আসি যেৱে ভৈল পুণ্ডৰীক (ব যু)।
সুনিআ—	সুনিআ মোহ ধুনি (কে গো না)।
স্বপনে—	স্বপনে গিয যে ৰামে মাত্ৰ গতি দেৱ নজানন্ত আন (ৰামাযণ)।
হৰ—	হৰৰ প্ৰসাদে সঞ্জযনী মণি দানে (ব যু)।
হৰিণি—	হৰিণি হৰাযত চেতন এতনু (কে গো না)।
হে—	হে মুনিৰাজ হামু বালক (ৰা বি না)।
হোই—	কৈচন কেশৱ দৰসন হোই (ৰু হ না)।
হোন্তি—	তাপসৰ বেশ প্ৰভু হোন্ত জটাধাৰী (ৰু হ না) ইত্যাদি।

অঙ্কীয়া নাট কন্দলিৰ ৰামাযণ হৰিবৰ বিপ্ৰৰ বব্ৰুবাহনৰ যুদ্ধ আদি গ্ৰন্থত প্ৰয়োগ হোৱাৰ দৰে চৰ্যাপদত ব্যৱহৃত শব্দৰাজি বৰগীতসমূহত[১] কিদৰে হুবহুভাৱে প্ৰযোগ হৈছে তাৰ নিদৰ্শন তলত দেখুওৱা হ'ল ঃ

চৰ্যাৰ শব্দ	বৰগীতত প্ৰয়োগ
অইসন—	ঐচন সময়ে মধুপুৰী পিউ প্ৰাণ (শঙ্কৰদেৱ)।
অঙ্কৱালী—	গৃহক আনিলা আঙ্কোৱালী (শ)।

অঙ্গ—	নানা ৰতন জড়িত অঙ্গ ভূষণ (মাধৱদেৱ)।
অনুভৱ—	হৰিকো পৰশ নাই অনুভৱ দৰশ (যদুমণিদেৱ)।
অন্ত—	অন্তকালে সোহি সঙ্গহি নাযায (মা)।
অন্তৰে—	অন্তৰে তোৰি ৰাখতু হৰি (শ)।
অনন্ত—	অনাদি অনন্ত যোহি বিনে নাহি কেৱ (মা)।
অন্ধাৰী—	দিস দস দিৱসে আন্ধাৰী (শ)।
অৱৰ—	হামো বৰ পতিত বিনে আৱৰ নাহি কোই (গো)।
অমিঅ/অমিআ/অমিয়া—	পৰম অমিয়া ৰস (মা)।
অৱণা-গৱণে—	আয়া-গমন কাৰণ সব মায়া (মা)।
অহনিসি—	অৱনিসি সেৱহু ৰাম পৰম পহু ৰহু হৃদী পঙ্কজ মেৰা (শ)।
আইল—	আইল সব কুতূহলে (মা)।
আইলা—	আমাৰ গৃহক আইলা দেৱ যদুৰায় (শ)।
আইস—	আলো ভাই, চল আইস যাই বৃন্দাবনে (মা)।
আকাশে—	বিমানে কৌতুকে ভ্ৰমে আকাসে (ৰি ভূ)।
আখি—	আজু গোপীনাথ পেখলো আখি (মা)।
আগম—	আগম পুৰাণ শুনি যতমান তোমা বিনে নাহি কয় (মা)।
আগি—	তোহাৰি বিয়োগ-আগি দহে মোৰ চিত্ত (মা)।
আঙ্গন—	সুন্য ভেল আঙ্গিনা বিৰিন্দা বিপিন (শ)।
আজি—	যশোদা শুনিলে আজি মৰিব বিফলে (মা)।
আণ—	হৰি বিনে নাহি তাৰক আন (মা)।
আনন্দে—	বৃন্দা কৰি আনন্দে ভুঞ্জিলা পেট ভৰি (মা)।
আলা-জালা—	দেহা আল-জাল ভৈল পাইল কালে (মা)।
আলো—	আলো ভাই গকুলে আনন্দ জয় জয় (মা)।
আস—	চোড়ি কয়লোঁ কৃষ্ণ চৰণক আস (শ)।
আসা—	আসা পাস পৰসি মানস পশু (শ)।
উঠি—	গোবৰ্দ্ধনে উঠি কৰিলা বিচাৰ (শ)।
উন্মত্তো—	হুইয়া সবে উন্মত্ত কৃষ্ণক ধৰিয়া তত্ত্ব (মা)।
এ—	এ উদ্ধৱ চল গকুলক লাই (শ)।
এক—	এক গোৱাৰিণী মাতিৰা হামাকু দেলহ বুলি মিঠাই (মা)।
এক তিল—	থিৰে নোহে তিল এক (শ)।
একু—	তিল একু ৰহয়ে নপাৰি (শ.)।
এড়ি—	পাপি পলাৱত গোপিনি এড়ি (শ.)।

এথা/এথু—	এথাযে খেলাইছিলো সে চান্দ মুখ (শ)।
এবেঁ—	এবে তোমাৰ আমাত চাতুৰী (মা)।
এহু—	শঙ্কৰ এহু অভিলাসা (শ)।
কইসন—	কৈচন চিত্ত হামাৰি (শ)।
কইসে—	মন সুখে পাব কৈচে নিন্দ (শ)।
কণ্ঠে—	কণ্ঠে কদম্ব-মালা লুলে (মা)।
কমল—	কমল পত্ৰৰ যেন শিশিৰ নিগৰে (মা)।
কৰহুঁ—	ৰাম গোসাই কৰহু গোহাৰি (মা)।
কৰিআ—	যতন কৰিয়া হৰিৰ নাম সদায় ভাবিয়ো মুখে (মা)।
কৰিব—	আবে কি কৰিব মই আসি পাইলে কালে (গো)।
কৰিহ—	পূৰব বাসনা দূৰ কৰিহ হামাৰ (মা)।
কৰুণা—	তুমি কৰুণা নাকৰ মোৰে (মা)।
কৰ্ণ-কুণ্ডল—	কৰ্ণে কুণ্ডল গণ্ড লোলে (শ)।
কহেই—	মাধৱ কহই উদ্ধৱ ধৰি হাত (শ)।
কাজ—	শ্যাম বন্ধু বিনে জীৱনেৰ কিবা কাজ (মা)।
কান্ধ—	কৌটি ব্ৰহ্মাণ্ড পালক হামু দেৱা কান্ধ বগাৱলি মোই (মা)।
কাপুৰ—	কৰ্পূৰ তাম্বুল ভুঞ্জি সুৰভি ফুল (মা)।
কাম—	হৰিপদ সেৱা বিনে তেজু সব কাম (মা)।
কাৰণ—	আয়া গমন কাৰণ সব মায়া (মা)।
কাল—	ফান্দিলো মায়াৰ পাসে কাল-ব্যাধে ধায়া আসে (শ)।
কাহেৰি—	কৰবু কাহেৰি সাৰ (শ)।
কি—	যশোৱাৰ ভয়ে তুমি কাম্পা কি কাৰণে (মা)।
কিছু—	দুখিনী অভাগী জীওঁ কিছু লাগি (গো)।
কিৰণ—	প্ৰভাত কালৰ যেন ৰবিৰ কিৰণ (মা)।
কুণ্ডল—	কঙ্কণ হাৰ ৰঞ্জিত মণি কুণ্ডল (মা)।
কুম্ভীৰে—	কাম ক্ৰোধ কুম্ভীৰ মগৰে গিলে আসি (মা)।
কুল/কুলে—	এ নদী যমুনা কুলে খেলয় কদম্ব মূলে (মা)।
কেড়ুআল—	গুৰু কেৰুৱালি ৰাম অনুকূল বাৱ (মা)।
কেলি/কেলি কৰই—	কেলি কৰে বিৰিন্দা বনে মোহন গোপাল (মা)।
কেহো কেহো—	কেহো কেহো নাচে হাসে কেহো বাৱে বেণু (মা)।
কোই—	ৰাম বিনে নাহি বান্ধৱ কোই (মা)।
খাঅ—	যত পাৱা মানে খাৱ পেট ভৰি ভৰি (মা)।

খাই— আপোনহি দধি দুগ্ধ খাই (মা)।
খাণ্ট— যেন পাযা খাণ্ট চোৰ (মা)।
খাইব— যত পাৰা খাইব দিবো এ নৱ নৱনী (মা)।
খেলই— মোহন বালক সঙ্গে খেলন খেলাই (যদুমণি)।
গই— নাই দেখা কৃষ্ণক নেত্ৰ ভৰি চাও গই (মা)।
গগন— গগন মণ্ডল পুৰে (যদুমণি)।
গঙ্গা— সাগৰৰ তলে গঙ্গা ধীৰে বহি যায (গো)।
গন্ধ— নাসা গন্ধ মধুৰ ৰস ৰসনা শ্ৰৱণ বিবিধ ধ্বনি ধায (শ)।
গম্ভীৰ— মৃদু পদ মঞ্জীৰ ঝুৰয গম্ভীৰ (মা)।
গলে— কদম্ব মালা গলে শোভিত ভালি (মা)।
গহণ— এ ভৱ গহণ বন আতি মোহ পাশে ছন (শ)।
গাই— বুঢা ভাই হৰিগুণ গাই নাচা (মা)।
গিৰিবৰ— একুঞ্জ বন গিৰিবৰ গোবৰ্দ্ধন (গো)।
গীত— গীত কবিত্ব শুনন্তে লোকৰ অমৃত বৰিযে মনে (গো)।
গুৰু— ওহি জগত গুৰু সুত কাহাঁ পায (মা)।
গুহাডা— নাৰাযণ চৰণে কৰোহো গোহাৰি (শ)।
গেল— নন্দ গেল বাথানে গুৱাল গেল পালে (মা)।
ঘন— গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জ্জণ শ্ৰৱণে জনমষ সঙ্কা (শ)।
ঘৰ— পানী লৈযা বাহুৰিযা ৰাধা আইলা ঘৰ (মা)।
ঘৰণী— প্ৰভাত সময়ে উঠি নন্দৰ ঘৰণী (মা)।
ঘৰিণী— তাৰে মাৰিবাৰে খেদে নন্দৰ ঘৰিণী (মা)।
ঘৰে— গোৱালীৰ ঘৰে গৈযা ব্ৰহ্ম চিনি ধৰা (মা)।
ঘাট— হাট ঘাট বহু বাট বিযাপি চৌগড বেঢলি লঙ্কা (শ)।
ঘালি— কুচ নখ ঘন ঘন ঘালি (শ)।
চঞ্চল— কামে চঞ্চল তনু মদন জিনিযাৰে (মা)।
চডি— উডল উৱৰে চডি লৱনু ভুঞ্জন্ত হৰি (মা)।
চডিলা— ৰথত চডিলা ৰাম কৃষ্ণ ৰঙ্গ মনে (ৰামচৰণ ঠাকুৰ)।
চলিলা— গোষ্ঠক চলিলা ৰঙ্গে (মা)।
চান্দ— শাৰদ চান্দ কোটি নযন বিকাশে (মা)।
চান্দে— পুনুহু উঠি উঠি ভৰি ভৰি চান্দে (ৰামচৰণ)।
চাপী— কটি চাপি উডুখল বন্ধন কায (মা)।
চাৰি— যো হৰি দাতা পদাৰথ চাৰি (মা)।

চিত্ত—	তাহে চিত্ত চিত্ত লাই (মা)।
চিহ্ন—	সঙ্গে লবো মূল চিহ্ন চক্র ধ্বজ বথ বৰ গজ বাজী বে (গো)।
চোৰে—	মন্দ ৰোদন কৰু নবনীত চোৰে (মা)।
চৌদীস/চৌদীসে—	চৌদিশে মঙ্গল বাজন বাজে (মা)।
চৌৰ—	লবনু চৌৰ ধৰি আছয় গোৱালী (মা)।
চৌৰি—	অতয়ে কৰ্ম্মক বন্ধ চৌড়ি পাৱল বৈকুণ্ঠ বাস (মা)।
ছাইলা—	অনেক যতনে বিধি ছাইলা মনে গুণি (মা)।
ছাড—	শঙ্কৰ কহ, ছাড বিৰহ, ওহি জগ আধাৰ (শ)।
ছাডি—	জগতৰে ভৰে তাৰ প্ৰাণ গৈল ছাড়ি (ৰামচৰণ)।
ছাডু ছাডু—	ছাড ছাড ছাড বুলি পাৰয় ডাক (দ্বিজ ভূষণ)।
জইসনে—	জৈচন বিজুৰি উজৰি মিলাৱত (মা)।
জউতুকে—	লগতে জৌতুক মনি দিবু স্যমন্তক (দৈত্যাৰি)।
জগ—	জগ-জন-জীৱন অজন জনাৰ্দ্দন দনুজ দমন দুখহাৰী (শ)।
জথা—	পলাই আজি জাইবে জথা (মা)।
জাই—	সুমৰিতে মোহে গোপীনীক জীৱ জাই (শ)।
জাইব/জাইবে—	পলাই আজি জাইবে জথা হামু ধায়া জাইবো তথা (মা)।
জান্তে/জাঅন্তে—	চলিলে নিকট ভয়ো ভৰা দিয়া জান্তে (মা)।
জাণই—	জানয় নাহি গোপী মোহি বিনে আন (শ)।
জাণী—	সকল নিগম তত্ত্ব জানি (মা)।
জান—	হৰিক হৃদয়ে জান (শ)।
জাযা—	অধীৰ জীযন ধন জৌৱন জায়া (শ)।
জাসু—	জাসু কৰত নিত সেৱ (শ)।
জাহেৰ—	জাহেৰ পদ বিৰাজে (মা)।
জে—	জে দিকি জাৱয় ৰাধা সেদিকে কানাইৰ চকি (মা)।
জেণ—	ফোফাই জেন নাগ মুকুত কেশ (গো)।
জো—	সোই সোই ঠাকুৰ মোই জো হৰি পৰকাসা (শ)।
জৌৱন—	অথিৰ ধন জন জিয়ন জৌৱন (শ)।
টুটি—	তেজয জিঅ পিউ প্ৰাণ টুটি জাই (শ)।
ঠাকুৰ—	দয়াৰ ঠাকুৰ হৰি যদুমণি ও ৰাম (মা)।
ঠাণা—	ত্ৰিভুবন ৰূপে কালা অঙ্গে দিলা ঠানা (যদুমণি)।
ডৰে—	গোপাল পলায়া আছা মাৱে মাৰিবাৰ ডৰে (মা)।
ডহি—	সুমৰিতে তনু ডহে আগি (শ)।

ডাক—	বংশী ডাক দিলা ৰই (শ)।
ডাল—	কদম্বৰ চনকা ডাল ভাগি যেন পৰে (গো)।
ণজানী —	মজিলোহোঁ ভৱ-সিন্ধু তোমাক নজানি (মা)।
ণহোই—	বেৰি বেৰি অন্ত নহোই (মা)।
ণাণা—	নানা বিধ মানে চলিল যোগানে (গো)।
ণাহি—	নাহি ভযো ভৱ ভোগে হৰি হৰি পৰম পদ পৰতেক (শ)।
ণিন্দ —	তেজৰে কমলাপতি পৰভাতে নিন্দ (মা)।
তথা—	তথাযে কান্দো হামো লোটাযা কাযী (শ)।
তসু—	নয়ন তছু পঞ্চবাণ (মা)।
তা—	তা বিনা পতিত তাৰক নাহি কোই (মা)।
তাসু—	তাসু পৰল মেৰি এমন মোহ (শ)।
তহি—	তাহে তুৱা চৰণে চাকৰ ৰহু মোই (মা)।
তাহেৰ—	তাহেৰ দুখ শুনি চুটে মোৰি প্ৰাণ (মা)।
তিনি—	যো হৰি এ তিনি ভুৱন অধিকাৰী (মা)।
তিল—	তিল একু ৰহয়ে নপাৰি (শ)।
তো—	তো হো দয়াল কৰহু কৃপা হামাৰি (গো)।
তোৰে—	কেমনে পাইবোঁ হৰি চৰণ তোৰে (মা)।
তোহোৰ—	তোহোৰ মুখত দেখো লৱনুৰ চিন (মা)।
তোহাৰি—	সব তেজি তোঁহাৰি চৰণে কৈলো আশ (মা)।
থিৰ/থিৰা—	থিৰ নোহে তিল এক (শ)।
দশদিসেঁ—	পক্ষী দশদ্দিশে গৈলা (মা)।
দিঢ—	পলাইতে নেদেখো সন্ধি দিনে দিনে দিঢ বন্দী (শ)।
দিল—	হামাৰি গাৱে ধুলা দিল তোহ্মাৰ ছৱালে (মা)।
দুআৰত—	দুআৰত ধৰি কান্দে ফোকাৰি ফোকাৰি (গো)।
দুই—	কানাইৰ দেখিযা দুই নয়ন উজ্জ্বল (মা)।
দুজ্জন—	দুজ্জন বান্দৰে দিলা আপুনি আসঙ্গ (মা)।
দুধ—	সব দধি দুধ খাইল বোলে কেহো জনী (মা)।
দুখে—	ইসে মোৰ পাইল বৰ দুখে (মা)।
দুৰ/দুৰ—	আশা সকল গৰল কৰো দুৰ (মা)।
দৃঢ—	কহয় প্ৰহ্লাদে দৃঢ বানি (দৈত্যাৰি)।
দেখই—	সদাযে দেখই ওঁহি ইস্বৰ মুৰাৰি (ৰাম)।
দেখি—	কালিন্দি দেখি সখী ফুটয বুক (শ)।

দেখিআ—	পানীক গৈয়া ৰাধা দেখিয়া আইলা হৰিৰ কাছে (মা)।
দেশ (দ্বেষ)—	সি গতি লভিল সেবি কানু দ্বেষ ভাৱে (মা)।
দেহ—	কৃষ্ণ কিঙ্কৰ কহ ক্ষণিক দেহ ৰহ নৰতনু পুনুহোঁ নপাই (শ)।
দেহুঁ—	তুহোঁ গতি মতি দেহুঁ চিৰিপতি (শ)।
দোসেঁ—	সোহি দোষে আজি মেৰি জাইবেক জিৱন (দৈত্যাৰি)।
দ্বাদশ—	একাদশে ললাট দ্বাদশে ভৈল মুণ্ড (গো)।
ধনি—	বাছুৰি ধ্বনি সুনি গো বৎস পেখি (শ)।
ধৰ—	যি নৰ চতুৰ মুখে ৰাম নাম ধৰ (মা)।
ধৰণ—	জিৱন ধৰণ নজাই (শ)।
নগৰ—	শ্যাম মনোহৰ হৰযে নগৰ জনে (মা)।
নজাই—	দহে তনু ধৰণু নজাই (শ)। জিৱন ধৰণ নজাই (শ)।
নণন্দ—	শাহু নাই শহুৰ নাই ননন্দ নাই ঘৰে (মা)।
নৱ—	নৱ ঘন যৈচে চমক বিজোৰি (শ)।
নৱগুণ—	কান্ধে নৱগুণ পিত উত্তৰিৰ (দ্বিজভূষণ)।
ন হোই—	বেৰি বেৰি অন্ত নহোই (মা)।
নাদ—	মৃদঙ্গ দিমি দিমি নাদ দুন্দুভি (শ)।
নাদে—	নাম পঞ্চানন নাদে পলাৱত পাপদন্তি ভয ভিত (শ)।
নাৱ—	যাৱে নাই পচে নাৱ মাণিক বেসাৱ (মা)।
নামে—	মুকুতি মিলাৱত যাকেৰি নামে (মা)।
নাৰী—	আজ্ঞা কৰি আছা প্ৰভু অনাচাৰী নাৰী (গো)।
নাল—	হেম পঙ্কজ নাল (মা)।
নাশক—	নাশক কংসেক প্ৰাণ (শ)।
নাহি—	ৰাম বিনে নাহি একো সিদ্ধি (শ)।
নিতে নিতে—	হামাতে নিত নিত সুম্পি প্ৰাণ চিত (মা)।
নিন্দ—	গাৱ চালি তেজ নিন্দ (মা)।
নিৰন্তৰ—	নিৰন্তৰ নিগমৰ ও তত্ত্ব বিচাৰ (মা)।
নিল—	এথায়ে আছিল বাঁহী কেবা নিল তাৰে (মা)।
নিসি—	নিসি অৱসানে বংশীৰ নিশ্বানে (মা)।
পঞ্চ—	পঞ্চ শৰদ শুভ মিলন মহোৎসৱ জয় জয় ৰাঘৱ বোলে (মা)।
পৱণ—	চান্দ চন্দন মদ পৱণ বৈৰণী (মা)।
পৰ—	পৰ তিৰী পৰ ধনেৰ আশায় (মা)।
পৰম—	কলিকো পৰম ধৰম হৰিনাম (শ)।

পৰশ—	নয়না ৰূপ পৰশ তুচ চাহে, কাহে ভজোঁহো পহু পায় (শ)।
পৰাণ—	পৰাণ নিগৰে নাদেখিয়া চান্দমুখ (মা)।
পৰিবাৰে—	পুত্ৰ-পৰিবাৰ চাডল নিৰন্তৰ (মা)।
পাঞ্চ—	আমি পাঞ্চ গোপী জলত নামিলো (মা)।
পাণী—	নয়নে জুৰাৱত পানী (মা)।
পানে—	পূৰল মন পযোধৰ পানে (মা)।
পাপ-পুণ্য—	পাপ-পুণ্য ভৈল এ বৰ ডোৰ (মা)।
পাৰ—	দেখি নন্দ যশোদাৰ আনন্দৰ নাই পাৰ (মা)।
পাস (পাশ)—	কেশৱ সবহু চোডহু মোহ পাস (শ)।
পুণ্য—	ৰাম নাম মহ নিখিল পুণ্য ৰহ (শ)।
পুনু—	নন্দ নন্দন পুনু পাৱব গোপপুৰি পৰসি জিৱাৱৰ হাতে (শ)।
পুৰা—	নাম অমিযা পানে মন কৰো পূৰ (মা)।
পেখ/পেখু—	পেখু সখি শ্যাম সুন্দৰ ওহি জগত আধাৰু (গো)।
পেখৰে—	ওৰে সখি পেখোৰে কঞ্জলোচন চললি নন্দকুমাৰা (শ)।
পোহাই—	পোহইলা ৰজনী উঠা যদুমণি (মা)।
ফুটিলা—	হৃদয মাজে হামু ফুটলো টানে (মা)।
ফাডিঅ—	তিমিৰ ফাডিআ বাজ ৰবিৰ কিৰণ (শ/মা)।
বইঠা—	কোটি ব্ৰহ্মাণ্ড বৈঠে যাহাৰ উদৰ (মা)।
বখাণি—	ভকত বৎসল দীন বান্ধৱ গুণ বেদ বখাণি (মা)।
বন্ধ—	হাতে হৰল নিকৰুণ বন্ধ বিধি (শ)।
বজ্ৰ—	ধ্বজ বজ্ৰ জব পঙ্কজ চাই (শ)।
বড—	সকল নিগমে প্ৰভু ই বড ৰহস্য (মা)।
বন—	এ ভৱ গহন বন আতি মোহ পাসে ছন্ন (শ)।
বপা—	মিছাতে কান্দে বপা ভাই (মা)।
বহিআ—	কুন্দলি আকাৰে বালিত বহিযা মধ্যকৰি নন্দ সুত (মা)।
বহুডী—	ব্ৰজজন জিবন বহুৰি নাহি আৱত (শ)।
বাট—	দেখি বাট দিলা মাঝে পাৰ ভৈলা যদুৰাজে (গো)।
বাড়ী—	আৱৰ যদি যাবা তুমি গোৱালীৰ বাডী (মা)।
বান্ধ—	যমৰ দুতক খেদায়া বিপ্ৰৰ কাটিলা বান্ধ হাতৰ (দ্বিজভূষণ)।
বান্ধন—	ভকতি বোলে তাকু বান্ধন কায (মা)।
বান্ধি—	শিকা বান্ধি ছান্দি কান্ধে লৈয়া দধি ভাত (মা)।
বাপ—	মোৰ পতিত পাৱন প্ৰভু হৰি হৰেৰ বাপ (মা)।

বাম— লাৱণ্য সুন্দৰ কটি ধৰিয়া এ বাম হাতেৰে (মা)।
বাল— কহয় মাধৱ গতি বাল গোপাল (মা)।
বাষণা— পাপমতি মন বাসনা নছাড়ে মজিলো সংসাৰ ঘোৰে (মা)।
বাসে— পাৱে পৰিমল বাসে (মা)।
বিচুৰিল— বিচুৰল পুৰুবক সুনেহা হামাৰ (শ)।
বীণা— হাতে দিব্য বীণা যন্ত্ৰ ধৰি (গো)।
বিণু— গোবিন্দ পদ পঙ্কজ বিনু তাৰেক নাহি আনা (মা)।
বিন্দু— মাগয় ভকতি ৰতি এক বিন্দু দায়াল (মা)।
বিশুদ্ধি— বিশুদ্ধ ভজনে ভৈলা খেৰ জানা (গো)।
বিস— বিসয বিসধৰ বিসে জড জড় (শ)।
বিহ্নে— বিহানে বজাইল খেডি খেলাইবাৰ তৰে (মা)।
বুধ— শুন বুধ জন এৰি আন মন ভজিযো ৰামৰ পদ (গো)।
বুদ্ধ— আত্ম নিবেদন বুদ্ধ শাস্ত্ৰৰ নিৰ্ণয় (গো)।
বেগ— বায়ু বেগে আসি ধাই কৃষ্ণক গিলিল পাই (মা)।
বেঢিল— চৌগড বেঢিল লঙ্কা (শ) কৃষ্ণক বেঢিল তথা (মা)।
বৈৰী— ঐসব বৈৰী বিসাল (শ)।
ভইল/ভইলা/ভইলি/ভইলে— হৰি বিনে গোপীৰ জীৱন ভৈলক্ষীণ (মা)।
ভণ/ভণই— কৃষ্ণ কিঙ্কৰে ভণ ৰাম পৰম ধন (শ)।
ভণ্ডাৰ— চিনি ধৰা শুদ্ধ জীৱ ভকতি ভাণ্ডাৰ (মা)।
ভৱ— এ ভৱ তৰণী নাহি ৰাম নাম বিনা (মা)।
ভৱ-নই— মূল ৰাখি লাভ কৰি ভৱ-নদী তৰ (মা)।
ভয— হৰি পদ পঙ্কজ ভৱ ভয় ভঞ্জন (মা)।
ভয়ঙ্কৰ— ভযঙ্কৰ বক গোট বজ্ৰৰ সমান ঠোঠ (মা)।
ভলি— ভালি নাচে মদন গোপালা (মা)।
ভাত— দধি দুগ্ধ ঘৃত ব্যঞ্জন ভাত (মা)।
ভুজঙ্গ— জনম মৰণ ভুজঙ্গ পুনু দংশল (যদুমণি)।
ভিতি— পদযুগ ভকতি-ভিতি ভজনু (মা)।
ভোল— ভকতি কযলি হৰিক মন ভোল (শ)।
মই— মই তেৰি দাসকু দাসা (মা)।
মণ (মন)— মন মেৰি ৰাম চৰণহি লাগু (শ)।
মণে— সুগন্ধ শীতল নাসাযে নছাৰয কনক-কামিনী মনে (মা)।
মণ্ডল— শিৰে শশী মণ্ডল (মা)।

মৰণ/মৰণে—	জান তিলেকে মৰণ মিলে (শ)।
মহা—	মহা মুনি চতুৰ বয়ন সুৰ শঙ্কৰ (মা)।
মাআজাল—	হামু পশু মাযাজালত বন্দী (মা)।
মাগঅ—	মাগয মাধৱে তুৱা পাৱে কৃপা লেখ (মা)।
মাগে—	লৱনু মাগে গোপীনীক ঠাই (মা)।
মাঝে—	তাৰকগণ যব গগনকু মাঝে (মা)।
মাৰিআ—	চোঙ্গা নিবে অলঙ্কাৰ মাৰিযা সমূলি (মা)।
মাৰিল—	মৰিলা হস্তিক দান্তৰ বাৰি (ৰাম)।
মালী—	ৰূপে ভুলে গোৱালী সুন্দৰ বনমালী (মা)।
মিছা/মিছে—	কোই কোই সাঞ্চা কোই কোই মিছা (মা)।
মিলিল—	মিলিল মহোৎসৱ জয ৰাম বোলে (মা)।
মুষা/মুসা—	সিংহৰ গতিক ক্ষুদ্র মূষা হুয়া (মা)।
মুহ—	পৰম পুৰুষ পায মুহ লোচন ভৰি চায (মা)।
মূঢ়—	কহয মাধৱ মূঢ়মতি নাশা (মা)।
মূল—	মূল ৰাখি লাভ কৰি ভৱ-নদী তৰ (মা)।
মূলে—	বিষয বাচক মূলে মাণিক বিকায (মা)।
মেৰি—	তথিয়ে মজাইলা মন মেৰি ৰাম (শ)।
মেলি—	ৰাম নাম ৰত্নেৰ ভাণ্ডাৰ মেলি আছে (মা)।
মেলে—	ধেনু চৰাৱত বালক মেলে (যদুমণি)।
মোৰ—	তবহু ৰহল মোৰ বন্ধু মধুপুৰী (শ)।
মোৰঙ্গী পীচ্ছ—	জলমল মযূৰ পুচ্ছ শোহে মাথে (মা)।
মোহ—	লোভ মোহ দুহো বাঘ সততে নছাড়ে লাগ (শ)।
মোহে—	কমনে ৰমযা মন বিচুৰি ৰহু বৃথা মোহে ভুলাই (শ)।
মোহোৰ—	হৰি পদ মোহৰ পৰম ধন (মা)।
যোগী—	সনক সনন্দ যোগী যাহাক ধিযায (মা)।
ৰএণি—	না সোভে ৰযনি যৈচে চান্দ বিহিন (শ)।
ৰবি-শশী—	যেন আকাশত ৰবি-শশী কৰে গতি (মা)।
ৰস—	শঙ্কৰ এহু ৰস গাই (শ)।
ৰাগ—	এখনে কাতৰ কৰো এৰা ৰোব ৰাগ (মা)।
ৰাতি—	আমাক এৰিযা গৈলা অন্ধকাৰ ৰাতি (মা)।
ৰে—	শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা (শ)।
ৰোষে—	হামাত ৰোষে বাগৰ গাৱত লাগে মাটি (মা)।

লই—	বস্ত্ৰ উপৰে সিঞ্চে হাতে লই (মা)।
লইআ—	ধূলা জাৰি কোলে লৈয়া মাৱে দিলা স্তন (মা)।
লাগি—	গোবিন্দ গুণ মন লাগি (শ)।
লেহু/লেহৰে—	বাম চৰণে লেহু সৰুন (শ)।
লিলে—	কৰত লিলা ৰস কেলি (দৈ)।
শাসন—	শাসন নাশন কাৰণ আৱৰ তুমি বিনে নাহি কেৱ (মা)।
ষম/সম—	জাহে ন সম কৈই (শ)।
ষষহৰ/সসহৰ—	শশধৰ কোটি কান্তি ৰুচিৰানন (মা)।
ষহজে—	সহজে অকৰ্ত্তা কৰ্ম্ম কৰা অপৰ্য্যন্ত (মা)।
সঅল—	মায়াময সযল দুনিয়াই জানি ভৰম তেজি জাগু (মা)।
সঙ্কা—	গুৰু ঘন ঘন ঘোষ ঘৰিসন গৰ্জ্জন শ্ৰৱনে জনময সঙ্কা (মা)।
সন্তাপে—	নৰহে সন্তাপে প্ৰাণ দেখু অন্ধিযাবি (শ)।
সংসাৰ—	সংসাৰ তৰিতে লাগে নাৱ পচে ঘাটে (মা)।
সঙ্গ—	সজ্জন জনেৰ সঙ্গ লেহু অগিয়ান (মা)।
সঙ্গে—	গোপ শিশু সঙ্গে চলে (শ)।
সন্ধানে—	ঘনে ঘনে কৰতু সন্ধান (মা)।
সন্ধি—	নাহি নাহি দেখো পলাইতে সন্ধি (মা)।
সব—	মাতু পিতু পতনি জনয সব মৰনা (শ)।
সম—	যতয়ে অনিত নিত সম ভাষত (মা)।
সমানা—	নাহি নাহি নাম সমানা (শ)।
সৰবৰ—	সৰোবৰ মাজে গজেন্দ্ৰ পৰিছে গ্ৰাহে আছে তাক ধৰি (শ)।
সৰ্ব্ব—	যিটো জগতৰ অন্তৰ্য্যামী সৰ্ব্ব সাখী (মা)।
সসি মণ্ডল—	শিৰে শশীমণ্ডল ছত্ৰ সুনিৰ্ম্মল (মা)।
সামী—	গোবিন্দ দিন দয়াশীল স্বামী (মা)।
সাসু—	শাসু নাই শহুৰ নাই ননন্দ নাই ঘৰে (মা)।
সিখৰ—	প্ৰফুল্লিত যৈচে নীলগিৰি শিখৰ (মা)।
সুখ/সুখে—	বচনে বুলি ৰাম ধৰম অৰথ কাম মুকুতি সুখ সুখে পায় (শ)।
সুন—	এ উদ্ধব সুন গোপীনিক দুখ (শ)।
সুনি—	তাহেঁৰ দুখ সুনি চুটে মেৰি প্ৰাণ (শ)।
সুন্দাৰী—	প্ৰাণে কি জিয়য় মোৰ গুনেৰ সুন্দৰি (শ)।
সে—	কহে হৰি সে পৰম গতি (মা)।
সেস—	সেস সয়ন সিৱ কেসি নাসন, পীতবসন অবিনাসি (শ)।

সো—	দেখো সো পুনু আপুন ঠাম (শ)।
সোই—	সোই সোই ঠাকুৰ মোই জো হৰি পৰকাসা (শ)।
সোণ—	খেলাইতে ঝলমল কৰে সোণাৰ তাৰ খাৰু (মা)।
হই/হোই—	সব বাটোৱাৰি সুহৃদ নাম হোই (মা)।
হৰি—	সোহি পণ্ডিত সোহি মণ্ডিত যো হৰি গুণ গায়ী (শ)।
হৰিণা—	তাতে হামু হৰিণা বেড়াই (শ)।
হীএ—	হৃদি হৃদি হিয়ে হিয়ে নযনে নয়নে চিৰে (গো)।
হুঁ—	তাকেৰি হুঁ হামু দাসকু দাসা (মা)।
হেৰ—	মাই হেৰ গোকুলচান্দ আৱে (মা)।
হেৰি—	হৰিক বয়ন হেৰি মাই (শ)।
হেলে—	বয়স গোৱাইলো হেলে তুৱা ভকতৰ মেলে (মা)। ইত্যাদি।[৮]

চৰ্যাগীতৰ শব্দৰ লগত বৰগীতৰ শব্দৰ যিখিনি সাদৃশ্য ওপৰত দেখুওৱা হৈছে সেইখিনিয়েই যথেষ্ট নহয় কাৰণ পুৰণি অসমীয়াৰ শব্দ-ৰূপ সম্বলিত বৰগীতৰ পুথি এতিয়াও প্ৰকাশ পাবলৈ বাকী আছে। তথাপি প্ৰাপ্ত পুথিৰ পৰাই যথেষ্ট পৰিমাণৰ শব্দ-সাদৃশ্য দুযোবিধ গীততে পৰিলক্ষিত হৈছে। এনেকুৱা ঘনিষ্ঠ শাব্দিক সাদৃশ্য বঙলা উৰিয়া বা মৈথিলী ভাষাত পোৱা নাযায়।

ওপৰত দেখুওৱা খ্ৰীষ্টীয় পঞ্চদশ-ষোড়শ শতিকাৰ অসমীয়া অঙ্কীয়া নাট আৰু বৰগীতৰ শব্দবোৰ অষ্টম-দ্বাদশ শতিকাত ৰচিত চৰ্যাপদৰ শব্দৰ লগত হুবহু মিলে। মন কৰিবলগীয়া কথা যে চৰ্যাপদত ব্যৱহৃত কেইটিমান মুষ্টিমেয় শব্দৰ বাহিৰে অধিকাংশ শব্দ এই তিনিওটা দিশৰ সাহিত্যত একে ৰূপত একে অৰ্থত ব্যৱহাৰ হৈছে। যিহেতু চৰ্যাপদৰ ভাষাটো কেইবা শতিকাৰ আগৰ ব্যৱহৃত ভাষা গতিকে পৰৱৰ্তী কালৰ ৰূপগত মিল থকা ৰচনা অঙ্কীয়া নাট আৰু বৰগীতত ব্যৱহৃত ভাষাটো আগৰ ভাষাটোৰেই বিকশিত ৰূপ বুলি ক'ব পাৰি। অথচ নাট-বৰগীতৰ ভাষাক ব্ৰজাৱলী ভাষা বোলা হৈছে, কিন্তু বহু দিশত মিল থকা সত্ত্বেও চৰ্যাপদৰ ভাষাক ব্ৰজাৱলী ভাষা বুলি কোৱা হোৱা নাই। বৰঞ্চ চৰ্যাপদৰ ভাষাক সন্ধ্যা ভাষা সাংকেতিক ভাষা বা জনসাধাৰণৰ ভাষা বুলিযে আলোচনা কৰা হৈছে। আমাৰ বোধেৰে চৰ্যাপদৰ ভাষাক কামৰূপী অপভ্ৰংশ ভাষা বোলাই সমীচীন হ'ব যিহেতু ইযাৰ ভাষিক বৈশিষ্ট্যৰ অসমৰ তামৰ ফলি শিলৰ ফলিৰ ভাষাৰ বৈশিষ্ট্যৰ লগতো সাদৃশ্য দেখা যায়। সিদ্ধাচাৰ্যসকলে উদ্দেশ্যপ্ৰণোদিতভাৱে সাংকেতিক ৰূপটো সহজযান ধৰ্মৰ গোপনীয়তা পৱিত্ৰতা আৰু স্বকীয়তা ৰক্ষাৰ হকে মূল অপভ্ৰংশীয ভাষাটোত সুমুৱাই লৈছে।

আনহাতে 'ব্ৰজাৱলী' নামটো পঞ্চদশ-সপ্তদশ শতিকাৰ অসমৰ বৈষ্ণৱ-পন্থী

গুৰু-শিষ্যই গভীৰ কৃষ্ণ-ভক্তিৰ প্ৰভাৱত দি লৈছে। শঙ্কৰদেৱ-মাধৱদেৱ প্ৰভৃতি অসমৰ বৈষ্ণৱ সন্তসকল কাশী বৃন্দাবন হৰিদ্বাৰ মথুৰা পুৰী নবদ্বীপ আদি তীৰ্থক্ষেত্ৰলৈ নগ'লেও নাট-বৰগীতৰ ভাষাক ব্ৰজাবলী আখ্যা দিলে তাত আচৰিত হ'বলগীয়া একো নাথাকিলহেঁতেন। কাৰণ শঙ্কৰদেৱ-মাধৱদেৱে অসমত থকা কালতেই শ্ৰীকৃষ্ণক হৃদযত থাপি লৈছিল আৰু ভাগৱত পুৰাণৰ জৰিয়তে শ্ৰীকৃষ্ণৰ লীলা-ভূমি পুণ্যক্ষেত্ৰ ব্ৰজধামৰ কথা জানিছিল ব্ৰজধাম আৰু কৃষ্ণগুৰুক অভিন্নৰূপে জ্ঞান কৰিছিল। বাহিৰৰ বৈষ্ণৱ-তীৰ্থবোৰ দৰ্শন কৰাত যেনিবা এই ধাৰণাটো দৃঢ হৈ পৰিছিল। ব্ৰজ আৰু কৃষ্ণৰ অভিন্নতাই 'ব্ৰজাবলী' শব্দৰ সৃষ্টিৰ মূল কাৰণ হ'ব পাৰে। এইয়া বৈষ্ণৱ ধৰ্মৰেই প্ৰভাৱৰ পৰিণতি। ◻

প্ৰসঙ্গ উল্লেখ :

১ Dr B Kakati *Assamese Its Formation and Development* 1962 p II *আমাৰ চৰ্যাপদ* গ্ৰন্থ ৩য় সংস্কৰণ দ্ৰষ্টব্য।

২ Dr P C Choudhury *The History of Civilisation of the people of Assam* 1959 p. 430

৩ Dr P C Choudhury Singnificance of the Three stone Inscriptions at the Assam State Museum Gauhati 1970 The Gachtal Stone Inscription in the Assam State Museum and its Significance 1971

৪। আমাৰ চৰ্যাপদ গ্ৰন্থ দ্ৰষ্টব্য।

৫। শব্দবোৰ পাঁচখন বৰগীতৰ পুথিৰ পৰা লোৱা হৈছে— হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীত ১ম সংস্কৰণ ৪৯৭ শঙ্কৰাব্দ বৰগীত ৩য় সংস্কৰণ ১৯৫৮ শ্ৰীপ্ৰসন্নচন্দ্ৰ বৰুৱা সম্পাদিত— মিহলি বৰগীত ৬ষ্ঠ সংস্কৰণ ১৩৭৩ বঙ্গাব্দ শ্ৰীৰাজমোহন নাথ সম্পাদিত— মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগীত ১৮৭১ শক শ্ৰীৰাজীৱলোচন চন্দ্ৰ গোসাঞী সম্পাদিত— গীত-মন্দাকিনী ১ম সংস্কৰণ ৫১১ শঙ্কৰাব্দ।

৬ *আমাৰ চৰ্যাপদ* গ্ৰন্থ দ্ৰষ্টব্য।

তৃতীয় পৰিচ্ছেদ

অসমীয়া ভাষা ঃ মধ্যযুগ

মধ্যযুগৰ অসমৰ অনুশাসনৰ ভাষা

❑ সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য

মধ্যযুগৰ অসম বুলিলে অলপ ব্যাখ্যাৰ প্ৰয়োজন আছে। কোনছোৱা সময়ক মধ্যযুগ আখ্যা দিয়া হ'ব? ইতিহাসৰ গৱেষকৰ দৃষ্টিৰে প্ৰভাৱিত যুগৰ সময়-সীমালৈ চালে দেখা যায় যে বুৰঞ্জীবিদ ড প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে প্ৰাচীন অসমৰ সভ্যতাৰ বিষয়ে গৱেষণা কৰাৰ বেলিকা প্ৰাক্-ঐতিহাসিক যুগৰ পৰা আৰম্ভ কৰি দ্বাদশ শতিকাত সামৰণি মাৰিছে।[১] অৰ্থাৎ তেওঁৰ মতে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰা মধ্যযুগৰ সূচনা। ড নগেন্দ্ৰ নাথ আচাৰ্যই মধ্যযুগৰ অসমৰ ভিতৰত ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰা সপ্তদশ শতিকাৰ ভিতৰৰ সময়ছোৱা সামৰাটো উল্লেখযোগ্য।[২] ড সৰ্বেশ্বৰ ৰাজগুৰুৰ মতে মধ্যযুগ হ'ল ত্ৰযোদশ শতিকাৰ গুৰিৰ পৰা ঊনবিংশ শতাব্দীৰ আৰম্ভণি পৰ্যন্ত।[৩]

বৰ্তমান বিশ্লেষণত মধ্যযুগৰ আৰম্ভণি ত্ৰয়োদশ শতিকাৰ পৰাই ধৰিব বিচৰা হৈছে। কাৰণ এই শতিকাৰ অসমৰ ইতিহাসত কেইটামান তাৎপৰ্যপূৰ্ণ ঘটনা সংঘটিত হয। এইবিলাকৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল ১১২৭ শক বা ১২০৬ খৃষ্টাব্দত মহম্মদ বখতিয়াৰ খিলিজীৰ দ্বাৰা কামৰূপ আক্ৰমণ আৰু ১২২৮ খৃষ্টাব্দত চুকাফাৰ নেতৃত্বত আহোমসকলৰ অসম প্ৰৱেশ। উক্ত দুয়োটা ঘটনাই এই ভূখণ্ডত কিমান প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ বিস্তৃত ব্যাখ্যা নিষ্প্ৰয়োজন। আকৌ মধ্যযুগৰ শেষ সীমাৰূপে ল'ব খোজা হৈছে ব্ৰহ্মদেশৰ ইয়াণ্ডাবু নামে ঠাইত স্বাক্ষৰিত সন্ধিৰ চৰ্তানুযাযী অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনাধীন হোৱাৰ দিনটো অৰ্থাৎ ১৮২৬ খৃষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী। কাৰণ দুই কম ছশ বছৰ স্বাধীন হৈ থকা ৰাজ্য এখনে স্বতন্ত্ৰতা হেৰুৱাই আনৰ দ্বাৰা শাসিত হোৱাটো কম গুৰুত্বপূৰ্ণ ঘটনা নহয। কোম্পানী শাসনৰ লগে লগে এই ভূখণ্ডই নানা উপাদানৰ সংস্পৰ্শলৈ আহি আধুনিক যুগত প্ৰৱেশ কৰা বিষয়ত সন্দেহৰ অৱকাশ থাকিব নোৱাৰে।

বৰ্তমান নিবন্ধত তামৰ ফলি শিলৰ ফলি আৰু মুদ্ৰা আন কথাত কৰ্তৃপক্ষৰ দ্বাৰা সম্পাদিত প্ৰধান নথিকেইবিধৰ কথা সামৰিবলৈ লোৱা হৈছে। √ শাস + অনট প্ৰত্যয় যোগে নিষ্পন্ন 'শাসন শব্দই আজ্ঞা, নিৰ্দেশ আদেশ আদি অৰ্থৰ দ্যোতনা কৰে। আকৌ 'শব্দকল্পদ্ৰুম-এ 'শাসন শব্দৰ আন এটা অৰ্থ দিছে—

ৰাজদত্তভূমি। 'শাসন' শব্দৰ আগত 'অনু' উপসৰ্গ যোগ হৈ সাধিত 'অনুশাসন' শব্দৰ অৰ্থও উক্ত গ্ৰন্থই একে দেখুৱাইছে—আদেশ আজ্ঞা বিধি আদি।[৫]

মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ (১৮৬৮ ১৯৩৮) -এ 'কামৰূপ শাসনাৱলী' সম্পাদনাৰ বেলিকা প্ৰাচীন অসমৰ ১০খন তামৰ ফলিৰ পাঠ একেলগ কৰি পুথিৰ সেই নাম দিছে। হৰ্জ্জৰবৰ্মা (৮১৫-৮৩২)-ৰ তেজপুৰ শিলালিপি মূল পাঠৰ ভিতৰত অন্তৰ্ভুক্ত হ'বৰ যোগ্য আছিল যদিও পণ্ডিতজনাই এই শৈললেখ পুথিৰ পৰিশিষ্টতহে অন্তৰ্ভুক্ত কৰিছে।[৬] তাৰ পিছত 'কানাই বৰশী বোৱা' শিলালিপিৰ কথা বিচাৰ কৰিবলগীয়া হ'ল যদিও তাকো সামৰি থৈছে পুথিৰ ভূমিকা-তহে।[৭] সেইটো যি নহওক অকল প্ৰাচীন অসমৰ অনুশাসন অধ্যয়নৰ ক্ষেত্ৰতে নহয় ৰাজ্যৰ সমগ্ৰ ইতিহাসৰ প্ৰত্নলেখ চৰ্চা-গৱেষণাৰ বাটত 'কামৰূপ শাসনাৱলী' হ'ল পথ প্ৰদৰ্শক।

আনহাতে ড' মহেশ্বৰ নেওগ ডাঙৰীযাই মধ্যযুগৰ গুৰুত্বপূৰ্ণ নথিসমূহ সামৰিবলৈ লৈ তাম্ৰলেখ শিলালেখৰ উপৰি মুদ্ৰা পেডা কাকত বৰটোপৰ গাত খোদিত তথ্য আদি মুঠ ১৫৬বিধ অভিলেখ অন্তৰ্ভুক্ত কৰি পুথিৰ নাম দিছে 'প্ৰাচ্য শাসনাৱলী'।[৮]

আলোচ্য বিষযত প্ৰৱেশ কৰাৰ পূৰ্বে প্ৰাচীন নথিসমূহৰ সংগ্ৰহ, পাঠোদ্ধাৰ প্ৰকাশ আদি বিষয সম্পৰ্কেও উল্লেখ কৰাটো বাঞ্ছনীয। ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা যিবিলাক তামৰ ফলি শিলৰ ফলি মুদ্ৰা আদিৰ পাঠ উদ্ধাৰ কৰা হৈছিল সেইবোৰ পাঠ অষ্টম দশকৰ আৰম্ভণিলৈকে আলোচনী বা পত্ৰ-পত্ৰিকা আদিৰ পাতত অ'ত ত'ত পৰি আছিল। সেইবিলাক সংকলন-সম্পাদনাৰ অন্তত 'প্ৰাচ্য শাসনাৱলী' নামেৰে ড মহেশ্বৰ নেওগদেৱে উলিযাই দিযাৰ লগে লগে দলিলবিলাকৰ অধ্যযন সহজসাধ্য হৈ পৰিল। প্ৰকৃতাৰ্থত অৱশ্যে এনে অধ্যযন আগবঢ়া বুলি ক'ব নোৱাৰি। যি নহওক ড নেওগৰ সেই যাউতিযুগীযা কীৰ্তিৰ কথা স্বীকাৰ কৰিও ক'ব লাগিব যে তেখেতৰ সময়লৈকে পাঠ উদ্ধাৰ হোৱা কিছু সংখ্যক ফলিৰ কথা ইয়াত অন্তৰ্ভুক্ত নোহোৱাকৈও আছে। আনহাতে 'প্ৰাচ্য শাসনাৱলী' প্ৰকাশোত্তৰ কালতো দুই এখন তাম্ৰলেখ শৈললেখ আৱিষ্কাৰ হৈ আছে। এই সংবাদ সদৰি কৰাৰ পিছতো এটা কথাত একমত হ'ব লাগিব যে মধ্যযুগীয নৃপতিসকলৰ নথি-পত্ৰৰ বিষযে অৱগত হ'বলৈ হ'লে 'প্ৰাচ্য শাসনাৱলী' একমাত্ৰ নিৰ্ভৰযোগ্য গ্ৰন্থ।

আলোচ্যমান কালছোৱাৰ অনুশাসনৰ ভাষা সম্পৰ্কে অধ্যযন কৰিবলৈ যাওঁতে এটা কথা স্পষ্টভাৱে ক'ব পাৰি —যিহেতু এই যুগত ৰাজদৰবাৰৰ ভাষা সংস্কৃত আছিল, গতিকে শাসনসমূহত এই ভাষাই অগ্ৰাধিকাৰ লাভ কৰা স্বাভাৱিক। 'প্ৰাচ্য

শাসনাবলী'ত অন্তৰ্ভুক্ত ১৫৬ বিধ নথিৰ ভিতৰত অধিকাংশ ৰচিত হৈছে সংস্কৃতত তাৰ পিছতে আছে সংস্কৃত-অসমীয়া দুয়োটা ভাষাত লেখা ফলিসমূহ। কেৱল অসমীয়াত লেখা ফলি নিচেই কম। প্ৰায় আধা ডজনমান সংস্কৃত-অসমীয়া মিহলি অনুশাসনৰ বিপৰীত ফালে 'আহোম ভাষাত আহোম আখৰেৰে ফলিৰ কথাখিনিৰ সাৰমৰ্ম লেখা থকা'-ৰ বিষয়ে ড নেওগদেৱে উনুকিয়াইছে।[১] পিছে ইতিহাস অধ্যয়নৰ প্ৰথম গুৰুত্বপূৰ্ণ সমল—আভিলেখিক নিদৰ্শনে এনে তথ্যৰ যোগান ধৰিলেও বুৰঞ্জী-চৰ্চাৰ ২য় পৰ্যায়ৰ আহিলা—সাহিত্যিক নিদৰ্শনৰ ওপৰতো গুৰুত্ব নিদিয়াকৈ থাকিব নোৱাৰি। সাহিত্যিক প্ৰমাণে আমাক জনায় যে ৭/৮ম শতিকাতে সুকীয়া ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰা কামৰূপ অঞ্চলৰ ভাষাই ১৪শ শতিকাত প্ৰাক্-বৈষ্ণৱ যুগৰ কবিসকলৰ হাতত বহু পৰিমাণে বিকশিত হৈ ১৫শ-১৬শ শতিকাত বৈষ্ণৱ কবিসকলৰ যোগেদি পত্ৰে-পুষ্পে জাতিষ্কাৰ হৈ উঠিছিল। ভাষাৰ ক্ৰমবিকাশৰ এই ৰূপ শাসনসমূহৰ মাজতো ধৰা পৰে। তাৰ ইংগিতবহ সমৰ্থক হ'ল দ্বাদশ শতিকালৈকে বিশুদ্ধ সংস্কৃতত ৰচিত ফলিসমূহত প্ৰাপ্ত দুই এটা থলুৱা ভাষাৰ শব্দ আৰু ত্ৰয়োদশ চতুৰ্দশ শতিকাৰ পৰা এই ভাষাৰ আংশিক প্ৰয়োগ।

বৰ্তমান অধ্যয়নৰ পৰিসীমালৈ লক্ষ্য কৰি প্ৰথমে আলোচনালৈ আনিব লাগিব উত্তৰ গুৱাহাটীৰ 'কানাই বৰশী বোৱা শিলালিপিৰ কথা। মহম্মদ বখতিয়াৰ খিলিজীৰ কামৰূপ আক্ৰমণ (১১২৭ শক) অৰ্থাৎ অসমত মুছলমানৰ প্ৰথম অভিযানৰ সংবাদ এই ফলিয়ে প্ৰদান কৰিছে। শিলালেখখনৰ বক্তব্য হ'ল

শাক ১১২৭
শাকে তুৰগ যুগ্মেশে মধুমাস ত্ৰয়োদশে।
কামৰূপং সমাগত্য তুৰষ্কাঃ ক্ষয়মাযযু।।[১]

ইয়াৰ ভাষা সংস্কৃত লিপি প্ৰাচীন অসমীয়া। অৱশ্যে ফলিৰ কেইবাটাও আখৰ আধুনিক অসমীয়া লিপিৰ লগত হুবহু মিলি যায়। ইয়াৰ পূৰ্বৰ প্ৰাক্-আহোম যুগৰ সমস্ত অনুশাসনৰ লিপি গুপ্ত লিপিৰ পৰিবৰ্তিত স্তৰ হোৱাৰ বিপৰীতে ইয়াত পোন প্ৰথমবাৰৰ বাবে কামৰূপী লিপিৰ প্ৰয়োগ হৈছে। সেয়েহে অসমীয়া ভাষা সম্পৰ্কে ফলিখনে কোনো ইংগিত নিদিলেও ৰাজ্যখনৰ লেখন-কলাৰ প্ৰসংগত ই এক কালে মচিব নোৱৰা সাক্ষী।

মধ্যযুগৰ আদি ভাগৰ আন এখন তাৎপৰ্যপূৰ্ণ শিলালিপি হ'ল এই শতিকাৰ সপ্তম দশকৰ শেষৰ ফালে গুৱাহাটীৰ আমবাৰীত আবিষ্কৃত শৈললেখখন। অতি জৰাজীৰ্ণ অৱস্থাৰ এই ফলিৰ পাঠ বুৰঞ্জীবিদ ড প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে তলত দিয়াৰ দৰে নিৰ্ণয় কৰিছে ঃ

আদিত্যাসম শ্ৰীসমুদ্ৰপাল

ৰাজ্যে। প্ৰবল সবাসিক
সত্ৰ সগুণ-কৃযা সন্বাসীন
বোলে দান পুঞ্জন সজ।
যোগীহাটী। সক ঈশ বাণ চক্ৰ
মূঢ ভণতি।[১১]

ফলিখনৰ সময় নিৰ্ধাৰণ কৰা হৈছে—১১৫৪ শক অৰ্থাৎ ১২৩২ খ্ৰীঃ চন ৰূপে। ইয়াৰ লিপি অসমীয়া লিপিৰ পূৰ্ব্বস্তৰ আৰু গুপ্ত লিপিৰ পৰিবৰ্তিত ৰূপ। ফলিৰ ভাষা ঘাইকৈ সংস্কৃতীয়া। পুঞ্জন শব্দত প্ৰাকৃতৰ ছাপ বিদ্যমান। 'বোলে' 'সজ' আদি নিভাঁজ অসমীয়া শব্দ। আন কথাত আমবাৰী শিলালিপিতেই প্ৰথমবাৰৰ বাবে অসমীয়া ভাষাই সামান্যভাৱে হ'লেও স্থান লাভ কৰিছে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই নগাঁও জিলাৰ ডবকাৰ পৰা দুমাইল পশ্চিমে অৱস্থিত গছতল নামে ঠাইৰ পৰা সংগ্ৰহ কৰি আনি ১৯৪০ চনত অসম ৰাজ্যিক সংগ্ৰহালয়ত জমা দিয়া আৰু ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী ডাঙৰীয়াই পাঠ উদ্ধাৰ কৰা ১২৮৪ শক বা ১৩৬২ খ্ৰীঃৰ শৈললেখ এখনতো অসমীয়া ভাষাৰ অস্পষ্ট নিদৰ্শন আছে। 'গছতলৰ শিলালিপি' নামে জনাজাত শৈললেখখনৰ পাঠ এনে ধৰণৰ ঃ

সীমা এৰিযা যবন ডবাকত গয়ত [শক]১২৮(৪) ৰেদাষ্ট-ৰাশি-গণন
শ্ৰীবিষ্ণু বাসধৰ শৈলকাৰ শকত ম্লেছ ইথান উযাসা
দেখহ শতত্ৰিশ বৈৰ বংগাল বহুকাৰ্য্য[ত] ইহাত ফগু
বহাখ জল তোসব সঞ্জাত যায জলশ্ৰী পঞ্চ্যকাথ্য
বাদ্যৰোল জলসেনাই বৈৰীক ভাথি—জলান্তশেষ খেদাবি[১২]।

পিছে এই শতিকাত 'অসমীয়া ভাষা পূৰ্ঠ হৈ ওলোৱা'ৰ পৰিপ্ৰেক্ষিতত ড মহেশ্বৰ নেওগে ফলিৰ পাঠৰ শুদ্ধতাৰ বিষয়ে নিশ্চিত হ'ব পৰা নাই—"ফলিৰ ওপৰৰ পাঠ ঠিক হ'লে [১৩] এই অনুশাসনৰ ভাষা সংস্কৃত প্ৰাকৃত আৰু অসমীয়াৰ সংমিশ্ৰিত ৰূপ বুলি সহজে ধৰিব পাৰি।

অসমৰ ভাষা-সাহিত্য-সংস্কৃতি অধ্যয়নৰ বাটত ভোমোৰাগুৰি পাহাৰৰ শিলালিপি তিনিখন অত্যন্ত গুৰুত্বপূৰ্ণ অভিলেখৰূপে স্বীকৃত হোৱাৰ যোগ্য। বিষয়টো সম্পৰ্কে সুকীযাকৈ কিতাপ আকাৰে লেখকে আলোচনা কৰিছে।[১৪] ১৫৩৭ শকত প্ৰতাপসিংহ স্বৰ্গদেৱে ব্ৰহ্মপুত্ৰৰ পাৰৰ এই অঞ্চলতে যুদ্ধত মোগলক ঘটুওৱা আৰু পৰৱৰ্তী বছৰত বিজয়ৰ স্মাৰক এই শৈললেখত্ৰয় খোদিত কৰোৱাৰ প্ৰমাণ ইয়াত নিহিত আছে। ফলিকেইখনৰ দুখন ভোমোৰাগুৰি পাহাৰৰ সংৰক্ষিত বনাঞ্চলৰ মাজত এটা থিয়কৈ পুতি থোৱা শিলৰ সন্মুখ ভাগ আৰু সোঁ দাতিত খোদিত। তৃতীয়খন ফলি পাহাৰৰ প্ৰায় ডেৰ শ ফুট উচ্চতাত অৱস্থিত এটা বিয়াগোম শিলত কটা

আছিল যদিও ১৯৮৫ খ্রীঃত ব্ৰহ্মপুত্ৰৰ ওপৰদি কলীয়া ভোমোৰা দলং নিৰ্মাণৰ সময়ত শিলটো কাটি লিপিসম্বলিত অংশটো দলংখনৰ পূব পাৰে থোৱা হৈছে।

শিলালিপি তিনিখনৰ ভিতৰত স্তম্ভত থকা দুখন প্ৰত্নতত্ত্ববিদ হেমচন্দ্ৰ গোস্বামীয়ে ১৯১৬ চনতে পঢ়ি তাৰ পাঠ প্ৰকাশ কৰিছিল।[১২] তৃতীয়খনৰ পাঠ ১৯৭৬ চনৰ ফেব্ৰুৱাৰী মাহত দৰং কলেজৰ তেতিয়াৰ অধ্যাপক নাৰায়ণ দাস আৰু বৰ্তমান লেখকে অন্য দুজন সহকৰ্মীৰ সহযোগত উদ্ধাৰ কৰে।[১৩] পণ্ডিত গোস্বামীদেৱে পাঠ উদ্ধাৰ কৰা ফলি দুখনত আছে ‚ ১ম বা স্তম্ভৰ সম্মুখ ভাগৰ ফলি ঃ

৭ স্বস্তি সমুত্তুঙ্গ
কলা-কলিত-কলে
বৰ নানাগুণ গ্ৰা
ম-বিশ্ৰাম-ধাম-প্ৰচণ্ড
প্ৰতাপনল-তাপিত ভূ
প চূডামণিসেখৰ শ্ৰীশ্ৰী
স্বৰ্গনাৰাযণদেৱ-বিসম-স
মৰ-বিজয়িনং
শ্ৰীভণ্ডাৰি গোসাই
লাঙ্গিপৌ গোসাই বৰফু
কন নায়সলিযাৰাই চামধ
ৰা সিমা কৰি হাৰুণি দাৰুণি
লৈ গঢ় সক ১৫৩৮ ৭

২য় বা স্তম্ভৰ সোঁফালে খোদিত ৬ শাৰীযা ফলিখন হ'ল

শ্ৰীশ্ৰীস্বৰ্গ নাৰা
যণ জয় জয
শ্ৰীফুলুক গোসাই
শ্ৰীকুলুতা গো
সাই শ্ৰীজদু ব
ৰুৱা জয হল।[১৪]

একেখন পাহাৰত অৱস্থিত ৩য়খন শিলালিপিৰ পাঠৰ শুদ্ধ ৰূপ এনেদৰে নিৰ্ণয় কৰা হৈছে ‚

স্বস্তি শ্ৰীশ্ৰীসকলম
ঙ্গলালয স্বৰ্গনাৰায়
ন দেৱ আগে যৱনক নিপা

ত কৰি পাচে পৰ্ব্বত কাটি গড
শ্ৰীভগুৰি গোসাই কৰি
লেন্ত। শক ১৫৩৮।[১১]

তিনিখন শাসনৰ প্ৰথমখনৰ প্ৰথমাংশ প্ৰচলিত ৰীতি মতে সংস্কৃতত ৰচিত ৰজাৰ প্ৰশস্তি বচন। এই প্ৰশস্তি তেৰ শৰীয়া শিলালিপিখনৰ অষ্টম শাৰীলৈকে ব্যাপ্ত। ইযাৰ অবশিষ্ট পাঁচ শাৰী অসমীয়াত ৰচিত। ছটা চুটি শাৰীত সম্পূৰ্ণ দ্বিতীয় ফলি সহজ সৰল অসমীয়া গদ্যত ৰচনা কৰা হৈছে। আকৌ তৃতীয় শিলালেখৰ আৰম্ভণি সংস্কৃততে কৰা হৈছে যদিও 'কৰিলেন্ত' শব্দ বাদ দি বাকী চাৰি শাৰীৰ ভাষা নিভাঁজ অসমীয়া। 'কৰিলেন্ত' শব্দত বৈষ্ণব যুগৰ ভাষাৰ প্ৰভাৱ সহজে অনুভূত হয়। শিলালিপিকেইখনৰ ভাষাই ইয়াকে প্ৰমাণ কৰিছে যে, ভোমোৰাগুৰি পাহাৰৰ ফলিৰ পৰাই মধ্যযুগীয় অনুশাসনত অসমীয়া ভাষা প্ৰয়োগৰ ৰীতি প্ৰচলিত হ'বলৈ ধৰে।

উদ্ধৃত পাঠ তিনিটাৰ মাজত অসমীয়া গদ্য-ৰীতিৰ নিদৰ্শন স্পষ্ট ৰূপত দেখা গৈছে। মহাপুৰুষ শংকৰদেৱ (১৪৪৯-১৫৬৮)-ৰ নাট কিংবা বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য (১৪৮০-১৫৯০)-ৰ 'কথা-ভাগৱত অথবা 'কথা-গীতা'ৰ ভাষাত গদ্যৰ নিদৰ্শন পোৱা যায় ঠিকেই, কিন্তু সেই লযযুক্ত কিংবা সংস্কৃত শব্দেৰে ভাৰাক্ৰান্ত লেখাৰ মাজত তৎকালীন কথ্যৰীতিৰ আভাস পোৱাটো কষ্টসাধ্য। আনহাতে উপৰি উক্ত শিলালিপিকেইখনত ঠাই পোৱা ক্ৰমে 'চামধৰা সিমা কৰি হাৰুণি দাৰুণিলৈ গঢ 'জদু বৰুৱা জয় হ'ল" আৰু 'আগে যৱনক নিপাত কৰি পাচে পৰ্ব্বত কাটি আদি বাক্যাংশ কুৰি শতিকাৰ শেষ পৰ্যায়ৰ উন্নত গদ্যভংগীৰ লগত হুবহু একে। আন কথাত ক'বলৈ হ'লে ১৫৩৮ শক বা ১৬১৬ চন অৰ্থাৎ সপ্তদশ শতিকাৰ আদি ভাগতে অসমীয়া গদ্য-ৰীতি পূৰ্ণ বিকশিত হোৱাৰ নজিৰ ধৰি ৰাখিছে ভোমোৰাগুৰি পাহাৰৰ শিলালিপিকেইখনে। অন্যান্য প্ৰান্তীয় ভাষাৰ তুলনাত অসমীয়া গদ্য-ভাষা কিমান প্ৰাচীন আৰু প্ৰাণৱন্ত—উক্ত অভিলেখসমূহ তাৰ সবাতোকৈ শক্তিশালী সাক্ষী।

শিলালিপিকেইখনৰ দ্বিতীয় গুৰুত্বপূৰ্ণ দিশ হ'ল অসমীয়া লিপিৰ বিকাশৰ ইতিহাস অধ্যয়নত এই নথিখিনিৰ স্থান। বৰ্তমান এই বিষয়ে দীঘলীয়া আলোচনাত প্ৰবৃত্ত হোৱাৰ পৰা বিৰত থকা হ'ল।

প্ৰসংগ ক্ৰমে উল্লেখ কৰি থ'ব পাৰি যে কলীয়া ভোমোৰা দলং নিৰ্মাণৰ বাটত তৃতীয়খন শিলালিপি প্ৰতিবন্ধকৰূপে থিয় দিয়াত বেলৰে কৰ্তৃপক্ষই সেইখন ধ্বংস কৰিবলৈ ওলাইছিল যদিও বৰ্তমান নিবন্ধ লেখকে ৰাজ্যৰ সংবাদ পত্ৰ বিলাকৰ সহযোগত প্ৰায় এবছৰ দীঘলীয়া (১/৫/৮৩-২৩/১/৮৫) 'শিলালিপি ৰক্ষা আন্দোলন' চলাই সেই কাৰ্যত সফলতা লাভ কৰিছে।

আলোচ্যমান কালছোৱাৰ শৈললেখ আৰু তাম্ৰলেখৰ তুলনা কৰি চালে দেখা যাব যে প্ৰথমবিধতকৈ দ্বিতীয়বিধ সাধাৰণতে দীঘলীয়া তথা অধিক তথ্যসমৃদ্ধ। আখৰ কটাৰ সুবিধা-অসুবিধাই যে ইয়াৰ মুখ্য কাৰণ সেই কথা সহজে ধৰিব পাৰি। শিলৰ ফলি বেছিভাগ ক্ষেত্ৰতে লালিত্যপূৰ্ণ সংস্কৃত ভাষাত লেখা। এইবোৰত কোনোবা নৃপতিৰ যুদ্ধ জয়ৰ বাতৰি অথবা মঠ-মন্দিৰ দ'ল-দেৱালয় নিৰ্মাণ বা পুননিৰ্মাণ কৰা বা সেই সেই ঠাইলৈ ভূমিদান কৰা সংবাদ থাকে। অলংকাৰপূৰ্ণ ভাষাত দাতা ৰজাৰ গুণানুকীৰ্তন কৰাৰ লগতে তেওঁৰ মন্ত্ৰী বা বিষয়াবো উল্লেখ কৰা হয়।

ব্ৰাহ্মণক ভূমিদান কৰা তাম্ৰশাসনবোৰবো প্ৰথমাংশত দাতা ৰজাৰ গুণানুকীৰ্তন আৰু মন্ত্ৰী বা বিষযাৰ উল্লেখ থাকে। কোনোখনত ৰজাৰ নামৰ পৰিবৰ্তে অকল পাত্ৰ অৰ্থাৎ মন্ত্ৰীৰ নামো থাকিব পাৰে। তেতিয়া অৱশ্যে মন্ত্ৰীৰ প্ৰশংসাই তাত ঠাই পাব।

ইযাৰ পিছতে অসমীয়া অংশত দেখা যায স্থানীয় মৰ্যাদাসম্পন্ন ব্যক্তিসকলৰ প্ৰতি সম্বোধন ভূমিৰ অৱস্থিতি আৰু সীমা নিৰ্ধাৰণ ভূমিৰ পৰিমাণ, দান গ্ৰহীতা ব্ৰাহ্মণ বা দেৱালয় আদিৰ উল্লেখ, দানৰ উদ্দেশ্য, দান দিয়া ভূমি উপভোগৰ নিৰ্দেশ, অধিগ্ৰহণকাৰীৰ প্ৰতি অভিসম্পাত আৰু ফলি প্ৰদানৰ সময়। বিশ্লেষণৰ পৰা এই কথা প্ৰমাণিত হয় যে আলোচ্যমান শাসনবোৰৰ আৰ্হিস্বৰূপে কাম কৰিছিল প্ৰাচীন অসমৰ নৃপতি-প্ৰদত্ত তাম্ৰশাসনবোৰে। এনে উক্তিৰ সমৰ্থনত নলবাৰী জিলাৰ টিহুৰ ওচৰৰ মাখিবাহাৰ প্ৰখ্যাত ডেকাথেৰ বংশ বা ভট্টাচাৰ্য পৰিয়াললৈ আহোম নৃপতি শিৱসিংহ (১৭১৪-১৭৪৪) আৰু প্ৰমত্তসিংহ (১৭৪৪-১৭৫১)-ই দিয়া তাম্ৰশাসন দুখনৰ কথা মনলৈ আহিছে। শাসন দুখনৰ সময় ক্ৰমে ১৬৬১ শক আৰু ১৬৭১ শকৰ ফাগুন মাহ। উল্লেখযোগ্য এই দুয়োখন দলিল ড মহেশ্বৰ নেওগ সম্পাদিত প্ৰাচ্য শাসনাৱলী'ত অন্তৰ্ভুক্ত হোৱা নাই।[২০]

প্ৰমত্তসিংহ স্বৰ্গদেৱৰ তাম্ৰশাসনখনৰ ভাষাৰ কিছুমান ধ্বনিতাত্ত্বিক বৈশিষ্ট্য এনে ধৰণৰ ঃ

'ঈ ৰ সলনি 'ই ,		উদাহৰণ	ঃ চৌধাৰি, ঠাকুৰিয়া, পটোৱাৰি।
'ব ৰ	ড		ঃ বাডীমাটি।
'ৱ' ৰ	ব	'	ঃ দেব, বডুবা বিবসত আদি। এঠাইত ৱ>ৰ যেনে ঃ সাবধানে
'শ ৰ	স		ঃ শ্ৰী এই ৰূপ পৰৱৰ্তী কালত 'অৰুনোদই'ত প্ৰচুৰভাৱে দেখা যায়।
'ড় ৰ	ড ,	"	ঃ বডকায়স্থ, নামবডভাগ, মাডেৰা আদি।

'য়' ৰ য ঃ প্ৰদায়িনীং নাৰায়ন উপাধ্যায় আদি। ফলিত প্ৰয়োগ হোৱা আৰবী পাৰ্চী আদি ভাষাৰ শব্দৰাজি হ'ল— চিনালা ধুমুচি, বেগাৰ বেঠ মাড়েষা আদি।

উপৰি উক্ত শাসনৰ বাহিৰেও আলোচ্যমান কালৰ অন্যান্য ফলিত আৰবী পাৰ্চী হিন্দী আদি ভাষাৰ ভালেমান শব্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। উদাহৰণ দিবলৈ হ'লে গয়ৰহ/গইৰহ, চেলা জমা জমি ডাগ, তালুক তালুকদাৰ পৰগনা /পৰঙ্গনা পীৰ ফকিৰ/ফকীৰ হদ হাজাৰ আদি শব্দৰ বিষয়ে উল্লেখ কৰিব পাৰি। এইবোৰৰ ভিতৰত কিছু শব্দৰ ব্যৱহাৰ বুৰঞ্জী 'কথা-গুৰু-চৰিত 'অৰুনোদই আদিৰ মাজেৰে আহি বৰ্তমানলৈ চলি আছে। ব্যৱহাৰৰ অভাৱত দুই-চাৰিটা বিলুপ্ত নোহোৱাকৈও থকা নাই। নৰনাৰায়ণ ৰজাৰ মুদ্ৰা বুজাবলৈ ব্যৱহৃত 'নাৰানি মুদ্ৰা শব্দযুগল 'কথা-গুৰু-চৰিত'তো পোৱা গৈছে। ক'ৰবাত 'নাৰান ৰূপো নথকা নহয়। নাপায়>নঁপাই—এটা লক্ষ্য কৰিবলগীয়া ৰূপ। সেইদৰে ফলিত পোৱা হৈব হৈবেক নাচৰিবেক আদি ৰূপতত্ত্বৰ দিশৰ চকুত লগা উদাহৰণ।

ৰাজদৰবাৰৰ নথিসমূহত থকা মংগলাচৰণ অংশৰ লগত মহাপুৰুষ শংকৰদেৱৰ নাটত ব্যৱহৃত সংস্কৃতৰ তুলনা সহজে মনলৈ আহে। দৃষ্টান্তস্বৰূপে 'ৰুক্মিণী হৰণ' নাটৰ ৰুক্মিণীয়ে শ্ৰীকৃষ্ণলৈ প্ৰেৰণ কৰা পত্ৰৰ আৰম্ভণিতে থকা 'স্বস্তি শ্ৰীপৰমেশ্বৰ সকল সুৰাসুৰ বন্দিত পাদপদ্ম প্ৰপন্নজনতাৰণ '[২১] আদি শব্দ-সমষ্টিয়ে মধ্যযুগৰ কেইবাখনো অনুশাসনৰ কথা মনত পেলাই দিযে। তৎকালীন সমাজৰ শিক্ষিত লোকৰ ভাষাৰ স্বৰূপ এনেকুৱাই আছিল বুলি ধাৰণা কৰিব পাৰি।

আলোচ্যমান কালছোৱাত অসমৰ ৰজাসকলে মৰোৱা মুদ্ৰাৰ ভাষাৰ বিষয়েও উল্লেখ কৰিব বিচৰা হৈছে। মধ্যযুগৰ অসমত আহোম কোচ কছাৰী, জয়ন্তীয়া প্ৰভৃতি ৰাজন্যবৰ্গই নিজৰ নিজৰ নামত মুদ্ৰা মৰোৱাৰ সংবাদ বুৰঞ্জীয়ে দিয়ে। পিছে এই কালছোৱাৰ সীমিত সংখ্যক মুদ্ৰা টাই-আহোম ভাষা আৰু লিপি তথা পাৰ্চী ভাষা আৰু লিপিত উলিওৱাৰ বাহিৰে অধিকাংশ আছিল সংস্কৃত ভাষা আৰু পুৰণি অসমীয়া লিপিত মৰোৱা। নিদৰ্শনস্বৰূপে তলত শিৱসিংহ নৃপতিৰ তিনিটা মুদ্ৰাত খোদিত পাঠ উদ্ধৃত কৰা হ'ল ঃ

	সন্মুখ	বিপৰীত
১ম মুদ্ৰা	শ্ৰীশ্ৰীশিৱ	শ্ৰীশ্ৰীহৰ
	সিংহ নৃপমহি	গৌৰীপদপ
	শ্ৰীশ্ৰীফুলেশ্ব	ৰায়ণায়াঃ
	ৰী দেব্যাঃ	শাকে ১৬৪৭
২য় মুদ্ৰা	শ্ৰীশ্ৰীশিৱ	শ্ৰীশ্ৰীহৰ

	সিংহনৃপতস্ত্ৰ	গৌৰীপদ
	লভ শ্ৰীমদম্বি	পৰায়ণানাং
	কা দেবীনাং	শাকে ১৬৫৮
৩য় মুদ্ৰা	শ্ৰীশ্ৰীমৎ	শ্ৰীশ্ৰীহৰ
	স্বৰ্গদেৱশি	গৌৰীপদা
	ৱসিংহ নৃপস্য	ম্বুজমধুক
	শাকে ১৬৭১	ৰস্য।[১১]

অসমীয়া ভাষাতত্ত্ব-চৰ্চাৰ দৃষ্টিকোণৰপৰা মুদ্ৰাকেইটাৰ বিশেষ তাৎপৰ্য নথকাটো সত্য। কিন্তু এই ভূখণ্ডৰ লিপিৰ বিকাশৰ ৰূপৰেখা অধ্যয়নৰ বেলিকা এইবোৰৰ গুৰুত্ব গণ্য কৰিবলগীয়া।

কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদত্ত শাসন আৰু মুদ্ৰাৰ উপৰি আন কিছু নথি-পত্ৰই পুৰণি অসমীয়া ভাষাৰ স্বৰূপ উপলব্ধি কৰাৰ ক্ষেত্ৰত পাঠকক সহায় কৰে। পেডা কাকত মনুষ্য বিক্ৰী পত্ৰ ৰৰটোপৰ গাৰ লেখা চূণৰ টেমিৰ লেখা আৰু দেৱালয়ৰ সামগ্ৰী যেনে ০ ঘণ্টা ভৃঙ্গাৰ বটা আদিত খোদিত তথ্য এই শ্ৰেণীৰ অন্তৰ্গত। এই জাতীয় একাধিক সামগ্ৰীৰ পাঠ উদ্ধাৰ কৰাৰ সুবিধা বৰ্তমান লেখকৰ হৈছে। এইবোৰ ৰাজ্যৰ ভাষাটোৰ বিকাশমান ৰূপৰ নিৰ্ভৰযোগ্য সাক্ষী।

আহোম নৃপতি প্ৰতাপসিংহ (১৬০৩-১৬৪১)-ৰ দিনৰ পৰা চন্দ্ৰকান্ত সিংহ (১৮১০-১৮২৮)-ৰ সময়লৈ দুশ বছৰতকৈও অধিক কাল ধৰি প্ৰচলিত অনুশাসনৰ গদ্যই আধুনিক গদ্য-ৰীতিক প্ৰভাৱান্বিত কৰিছে নে নাই আৰু যদি কৰিছে কিমানখিনি কৰিছে সেই সম্পৰ্কীয় চিন্তা-চৰ্চা প্ৰায় নোহোৱাৰ নিচিনা। প্ৰকৃততে ই এটা গৱেষণীয় বিষয়। সূক্ষ্মভাৱে বিচাৰ-বিশ্লেষণ কৰিলে প্ৰাক্-অৰুনোদই কালৰ উল্লেখযোগ্য লেখকদ্বয় ক্ৰমে মণিৰাম বৰভাণ্ডাৰ বৰুৱা (১৮০৬-১৮৫৮)-ৰ 'বুৰঞ্জী বিৱেক ৰত্ন' আৰু কালীনাথ তামুলি ফুকনৰ 'আসাম বুৰনজি পুথি'-ত মধ্যযুগীয় অনুশাসনৰ ভাষাৰ অস্তিত্ব উপলব্ধি কৰিব পাৰি। পুথি দুখনত পোৱা ভালেমান শব্দ ক্ৰিয়াৰূপ বানান-পদ্ধতি আৰু মানুহ তথা বস্তু-বাহানিৰ লেখ দিয়া ৰীতিয়ে এই কথাকে সাব্যস্ত কৰে। বৰ্তমান প্ৰসংগত এই বিষয়ে দীঘলীয়া আলোচনা পৰিহাৰ কৰা হ'ল।

'অৰুনোদই' কাকতৰ জৰিয়তে অসমীয়া ভাষাই আধুনিক যুগত প্ৰৱেশ কৰিলে। ভাষাৰ কথিত ৰূপ অনুসৰি লেখাৰ ৰীতি প্ৰবৰ্তিত হোৱাৰ ফলত ই বহু পৰিমাণে মূলৰপৰা আঁতৰি আহিল। বিশেষকৈ গদ্য-ৰীতিলৈ ইংৰাজী ঠাঁচে আনি দিলে এক সুকীয়া চৰিত্ৰ। মধ্যযুগৰ অসমীয়া ভাষাত তৎসম আৰু তদ্ভৱ শব্দৰ ব্যৱহাৰ আছিল ব্যাপক। আধুনিক যুগত তাৰ সলনি ভাষাটোৱে প্ৰয়োজন মতে আৰ্য-অনাৰ্য দেশী-

বিদেশী শব্দৰাজি গ্ৰহণ কৰি সমৃদ্ধ হোৱাটো সকলোৰে বিদিত।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কুৰি শতিকাৰ অন্তিম তৰংগৰ অসমীয়া গদ্য সাহিত্যত তামৰ ফলি-শিলৰ ফলিৰ ভাষাৰ নিদৰ্শন প্ৰায় শূন্যৰ ঘৰত। মাত্ৰ এটা বিষয়ত মধ্যযুগৰ অনুশাসনৰ ভাষাৰ পৰম্পৰা ৰক্ষিত হোৱাৰ উদাহৰণ আমাৰ হাতত আছে। সেয়া হ'ল মাটি-বাৰী ক্ৰয়-বিক্ৰয় কৰা দলিল-পত্ৰৰ ভাষা। তাম্ৰ-শাসনত থকাৰ দৰে আজিও দলিল আদিত পুত্ৰ পৌত্ৰাদিক্ৰমে ভোগ দখল কৰি থকা 'ইয়াত কোনোজনে অন্যথা কৰিব নাপায় কৰিলেও এই দলিলৰ দ্বাৰা অগ্ৰাহ্য হ'ব আদি বাক্যাংশ অথবা মাটিৰ চতুসীমা নিৰ্ধাৰণ প্ৰভৃতি ঊনবিংশ শতিকাৰ আদি ভাগলৈ প্ৰচলিত অনুশাসনৰ ভাষাৰ প্ৰভাৱভিন্ন আন একো নহয়। প্ৰাচীন অসমৰ শৈললেখ-তাম্ৰলেখৰ ভাষাই মধ্যযুগত আহি হোৱাৰ লেখীয়াকৈ সেই যুগৰ নথিসমূহেও আধুনিক কালৰ সেই জাতীয় সীমিত পৰিমাণৰ লেখাৰ ক্ষেত্ৰত একে ভূমিকা পালন কৰি আহিছে।□

পাদটীকা

১ P C Choudhury *History of Civilisation of the People of Assam*, 1969

২ N N Acharyya *The History of Mediaeval Assam* 1966 p 1

৩ S Rajguru *Mediaeval Assamese Society* 1988 p 2

৪ *শব্দকল্পদ্ৰুম* ৹ পৃ ১৫১৯।

৫ একে পৃষ্ঠা ১৮।

৬ পদ্মনাথ ভট্টাচাৰ্য্য ৹ *কামৰূপ শাসনাৱলী* ৰংপুৰ ১৩৩৮ সাল পৃ ১৮৫-১৯২।

৭ একে পৃ [৪৪]।

৮ মহেশ্বৰ নেওগ (সম্পা) *প্ৰাচ্য-শাসনাৱলী* পৃ ১৯৭৩।

৯ একে ঃ পৃ (ভূমিকা) ১১।

১০ পদ্মনাথ ভট্টাচাৰ্য্য প্ৰাগুক্ত গ্ৰন্থ পৃ [৪৪]।

১১ প্ৰতাপ চন্দ্ৰ চৌধুৰী ঃ 'আমবাৰীৰ শিলালিপিখন *অসম সাহিত্য সভা পত্ৰিকা* ২৮শ বছৰ ১ম সংখ্যা ১৮৯৩ শক পৃ, ৮৫-৮৭।

১২ মহেশ্বৰ নেওগ ° প্ৰাগুক্ত গ্ৰন্থ পৃ (ভূমিকা) ১০।

১৩ একে

১৪ সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ *ভোমোৰাগুৰিৰ ইতিবৃত্ত*, ১৯৮১।

১৫ বেণুধৰ শৰ্মা (সম্পা) ৹ *পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী,* ১৯৭২ পৃ ২৭১-২৭৪।

১৬ *দৈনিক অসম* ২৬ ফেব্ৰুৱাৰী ১৯৭৬ চন *সাপ্তাহিক মহাজাতি,* ২২ ফেব্ৰুৱাৰী, ১৯৭৬ চন। সহকৰ্মী দুজন হ'ল ড আনন্দ মোহন মুখোপাধ্যায় আৰু অধ্যাপক পূৰ্ণেশ্বৰ নাথ।

১৭ সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য ° প্ৰাগুক্ত গ্ৰন্থ পৃ ২৪।

১৮ একে গ্ৰন্থ পৃ ২৫-২৬।

১৯ একে গ্ৰন্থ পৃ ২৭।

২০ তামৰ ফলি দুখন এই পৰিয়ালৰ অন্যতম বংশধৰ ডিব্ৰুগড নিবাসী প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্যৰ ঘৰত সংৰক্ষিত হৈছে— লেখক।

২১ কালিৰাম মেধি (সম্পা) ঃ *অংকাৱলী* ১৯৫০ পৃ ১৩৩।

২২ সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ 'স্বৰ্গদেৱ শিৱসিংহৰ দিনৰ তিনিটা মুদ্ৰা" *অসম সাহিত্য সভা পত্ৰিকা* ডিচেম্বৰ ১৯৭৭—ফেব্ৰুৱাৰী ১৯৭৮ সংখ্যা।

সপ্তদশ শতিকাৰ অসমীয়া ভাষা আৰু ৰঘুনাথ মহন্তৰ কথা-ৰামায়ণ

❑ সমীৰণ দাস

ভাৰতৰ হিন্দু-ধৰ্মীয় লোকসকলৰ মাজত আদি কবি বাল্মীকি বিৰচিত আদি কাব্য ৰামায়ণ (ৰামায়ণ আদি কাব্য আৰু প্ৰণেতা মহৰ্ষি বাল্মীকি আদি কবিৰূপে ভাৰতীয় ঐতিহ্যত পৰিচিত) এখন পবিত্ৰ ধৰ্ম-গ্ৰন্থ। ই আদি হিন্দুৰ মোক্ষ প্ৰাপ্তিৰ বাবে পুণ্যাশ্ৰম স্বৰূপ। ৰামায়ণ মহাকাব্যৰ সৰ্বৰহিতা ভাৰততে সীমাবদ্ধ নাথাকি ই বিশ্বৰ বিভিন্ন দেশ আৰু নানা ধৰ্মীয় লোকৰ মাজত অতি আকৰ্ষণীয় ৰূপত সোমাই পৰিছে। ' বিভিন্ন বিদেশী ৰাম-কথাই প্ৰমাণ কৰে যে ৰামায়ণ সমস্ত এচিয়াৰ উমৈহতীয়া সম্পত্তি সেই কাৰণে ইয়াক এচিয়াৰ মহাকাব্য বোলাত আপত্তি নাই ' (সত্যেন্দ্ৰনাথ শৰ্মা **ৰামায়ণৰ ইতিবৃত্ত** পৃ ২)। ৰামায়ণত মানৱ ৰূপ ধাৰণ কৰা ৰাম চৰিত্ৰত 'বিষ্ণুত্ব আৰোপ কৰা হৈছে। এই ৰামেই যুগে যুগে ভাৰতবৰ্ষৰ সাংস্কৃতিক জীৱনক বিশেষভাৱে প্ৰভাৱান্বিত কৰি আহিছে। হিন্দুৰ বাহিৰেও ভাৰতৰ বৌদ্ধ জৈন আদি ধৰ্মাৱলম্বী লোকৰ মাজতো ৰামায়ণৰ কাহিনীৰ প্ৰচলন লক্ষ্য কৰা যায়। বৌদ্ধ-গ্ৰন্থৰ দশৰথ জাতক সম্বুল জাতক বেস্পন্তৰ জাতক আৰু জৈন -সাহিত্যৰ খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ বিমলসুৰীৰ পউমচৰিঅ (পদুম চৰিত) খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ হেমচন্দ্ৰৰ জৈন ৰামায়ণ আদিত ৰাম সম্বন্ধীয় উপাখ্যান আছে। অসমীয়াত ৰামায়ণৰ কাহিনীৰ আধাৰত কাব্য নাট আৰু গদ্য-পুথি ৰচনা কৰাৰ একাধিক নিদৰ্শন আছে। গদ্যৰ মাধ্যমত ৰামায়ণ পোন প্ৰথম ৰচিত হৈছিল— অষ্টাদশ শতিকাত ৰঘুনাথ মহন্তৰ হাতত। এই 'কথা-ৰামায়ণ -খনহে সপ্তদশ-অষ্টাদশ শতিকাৰ ভাষা সম্পৰ্কীয় এই আলোচনাৰ ঘাই উপজীৱ্য।

অসমীয়া ৰামায়ণী সাহিত্যৰ ঐতিহ্য পোৱা গৈছে চতুৰ্দশ শতিকাৰ কবি মাধৱ কন্দলীৰ বাল্মীকি ৰামায়ণৰ পৰা। ইয়াৰ আগতে ভাৰতীয় ঐতিহ্যত দ্বাদশ শতিকাৰ নাগচন্দ্ৰই কন্নড ভাষাত আৰু একাদশ শতিকাত (কাৰো কাৰো মতে খ্ৰী৹ নৱম-দশম শতিকাৰ) কম্বনে তামিল ভাষাত ৰামায়ণ ৰচনা কৰে। ত্ৰয়োদশ শতিকাৰ পৰা তেলেগু ভাষাতো ৰামায়ণ ৰচনাৰ পৰম্পৰা আৰম্ভ হয়। এই হিচাপে ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণৰ স্থান চতুৰ্থ যদিও নৱ্য

ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত সৰ্বপ্ৰথম। মাধৱ কন্দলীৰ সমসাময়িক হৰিবৰ বা হৰিহৰ বিপ্ৰযো ৰামায়ণৰ ঘটনা সম্বলিত 'লৱ-কুশৰ যুদ্ধ' নামৰ পুথি এখন ৰচনা কৰে। কন্দলী ৰামায়ণৰ প্ৰায় এশ বছৰ পাছত বৈষ্ণৱ কবি শঙ্কৰদেৱ আৰু মাধৱদেৱে কন্দলী ৰামায়ণৰ পৰিপূৰক হিচাপে ক্ৰমে 'উত্তৰাকাণ্ড ৰামায়ণ' আৰু 'আদিকাণ্ড ৰামায়ণ পদত ৰচনা কৰে। শঙ্কৰদেৱে ৰামায়ণৰ কাহিনীৰ আধাৰত 'ৰাম বিজয় নাট ব্ৰজবুলি ভাষাত গদ্য পদ্যৰ সংমিশ্ৰণত ৰচনা কৰে। দুৰ্গাবৰ কায়স্থৰ 'গীতি ৰামায়ণ', অনন্ত কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ'ৰ উপৰি 'সীতাৰ পাতাল প্ৰৱেশ 'মহীৰাৱণ বধ' হৃদয়ানন্দ বা অনন্ত কায়স্থৰ 'শ্ৰীৰাম কীৰ্তন' আদি পদ-পুথিয়ে অসমীয়া ৰামায়ণী সাহিত্যৰ পৰম্পৰা ৰক্ষা কৰিছে। আনহাতে কাল নিৰ্ণয় কৰিব নোৱৰা মন্ত্ৰ আৰু কৰতি পুথি আৰু দুই এখন প্ৰত্নলিপিতো 'ৰাম'ৰ উল্লেখ পোৱা যায়।

সপ্তদশ-অষ্টাদশ শতিকাত কিছুমান গদ্য লেখকৰ গদ্য-পদ্যৰ সংমিশ্ৰণত লেখা পুথি পোৱা যায়। এইসকলৰ ভিতৰত ৰামায়ণ চৰ্চাকাৰী ৰঘুনাথ মহন্তৰ নাম উল্লেখযোগ্য। এওঁৰ আগবয়সৰ ৰচনা 'অদ্ভুত ৰামায়ণ' আৰু 'শত্ৰুঞ্জয়' ৰামায়ণৰ ভিত্তিত পদত ৰচিত গ্ৰন্থ। ৰঘুনাথ মহন্তৰ পাছতো গঙ্গাপতি দাস, অদ্ভুত আচাৰ্য কংসাৰি কবি, ধনঞ্জয় বা কন্দলী কবি আদিৰ নাম পুৰণি ৰামায়ণ-সাহিত্য ৰচকসকলৰ নামৰ তালিকাত পৰে।

'কথা-ৰামায়ণ ৰঘুনাথ মহন্তৰ পাছৰ বয়সৰ ৰচনা। ইয়াত মাত্ৰ চাৰিটা কাণ্ডহে আছে। তাৰে প্ৰথম তিনিটাৰ ভিতৰত 'অযোধ্যা আৰু 'অৰণ্য কাণ্ডৰ শেষত ৰঘুনাথৰ নাম আছে। কিষ্কিন্ধ্যাকাণ্ডত 'শিষ্ট' বুলি আন এটা নাম থকাত এই বিষয়টো লৈ এতিয়াও বিতৰ্কৰ সৃষ্টি হৈ আছে। অৱশ্যে প্ৰথম তিনিটা কাণ্ড আৰু শেষৰ কাণ্ডটোৰ লিখাৰ 'ষ্টাইল বা ভাষাৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হোৱাত 'ৰঘুনাথ' আৰু শিষ্ট দুজন লোক বুলি স্থিৰ কৰিব পাৰি।

'অৰণ্যকাণ্ড'ৰ নৱম অধ্যায়ত লেখকে ১৭০৩ শকত লিখি শেষ কৰা বুলি কৈছে। কিন্তু 'শত্ৰুঞ্জয় গ্ৰন্থত এনে কোনো সময়ৰ উল্লেখ নথকাত হেমচন্দ্ৰ গোস্বামীয়ে গৱেষণা কৰি ১৬৫৮ শকত গ্ৰন্থখন লিখা বুলি মত প্ৰকাশ কৰিছে। কথা-ৰামায়ণৰ আদিকাণ্ডত থকা 'বঙ্গদেশ শব্দটোৱে গ্ৰন্থৰ (বাল্মীকি ৰামায়ণত 'অঙ্গদেশ বুলিহে আছে) অৰ্বাচীনতাৰ প্ৰমাণ দিয়ে ' নৌকা বাহক সবে 'বঙ্গ দেশে নৌকা হেকাইলা /সাঁচি পৃ ৬।

'বৰদোৱা গুৰু-চৰিত আৰু 'সন্ত-সম্প্ৰদা পুথিৰ মতে 'সুদামা'-ৰ বংশজাত ৰঘুনাথৰ পিতামহ 'বৰভকত' শঙ্কৰৰ শিষ্য আছিল। বৰভকতৰ সপ্তম পুৰুষ ৰঘুনাথক (সতানন্দ বৰভকতৰ পুত্ৰ জয়কৃষ্ণ তেওঁৰ পুত্ৰ পূৰ্ণানন্দ তেওঁৰ পুত্ৰ

ৰূপ নাৰায়ণ তেওঁৰ পুত্ৰ হৰিকৃষ্ণ (দৈয়াং সত্ৰৰ মহন্ত) তেওঁৰ পুত্ৰ কৃষ্ণনাথ আৰু কৃষ্ণনাথৰ পুত্ৰ ৰঘুনাথ) শঙ্কৰৰ জন্মকালৰ পৰা (১৩৭১—১৬৫৮ শক) বছৰৰ হিচাপ কৰিলে তেওঁৰ লগত প্ৰায় ২৮৭ বছৰৰ ব্যৱধান হয়। এইদৰে চালে কথা-ৰামায়ণ লেখাৰ সময়ত ৰঘুনাথৰ বয়স আছিল প্ৰায ৮৬ বছৰ। কথা-ৰামায়ণৰ সাঁচিপতীয়া পুথিখন বৰ্তমান গুৱাহাটীৰ 'কামৰূপ অনুসন্ধান সমিতি'ত সংৰক্ষিত হৈ আছে।

'শত্ৰুঞ্জয় পুথিৰ ভণিতাত ৰঘুনাথে নিজকে 'ৰাম দাস বুলি কৈছে— 'সুনা সভাসদ ইটো কথা অনুপাম শ্ৰীৰাম দাসৰ চেষ্টা শত্ৰুঞ্জয নাম (পদ নং ৭৭০)- আৰু 'অদ্ভুত ৰামাযণ'ৰ পৰিচযত আছে ৰঘুনাথ— 'কহে ৰঘুনাথে ডাকি বোলা ৰাম' (পদ নং ৩২০)। তেনেদৰে কথা-ৰামাযণৰ অযোধ্যা আৰু অৰণ্যকাণ্ডত আছে শ্ৰীৰঘুনাথ কৃতাযাং অষ্টমোধ্যায কিষ্কিন্ধ্যাকাণ্ডত আছে 'ইতি শ্ৰীৰামাযণ কথায়াং সিন্তবিৰচিতায়াং প্ৰথমোধ্যায° । কিন্তু কথা-ৰামাযণত ৰঘুনাথৰ নামৰ পিছত মহন্ত উপাধিৰ সংযোগ ঘটা দেখা যায। ই পৰৱৰ্তী কালৰ সংযোজন হ'ব পাৰে।

কথা-ৰামাযণ গ্ৰন্থখন সম্পাদনা কৰি প্ৰকাশ কৰে ড° সত্যেন্দ্ৰনাথ শৰ্মাই। প্ৰকাশিত গ্ৰন্থখনৰ সম্পাদকীয মন্তব্যত ড শৰ্মাই লিখিছে— ৰামাযণস্বৰূপে কথা-ৰামাযণৰ বৰ বিশেষ মূল্য থাকক বা নাথাকক প্ৰাচীন অসমীযা গদ্যৰ নিদৰ্শন স্বৰূপে এই পুথিৰ মূল্য আছে. । সপ্তদশ-অষ্টাদশ শতিকাৰ অসমীযা ভাষা আৰু ৰঘুনাথ মহন্তৰ কথা-ৰামাযণৰ ভাষাৰ সম্পৰ্ক বিচাৰ কৰিবলৈ হ'লে পোনতে গ্ৰন্থখনৰ বৈশিষ্ট্যসমূহলৈ লক্ষ্য কৰিবলগীয়া হয। ৰঘুনাথ মহন্তই ৰামাযণ ৰচনা কৰে কথাত বা গদ্যত। সাধাৰণভাৱে মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি অহা কথা কোৱাৰ ৰীতিটোকে নিৰ্বাচিত শব্দৰ দ্বাৰা শৃঙ্খলাবদ্ধভাৱে সজাই পৰাই যি লিখিত ভাষাৰ সৃষ্টি কৰা হয অসমীযাত তাকেই গদ্য বা 'কথাবন্ধ বুলি কোৱা হয। সংস্কৃত 'কথা'ৰ শ্ৰেণীভুক্ত সাহিত্যত ৰসযুক্ত বিষয়বস্তু গদ্যত স্থাপন কৰা হয। ঠাই বিশেষে তাত ছন্দৰো প্ৰযোগ ঘটে। অসমীযাত কিন্তু 'কথা শব্দই সহজ-সৰল কথা বা গদ্য-ৰচনাকহে বুজায। কথা-গীতা কথা-ভাগৱত বা কথা-ৰামায়ণৰ গদ্য কিন্তু সংস্কৃত 'কথা শ্ৰেণীৰ নিদৰ্শন নহয। ড শৰ্মাই কথা-ৰামাযণৰ পাতনিত লিখিছে অসমীয়া বৈষ্ণৱ সাহিত্যত 'কথা শব্দৰ অৰ্থ সংকুচিত হৈ কেৱল এক প্ৰকাৰ কৃত্ৰিম গদ্য ৰীতিকেই বুজোৱা হ'ল (পৃ ১২)।

দ্বিতীয বৈশিষ্ট্য কথা-ৰামাযণত মূল ঘটনাংশৰ পৰা লেখক আঁতৰি অহা নাই। ৰচনা-ৰীতিৰ ক্ষেত্ৰত মাধৱ কন্দলী শঙ্কৰদেৱ মাধৱদেৱ অনন্ত কন্দলী আৰু ভাষাৰ ক্ষেত্ৰত ভট্টদেৱক অনুসৰণ কৰা দেখা গৈছে।

তৃতীযতে মহন্তই বেদ-বেদান্তৰ তত্ত্বগধুৰ কথাবোৰ গুৰু-গম্ভীৰ কথ্য ভাষাৰে

ব্যাখ্যা কৰাত সেই সময়ৰ অসমীয়া ভাষা বহু উচ্চলৈ ধাৱিত হৈছে। তত্ত্বমূলক কথাৰ ব্যাখ্যা কেনে ধৰণে কৰিছে তাৰ কিছু নিদৰ্শন তলত দিয়া হ'ল— 'শ্ৰীৰামে পুছিলা হে গুৰো।। এক বায়ু দিশ পাল কেনে উণপঞ্চশ ভৈলা।। ইহাক কহ।। ঋষি বোলন্ত।। যেখনে দেবাসুৰ খিৰ সাগৰ মথিলা ।। তথা অমৃত পাইলা।। পৰমেশ্বৰে দৈত্যক মোহিনি ৰূপ ধৰি বঞ্চিলা ' (সাঁচি পৃ ১৭)।

আদিকাণ্ডৰ শেষ অধ্যাযত লেখকে নিজকে ক্ষুদ্ৰ বুদ্ধিৰ বুলি বৈষ্ণৱ ভক্ত সুলভ বিনযৰ যথাৰ্থ পৰিচয দিছে। ' শ্ৰীৰাম দেৱৰ চৰিত্ৰক মহা মহা কবি সবে কোটি কোটি গ্ৰন্থৰে নিবন্ধ কৰিযো অন্ত নপাৰে।। হেন চৰিত্ৰক আমি ক্ষুদ্ৰ বুদ্ধি কেমনে কহিবো (সাঁচি পৃ ৩১)। কিন্তু গ্ৰন্থত কৰা জটিল শব্দৰ উপস্থাপনাই লেখকৰ ক্ষুদ্ৰ বুদ্ধিৰ বিপৰীতে পাণ্ডিত্যৰহে পৰিচয় দিছে। উদাহৰণ— বিশ্বৰূপি অন্বয়ব্যতিৰেক; পাপপয়োধি আদি।

লেখক এজন বৈষ্ণৱ-ভক্ত আৰু গ্ৰন্থখনো বৈষ্ণৱ-ধৰ্ম-প্ৰধান গ্ৰন্থ। তথাপি পাঠকৰ মনোৰঞ্জনৰ বাবে নাইবা পুথিখন সুধী সমাজৰ হৃদযগ্ৰাহী কৰিবৰ বাবে কিছুমান লৌকিক কথা' বা গ্ৰাম্য কথা সন্নিবিষ্ট কৰিছে। যেনে— ৰাম-সীতাৰ বিবাহৰ পাছত শ্ৰীৰাম সীতাক সধবা সবে লৌকিক কৰ্ম কৰাইল (সাঁচি পৃ ৩৫) 'সুস্থ হুয়া তীৰ্থ জলে ৰাজাৰ সব নৰাই চতুৰ্দ্দোলে তুলি সৰযু তিৰে বিধিৱতে দহিলা (সাঁচি পৃ ৪৭) আদি।

গ্ৰাম্য প্ৰৱচন গালি-শপনি আদিও কথা-ৰামাযণত পৰিলক্ষিত হয়। যেনে— 'স্ত্ৰিৰ হেনয চৰিত্ৰ যাত অনুৰক্ত তিলেক বিৰক্ত (সাঁচি ৩৫)। আকৌ ৰাম বনলৈ যাবলৈ ওলোৱাত লক্ষ্মণে ক্ৰোধ কৰি কৈছে— 'ক্ষত্ৰ জাতি হুয়া নপুংসক বৃত্তি ধৰিলা (সাঁচি পৃ ৩৮)। ভৰতে মাকক ক্ৰোধত কম্পমান হৈ কৈছে— 'অয়ে ৰাক্ষসি নিদাৰুণি ৰামক বনে খেদি ৰাজাক কেনে নাখাই তৈলত থৈযাচ ওহি লাজে গলে হাণ্ডি বান্ধি কেনে মৰি নজাৱ' (সাঁচি পৃ ৫৩)।

কথা-ৰামায়ণৰ বাক্যত সৰল মিশ্ৰ, সংযুক্ত আদি বাক্যৰ উপৰিও উপদেশসূচক, আজ্ঞাসূচক বিস্ময়সূচক অনুশোচনাসূচক, সন্দেহসূচক, ইচ্ছাসূচক প্ৰশ্নসূচক আদি বিভিন্ন বাক্যৰ প্ৰযোগ মন কৰিবলগীয়া। উপমা অলঙ্কাৰৰ প্ৰযোগ গ্ৰন্থখনৰ বিশেষ বৈশিষ্ট্য। দুই এটা নিদৰ্শন দেখুওৱা হ'ল— উপমাসূচক ° গৌতম বাঘৰ হাতে পড়লি (সাঁচি পৃ ১৯) 'বিজুলী চমকৰ সম আখি' ইত্যাদি। অলঙ্কাৰ থকা বাক্যৰ প্ৰয়োগ 'অভিনৱজলদ সদৃশ শ্যামতনু /শ্লেষ অলঙ্কাৰ (পৃ ৩২) পূৰ্ণচন্দ্ৰক মুখে নিন্দা কৰিছে'/প্ৰতীপ অলঙ্কাৰ (পৃ ১৭), 'ৰাৱণৰ কোলে সিতাৰ ৰূপ জ্বলিল যৈচে নিল মেঘত বিদ্যুৎ' (সাঁচি পৃ ৬৬)।

জতুৱা খণ্ডবাক্যৰ প্ৰয়োগে ভাব প্ৰকাশত সুবিধা কৰিছে, যেনে— 'অমৃতত

বিষ ঢাল' /৩৪ 'মাথে যেন বজ্রপাত ভৈল /৩৫ বীৰত্বসূচক বাক্য— 'সুগ্রীৱ বোলন্ত ৰঘুনাথ আদেশ কৰিয়ো কিবা ৰাৱণক বধো কিবা জানকিক আনো। নুহি আজ্ঞা কৰা দশ দিশ পালক আনো (সাঁচি ৯৩)।

হাস্যৰসাত্মক বাক্যৰ প্রয়োগ— শূৰ্পনখাৰ ৰামৰ প্রতি কৰা উক্তি ঃ তোমাৰতো বৰ ভাগ।। যাতো মই লক্ষ্মী আপুনি তোমাৰ গৃহে পসিলো সিতাত গহে মোক চাড়িতে চাৱা।। এবে এইক খাই তুমি সমে ৰঙ্গে বঞ্চোহো (সাঁচি ৫৬)। দুই-এটা ত্রুটিপূর্ণ বাক্যৰ প্রয়োগো চকুত পৰে— 'ওহি বুলি ৰামক দিব্য ধনু এক দিল' (সাঁচি ৫৫)। ক্রিয়া উহ্য থকা বাক্য— এতেকে পুত্র-ভাৰ্যা বন্ধু-বান্ধৱ মান-অপমান লাভালাভ ইত্যাদি সবাৰে যোগ-বিয়োগ সংসাৰৰ ধর্ম (সাঁচি ৫১)। আদি ৰসাত্মক বাক্য ঃ যেনে— শ্রীৰামক দেৱী আলিঙ্গতে হিযাত লাগিল। সীতা বোলন্ত লক্ষ্মণে দেখি হাসিব (পৃ ৪৯)।

এনে লৌকিক ঘটনা বা পৰিবেশ সৃষ্টি কৰি মাধৱ কন্দলীয়েও তেওঁৰ ৰামায়ণত নিভাঁজ অসমীয়া বাক্যৰ গঢ দিবলৈ চেষ্টা কৰিছিল। সেই একে প্রচেষ্টা কথা-ৰামায়ণতো লক্ষ্য কৰা যায়।

মহন্তৰ কথা-ৰামায়ণত নৈসৰ্গিক বৰ্ণনা কম যদিও বাৰিষা কালৰ ৰূপ কম কথাৰে সুমধুৰ ভাষাৰে বৰ্ণনা কৰা দেখা যায। যেনে— শ্রাৱণ মাস ঘোৰ বাৰিষাৰ কাল।। দিনতে আন্ধাৰ।। মেঘে কোলাহল ভৈলা (সাঁচি ৯০)। লেখকৰ এনে বৰ্ণনাই শংকৰদেৱৰ ভাগৱতৰ দশম স্কন্ধৰ 'বৰ্ষা কাল'ৰ বৰ্ণনালৈ মনত পেলায।

গতিশীল সময়ৰ গৰ্ভত লুকাই থাকে বৰ্তমানৰ পৰিচয সাহিত্যিকৰ অভিজ্ঞতা। সেই জ্ঞানৰ দ্বাৰা পুৰিপুষ্টি লাভ কৰা এখন গ্রন্থত সেই সময়ৰ শিক্ষা-দীক্ষা ৰাজনীতি সমাজনীতি অৰ্থনীতি আৰু ভাষা-সংস্কৃতিৰ পৰিচয় পোৱা যায। এইবোৰেই পাছলৈ কোনো এটা জাতিৰ ইতিহাসত পৰিণত হয। এনে ঐতিহাসিক কথাবোৰ জনাৰ উপায কেৱল সেই সময়ৰ সাহিত্য বা ইতিহাস অধ্যযন কৰা। গতিকে সপ্তদশ শতিকাত ওপজা ৰঘুনাথ মহন্তৰ সৃষ্টি কথা-ৰামায়ণে যে সেই সময়ৰ ভাষাক প্রতিনিধিত্ব কৰিছে ই ধ্ৰুৱ। কথা-ৰামাযণৰ ভাষাৰ ঐতিহাসিক মূল্য আৰু তাৰ অধ্যযনৰ প্রয়োজনো তাতেই।

ভাষা-সংস্কৃতি বেগৱান নদীৰ সোঁতৰ দৰে তীব্র গতিৰে সলনি হয়। পুৰণি ভাষা-সংস্কৃতিৰ ঐতিহ্য বহন কৰি অনা গ্রন্থ এখনেহে সেই জাতিক এটা 'ভাষা সংস্কৃতিসম্পন্ন জাতি হিচাপে পৰিচয় কৰাই দিবলৈ সক্ষম হ'ব। কথা-ৰামায়ণৰ অধ্যয়নৰ গুৰুত্বও এইখিনিতে।

কোনো এটা ভাষাৰ বৈশিষ্ট্য নিৰ্ভৰ কৰে তাৰ বৰ্ণ, লিপি, শব্দ-সম্ভাৰ, ৰূপগত দিশ আৰু বাক্য-বিন্যাস-পদ্ধতি আদিৰ ওপৰত। আধুনিক অসমীয়া ভাষাৰ সৌধ

নিৰ্মিত হৈছে পুৰণি ভাষা-সাহিত্যৰ ভেটিত। কথা-ৰামায়ণেও এই ক্ষেত্ৰত বিশেষ ভূমিকা লৈছে বুলি ক'ব লাগিব। কিয়নো গ্ৰন্থখন ৰচনাৰ মূল ভেটি হৈছে সপ্তদশ শতিকাৰ ভাষা। সেয়েহে তলত কথা-ৰামায়ণৰ ভাষাগত আলোচনা এটিও থোৰতে আগবঢোৱা হ'ল।

কথা-ৰামায়ণৰ গদ্যত বৰ্ণৰ ক্ষেত্ৰত বিশিষ্ট স্বৰবৰ্ণ/ঈ/-ৰ বাহিৰে আধুনিক অসমীয়াত ব্যৱহৃত সকলোবোৰ মুখ্য আৰু গৌণ স্বৰ আৰু ব্যঞ্জনবৰ্ণৰ ব্যৱহাৰ আছে। দ্বিস্বৰ সন্নিহিত ত্ৰিস্বৰ আৰু নিকটস্থ চাৰিটা স্বৰৰ ব্যৱহাৰো ইয়াত দেখা যায়। একক আৰু সংযুক্ত বৰ্ণৰ ব্যৱহাৰ আধুনিকৰ দৰে। বৰ্ণৰ ব্যৱহাৰত প্ৰায়ে যথেচ্ছতা অৱলম্বন কৰা দেখা যায়৹ উদাহৰণ— সিতা-সীতা ঋষি-ৰিষি ইত্যাদি। উচ্চাৰণগত প্ৰভাৱেই সম্ভৱতঃ ইয়াৰ ঘাই কাৰণ। গ্ৰন্থখনত 'ঈ' বৰ্ণৰ ব্যৱহাৰ নাই। প্ৰথম তিনিটা কাণ্ডত (আদি, অযোধ্যা, অৰণ্য) দীৰ্ঘ 'ঊ'ৰ ব্যৱহাৰ নাই। কিন্তু কিষ্কিন্ধ্যাকাণ্ডত 'ঊঁসুক দেউঁক ঝাউঁ আদি শব্দত 'ঊ'ৰ ব্যৱহাৰ কৰিছে। '' গৌণ স্বৰৰ ব্যৱহাৰো কেৱল তৎসম শব্দবোৰতহে কৰিছে। যেনে ঃ ভূভাৰ, সূৰ্য্য, বৃক্ষমূল ইত্যাদি। 'ঐ' আৰু 'ঔ' দ্বিস্বৰবৰ্ণও তেনেকৈ 'ঐৰাৱত', 'ঔষধ' আদি তৎসম শব্দবোৰতহে লক্ষ্য কৰা যায়। আনহাতে ইয়াৰ গৌণ স্বৰবোৰ নিয়মিত। এ আৰু এ' এই দুটা বিশিষ্ট স্বৰৰ প্ৰয়োগ এনেদৰে হৈছে ঃ এ-দেউক এ'-দেৱ।

ইয়াৰ গদ্যত মুঠতে এঘাৰটা স্বৰবৰ্ণৰ উপৰি আন কিছুমান দ্বিস্বৰবৰ্ণও আছে। দুই এটা নিদৰ্শন তুলি দিয়া হ'ল ঃ 'অই'— হই, জয়, অএ— সৱে অও— লৱো অ'ই— লৈ, আই— কড়াই আদি।

কথা-ৰামায়ণত সন্নিহিত দ্বিস্বৰ ঃ ওআ— আক্কোৱালী, আঅ— কৰাৱ বোলাৱস সন্নিহিত ত্ৰিস্বৰ ঃ অআই-নৱাই আইউ-অন্নায়ু সন্নিহিত চাৰিটা স্বৰ অ'ইআই— ভৈষাই, বৈসাইলা আদিৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি।

ইয়াত ব্যৱহৃত ব্যঞ্জনবৰ্ণসমূহ ভালদৰে পৰ্যবেক্ষণ কৰিলে দেখা যায় কেইবাটাও ব্যঞ্জনৰ লিপিৰ লগত আধুনিক লিপিৰ সাদৃশ্য আছে। কেৱল ঘ ঙ, ঝ ট ঠ ড ঢ ণ ভ ক্ষ ঢ আদিৰহে কিছু বৈসাদৃশ্য চকুত পৰে। চ ছ বৰ্ণ দুটাৰ ভিতৰত 'চ'ৰ ব্যৱহাৰ বেছি। যেনে— ইচ্ছা বা ইচা। জ ঝ য-ৰ ব্যৱহাৰ অনিয়মিত। যেনে— মাঝি জৌতক ভোজন আদি। শ স ষ -ৰ সলনি 'স'ৰ ব্যৱহাৰ বেছি। যেনে— দসৰথ দোস কোৱল্যা ইত্যাদি। ত ট ৎ-ৰ ভিতৰত 'ত'ৰ ব্যৱহাৰ সঘন। ণ কেৱল তৎসম শব্দতহে আছে। ড-ৰ ব্যৱহাৰ বেছি। যেনে— ফুড়ি, পড়ে আদি।

কথা-ৰামায়ণৰ ভাষাৰ জৰিয়তে সেই সময়ৰ অসমীয়া উচ্চাৰণ-ৰীতিৰ সাম্ভেদ বাৰুকৈয়ে পোৱা যায়। ব্যাকৰণৰ প্ৰচলন নাছিল বাবে বানানাদি লেখক উচ্চাৰণ

-ৰীতি অনুসৰি লিখা যেন লাগে। ফলত লেখকৰ অজানিতে সমসাময়িক কথিত অসমীয়াত উচ্চাৰিত ধ্বনিসমূহে ৰচনাৰ মাজত স্থান পাইছে। উচ্চাৰণ-ৰীতি সৰল হৈ পৰা বাবেই সংস্কৃতৰ মূৰ্ধন্য আৰু দন্ত্য ধ্বনিসমূহ অসমীয়াত কেৱল দন্তমূলীয়ৰূপে উচ্চাৰিত হৈছিল। কথা-ৰামায়ণৰ বানান-ৰীতিযে তাৰেই সাক্ষ্য বহন কৰে।

গ্ৰন্থখনিত প্ৰযোগ হোৱা প্ৰত্যয়সমূহৰ অধিকাংশই পুৰণি অসমীযাত ব্যৱহৃত যদিও গঠন-ৰীতি আধুনিক অসমীয়াৰ ওচৰ চপা। শব্দ-বিভক্তিবোৰ বিচাৰ কৰিলে আধুনিক অসমীযাত ব্যৱহৃত আটাইকেইটা বিভক্তিৰ ৰূপেই পোৱা যায়। ইয়াত কিছু উদাহৰণ তুলি দিয়া হ'ল ঃ পূৰ্ব-প্ৰত্যয়— অজিজ্ঞাসি দুৰাচাৰ পৰ-প্ৰত্যয়— পুত্ৰসমে, নিৰ্দিষ্টতাবাচক প্ৰত্যয— সখিতাৰি আনভিতি, সতকাৰ, পানৈজুৰি, অনিৰ্দিষ্টতাবাচক প্ৰত্যয— কতিপয লাখিৰ ঝাক খানিতেক; পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়— ২য় পুৰুষ- এৰ— মাৰেৰ ৩য় পুৰুষ-ইক—পিতৃক, সম্বোধনসূচক প্ৰত্যয়— হে পিতৃ তুচ্চাৰ্থত— ঐয়ে, অহো, অৰে ইত্যাদি। লক্ষ্যণীয় কথা যে কিষ্কিন্ধ্যাকাণ্ডৰ সম্বোধনসূচক প্ৰত্যযবোৰ আন তিনিটা কাণ্ডতকৈ পৃথক। যেনে— হেৰ, হা, হে আদি।

বচন দুটাৰ একবচনৰ ৰূপ ° জন, জনি গোট আদি। বহুবচনত গণ, সব, সা, ৰা, যুথ আদি প্ৰত্যয় যোগ হৈছে। সৰ্বনামৰ ক্ষেত্ৰত 'হু'— তাহান্ক, ম্বা— তাসম্বা, আসম্বা আদি বহুবচনৰূপে ব্যৱহৃত হৈছে। দ্বিবচন বুজাবলৈ— যুগল, জুৰি যুগ আদিৰ প্ৰয়োগ কৰিছে।

বৈষ্ণৱ ভক্তৰ বিনয়ী ভাবসূচক সৰ্বনামৰ ব্যৱহাৰ গ্ৰন্থখনিৰ ভাষাৰ আন এক বিশেষত্ব ঃ যেনে— আধুনিক মই>আমাক, হামাক, মোৰ>আমাৰ, হামাৰ ইত্যাদি। স্ত্ৰীলিঙ্গ বুজাবলৈ 'ই 'নি, 'ইনি, 'অতি প্ৰত্যয়ৰ প্ৰয়োগ হৈছে। যেনে— বানৰি, বহিনি, গুনি কনকাঅতি আদি। কেৱল স্ত্ৰীবাচক শব্দবোৰ— সতিনি সান্ত্বি, পদ্মিনি চাডি (চেডি?) আদি। পুৰুষ আৰু স্ত্ৰী বুজোৱা প্ৰাণীবাচক শব্দবোৰত সম্বন্ধ-পদ অনুসৰি লিঙ্গ ভেদ কৰা হয়। যেনে ঃ বাপ-মাৰ, দেৱৰ-ননন্দিনি, পিতৃ-মাতৃ আদি।

অবিচ্ছিন্নতা সমগ্ৰতা, গভীৰতা প্ৰগাঢতা, বাৰম্বাৰতা, দ্বিধা, দীৰ্ঘকালবৰ্তিতা আদি ভাব বুজাবলৈ কথা-ৰামায়ণত কিছুমান বিশেষাত্মক আৰু পুনৰাবৃত্ত ৰূপ সন্নিবিষ্ট কৰিছে ঃ যেনে— মহাপাতকি। বিশেষ্য শব্দত বিকল্পিৰ দ্বাৰা বুজোৱা শব্দৰ দ্বিতীয়টো প্ৰত্যয় হিচাপে ব্যৱহাৰ হৈছে ঃ যেনে,— ধিক ধিক; ধন্য ধন্য আদি। সেইদৰে বিশেষণ শব্দত— বড বড, মহা মহা, ঘনে ঘনে আদি। ক্ৰিয়াত ঃ কান্দি কান্দি, উঠহ উঠহ, মৰি মৰি আদি। সংখ্যা শব্দত ঃ কোটি কোটি, খণ্ড খণ্ড, যুথে যুথে আদি। সংজ্ঞা শব্দত ঃ শিব শিব, বিষ্ণু বিষ্ণু আদি। স্থানবাচক

শব্দত ঃ ঠাই ঠাই, ঠাৱে ঠাৱে, থানে থানে আদি। সৰ্বনামত ঃ তাতে তাতে, জত জত আদি।

১মা বিভক্তি/কৰ্তা কাৰকত — এ, ই — দশৰথে, হে লোকাই
২যা ’ / কৰ্ম — ক — মাতৃসৱক
৩য়া / কৰণ — ৰে এ— কুণ্ডলেৰে, আনন্দে
৪ৰ্থী / নিমিত্ত — ক, ক+লাগি-সীতা দুহিতাক, বৰ্বক লাগি,
— এ+লাগি বিনাসিবে লাগি
ষষ্ঠী /সম্বন্ধ পদত — ৰ ক— সোহি বৃক্ষৰ, দুহিতাক অভিলাসে;
৭মী ’ /অধিকৰণ কাৰকত — ত, এ— ৰাজাত জানাবল, গিডগিড় শব্দে।

পৰা বা ‘হন্তে’ পৰসৰ্গৰ দ্বাৰা অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা বৈশিষ্ট্য কথা-ৰামায়ণৰ গদ্যত চকুত পৰে। যেনে— পূৰ্বহন্তে জানিচি কুন্দ্ৰাক্ষ জালাৰ পৰা। সৰ্বনামৰ ১ম আৰু ২য় পুৰুষৰ— মই, মোহোৰ, আমাসাৰ, তুমি, তোমাক, তোমাসাৰ ৩য় পুৰুষৰ— তাহান, তাহাকো এহে আদি অসমীয়াৰ কথিত ভাষাত এতিয়াও ব্যৱহাৰ হয়। স্ত্ৰীলিঙ্গত এই, তাই আদিৰ ব্যৱহাৰ আধুনিক অসমীয়াত আছে।

স্থানবাচক সৰ্বনাম ঃ এথা, তথায়ে, ইথানক আদি।
কালবাচক ’ ইবাৰ এভো ইদানিক আদি।
ব্যক্তিবাচক ” ঃ ইযাক, ইহান, ইহাঙ্ক, তাৰা আদি।
প্ৰশ্নবাচক কোন কেনে, কথা, কাক, কোনেনো আদি।
সম্বন্ধবাচক ‘যি’ সৰ্বনামৰ পৰা ঃ যিহেতু, জেৱে, যথা, জেদ্যাপি আদি
‘সি’ সৰ্বনামৰ পৰা ঃ সেবয় সে, সোহি আদি।
‘তি সৰ্বনামৰ পৰা ঃ তেৱে, তদ্বৎ, তাৱে, তেনমতে আদি।
নিশ্চযবাচক সৰ্বনাম ‘ ঃ ইহাত, ইহাজানি আদি।
অনিশ্চয়বাচক সৰ্বনাম ° আৱেসে খানিতেক জাৱে-তাৱে আদি।
ব্ৰজবুলি সৰ্বনামৰ ৰূপ ঃ চৌভিতি, জাবে, জৈচে, ওঁহি আদি।

ক্ৰিয়াৰ কাল নিৰ্দেশিত ৰূপ যেনে ঃ বৰ্তমান কালৰ ৰূপ—
নিত্য বৰ্তমান কাল— ১ম পুৰুষ —ও ই —পাবো, ভুঞ্জো, আচি,
২য় ” আ — চলা, ভজা, ধৰিচা;
৩য় ” এ — কৰে হোৱে ৰহিচে।
তাৎকালিক বৰ্তমান কাল — ১ম পুৰুষ— ও অ— আচো, থিক
২য় ’ এ আ— পোভিছে, দিয়া;

	৩য়	এ আ, অ—	হৰিছে, দিযা চিন্ত।
ভূতকাল—	১ম পুৰুষ—	ও —	জনাইলো পাৰক্ষিলো
	২য়	— অ —	কৰিল থৈল দিল
	৩য়	— আ অ—	ৰঞ্জিলা, কহিলা ভেল।
পূৰ্ণ ভূত কাল—	১ম পুৰুষ—	ও —	আচিলো আৰাধিলো
	২য় "	— আ ই—	উৰুৱাইলো পাসৰিলি
	৩য় "	— অ আ—	গজিল চাহিলা।
ভবিষ্যত কাল—	১ম পুৰুষ	— ও —	বধিবো তৰিবো
	২য়	— আ ই —	ভ্ৰমিবা, কৰবি
	৩য় '	— এ, আ, অ—	হৰে, থাপিবা, বাধিব।

পূৰ্ণ বৰ্তমান কালত পূৰ্বৰ ঘটনা বৰ্তমান কালত দেখুৱাইছে, যেনে ঃ 'ৰাক্ষস বধিতে ভগৱন্তে দশৰথ গৃহে অৱতাৰ হৈ আছে।' তুমুনন্ত ক্রিয়াৰ ৰূপত 'লৈ'ৰ পৰিবৰ্তে ইতে, ইবাৰ, ইবে, ইবাক আদি প্ৰত্যযৰ ব্যৱহাৰ হৈছে। যেনে ঃ মৰিবাৰ, বিনাসিবে আদি। কৃদন্ত ক্রিযাৰ বিভক্তি হ'ল— অন্তা অন্তে, আন্তো, অন্ত আদি। যেনে ঃ ভজন্তা বধন্তে।

ক্রিযাৰ ক্ষেত্রত বিভিন্ন ক্রিয়াৰ ৰূপ কথা-ৰামাযণত প্রয়োগ হৈছে। যেনে— কামৰূপী উপভাষাৰ প্ৰভাৱত হোৱা ক্রিযাৰ ৰূপ— কৰিছি, আসিছি আদি। ব্ৰজবুলি ক্রিয়াৰ ৰূপ ঃ ৰহিল ধৰাৱল, কযল আদি। নঞৰ্থক ক্রিয়াৰ ৰূপ ° নকৰয় নপাৰি, নাসয় নুহি আদি। নঞৰ্থকত কেতিয়াবা কামৰূপী ক্রিযাৰ ৰূপ পৰিলক্ষিত হয় ঃ যেনে— নেনি, নেদে আদি। ক্রিযাত পাচনি ধাতুৰ প্ৰত্যয়বোৰ ঃ যেনে— ইচা ইবা ইলা— বিস্তাৰিচা, কৰাইবা ভেটাইলা আদি।

এইদৰে বিশ্লেষণ কৰিলে কথা-ৰামাযণত বিবিধ ক্রিয়াৰ ৰূপ দেখা যায় যিবিলাকে আধুনিক ক্রিয়াৰ পথ প্ৰদৰ্শিত কৰিছে।

কথা-ৰামায়ণত অব্যয বিশেষ্যৱাচক পৰসৰ্গ আৰু ক্রিযাবাচক পৰসৰ্গৰ ব্যৱহাৰ চকুত পৰে। যেনে— বিশেষ্যৱাচক পৰসৰ্গ ৹ ভোগৰ অৰ্থে, নাৰদে সহিতে ইত্যাদি। ক্রিয়াবাচক পৰসৰ্গ ° দেখো গৈযা তাক কিজানি (সন্দেহভাৱত)।

কথা-ৰামায়ণত অব্যয় পদৰ ব্যৱহাৰ এনে ধৰণৰ ঃ

যোজক অব্যয়	— আৰো এতেকেসে
পৃথকবোধক অব্যয়	— তথাপি কিন্তু,
সন্দেহবোধক অব্যয়	— যদি জানো,

ভাববোধক — হাঁ হাঁ কি নাহি জানি

সম্বোধনবোধক — হে, অয়ে ঐযে।

মহন্তই সংস্কৃতগন্ধী বৰ্ণনাত সন্ধি সমাস উপমা অলঙ্কাৰ আদিৰ বহুল প্ৰয়োগ কৰিছে। স্বৰ সন্ধি ব্যঞ্জন সন্ধি বিসৰ্গ সন্ধিত এনে প্ৰয়োগ দেখা যায়। যেনে দুৰাচাৰ মহাত্ম জগজ্জননী জগদিশ্বৰ দুখখ নিৰাকাৰ আদি। সমাসৰ ক্ষেত্ৰত দ্বন্দ্বসমাস বহুব্ৰীহি সমাস কৰ্মধাৰয, তৎপুৰুষ, দ্বিগু অব্যযীভাব, আৰু নিত্য সমাসৰ প্ৰযোগ আছে।

কথা-ৰামাযণৰ গদ্য চতুৰ্দশ শতিকাৰ পৰা আৰম্ভ কৰি অষ্টাদশ শতিকালৈকে প্ৰচলিত বিভিন্ন অসমীয়া কাব্যাদিত প্ৰয়োগ হোৱা অসমীয়া ভাষাৰ নিদৰ্শনেৰে ভৰপূৰ। ইযাত ব্ৰজবুলি ভাষাৰ গদ্যৰ ঠাঁচ সৰ্বনাম, ক্ৰিযা আদিৰো প্ৰয়োগ পৰিলক্ষিত হয়। এই সময়ছোৱাত আহোম বুৰঞ্জীৰ উপৰিও সত্ৰীয়া পৰিবেশত ৰচিত 'চৰিত পুথি আদিৰ প্ৰচলন আছিল, কিন্তু মহন্তদেৱে সেই ৰীতিত গ্ৰন্থ প্ৰণয়ন নকৰি সৰ্বসাধাৰণ লোকৰ মাজত প্ৰচলিত কথা কোৱাৰ স্বাভাবিক ভঙ্গীমাত কথা-ৰামায়ণ ৰচনা কৰি উলিয়ায়। বস্তুতঃ কথিত আৰু ব্ৰজবুলি ভাষাৰ গদ্য-ৰীতিৰ ওপৰত প্ৰতিষ্ঠিত বাবে ইয়াৰ ভাষাত সুপৰিকল্পিত ব্যাকৰণৰ নিয়মো পোৱা নাযায়। সংস্কৃত শব্দ আৰু বাক্য আদিৰ ব্যৱহাৰৰ ফলত পুথিখনৰ ভাষাত ঠায়ে ঠাযে কথিত ৰূপটোৰ গতি বাধাপ্ৰাপ্ত হোৱা যেন অনুভৱ হয়। মহন্তদেৱ গদ্য ৰচনাৰ ক্ষেত্ৰত শাঙ্কৰী যুগৰ অঙ্কীযা নাট আৰু ভট্টদেৱৰ গদ্য-ৰীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। ঠায়ে ঠাযে গদ্য ছন্দোময়ী হৈছে।

কথা-ৰামাযণত শঙ্কৰদেৱ আৰু ভট্টদেৱৰ গদ্যৰ প্ৰভাৱ থাকিলেও ইযাত মহন্তৰ নিজস্ব দৃষ্টিভঙ্গী বিৰাজ কৰিছে, যিয়ে মৌলিকত্ব দাবী কৰিব পাৰে। উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে Aspects of Early Assamese Literature নামৰ গ্ৰন্থত লিখিছে—

This work is a valuable treasure of Assamese literature and it contains the fact of the Ramayana in a concise form /p 227

গ্ৰন্থৰ ভালেমান স্থানত সংস্কৃত প্ৰাকৃত শব্দৰ উপৰি দেশী-বিদেশী শব্দৰ প্ৰযোগ ঘটিছে। কথিত উচ্চাৰণ-ৰীতিৰ প্ৰয়োগৰ ফলত কিছুমান শব্দৰ বিকৃতিও ঘটিছে। যেনে— নফৰ (আৰবী শব্দ) নেফৰ হৈছে ।

পুথিৰ বিষয়ৰ লগত খাপ খোৱাকৈ পাঠকৰ মন আকৃষ্ট কৰিবৰ বাবে ঘৰুৱা বৰ্ণনা পটন্তৰ গ্ৰাম্য সমাজৰ গালি-গালাজ লৌকিক কথা আদিৰে পুথিখন ঠাঁহ খাই আছে বুলি ক'ব পাৰি। এনে ধৰণৰ কথাবোৰ জুকিয়ালে কথা-ৰামায়ণৰ মিল মাধৱ কন্দলীৰ ৰামাযণৰ লগতহে পোৱা যায়। কন্দলীৰ ৰামায়ণত প্ৰযোগ হোৱা শব্দ আনকি বাক্যাংশও কথা-ৰামাযণত প্ৰয়োগ হোৱা চকুত পৰে।

মাধৱ কন্দলীৰ ৰামায়ণৰ সৈতে মহন্তৰ 'ৰামায়ণ'ৰ পাৰ্থক্য এইখিনিতেই যে মহন্তই ৰামায়ণখন কথাত সংক্ষিপ্ত আকাৰত লিখিছে আৰু অধ্যায়ৰ আৰম্ভণিত বা শেষত উপদেশ দিয়াৰ চেষ্টা কৰিছে। মাধৱ কন্দলীয়ে তেনে ঠাইত ভগৱানত আশা বা উপদেশ দিয়াৰ চেষ্টা কৰা নাই।

চিত্ৰ পৰিস্ফুটনৰ বাবে ৰচকে বিবিধ অলঙ্কাৰ প্ৰয়োগ কৰাত গ্ৰন্থখন চিত্ৰ-ধৰ্মী গ্ৰন্থত পৰিণত হোৱা যেন অনুভৱ হয়।

কথা-ৰামায়ণৰ গদ্যই অসমীয়া গদ্যৰ বিকাশৰ ধাৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলিব পাৰি। কিয়নো ইয়াৰ গদ্যই পুৰণি মধ্য আৰু আধুনিক এই তিনিওটা স্তৰকেই প্ৰতিনিধিত্ব কৰি একে ঠাইত ধৰি ৰাখিছে। গতিকে ভাষাতাত্ত্বিক দিশৰ পৰা কথা-ৰামায়ণৰ গদ্য এক মৰ্যাদাপূৰ্ণ স্থান পোৱাৰ যোগ্য। এই দৃষ্টিকোণৰ পৰা কথা-ৰামায়ণৰ বিস্তৃত পৰ্যালোচনাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। □

গ্ৰন্থপঞ্জী :

মুখ্য উৎস :

মহন্ত, ৰঘুনাথ **কথা-ৰামায়ণ** Ms No ER/133– K A S

গৌণ উৎস :

শৰ্মা সত্যেন্দ্ৰ নাথ (সম্পা) **কথা-ৰামায়ণ** ১৯৫৫ ১ম প্ৰকাশ কলিকতা।

অন্যান্য সহায়ক গ্ৰন্থ :

শৰ্মা সত্যেন্দ্ৰ নাথ : **ৰামায়ণৰ ইতিবৃত্ত** ১৯৮৯।

— — — (সম্পা) **শত্ৰুঞ্জয়** ১৯৭২।

গোস্বামী উপেন্দ্ৰনাথ ॰ **অসমীয়া ভাষাৰ ব্যাকৰণ** ১৯৯০।

Kakati– B K – **Assamese Its Formation And Development,** 1941

— — ed **Aspects of Early Assamese Literature**– 1959

সাঁচিপাতৰ পুথি :

দাস গোবিন্দ **সন্ত সম্প্ৰদা**— Ms No 315 D H A S

মহন্ত, ৰঘুনাথ ॰ **অদ্ভুত ৰামায়ণ** Ms No 2186 (xerox কপি) D H A S

মধ্যযুগীয কথাচৰিত আৰু বুৰঞ্জীৰ ভাষা ঃ এটি তুলনামূলক বিশ্লেষণ

❑ মুকুল চক্ৰৱৰ্তী

আমাৰ দৈনন্দিন জীৱন গদ্যময়। তথাপি লিখিত ক্ৰমত গদ্যতকৈ পদ্য বহুদিনৰ আগৰ চিনাকি। অসমীয়া গদ্য সাহিত্যও তাৰ ব্যতিক্ৰম নহয়। অসমীয়া ভাষা-সাহিত্যৰ প্ৰাক-শংকৰ, শাংকৰী, শংকৰোত্তৰ যুগ নিঃসন্দেহে পদময়। তথাপি শাংকৰী যুগৰ অংকীয়া নাটসমূহতে প্ৰথমে অসমীয়া গদ্যৰ সাহিত্যিক ৰূপৰ উন্মেষ ঘটে। তেনেকৈ অংকীয়া নাটকৰ সমসাময়িক বা তাতকৈ অলপ আগৰ গদ্যৰ আভাস পোৱা যায় মন্ত্ৰ সাহিত্যত। অংকীয়া নাট আৰু মন্ত্ৰপুথিৰ গদ্য কেৱল প্ৰাচীনতাৰ নিদৰ্শনহে মাত্ৰ। আচলতে বৈকুণ্ঠনাথ কবিৰত্ন ভাগৱত ভট্টাচাৰ্য (১৪৮০-১৫৬০ শক)দেৱেহে অসমীয়া গদ্যক পোনপটীয়া আৰু প্ৰধানকৈ সাহিত্য-ৰচনাত ব্যৱহাৰ কৰে। মুঠতে ভট্টদেৱৰ সময়ৰ পৰাই অসমীযা গদ্যই বিভিন্ন গতি-প্ৰকৃতিৰে অসমীযা গদ্য সাহিত্যক সমৃদ্ধ কৰিব লাগিছে।

সময়ৰ জোখেৰে অসমীয়া ভাষা-সাহিত্যৰ মধ্যযুগ এটি দীৰ্ঘদিনীয়া যুগ। ইয়াৰে প্ৰথম পৰ্যায—প্ৰাক-শংকৰ যুগৰ সাহিত্য আনুমানিক খ্ৰীঃ ১৩০০-১৪৯০ -লৈ দ্বিতীয় পৰ্যায়—শাংকৰী যুগৰ সাহিত্য আনুমানিক খ্ৰীঃ ১৪৯০-১৭০০-লৈ, তৃতীয পৰ্যায—শংকৰোত্তৰ যুগৰ সাহিত্য আনুমানিক খ্ৰী° ১৭০০-১৮৩০ -লৈ। উপৰি উক্ত তৃতীয পৰ্যায অৰ্থাৎ অসমীয়া ভাষা সাহিত্যৰ উত্তৰ-শাংকৰী যুগ (আহোম যুগ) -ৰ দুটি বিশিষ্ট দান হ'ল—চৰিত আৰু বুৰঞ্জীসমূহ।

মধ্যযুগীয় চৰিত পুথিসমূহৰ সৃষ্টিৰ মূলতে হৈছে 'চৰিত-তোলা প্ৰথা। আমাৰ দেশৰ বৈষ্ণৱ সত্ৰ-থান আদিত 'চৰিত তোলা বা 'চৰিত-চৰ্চা কৰা প্ৰথা এটি প্ৰচলিত হৈ আহিছে। সত্ৰীয়া চৈধ্য প্ৰসংগৰ অন্তত এগৰাকী অভিজ্ঞ ভকতে গুৰুৰ জীৱন-লীলাৰ খণ্ড বিশেষ ক্ৰমান্বয়ে ব্যক্ত কৰে আৰু উপস্থিত ভক্ত-সমাজে পৰম নিষ্ঠা আৰু ভক্তিৰে সৈতে তাক শুনে। কোনো কোনো ভকত-সজ্জনৰ গৃহতো দহ ভকত একেলগ হৈ এনে চৰিত্ৰ-প্ৰসংগ প্ৰবৰ্তন কৰে আৰু গুৰুসকলৰ জীৱন-কাহিনী এফালৰ পৰা বিবৰি কয়। ঠায়ে ঠাযে পদ-চৰিতৰ পৰাও একো একো

অংশ সুৰ লগাই আবৃত্তি কৰা হয়। কিবা সন্দেহ বা আসোঁৱাহ পালে আন ভক্তই তাক তুলি ধৰে প্ৰয়োজন হ'লে শুধৰাই দিয়ে। কেতিযাবা কেতিযাবা ভক্ত বক্তা শ্ৰোতাৰ মন গুৰু-মহিমাত মজি চাৰিপাঁচ দিন পৰ্যন্ত চৰিত-চৰ্চন চলাই যায়। মন কৰিবলগীয়া কথা যে চৰিত-চৰ্চনৰ মাজেৰে গুৰুসকলৰ উক্তিসমূহ বেদৰ বাণীৰ দৰে লৰচৰ নোহোৱাকৈ অনেক কাল বিভিন্ন থান-সত্ৰত একেদৰে আবৃত্তি কৰা হৈ আহিছে। সত্ৰলৈ শিষ্য বা আন বৰলোক আহিলেও আশীৰ্বাদ দিবৰ বেলিকা এগৰাকী বুঢ়া ভকতে এছোৱা চৰিত কথন কৰে। অতিথিযেও চৰিত কোৱা সময়খিনি আঁঠুকাঢি থাকি চৰিত-চৰ্চনৰ মাধুৰ্য উপভোগ কৰে।

চৰিত পুথি মতে মাধৱদেৱেই প্ৰথমতে ভক্ত সমাজত গুৰুৰ গুণানুকীৰ্তন কৰি 'চৰিত-তোলা প্ৰথাৰ প্ৰৱৰ্তন কৰে। ইয়াৰ পাছৰে পৰা এই 'চৰিত-তোলা প্ৰথা সত্ৰ আৰু ভক্ত-সমাজত প্ৰচলিত হয় গুৰু-পৰম্পৰাৰ জীৱনী আৰু কাৰ্যাৱলী বৰ্ণনা কৰি চৰিত পুথি ৰচিত হ'বলৈ ধৰে। উল্লেখযোগ্য যে যিগৰাকী বিশিষ্ট বুঢ়া ভকতে আতৈ বাপুসকলৰ মাজত বা ভক্ত-সমাজত চৰিত ব্যাখ্যা কৰে তেওঁক বক্তাহে বুলিব পাৰি লেখক নহয়। বক্তাগৰাকীৰ কথন-বচন অনুসৰি যিজনে বা যিসকলে পুথিসমূহ লিখি উলিযাইছে তেওঁৰ বা তেওঁলোকৰ নাম পোৱা নাযায়। বৰ্তমান প্ৰাপ্ত কথা-চৰিত পুথিসমূহ এনে ধৰণৰ চৰিত-তোলা প্ৰথাৰপৰাই উদ্ভূত। কথা-চৰিতৰ দৰে পদ-চৰিতবোৰো একে উৎসৰ পৰাই জন্ম হৈছে। কেইখনমান উল্লেখযোগ্য কথা-চৰিত হ'ল—বৰদোৱা গুৰুচৰিত (বৰদোৱা থানত পোৱা গুৰু চৰিতৰ পৰা পুৱাৰাম মহন্তৰ দ্বাৰা সংগৃহীত আৰু লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত 'বাঁহী'ত প্ৰকাশিত ড মহেশ্বৰ নেওগ সম্পাদিত ১৯৭৭) গুৰু-চৰিত-কথা (বৰপেটা সত্ৰৰ পৰা গুৰু নিৰ্মালিৰূপে ড বাণীকান্ত কাকতিদেৱে লাভ কৰা ড মহেশ্বৰ নেওগ সম্পাদিত ১৯৮৭)। ইয়াৰ বাহিৰেও বনমালীদেৱৰ সেৱক গোবিন্দ দাসৰ 'সপ্ত-সম্প্ৰদা আৰু ভট্টদেৱৰ নামত প্ৰচলিত 'সৎ সম্প্ৰদায কথা নামৰ গদ্যত ৰচিত পুথি দুখনো অষ্টাদশ শতিকাৰে ৰচনা।

তেনেদৰে মধ্যযুগীয বুৰঞ্জী সৃষ্টিৰ মূলতে আহোমসকলৰ অৱদান স্বীকৃত। স্বৰ্গদেউ চুকাফা অসমলৈ আহোঁতে লগত পুৰ্ব-পুৰুষৰ বুৰঞ্জী আৰু ৱাই-লুং ম-হং পণ্ডিত লৈ আহিছিল। এইজনা চুকাফাই অসমলৈ বুলি আহোঁতে নাম-কিউ অৰ্থাৎ ইৰাৱতী নৈ পাৰ হৈযেই বুৰঞ্জী লিখিবলৈ পণ্ডিতক আদেশ দিছিল। সেই শুভক্ষণৰে পৰা উনবিংশ শতিকাৰ মাজভাগলৈকে আহোম-পৰম্পৰা মতে বুৰঞ্জী লিখি ৰখাৰ নিযম ধাৰাবাহিকভাৱে চলি আছিল। বুৰঞ্জীবোৰ পোনতে আহোম ভাষাতহে লিখা হৈছিল। আহোম ভাষাত লিখা ৰীতি মনিৰাম দেৱানৰ ফাঁচীৰ সময়লৈকে (১৮৫৮খ্ৰী°) চলিছিল। চিৰিং ফুকন আৰু বৰচিৰিং বৰুৱাৰ তত্বাৱধানত

দেওধাই-বাইলুং পণ্ডিতে এই কাম কৰিছিল। কিন্তু সময়ৰ গতিত আহোম মানুহে থলুৱা মানুহৰ লগত বিয়া-বাৰুৰ সম্বন্ধ ঘটোৱাত অনেকৰে মাতৃভাষা অসমীয়া হ'বলৈ ধৰে। ইয়াৰ পৰিণতিত অসমত আহোমে ৰাজ্য স্থাপন কৰাৰ দুশ বছৰমান পাছৰ পৰা ৰাজকীয় কাম-কাজ অসমীয়া ভাষাৰে চলিবলৈ ধৰে। শেষৰ ফালে প্ৰায়বোৰ আহোম মানুহেই অসমীয়া ভাষী হৈ উঠাত কথন-ভংগীত মাজে মাজে আহোম ভাষাৰ শব্দ ব্যৱহাৰ কৰি আহোমীয়া বাক্য-গাঁথনিৰে অসমীয়া ভাষাত বুৰঞ্জী প্ৰণয়ন কৰিবলৈ ধৰে।

বুৰঞ্জীবিদ ড সূৰ্যকুমাৰ ভূঞাদেৱে বিষয়বস্তু আৰু সময়ৰ ফালৰ পৰা এই দেশৰ বুৰঞ্জীসমূহক তিনিটা শাখাত ভাগ কৰিছে ঃ (১) ৰজা ভগদত্তৰ দিনৰে পৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ (১২২৮ খ্ৰী০) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস। এই ভাগৰ ঐতিহাসিক নিদৰ্শন ড সূৰ্যকুমাৰ ভূঞা সম্পাদিত 'কামৰূপৰ বুৰঞ্জী' আৰু পণ্ডিত মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদ প্ৰণীত 'কামৰূপ-শাসনাৱলী। (২) আহোম ৰজাসকলৰ —১২২৮ খ্ৰীঃ -ৰ পৰা তেওঁলোকৰ ৰাজত্বৰ শেষ কাললৈকে বা ১৮৩৮ খ্ৰী° বা তাৰো পাছলৈকে থকা আহোম ৰাজ্যৰ বুৰঞ্জী। নিঃসন্দেহে সত্য যে এই শাখাৰ বুৰঞ্জীসমূহ আহোম ৰাজত্ব কালতেই ৰচিত। এই শাখাৰ পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা পুৰণি অসম বুৰঞ্জী ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁঞি প্ৰণীত 'বাঁহগড়ীয়া বুৰঞ্জী, স্বৰ্গদেৱ গদাধৰ সিংহৰ ৰাজত্বকাললৈকে বৰ্ণিত 'পুৰণি অসম বুৰঞ্জী আৰু সুকুমাৰ মহন্তৰ ঘৰত পোৱা 'অসম বুৰঞ্জী সপ্তদশ শতিকাত ৰচিত। এই শাখাৰ 'তুংখুঙীয়া বুৰঞ্জী' শ্ৰীনাথ বৰুৱাই ১৮০৩ খ্ৰী -ত ৰচনা কৰে। সেইদৰে কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱাৰ দ্বাৰা ৰচিত 'অসম বুৰঞ্জী হৰকান্ত বৰুৱা সদৰ আমিনৰ 'অসম বুৰঞ্জী'ত প্ৰাচীন কালৰে পৰা আহোম ৰাজত্বৰ শেষলৈকে ৰাজ্যৰ নানা বিৱৰণ আছে। দেওধাই বুৰঞ্জী'ত আহোমসকলৰ পুৰণি ইতিহাস পোৱা যায়। গদ্যৰ বিপৰীতে বিশ্বেশ্বৰ বৈদ্যাধিপ আৰু দুতিৰাম স্বৰ্ণকাৰ হাজৰিকাই বৈষ্ণৱ কাব্যৰ আৰ্হিৰে 'অসমৰ পদ্য বুৰঞ্জী ৰচে। (৩) অসমৰ বাহিৰে ওচৰ চুবুৰীয়া অন্য দেশৰ বুৰঞ্জী। এই শাখৰ বুৰঞ্জীবোৰো আহোম ৰাজত্বকালতে ৰচিত। ইয়াত আহোম স্বৰ্গদেৱসকলৰ সম্পৰ্কলৈ অহা ওচৰ চুবুৰীয়া ৰজা আৰু তেওঁলোকৰ ৰাজ্যৰ বিৱৰণ আছে। এনে বুৰঞ্জীসমূহ হ'ল—'কছাৰী বুৰঞ্জী জয়ন্তীয়া বুৰঞ্জী 'ত্ৰিপুৰা বুৰঞ্জী, পাদশ্যা বুৰঞ্জী' ইত্যাদি।

ওপৰত অতি চমুকৈ মধ্যযুগীয় কথাচৰিতৰ সৃষ্টি আৰু বুৰঞ্জী ৰচনাৰ এটি ৰূপৰেখা দাঙি ধৰা হ'ল। এতিয়া প্ৰবন্ধৰ মূল বিষয় মধ্যযুগীয় কথাচৰিত আৰু বুৰঞ্জীৰ ভাষা ঃ এটি তুলনামূলক বিশ্লেষণ'ত প্ৰবেশ কৰিবলৈ বিচৰা হ'ল।

নিঃসন্দেহে সত্য —প্ৰস্তাৱিত বিষযটিৰ আলোচনা সুবিস্তৃত। সেযে চৰ্বিত চৰ্বণ পৰিহাৰ কৰি দুটি-এটি নতুন দিশেৰে— মূল বিষযটি আলোচনা কৰিবৰ প্ৰযাস কৰা হ'ল। আলোচনাৰ আৰম্ভণিতেই আমি এটি বিষয়ৰ অৱতাৰণা কৰিব পাৰোঁ সেয়া হ'ল—মধ্যযুগীয চৰিত পুথি বুৰঞ্জী আদিত থকা পশ্চিম অসমৰ ভাষাৰ বিস্তৃত প্ৰযোগ। সোতৰ শতিকালৈ কামৰূপ নামেৰে প্ৰসিদ্ধ অসমখনৰ ভাষাটোক কামৰূপী ভাষা বোলা হৈছে। এই ভাষাটো মূলত দুটা প্ৰৱাহৰ সমষ্টি। এটা বৰ্তমানৰ পশ্চিম অসমৰ উপভাষাই প্ৰতিনিধিত্ব কৰা প্ৰৱাহ আৰু আনটো পুব অসমৰ মান্য ভাষাটোৱে প্ৰতিনিধিত্ব কৰা প্ৰৱাহ। প্ৰথমটো প্ৰৱাহ প্ৰাচীন কালৰে পৰা অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বিয়পি আছে। প্ৰাচীন অসমীযা সাহিত্যত (বৈষ্ণৱ অনাবৈষ্ণৱ সকলো ৰচনাত) পশ্চিম অসমৰ উপভাষাৰ ধ্বনিগত ৰূপগত আৰু শব্দগত বৈশিষ্ট্যৰ প্ৰচুৰ নিদৰ্শন আছে। অসমীযা সাহিত্যৰ আদিযুগ আৰু মধ্যযুগৰ গদ্য সাহিত্যৰ ভিতৰত ভট্টদেৱৰ 'কথা-গীতা' 'কথা ভাগৱত' 'চৰিত পুথি 'বুৰঞ্জী' সমূহত পশ্চিম অসমৰ উপভাষাৰ নিদৰ্শন স্পষ্ট। আনকি অসমীযা সাহিত্যত আধুনিক যুগৰ সাহিত্যিক সকলৰ ৰচনাতো পশ্চিম অসমৰ উপভাষাৰ সুন্দৰ প্ৰযোগ ঘটা দেখা গৈছে। তলত মাত্ৰ চৰিতপুথি আৰু বুৰঞ্জীত প্ৰযোগ হোৱা পশ্চিম অসমৰ উপভাষাৰ চানেকিৰ সামান্য আভাস দিয়া হ'ল—

গুৰু-চৰিত-কথা'ৰ পৰা ঃ

'পাছে শুভ বাৰ তিথি মাহ চাই উৰ্ব্বশী আপিক বিবাহ দিলে' (দফা নং-১২৮)

'তেও বোলে অঃ কি পাঠা পাঠা কৰা (দফা নং-১৩৫)

বোলে মৈটা পান খাঙ্গ তমাল দেখাই দিৱক (দফা নং-১৭০)

গুৰুজনাৰ দাযা জন্মি বোলে আপি তোৰ ব্ৰহ্মশাপে মোৰ বংশছেদ হক মই ললু গোত্ৰ সমে (দফা নং-১৯১)

তেওঁৰ বান্ধাটিকে দিলে (দফা ন,-১৯২)

'সি বোলে এৰিবলৈহে ফুৰিচো দিএতা নাই কান্তেহে (দফা নং-২০৩)

এটা বামুণে আগচি ধৰি খটবন্ধকৈ নেৰে সেইখন্তে' (দফা নং-২২৬)

অসম বুৰঞ্জী (১৬৮৪ চনত ৰচিত) -ৰ পৰা ঃ

'তাঞিৰ বেটীক আমাথেৰ ইন্দ্ৰভানু বেটাক লাগি দিযক। তঞি ফিৰি কহ যাই মোৰ বেটী সুধৰ্মা যেনাই তেনাই সাধ্বী ৰূপৱতী নুই। এই বুলি বিক্ৰমসেন একদিন ঠাকুৰক সেৱা কৰি ঘুমাই থাকোতে ।

ত্ৰিপুৰা বুৰঞ্জী (১৭২৪ চনত ৰচিত) -ৰ পৰা ঃ

এই গঙ্গাজল মাহেকেত এক-বাৰ নাৱত কৰি অনায। আন দিনত কৰি পাছে মোত জনাব। পালেকিৰ বাৰিত বানাতৰ গিলিপ দিছে। মই কোনখান কৰিব পাৰোঁ চাওঁ।'

তুংখুঙীয়া বুৰঞ্জী (১৮০৬ চনত ৰচিত) -ৰ পৰা ঃ

'আপোনাৰ দেশৰ ধাৰাণ এৰি কেনে বঙ্গালৰ ধাৰাণে বঁটা পিন্ধিম। এতেকতে বৰ হুহি লাগিল। দীৰ্ঘেশ্বৰী পৰ্ব্বতৰ কাখেৰে সেই ম'হ আহিল।

দুয়ো শ্ৰেণীৰ পুথিসমূহৰ আখৰ-জোঁটনিত শিথিলতা আছে। বিশেষকৈ— চ ছ; জ ঝ য ন ণ ধ ঢ শ ষ স উ ঊ ই, ঈ আদি বিভিন্ন ঠাইত ভিন ভিনভাৱে লিখা হৈছে। যেনে—

চৰিত পুথিৰ ভাষাত চমাহ্ ছমহা জৰেখৰে, জৌৱন ঝি জাঝ, এযোপ, বন্নন, নিন্নয হাৰাসাছি দৰসন খাউদ, সোহুকলা উঠি উধি দাউৰি পুজা, পুজা।

বুৰঞ্জীৰ ভাষাত ৰণ ৰন সোন সোণ কন্যা কণ্যা মইকীয়া সইকীয়া, পাসা, পাশা জুদ্ধ যুদ্ধ জাবৰ, যাবৰ, জি ঝি, পাচে পাছে, আহিচে আহিছে, মুৰ মূৰ প্ৰিতি প্ৰীতি সি, সী।

ঋ স্বৰৰ পৰিবৰ্তন দুযো শ্ৰেণীৰ পুথিত মন কৰিবলগীযা। যেনে—চৰিত পুথিত ৰীজু ৰিসভদেৱ ৰিচমুখ প্ৰবিত্তি, দেৱঋষি দুহিতৃ। বুৰঞ্জী পুথিত ঃ পৃতি প্ৰিতি প্ৰীতি, ৰাত্ৰি ৰাতৃ।

চৰিত পুথিত 'ৱ' আৰু 'য়' ৰ প্ৰযোগ আছে। যেনে— বৈচ্যুত, লৱাত, থিৱ; যামাক, বুৰাভগিয়াক। মান্য অসমীয়া ভাষাৰ নিয়মৰ বিপৰীতে আদ্য অৱস্থানত ৱ' আৰু 'য় ৰ প্ৰয়োগ আছে যদিও ইয়াৰ উচ্চাৰণ ক্ৰমে 'অ' আৰু 'আ' হে। বুৰঞ্জীসমূহত 'য' আৰু 'ৱ' শ্ৰুতিধ্বনিৰ সলনি প্ৰাকৃতৰ অনুৰূপত ঠায়ে ঠায়ে 'এ' আৰু 'আ প্ৰযোগ হৈছে। যেনে—ঘৰিণীএকৰ জীএকে দিএ ঘাত্ৰ, শচীত্ৰ, ঠাএ, কছাৰীঅনী নোআৰো বডবৰুআ। আদ্য 'যা -ৰ উচ্চাৰণ চৰিতৰ দৰে বুৰঞ্জীতো 'আ -হে। যেনে—য়াছে, যাহিলে।

চন্দ্ৰবিন্দু ( ) সদায স্বৰৰ লগত উচ্চাৰিত হয। আধুনিক অসমীযা ভাষাত চন্দ্ৰবিন্দুটো এটা বৈশিষ্ট্যপূৰ্ণ ধ্বনিগত বৰ্ণ (Phoneme)। তেনেস্থলত চৰিত পুথিৰ ভাষাত অনুনাসিকতাহীন স্বৰৰ প্ৰযোগ দেখা যায। যেনে--তেও ধৰো দিচো, গৈছিলো নুবাৰো গাও আচো, থাকো গৰিচো। অৱশ্যে ওঁ -ৰ পৰিপূৰক হিচাপে অনেক ঠাইতে ঞ অনুনাসিক ধ্বনিটোৰ সঘন ব্যৱহাৰ চৰিত পুথিত স্পষ্ট। যেনে—তেঞ পাঞ নেপাঞ জাঞ লুকাঞ। অৱশ্যে চৰিত পুথিত ঁ যুক্ত ৰূপৰ ব্যৱহাৰো দেখা যায। যেনে—তঁওটা, আওঁৰা। বুৰঞ্জীসমূহত ঁ -ৰ ব্যৱহাৰ যথোপযুক্ত। কিন্তু স্বৰ্গদেৱ বুজোৱাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰৰ নতুন ৰীতি বুৰঞ্জীত দেখা যায়। যেনে—

১৬১৮ আহিনৰ দিনত দেৱে শিঙ্গৰি ঘৰ উঠিল (তুংখুঙীযা বুৰঞ্জী)

মানুহেৰে আলচি ঁদেৱত দ্ৰোহ কৰিব খুজিলে (তুংখুঙীয়া বুৰঞ্জী)।

শব্দমালাৰ দৃষ্টিৰে চালে দুয়ো শ্ৰেণীৰ পুথি — তৎসম অৰ্ধতৎসম তদ্ভৱ দেশী বিদেশী (আৰবী পাৰ্ছী) শব্দৰ উপৰিও আহোম আৰু আন থলুৱা ভাষাৰ শব্দেৰে পৰিপুষ্ট। তেনে শব্দসমূহৰ তালিকা সংযোজনৰ পৰা বিৰত থাকি দুয়ো শ্ৰেণীৰ পুথিত ব্যৱহৃত—পশ্চিম অসমৰ ভাষাৰ শব্দাৱলীৰ এখন তালিকাহে দিয়া হ'ল—

চৰিত পুথিত ব্যৱহৃত পশ্চিম অসমৰ ভাষাৰ শব্দাৱলী ঃ

অখট অপন্তা আপি আকাল আগাৰ আহন এমান কলাঠন্থৰা কান্তেহে, কাকা কাটা কাথে খাচা (বাক)খাৰ খন্তে, গেৰি গিহস্ত গোৰে ঘুমটি ঘলক চুকেকনে জেউৰ ডেৱা ডুকুলি তিনটা তৰ্কিব তেহে, থুল দগৰি দাউৰি দাছ, দেখু দোচোৰা দহো ধিস্কাৰ নাইকা নাইকাৎ, নিকিন নোদোৱা পাকৰি পুতি পুন্নিমা পুৰুহিত ফিৰদিনা, ফকাৰা বৰখি বৰখুন বযা বন বটন বগৰা বহাৰি বাগ বুৰা বুৰি, বিতগুা বেৱস্তা বৈনি বৌ বৌথান ভাতচুৱনি ভাঠিবেলা ভৰ্খো মৰধ মকৰ্ত্তমা মাহুত মৈটা মৈৰা ৰৰযাব লঘন ললু লোম হৰাল, হাঠা হুইনুই, স্বব সুলুবুলু।

বুৰঞ্জীত ব্যৱহৃত পশ্চিম অসমৰ ভাষাৰ শব্দাৱলী ঃ

আই, আতথাকি, আমৰা (আমি), আঘন, উমৰা ওঠেৰ এঠেৰ কাগুগুলি গাছ, গাএগ, গেল, চপকৰে ছাল-ছেলাই, ছাগল জম্মো জলচাৱা ঝীযক টেঙাৰমান নাও (নাম) নেদে ভম্মো বিশ্বোনাথ বযা বৰা (গাহৰি) মানুষ মামোৰা আমাৰ মানুষ খাই, ৰাতাৰাতি লোম হৰাল হবো হবোক হাথী।

দুই শ্ৰেণীৰ পুথিৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ বেছ চকুত লগা। তলত ৰূপতত্ত্বৰ উল্লেখযোগ্য দিশসমূহ চমুৱাই আলোচনা কৰা হ'ল—

(ক) শব্দ-বিভক্তি ঃ

চৰিত পুথিত ১মা এ বিপ্রে নি গৃহিনীক দি বোলে
-ই ॰ বুঢাই খাৰযুই দি ঘৈলে আহিল
কোনো বিভক্তি যোগ নহয় ॰ গুৰু পাচদিনা সুধিলে
২যা -ক ॰ গৃহিনীক দি বোলে
৩যা -ৰে গমচাৰে মচি পাটত থই
৪থী -লৈ ঃ জীৱক কৃপাৰে নামিল পৃথিৱীলৈ
৬ষ্ঠী -ৰ ঃ নৰনাৰায়ণ ৰাজাৰ ৰাশিত শনি প্ৰবেশিল
কোনো বিভক্তি যোগ নহয় ঃ ৰাজা ঠাই
৭মী -ত ঃ পিতাত কৰা।

চৰিত পুথিত অপাদান অৰ্থ বুজাবলৈ ৪টা ক্ৰম লক্ষ্য কৰা যায়—

(১) ষষ্ঠী বিভক্তি -ৰ + -পৰা পৰসৰ্গ ৹ শৰীৰৰপৰা বাজ হৈছে নিজ শক্তিএ

(২) অকল তৃতীয়া বিভক্তি -ৰে যোগ কৰি জন্মৰে চাকুলি

(৩) অকল -পৰা যোগ দি চালিপৰা নৱঘটি বেলা হৈছে

(৪) বিশেষ কিছুমান প্ৰত্যয় যোগ দি

-ৰ্তে পানীৰ্তে উঠা নজাই কিৰ

-ৰ্ত্তে জন্মৰ্ত্তে পযানলৈ

-ত্তে ৹ এইখিত্তে আছো

-তে ৹ মহামহন্ত এজন আছিছে কামৰূপতে।

বুৰঞ্জীত ১মা -এ ৰাজাদেৱে কটকী পঠালে

-ই মহাৰাজাই শদিযা নগৰলৈ গ'ল

কোনো বিভক্তি যোগ নহয স্বৰ্গদেৱ মান্তি নহ'ল

২যা -ক চাউলাই কোঁৱৰক

৩যা -ৰে সোণৰ ৰূপৰ জখলাৰে নমাই পঠালে

-এ ° নাৱে গ'ল

-এৰে পাখিএৰে

-য়েৰে ঃ তুমিয়েৰে

৪ৰ্থী -লৈ ৹ মুংৰিমুঙৰামলৈ আহিল

-ক ৹ চুক্ৰানফাৰ ঠাইক মানুহ পঠালে

৬ষ্ঠী -ৰ প্ৰজাৰ দুখ হ'ল

৭মী -ত একে পাটত দুটা ৰাজা নাথাকে

-এ' যুদ্ধে বলে নোৱাৰি।

বুৰঞ্জীৰ ভাষাত দ্বিতীয়া বিভক্তিৰ সলনি সপ্তমী বিভক্তিৰ প্ৰযোগো দেখা যায়। যেনে—কিংলুঙে ৰাজাদেৱত ক'লে চুকাফা ৰাজাত কলহি। অপাদান অৰ্থ বুজাবলৈ ষষ্ঠী -ৰ -ৰ পাছত -পৰা পৰসৰ্গৰ ব্যৱহাৰ আছে। যেনে— দুখৰ পৰা তাৰ পৰা পলাব ধৰিলে। এইদৰে দুই শ্ৰেণী পুথিৰ শব্দ-বিভক্তি প্ৰয়োগৰ বিচিত্ৰতা পৰিলক্ষিত হয।

(খ) বহুবচনৰ প্ৰত্যয় ঃ

বহুবচনৰ প্ৰত্যযৰ ক্ষেত্ৰত -ভোৰ' -হঁত দুই শ্ৰেণীৰ পুথিতে ব্যৱহাৰ কৰা দেখা যায। ইযাৰ বাহিৰেও দুই শ্ৰেণীৰ পুথিত অনেক পৃথক পৃথক বহুবচনৰ প্ৰত্যয় ব্যৱহাৰ কৰা দেখা যায।

চৰিত পুথিত বহুবচনৰ প্ৰত্যয —

-সব' ঃ দ্বিজসব এই প্ৰত্যয়টো কেতিয়াবা বিশেষ্য শব্দটোৰ পিছত যোগ

নহৈ আগতো ব্যৱহাৰ কৰা দেখা যায়। যেনে—সবেলৰা বেটিখাই দিনমান। কেতিয়াবা বহুবচনৰ প্ৰত্যয় -স্বব অকলে প্ৰয়োগ কৰিও বহুবচন বুজোৱা হয়। যেনে—স্বব এৰি পলাল।

-গণ ঃ গোপগণ
-ঠে তোম্ৰাঠেৰ
-লোক ঃ হোজালোক,
'-হান ঃ সাৰাহান

বুৰঞ্জীত বহুবচনৰ প্ৰত্যয় —

'-ভুৰ' ঃ সকলোভুৰ,
'-বোৰ' ঃ ইবোৰ
-বোলাক' ঃ ইবোলাক সিবোলাক
-বিলাক ঃ নেওগবিলাক,
'-হেঁত ঃ ইহেঁত।

(গ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ

নিৰ্দিষ্টতাবাচক প্ৰত্যযৰ ব্যৱহাৰৰ ক্ষেত্ৰত আলোচনা কৰিলে দেখা যায় বুৰঞ্জীৰ তুলনাত চৰিত পুথিত নিৰ্দিষ্টতাবাচক প্ৰত্যযৰ ব্যৱহাৰ ব্যাপক। চৰিতপুথিত ব্যৱহৃত কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয হ'ল -আখি -কুৰি -কঠা -কঠি -খন -খান -খনি, -খানি, -খিনি, -খাৰ, -গচ -গচি, -গোটা -চাহি, -জন -জনা, -জনি, -জাক -জোপা -জুৰি -টা -টো -টি -টুপি -ডাল -ডালি -থোকা -দোন, -পুৰা, -পাত, -ফেৰি -বেলা, -বাহ, -ভাৰ, -মুঠি -মলা -যুপি -যোপ, -হালচা, -হালিচা -সেৰ আদি।

ইয়াৰ বিপৰীতে বুৰঞ্জীত ব্যৱহৃত নিৰ্দিষ্টতাবাচক প্ৰত্যযসমূহ হ'ল -খন -খান -চলু -জন -জনা -জনী -টা -টি -টো -ডাল -ডুখৰি যোৰ -যুৰ যুৰি আদি।

চৰিত পুথিত নিৰ্দিষ্টতাবাচক প্ৰত্যযৰ ব্যৱহাৰৰ ব্যাপকতাৰ কাৰণ হিচাপে সমাজৰ বিভিন্নজনৰ কথনভংগীৰ প্ৰতিফলন বুলি ভাবিব পাৰি।

(ঘ) ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ ঃ

ক্ৰিযাৰ নাস্ত্যৰ্থক ৰূপৰ বেলিকা চৰিত পুথিসমূহত বিচিত্ৰতা প্ৰকাশ পাইছে চৰিত পুথিৰ নাস্ত্যৰ্থক ৰূপবোৰ তলত দিযা ধৰণৰ

প্ৰথম শ্ৰেণী ঃ ন + ধাতু— (ধাতুটোৰ প্ৰথম স্বৰধ্বনি অনুযায়ী 'ন -ৰ 'অ স্বৰধ্বনিৰ পৰিৱৰ্তন হয) নিদিযে নিচিনিলে নেপাই নিশিকোঁ নিদিযা, নাজাব নেদেখিলো নুঠিলে নাপাই, নেদে নাসাহে, নুৱাৰো নালাগে, নিদিঞ, নেদেখে

নুবুলিব নোলাই, নেমাইলে নেথাকিবা

দ্বিতীয় শ্ৰেণী ন + ধাতু— ('ন -ৰ 'অ' স্বৰধ্বনিৰ সমীভৱন নোহোৱা)
নজৰা নপাতিবা নপাইলে নপাৰো নকৰিব নপাজে, নপৰে, নথাকে নজানো
নপাৰো নপাই

তৃতীয় শ্ৰেণী ঃ দুটা নাস্ত্যৰ্থক ক্ৰিয়াৰ একেলগে ব্যৱহাৰ—নিদিঞঃ, নথাঞঃ;

চতুৰ্থ শ্ৰেণী ঃ অনিয়মিত ক্ৰিয়া 'নাই' ব্যৱহাৰ কৰি—সুকান উখান নাই, সজ
ঠাই নাই, শ্ৰীৰাম দহো নামত নাই, চিৰাম আতা নাই, চিৰাম দেখু নাই,

পঞ্চম শ্ৰেণী ঃ মূল ধাতুৰ আগত 'নাই' যোগ দি— চাইটি বস্তুৰ আগগুৰি
জঞ্জাল নাইমৰা,

ষষ্ঠ শ্ৰেণী ঃ 'নাইকা' ৰূপ প্ৰয়োগ কৰি—পানি নাইকা তৰতে ডুবিলো, খাৰ
নাইকা হিলৈ।

ওপৰৰ ২য় শ্ৰেণীৰ ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপবোৰৰ মাজত এটি ভকতীয়া সুৰ প্ৰচ্ছন্ন থকা বুলি অনুমান কৰিব পাৰি। বুৰঞ্জীৰ ভাষাত এনে ভিন্নতা পৰিলক্ষিত নহয়। বুৰঞ্জীত ব্যৱহৃত ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপসমূহ এনে ধৰণৰ ঃ

নালাগে, নেলাগে, নাজানো, নেবাজে নুগুছে, নিদিলি, নেনিলি, নোবোলে, নকৰে নকৈছিল।

(ঙ) ক্ৰিয়াৰূপৰ ধ্বনিলোপ ঃ

চৰিত পুথিবোৰত কিছুমান ক্ৰিযাৰূপৰ প্ৰয়োগত মধ্যধ্বনি, ধ্বনিপুঞ্জৰ লোপ হোৱা দেখা যায়। যেনে— (গুৰু-চৰিত-কথা'ৰ পৰা)

-ন- লোপ	ঃ আনিলে > আইলে (দফা নং-৩৩০)
	আনিলা > আইলা (দফা নং-৮৬৮)
-ৰ লোপ	পুৰিলে > পুইলে (দফা নং-৩৮০)
	ধৰিলে > ধৈলে (দফা নং-৩১৪)
	মাৰিলে > মাইলে (দফা ন-৩২৬)
-ল- লোপ	তুলিলে > তুইলে (দফা নং-৩৯৩)
	মেলিলে > মেইলে (দফা নং-৮৭৮)
-জ- লোপ	খুজিচো > খুইচো (দফা ন-৪৪৪)
-লছি- লোপ	ঃ বুলিছিলোঁ > বুইলো (দফা নং-১১১৫)

এইবিলাক ক্ৰিযাৰূপৰ প্ৰয়োগত ভকতীয়া ঠাঁচ প্ৰচ্ছন্ন থকা বুলি ভাবিব পাৰি। বুৰঞ্জীসমূহত এনেকুৱা ক্ৰিয়াৰূপৰ প্ৰয়োগ সততে চকুত নপৰে।

বাক্যতত্ত্ব ঃ

চৰিত পুথিৰ বাক্যতত্ত্ব বিশ্লেষণ কৰিবলৈ যাওঁতে এটি বিশেষ অসুবিধাৰ কথা

মনলৈ আহে। এই অসুবিধাৰ কাৰণ হ'ল— পুথিসমূহত আছে কথিত ভাষাৰ বিবিধ ভাব (Moods) বিভিন্ন বক্তাৰ বিভিন্ন সুৰ সৰ্বোপৰি চৰিত পুথিৰ ভাষা সত্ৰৰ কীৰ্তন ঘৰত বা ধৰ্মঘৰত বহি ভক্তবৃন্দক সম্বোধন কৰি কৰা কথনৰ ভাষা। আনহাতে লিখিত পুথিত থকা কূটচিহ্নসমূহেও জটিলতাৰ সৃষ্টিহে কৰিছে। উদাহৰণ হিচাপে গুৰুচৰিত-কথা নামৰ চৰিত পুথিখনিৰ তলৰ দফাটোকে ল'ব পাৰি °

-আৰু গীত কৰি গোটাই লিখিলে বাৰেওকুৰি ঃ কমলা গায়নে নিলে আৱৰাবলৈ ০ চতমহা বনপোৰা বতাহত ঘৰ পোৰাত পুইলে ° গুৰুজনে খেদকৈ বোলে বৰাপো ° অনেক শ্ৰমকৈ গীতখানি কৈলো পুইলে গীত কিছু কৰা আমি নকৰো আৰু তেহে মাধৱদেৱে ঃ গুৰু বাক্য ধৰি কৰিছে ০ আতৈসবৰ মুখত ৰোৱা আগ গুৰি ৰিহা গাৰি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে নকুৰি এঘাৰটা বৰগীত চই ৰসে চোৰ চাতুৰি ।। * ।। ৩৮০ ।।

— এই দফাটো পঢ়িবলৈ পুৰণি পুথিৰ কূটচিহ্নসমূহৰ ধাৰণা যদি নাথাকে তেনেহ'লে চৰিত পুথিৰ ৰস উপলব্ধিত ব্যাঘাত জন্মিব। উক্ত দফাটো আধুনিক যতি চিহ্ন ব্যৱহাৰ কৰি তলত এনেদৰে লিখিব পাৰি ঃ

আৰু গীত কৰি গোটাই লিখিলে বাৰেওকুৰি। কমলা গায়নে নিলে আৱৰাবলৈ। চ'তমহা বনপোৰা বতাহত ঘৰ পোৰাত পুইলে। গুৰুজনে খেদকৈ বোলে বৰাপো অনেক শ্ৰমকৈ গীতখানি কৈলো। পুইলে। গীত কিছু কৰা। আমি নকৰো আৰু। তেহে মাধৱদেৱে গুৰু বাক্য ধৰি কৰিছে। আতৈসবৰ মুখত ৰোৱা আগ গুৰি ৰিহা গাৰি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে। নকুৰি এঘাৰটা গীত চই ৰসে চোৰ চাতুৰি।।

ইয়াৰ বিপৰীতে বুৰঞ্জী পুথিসমূহৰ বিষয়বস্তুৰ প্ৰকাশ শক্তিৰ মূলতে হৈছে বাক্যৰীতি। চুটি চুটি বাক্যেৰে ভাব প্ৰকাশ কৰাত লেখক পাকৈত। কেইবাটাও দীঘল বাক্য একেলেঠাৰিয়ে ব্যৱহাৰ কৰি লৈ সাধাৰণতে চুটি বাক্যেৰে ভাবৰ সামৰণি মাৰে। একে বিশেষ্য পদক পৰস্পৰ সম্বন্ধ থকা বাক্যত সঘনাই প্ৰয়োগ কৰিলে ৰচনাৰ শ্ৰুতিমাধুৰ্য লোপ পাব বুলি বহুলভাৱে সৰ্বনাম শব্দ ব্যৱহাৰ কৰে। এই একে কাৰণতে পৰস্পৰ সম্বন্ধ থকা বাক্যত কৰ্তৃপদ উহ্য থকাটো লক্ষ্যণীয়। তলত পুৰণি অসম বুৰঞ্জী'ৰ কেইটামান বাক্যেৰে কথাখিনি মুকলি কৰিব বিচৰা হ'ল—

১ম বাক্য দুৰ্লভ দানী মানী যশস্বী ৰাজা হ'ল।

২য় বাক্য এঞে পূৰ্ব্ব জন্মত ব্ৰাহ্মণ আছিল।

৩য় বাক্য সন্ন্যাসী হৈ মণিকূট পৰ্ব্বতত তপস্যা কৰিছিল সৌমাৰ পিঠত ৰাজা হবলৈ পাচে তেঞে ১৬২৮ শকত হিডম্ব দেশক আক্ৰমি ললে।

৪ৰ্থ বাক্য · তাত পাচে ১৬২৯ শকত জয়ন্তী দেশ মাৰিলে।
৫ম বাক্য পাচে যবনক মাৰিবৰ নিমিত্তে কামৰূপলৈ আহি স্বৰ্গী হ'ল।
৬ষ্ঠ বাক্য ঃ ১৬৩৬ শকত তেওঁৰ জ্যেষ্ঠ পুত্ৰ ৰাজা হ'ল।
৭ম বাক্য মহা তেজস্বী ধৰ্ম্মশীল দুৰ্গা উপাসক।
৮ম বাক্য আনো ৰাজ লক্ষণ অনেক আছে। (পুৰণি অসম বুৰঞ্জী, পৃ ৬)।

ওপৰৰ বাক্যকেইটি এটি দফাৰে। ইয়াৰ ২য়, ৩য়, ৪ৰ্থ, ৬ষ্ঠ, ৭ম বাক্যৰ কৰ্তৃপদ উহ্য। 'দুৰ্লভ' নামটো মাত্ৰ এবাৰহে উল্লেখ কৰা হৈছে, প্ৰয়োজন সাপেক্ষে সৰ্বনামৰ প্ৰযোগ হৈছে। সংক্ষেপকৰণৰ লগতে কৰ্তৃপদ উহ্য ৰাখি অৰ্থৰ বিকৃতি আৰু হীনডেটি নঘটাকৈ ৰচনা কৰিবৰ ক্ষমতাতহে লেখকৰ বৈশিষ্ট্য ফুটি ওলাইছে।

বাক্যৰ শ্ৰেণীবিভাগ ঃ

দুয়ো শ্ৰেণীৰ সাহিত্যত ক্ৰিয়াযুক্ত বাক্যৰ প্ৰয়োগ সুস্পষ্ট। বুৰঞ্জীৰ বিপৰীতে চৰিত পুথিত ক্ৰিয়াবিহীন বাক্যৰ প্ৰয়োগ অধিক দেখা যায়। তলত 'গুৰু-চৰিত-কথা'ৰ পৰা তেনে বাক্যৰ নমুনা দাঙি ধৰা হ'ল—

আৰু এজনৰ নাম ভৱানন্দ (দফা নং-১৭৪),
সি শাক্ত কামসিক (দফা নং-১৯২)
সূৰ্যভানুৰ বেটা চন্দ্ৰভানু (দফা নং ১৯৯)
পূবে দখিনে হিৰা কুমাৰ (দফা নং-২০০)
নাৰাযণ দাস মোৰ প্ৰাণ (দফা নং-২৪৬)।

ভাবৰ ফালৰ পৰা দুয়ো শ্ৰেণীৰ সাহিত্যৰ বাক্যক আৰু কিছুমান ভাগত ভগাব পাৰি—

ভাগসমূহ	চৰিত পুথি (গুৰু-চৰিত-কথা)	বুৰঞ্জী (সাতসৰী অসম বুৰঞ্জী)
(১) বৰ্ণনাত্মক বাক্য	১/ গুৰুজনৰ গাপ লগা আহু চাউলৰ অনে উদৰ মন্দ হ'ল ২/ পাচে চতন আতৈএ বোলে বাপু তোমালৈ এটি কন্যা আনো	১/'আতপাচে ত্যাওকা খ্যাতমাখি ৰজা হ'ল ২/ পাচে চুটিয়া ৰজায়ে ৰলাকৈ নি ধৰিলে ভণ্ডৰাৰে গচকাই মাৰিলে
(২) নিষেধাত্মক বাক্য	১/'কৃপা সবে গুচিল নকৰাএ ২/'তাৰ স্বাদ একো নেপাএ	১/ বেজদলৈয়েও নাজানে' ২/'বৰগোহাঁইক ধৰি নামাৰিলে
(৩) প্ৰশ্নসূচক বাক্য	১/'ৰামদাস আৰা কোন ২/ তোম্ৰা কোন দেশী ধাম কোন	১/'ৰজা বোলে কাৰ যোৱালী? ২/'শত্ৰুৰ বল ব্যাবৰ কি কাৰণ?
(৪) আজ্ঞাসূচক বাক্য	১/'ৰৰাপো এটি গীত কৰা ২/'তুমি আঙ্গলে গাঠি দিয়া	১/'ৰজবি আহি এই ঘৰতে থাকিবি ২/'বৰ মিহাওৰ ওচৰতে সৰু মিহাওক পুতিবি'
(৫) বিস্ময়সূচক বাক্য	১/ এতিয়া ওলাই থৈলা বান্ধি এতিয়াহে পৰমাৰ্থ সোধা	১/'ৰামসিংহ বোলে এমন বয়সত এমন বুদ্ধিহে'

	২/'মনুষ্য নহই ঈশ্বৰ সাক্ষাত নৰদেহা ভৈলাহে জন্মৰ্ত্তে প্ৰমাণ পাইচো মই	২/'ভালা ৰাজা ভালা দেশ ভালা মন্ত্ৰী
(৬) সন্দেহসূচক বাক্য	১/ এমান মৰ্ম্ম হলনে বাটে পন্থে লগ পালেও নিচিনো নেপা	১/ পাত্ৰ-মন্ত্ৰীসকলৰ কাৰ কেনে আসয়
	২/'তাৰা দেখো কালি বেলা ভাটিত গৈ বেগেই আহে চাউলবা সিজাই নিসিজাই	২/'নাজানো ইষ্টদেৱ তুমি কোন অৱস্থা কৰা
(৭) ইচ্ছাসূচক বাক্য	১/'বাপু তোমালৈ এটি কন্যা আনো	১/'তুমি মোক ইবাৰ ৰক্ষা কৰি এই ঠাইলৈ আনিবা
	২/'বিষ্ণুপ্ৰিয়াক তাৰাত বিবাহ দিলোহতে সুধিব কি বোলে	২/'ভড়ৰী আই, বঙ্গালাখনি খাই দিয়া

চৰিত পুথিত আৰু এক শ্ৰেণীৰ আজ্ঞাসূচক বাক্যৰ ব্যৱহাৰ দেখা যায়— যিবোৰত ভকতীয়া ঠাচ বেচ চকুত লগা। যেনে—

বোলে এটেই অহাজক (গুৰু-চৰিত-কথা দফা নং-৮৫৬)

তেহে গুৰুজনে বোলে জকগৈ (গুৰু-চৰিত-কথা দফা নং-৫৬৩)

বাক্যত চৰ্তসাপেক্ষতা :

দুয়ো শ্ৰেণীৰ পুথিৰ বাক্যত চৰ্তসাপেক্ষতা চকুত লগা। চৰিত পুথিৰ গদ্যত -হেঁতেন ৰ সলনি -হতে -হলে পৰসৰ্গ যোগ দিয়া দেখা যায়। যেনে— বোলে যদি আমাৰ বাক্য ৰাখি ৰলাহতে তোমাক চৰাগলহতে। কেতিযাবা আকৌ বাক্যটো তিনিটা অংশত বিভক্ত হোৱাও দেখা যায়। যেনে—

'তাৰাসবৰ লগতে তুমিও উঠাহলে : আমি আৰু একো নকৈ চৰাগলহতে ° আমাকো তেনেকৈ আৰু ঠাইতে নমাইলেহতে।।

বুৰঞ্জীৰ ভাষাত -হতে' আৰু -হেঁতেন' দুয়োটা প্ৰয়োগ কৰা দেখা যায়। যেনে—

'সত্ৰাজিতকো ধৰি দিব পাৰিলেহঁতে, মিত্ৰৰ কাৰণেহে নিদিলে, ইয়াক কাটিলোহঁতে, পণ্ডিতক নাকাটো।'

'মই যদি ৰাজা হলোহেঁতেন ম'হ খোৱাক ম'হ, চাগ খোৱাক চাগ মেঠন খোৱাক মেঠন এইৰূপে দিলোহেঁতেন।

প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰ :

দুয়ো শ্ৰেণীৰ পুথিসমূহৰ এটি আকৰ্ষণীয় দিশ হ'ল প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰ। প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰৰ অন্তৰালত আছে—বিভিন্নজনৰ উক্তি হুবহুভাৱে ধৰি ৰখাৰ প্ৰচেষ্টা। অৱশ্যে প্ৰত্যক্ষ উক্তি বুজাবলৈ আধুনিক অসমীয়া ভাষাৰ নিচিনাকৈ কওঁতাৰ কথাখিনিত উদ্ধৃতি চিহ্ন (' —) ব্যৱহাৰ কৰা চৰিত পুথিত দেখা নাযায়। যেনে—

'সত্যসন্ধ্যা আইয়ে স্বামীক বোলে তোমাৰ পুত্ৰৰ কাম চোৱাহি'

'মহাপুৰুষ গুৰু বোলে ৰামানন্দৰ মাক চোৱাহি ৹ মই কঞ্চ নপতিয়াঁ নিৰ্গুনত গুণ দিব খোজা ঃ

বুৰঞ্জীৰ ভাষাত উদ্ধৃতি চিহ্ন (—) ক'ৰবাত ব্যৱহাৰ কৰা দেখা যায়, ক'ৰবাত নাযায়। যেনে—

'ৰাজা শুনি বোলে বঙ্গাল বৰাত কৰি মৰণেসে ভাল।'

বুঢ়াগোহাঁইয়ে বোলে—"ৰাজাৰ কুৱঁৰী মোৰ গৃহত থাকিবলৈ ভাল নুহে।"

সাধুকথাৰ কথ্যভংগীযুক্ত বাক্যৰ ব্যৱহাৰ ঃ

সাধুকথা কোৱা-শুনাৰ পৰম্পৰা দীৰ্ঘদিনীয়া। দুই শ্ৰেণীৰ পুথিতে কাহিনীৰ মাজত মৰ্মযুক্ত সাধুকথাও সামৰি লোৱা হৈছে। কিন্তু উল্লেখনীয় বিষয় হৈছে—সাধুকথা কোৱাৰ যিটো ৰীতি—সেই ৰীতি চৰিত পুথিৰ সাধুকথা ভিন্ন অন্যান্য কিছুমান দফাত বৈ গৈছে। বিশেষকৈ 'গুৰু-চৰিত-কথা'ৰ কিছুমান দফাৰ আদিতে সাধুকথাৰ কথ্যভংগীযুক্ত বাক্যৰ ব্যৱহাৰ মন কৰিবলগীয়া যেনে—

পাছে একদিনা নাৰদ দেৱঋষি ' (দফা নং -০৪)

'পাছে মাসেকৰ অন্তে শিৰস্নান হল আইৰ ' (দফা নং -২০)

'আৰু একদিনা ঢোপ খেদোতে চান্দৰ বস্ত্ৰ খণ্ড খণ্ড হ'ল ' (দফা নং -৪৪)

'আৰু একদিনা গৈ গোপীনাথে চৈতন্য গোসাইৰ দ্বাৰে থিত হৈচে '(দফা নং-২৮২)

অৰ্থতত্ত্ব ঃ

দুয়োবিধ পুথিৰ অৰ্থতাত্ত্বিক দিশটোৰ কথা উলাই কৰিব পৰা বিধৰ নহয়। বিশেষকৈ মহাপুৰুষ দুজনাৰ পবিত্ৰ চৰিত্ৰ কীৰ্তন কৰি সাধাৰণ লোকক, তেৰাসবৰ প্ৰতি শ্ৰদ্ধা-ভক্তি আকৰ্ষণ কৰোৱায়ে চৰিত পুথিৰ প্ৰদান উদ্দেশ্য, সেয়ে ধৰ্ম-ভক্তিজ্ঞাপক সাধাৰণ ফকৰা, ভকতীয়া ফকৰাসমূহৰ প্ৰয়োগ ঘটোৱা হৈছে। চৰিত পুথিৰ ভাষা সম্পূৰ্ণ কথিত ভাষা। এই কথ্য ভাষাত অতি সঘনে ব্যৱহাৰ কৰা সাধাৰণ ফকৰা, ভকতীয়া ফকৰাবোৰে বক্তাৰ বাক-চাতুৰ্যৰ পৰিচয় দাঙি ধৰাই নহয় ইয়াৰ জৰিয়তে বক্তাৰ সুৰুচিবোধৰ পৰিচয়, শ্ৰোতাৰ মন-মগজুৰ কৰ্ষণ ঘটাইছিল। তেনেদৰে বুৰঞ্জীৰ বৰ্ণনা আৰু বিষয়বস্তু সমসাময়িক সমাজ আৰু সমাজৰ জীয়া মানুহৰ কাহিনী মাত্ৰ। ইয়াতো ফকৰা-যোজোনা আদিৰ বহুল প্ৰয়োগ ঘটাটো মন কৰিবলগীয়া। ৰজা ডা-ডাঙৰীয়া, আনকি সাধাৰণ মানুহৰ আশা আৰু আকাংক্ষা, শিক্ষা আৰু অভিজ্ঞতা, আদৰ্শ আৰু উপদেশ ইত্যাদিৰে সমৃদ্ধ ফকৰাসমূহৰ ঐতিহাসিক মূল্য নিঃসন্দেহে আছে। এনেকুৱা উক্তিবোৰত আবেগ, অনুভূতি আৰু কলাসুলভ স্বাদ পোৱা যায়।

ৰূপক অৰ্থৰ প্ৰয়োগ ◦

বুৰঞ্জীৰ বিপৰীতে চৰিত পুথিৰ ভাষাত ৰূপক অৰ্থৰ প্ৰযোগ মন কৰিবলগীযা। চৰিত পুথিসমূহত এনে কিছুমান কাহিনীকথন কৰা হৈছে য'ত তাৰ আক্ষৰিক অৰ্থ উপৰুৱা। কাহিনী কথনৰ অন্তৰালত গূঢ় অৰ্থজ্ঞাপক ইংগিত প্ৰচ্ছন্ন হৈ থাকে। এনে ৰূপকৰ অন্তৰালত সদায় এটি নৈতিক আদৰ্শ থাকে। তলত মাত্ৰ এটি ৰূপকাত্মক বিষয় উত্থাপন কৰা হ'ল—

গুৰু-ভূমি ঃ শৰণে-বিৰ্যবিধান সঙ্গমাৰ্গে—চহোৱা ঈৰিষা অসুৱা—নলহেঙ্গেৰা ॰ মৰম প্ৰীতিএ—দলিমূৰা জবকা ॰ খেদ অনুৰাগে—বায়ুবহ্নি ॰ শ্ৰৱণ কীৰ্ত্তনে—বিন্ধা মৈ ঃ হিংসা পি শূন্যটোক—বলিবলৈ কহুৱা ঃ স্নেহ-শ্ৰধা—নিৰন গচন ঃ চিত্ত বুদ্ধিএ—কোৰখন্তি ঃ মনে—নাল ঃ কাই—বাক্যে—সাল ঃ সেৱা সুখ সন্তোষে—পকন ঃ কাম-ক্ৰোধ-লোঁভ—মহ বৰা হস্তী ঃ মোহে—গান্ধি ॰ সঙ্গে দোষ—গুৰু ও ব্ৰতখৰবান ঃ নিচএ—কাচিৰে দাই ঃ প্ৰেম ৰজুএ বান্ধি আনি ভক্তি ভাণ্ডাৰত থই ॰ ধৰ্ম অৰ্থ দ্বাৰ ঃ কাম মোক্ষ ডাঙ্গমাৰি থই থাই ॰ থাকা মহাসুখে ঃ (গুৰু-চৰিত-কথা দফা নং-৫০০)

কৃষি-কাৰ্যৰ লগত হৰিভক্তিৰ এই ৰূপকাৰ্থ অতি মনোৰম।

সাঁথৰৰ ব্যৱহাৰ ◦

বুৰঞ্জীৰ বিপৰীতে চৰিত পুথিৰ ভাষাৰ মাজত সাঁথৰধৰ্মী ৰূপ একোটিও মাজে মাজে পোৱা যায—ইও বাক্ চাতুৰ্যৰ নিদৰ্শন। যেনে—

'ব আদি গ্ৰাম ॰ শ আদি নাম
হৰি অৱতাৰ পূব দিশত (গুৰু-চৰিত-কথা দফা নং-৩২১)।

ইয়াৰে 'ব আদি গ্ৰাম'ৰ অৰ্থ বৰদোৱা 'শ আদি নাম'ৰ অৰ্থ শংকৰদেৱ।

ওপৰত মধ্যযুগীয কথাচৰিত আৰু বুৰঞ্জীৰ ভাষাৰ তুলনামূলক বিশ্লেষণৰ এটি সামান্য ৰূপৰেখা দাঙি ধৰা হ'ল। দেখা যায—অসমীযা ভাষাৰ পুৰণি গদ্য সাহিত্যৰ গতিপথত দুযো শ্ৰেণী গদ্যই মাইলৰ খুঁটি। চৰিত পুথিৰ গদ্য কথোপকথনমূলক। এই শ্ৰেণীৰ গদ্যৰ আকৰ্ষণীযতাৰ মূল কাৰণ অকল বিষযবস্তুৱেই নহয—সেই বিষয়বস্তু উপলব্ধিৰ যোগেদি বক্তা আৰু শ্ৰোতাৰ অন্তৰৰ আৱেগ উচ্ছ্বাসেও যথেষ্ট সহায কৰিছে। তেনেদৰে বুৰঞ্জীৰ ভাষা গাম্ভীৰ্যপূৰ্ণ আৰু সম্ভ্ৰমসূচক। ইয'তো থলুৱা কথিত ভাষাৰ গোন্ধ আছে। ইয়াৰ ৰীতি সৰল অথচ শক্তিশালী। অসমীয়া বুৰঞ্জীবোৰ কেৱল তথ্য-পাতিৰ একোটা নীৰস টোপোলাই নহয—ইযাত প্ৰসংগক্ৰমে ঠায়ে ঠায়ে কিছুমান উপকথা নীতিকথা সৃষ্টিমূলক কাহিনী, কিংবদন্তি বা সামান্য কল্পনাৰ ৰহন সনা কথাৰ উল্লেখ আছে। যিথিনিৰ মাজত পাঠক ডুব গৈ থাকে। □

সহায়ক গ্ৰন্থপঞ্জী ঃ

কাকতি ড বাণীকান্ত *পুৰণি অসমীয়া সাহিত্য* ১৯৮৯।

কটকী ড প্ৰফুল্লচন্দ্ৰ *ক্ৰমবিকাশত অসমীয়া কথা শৈলী* ১৯৮৮।

গগৈ ড লীলা *টাই সংস্কৃতিৰ ৰূপৰেখা* ১৯৮৫।

গোস্বামী ড হেমচন্দ্ৰ (সম্পাদিত) *পুৰণি অসম বুৰঞ্জী*

গোস্বামী ড উপেন্দ্ৰনাথ *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ* ১৯৯১।

নেওগ ড মহেশ্বৰ *গুৰু-চৰিতৰ ইতিকথা* ১৯৮৩।

(সম্পাদিত) *গুৰু-চৰিত-কথা* ১৯৮৭

(সম্পাদিত) *বৰদোৱা-গুৰু-চৰিত* ১৯৭৭

বৰুৱা ড বিৰিঞ্চি কুমাৰ ঃ *অসমীয়া কথা সাহিত্য পুৰণি ভাগ* ১৯৮৪।

ভৰালী ড শৈলেন (সম্পাদিত) *অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি* ১৯৯৬।

ভূঞা, ড সূৰ্যকুমাৰ (সম্পাদিত) ঃ *অসম বুৰঞ্জী* ১৯৬২।

(সম্পাদিত) *ত্ৰিপুৰা বুৰঞ্জী* ১৯৮৩।

(সম্পাদিত) *তুংখুঙীয়া বুৰঞ্জী*, ১৯৬৪।

(সম্পাদিত) *সাতসৰী অসম বুৰঞ্জী* ১৯৭৪।

শৰ্মা ড সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* ১৯৮৯।

শৰ্মা ড হেমন্ত কুমাৰ *অসমীয়া সাহিত্যত দৃষ্টিপাত* ১৯৭২।

শৰ্মা দলৈ ড হৰিনাথ ॰ *অসমীয়া গদ্য সাহিত্যৰ গতি পথ প্ৰথম খণ্ড* ১৯৯২।

বুৰঞ্জী সাহিত্যৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য

❑ অৰ্পণা কোঁৱৰ

অসমীয়া সাহিত্যৰ ইতিহাসত মধ্যযুগীয় বুৰঞ্জী সাহিত্যৰ এক বিশিষ্ট ভূমিকা আছে। অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা বুৰঞ্জী সাহিত্য আহোমসকলৰ অনন্য অৱদান। আহোমসকলেই অসম দেশত বুৰঞ্জী লিপিবদ্ধ কৰা সৰ্বপ্ৰথম বাটকটীয়া। ৰজাঘৰীয়া সকলো বিষয় লিপিবদ্ধ কৰি ৰখাটো আহোম প্ৰশাসনে এক গুৰুত্বপূৰ্ণ নীতিৰূপে গণ্য কৰি লৈছিল। তাৰে এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল— বুৰঞ্জী প্ৰণয়ন। অসমলৈ আহোমসকল অহাৰ পূৰ্বতে এই দেশত সুসংবদ্ধ বুৰঞ্জী ৰচনা কৰাৰ কোনো প্ৰথা নাছিল। অৱশ্যে কিছুমান পুৰণি তথ্য লিপিবদ্ধ কৰি থোৱা হৈছিল কিন্তু সেইবিলাকো কল্পনাৰ প্ৰাচুৰ্যেৰে ভৰি আছিল। সেই কাৰণেই এইবোৰক প্ৰকৃত বুৰঞ্জী বুলি কৰ নোৱাৰি। আহোমসকলে অসমদেশত প্ৰৱেশ কৰাৰ পাছতে চুকাফাই তেওঁৰ দেশ জয়ৰ সকলো কথা লিপিবদ্ধ কৰি ৰাখিবলৈ আদেশ দিছিল। ১২২৮ চনত আহোমৰ প্ৰথম ৰজা চুকাফা অসমলৈ আহে। নামকিযুং (ইৰাৱতী) নৈ পাৰ হৈযেই পণ্ডিতক বুৰঞ্জী লিখি ৰাখিবলৈ আদেশ দিয়ে। সেই দিন ধৰি পুৰণি পৰম্পৰা অনুসৰণ কৰি বুৰঞ্জী লিখাৰ ৰীতি চলি আহিছিল। প্ৰথমতে বুৰঞ্জীসমূহ তাই ভাষাতহে লিপিবদ্ধ কৰা হৈছিল। অসম দেশত প্ৰৱেশ কৰাৰ পাছত থলুৱা তিৰোতা বিয়া কৰাই অসমীয়া ভাষাক উদাৰ দৃষ্টিভঙ্গীৰে লৈ আযত্ত কৰে। শাসন সম্পৰ্কীয় কাম-কাজ আনকি দৈনন্দিন জীৱনতো তেওঁলোকে অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ ধৰে। কিছুবছৰৰ পাছত সমান্তৰালভাৱে আহোম ভাষা আৰু অসমীয়া ভাষাত বুৰঞ্জী প্ৰণয়ন কৰে। কেতিয়াৰ পৰা অসমীয়া ভাষাত বুৰঞ্জী ৰচনা কৰিবলৈ ধৰে সঠিককৈ কোৱা টান যদিও পঞ্চদশ শতিকাৰ শেষ ভাগৰ পৰা তেওঁলোকে অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ চেষ্টা কৰে বুলি পণ্ডিতসকলে অনুমান কৰিছে।

অসমীয়া বুৰঞ্জী সাহিত্যৰ ৰচনাকাল ষোড়শ শতিকাৰ মাজভাগৰ পৰা বা সপ্তদশ শতিকাৰ পৰা ধৰিব পাৰি। ৰজাঘৰৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জীবিলাকৰ ভিতৰত আহোম ৰাজত্বৰ বুৰঞ্জীয়ে সৰহ। বুৰঞ্জীসমূহ পদ্য আৰু গদ্য উভয় ৰীতিৰে

লিখা হৈছিল। পদ্য ৰীতিত লিখা বুৰঞ্জী নিচেই কম। বুৰঞ্জীবিলাকক শিক্ষাৰ এক অপৰিহাৰ্য অঙ্গ হিচাপে গণ্য কৰা হয়। সেইবাবে ৰজাঘৰীয়া চিঠি-পত্ৰ কাকত, প্ৰতিবেদন আৰু পুৰণি বুৰঞ্জীসমূহ গন্ধীয়া ভঁৰালত সংৰক্ষণ কৰা হৈছিল। গন্ধীয়া ভঁৰালৰ তত্ত্বাবধানত দুজন দায়িত্বশীল বিষয়া আছিল। পাছলৈ অসমীয়া ভাষাত লিখা বুৰঞ্জীসমূহ নকল কৰিবলৈ লেখাক মামৰ এটা খেল নিয়োগ কৰিছিল। আহোম যুগৰ বহুতো বুৰঞ্জীৰ নথি-পত্ৰ গন্ধীয়া ভঁৰালত সংৰক্ষিত হৈ আছিল যদিও কালক্ৰমত বুৰঞ্জীৰ সংখ্যা কমি আহিল। প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক কাৰণ-বশতঃ বহুতো পুথি ধ্বংস হ'ল। বৰ্তমান কামৰূপ অনুসন্ধান সমিতি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু ব্যক্তিগত প্ৰচেষ্টাত কিছু বুৰঞ্জী উদ্ধাৰ কৰি সম্পাদনা কৰি উলিযাইছে। এতিয়ালৈকে উদ্ধাৰ হোৱা বুৰঞ্জীসমূহৰ ভিতৰত পুৰণি অসম বুৰঞ্জী তুংখুঙীয়া বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী ত্ৰিপুৰা বুৰঞ্জী, কছাৰী বুৰঞ্জী জয়ন্তীয়া বুৰঞ্জী অসম বুৰঞ্জী (প্ৰাচীন যুগৰ পৰা গদাধৰ সিংহৰ ৰাজত্বকাললৈকে), অসম বুৰঞ্জী (স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনৰ পৰা গদাধৰ সিংহলৈকে), অসম বুৰঞ্জী (সু কু ম) অসম বুৰঞ্জীৰ পুথি অসমৰ পদ্যৰ বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী পাদশ্যাহ বুৰঞ্জী চাংৰুং ফুকনৰ বুৰঞ্জী (সম্পা ঃ ভুবনচন্দ্ৰ সন্দিকৈ) চাংৰুং ফুকনৰ বুৰঞ্জী (সম্পা ঃ ভীমকান্ত বৰুৱা) ইত্যাদি বুৰঞ্জীসমূহে পোহৰৰ মুখ দেখা পাইছে আৰু বহুতো বুৰঞ্জী অনুসন্ধানকাৰীৰ অগোচৰে নাইবা গ্ৰন্থৰ গৰাকীসকলৰ প্ৰাচীন মোহৰ বাবে পোহৰলৈ আহিব পৰা নাই।

বুৰঞ্জীসমূহ সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। আহোম যুগৰ কাৰ্যক্ৰমণিকাৰ বিৱৰণ এই বুৰঞ্জীসমূহত একাদিক্ৰমে দেখা যায়। ইয়াত তথ্যৰ কোনো বিকৃতি নঘটোৱাকৈ ঘটনাৱলীৰ শক মাহ, তাৰিখ দিন বাৰ, তিথি দণ্ড, পল আদি স্পষ্টকৈ সন্নিবেশ কৰিহে আহোম প্ৰশাসনৰ সময়ৰ প্ৰত্যেকটো বাতৰি স্পষ্টকৈ পৰিৱেশন কৰিছে। উদাহৰণ স্বৰূপে— "সেইমতে ১৬০৩ শকত শ্ৰাৱণত শ্ৰী শ্ৰী গদাধৰ সিংহ মহাৰাজা ৰজা হ'ল। ফাগুনৰ ২১ দিন যাওঁতে শনিবাৰে মহাৰজাৰ পৰ্ব্বতৰ ঘৰত বজ্ৰপাত হ'ল। ২২ দিন যাওঁতে দেওবাৰে মহাৰাজ শিঙৰিঘৰ উঠিল। সোমবাৰে ৪ দণ্ড আছোঁতে সিংহপীৰাত বহিল। ২৪ দিন যাওঁতে মঙ্গলবাৰে দহ দণ্ড বেলি হ'লত সিংহাসনত উঠিল (তু খু বুৰঞ্জী, পৃ ১৬)।

বুৰঞ্জীসমূহৰ প্ৰধান উদ্দেশ্য ৰাজনীতি আৰু শিক্ষাৰ যোগান ধৰা। তথাপিও বুৰঞ্জীকাৰে ৰাজনীতি অৰ্থাৎ প্ৰশাসনীয় কাম-কাজ যুদ্ধ-বিগ্ৰহ, সন্ধি আদিৰ বৰ্ণনাৰ মাজতে আবদ্ধ নাথাকি এনে কিছুমান কাহিনী লিপিবদ্ধ কৰি থৈ গৈছে, যিবিলাকৰ যোগেদি সেই সময়ৰ অসমৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ধৰ্মীয় আদি দিশৰ একোখন ছবি পৰিস্ফুট হৈ উঠে। তদুপৰি কেইখনমান বুৰঞ্জীত, যেনে—অসম

বুৰঞ্জী (সু কু ম) তুংখুঙীয়া বুৰঞ্জী আদিত ৰজা মহাৰজাসকলৰ মানবীয় অনুভূতিৰ প্ৰকাশো লক্ষ্য কৰা যায়। এনে মানবীয় ৰসবোধে বুৰঞ্জীসমূহক উৎকৃষ্ট সাহিত্যৰ শাৰীত তোলাৰ লগতে সোণত সুৰগা চৰাই সাহিত্যিক মৰ্যাদা প্ৰদান কৰাতো সহায় কৰিছে। সেয়ে এই বুৰঞ্জীসমূহক সাহিত্যিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰিও এখন উৎকৃষ্ট আসন দিব পাৰি। মুঠতে, বুৰঞ্জী আৰু সাহিত্যৰ অপূৰ্ব সংমিশ্ৰণ এই বুৰঞ্জীসমূহত দেখা যায়। সূৰ্য কুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত প্ৰত্যেকখন বুৰঞ্জীৰ পাতনিত বুৰঞ্জী সাহিত্যৰ বৈচিত্ৰ্য, বৈশিষ্ট্য আৰু বৈজ্ঞানিক মূল্যায়ন সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে। লীলা গগৈয়ে— 'অসমীয়া বুৰঞ্জী কেৱল তথ্যপাতিৰ একোটা নিৰস টোপোলাই নহয়, ই সাহিত্যৰ একোটি ৰসাল ফল বুলিব পাৰি বুলি উল্লেখ কৰিছে। সূৰ্য কুমাৰ ভূঞাই বুৰঞ্জী সাহিত্য সম্পৰ্কে এনেদৰে কৈছে, 'বুৰঞ্জী লিখকৰ সবাতোকৈ কীৰ্তি হ'ল অসমীয়া গদ্যৰীতি, যি সময়ত অসমীয়াই নিজৰ ৰীতি-নীতি, ভাব-আদৰ্শ আশা-আকাংক্ষাৰে ব্যঞ্জিত জাতীয় সাহিত্য সৃষ্টি কৰিছিল, সেই যুগত দাঁতি কাষৰীয়া বাংলা সাহিত্যত এনে সাহিত্যৰ সঁচেই নাছিল।" মহেশ্বৰ নেওগৰ মতে 'বুৰঞ্জীবোৰ সাহিত্যিক আঙ্গিকৰ বৈশিষ্ট্যযুক্ত হৈ অবিৰলভাৱে সাহিত্যৰ অঙ্গীভূত নহ'লেও অনেক স্থানত এনেভাৱে উপাদেয় ৰস অনুভৱ কৰিব পাৰি।' আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত গ্ৰিয়াৰ্ছনে কৈছে, 'অসমীয়া বুৰঞ্জী সাহিত্য যথাৰ্থতে গৌৰৱৰ বিষয়। সুনীতি কুমাৰ চট্টোপাধ্যায়েও কৈছে, 'ভাৰতীয় আৰ্যভাষালৈ আহোমসকলৰ একক আৰু অতুলনীয় দান হৈছে বুৰঞ্জী সাহিত্য।

বুৰঞ্জীসমূহত বৰ্ণিত ঘটনাৱলীৰ মাজত থকা চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্যত এনে কিছুমান সমল নিহিত হৈ আছে, যিবিলাকৰ পৰা সমল লৈ কবি নাট্যকাৰ, ঔপন্যাসিকসকলে কাব্য নাটক, উপন্যাস ৰচনা কৰিছে। বাস্তৱ জগতৰ সত্য ঘটনাক লৈ লিখা এই বুৰঞ্জীসমূহৰ মাজেৰে বীৰ পুৰুষসকলৰ চাৰিত্ৰিক মৰ্যাদা সমাজ আৰু জাতিৰ সুস্পষ্ট বিৱৰণ আৰু কাৰ্যাৱলী বুৰঞ্জীকাৰসকলে পঢ়ুৱৈৰ আগত দাঙি ধৰিছে। সেয়ে, অন্যান্য সাহিত্য অধ্যয়ন কৰি পঢ়ুৱৈসকলে ৰস পোৱাৰ দৰে বুৰঞ্জী পঢ়িও পাঠকৰ শৰীৰ ৰোমাঞ্চিত হৈ পৰে আৰু জাতি, সমাজ আৰু ব্যক্তিৰ প্ৰতি ভক্তিত মন আপ্লুত হৈ পৰে।

আহোমসকলে বুৰঞ্জী সাহিত্যক পবিত্ৰ জ্ঞান কৰে। সেইবাবে মঙ্গলজনক অনুষ্ঠানত বুৰঞ্জী সাহিত্য পাঠ কৰে বিশেষকৈ বিবাহ উপলক্ষে পতা চকলং অনুষ্ঠানত বুৰঞ্জী কোৱাৰ নিয়ম প্ৰচলিত আছে। তদুপৰি বুৰঞ্জী ৰচনা কৰাটো বুৰঞ্জীকাৰসকলে পবিত্ৰ কাম বুলি ধৰি লোৱা বাবেই প্ৰায়বিলাক বুৰঞ্জীৰ প্ৰাৰম্ভতে দেৱতাৰ প্ৰতি প্ৰণতি জনাই সংস্কৃতেৰে আৰম্ভ কৰা দেখা যায়,—শ্ৰী কৃষ্ণায় নমঃ। গণেশায় নমঃ। দেৱ্যৈ নমঃ (তু খু বুৰঞ্জী)।

বুৰঞ্জী সাহিত্যে তিনিটা দিশৰ পৰা বিশেষ তাৎপৰ্যপূৰ্ণ ঃ প্ৰথমতে বুৰঞ্জী সাহিত্য ভাৰতীয় ভাষাৰ ভিতৰত একক আৰু অতুলনীয়। দ্বিতীয়তে বুৰঞ্জী সাহিত্যত সংৰক্ষিত ভাষা হৈছে আহোম ৰাজাৰ সাধাৰণ মানুহৰ মুখৰ মাত-কথা আৰু ৰাজচ'ৰাৰ শাসকীয় ভাষাৰ চানেকি। তৃতীয়তে বুৰঞ্জী সাহিত্যত সমসাময়িক জন জীৱনৰ বৰ্ণাঢ্য বৰ্ণনা পোৱা যায় অৰ্থাৎ আহোমসকলৰ জাতীয় জীৱনৰ ঐতিহ্য কৃতিত্ব গৌৰৱ আৰু বংশাৱলীৰ পৰিচয় এই বুৰঞ্জীসমূহৰ ভিতৰত অন্তৰ্ভুক্ত হৈ আছে।

মধ্যযুগৰ বুৰঞ্জী সাহিত্যৰ গদ্য এক স্বকীয় বিশেষত্বৰ চানেকি। পদ্য, গদ্য উভয়তে বুৰঞ্জী ৰচনা কৰা হৈছিল যদিও গদ্যত লিখা বুৰঞ্জীসমূহত পৰম্পৰাগতভাৱে চলি অহা পদ্যগন্ধী ভাষাৰ পৰিত্যাগ আৰু তাৰ ঠাইত কথিত ভাষাৰে এবিধ নতুন বলিষ্ঠ গদ্যৰ সৃষ্টি লক্ষ্য কৰিব পাৰি। ভট্টদেৱৰ সংস্কৃতগন্ধী গদ্যই বুৰঞ্জীৰ গদ্যত সৰলতাৰ স্থান ল'লে। সেয়ে বুৰঞ্জীৰ গদ্য আধুনিক অসমীয়া গদ্যৰ বহুখিনি ওচৰ চপা। অসমীয়া গদ্য সাহিত্যত বুৰঞ্জীৰ গদ্যৰ ভূমিকা অতুলনীয়। বুৰঞ্জী সাহিত্যৰ ভাষাই সমসাময়িক কথ্য ভাষাৰ প্ৰতিনিধিত্ব কৰিছে। বুৰঞ্জী সাহিত্যৰ গদ্যত কেইটামান স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়

(১) বুৰঞ্জীৰ ভাষা সহজ আৰু অনাড়ম্বৰ।

(২) বাক্যৰীতি সৰল শব্দযোজনা আৰু জতুৱা ঠাঁচ ঘৰুৱা অসমীয়া। চুটি চুটি বাক্যৰ সহায়ত লেখকৰ বক্তব্য সুন্দৰভাৱে ফুটি উঠিছে।

(৩) ফকৰা-যোজোনা আদিৰ সাৰ্থক প্ৰয়োগে বৰ্ণনীয় বিষয়ক উজ্জ্বলতা দান কৰিছে।

(৪) বক্তব্যৰ সৰলতা বৃদ্ধিৰ বাবে বিভিন্ন উপমাৰ প্ৰযোগ ঘটাইছে। বিশেষকৈ প্ৰত্যক্ষ উক্তিৰ প্ৰযোগে বুৰঞ্জীৰ ঘটনা আৰু বিষয়ক বিশ্বাসযোগ্য কৰি তুলিছে।

সামগ্ৰিকভাৱে অসমীয়া বুৰঞ্জী সাহিত্যত মধ্যযুগৰ অসমীয়া কথা সাহিত্যৰ উজ্জ্বল চানেকি পৰিস্ফুট হৈছে। বুৰঞ্জী সাহিত্যৰ ভাষা সম্পৰ্কে আলোচনা কৰিবলৈ যাওতে বিশেষকৈ ধ্বনিতত্ত্ব ৰূপতত্ত্ব শব্দতত্ত্ব আৰু বাক্যতত্ত্ব এই চাৰিওটা দিশৰে বিচাৰ কৰি চাব পাৰি। তলত বুৰঞ্জী সাহিত্যৰ ভাষিক বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

ধ্বনিতত্ত্ব ঃ

বুৰঞ্জীৰ ভাষা আধুনিক অসমীয়া ভাষাৰ একেবাৰে ওচৰ চপা যদিও আধুনিক অসমীয়া ভাষাত প্ৰয়োগ হোৱা স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ লগত বুৰঞ্জীৰ ভাষাত প্ৰয়োগ হোৱা স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ পাৰ্থক্য পৰিলক্ষিত হয়।

স্বৰধ্বনি :

(ক) আধুনিক অসমীয়া ভাষাত প্ৰয়োগ হোৱা উচ্চ স্বৰধ্বনি বুৰঞ্জীৰ ভাষাত নিম্ন স্বৰধ্বনিলৈ পৰিবৰ্তন হৈছে। উদাহৰণ : আহমৰ (আহোমৰ), কাপৰ (কাপোৰ) তিৰতা (তিৰোতা) যৌতক (যৌতুক), বপাই (বোপাই)।

(খ) কেতিয়াবা আকৌ আধুনিক অসমীয়াত প্ৰয়োগ হোৱা নিম্ন স্বৰধ্বনি বুৰঞ্জীৰ ভাষাত উচ্চ ধ্বনিলৈ পৰিবৰ্তন হোৱা দেখা যায়। উদাহৰণ : তামুল (তামোল), ভুৰ (ভোৰ) সুধা (সোধা) উপঙ্গিব (ওপঙিব), যুৰ (যোৰ) যাউক (যাওক)।

(গ) কিছুমান শব্দত ঐ স্বৰটো 'অ লৈ ৰূপান্তৰিত হোৱা দেখা যায়। উদাহৰণ : সন্য (সৈন্য)।

(ঘ) আধুনিক অসমীযা স্বৰ সৈতে বুৰঞ্জীত ব্যৱহৃত স্বৰ অন্য কেতবোৰ পাৰ্থক্য এনে ধৰণৰ :

অ > আ ° আসামক (অসমক)
অ অ > এ : গেল (গ'ল) একালে (অকলে)·
আ > অ ৹ ৰজকুমাৰ (ৰাজকুমাৰ), ৰখিলে (ৰাখিলে)·
এ > ই ° ইতিযা (এতিযা)
ই > আ : গধূলা (গধূলি)·
ঈ > ই : ধুবুৰি (ধুবুৰী), হাতি (হাতী), কটকি (কটকী)।

ব্যঞ্জন-ধ্বনি :

আধুনিক অসমীযা আৰু বুৰঞ্জীত প্ৰয়োগ হোৱা ব্যঞ্জন ধ্বনিসমূহৰ প্ৰভেদ তলত দেখুওৱা হ'ল :

(ক) অল্পপ্ৰাণ ধ্বনিৰ ঠাইত মহাপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনিৰ ঠাইত অল্পপ্ৰাণৰ ব্যৱহাৰ যেনে—

ক > খ : শিখাই (শিকাই)
খ > ক ৹ মাকুন্দী (মাখুন্দী),
ত > থ : সাথুৰিব (সাঁতুৰিব), শিথান (শিতান)।

(খ) ক্ষ > খ ৹ পৰীখিত (পৰীক্ষিত), দখিন (দক্ষিণ);
জ > ঝ : ঝাপ (জাপ) যুঝ (যুঁজ), বুঝিবা (বুজিবা);
ৰ > ল : শৰীল (শৰীৰ), অশ্বক্ৰান্ত (অশ্বক্ৰান্ত);
য > এ : জীএকে (জীয়েকে) শচীএ (শচীয়ে), ৰাজাএ (ৰাজায়ে);
ৱ ওঁ > এঃ : তেএঃৰ (তেওঁৰ), ৰাজমাএঃ (ৰাজমাৱে), ৰৰকুএৰী (ৰৰকুঁৱৰী), পাএঃ (পাওঁ), দিএঃ (দিওঁ);
গ > খ : বৈশাখ (বৈশাগ/বৈহাগ);

শ > খ ° দখৰথী (দশৰথ) দখোদখে (দশোদিশে)·

ঙ > ঙ্গ ° ডাঙ্গৰ (ডাঙৰ) চাউদাঙ্গ (চাওদাঙ)

ভাঙ্গে (ভাঙে) সাঙ্গুৰি (সাঙুৰি)

য় > আ ই ঃ দিআ (দিয়া) বঢ়াই (বঢ়ায়)।

ৰ > ড ঃ এডি (এৰি)·

হ্‌ > স ঃ আসি (আহি), আসিবাৰ (আহিবাৰ)।

(গ) শ স, ষ ধ্বনি ঠায়ে ঠাযে স খ আৰু হ্‌ ৰূপে প্ৰয়োগ হোৱা দেখা যায়। উদাহৰণ ° সুনি (শুনি) দেখ (দেশ) হিপাৰে (সিপাৰে), শেহ (শেষ), দখৰথ (দশৰথ), দুহী (দোষী) আদি।

(ঘ) ঠায়ে ঠায়ে সংযুক্ত ব্যঞ্জনৰ একক ৰূপো পোৱা যায।

উদাহৰণ ॰ সৰ্গদেয় (স্বৰ্গদেউ) নিছয় (নিশ্চয়)।

(ঙ) কেতিয়াবা শব্দৰ মধ্যৱৰ্তী ব্যঞ্জন লোপ হোৱাও দেখা যায়। এই বৈশিষ্ট্যটো স্বৰধ্বনিৰ ক্ষেত্ৰতো লক্ষ্য কৰিব পাৰি। উদাহৰণ ঃ মা-নিশা (মাজনিশা) নৰনাৰাণ (নৰনাৰায়ণ), সমালোচন (সমালোচনা) ইত্যাদি।

ৰূপতত্ত্ব ঃ

বুৰঞ্জী সাহিত্যৰ ভাষাত কিছুমান ৰূপতাত্ত্বিক বৈশিষ্ট্য পৰিলক্ষিত হয়। বিশেষকৈ বিশেষ্য, বিশেষণ সৰ্বনাম অব্যয় ক্ৰিয়া ক্ৰিয়া-বিশেষণ প্ৰত্যয় আদিত এই বিশেষত্বসমূহ পৰিলক্ষিত হয়। এনে বিশেষত্বসমূহে আধুনিক অসমীয়া ভাষাৰ গঠন আৰু বিকাশত অৰিহণা যোগাইছে, অৱশ্যে কিছুমান সুকীয়া ৰূপো পোৱা যায়। তলত বুৰঞ্জীৰ ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ দাঙি ধৰা হ'ল।

(ক) বচন ঃ

বুৰঞ্জী সাহিত্যৰ ভাষাত ব্যৱহৃত বহুবচনাৰ্থক প্ৰত্যয়বিলাক হৈছে— গণ বোৰ /ভুৰ/ভোৰ বোলাক/বিলাক হঁত/হেঁত সকল ইত্যাদি।

গণ ঃ ৰাজাগণে,

বোৰ /ভুৰ/ভোৰ ঃ তিপমীয়াবোৰ, ভাইবোৰ সকলোভুৰ ইভোৰ সিভোৰ/সিবোৰ

বোলাক/বিলাক ঃ ইবিলাক, সিবিলাক, নেওগবিলাক।

হঁত/হেঁত ঃ তহঁত, সিহঁত, ইহেঁত,

সকল ঃ দেৱতাসকল ব্ৰাহ্মণসকল ডাঙ্গৰীয়াসকল, ৰজাসকল।

নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ

টে, টা, টো টি খন, খান, খনি, জন, জনা, জনী, টুপলি, ডাল, ডুখৰি, যোৰ যোৰা, হালি, পাট সাজ/সজা আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ বুৰঞ্জী সাহিত্যৰ

ৰূপতত্ত্বৰ বিশেষ বৈশিষ্ট্য।

টে/টা/টো/টি বৰটে সৰুটে একটা টেকেলা এটা সৰুটো বৰটো বালকটি ল'ৰাটি।

খন/খান/খানি তিনিখন সাতখন এইখান চকীখান এইখানি হাটখানি

জন/জনা/জনী লোকজন একজন কুঁৱৰী ১জনা তিনিজনী

টুপলি সোণ এটুপলি

ডাল একডাল গছ

ডুখৰি ° কানি এডুখৰি

যুৰ/যোৰ/জুৰি শিং বাৰেযুৰ ১যোৰ কঁৰীযা চে৲ কুকুৰা এজুৰি

সাজ/সজা কাপোৰ এসাজ চৰাই এসজা

হাঁলি ৹ সোণৰ মেকুৰী এহালি

পাট তিনিপাট (কাড)।

অনির্দিষ্টতাবাচক প্রত্যয় °

চাৰিযেক চাৰেক মান দেক আদি অনির্দিষ্টতাবাচক প্রত্যযৰ প্রযোগ মন কৰিবলগীযা।

চাৰিযেক দিন চাৰিযেক

চাৰেক ৹ জনচাৰেক

মান এইমান যশস্যাই, একহাতমান

দেক জনদেক গএগ্রা ভূএগ্রা।

লিঙ্গ •

আধুনিক অসমীযা ভাষাত লিঙ্গ নিৰূপণৰ ক্ষেত্রত পোৱা নিযমবোৰ বুৰঞ্জীৰ ভাষাতো পোৱা যায। সাধাৰণতে ভিন ভিন শব্দ প্রয়োগ কৰি পুৰুষবাচক শব্দৰ পিছত স্ত্রী প্রত্যয প্রযোগ কৰি আৰু কেতিযাবা নির্দিষ্টতাবাচক প্রত্যয প্রযোগ কৰি লিঙ্গ নিৰূপণ কৰা হয।

(ক) ভিন ভিন শব্দ প্রযোগ কৰি

ডেকা — গাভৰু

ৰজা — ৰাণী

ল'ৰা — তিৰতা/তিৰোতা

দঁতাল — মাকুন্দী (মাখুন্দী)

পিতৃ — মাতৃ

পুত্র — ভার্য্যা

পুথাও — এনাই।

(খ) স্ত্ৰী প্ৰত্যয প্ৰযোগ কৰি ঃ

ঈ — কুঞৰী সুন্দৰী বিড়ালী

নী — (গোসাই) — গোসানী

অনী ইনী — (মিকিৰ) মিকিৰনী (নাগ)-নাগিনী।

(গ) নিৰ্দিষ্টতাবাচক প্ৰত্যয যোগ কৰি

তিনিজন — তিনিজনী।

কাৰক আৰু শব্দবিভক্তি ঃ

বুৰঞ্জীৰ ভাষাত কাৰক আৰু শব্দ-বিভক্তিৰ প্ৰযোগতো কিছুমান সুকীয়া বিশেষত্ব পৰিলক্ষিত হয যদিও আধুনিক অসমীযাৰ সৈতে একে বিভক্তিও পোৱা যায়। উদাহৰণ ০

কৰ্তাকাৰক প্ৰথমা বিভক্তি — এ, ই কছাৰীযে মৰাণে ৰণুৱাই

কৰ্মকাৰক দ্বিতীয়া বিভক্তি — অক ক ০ ভাৰ্য্যাক পুতেকক কনচেঙক

কৰণকাৰক, তৃতীযা বিভক্তি — ৰে মেখেলাৰে, জখলাৰে,

নিমিত্তকাৰক চতুৰ্থী বিভক্তি — লৈ ঃ গুৱাহাটীলৈ, দিখৌমুখলৈ,

অপাদান কাৰক ষষ্ঠী বিভক্তি + পৰা (পৰসৰ্গ) লুইতৰ পৰা

সম্বন্ধ পদ ষষ্ঠী বিভক্তি — ৰ ঃ চুকাফাৰ সোণৰ

অধিকৰণ কাৰক সপ্তমী বিভক্তি — ত ঃ দেশত, শৰাইঘাটত।

ওপৰত উল্লেখ কৰা কাৰক আৰু বিভক্তিসমূহৰ উপৰি ব্যতিক্ৰমো পৰিলক্ষিত হয়। কেতিযাবা ৭মী 'ত' বিভক্তিৰে ২যা বিভক্তিৰ কাম চলায়। উদাহৰণ ঃ গাভৰুত পুজিলি ফুকনত ক'লত। প্ৰথমা বিভক্তিৰে কেতিয়াবা ৩য়া বিভক্তি কেতিয়াবা ৭মী বিভক্তি আৰু কেতিয়াবা পঞ্চমী বিভক্তিৰ কাম চলায। উদাহৰণ ঃ নাৱে গ'ল, ইন্দ্ৰৰ আদেশে, কটকীৰ মুখে।

সৰ্বনাম •

আধুনিক অসমীযা ভাষাত প্ৰযোগ হোৱা সৰ্বনামৰ প্ৰাযবিলাকে বুৰঞ্জীৰ ভাষাত পোৱা যায। আনহাতে বুৰঞ্জীৰ ভাষাত প্ৰাচীন অসমীয়া ভাষাৰ সৰ্বনামৰ প্ৰয়োগ মন কৰিবলগীয়া। উদাহৰণ ০ মঞি তঞি, তেঞো, তেঞোক, তেঞোৰ, তান (তাৰ), তোমাৰা, তাঞিৰ ইত্যাদি। 'আপুনি' আৰু 'আপোনাৰ' সৰ্বনাম শব্দৰ নিজ অৰ্থত ব্যৱহাৰ পোৱা যায়। উদাহৰণ ঃ বলিয়া হৈ আপুনি আপোনাৰ ডিঙি কাটি মৰিল।

ক্ৰিয়াৰূপ ঃ

বুৰঞ্জীৰ ক্ৰিয়াপদসমূহে মধ্যযুগীয় ভাষাৰীতিক এক বিশেষত্ব প্ৰদান কৰিছে।

বুৰঞ্জীৰ ক্ৰিয়াপদ প্ৰাচীন অসমীয়া আৰু আধুনিক অসমীয়া ক্ৰিয়াপদৰ সংযোগ সেতু স্বৰূপ। বুৰঞ্জীত পোৱা ধাতুসমূহ গঠন অনুসৰি দুই প্ৰকাৰৰ ঃ স্বৰান্ত আৰু ব্যঞ্জনান্ত। আকৌ মূল অনুসৰি তিনিবিধ ঃ তৎসম, তদ্ভৱ দেশী। ধাতুৰ পিছত কিছুমান প্ৰত্যয় যোগ কৰি কালৰ নিৰ্দেশ কৰা হয়। ধাতুৰ লগত যোগ হোৱা ক্ৰিয়া-বিভক্তি কাল আৰু পুৰুষ অনুসৰি ভিন ভিন। দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থ আৰু মান্যাৰ্থ ভাব অনুযায়ী ক্ৰিয়া-বিভক্তি ভিন্ন হয়। ক্ৰিয়াৰ কাল পাঁচটা— (১) নিত্য বৰ্তমান কাল (২) স্বৰূপ বৰ্তমান কাল (৩) স্বৰূপ ভূত কাল (৪) পূৰ্ণ ভূত কাল আৰু (৫) ভৱিষ্যত কাল। ক্ৰিয়াৰ ভাব দুটা—(১) নিৰ্দেশক ভাব আৰু (২) অনুজ্ঞা ভাব।

বুৰঞ্জীত ব্যৱহৃত আধুনিক অসমীয়া ভাষাৰ লগত মিল থকা ক্ৰিয়াৰূপ ঃ হ'ল থ'ক,' গ'ল, ল'লে, মৰে পাৰে, আছে, কৰে জন্মিলে, ধৰিলে, কৰিবি, থাকিবি, মাৰিব, দিম, যাম মানিবা কৰিবা থাকিবা ৰাখিম কৰিম ইত্যাদি।

প্ৰাচীন আৰু নতুন ক্ৰিয়াৰূপৰ ব্যৱহাৰো বুৰঞ্জীৰ ভাষাত মন কৰিবলগীয়া। উদাহৰণ ঃ দিলেনি, আনিবাক পাৰে, বান্ধিবাক খোজে, ধৰি আনিলেক, নাইকিছিল, খাৰাপ গেল, কহিলি, লগানেলি, ফিৰাই পঠালা ভেটিলেগৈ, কহিবাক, কহিলে, চাহিলোঁ, যুঁজিবাক, আহিবেক দিলেক ৰহিলহি, আনিলেক, ঢিলাল ইত্যাদি।

বিশেষ বৈশিষ্ট্যযুক্ত ক্ৰিয়াৰূপ ঃ

নঞৰ্থক ক্ৰিয়াৰূপ সমীভূত ক্ৰিয়াৰূপ ঃ নাপাই, নেথাকি নোৱাৰি নেযাব নিচিনোঁ **অসমীভূত ক্ৰিয়াৰূপ ঃ** নকাটিলে নথাকো, নজাব নপালে। এইবিলাকৰ উপৰি নুই, নোহে, ক্ৰিযাৰূপো পোৱা যায।

কৃদন্ত ৰূপ ঃ আহিবৰ শুনি বুলিবৰ শুনি আমাক লাগি মোক লাগি আহিবৰ দেখি, কহিবৰ দেখি ইত্যাদি।

নামধাতুযুক্ত ক্ৰিয়াৰূপ ঃ কিলালে খণ্ডিলে, ডবিযালে ঠেকালেনি ভেঁটিলে ইত্যাদি।

পাঁচনি ধাতুযুক্ত ক্ৰিয়াৰূপ ঃ খুৱালে খেদোৱালে কোৱালে খনালে ইত্যাদি।

তুমুনন্ত ক্ৰিয়াৰূপ ঃ যাব (দিলে), ধৰিব (দিলে) চাবলৈ (যা)।

ক্ৰিয়াৰ চৰ্তসাপেক্ষতা ঃ ৰাজাক যদি ইঠাইলৈ ধৰি অনা গ'লহেঁতেন সেই বাটে মাও তৰাএ খেদি আহিলহেঁতেন।

এমন কথা নুশুনিলোহঁতে সিঠাইতে মাৰিব দিলোহঁতে।

অসমাপিকা ক্ৰিয়া ঃ সুনি (শুনি), দেখি, লাগি, কৰি খেদি, আনি ইত্যাদি।

ক্ৰিয়া বিশেষণ ঃ যেনেৰূপে, এইৰূপে, ভালৰূপে, কিৰূপে, আত (ইয়াত),

তেবেসে, যেমনে, এখেৰ (ইয়াত), এখেতে (ইয়াতে), এখেলৈ (ইয়ালৈ), তলৈ (তালৈ) তত (তাত) ইত্যাদি।

পৰসৰ্গ ঃ

বিশেষ্যবাচক পৰসৰ্গ ঃ	ক্রিয়াবাচক পৰসৰ্গ (স্বাৰ্থিক প্ৰত্যয়)
অৰ্থে ঃ মোৰ অৰ্থে	আহি ঃ বল আহি
ওপৰে ঃ ঢবাৰ ওপৰে	গৈ ঃ পালেগৈ, কৰিমগৈ, থকিলেগৈ
কাৰণে ঃ ৰবৰ কাৰণে	হি ঃ পাত্তিলেহি, নিয়কহি
নিমিত্তে ঃ আনিবৰ নিমিত্তে	নি ঃ থলেনি
সহিতে ঃ গাভৰু সহিতে	হে ঃ থাকিলেহে
পৰ্য্যন্ত ঃ আজন্ম কাল পৰ্য্যন্ত	হু ঃ কলেহু
হে ঃ যুদ্ধৰ পৰাহে	হেতে/হেঁতেন ঃ যুঁজিলেহেতে গ'লহেঁতেন।
নো ঃ ৰবপাত্ৰক নো	
সৈতে ঃ মানুহে সৈতে	
ৰূপে ঃ সাক্ষাতৰূপে।	

শব্দতত্ত্ব ঃ

অসমীয়া বুৰঞ্জী সাহিত্যত প্ৰয়োগ হোৱা শব্দসমূহক প্ৰধানকৈ তিনি প্ৰকাৰে ভাগ কৰিব পাৰি ঃ

(ক) তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ।

(খ) আহোম ভাষাৰ শব্দ আৰু বঙলুৱা ঠাঁচৰ অসমীয়া শব্দ।

(গ) আঞ্চলিক ভাষাৰ শব্দ আৰু আৰবী-ফাৰ্চী মূলীয় বা যাৱনিক শব্দ। ইয়াৰ উপৰি যুৰীয়া আৰু প্ৰতিধ্বন্যাত্মক শব্দৰ ব্যৱহাৰে বুৰঞ্জীৰ ভাষাক অধিক আকৰ্ষণীয় কৰি তুলিছে।

তৎসম শব্দ ঃ বুৰঞ্জী সাহিত্যত বৰ্ণিত আহোম আৰু বঙালৰ মাজত আদান-প্ৰদান হোৱা চিঠি-পত্ৰবিলাকৰ আৰম্ভণিৰ ভাষা সংস্কৃত আৰু বাক্য ৰচনাৰ ঠাঁচো সংস্কৃতীয়া উদাহৰণ ঃ স্বস্তি সকল-মঙ্গলাগৰ-বিবিধ-গুণালঙ্কৃত-সুৰনদী-সলিল-নিৰ্মল-যশোৰাশি-পৰিপুৰিতকলেবৰ-শ্ৰীযুত ৰববৰুৱা-সুচাৰু-চৰিত্ৰ-বিচিত্ৰ-মন্ত্ৰিবৰেষু। সৌহাৰ্দ পূৰ্ব্বক লেখনং কাৰ্য্যঞ্চ (অ বু, সু কু ম, ছে ১৪৩)।

সংস্কৃতৰ পৰা পোনপটীয়াকৈ অহা তৎসম শব্দৰ প্ৰয়োগ বুৰঞ্জীৰ ভাষাত পোৱা যায়। উদাহৰণ— দধি, দুগ্ধ ঘৃত গো-ব্ৰাহ্মণ দৈৱজ্ঞ লক্ষ্মী ইন্দ্ৰ সৰ্প, ভাৰ্য্যা তীৰ্থ, মনুষ্য, দেৱতা, চক্ষু, সৰ্গ, স্ত্ৰী, অচ্যুতানন্দ, পবিত্ৰতা বিদ্যাধৰী, পুষ্কৰিণী সুবৰ্ণ, অদ্যাপি, মৃন্ময়, কৰ্ণ, দৰ্শন, উৎসৱ, স্বপ্ন, ঋতু, স্নান, পুত্ৰ, পিতৃ ভাতৃ, পূজা, সেৱা, মন্ত্ৰ ইত্যাদি।

অৰ্দ্ধতৎসম শব্দ ঃ শুকিলা/শুকুলা, মুকুতা কিৰিষি খুদিলা যুগুতি জনম বৰিষণ ঘৰিণী ইত্যাদি।

তদ্ভৱ শব্দ ঃ হাতী, ঘোঁৰা কুকুৰা বাঘ, সাপ, হাঁহ ঘিউ মহ তুমি মূৰ গৰু ম'হ, গাৰ্হাৰ বামুণ ডিঙি সোণাৰী চমাৰ কমাৰ ঘাম কঠাল নাৰিকল তাম পিতল সোণা কাঁহ, কাছ ইত্যাদি।

আহোম ভাষাৰ শব্দ ঃ বুৰঞ্জীৰ ভাষাত বহুতো আহোম শব্দ আৰু আহোম দোৱান ব্যৱহাৰ কৰা হৈছে উদাহৰণ স্বৰূপে — কুম্মিন কুনখা চেলে, চকলং চক্ৰাই, প্লাইপন প্লাইচান খামৰুং জালি চোলা হাচটি টঙ্গালী থাউমুনচে, চেংচুম তাতকিন মাইহাং পুলিন-পুথাও চাংমাই, ফুকন গোহাঞি মৈদাম চেওকেথকং কিংখা ইমুং চাউচি,লুংখান লগপিতফা, ত্যাং ফাচেঙ্গমুন কনচেঙ্গ চিলাউচেঙ্গক চুক্ষাফা চাউপেলুঙ্গক প্লায়লু, চুহিনফা তংচুতে আদি বহুতো ঠাইৰ নাম মানুহৰ নাম হাতীৰ নাম ৰজা তথা ডা-ডাঙৰীয়াৰ নাম আ-অলঙ্কাৰৰ নাম শক তাৰিখবাচক শব্দ বুৰঞ্জীত পোৱা যায়। এই প্ৰসঙ্গত অসম বুৰঞ্জীৰ নিম্নোক্ত বাক্যটো উদ্ধৃত কৰিব পাৰি ঃ

"নৰা ৰজায়ে গোহাঁই উঠা হাতীক আহোম দোৱানে বোলে—'বুপা প্লাইখোৰ পপ্লাইচাঙ্গ' বুলি মাত লগালত মাত বুজি হাতীও খেৰেপ হ'ল। এনেতে নৰা ৰজায়ে হাতী কাদি লগাই গোহাঁই কাটিলে। গোহাঁই মৰিবৰ সময়ত আহোম দোৱানে ক'লে—'বুপা প্লাইচাঙ্গ মোৰ শটক আপোনাৰ' চৰণত পেলাবিনি (অ বু ছেদ-৬১)।

যাৱনিক শব্দ ঃ যাৱনিক শব্দৰো ব্যৱহাৰ পোৱা যায়। যেনে— পোস্তৰ জাইগিৰি চৰ্দ্দাৰ পেছকছ, মজুৰি উকীল জেমা পাগ সুলতান বিচলাফ হামিদ পাংশা হুকুম, চিৰপাও কবুল ফিৰি নবাব চিতাপি খাজানা দলিচা চাকৰ উকিল, পযদা গোমোস্তা ইত্যাদি।

অসমীয়া বঙলা আৰু হিন্দী ভাষাৰ সংমিশ্ৰিত বিকৃত উচ্চাৰণযুক্ত শব্দেৰে গঠিত কিছুমান বাক্য বুৰঞ্জীৰ ভাষাত পোৱা যায়। উদাহৰণ স্বৰূপে — (১) 'আগে এথা কুশল-মঙ্গল হামেচা চাহি। পৰং তোমাৰ ফৰমান নাৰজ জানিলাম। দিন দিন দোস্তি একত্ৰ হামাৰা হৈবেক (অ বু ছে. ১৪৩)। (২) 'ভালা তো আচভি কোঁচবেহাৰ ভি আচাম ভি মলুক মহিন কৰি চিতাপি আহিব। ঢকাতো মামাৰ ঠাইত ঢুকি যি বোলে সমাচাৰ লৈ যাব' (অ বু ছে. ১৮২) আদি বাক্যলৈ আঙুলিয়াব পাৰি।

জনজাতীয় ভাষাৰ শব্দ ঃ জনজাতীয় ভাষাৰ শব্দৰ ভিতৰত বুৰঞ্জীত অষ্ট্ৰিক আৰু বড়ো ভাষাৰ কিছুমান শব্দ পোৱা যায়। যেনে—কামাখ্যা, গঙ্গা, কামৰূপ, পাহাৰ, চামতা, ডিঙ্গা বৰলা বুন্দা জখলা, মাইহাং, দিকৰাই, হাজো ইত্যাদি।

কামৰূপী বা পশ্চিম অসমৰ শব্দ ঃ আঘণ বেলা চপকৰে নাও (নাম) থলেনি গল (ডিঙি) বৈহাগু নৰুনাৰাণ, পিলা হুনু, কাপৰ তিৰতা, যৌতক, তামঞ্চা, মানুয ইত্যাদি।

যুৰীযা আৰু প্ৰতিধ্বন্যাত্মক শব্দ ঃ অকথা-অসূয়া, অসূয়া-অপ্ৰীতি, খেদা-কোৰা, খুৱাই-ধুৱাই, কান্দি-কাটি থাপি-সাঞ্চি থক-বক খেলন-ভুলন কিনা-বিকা, চা-চকী, থাপিত-সাঞ্চিত সোদ-পোছ, দেশ-দেশান্তৰ নাকুৰি-নাখোমে মৰা-কটা মানুহ-দুনুহ, বন্ধে-চন্দে মাৰি-কাটি বঁটা-বাহন ভাই-ভতিজা, জোটা-পোটা ধাৰণা-ৰাৰণা, জাৰিযে-হেজাৰে বন্ধ-নিবন্ধ ইখান-সিখান কৰ-কাটল/কৰ-ভাৰ, শিখাই-বুজাই, হাসি-মাতি ৰাজা-প্ৰজা ইত্যাদি।

জতুৰা ঠাঁচৰ ক্ৰিযাৰূপ ঃ মুখ দৰ্শন হ'ল আশ্বাস কৰি ৰাখিলে বেশ ধৰা আগ কৰি ৰ'ল ৰাজা সহিতে ৰহিল ঔষধ কৰি ফিৰি যাব ওল দিলে ডকাই আনিলে মোহৰ মৰা ন্যুন হৈল বেহাৰক গেল থানাদি ৰ'লহি, ৰাজ্য মাৰে বাট দিযক, কোঁঠ দি ৰ'ল গাওঁ মাৰি নগৰ মৰা ওলমাল দিওঁ দগা দি সাষ্টাম হোৰা আজ্ঞা কৰা দায ধৰা মুৰ মাগি পঠাই, তিযাৰ কৰিলে, কাণ্ড লাগি মৰিল ফেটাই কটাইছে, বাঁপটি ল'লে, দুৱাৰ বান্ধি আছিল, বিৰাজ হই আছে, হোকা টানি অহা, শেলে হানি মাৰিলে, ভেঁটাই দিলে, ৰাতুল কৰে। হৈল স্বস্থ হৈল ইত্যাদি।

বাক্যতত্ত্ব ঃ

বুৰঞ্জী সাহিত্যৰ আন এটা মন কৰিবলগীযা বিষয় হৈছে বাক্যৰীতি। বুৰঞ্জীৰ গদ্যৰ বাক্যৰীতিৰ প্ৰধান বৈশিষ্ট্য হৈছে—ইযাৰ সৰলতা সহজ অথচ ঘৰুৱা শব্দাৱলীৰ দ্বাৰা চুটি চুটি বাক্য প্ৰয়োগ কৰি বুৰঞ্জীত বাস্তৱ ঘটনাৰাজি প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। আধুনিক অসমীয়া বাক্যৰ দৰে বুৰঞ্জীৰ বাক্য-ৰচনাতো কৰ্তা কৰ্ম ক্ৰিযা আদি পদবিলাকৰ মাজত পাৰস্পৰিক সঙ্গতি ৰক্ষা কৰি এটা নিৰ্দিষ্ট ক্ৰমত সজোৱা দেখা যায। উদাহৰণ ঃ

(১) আমাক খেদা কোৰা নকৰিব, উলটি য'ক

(২) মহাৰাজাই শদিয়া নগৰলৈ গ'ল,

(৩) একে হাবিতে দুটা মতা বাঘ হাতী নাথাকে,

(৪) ৰজাৰ কথা নকলে কাটিম

(৫) আহোমৰ লগত যুদ্ধ কৰিব 'নোৱাৰি

(৬) তুমি দুখ নকৰিবা মই সোণৰ বিড়ালী গঢ়াই দিম

(৭) মই তেওঁক স্বামী বৰিছোঁ ইত্যাদি।

বুৰঞ্জী সাহিত্যত বিভিন্ন প্ৰকাৰৰ বাক্য যেনে—সৰল, মিশ্ৰ যৌগিক বৰ্ণনাত্মক প্ৰশ্নসূচক নঞৰ্থসূচক আদিৰ নমুনা পোৱা যায়। তদুপৰি কৰ্তাহীন, কৰ্মহীন আৰু

ক্রিয়াহীন বাক্যৰ ব্যৱহাৰো বুৰঞ্জীৰ গদ্যত পোৱা যায়।

সৰল বাক্য ঃ পাচে ঘোঁৰা মেলি খেদিলে। ঘোঁৰা ফেৰি আহিল।

মিশ্র বাক্য ঃ যেতিয়া কলিৰ পৰা গছ গজিব শুকান গছত কুঁহিপাত ওলাব আৰু কোৱা বগা হব তেতিয়াহে তইঁত শাপমুক্ত হবি।

যৌগিক বাক্য ঃ পাচে ৰাজখোৱা ক সেৱা কৰি নাৱে ভটিযাই গৈ ৰহাৰ চৌকীত কোঁঠ কৰি ৰ'ল।

বৰ্ণনাত্মক বাক্য ঃ পাচে তিপমীয়া ৰাজাও কুঁৱৰীৰ বঙ্গহেও ˚ জানিবৰ হেন জানি এই ভয়তে কুঁৱৰীৰ বাপেক ডাউৰ বংশ চোম সহিতে নৱালৈ পলাই গ'ল।

আজ্ঞাসূচক বাক্য ঃ স্বৰ্গদেউক মৰম বেথা কৰিবা। অসূযা-অপ্রীতি নকৰিবা।

প্রশ্নসূচক বাক্য ঃ বন্দীৰ জীক কিৰূপে সেৱা কৰিম?

সন্দেহবোধক বাক্য ঃ কছাৰী জানো যাবাত শিল বান্ধি কধুৰ সাথুৰিব।

কৰ্তাহীন বাক্য ঃ গোমোটাতো চকু কাটিলে সৰুকো টঙ্গনিযাই মাৰিলে।

কৰ্মহীন বাক্য ঃ ব্রাহ্মণ দৈবজ্ঞ আশীষহে কৰে।

ক্রিয়াহীন বাক্য ঃ মোৰ সীমা তিনি পৰ্ব্বতৰ মাজ।

পাচে বোলে তাত পাচে সেহি সময পূৰ্বে আত অনন্তৰে সেইবেলা এহিবুলি এইৰূপে আদি শব্দেৰে বাক্য আৰম্ভ কৰাটো প্রাযবিলাক বুৰঞ্জীৰ ভাষাৰ বিশেষত্ব। উদাহৰণ ঃ

(১) পাচে তাৰ পৰা মাঘ মাসত আহি চৰাইবাহীত কোঁঠ কৰি ৰ'লহি,

(২) তাত পাচে দুই ভাই পূৰ্ব্বদেশে চলিল

(৩) সেহি সময গডগএক্স ৰাজাদেও পাটত ৰাজা হ'ল ১৪৬৫ শকত,

(৪) আত অনন্তৰে মহাৰাজালৈ সোন্দৰ গোহাঁয়ে সুধি পঠালে

(৫) এইৰূপে আমাৰ দুই কটকীযে ক'লত বঙ্গালে বোলে ইত্যাদি।

বাক্য সংযোগ কৰিবৰ বাবে যেমনে তেমনে যেখন-তেখন আদি শব্দ বুৰঞ্জীত ব্যৱহাৰ কৰা দেখা যায়। যেনে— তাঞি মোৰ যেমত পুত্র চিলাৰাযো তেমত পুত্র যেখন ফুকনবোৰে জনাই তেখন আমি যাম ইত্যাদি।

উপমা উপকথা দৃষ্টান্ত, প্রবাদ বচন ফকৰা-যোজোনা আদিৰ যথাৰ্থ প্রযোগে বুৰঞ্জী সাহিত্যত ৰস অলংকাৰৰ স্ফুৰণ ঘটোৱাৰ উপৰি ভাষাকো আৱশ্যকীয় গাম্ভীৰ্য প্রদান কৰিছে। তলৰ উদাহৰণকেইটাই তাৰ প্ৰমাণ দাঙি ধৰিব।

প্ৰবাদ বচন দৃষ্টান্ত ঃ

(১) উত্তমজনৰ বাক্য গজদন্তৰ তুলা (অ বু পৃ ৩৮);

(২) পুত্র হ'লে পিতৃৰ বচন মানিব লাগে (দে অ বু);

(৩) একে হাবিতে দুটা মতা বাঘ হাতী নাথাকে (দে অ বু পৃ ৯৭)

(৪) আমাৰ ৰাজ্যোনাশ, বনেবাস এই কথা আমাতে মিলিছে। (তু বু পৃ ৫৩);
(৫) কোপিত সৰ্পৰ মস্তকৰ ৰত্নক ইতৰজনে বাঞ্ছিলে নেকি তাক পাই (অ বু ছেদ ৪২)
(৬) এন্দুৰৰ গাঁতত যদি হস্তী সোমাব পাৰে তেহে তাক ধৰিব পাৰে
(অ বু ছেদ ২৪৩)
(৭) কেঁচা বৰলক জোকালে গা-সাৰিবলৈ টান (অ বু ছেদ ২৩০); ইত্যাদি।

উপমা ঃ

(১) বৰফুকনৰ শৰীৰটি যেনে সোণা মুখখনি শুৱৰৰ চৈলা (তু বু);
(২) লাউ তল যাব শিল উপঙিব কোৱা বগা হ'ব, বগ ক'লা হ'ব আৰু ব্ৰহ্মপুত্ৰ উভতি গতি কৰিব তেবে কি মোৰ কবুল চাৰিবে (দে অ বু পৃ ১৪০);
(৩) বালকে চন্দ্ৰক হাত মেলি ধৰিবাক খোজে, এতেকে নেকি চন্দ্ৰক হাতে আনিবাক পাৰে? অগ্নিক বস্ত্ৰাঞ্চলে বান্ধিবাক খোজে, আহোক বান্ধি নিবাক চাহন্তে পাচে শৰীৰক ৰক্ষা কৰণো যে বালকৰ টান (অ বু ছেদ ৪৮)
(৪) কাঠৰ গড বান্ধিম পটিব, মাটিৰ গড বান্ধিম খহিব মই কথাৰ গড় বান্ধি দিছো প্ৰাণপৰি ভুগী হব (দে অ বু পৃ ১৩১),
(৫) সৰু হৈ যা ল'ৰা লোৱাদি ল'ব, বৰ নহবি চিলা উৰুৱাদি উৰুৱাব (তু বু)।

প্ৰত্যক্ষ উক্তিৰ প্ৰচুৰ ব্যৱহাৰে বুৰঞ্জীসমূহৰ বিষয়বস্তুক অধিক বাস্তৱধৰ্মী আৰু বিশ্বাসযোগ্য কৰি তুলিছে। প্ৰত্যক্ষ উক্তিৰ নমুনা ঃ মৰাণে বোলে, — "তোমাক ৰজা নাপাতোঁ। এই শুনি বাযন ডেকাই বোলে — 'বাৰু তইঁতে যে কথা এৰিলি মই কি কৰিব পাৰো চাওঁ (তু বু পৃ ১৩০)।

ৰজা আৰু ৰাজ-বিষয়াসকলৰ আবেগ অনুভূতি প্ৰকাশক, দেশপ্ৰেমৰ নিদৰ্শনসূচক আৰু বীৰত্বসূচক ভাব অন্তৰ্নিহিত হৈ থকা বাক্যৰ নমুনা বুৰঞ্জীত পোৱা যায়। উদাহৰণ স্বৰূপে—মীৰজুমলাই অসম আক্ৰমণৰ সময়ত প্ৰথমবাৰ ৰণত জয়লাভ কৰাৰ পাছত অসমৰ পৰা অজস্ৰ ধন সোণ মৈদামৰ পৰাও ধন-সোণ আনকি হাড়কো খান্দি নিয়া দেখি জয়ধ্বজ সিংহই বেজাৰ মনেৰে কৈছিল—'বুপা পুথাএৰ পুলিনৰ হাডকো ৰাখিব নোৱাৰিলোঁ' (অ বু ছেদ ১৯৪)।

বুৰঞ্জীত ব্যৱহৃত কিছুমান বাক্য সাঁথৰৰ দৰে চুটি চুটি অথচ গভীৰ অৰ্থবাহক। উদাহৰণস্বৰূপে —'বনৰ হাতী ছাৰি লাদকো নিদিওঁ, সোণা ছাৰি লোহিতৰ বালিকো নিদিওঁ' (অ বু ছেদ ১৩৯)—এনে ধৰণৰ জোৰ প্ৰকাশক গদ্য গাঁথনিৰ মাজেদি মধ্যযুগৰ অসমীয়া ভাষাৰ গাম্ভীৰ্যপূৰ্ণ আৰু স্বাভাৱিক প্ৰকাশ ৰীতিৰ পৰিচয় পোৱা যায়।

অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষাৰীতিৰ বিভিন্ন দিশৰ বিস্তৃত আলোচনাৰ যথেষ্ট থল আছে। বুৰঞ্জীৰ ভাষাৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰি দেখা গ'ল যে এই ভাষাই আধুনিক অসমীয়া ভাষাৰ গঠন আৰু বিকাশৰ পথ মুকলি কৰিলে। মধ্যযুগীয় অসমীয়া সাহিত্যৰ ভৰাঁললৈ বুৰঞ্জী সাহিত্য এক বৈশিষ্ট্যপূৰ্ণ সংযোজন। □

সহায়ক গ্ৰন্থপঞ্জী ঃ

গগৈ লীলা — টাই সংস্কৃতিৰ ৰূপৰেখা কলিকতা ১৯৭১
ঃ বুৰঞ্জী সাহিত্য বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ গুৱাহাটী ১৯৮৮
গোস্বামী উপেন্দ্ৰনাথ — অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ বৰুৱা এজেঞ্চি ১৯৯১
গোস্বামী হেমচন্দ্ৰ (সম্পা) — পুৰণি অসম বুৰঞ্জী গুৱাহাটী ১৯২২
নেওগ মহেশ্বৰ — অসমীয়া সাহিত্যৰ ৰূপৰেখা চন্দ্ৰ প্ৰকাশ ১৯৮৬
ফুকন পাটগিৰি দীপ্তি ঃ মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ বেঙুনি বনলতা ১৯৯৭
ভূঞা সূৰ্য্যকুমাৰ (সম্পা) ঃ সাতসৰী অসম বুৰঞ্জী বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ১৯৬০
তুংখুঙীয়া বুৰঞ্জী বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ১৯৬৩
ঃ অসম বুৰঞ্জী (সু কু ম) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ১৯৮৮
ঃ দেওধাই অসম বুৰঞ্জী বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ১৯৯০
শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত গুৱাহাটী ১৯৮৬
শৰ্মা দলৈ হৰিনাথ ঃ অসমীয়া গদ্য সাহিত্যৰ গতিপথ বৰপেটা ১৯৯২।

চতুৰ্থ পৰিচ্ছেদ

অসমীয়া ভাষা ঃ আধুনিক যুগ

'অৰুনোদই'কালীন অসমীয়া ভাষাৰ বিকাশত ভোলানাথ দাসৰ ভূমিকা

❑ বসন্ত কুমাৰ ভট্টাচাৰ্য

১৮৪৬ চনত শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা ওলোৱা 'অৰুনোদই' কাকত মিছনেৰীসকলৰ যুগমীয়া কীৰ্তি।[১] খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে উলিযালেও এইখন কাকতে অসমত এক বৌদ্ধিক জাগৰণ ঘটোৱাৰ লগতে আধুনিক অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি প্ৰতিষ্ঠা কৰাত বিশিষ্ট বৰঙণি যোগায়। অৱশ্যে 'অৰুনোদই'ৰ অভ্যুদয়ৰ দিনত যি সাহিত্যৰ সৃষ্টি হৈছিল সি আছিল সম্পূৰ্ণৰূপে বস্তুধৰ্মী।[২] এনে বস্তুধৰ্মী ৰচনাৰ অৱসান ঘটাই সৃষ্টিধৰ্মী সাহিত্যৰ সূচনা কৰি[৩] ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমীয়া ভাষা-সাহিত্যৰ নাওখনৰ গুৰি বঠা ধৰি চলাই নিছিল যি দুগৰাকী পুৰুষে সেই দুগৰাকী হ'ল—গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা।[৪]

হেমচন্দ্ৰ-গুণাভিৰামৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সেই সময়ছোৱাত উভয়ৰে বয়োকনিষ্ঠ আন কেইগৰাকীমান ডেকাই সাহিত্য-সৃষ্টিত আত্মনিয়োজন কৰিবলৈ ওলাই আহিছিল। ইংৰাজী আৰু বঙলা—এই দুই ভাষাৰ সাহিত্যৰ অধ্যয়নেৰে মানসিক আৰু বৌদ্ধিক দিগন্ত পুষ্ট কৰি সাহিত্য-সৃষ্টিত ব্ৰতী হোৱা এইচাম শিক্ষিত ডেকাৰ হাতত আধুনিক অসমীয়া খণ্ড কবিতা, কাব্য, নাটক, উপন্যাস আদি সাহিত্যৰ বিভিন্ন ৰূপ (form) গঢ় ল'বলৈ আৰম্ভ কৰে।[৫] এইচাম ডেকাৰ যি কেইগৰাকীয়ে খণ্ড কবিতা আৰু বৰ্ণনাত্মক কাব্য ৰচনাৰে পাশ্চাত্য কাব্য-কবিতাৰ ৰীতি-প্ৰকৃতিক অসমীয়া সাহিত্যলৈ আদৰি আনিলে সেই কেইগৰাকীৰ ভিতৰত ভোলানাথ দাস অন্যতম। তেওঁৰ মেঘ, 'মধুহাসি', 'কিয়নো নাজাগে আমাৰ মন' আদি কবিতাই অসমীয়া সাহিত্যত ৰোমাণ্টিক গীতি কবিতাৰ সূচনা কৰে।[৬] তদুপৰি বংগৰ বিখ্যাত কবি মাইকেল মধুসূদন দত্তৰ 'মেঘনাদ বধ কাব্যৰ আৰ্হিত ৰচিত 'সীতা হৰণ কাব্য', ভোলানাথ দাসৰ অসমীয়া সাহিত্যলৈ অবিস্মৰণীয় অৱদান। একে আৰ্হিৰে ৰচিত আন এটি সাহিত্য-নিৰ্মিতি হ'ল ৰমাকান্ত চৌধুৰীৰ 'অভিমন্যু বধ কাব্য। মধ্যযুগীয় বৈষ্ণৱ কাব্যৰ ৰীতি-প্ৰকৃতি আৰু আদৰ্শ পৰিহাৰ কৰি সম্পূৰ্ণ

পশ্চিমীয়া ৰীতি আৰু আদৰ্শত ৰচিত এই দুখন কাব্যই আধুনিক অসমীযা কাব্য সাহিত্যৰ পৰম্পৰা সৃষ্টি কৰে।

কবি ভোলানাথ দাসৰ কবিতা-প্ৰীতি আছিল আশৈশৱ।[১] কিন্তু তেওঁৰ কবি জীৱন আছিল সংঘাতপূৰ্ণ। পঢ়াশালিৰ ছাত্ৰ হৈ থাকোঁতেই তেওঁ কবিতা ৰচিবলৈ আৰম্ভ কৰিছিল, যদিও তেওঁৰ কবি-জীৱন দীৰ্ঘস্থায়ী নহ'ল। 'আউনীআটী সত্ৰৰ পৰা ওলোৱা 'আসাম বিলাসিনী (১৮৭১) কাকতত কবিগৰাকীৰ কবিতাৰ বিশেষকৈ 'সীতাহৰণ কাব্য'ৰ শব্দচযন লৈ হোৱা কঠোৰ সমালোচনাই তেওঁক মৰ্মান্তিক আঘাত কৰে।[২] ফলস্বৰূপে, তেওঁ ১৮৮৮ চনমানৰ পৰা কবিতা ৰচিবলৈ এৰি পেলায়। ভোলানাথৰ কবি-প্ৰতিভাৰ সম্যক স্ফুৰণ নঘটিল যদিও যিখিনি কবিতা ৰচিলে, তাৰ দ্বাৰা পৰবৰ্তী অসমীয়া কবিসকল নিশ্চিতভাৱে উপকৃত হৈছিল। এই অনুমানৰ সপক্ষে মহেশ্বৰ নেওগৰ এটি মন্তব্য উপস্থাপন কৰিব পাৰি, "বেজবৰুৱাৰ যুগৰ আৰম্ভণে সাহিত্যৰ পথাৰ আওঁতোৱা বাবে আৰু কবিতাৰ মনোৰম বৰ্ণনা চাতুৰ্য আৰু ছন্দৰ নব্য প্ৰয়োগৰ বাবেও ভোলানাথৰ স্থান অসমীযা কাব্য-বুৰঞ্জীত স্থায়ী হৈ ৰ'ব।"[৩]

কাব্য-কবিতাত, কবিৰ ভাবানুভূতিক স্পষ্ট, প্ৰাঞ্জল আৰু সংবেদনশীল ৰূপত প্ৰকাশ কৰে ভাষাই। সেযেহে, ইযাৰ সাৰ্থকতা আৰু নান্দনিক সম্ভাৱনা ভাষাৰ যথাৰ্থ প্ৰযোগৰ ওপৰত নিৰ্ভৰশীল। ভোলানাথ দাসৰ সাহিত্য-চৰ্চাত আত্মনিযোজন কৰা কালছোৱা অসমৰ জাতীয় জীৱনৰ এক যুগসন্ধি। সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত তেওঁৰ অনুপ্ৰেৰণাৰ উৎস যেনেদৰে আছিল 'অৰুনোদই' কাকতৰ জৰিয়তে প্ৰতিষ্ঠা লাভ কৰা পাশ্চাত্য সাহিত্য-সংস্কৃতিৰ প্ৰভাৱ সেইদৰে ভাষা প্ৰযোগৰ ক্ষেত্ৰতো তেওঁক সেই একেখন কাকতেই অনুপ্ৰেৰণা যোগাইছিল। মিছনেৰীসকলে শিৱসাগৰৰ কথিত ভাষাটোক মান্য ভাষালৈ উন্নীত কৰি তাৰ সংযোগত 'অৰুনোদই' কাকতত নানান প্ৰবন্ধ-পাতি ৰচনাৰে আধুনিক অসমীয়া ভাষাৰ জন্ম দিয়ে। তেওঁলোকৰ এই ভাষা আছিল সৰল আৰু বৰ্ণবিন্যাস আছিল উচ্চাৰণভিত্তিক। তদুপৰি বাক্য গঠনত তেওঁলোকে অনুসৰণ কৰিছিল ইংৰাজী ভাষাক।

অসমীয়া ভাষাৰ উচ্চাৰণত হ্ৰস্ব-দীৰ্ঘ স্বৰৰ মাজত পাৰ্থক্য নাই বাবে মিছনেৰীসকলে হ্ৰস্ব স্বৰহে ব্যৱহাৰ কৰিছিল। সেইদৰে 'শ', 'ষ', 'স'ৰ ঠাইত কেৱল 'স' 'জ' 'ঝ' 'য'ৰ ঠাইত কেৱল 'জ' 'চ' আৰু 'ছ'ৰ ঠাইত কেৱল 'চ', 'ণ' আৰু 'ন'ৰ ঠাইত মাথোন 'ন', আৰু 'ক্ষ'ৰ ঠাইত 'খ্য' ব্যৱহাৰ কৰিছিল। তেওঁলোকে ৰেফৰ লগত দ্বিত্ব ব্যঞ্জন ব্যৱহাৰ কৰা নাছিল। 'ৱ' শ্ৰুতি ধ্বনিৰ সলনি 'অ'-ৰ ব্যৱহাৰ মিছনেৰীৰ ভাষাৰ আন এক বৈশিষ্ট্য আছিল।

মহেশ্বৰ নেওগে লিখিছে, "অৰুনোদই যুগ আধুনিক জীৱনৰ নৱ প্ৰভাত। নতুন

জীৱন নতুন ধাৰণা নতুন জ্ঞান নতুন বস্তু-বাহানি, পুৰণি, এই সকলোৱে মাজত সোমাই পৰিছিল। নতুনবোৰে নতুন শব্দ আৰু প্ৰকাশৰ আৱশ্যকতাৰ সৃষ্টি কৰিছিল। এই বিষয়ত নতুনে যিমান পাৰে পুৰণিৰ লগত আপোচ কৰি লৈছিল।"[১০]

'অৰুনোদই'ৰ ভাষাত প্ৰাচীন অসমীয়া কথা সাহিত্য আৰু পদ পুথিৰ শব্দই বিশেষ স্থান লাভ কৰিছে। এয়া নিশ্চিতভাৱে 'অৰুনোদই' গোষ্ঠীৰ লেখকসকলৰ প্ৰাচীন অসমীযা সাহিত্যৰ পঠন-পাঠনৰেই ফল। 'অৰুনোদই'ৰ বিভিন্ন লেখাত প্ৰয়োগ হোৱা প্ৰাচীন অসমীয়া শব্দ কেতবোৰ হ'ল ঃ ইচা (ইচ্ছা), একালি (আফালি), খেমা (ক্ষমা) পহৰ (পোহৰ), বিভিচাৰ (ব্যাভিচাৰ), বুৰা (বুঢ়া), বৰথুন (বৰবুণ), মানিশা (মাজনিশা), সম্পতি (সম্পত্তি), সৰিল (শৰীৰ) ইত্যাদি।

ইংৰাজ চৰকাৰে দেশ লোৱাৰ লগে লগে ইযাত ইংৰাজী শিক্ষা-সভ্যতাই বিস্তাৰ লাভ কৰিবলৈ আৰম্ভ কৰিলে। চিকিৎসালয়, বেংক, অফিচ, আদালত আদি নতুনকৈ গঢ়ি উঠিল আৰু সিবোৰৰ লগত সংশ্লিষ্ট ভালেমান বস্তুৰ নামবাচক শব্দও ইয়াত ব্যৱহৃত হ'বলৈ ধৰিলে। 'অৰুনোদই'ৰ লেখকসকলে ইংৰাজী আদি পশ্চিমীয়া ভাষাৰ শব্দবোৰৰ কিছুমান যথাযথৰূপে আৰু কিছুমানৰ সলনি মূল অসমীয়া শব্দ ব্যৱহাৰ কৰিবলৈ লৈছিল। তদুপৰি পুৰণি অসমীয়া শব্দৰ অৰ্থান্তৰ ঘটাযো তেওঁলোকে ব্যৱহাৰ কৰিবলৈ লৈছিল। যথাযথ ৰূপত ব্যৱহাৰ কৰা ইংৰাজী আদি পশ্চিমীয়া ভাষাৰ শব্দবোৰ হ'ল ঃ গল্‌ফ্ (Gulf) কম্পাচ (Compass) বেপ্তিষ্ট (Baptist), আমেন (Amen), বেংক্ (Bank), কমিসান (Commission), গৱৰ্ণমেণ্ট (Government), জজ (Judge) কলেক্টৰ (Collector) মেডিকেল কলেজ (Medical College), অফিচ (Office), ইত্যাদি। সেইদৰে ইংৰাজী আদি পশ্চিমীয়া ভাষাৰ শব্দৰ পৰিবৰ্তে ব্যৱহাৰ কৰা মূল অসমীয়া শব্দ কেতবোৰ ঃ বুৰা ভকত (Elder), নাগমাটি (Coal), পানিসিল (Ice), নাওবৈচা (Navigator), ভাপৰ নাও (Ship), মহাদৰ্শন (Exhibition) বিমা (Insurance) দৰ্সনিঘৰ (Museum), পশুশাল (Zoo) পুথিসালি (Library), কাচাৰিঘৰ (Court), কানুন (Law) ইত্যাদি।

'অৰুনোদই'ৰ ভাষাত আৰবী-ফাৰ্চী আদি ভাষাৰ শব্দৰ লগতে হিন্দী, উৰ্দু আৰু আন আন ভাৰতীয় ভাষাৰ শব্দও ব্যৱহৃত হৈছে। যেনে °

আৰবী ঃ তুফান, মাফ হুকুম, কইদি, খাচ ইত্যাদি।

ফাৰ্চী ঃ সাহাব বজাৰ, বাজি, সিপাহি আদি।

হিন্দী উৰ্দু ঃ কিলা খাঞ্চেমা চহিচ চাপ্রাচি, থানা, ফাটক, মহিনা মাচিয়া মিস্তিৰি সস্তা সিধা আদি।

এনেদৰে বিশেষ বৈশিষ্ট্যেৰে উদ্ভৱ হোৱা আধুনিক অসমীয়া ভাষাই বিৱৰ্তনৰ

মাজেদি বিকশিত হৈ সাম্প্ৰতিক ৰূপ পৰিগ্ৰহণ কৰিছে।

'অৰুনোদই'কালীন অসমীয়া ভাষাক গতিশীলতা দান কৰাৰ ক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনৰ বৰঙণি উল্লেখযোগ্য। ঢেকিয়াল ফুকন 'অৰুনোদই'ৰ সৃষ্টি। তেওঁৰ ভাষা মিছনেৰীসকলৰ দৰে সৰল আৰু বাক্যবিন্যাস ৰীতিত ইংৰাজী আৰু বঙলা ভাষাৰ আদৰ্শৰ প্ৰভাব লক্ষ্য কৰিব পৰা যায় যদিও তেওঁ যে মিছনেৰীসকলক যথাযথভাৱে অনুসৰণ কৰা নাছিল সেই কথা জানিব পাৰি—১৮৫২ চনত 'অৰুনোদই'ৰ দ্বাদশ সংখ্যাত ঢেকিয়াল ফুকনৰ 'ইংৰাজি-অসমিয়া আৰু অসমিয়া-ইংৰাজী অভিধান প্ৰসংগত 'অৰুনোদই'ৰ সম্পাদক ও এইচ ডেনফোৰ্থৰ নিম্নোক্ত মন্তব্যৰ পৰা শ্ৰীযুত আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজি-অসমিয়া আৰু অসমিয়া-ইংৰাজী—এই ৰূপে দুইখণ্ড অভিধান লিখিচে। এই অভিধানৰ আখৰ জঁতোঁৱা আমাতকৈ কিচু বেলেগ হয় । ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে ঢেকিয়াল ফুকনে মিছনেৰীৰ বৰ্ণবিন্যাস ৰীতি পৰিশীলিত আৰু মাৰ্জিত কৰিব বিচাৰিছিল। এই প্ৰসংগত ডিম্বেশ্বৰ নেওগৰ এটি মন্তব্য প্ৰণিধানযোগ্য To quote one first word only is to show how perfect and scholarly Anandaram's lexicon had been and how long before Hemchandra Barua he attempted at a reformation of the spellings used by the Missonaries (New light on History of Asamiya Literature)। ঢেকিয়াল ফুকনৰ পিছতেই, তদানীন্তন অসমীয়া ভাষাক এক সুস্থ সবল আৰু মাৰ্জিত ৰূপ দান কৰিবৰ নিমিত্তে যত্নবান হৈছিল গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা। গুণাভিৰাম বৰুৱাই অসমীয়া ভাষাক জতুৱা ৰীতিৰ সহায়ত মুকলা কৰিবলৈ যত্ন কৰিছিল যদিও বাংলা ভাষাৰ প্ৰভাৱৰ পৰা তেওঁ সম্পূৰ্ণ মুক্ত হ'ব পৰা নাছিল। তদুপৰি প্ৰাচীন অসমীয়া ভাষাৰীতিৰ প্ৰভাৱো তেওঁৰ ওপৰত পৰিছিল গভীৰভাৱে। গুণাভিৰামৰ 'ৰাম নৱমী নাটকৰ ভাষাত বঙলা আৰু প্ৰাচীন অসমীয়া ভাষা-ৰীতিৰ লগতে কামৰূপী উপভাষাৰ শব্দ খণ্ডবাক্য আৰু বাক্যৰীতিৰ সংমিশ্ৰণ ঘটিছে। অৱশ্যে এনে মিশ্ৰণে তেওঁৰ ভাষাৰ সাৱলীলতা বিঘ্নিত কৰা নাই।

'অৰুনোদই'ৰ ভাষাক নিটোল আৰু সবল ৰূপ দানৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ বৰঙণি অবিস্মৰণীয়। 'অৰুনোদই'ৰ জৰিয়তে আত্মপ্ৰকাশ কৰা হেমচন্দ্ৰৰ প্ৰথম অৱস্থাৰ ৰচনাত মিছনেৰীৰ দ্বাৰা প্ৰতিষ্ঠিত বৰ্ণবিন্যাস আৰু গদ্যৰীতিৰ প্ৰভাৱ সুস্পষ্ট কিন্তু পৰৱৰ্তী কালত সংস্কৃতৰ আদৰ্শত অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰি তেওঁ বৰ্ণবিন্যাসৰ ক্ষেত্ৰত সংস্কৃতীয়া নিয়ম প্ৰতিষ্ঠিত কৰাৰ লগতে প্ৰথমাদি বিভক্তিৰ যথাৰ্থ সংযোগ আৰু পদৰ সুসংগত প্ৰয়োগেৰে বাক্য ৰচনা কৰি অসমীয়া ভাষাক বিশিষ্ট আৰু সুস্থ ৰূপ দান কৰে। উল্লেখযোগ্য যে হেমচন্দ্ৰই তৎসম তদ্ভৱ দেশীয়

আৰু বিদেশী শব্দাবলীৰ লগতে অসমীয়া জতুৱা ঠাচ খণ্ডবাক্যাদিৰ সংযোগত তেওঁৰ ভাষাক ঘৰুৱা ৰূপ দিবলৈ প্ৰয়াস কৰিছিল যদিও তেওঁ ইংৰাজী ভাষা ৰীতিৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাছিল।

অৰুনোদইকালীন অসমীয়া ভাষাৰ বিকাশ আৰু বিৱৰ্তনত হেমচন্দ্ৰ-গুণাভিৰামৰ বযোকনিষ্ঠ কবি ভোলানাথ দাসৰ অৱদানো মন কৰিবলগীয়া। ভোলানাথ দাসে কবিতা আৰু গদ্য—উভযবিধ ৰচনাত হাত দিলেও কবিতাৰ ক্ষেত্ৰখনকহে তেওঁ অধিক গুৰুত্ব দিছিল। সেই বাবে তেওঁৰ গদ্য ৰচনা তেনেই সীমিত। তেওঁৰ ৰচনাৱলীৰ সৰহভাগেই ইতিমধ্যে প্ৰকাশিত হৈছে। মাথোন কেইখনমানহে অপ্ৰকাশিত অৱস্থাত আছে।

ৰচনাৰ ৰীতি-প্ৰকৃতি অনুসৰি ভোলানাথ দাসৰ সমুদায নিৰ্মিতিক চাৰিটা ভাগত ভগাব পাৰি। যেনে (১) কাব্য-কবিতা (২) গল্প (৩) আত্মজীৱনী আৰু (৪) ব্যৱহাৰিক ৰচনা।

কবিগৰাকীৰ দ্বাৰা ৰচিত আৰু প্ৰকাশিত কাব্য-কবিতাৰ পুথি পাঁচখন ° (১) কবিতামালা (প্ৰথম ভাগ) (২) কবিতা মালা (দ্বিতীয ভাগ) (৩) চিন্তা তৰংগিনী (প্ৰথম ভাগ) (৪) চিন্তা তৰংগিনী (দ্বিতীয় ভাগ) আৰু (৫) সীতাহৰণ কাব্য।

ভোলানাথ দাসৰ কাব্য-কবিতাৰ-ভাষা তৎসম শব্দ নাম ধাতুৰ প্ৰয়োগ-বহুলতা আৰু বঙলুৱা ঠাচেৰে ভাৰাক্ৰান্ত। পুৰণি অসমীযা কাব্যৰ ভাষা-ৰীতিৰ প্ৰয়োগো সিসমূহত সঘনে চকুত পৰে। তদুপৰি ঠায়ে ঠযে 'হ'ব'ৰ ঠাইত হুব জিভা'ৰ ঠাইত জিবা 'হৈছা'ৰ ঠাইত হইছা' 'নহ'ব'ৰ ঠাইত 'নুহুব আদি আচহুৱা শব্দ তথা পদৰ ব্যৱহাৰো কবিগৰাকীৰ ৰচনাত লক্ষ্য কৰিব পাৰি। তোমা-থাকি' 'ছিডাঁ 'ভালৰি-বোলা আদি কথিত ঠাচো তেওঁ ঠাই বিশেষে প্ৰযোগ কৰিছে। এনেবোৰ বৈশিষ্ট্যৰ নিদৰ্শন কবিগৰাকীৰ কাব্য-কবিতাৰ যি কোনো অংশৰ পৰা দাঙি ধৰিব পাৰি। যেনে —

১/ তথাপি স্নেহয় তাক কিয় সকলোএ?
মেঘ মেঘ বুলি কিয শূন্য দিশে চাৱে?
২/ সদগুণ থাকিলে শিশু কি কৰয় ৰূপ।
দেখা স্নেহপাত্ৰ মেঘে হুইয়া কুৰূপ।।
৩/ কাৰণ সিটোৰ হুন্তে হোৱে অস্ত্ৰগণ।
যাৰবলে কত কাৰ্য্য কৰে নৰগণ।। (সদ্‌গুণৰ আদৰ)
৪/ ৰাম অস্ত্ৰে ৰক্ষপতি গৈলন্ত মৰিয়া।
নিজক হিংসিলে মাত্ৰ সীতাক হৰিয়া।।
৫/ হুইবে নিজৰ হিত আনৰো মঙ্গল।

ঈশ্বৰৰো প্ৰিয় কাৰ্য্য হুইবে সফল।। (হিংসা)

৬/ মোত থাকি সি সবও হোৱে শ্ৰেষ্ঠতৰ।

৭/ দিন পাছে ৰাত্ৰি যায় ৰাত্ৰি পাছে দিন
আলো পাছে অন্ধকাৰ
আসে যায় পুনৰ্ব্বাৰ
বৰ্ষ পাছে বৰ্ষ যায় হোৱে আয়ুক্ষীণ।। (এক ব্যক্তিৰ মনোভাব)

৮/ যদি ছিড়াঁ বস্ত্ৰ পিন্ধি থাকে পুণ্যভাগী
তথাপি পুণ্যক যিটো সদাই আশ্ৰয।। (সুখী কোন?)

৯/ হস্ত পদ আছে বুলি যদি তুমি নৰ।
তৱে নৰ হুব পাৰে বনৰো বানৰ।।
নোহা শ্ৰেষ্ঠ প্ৰাণী তুমি ইসব কাৰণে।
কেৱল হুইছা বড আন্তৰিক গুণে।।

১০/ ইৰূপ মানুষে আৰু বনৰ প্ৰাণীত।
নাহিক বিভিন্ন একো জানিবা নিশ্চিত।। (মানুহ শ্ৰেষ্ঠ জীৱ কিয়?)

এনে মিশ্ৰিত ভাবাদৰ্শৰ বাবে বেজবৰুৱা গোহাঞিবৰুৱা আদি বিশিষ্ট বযোকনিষ্ঠ কবি-সাহিত্যিকসকলে ভোলানাথ দাসক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল।[১১] অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচকেও তেওঁৰ কাব্য-কবিতাৰ ভাষাক কৃত্ৰিম বুলি অভিযোগ উত্থাপন কৰিছে।[১২]

কবিগৰাকীৰ কাব্য-কবিতাৰ ভাষা আৰু ৰচনা-ৰীতি যে কৃত্ৰিম আছিল তাত সন্দেহৰ অৱকাশ নাই। সাহিত্যত এক শ্ৰেণীৰ লেখকে লিখিত ভাষাৰ পৰা কিঞ্চিৎ পৰিমাণে হ'লেও মাৰ্জিত কৰি কৃত্ৰিমতাক প্ৰশ্ৰয় দিযাটো বাঞ্ছনীয় বুলি বিবেচনা কৰে। ভোলানাথ দাসেও তাকে কৰিছিল।[১]

ভোলানাথ দাস অসমীয়া আৰু বঙলা ভাষা-যুদ্ধৰ মাজৰ কালছোৱাত জন্ম গ্ৰহণ কৰা কবি। তেতিয়া অসমত বঙলা আৰু অসমীয়া ভাষাৰ মিশ্ৰণত সৃষ্টি হোৱা এটা কৃত্ৰিম ভাষাৰ অবাধ প্ৰচলন আছিল। আনহাতে, কবিগৰাকী বিশেষভাৱে প্ৰভাবান্বিত হৈছিল মধুসূদন দত্তৰ ৰচনা-ৰীতিৰ দ্বাৰা।[১৪] সেয়েহে, তেওঁৰ ভাষা-ৰীতি হৈ পৰিছিল বাংলাগন্ধী। তেওঁৰ কাব্য-কবিতাত, তৎসম আৰু নামধাতুৰ প্ৰয়োগ বহুলতাৰ ক্ষেত্ৰতো মধুসূদনৰ প্ৰভাৱ অনস্বীকাৰ্য। তদুপৰি, কবিগৰাকীয়ে তেওঁৰ ৰচনাক বিশেষকৈ কাব্য-কবিতাক কোনো কোনো ঠাইত প্ৰাচীনতাৰ গৌৰৱ প্ৰদান কৰি, তাক পবিত্ৰীকৃত কৰিবলৈ যত্ন কৰিছিল।[১৫] সেই কাৰণেই, তাত প্ৰাচীন ভাষা-ৰীতি আৰু আচহুৱা শব্দৰ প্ৰয়োগ সুলভ। ডিম্বেশ্বৰ নেওগৰ ভাষাত, 'সংস্কৃত, বঙলা আদিৰ ভাঁজ দিয়া বুলিলেও স্বৰূপতে অসমীয়াত এক সাধু, গহীন ভাষাৰ

কাব্যৰীতিৰ সৃষ্টি কৰাটোৱেই ভোলানাথৰ মহৎ উদ্দেশ্য আছিল নিশ্চয়। তেওঁৰ দোষখিনিয়ে অসমীয়া সাহিত্যক ছুব নোৱাৰিলে, কিন্তু গুণখিনিয়ে ইয়াক বহুত সমৃদ্ধিশালী কৰিলে যে ই নিশ্চয়।[১৬]

ভোলানাথ দাসৰ কাব্য-কবিতাৰ ভাষাৰ তুলনাত গদ্য-ভাষা সৰল, প্ৰাঞ্জল আৰু স্পষ্ট। কৃত্ৰিমতাৰ পৰা তেওঁৰ গদ্য সম্পূৰ্ণ মুক্ত। তৎসম আৰু নামধাতুৰ প্ৰয়োগ বিৰলতা আৰু তদ্ভৱ আৰু থলুৱা শব্দৰ যথাৰ্থ প্ৰয়োগ, তেওঁৰ গদ্য-ভাষাৰ বিশেষত্ব। বাক্যবোৰৰ গঠন-ৰীতিও ব্যাকৰণসম্মত। তলত কবিগৰাকীৰ দ্বাৰা ৰচিত 'লংকাৰ সম্বাদ কি? নামৰ গল্পটোৰ পৰা এছোৱা তেওঁৰ গদ্য-ৰচনাৰ দৃষ্টান্তস্বৰূপে তুলি দিয়া হ'ল ঃ

> বেনাৰ গাঁও আৰু কুমাৰী গাঁও নামেৰে দুখন ওচৰা ওচৰি গাঁও আছিল। গাঁও দুখনৰ মাজত মিল নাছিল। 'সদাই ইখানে সিখানৰ, আৰু সিখানে ইখানৰ নিন্দা-কুৎসা কৰি থাকে। দৈবাৎ বেনাৰ গাঁওৰ দৰা এটালৈ কুমাৰী গাঁওৰ কন্যা এজনী দিয়াৰ বন্দোবস্ত হ'ল। বিয়াৰ দিনা দৰাঘৰীয়া মানুহৰ লগত কন্দল কৰিবৰ মনেৰে কুমাৰী (অৰ্থাৎ কন্যাৰ) গাঁওৰ ডেকা কিছুমানে আলচ পাতিলে। বেনাৰ গাঁওৰ মানুহ দৰাৰ লগত নিশা বিয়ালৈ আহোতে, বাটত কুমাৰীগএৱা ডেকাবিলাকে আগচি ধৰি সুধিলে, 'লংকাৰ সম্বাদ কি? বান্দৰ বিলাক ৰামৰ লগত লংকালৈ গৈছিল আৰু সেই নিমিত্তে লংকাৰ সকলো কথা জানিছিল। কুমাৰীগএৱাহঁতে 'লংকাৰ সম্বাদ কি? —এই প্ৰশ্নৰ দ্বাৰাই বেনাৰগএৱাহঁতক প্ৰকাৰন্তৰে বান্দৰ বুলিছিল।"

এই অনুচ্ছেদটোৰ প্ৰকাশভংগী যিদৰে পোনপটীয়া, ভাষাও সেইদৰে সৰল-সহজ। সন্ধি-সমাসসিদ্ধ তৎসম শব্দৰ সলনি তদ্ভৱ শব্দৰ প্ৰয়োগাধিক্যই অনুচ্ছেদটোৰ ভাষাক সাৱলীলতা দান কৰিছে। কামৰূপী নিৰ্দিষ্টতাবাচক 'খান' প্ৰত্যয়ৰ প্ৰয়োগ ইয়াৰ মন কৰিবলগীয়া বৈশিষ্ট্য। অনুচ্ছেদটোত ব্যৱহৃত বাক্যসমূহৰ বিন্যাসৰীতি ব্যাকৰণসম্মত আৰু আধুনিক। দাৰি, ক'মা, চেমিকলন, উৰ্ধক'মা আদি যতি চিনৰ প্ৰয়োগেৰে বাক্যসমূহ সুশৃংখলিত।

ওপৰৰ আলোচনাৰ পৰা ঠাৱৰ কৰিব পাৰি যে, ভোলানাথ দাসৰ গদ্য-ভাষা সমসাময়িক বা পৰৱৰ্তী গদ্য-লেখকৰ ভাষা-ৰীতিৰ পৰা কোনো গুণে ভিন্ন নাছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে তেওঁৰ গদ্য-ভাষাই নতুন সাজ পিন্ধি সমাজত খাপ খাই পৰিছিল। সেয়েহে গদ্য-ৰচকস্বৰূপে তেওঁক সফল বুলি নিশ্চিতভাৱে ক'ব পাৰি।

প্ৰতিভাশালী কবি-সাহিত্যিকসকলে তেওঁলোকৰ নিৰ্মিতিক লোক-ৰুচিৰ অনুকূলে ৰূপায়ণ কৰিবৰ নিমিত্তে লোকভাষাৰ আশ্ৰয় লয়। লোকভাষা পুৰণি, পৰম্পৰাগত,

স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক। সূক্ষ্ম ভাবানুভূতি তথা বিষয়বোধ জগাই তোলাৰ ক্ষেত্ৰত লোকভাষাৰ ভূমিকা অনতিক্ৰম্য। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত "সাহিত্যক যদি সৰ্বসাধৰণৰ উপভোগৰ বস্তু কৰিব লাগে তেন্তে সৰ্বসাধাৰণে ব্যৱহাৰ কৰা ভাষাত নিশ্চয় তাক গঢ়িব লাগিব।"[১১]

ভোলানাথ দাসে তেওঁৰ গদ্য আৰু কবিতা উভয়বিধ ৰচনাকে সৰ্বসাধাৰণৰ হৃদয়গ্ৰাহী কৰিবৰ নিমিত্তে যত্ন কৰিছিল। সেয়েহে, তেওঁৰ উভয়বিধ ৰচনাতে অসমীয়া লোকভাষাৰ গঠন-ভংগিমা আৰু শব্দাদিৰ যথাযোগ্য প্ৰযোগ লক্ষ্য কৰিব পাৰি। ইয়াৰ ফলত তেওঁৰ ভাষাই যে কৃত্ৰিমতাৰ মাজতো স্বাভাৱিক ৰূপ এটি পৰিগ্ৰহণ কৰিছে, সেই কথা নক'লেও চলে। তলত কবিগৰাকীৰ ৰচনাত প্ৰযোগ হোৱা লোকভাষাৰ গঠন-ভংগিমাৰ অকৃত্ৰিম প্ৰতিৰূপৰ নিদৰ্শন দাঙি ধৰা হ'ল ঃ

১/ মেখেলাৰ জোঁটে হামখুড়ি খাই
কোনোবা পৰয় পুনং উঠি যায়
দেখি হাসে কোনো প্ৰফুল্ল বদনে।।

২/ অসমীয়াৰ পদ-গান
যেন পাপীৰ গংগাস্নান
নোহোৱা নোপজা কথা কতু শুনা নাই।

৩/ মোৰ নাক কাণ কাটিলি
পোটক তুলি কৰিবোঁ চৰ্বণ
সীতাৰ নাসিকা-কাণ কোন বাপে ৰাখে।

৪/ নাক কাটী, কাণ কাটী শূৰ্পনখা বাই
দেখি ধাতু যায়।

৫/ 'ইটো কি আহিছে, হেঁযে হাতী যেন গাৰে' ?
'চাছোঁ চা দহোটা মূৰ কহে অন্যজনী
বোলে কোনো 'চাছোঁ বাই শালগছ যেন
একুৰি একুৰি হাত, কয় আৰু জনী
টেলেকা একুড়ি চকু টেৰা কৰি কৰি
কেনেকৈ চাইছে চাছোঁ, কেনে কৰে দেখোঁ। (সীতাহৰণ কাব্য)

৬/ তেওঁ তিৰোতা মানুহ। তেওঁৰ পেটে মুখে একে
তেওঁ সকলো কথা সচাকৈ ক'ব। (মঞ্জুৰ)

৭/ এতিয়া সি ধন ধাৰ কৰি খৰচ কৰিব লাগিছে। ধাৰ কাণে-মূৰে হৈছে, তাৰ পৰা মুক্তি নাপায়। (হোজা বেঙা সিং)

৮/ চোৰাংচোৱাইঁতে বিচাৰিলেহে বিচাৰিলে, কিন্তু ক'তো সেনা নেদেখিলে।

সেনা থকাৰ একো আঁটকাল নাপালে। (হোজা বেঙা সিং)

লোকভাষাৰ বিশিষ্ট সম্পদ হ'ল দ্বিৰুক্তিবাচক অনুকাৰ অনুৰূপ শব্দাদি। লোকভাষাক স্বাভাৱিকতা দান কৰাৰ ক্ষেত্ৰত এনেবোৰ শব্দৰ ভূমিকা অতুলনীয়। ভোলানাথ দাসে তেওঁ ৰচনাত নানান দ্বিৰুক্তিবাচক অনুকাৰ, অনুৰূপ শব্দৰ প্ৰয়োগ কৰিছে। যেনে

আউল-বাউল, আলহ-উলহ, কড-মড খল-খল ছট-ফট, জৰ-জৰ,
ঝল-ঝল ঝল-মল টগ-বগ, থৰ-থৰ দপ-দপ, ধড়-ফড়, পিন-পিন
বাট-ঘাট ভুক-ভুক মড-মড লণ্ড-ভণ্ড, লহ-লহ, হুম-হুমি হুৱা-হুৱা ইত্যাদি।

অসমীয়া লোকভাষাত গালি-শপনিবাচক শব্দবোৰেও উল্লেখযোগ্য স্থান লাভ কৰি আছে। লোক-জীৱনৰ চিত্ৰ যথাৰ্থ ৰূপত প্ৰকাশ কৰিবৰ নিমিত্তে কবি-সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাৰাজিত এনেবোৰ শব্দৰো প্ৰয়োগ কৰা দেখা যায়। ভোলানাথ দাসৰ ৰচনাত ব্যৱহৃত এনে গালি-শপনিবাচক কেতবোৰ শব্দ হ'ল ঃ

অধৰমী, কলংকিনী, কুলক্ষনী, কুলাংগাৰ, খাড়ীনাকী গজমূৰী, দুৰ্মুখ,
নষ্টযাইতী নিলাজী নীচমতি, পাপি পাপিনী পাপীষ্ঠ পামৰ বেটীবান্দুলি
লক্ষ্মীচাড়ী ইত্যাদি।

অসমীয়া লোকভাষাত ব্যৱহৃত নামবাচক শব্দবোৰৰ সৰলতা আৰু স্বতন্ত্ৰতা বিশেষভাৱে মন কৰিবলগীয়া।[১৮] ভোলানাথ দাসৰ ৰচনাত তেনে নামবাচক শব্দৰো প্ৰয়োগ হোৱা দেখা যায়। যেনে ঃ

(১) মানুহৰ নাম আঁকৰী নিচলী, নীলকান্ত, বেঙা, মঞ্জুৰ মালতী ইত্যাদি।
(২) গাঁৱৰ নাম ঃ কুমাৰী গাঁও, পাথৰি গাঁও বেনাৰ গাঁও ইত্যাদি।

ভোলানাথ দাসৰ সাৰস্বত সাধনা 'অৰুনোদই'কালীন ভাবধাৰা আৰু অভিজাত চেতনাৰে ভূষিত হ'লেও তাৰ পশ্চাৎপটত ক্ৰিয়াশীল হৈ থকা লোকসমাজ-জীৱনকেন্দ্ৰিক আদৰ্শৰপৰা তেওঁ সম্পূৰ্ণ মুক্ত হ'ব পৰা নাছিল। সেয়েহে তেওঁৰ ৰচনাত 'কৃত্ৰিম ভাষা টোৰ কাযে কাযে তদানীন্তন প্ৰচলিত অসমীয়া সমাজ-জীৱনৰ স্বৰূপ প্ৰকাশক লোকভাষা-ৰীতি'ৰো প্ৰয়োগ ঘটিছে।

অসমীয়া সাহিত্যৰ ইতিহাসৰ দুটা প্ৰধান আৰু প্ৰাতঃস্মৰণীয় যুগ যথাক্ৰমে 'অৰুনোদই আৰু জোনাকী' যুগৰ মাজত সংযোগ সেতুৰ অন্যতম নিৰ্মাতাস্বৰূপে কবিগৰাকীৰ ছায়ামূৰ্তিৰ অস্তিত্ব প্ৰতিগৰাকী চেতনাসম্পন্ন অসমীয়াই অনুভৱ নকৰাকৈ নাথাকে। পাশ্চাত্য শিক্ষা-সভ্যতা আৰু সংস্কৃতিৰে অনুপ্ৰাণিত আৰু অসমীয়া সংস্কৃতিৰে পৰিপুষ্ট ভোলানাথ দাসৰ প্ৰতিভা আছিল প্ৰধানকৈ সৃজনশীল প্ৰতিভা। সেই প্ৰতিভাৰ দ্বাৰা সংক্ষিপ্ত সময়ৰ ভিতৰত, সীমিত পৰিমাণৰ ৰচনাৰে

অসমীয়া সাহিত্যৰ বিশেষকৈ কাব্য-কবিতাৰ আৰু লগতে অসমীয়া ভাষাটোৰ যি উৎকর্ষ সাধন কৰি গ'ল, তাৰ বাবে অসমীয়া লোকৰ স্মৃতিত কবিগৰাকী অমৰ হৈ ৰ'ব।□

পাদটীকা ঃ

১ হেৰম্বকান্ত বৰপূজাৰী ° *অসমৰ নৱজাগৰণ ঃ অনা অসমীয়াৰ ভূমিকা* পৃ ১২
২ সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* পৃ ৩০১
৩ উক্ত গ্ৰন্থ, পৃ ৩০২
৪ উক্ত গ্ৰন্থ, পৃ ৩০৮
৫ উক্ত গ্ৰন্থ, পৃ ৩০৮
৬ উক্ত গ্ৰন্থ, পৃ ৩১১
৭ অতুলচন্দ্ৰ বৰুৱা (সম্পা) ঃ *ভোলানাথ দাস ৰচনাৱলী* পৃ ১২৩
৮ সত্যেন্দ্ৰনাথ শৰ্মা ঃ প্ৰাগুক্ত গ্ৰন্থ পৃ ৩১১
৯ মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* পৃ ২৪০
১০ (সম্পা) ঃ *অৰুনোদই,* পাতনি পৃ ১০৬
১১ অতুলচন্দ্ৰ বৰুৱা (সম্পা) ◦ *ছন্দশিল্পী ভোলানাথ দাস* পৃ ৩৩
১২ সত্যেন্দ্ৰনাথ শৰ্মা ° প্ৰাগুক্ত গ্ৰন্থ পৃ ৩১১
১৩ অতুলচন্দ্ৰ বৰুৱা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৯
১৪ (সম্পা) ◦ *ভোলানাথ দাস ৰচনাৱলী* পৃ ২১৫
১৫ ° উক্ত গ্ৰন্থ পাতনি' পৃ ১৬
১৬ ডিম্বেশ্বৰ নেওগ ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* পৃ ৩২০
১৭ লক্ষ্মীনাথ বেজবৰুৱা ° *অসমীয়া ভাষা আৰু সাহিত্য* পৃ ৩৪৯
১৮ বিৰিঞ্চি কুমাৰ বৰুৱা ° *অসমীয়া ভাষা আৰু সংস্কৃতি* পৃ ২২৬।

মিছনেৰীৰ অসমীয়া ভাষা আৰু হেমচন্দ্ৰ বৰুৱা

❑ ভৱপ্ৰসাদ চলিহা

অসমীয়া ভাষাৰ ক্ৰমবিৱৰ্তনৰ ইতিহাসত ঊনবিংশ শতিকাৰ কালছোৱা একপ্ৰকাৰ অনিশ্চযতা আৰু পৰীক্ষা-নিৰীক্ষাৰ কাল বুলিব পাৰি। অষ্টাদশ শতিকাৰ শেহৰ পৰাই বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহৰ (১৭৬৯) সময়ৰ পৰা ১৮২৬ চনত অসমৰ শাসনভাৰ মানৰ হাতৰ পৰা ইংৰাজৰ হাতলৈ নোযোৱালৈকে এই কালছোৱাত যি ৰাজনৈতিক অস্থিৰতাই দেখা দিছিল তাৰ ফলত অসমীয়া ভাষা-সাহিত্যৰ বিস্তৰ ক্ষতি সাধন হৈছিল। ইংৰাজে দেশ লোৱাৰ পাছত দেশৰ ৰাজনৈতিক পৰিস্থিতি বহু পৰিমাণে সুস্থ হৈছিল যদিও চৰকাৰৰ ভুল ভাষা-নীতিৰ ফলত অসমীয়া ভাষাৰ বিকাশৰ পথ বহু দিনলৈ ৰুদ্ধ হৈ গৈছিল। এহাতে পূৰ্বৰ কোচ, আহোম আদি ৰজাসকলৰ পৰা পোৱা পৃষ্ঠপোষকতাৰ অভাৱত আৰু আনহাতে প্ৰতিকূল পৰিবেশৰ কাৰণে এই কালছোৱাত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা প্ৰায নোহোৱাৰ দৰে হৈছিল।

ইংৰাজ আমোলৰ প্ৰথম দহ বছৰমানলৈ অসমীয়া ভাষাই ইয়াৰ প্ৰশাসনৰ ভাষা আৰু শিক্ষাৰ মাধ্যম হিচাপে চলি আছিল। এনে সময়তে লৰ্ড মেকলে চাহাবে কোম্পানীৰ কৰ্তৃপক্ষক ভাৰতৰ ভাষা সম্পৰ্কে দিয়া প্ৰতিবেদন অনুসাৰে ১৮৩৫ চনত ইংৰাজী ভাষা সৰ্বভাৰতীয় চৰকাৰী ভাষাৰূপে ঘোষিত হ'ল। তাৰ পাছৰ বছৰতে ১৮৩৬ চনত ভাৰতৰ বিভিন্ন প্ৰদেশত তাৰ স্থানীয় ভাষাক স্কুল আদালতৰ ভাষা হিচাপে চৰকাৰে স্বীকৃতি দিলে। অসমত কিন্তু ইয়াৰ স্থানীয ভাষা অসমীয়াই সেই স্থান নাপালে। অসমীয়া স্বতন্ত্ৰ ভাষা নহয়, বঙলা ভাষাৰে এটা উপভাষা বুলি ধৰি লৈ চৰকাৰে অসমত বঙলা ভাষা প্ৰৱৰ্তন কৰিলে। যদিও ১৮১৩ চনতে অৰ্থাৎ অসম ইংৰাজৰ অধীনলৈ যোৱাৰ পূৰ্বেই আত্মাৰাম শৰ্মাই কৰা বাইবেলৰ অসমীয়া অনুবাদ কলিকতাৰ পৰা প্ৰকাশ হৈছিল, সেই কথাই অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰমাণ কৰাব নোৱাৰিলে। হয়তো হলিৰাম ঢেকিয়াল ফুকনে বঙলা ভাষাত লিখা 'আসাম বুৰঞ্জি' পুথিয়েহে (প্ৰকাশ ১৮২৯ চন) অসমত বঙলা ভাষা প্ৰচলনৰ যুক্তি প্ৰতিপন্ন কৰিলে। কাৰণ যিয়েই নহওক লাগে স্থানীয় ভাষা অসমীয়া হঠাতে বিদ্যায়লৰ পৰা বহিষ্কৃত হ'ল। অসমীয়া ল'ৰা-ছোৱালী পঢ়াশালিত নিজৰ মাতৃভাষা শিকাৰ পৰা বঞ্চিত হ'ল। ইংৰাজ চৰকাৰে অজ্ঞতা আৰু অদূৰদৰ্শিতাৰ কাৰণে অসমীয়া ভাষাৰ প্ৰতি দুৰ্ঘোৰ অন্যায কৰিলে। দৰাচলতে ১৮৭৩ চনত অসমীয়া

ভাষাই স্থানীয় ভাষাৰূপে পুনৰ স্বীকৃতি নোপোৱালৈকে এই ছয়ত্ৰিশ বছৰ অসমীয়া ভাষা-সাহিত্যৰ চৰম দুৰ্যোগৰ কাল বুলিব পাৰি। অসমত তেতিয়া চৰকাৰী ভাষা-নীতিৰ প্ৰতিবাদ কৰিবলৈ কোনো ব্যক্তি অথবা অনুষ্ঠান নাছিল। আনন্দৰাম ঢেকিয়াল ফুকন তেতিয়া সাত বছৰীয়া শিশু মাথোন। সুদীৰ্ঘ কাল অসমীয়া ভাষাৰ চৰ্চাৰ অভাৱ আৰু বঙলা ভাষাৰ বিস্তাৰৰ ফলত অসমীয়া ভাষাৰ আখৰ জোঁটনি ব্যাকৰণ আৰু শব্দাৱলীৰ ব্যৱহাৰত এক অনিশ্চযতাই দেখা দিলে। সেযে এই কালছোৱাত যি অলপ সাহিত্য সৃষ্টি হৈছিল তাৰ অনেকৰে ভাষা বঙলুৱা হ'ল। মণিৰাম দেৱানৰ 'বুৰঞ্জী-বিবেক-ৰত্ন (অপ্ৰকাশিত) ভোলানাথ দাসৰ 'সীতা হৰণ কাব্য আদিৰ ভাবালৈ মন কৰিলেই এই কথা লক্ষ্য কৰিব পাৰি। যেনে—

'তদ্ভিন্ন দক্ষিণ কোলে বৈদিক ধৰ্ম প্ৰচাৰ ছিল না। এবঞ্চ যে কযেকজন ৰাজা ছিল তাহাৰা ম্লেচাচাৰী বৌধাৱলম্বী ছিল। তৎপৰ যে সকল অসম ৰাজা হৈয়াছিলেন তাহাও তৎস্বৰূপ মতেই ছিলেন। কেৱল অসম শাস্ত্ৰেৰ দেওধাই বাইলুঙৰ মত আচৰণ-কৰিতেন।" ইত্যাদি। (বুৰঞ্জী-বিবেক-ৰত্ন) সেইদৰে—

'লঙ্কাধামে সভাতলে বসি লঙ্কাপতি
যিৰূপে গৰ্জিলা দেৱে শব্দবাহী বহি
ৰাৱণ-গৰ্জন স্বৰ্গে শুনাইল সুৰে।
শুনিলা দেৱতাগণ 'কি কহিলি ভনি।
ৰক্ষকুল ক্ষয দেখি আদিতেযগণ
শৃগাল পালৰ সম দিলে হুৱাধ্বনি
উল্লাসে। বজালে বাদ্য ৰক্ষোৰিপু জযে?
দেখিবোঁ দেৱতা সৱে দেখিবোঁ বাসৱে। ইত্যাদি।(সীতাহৰণ কাব্য)

অৱশ্যে তেতিযাও প্ৰাচীন ৰীতিতে দুই-চাৰিজনে পুথি ৰচনা নকৰাকৈ থকা নাছিল। তেওঁলোকৰ ভিতৰত দুতিৰাম হাজৰিকা, বিশ্বেশ্বৰ বৈদ্যাধিপ দীননাথ বেজবৰুৱা, হৰকান্ত বৰুৱা সদৰামীন আদিৰ নাম উল্লেখ কৰিব পাৰি।

ভাষাৰ এই সংকটৰ সময়তে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ১৮৩৬ চনমানত আমেৰিকান বেপ্টিষ্ট মিছনৰ ডক্টৰ নাথন ব্ৰাউন ওলিভাৰ কট্ৰৰ মাইলছ ব্ৰনছন আদি পাদুৰী চাহাব কেইজনমান অসমত প্ৰৱেশ কৰেহি। তেওঁলোকে পোনতে চিংফৌ খামটি নগা আদি পাহাৰী জাতিসমূহৰ মাজত ধৰ্ম প্ৰচাৰ কৰিবলৈ যত্ন কৰিছিল যদিও তাত অসুবিধা পাই ভৈযামলৈ নামি আহে আৰু জয়পুৰ শিৱসাগৰ আৰু পাছলৈ গুৱাহাটী তেজপুৰ আদিত মিছন স্থাপন কৰে। শিৱসাগৰ তেওঁলোকৰ প্ৰধান কৰ্মস্থান হয। কিন্তু কি ভাষাত ধৰ্ম প্ৰচাৰ কৰিব সেই লৈ তেওঁলোক মহাসমস্যাত পৰিল। মিছনেৰীসকলে ভালকৈ জানিছিল যে কোনো বিদেশী ভাষাৰ যোগেদি ধৰ্ম প্ৰচাৰ কৰা সম্ভৱ নহয়। অসমত অসমীয়াহে ধৰ্ম

প্ৰচাৰৰ মাধ্যম হ'ব লাগিব। সেইবাবে তেওঁলোকে বহু কষ্ট কৰি অসমীয়া ভাষা শিকি অসমীয়া ভাষাৰ ব্যাকৰণ অভিধান লিখি, এই ভাষাত বাতৰি কাকত আলোচনী উলিয়াই ধৰ্ম প্ৰচাৰৰ পথ সুগম কৰাত লাগিল। আত্মাৰাম শৰ্মাৰ বাইবেলৰ (১৮১৩) অনুবাদটিও তেওঁলোকৰ বাবে ভাষাৰ আৰ্হি স্বৰূপ হ'ল।

মিছনেৰীসকলে লগত এটা সৰু ছপাখানাও আনিছিল। এয়ে অসমত প্ৰথম ছপাখানা। শিৱসাগৰতে তেওঁলোকে এই ছপাখানা প্ৰতিষ্ঠা কৰি তাৰে পৰাই ১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা 'অৰুণোদই' নামৰ প্ৰথম অসমীয়া আলোচনী বা বাতৰি-কাকতখন উলিওৱাৰ কাম হাতত লয়। যিসময়ত চৰকাৰে অসমীয়া ভাষাক স্কুল-আদালতৰ পৰা বহিষ্কাৰ কৰিছিল সেই সময়ত সেই অসমীয়া ভাষাতে আলোচনী উলিয়াবলৈ লোৱাটো কম দুঃসাহসৰ কথা নাছিল। ধৰ্মপ্ৰচাৰ কৰাই মুখ্য উদ্দেশ্য হ'লেও জ্ঞান-বিজ্ঞানৰ নানা কথা দেশ-বিদেশৰ বাতৰি, বুৰঞ্জী, নীতি-শিক্ষা, জীৱনী আদি সকলো বিষয় সামৰি অৰুণোদই কাকতে আলোচনী আৰু বাতৰি কাকত উভয়ৰে কাৰ্য সম্পাদন কৰিছিল। তদুপৰি যি সময়ত "অসমত কাকতৰ গতি কচুপাতৰ পানীটুপিৰ দৰে" অস্থায়ী বুলি 'জোনাকী'ৰ (১৮৮৯ চন) সম্পাদকে আক্ষেপ কৰিছিল তাৰো আগতে ১৮৪৬ চনৰ পৰা ১৮৮৩ চনলৈ এই একুৰি সোতৰ বছৰ কাল (যদিও মাজে মাজে ইয়াৰ ধাৰাবাহিকতা নষ্ট হৈছিল) অৰুণোদই চলি থকাটো বিস্ময়ৰে কথা আছিল। তদুপৰি এই কাকতেই অসমীয়া ভাষাৰ আধুনিক গঢ দিয়াত প্ৰধান ভূমিকা গ্ৰহণ কৰিলে।

নজনা নুশুনা ভাষা এটা আয়ত্ত কৰি সেই ভাষাত আলোচনী উলিওৱাৰ নিচিনা দুৰূহ কামত মিছনেৰীসকলে হাত দিয়াৰ কথা ভাবিলে বিস্ময় মানিব লাগে। তেওঁলোক যে ভাষা সম্পৰ্কীয় বিশেষ অসুবিধাৰ সম্মুখীন হৈছিল সেই কথা সহজে অনুমান কৰিব পাৰি। বিশেষকৈ তেতিয়ালৈকে অসমীয়া ভাষাৰ কোনো ব্যাকৰণ বা অভিধান ওলোৱা নাছিল। এটা অপৰিচিত ভাষা শিকিবলৈ হ'লে প্ৰথমে তাৰ ব্যাকৰণ আৰু অভিধানৰ প্ৰয়োজন। ব্যাকৰণত ভাষা প্ৰয়োগৰ নিয়মাৱলী লিপিবদ্ধ হয় আৰু অভিধানে শব্দাৱলীৰ উৎপত্তি, আখৰ-জোঁটনি সিহঁতৰ অৰ্থ আৰু প্ৰয়োগ-বিধি নিৰূপণ কৰি দিয়ে। অসমীয়া ভাষাত অৰুণোদই উলিয়াবলৈ লৈ মিছনেৰীসকলৰ অৱস্থা অঠাই পানীত পৰি পাৰ নোপোৱাৰ দৰে হ'ল। তেওঁলোকে অসমীয়া ভাষাৰ কথিত আৰু লিখিত ৰূপৰ পাৰ্থক্য বিচাৰি নোপোৱা হ'ল। এনে অৱস্থাত মিছনেৰীসকলে শিৱসাগৰৰ আশে-পাশে ব্যৱহৃত উজনি অসমৰ কথিত ভাষাকে সাহিত্য ৰচনাৰ মাধ্যম কৰি ল'লে। কাৰণ, অব্যৱহিত পূৰ্ববৰ্তী অসমীয়া সাহিত্য অৰ্থাৎ আহোম যুগৰ অসমীয়া সাহিত্য এই ভাষাতে ৰচিত হোৱা তেওঁলোকে দেখিবলৈ পাইছিল। এই সময়তে তেওঁলোকৰ হাতত পৰে যাদুৰাম ডেকা বৰুৱাৰ হাতে লিখা 'বঙলা-অসমীয়া-শব্দকোষ'খন। ১৮৩১ চনতে সংকলন কৰা ডেকা

বৰুৱাৰ অভিধানখনৰ বৰ্ণবিন্যাস উচ্চাৰণ অনুসৰি কৰা হৈছিল। ডেকা বৰুৱাই হাতে লিখা অৱস্থাতে অভিধানখন জেনেৰেল জেন্‌কিন্‌ছ চাহাবক দিছিল। তেওঁৰ পৰা পুথিখন মিছনেৰীসকলৰ হাতলৈ যায়। তেওঁলোকে ডেকা বৰুৱাৰ অভিধানৰ আখৰ-জোঁটনিকে অৰুনোদইৰ ভাষাৰ আৰ্হি কৰি ল'লে। তাৰ পাছত পুথিখনৰ কি হ'ল তাৰ কোনো শুংসূত্ৰ পোৱা নাযায। এইখনেই অসমীযা ভাষাৰ প্ৰথম অভিধান আছিল।

অৱশ্যে ইযাৰ বহুত আগতে আহোমসকলে 'বৰ অম্ৰ' আৰু 'লাটি অম্ৰ' নামৰ দুখন অভিধান ৰচনা কৰিছিল। আহোম ভাষাত 'অম্ৰ' মানে অভিধান। 'বৰ অম্ৰ'ত আহোম শব্দৰ অসমীয়া অৰ্থ আৰু 'লাটি অম্ৰ'ত অসমীযা শব্দৰ আহোম অৰ্থ দিয়া আছে। শাসক আহোমসকলে ব্যৱহাৰিক প্ৰয়োজনত ৰচনা কৰা এই দুখন পুথিক প্ৰকৃত অৰ্থত অভিধান বুলিব নোৱাৰি। জনা যায় পুথি দুখন এতিয়াও হাতে লিখা অৱস্থাতে আছে।

অভিধান প্ৰণয়নৰ ক্ষেত্ৰত যাদুৰাম ডেকা বৰুৱাৰ পাছত আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰচেষ্টা উল্লেখযোগ্য। তেওঁ ইংৰাজী-অসমীয়া আৰু অসমীযা-ইংৰাজী এনেকৈ দুখন অভিধান প্ৰণয়নৰ কামত হাত দিছিল আৰু কিয়দংশ নমুনা হিচাপে ১৮৫৬ চনৰ ডিচেম্বৰ মাহৰ অৰুনোদইত প্ৰকাশ কৰিছিল। এই অভিধান সম্পৰ্কে অৰুনোদইৰ সম্পাদকীয় স্তম্ভত এনেদৰে মন্তব্য দিযা হৈছিল—"ফুকনে ইংৰাজি অচমিয়া আৰু অচমিয়া ইংৰাজি এই ৰূপে দুই খণ্ড অভিধান লিখিচে। এই অভিধানৰ আখৰ জোটোৱা আমাতকৈ কিচু বেলেগ হৈছে. ।" ইত্যাদি। ঢেকিযাল ফুকনৰ অকাল বিয়োগত অভিধান দুখন অসম্পূৰ্ণ হৈ ৰ'ল।

১৮৬৭ চনত ডক্টৰ মাইল্‌ছ ব্ৰন্‌ছনৰ অসমীয়া অভিধান A Dictionary Assamese and English' প্ৰকাশ হয় শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা। এই অভিধান ব্ৰনছনৰ ব্যক্তিগত অধ্যৱসায আৰু কঠোৰ পৰিশ্ৰমৰ ফল। চৈধ্য হাজাৰ অসমীযা শব্দ আৰু ইয়াৰ অসমীয়া-ইংৰাজী অৰ্থ সহ এইখনেই প্ৰথম প্ৰকাশিত অসমীযা ভাষাৰ অভিধান। এই অভিধান ৰচনাত ব্ৰন্‌ছনে ডেকা বৰুৱাৰ বৰ্ণ-বিন্যাসৰ ৰীতিকে অনুসৰণ কৰিছিল অৰ্থাৎ উচ্চাৰণ অনুসৰি ইয়াৰ আখৰ-জোঁটনি কৰা হৈছিল। অভিধানখনত প্ৰত্যেক শব্দৰ পিছত তাৰ বৈয়াকৰণিক ৰূপ প্ৰতিশব্দ আৰু অসমীয়া ইংৰাজী অৰ্থ দিযা হৈছিল এনে ধৰণে—

তামসিক a তম গুনিয়া dark dull, inert stupid, see তম
তামি s তামৰ বাটি, a copper cup
তামুলি s গুআ কটা, a class who prepare tamul for the nobility
তামুলি ফৰিঙ s এবিধ বঙা ফৰিঙ, a species of grass-hopper
তামোল s তামুল, গুআ, the tamul or arica nut

তামোল পান কটা s চোৱালি খোজাৰ নিৰ্বন্ধ the ceremony of eating tamul pan together at asking a girl in marriage

তাম্বু, s কাপৰৰ ঘৰ a tent

তাৰ s বিন আদিৰ গুনা উচ্চ স্বৰ সেইটোৰ the string of a musical instrument a shrill note pron his ইত্যাদি।

সকলো প্ৰথম প্ৰচেষ্টাৰ দৰে ব্ৰ্ছনৰ অভিধানো দোষমুক্ত নহয়। তথাপি হেমকোষ ওলোৱাৰ আগলৈকে এইখনেই অসমীয়া ভাষাৰ একমাত্ৰ সাৰথি স্বৰূপ আছিল।

অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰণয়নতো মিছনেৰীসকলৰ প্ৰচেষ্টাই প্ৰথম। অৰুনোদই উলিওৱাৰ আগতেই ১৮৩৯ চনতে উইলিয়াম ৰবিন্‌ছনে A Grammar of the Asamese Language' নামৰ ব্যাকৰণ লিখি কলিকতাৰ শ্ৰীৰামপুৰ মিছন প্ৰেছৰ পৰা প্ৰকাশ কৰিছিল। এইখনেই অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ। ১৮৪৮ চনত ডক্টৰ নাথন ব্ৰাউনৰ অসমীয়া ভাষাৰ বিখ্যাত ব্যাকৰণ 'Grammatical Notices of the Assamese Language প্ৰকাশ পায়। ভাষাৰ জতুৱা ব্যৱহাৰ আৰু খণ্ডবাক্যই ভাষাটোৰ শক্তি আৰু সৌন্দৰ্য প্ৰকাশ কৰে। অসমীয়া ভাষা এই বিষয়ত যথেষ্ট চহকী। ইবোৰৰ সংগ্ৰহ কাৰ্যতো মিছনেৰীসকলেই আগৰণুৱা। মিচেচ টি কটৰৰ ইংৰাজী অসমীয়া Vocabulary and Phrases মিছেছ এছ আৰ বাৰ্ডৰ Brief Vocabulary in English and Assamese' পি আৰ টি গৰ্ডনৰ Some Assamese Proverbs' আদি গ্ৰন্থ উল্লেখযোগ্য।

অসমীয়া ভাষাৰ ব্যাকৰণ অভিধান আদি ৰচনা কৰাৰ উপৰি মিছনেৰীসকলেই পোন প্ৰথমে স্কুল আদালতৰ পৰা নিৰ্বাসিত হোৱা অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠাৰ কাৰণে নানাভাৱে চেষ্টা কৰিছিল যি কাৰণে তেওঁলোক শাসনাধিষ্ঠিত চৰকাৰৰ বিৰাগভাজনো হ'ব লগা হৈছিল। অসমীয়া ভাষা যে স্বতন্ত্ৰ ভাষা ই বঙলা ভাষাৰ উপভাষা নহয় সেই বিষয়ে অৰুনোদইৰ ১৮৫৪ চনৰ ফেব্ৰুৱাৰী সংখ্যাত প্ৰকাশিত 'অচমিযা ভাসা শীৰ্ষক প্ৰবন্ধত এনেদৰে লিখিছিল কোনো কোনো লোকে এনে ভাবিবও পাৰে অচমিযা ভাসা বঙ্গালি ভাসাৰ পৰা ওলাইছে। কিন্তু এনে চিন্তা অমূলক। সিহঁত দুইৰো পৰস্পৰ জি মিল আচে সি কেবল দুইও সংস্কৃতৰ ঠাল হোৱা দেখিহে হৈচে নতুবা আন কাৰণ নাই। অকল বঙ্গালিও ন হই, সংস্কৃতৰ জি আন এটা ঠাল উৰিয়া ভাসা সি বঙ্গাল দেসৰো সিফাল অচম দেসৰ পৰাও অনেক দূৰৈ তাৰো সৰহ কথা অচমিয়াই সৈতে মিলে। জদি অচমিয়াক বঙ্গালি ভাসাৰ পৰা ওলোৱা কোনো লোকে কই, তেন্তে এই সকল কথাৰ মিল দেখি উৰিয়াৰ পৰাও ওলোৱা বুলিব পাৰি। জদি কোনোৱে কই বঙ্গাল দেস অচম দেসৰ ওচৰ এতেকে তাৰ পৰা ওলোৱাহে সম্ভৱ হই, তাত আমাৰ উত্তৰ এই,

সি কথা অতি অমূলক অচমিয়া ভাসা সংস্কৃতৰ ঠাল হোআৰ নিমিত্তে তাৰ আন আন ঠালে সৈতে অৱস্যে মিল থাকিব।

অসমত অসমীয়াৰ সলনি বঙলা ভাষা চলোৱাত আক্ষেপ কৰি ডক্টৰ ব্ৰন্‌ছনে তেওঁৰ অভিধানৰ পাতনিত লিখিছে, পূৰ্বে আহোম ৰজাসকলে এই দেস জই কৰি স স বছৰ ভোগ কৰিলে। তেওঁলোকৰ ভাসা খাম্‌তি জাতিৰ সম্বন্ধিয এক ভাসা আচিল। কিন্তু এনে অতি আচৰিত জে ৰজাসকলৰ ভাসাই অচমিযা ভাসাৰ একো হানি নকৰি এতিয়া প্ৰায সেই ভাসা আপনা-আপুনি লোপ হ'ল। এইদৰে মান আৰু মুচলমানৰ সৈন্যই বাৰে বাৰে এই দেসত ৰন কৰি দেসৰ বহু উৎপাত কৰিলে। তথাপি ভাসাৰ একো লৰচৰ নহ'ল। আৰু বৰ্তমান কালত এই দেস ইংলণ্ডিয সকলৰ অধিন হোআত তেওঁবিলাকে অচমিযা ভাসাৰ প্ৰতি বিসেস সহায় নহই বঙ্গালি ভাসাক নিজ মাতৃ ভাসা বুলি গৱৰ্ণমেণ্টৰ সকলো কৰম আৰু স্কুল আদিতে বেৱহাৰ কৰে। ব্ৰন্‌ছনে আনকি তেতিয়াই এই বুলিও ভবিষ্যদ্বাণী কৰিছিল —'অচমিযা ভাসা ব্ৰহ্মপুত্ৰৰ গতিৰ দৰে অবাধে চলি থাকিব ইয়াক বাধা দিবলৈ কাৰ সাধ্য।

মিছনেৰীসকলে অসমীয়া ভাষাৰ হকে যুজোঁতে তেওঁলোকৰ প্ৰধান সহায়ক হৈছিল দেশীয় ডেকা আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯)। ফুকনে কলিকতাৰ হিন্দু কলেজত পঢ়ি থাকোঁতেই অসমীযা ভাষাৰ দুৰৱস্থাৰ কথা বৰকৈ চিন্তা কৰিছিল। কলিকতাৰ পৰা ঘূৰি আহিয়ে অসমীযা ভাষাৰ সুকীয়া অস্তিত্ব প্ৰতিপন্ন কৰিবলৈ ফুকন উঠি পৰি লাগিল। তেও পোনতে ছদ্মনামত অৰুনোদইত লিখিবলৈ আৰম্ভ কৰিলে। অসমীয়া ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ তিনি খণ্ডত প্ৰায় চাৰিশ পৃষ্ঠাৰ 'অসমিয়া ল'ৰাৰ মিত্ৰ' (১৮৪৯) শীৰ্ষক পুথি লিখি কলিকতাৰ পৰা প্ৰকাশ কৰিলে। ভাষাৰ শব্দৰাজি সংগ্ৰহ কৰি পূৰ্বোক্ত অভিধান দুখন লিখিবলৈ আৰম্ভ কৰিলে। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰমাণ কৰিবলৈ ১৮৫৫ চনত ফুকনে A Native ছদ্মনামত 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam নামৰ পুথি লিখি প্ৰকাশ কৰিলে। অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠাৰ যুঁজত এই পুথিয়ে বিশেষ সহায় কৰিছিল।

১৮৫৩ চনত এ জে মফাট মিল্‌ছ চাহাব অসম সম্বন্ধে তদন্ত কৰিবলৈ আহোঁতে ফুকনে তেওঁৰ হাতত অসমৰ বিষয়ে এটা দীঘলীয়া টোকা দিছিল আৰু অসমত অসমীয়া ভাষা চলোৱাৰ সপক্ষে নানা যুক্তি দাঙি ধৰিছিল। কথিত আছে যে এদিন কথা প্ৰসঙ্গত ফুকনে মিল্‌ছ চাহাবক সুধিছিল —"In what language do you think, Sir?" মিল্‌ছে তপৰাই উত্তৰ দিছিল,— "Why, in my mother tongue English " তেতিয়া ফুকনে তেওঁক আকৌ সুধিছিল "Why then, Sir, we are not allowed to think in our mother tongue

Assamese?" ফ্ৰুকনৰ কথাত মিল্‌ছ্‌ চাহাব বৰকৈ অভিভূত হৈছিল আৰু অসমৰ ভাষা সম্পৰ্কীয় টোকাত অসমত অসমীয়াহে চলিব লাগে বুলি টানি লিখিছিল। অৱশেষত ১৮৭৩ চনৰ ১৯ এপ্ৰিলৰ পৰা অসমীয়া ভাষাই অসমৰ পঢ়াশালি আৰু আদালতৰ ভাষাৰূপে পুনৰ স্বীকৃতি লাভ কৰিলে। ইমান দিন চেপা খাই থকা ভাষাটোৱে পুনৰ ঠন ধৰি উঠিবলৈ সুবিধা পালে। এই সময়তে হেমচন্দ্ৰ বৰুৱাৰ (১৮৩৫-১৮৯৬) লেখিযা ভাষাবিদ পণ্ডিতে ভাষা গঢ়াৰ গুৰুভাৰখন কান্ধ পাতি লৈ ইয়াৰ আৱশ্যকীয সংস্কাৰ সাধন কৰি আধুনিক অসমীয়া ভাষাৰ ভেটি স্থাপন কৰিলে।

মিছনেৰীৰ অসমীয়া ভাষাৰ প্ৰধান বৈশিষ্ট্য এয়ে আছিল যে বৰ্ণবিন্যাসৰ ক্ষেত্ৰত তেওঁলোক সৰলীকৰণৰ পক্ষপাতী আছিল। উচ্চাৰণ অনুযায়ী তেওঁলোকে আখৰ-জোঁটনি কৰিছিল। চ ছ-ৰ ঠাইত কেৱল চ য জ-ৰ ঠাইত কেৱল জ শ, ষ, স-ৰ ঠাইত কেৱল স ব্যৱহাৰ কৰিছিল। তদুপৰি হ্ৰস্ব-দীৰ্ঘৰ ভিতৰত কেৱল হ্ৰস্বৰ আৰু দন্ত্য-মূৰ্ধন্যৰ ভিতৰত কেৱল দন্ত্যৰ ব্যৱহাৰ কৰিছিল। ৰেফৰ পিছৰ দ্বিত্ব বৰ্জন কৰিছিল। যুক্ত ধ্বনিবোৰ ভাঙি কোমল কৰি লৈছিল। যথাসম্ভৱ সংস্কৃত শব্দাৱলী আৰু সমাসবদ্ধ শব্দৰ ব্যৱহাৰ পৰিহাৰ কৰিছিল। আখৰ-জোঁটনিৰ দৰে বাক্য-গঠন পদ্ধতিতো সৰলতা আনিছিল। ৰচনা-ৰীতি আৰু আখৰ-জোঁটনি সম্পৰ্কে ১৮৫৪ চনৰ এপ্ৰিল সংখ্যা অৰুনোদইত সম্পাদক নাথন ব্ৰাউনে 'Style and Mode of Spelling শীৰ্ষক প্ৰবন্ধত নিজৰ মত এইদৰে ব্যক্ত কৰিছিল,—"ভাসা লিখোঁতে আখৰৰ জিমান জাতি তিমানহে লিখিব লাগে একে জাতিৰ দুই তিনি প্ৰভেদৰ সকাম নাই। জ য় জৰ এই দুইবো একেটা উচাৰন, এই হেতুকে অন্তস্থ যৰ বাহিৰে আন য নি লিখোঁ। শ, ষ, স তিনিটাৰে একে মাত, শ্ৰী শ্ৰীৰ একো ভেদ নে দেখোঁ, আমি কেৱল সহে লিখোঁ। ন, ণ আৰু হ্ৰস্ব দিৰ্ঘতো এই দৰে বুজিবা। ভাসাত ৰূণ নো বোলে, ৰুনহে বোলে, পানী হলে পানি বোলে, পাপীৰ ঠাইত পাপি; কূলৰ ঠাইত কুল, সূৰ্য্যৰ ঠাইত সুৰ্জ্জ বা সুৰুজ। আৰু ৰেফৰ পাচত এটা আখৰ দুটাকৈ নু ফুটে, পৰ্ব্বত নো বোলে পৰ্বতহে বোলে, সৰ্ব্ব, ধৰ্ম্ম, কৰ্ম্ম, মৰ্ম্ম মুখত নোলাই, সৰ্ব, ধৰ্ম, কৰ্ম, মৰ্ম নাইবা ধৰম, কৰম, মৰম এই ৰূপে ওলাই। শ্লোক লিখিলে সংস্কৃতৰ ভাৱেৰে অৱশ্যে লিখিব লাগে, ভাসাত হলে আমাৰ দাই ন ধৰিবা।" ইত্যাদি। এইদৰে মিছনেৰীসকলে তেওঁলোকৰ ভাষাৰ নীতি নিৰ্ধাৰণ কৰি লৈছিল। তেওঁলোকে পৰাপক্ষত ইংৰাজী বা আন ভাষাৰ শব্দ ব্যৱহাৰ নকৰি সিবোৰৰ প্ৰতিশব্দ ৰূপে অসমীয়া শব্দ সৃষ্টি কৰি লৈছিল, যেনে— 'বৰফ'ৰ সলনি 'সিল পানি' বা 'পানি সিল', 'আঙুৰ'ৰ সলনি 'লতা-পনিয়ল, Apostle' ৰ সলনি পাচনি, 'Cross' ৰ সলনি 'পেৰেঙনি' ইত্যাদি। মিছনেৰীসকল ইংৰাজী -ভাষী হোৱা কাৰণে তেওঁলোকে প্ৰবৰ্তন কৰা ভাষাটোৰ গদ্যশৈলী আৰু বাক্য-গঠন

ৰীতিত ইংৰাজী প্ৰভাৱ বৰকৈ পৰিছিল। এইদৰে তেওঁলোকে অসমীয়া সাহিত্যলৈ এক নতুন গদ্য ৰীতিৰ আমদানি কৰিলে। তদুপৰি মিছনেৰীসকলৰ যোগেদিয়েই পাশ্চাত্য ভাৱধাৰাই অসমীয়াত প্ৰৱেশ লাভ কৰিলে।

খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰা পোন প্ৰথম অসমীয়া নিধি লিবাই ফাৰোৱেল অৰুনোদইৰ নিয়মীয়া লেখক আছিল আৰু তেওঁ মিছনেৰীসকলৰ বানান পদ্ধতি আৰু ৰচনা-ৰীতিৰ পূৰ্ণ সমৰ্থক আছিল। আনন্দৰাম ঢেকিয়াল ফুকনে তাত বিশেষ বাধা দিয়া নাছিল যদিও কিছু সংশোধনৰ চেষ্টা কৰিছিল। কিন্তু হেমচন্দ্ৰ বৰুৱাই আদিৰে পৰা তেওঁলোকৰ আখৰ জোঁটনিৰ স্পষ্ট বিৰোধিতা কৰিছিল। তেওঁ দেখিছিল যে মিছনেৰীসকলৰ হাতত অসমীয়া ভাষা এৰি দিলে ই কালক্ৰমত এটা দোৱানত পৰিণত হ'বগৈ আৰু শেহত ভাষাটোৰ আঁতি-গুৰি নোহোৱা হ'ব। সংস্কৃতৰ পৰা উদ্ভৱ হোৱা ভাষাটোৰ আখৰ-জোঁটনি সংস্কৃতমূলক কৰিবলৈ তেওঁ অৰুনোদইত প্ৰবন্ধ-পাতি লিখাৰ উপৰি ১৮৫৯ চনত এখন ব্যাকৰণ লিখি মিছনেৰী প্ৰেছৰ পৰাই ছপাই উলিযাইছিল। আনন্দৰাম-হেমচন্দ্ৰৰ বিশেষকৈ হেমচন্দ্ৰৰ বৰ্ণ-বিন্যাসৰ সংশোধনৰ ক্ষেত্ৰত এনে প্ৰচেষ্টাৰ প্ৰতি লক্ষ্য কৰিযেই নিশ্চয় ১৮৫৮ চনৰ জানুৱাৰী সংখ্যা অৰুনোদইৰ সম্পাদকীয় স্তম্ভত লিখিছিল — 'শ্ৰিজুত ব্ৰাউন চাহাবে লিখাৰ দৰে ক্ৰমে আমাৰ লিখা চপা হৈছিল কিন্তু অনেক পণ্ডিতবিলাকে সেইৰূপে আখৰ লিখাত ভাল নেপাই। সিবিলাকে ভাবিচিল বোলে মিচনেৰি বিলাকে অচমিযা আখৰ সুধকৈ লিখিব নেজানে । ইত্যাদি। বৰুৱাৰ হেঁচাতেই মিছনেৰীসকলে পূৰ্বৰ আখৰ জোঁটনি সলাই সংস্কৃতমূলক কৰিবলৈ বাধ্য হৈছিল। আন কি ১৮৬১ চনৰ জানুৱাৰী মাহৰ পৰা 'অৰুনোদই কাকতখনৰ নামটোৰ বানান 'অৰুনোদই গুচাই 'অৰুণোদয কৰা হ'ল আৰু গোটেই আলোচনীখনৰ বৰ্ণ-বিন্যাস প্ৰথা আজিকালিৰ আহিঁৰ হ'ল। অৰুণোদয়ৰ ভাষাৰ ক্ষেত্ৰত এই সংশোধন মন কৰিবলগীয়া ঘটনা।

বৰুৱাই এইটোও দেখিছিল যে ব্ৰনছন চাহাবৰ অভিধানেই যদি অসমীয়া ভাষাৰ ভেটি হৈ থাকে তেনেহ'লে ভাষা হিচাপে অসমীয়া ভাষাৰ স্থান নিৰূপণ কৰা টান হৈ পৰিব। সেয়ে তেওঁ বহু কষ্ট কৰি ১৮৯২ চনত পঢ়াশলীয়া অভিধান আৰু তাৰ পাছত তেওঁৰ কীৰ্তিস্তম্ভ 'শব্দকোষ লিখি উলিয়ায়। পিছৰখনি তেওঁৰ মৃত্যুৰ পাছতহে ১৯০০ চনত হেমকোষ' নামেৰে প্ৰকাশ হয। একে উদ্দ্যেশ্যেৰে বৰুৱাই ইতিপূৰ্বে 'অসমীয়া ল'ৰাৰ ব্যাকৰণ নামৰ আন এখন ব্যাকৰণ আৰু 'আদি পাঠ' পাঠমালা আদি কেইখনমান পাঠ্যপুথিও প্ৰণয়ন কৰিছিল। হেমচন্দ্ৰ বৰুৱাৰ পাছত লক্ষ্মীনাথ বেজবৰুৱা চন্দ্ৰকুমাৰ আগৰৱালা হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে জোনাকী যুগৰ সাৰথিসকলে বৰুৱাৰ ভাষা-নীতিকে পূৰ্ণ সমৰ্থন দি আধুনিক অসমীয়া ভাষা প্ৰতিষ্ঠা কৰিলে। ▫

পঞ্চম পৰিচ্ছেদ

অসমীয়া ভাষা ঃ সাম্প্ৰতিক যুগ

সংস্কৃত লিঙ্গৰ পোহৰত অসমীয়া ভাষাৰ লিঙ্গ-বিচাৰ

❑ লীলাৱতী শইকীয়া বৰা

অসমীয়া ভাষা পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয়ৰ শতম্ গোটৰ ভাৰত-ইৰানীয় শাখাৰ ভাৰতীয় আৰ্য উপশাখাৰ অন্তৰ্গত এটি সমৃদ্ধ ভাষা। ভাৰতীয় আৰ্যভাষাৰ সৰ্বপ্ৰাচীন ৰূপ বৈদিক সংস্কৃতৰ পৰা ক্ৰমে মধ্য ভাৰতীয় আৰ্যভাষা প্ৰাকৃত-অপভ্ৰংশৰ মাজেদি গঢ় লৈ উঠা নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত অসমীয়া অন্যতম প্ৰাচীন ভাষা। বৈদিক সংস্কৃতৰ পৰা উদ্ভূত ভাষা হিচাপে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব ৰূপতত্ত্ব আৰু শব্দ-সম্ভাৰত সংস্কৃতৰ প্ৰভাৱ অনস্বীকাৰ্য। কিন্তু বংশ পৰম্পৰা আৰু পৰস্পৰৰ ঘনিষ্ঠতালৈ চাই সংস্কৃত আৰু অসমীয়া ভাষাৰ গঠনৰ মাজত যিমান নিবিড় সম্বন্ধ থাকিব লাগিছিল, সিমানখিনি নাই। বৰং ইহঁতৰ গঠন পদ্ধতিত মিলতকৈ অমিলৰ মাত্ৰাহে অধিক। একে গোষ্ঠীভুক্ত ভাষা দুটাৰ গঠনত এনে বিৰাট ব্যৱধানৰ প্ৰধান কাৰণ হৈছে দুটা ° প্ৰথম আৰু মুখ্য কাৰণ হৈছে, অসমীয়া ভাষা তথা আন আৰ্যভাষাবোৰৰ কালসাপেক্ষ ঐতিহাসিক বিৱৰ্তন, আৰু দ্বিতীযতে অসমীযাত থলুৱা আৰ্যেতৰ ভাষাবোৰৰ অখণ্ড প্ৰভাৱ।[১] এনে কাৰণতে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশত ভালেমান নতুন বৈশিষ্ট্য গঢ লৈ উঠিছে। আমাৰ আলোচ্য অসমীযা লিঙ্গও সংস্কৃত লিঙ্গৰ পৰা ভালেখিনি আঁতৰি আহিছে আৰু কিছুমান নতুন বৈশিষ্ট্য এই প্ৰক্ৰিয়াটোত গঢ় লৈ উঠিছে। সংস্কৃতৰ পৰা অসমীযা লিঙ্গ কোন কোন দিশত আঁতৰি আহিছে, অসমীয়া লিঙ্গৰ বৈশিষ্ট্য লিঙ্গবাচক প্ৰত্যয ইত্যাদি কথা তলত বহলাই আলোচনা কৰা হ'ল।

'লিঙ্গ শব্দৰ অৰ্থ হৈছে চিহ্ন। যিবোৰ চিহ্নই পুৰুষ-স্ত্ৰী বা মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰে সাধাৰণতে তেনেবোৰ চিহ্নকে লিঙ্গ বোলা হয়। কিছুমান ভাষাত লিঙ্গই কেৱল প্ৰাণীবাচক শব্দকহে সামৰি লয, কিন্তু কিছুমান ভাষাত প্ৰাণীবাচক-অপ্ৰাণীবাচক সকলো শব্দৰে লিঙ্গভেদ নিৰূপণ কৰিব পাৰি। অসমীয়া ভাষাৰ মূল সংস্কৃতত প্ৰাণীবাচক-অপ্ৰাণীবাচক সকলো শব্দৰে লিঙ্গভেদ কৰিব পাৰি। সেই হিচাপে সংস্কৃতত লিঙ্গ তিনিবিধ ঃ পুংলিঙ্গ স্ত্ৰীলিঙ্গ আৰু ক্লীবলিঙ্গ। পুৰুষ বা স্ত্ৰীৰ ধাৰণা স্পষ্ট কৰি নিদিয়া ৰূপবোৰেই ক্লীবলিঙ্গ। সংস্কৃতত এই তিনিটা লিঙ্গৰ ভেদ নিৰ্ণয় কৰা হয় প্ৰধানতঃ তিনিটা কথাৰ ওপৰত ভিত্তি কৰি ঃ শব্দটোৰ অৰ্থ অনুযায়ী,

শব্দটোত যোগ হোৱা বিভিন্ন প্ৰত্যয় অনুযায়ী আৰু শব্দটোৰ গঠন বা আকৃতি অনুযায়ী। সেই হিচাপে সংস্কৃতত দেৱ অসুৰ চন্দ্ৰ সূৰ্য বায়ু, স্বৰ্গ মেঘ পৰ্বত আদি অৰ্থ প্ৰকাশ কৰা ঘঞ অল্, নঙ্ ইমন্ প্ৰত্যয় যোগ হোৱা আৰু ক্ ষ ণ্ ভ ম্ বা ৰ্ ব্যঞ্জন শেষত থকা শব্দবোৰ পুংলিঙ্গবাচক। সেইদৰে স্ত্ৰীলিঙ্গ আৰু ক্লীবলিঙ্গবাচক শব্দবোৰো অৰ্থ প্ৰত্যয় আৰু গঠন বা আকৃতি অনুযায়ী নিৰ্ণয় কৰা হয়। কেতিয়াবা অৱশ্যে একেটা ক্লীবলিঙ্গবাচক শব্দ বিশেষ পৰিবেশত অৰ্থ অনুযায়ী পুংলিঙ্গ হিচাপেও ব্যৱহৃত হয়। যেনে— "স মে মিত্ৰম ইযাত বন্ধু অৰ্থত 'মিত্ৰ শব্দ ক্লীবলিঙ্গৰ দৰে ৰূপ হৈছে, কিন্তু 'উদেতি গগনে মিত্ৰঃ ইযাত সূৰ্য অৰ্থত 'মিত্ৰ শব্দ পুংলিঙ্গৰ দৰে ৰূপ হৈছে। কেতিয়াবা অৰ্থ বিশেষে একোটা শব্দৰ বেলেগ বেলেগ লিঙ্গ হ'ব পাৰে। যেনে, গো শব্দ অৰ্থ বিশেষে পুংলিঙ্গ (bull), স্ত্ৰীলিঙ্গ (cow) আৰু ক্লীবলিঙ্গ (The hair of the body) হ'ব পাৰে। কেতিযাবা একে অৰ্থতে একেটা শব্দৰে বেলেগ লিঙ্গ হোৱাও দেখা যায। যেনে, 'মৃত্যু' শব্দ পুংলিঙ্গ-স্ত্ৰীলিঙ্গ দুযো ধৰণে ৰূপ হ'ব পাৰে।[২]

সংস্কৃত লিঙ্গ ব্যাকৰণ সিদ্ধ। ব্যাকৰণ সিদ্ধ লিঙ্গত প্ৰাণী অপ্ৰাণী, পুৰুষ-স্ত্ৰী আদিৰ সৈতে সম্পৰ্ক নৰখাকৈ কোনো শব্দ পুংলিঙ্গ স্ত্ৰীলিঙ্গ বা ক্লীবলিঙ্গ হয। উদাহৰণ স্বৰূপে 'শৰীৰ (bodv) বুজাবলৈ সংস্কৃতত তিনিটা লিঙ্গৰ তিনিটা শব্দ আছে 'ঘঞ প্ৰত্যযান্ত 'কায (মূল 'চি') পুংলিঙ্গ নাহী কোমল অৰ্থ বুজোৱা 'তনু (মূল 'তন) স্ত্ৰীলিঙ্গ আৰু ক্লীবত্ব বুজোৱা 'শৰীৰ (মূল শ্ৰী) ক্লীবলিঙ্গ। সেইদৰে 'ঘৈণী (wife) বুজাবলৈযো সংস্কৃতত তিনিটা লিঙ্গৰ তিনিটা শব্দ আছে ° 'ভাৰ্যা স্ত্ৰীলিঙ্গ 'দাৰ পুংলিঙ্গ আৰু কলত্ৰ ক্লীবলিঙ্গ। লিঙ্গ অনুযায়ী সংস্কৃতত প্ৰতিটো শব্দই কাৰকৰ বিভিন্ন বচনত ভিন ভিন ৰূপ লয। উদাহৰণ স্বৰূপে পুংলিঙ্গ 'নৰ স্ত্ৰীলিঙ্গ বালিকা আৰু ক্লীবলিঙ্গ মিত্ৰ শব্দ কৰ্তা-কাৰকৰ তিনিটা বচনত ক্ৰমে এনেদৰে ৰূপ হয

একবচন	দ্বিবচন	বহুবচন
নৰ	নৰৌ	নৰা
বালিকা	বালিকে	বালিকা
মিত্ৰম	মিত্ৰে	মিত্ৰাণি

এনে লিঙ্গবাচক ভিন্নতাৰ উপৰি সংস্কৃতত বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণৰো লিঙ্গ ভেদ হয। যেনে 'নৰ্তক্যাঃ স্বৰঃ মধুৰঃ 'নৰ্তকা গীতিঃ মধুৰা আৰু 'নৰ্তক্যাঃ বচনং মধুৰম —এই বাক্য তিনিটাৰ প্ৰথমটোত 'স্বৰ শব্দ পুংলিঙ্গ হোৱাৰ কাৰণে বিশেষণ 'মধুৰ শব্দৰ ৰূপ পুংলিঙ্গ দেৱ শব্দৰ দৰে হৈছে, দ্বিতীয়টোত গীতি শব্দ স্ত্ৰীলিঙ্গ হোৱাৰ কাৰণে 'মধুৰ শব্দ 'মধুৰা হৈ স্ত্ৰীলিঙ্গ 'বালিকা শব্দৰ

দৰে ৰূপ হৈছে আৰু তৃতীয়টোত 'মধুৰ' শব্দৰ ৰূপ ক্লীবলিঙ্গবাচক 'মিত্ৰ'ৰ দৰে হৈছে, কাৰণ 'ৰচন' শব্দ ক্লীবলিঙ্গ।[৩]

সংস্কৃত লিঙ্গৰ এনে বৈশিষ্ট্য আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ সকলোতে ৰক্ষিত হোৱা নাই। অসমীয়া বাংলা উৰিযা আদি ভাষাত অৰ্থ অনুযায়ীহে লিঙ্গ নিৰ্ণয় কৰা হয়। তদুপৰি এই ভাষাকেইটাত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গৰ মাজতহে ভেদ ৰক্ষিত হৈছে, ক্লীবলিঙ্গ পুংলিঙ্গৰ লগত মিলি গৈছে। হিন্দী আৰু পাঞ্জাবীতো ক্লীবলিঙ্গৰ ব্যৱহাৰ নোহোৱা হৈছে। সিন্ধীত মাত্ৰ কেইটামান অৰ্বাচীন ৰূপত ক্লীবলিঙ্গ ৰক্ষিত হৈছে। কিন্তু মাৰাঠী, গুজৰাটী, সিংহলী আদি ভাষাত সংস্কৃতৰ দৰে তিনিওটা লিঙ্গৰ মাজত পাৰ্থক্য ৰক্ষিত হৈছে।[৪] হিন্দী মাৰাঠী, উৰ্দু আদি ভাষাত লিঙ্গ ব্যাকৰণগত। সেয়েহে সংস্কৃতৰ দৰে এই ভাষাকেইটাতো লিঙ্গই বাক্যৰ গাঁথনিত প্ৰভাৱ বিস্তাৰ কৰে, অৰ্থাৎ কৰ্তাৰ লিঙ্গ অনুযায়ী বিশেষণ ক্ৰিয়াৰূপ আদিৰো পৰিৱৰ্তন হয়। উদাহৰণ স্বৰূপে, হিন্দীত পুংলিঙ্গত 'লড়কা অচ্ছা হেই' কিন্তু স্ত্ৰীলিঙ্গত 'লড়কী অচ্ছী হেই।' সেইদৰে 'মহেশ পঢ় ৰহা হেই' কিন্তু 'সীতা পঢ ৰহী হেই'। তদুপৰি হিন্দীত সংস্কৃতৰ দৰে অপ্ৰাণীবাচক শব্দও পুংলিঙ্গ বা স্ত্ৰীলিঙ্গ হ'ব পাৰে। সেযেহে হিন্দীত আৱাজ মেজ আদি শব্দ স্ত্ৰীলিঙ্গ। এনে ব্যাকৰণগত লিঙ্গ অসমীযা বঙলা আৰু উৰিযা—এই মগধীয ভাষাকেইটাত ৰক্ষিত হোৱা নাই। ইযাৰ কাৰণ হিচাপে ড সুনীতি কুমাৰ চট্টোপাধ্যায়ে তিনিটা কথালৈ আঙুলিযাইছে। প্ৰথমটো হৈছে, প্ৰাকৃত-অপভ্ৰংশ স্তৰত সকলো শব্দই অ-কাৰান্ত পুংলিঙ্গবাচক শব্দৰ দৰে ৰূপ হ'বলৈ ধৰা প্ৰৱণতাই সংস্কৃতৰ ব্যাকৰণগত লিঙ্গ-প্ৰক্ৰিযাক দুৰ্বল কৰি পেলাইছিল আৰু তাৰ ফলতেই অসমীয়া বঙলা উৰিযা আদি ভাষাত ব্যাকৰণগত লিঙ্গ লোপ পাইছিল। দ্বিতীযতে প্ৰত্যযে পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু ক্লীৱলিঙ্গৰ মাজত ভেদ প্ৰদৰ্শন কৰিব নোৱৰা কোল আদি অষ্ট্ৰিক ভাষাৰ প্ৰভাৱতো মগধীয ভাষাকেইটাত ব্যাকৰণগত লিঙ্গ লোপ হ'ব পাৰে। নতুবা লিঙ্গ-পদ্ধতিৰ এনে সৰলীকৰণ এক স্বাভাৱিক ক্ৰমবিকাশৰ ফল হ'ব পাৰে।[৫] ইয়াৰ লগতে তিব্বত-বৰ্মী ভাষাৰ প্ৰভাৱলৈকো আঙুলিয়াব পাৰি। সি যি কি নহওক এনে বিভিন্ন কাৰণত মগধীয ভাষাকেইটাত লিঙ্গ-নিৰ্ণয প্ৰক্ৰিযাই এক সুকীযা গঢ ল'লে।

অসমীযা ভাষাৰ ব্যাকৰণবোৰত সংস্কৃত লিঙ্গৰ অনুকৰণত তিনিটা লিঙ্গৰ কথা কোৱা হৈছে ° পুংলিঙ্গ (Masculine gender) স্ত্ৰীলিঙ্গ (Feminine gender) আৰু ক্লীবলিঙ্গ (Neuter gender)। পুৰুষ বা মতা বুজোৱা শব্দবোৰ পুংলিঙ্গ যেনে— ককা, দেউতা ল'ৰা দমৰা আদি, স্ত্ৰী বা মাইকী বুজোৱা শব্দবোৰ স্ত্ৰীলিঙ্গ ঃ যেনে— আইতা মা-ছোৱালী গাই আদি আৰু পুৰুষ-স্ত্ৰী একোকে

নুবুজোৱা অপ্ৰাণীবাচক শব্দবোৰ ক্লীৱলিঙ্গ, যেনে—ৰূপ সোণ, কাঠ, চকি, মেজ আদি। মন কৰিবলগীয়া যে, ক্লীৱলিঙ্গৰ ভিতৰত ধৰা অপ্ৰাণীবাচক শব্দবোৰৰ কোনো বিশেষ আকৃতি নাই আৰু বেলেগ ৰূপো নাই। পুংলিঙ্গৰ আকৃতিয়ে তাৰ আকৃতি আৰু পুংলিঙ্গৰ ৰূপেই তাৰো ৰূপ।[৮] শব্দৰূপৰ ক্ষেত্ৰতো পুংলিঙ্গ-ক্লীৱলিঙ্গৰ মাজত কোনো ভেদ দেখা নাযায়। ইয়াৰ পৰা এটা সিদ্ধান্তলৈ আহিব পাৰি যে, অসমীয়াত কেৱল প্ৰাণীবাচক শব্দৰহে লিঙ্গভেদ হয় আৰু সেই হিচাপে অসমীয়া ভাষাত লিঙ্গ প্ৰধানতঃ দুবিধ ঃ পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ।[৯] কিন্তু প্ৰাণীবাচক শব্দবোৰৰ মাজত এনে কিছুমান শব্দ আছে, যিবোৰে পুৰুষ নে স্ত্ৰী, সেই ভেদ স্পষ্ট কৰি নিদিয়ে। এনেদৰে পুৰুষ-স্ত্ৰী স্পষ্ট কৰি নিদিয়া প্ৰাণীবাচক শব্দবোৰক ইংৰাজী common gender -অৰ আৰ্হিত উভয়লিঙ্গ বুলি কোৱা হয়। মানুহ, গৰু, চৰাই, গঁড়, মকৰা আদি প্ৰাণী বুজোৱা জাতিবাচক বিশেষ্যবোৰক সাধাৰণতে উভয়লিঙ্গৰ ভিতৰত ধৰা হয়। এই উভয়লিঙ্গবাচক শব্দবোৰকে লিঙ্গ নিৰপেক্ষ ৰূপ বুলি কোৱা হয়। (*অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, ১৯৯৩, পৃ ১১৯)। এই উভয়লিঙ্গবাচক বা লিঙ্গ নিৰপেক্ষ শব্দবোৰ বিভিন্ন প্ৰক্ৰিয়াৰে পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গলৈ ৰূপান্তৰ কৰা হয়। আগতেই উল্লেখ কৰা হৈছে যে, অসমীয়া ভাষাত লিঙ্গ ব্যাকৰণগত নহয়। সেয়েহে লিঙ্গই বাক্যৰ গাঁথনিত প্ৰভাৱ বিস্তাৰ নকৰে। অৰ্থাৎ বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণ বা ক্ৰিয়াপদৰ ৰূপৰ কোনো পৰিবৰ্তন নহয়। যেনে—ভাল ল'ৰা—ভাল ছোৱালী, বেয়া ল'ৰা—বেয়া ছোৱালী ধুনীয়া ল'ৰা—ধুনীয়া ছোৱালী ল'ৰাই পঢ়ে—ছোৱালীয়ে পঢ়ে ইত্যাদি। কিন্তু কিছুমান তৎসম আৰু তদ্ভৱ শব্দত সংস্কৃতৰ দৰে বিশেষ্যৰ লিঙ্গ অনুযাযী বিশেষণৰো লিঙ্গ-পৰিবৰ্তন হোৱা দেখা যায। অৰ্থাৎ পিছত থকা পুংলিঙ্গ বা স্ত্ৰীলিঙ্গবাচক শব্দ অনুযাযী আগত থকা বিশেষণটোও পুংলিঙ্গ বা স্ত্ৰীলিঙ্গবাচক হয়। যেনে—

তৎসম শব্দ ঃ

বিদ্বান পুৰুষ	বিদুষী নাৰী
মহান পুৰুষ	মহীয়সী নাৰী
সুন্দৰ যুবক	সুন্দৰী যুৱতী
	স্নেহময়ী মাতৃ
	ৰত্নগৰ্ভা জননী ইত্যাদি।

তদ্ভৱ শব্দ ঃ

ৰূপহ ডেকা	ৰূপহী যুৱতী
কণা ল'ৰা	কাণী ছোৱালী
অজলা ল'ৰা	আজলী ছোৱালী

পগলা ল'ৰা	পাগলী ছোৱালী
ফেদেলা ল'ৰা	ফেদেলী ছোৱালী ইত্যাদি।

উল্লিখিত ৰূপবোৰলৈ লক্ষ্য কৰি অসমীয়া ভাষাত লিঙ্গ আংশিকভাৱে ব্যাকৰণগত বুলি ক'ব পৰা যায়। কিন্তু তদ্ভৱ শব্দবোৰত স্ত্ৰীবাচক শব্দৰ আগত ব্যৱহৃত বিশেষণটোত স্ত্ৰী প্ৰত্যয় যে যোগ কৰিবই লাগিব, তেনে কোনো ধৰা-বন্ধা নিয়ম নাই পুংলিঙ্গবাচক বিশেষণটোও স্ত্ৰীলিঙ্গবাচক শব্দৰ আগত বা পিছত ব্যৱহৃত হ'ব পাৰে ঃ যেনে—কণা ছোৱালী, পগলা ছোৱালী, ফেদেলা তিৰোতা ইত্যাদি। কিন্তু পুংলিঙ্গবাচক 'ৰূপহ' শব্দৰ পিছত স্ত্ৰীবাচক 'গাভৰু' হ'বই নোৱাৰে; 'গাভৰুৰ আগত সদায় স্ত্ৰী প্ৰত্যয়যুক্ত 'ৰূপহী' হে প্ৰয়োগ হ'ব।

বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণৰ লিঙ্গ পৰিবৰ্তনৰ নিয়মটো অসমীয়া ভাষাৰ প্ৰত্ন ৰূপ চৰ্যাগীততো কিছু পৰিমাণে ৰক্ষিত হৈছে। যেনে ঃ দিঢি তাঙ্গী (৫), তোহোৰি কুড়িআ (১০), সোণে ভৰিলী নাৰী (৮), লাগেলি আগি (৪৭) ইত্যাদি। উল্লিখিত উদাহৰণবোৰত তাঙ্গী কুড়িআ নাৰী আৰু আগি স্ত্ৰীলিঙ্গবাচক হোৱাৰ কাৰণেই তাৰ আগত বিশেষণ আৰু ক্ৰিয়া হিচাপে প্ৰয়োগ হোৱা শব্দকেইটা স্ত্ৰী প্ৰত্যযান্ত (ই/ঈ) হৈছে। পুৰণি অসমীয়া ভাষাৰ তদ্ভৱ শব্দত এনে প্ৰয়োগ পোৱা নাযায়। কিন্তু তৎসম শব্দত সংস্কৃতৰ দৰে স্ত্ৰীবাচক শব্দৰ আগত ব্যৱহৃত বিশেষণটো প্ৰায়ে স্ত্ৰী প্ৰত্যয়ান্ত হোৱা দেখা যায়।

অসমীয়া ভাষাত লিঙ্গ নিৰ্ণয়-প্ৰক্ৰিয়া ঃ

অসমীয়া ভাষাত সাধাৰণতে পাঁচোটা উপায়েৰে লিঙ্গ-নিৰ্ণয় বা লিঙ্গভেদ কৰা হয় ঃ

১ পুৰুষ আৰু স্ত্ৰী বুজোৱা ভিন ভিন শব্দ ব্যৱহাৰ কৰি, যেনে—

পিতৃ	মাতৃ
দেউতা	মা
ককা	আইতা
দমৰা	চেউৰী ইত্যাদি।

২ উভয়লিঙ্গবাচক বা লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা-মাইকী আৰু পুৰুষ-মহিলা শব্দ ব্যৱহাৰ কৰি যেনে,—

পুৰুষ কবি	মহিলা কবি
পুৰুষ প্ৰতিনিধি	মহিলা প্ৰতিনিধি
পুৰুষ ৰাষ্ট্ৰপতি	মহিলা ৰাষ্ট্ৰপতি
মতা মানুহ	মাইকী মানুহ
মতা ম'হ	মাইকী ম'হ ইত্যাদি।

৩ উভয়লিঙ্গ বা লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত টো, জন আৰু জনী প্ৰত্যয় যোগ কৰি, যেনে,—

মানুহজন	মানুহজনী
গৰুটো	গৰুজনী
কুকুৰটো	কুকুৰজনী
চৰাইটো	চৰাইজনী আদি।

৪ অকল স্ত্ৰীবাচক আৰু অকল পুৰুষবাচক শব্দ ব্যৱহাৰ কৰি যেনে ° ৰাংঢালী ৰচকী আয়তী সধৱা ধাই ডাইনী লাহুতী পোৱাঁতী আদি শব্দ সদায় স্ত্ৰীলিঙ্গবাচক আৰু দড়ীয়া গুফীয়া ডঙুৱা বৰলা শব্দ সদায় পুংলিঙ্গবাচক। বিশেষ বিশেষ কাৰ্য কৰা মহিলাক বুজাবলৈযো অসমীযাত কেতবোৰ অকল স্ত্ৰীবাচক শব্দ আছে। যেনে নামতী, ফুলতী ৰোৱনী দাৱনী শিপিনী ৰাঙলী, পোহাৰী আদি। মন কৰিবলগীযা যে, এসময়ত ঘাইকৈ মহিলাৰ মাজত আবদ্ধ থকা ফুল তোলা ৰোৱা বোৱা বন্ধা, ধানকটা আদি কাৰ্য লাহে লাহে পুৰুষেও কৰিবলৈ লোৱাত এই শব্দবোৰক উভয়লিঙ্গবাচক বা লিঙ্গ নিৰপেক্ষ ৰূপ হিচাপে ধৰা হয় আৰু ইবোৰৰ পাছত পুংলিঙ্গবাচক 'টো বা 'জন' আৰু স্ত্ৰীলিঙ্গবাচক 'জনী যোগ দি ক্ৰমে পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ কৰা হয়। যেনে 'ৰান্ধনীটো/ৰান্ধনীজন পুংলিঙ্গ আৰু 'ৰান্ধনীজনী স্ত্ৰীলিঙ্গ। কেতিয়াবা দীৰ্ঘ ঈ কাৰান্ত শব্দবোৰ স্ত্ৰীবাচক হিচাপে ধৰি সেই শব্দবোৰ হ্ৰস্ব-ই-কাৰান্ত কৰি পুংলিঙ্গলৈ ৰূপান্তৰ কৰা হয়।

৫ স্ত্ৰী প্ৰত্যয যোগ ঃ সংস্কৃতৰ দৰে অসমীযাতো স্ত্ৰী প্ৰত্যয যোগ কৰি পুংলিঙ্গবাচক শব্দ স্ত্ৰীলিঙ্গলৈ ৰূপান্তৰ কৰা হয। সংস্কৃতত স্ত্ৰী প্ৰত্যয তিনিটা আ ঈ আৰু আনী। অসমীযাতো মূলত° স্ত্ৰী প্ৰত্যয তিনিটা -ঈ -নী আৰু -ৰী। -নী প্ৰত্যযৰ আৰু তিনিটা প্ৰসাৰিত (extended) ৰূপ আছে -অনী -ইনী আৰু -উনী। শব্দত যোগ হ'লে '-ৰী প্ৰত্যয়েও অৰী -এৰী আৰু -উৰী — এই তিনিটা প্ৰসাৰিত ৰূপ লাভ কৰে। গতিকে আকৃতিগতভাৱে অসমীযা ভাষাত স্ত্ৰী প্ৰত্যযৰ আঠোটা ৰূপ ঃ -ঈ -নী -অনী -ইনী -উনী অৰী -এৰী আৰু -উৰী। এই প্ৰত্যযবোৰৰ কেইটামান ধ্বনি-সাপেক্ষ (phonologically conditioned) আৰু কেইটামান আংশিকভাৱে ধ্বনি-সাপেক্ষ আৰু আংশিকভাৱে ৰূপ-সাপেক্ষ (morophologically condititioned)। অৰ্থাৎ কেতিয়াবা মূল শব্দটোৰ শেষত বা আদিত থকা স্বৰ অনুযাযী আৰু কেতিযাবা বিশেষ বিশেষ ৰূপ অনুযায়ী এই প্ৰত্যযবোৰ ব্যৱহৃত হয়। উদাহৰণ স্বৰূপে আ-কাৰান্ত আৰু ই-কাৰান্ত শব্দত সদায 'নী' প্ৰত্যয় হয়। যেনে, —বৰুৱানী শইকীয়ানী নাতিনী, মালিনী আদি। গতিকে 'নী প্ৰত্যয় সদায় ধ্বনি-সাপেক্ষ। কিন্তু ব্যঞ্জনান্ত শব্দ কিছুমানত কেতিয়াবা 'অনী', কেতিযাবা 'ইনী' আৰু কেতিয়াবা 'উনী হয়। যেনে,— ফুকন-ফুকননী, কিন্তু বাঘ-বাঘিনী। সেইদৰে ডোম, কোচ, ভূত চোৰ আদি ব্যঞ্জনান্ত হোৱা সত্ত্বেও আদ্যক্ষৰত থকা 'ও'ৰ কাৰণে

'উনী' প্ৰত্যয় লগ লাগি ক্ৰমে ডুমুনী কুঁচুনী ভুতুনী চুৰুনী হয়। গতিকে দেখা যায় যে এই প্ৰত্যয তিনিটা আংশিকভাৱে ধ্বনি-সাপেক্ষ আৰু আংশিকভাৱে ৰূপ সাপেক্ষ। আনহাতে অৰী এৰী আৰু উৰী প্ৰত্যয় কেইটামান বিশেষ ৰূপৰ পিছতহে লগ লাগে। যেনে—'কলা শব্দত 'ৰী টো 'অৰী' হৈ 'কালৰী' ডেকা শব্দত 'ৰী টো এৰী হৈ ডেকেৰী আৰু বেঙা' শব্দত 'ৰী' টো 'উৰী' হৈ 'বেঙুৰী' হয়। গতিকে দেখা যায় যে অৰী, এৰী আৰু উৰী ৰূপ-সাপেক্ষ। আটাইতকৈ বেছি শব্দত প্ৰযোগ হোৱা ঈ প্ৰত্যয়টো প্ৰধানতঃ ধ্বনি-সাপেক্ষ। সাধাৰণতে আ-কাৰান্ত পুংলিঙ্গবাচক বিশেষ্য বা বিশেষণ শব্দত এই প্ৰত্যয়ৰ প্ৰয়োগ বেছি। যেনে,—বুঢ়া-বুঢ়ী, খুৰা-খুৰী খোৰা-খুৰী, ঘোঁৰা-ঘুৰী, ক'লা-কলী ইত্যাদি। কিছুমান ব্যঞ্জনান্ত পুংলিঙ্গবাচক শব্দতো এই প্ৰত্যয় যোগ হয়। যেনে—

কোঁৱৰ	কুঁৱৰী
ভালুক	ভালুকী
টেঁঙৰ	টেঁঙৰী
ৰাক্ষস	ৰাক্ষসী
ৰূপহ	ৰূপহী ইত্যাদি।

মন কৰিবলগীয়া যে সংস্কৃতত অধিকাংশ পুংলিঙ্গবাচক শব্দ অ-কাৰান্ত আৰু অধিকাংশ স্ত্ৰীলিঙ্গবাচক শব্দ আ-কাৰান্ত। ইযাৰ বিপৰীতে অসমীয়াত অধিকাংশ পুংলিঙ্গবাচক শব্দ আ-কাৰান্ত।

স্ত্ৰী প্ৰত্যযবোৰে বিভিন্ন আকৃতিৰ পুংলিঙ্গবাচক শব্দবোৰ স্ত্ৰীলিঙ্গলৈ ৰূপান্তৰ কৰাৰ লগতে পত্নী জাতি ব্যৱসায, উপাধি আদি অৰ্থও প্ৰকাশ কৰে। গতিকে অসমীয়া স্ত্ৰী প্ৰত্যয়বোৰৰ প্ৰয়োগৰ এক বিশেষ বৈশিষ্ট্য আছে। উদাহৰণ স্বৰূপে ০ শইকীয়া, বৰা, শৰ্মা আদি উপাধিসূচক শব্দত -নী লগাই স্ত্ৰীলিঙ্গ কৰা হয়। আগৰ দিনত বিবাহিতা মহিলাৰ নামৰ পিছত স্ত্ৰীলিঙ্গবাচক উপাধিৰ প্ৰয়োগ হৈছিল। যেনে,—পদ্মাৱতী দেৱী ফুকননী, চন্দ্ৰপ্ৰভা শইকীয়ানী আদি। আজিকালি শিক্ষিত মহিলাই নামৰ পিছত স্ত্ৰী প্ৰত্যযান্ত উপাধি ব্যৱহাৰ নকৰে যদিও বিশেষ পৰিবেশত বৰানী, শৰ্মানী উপাধিৰ ব্যৱহাৰ দেখা যায়।

আগৰ দিনত ডাক্তৰ উকীল হাকিম, মৌজাদাৰ আদিৰ পত্নীক বুজাবলৈ স্ত্ৰী প্ৰত্যয়ান্ত ডাক্তৰনী, উকীলনী, হাকিমনী, মৌজাদাৰনী শব্দৰ প্ৰয়োগ আছিল। কিন্তু বৰ্তমান মহিলাও ডাক্তৰ, উকীল হাকিম আদি হোৱাত এনে স্ত্ৰী প্ৰত্যয়ান্ত বৃত্তিসূচক শব্দৰ প্ৰয়োগ নোহোৱা হৈ আহিছে।

সম্প্ৰদায় বা জাতি (caste) বুজোৱা শব্দত স্ত্ৰী প্ৰত্যয় লগালে সেইবোৰে পত্নীক নুবুজাই সেই সেই সম্প্ৰদায়ৰ মহিলাকহে বুজায়। যেনে,—কলিতানী,

কেওঁতনী, কুচুনী আদি। সেইদৰে কোনো ব্যৱসায় বা কাম কৰা সম্প্ৰদায় বুজোৱা শব্দত স্ত্ৰী প্ৰত্যয় যোগ দি সেই ব্যৱসায় বা কাম কৰা তিৰোতাকহে বুজোৱা হয়। যেনে,—ধুবুনী, কুমাৰনী, চুৰনী আদি। এসময়ত নাপিতৰ 'পত্নী' অৰ্থত 'নাপিতনী' হৈছিল। কিন্তু 'বিউটি পাৰ্লাৰ'ত মহিলাইয়ো চুলি কাটিবলৈ লোৱাত 'নাপিতনী' শব্দই পত্নী অৰ্থৰ লগতে সেই কাম কৰা মহিলাকো বুজাবলৈ লৈছে।

কিছুমান শব্দৰ দুটাকৈ স্ত্ৰীলিঙ্গবাচক ৰূপ পোৱা যায়। তেনেবোৰ শব্দৰ এটা পত্নীবাচক আৰু আনটো মহিলাবাচক যেন ধাৰণা হয়। যেনে,—বামুণী (পত্নীবাচক)—বামুণনী (মহিলাবাচক), পিশাচী (পত্নীবাচক)—পিশাচিনী (মহিলাবাচক) ইত্যাদি।

স্ত্ৰীলিঙ্গক পুংলিঙ্গলৈ ৰূপান্তৰ ঃ সংস্কৃতত পুংলিঙ্গবাচক শব্দক স্ত্ৰীলিঙ্গলৈ ৰূপান্তৰ কৰিবলৈ তিনিটা স্ত্ৰীপ্ৰত্যয় আছে ঃ আ (যেনে, চতুৰ - চতুৰা), ঈ (যেনে, ছাত্ৰ-ছাত্ৰী) আৰু আনী (যেনে, ৰুদ্ৰ-ৰুদ্ৰানী)। স্ত্ৰীলিঙ্গবাচক শব্দ কিছুমানক পুংলিঙ্গলৈ ৰূপান্তৰ কৰিবলৈয়ো সংস্কৃতত ভালেকেইটা প্ৰত্যয় আছে। যেনে,—ডামহ, ঢেয়, ষ্ণ, ষ্ণি, ডুল, বতুপ্, মতুপ্ ইত্যাদি। স্ত্ৰীবাচক শব্দত যোগ দি নতুন অৰ্থবাচক পুংলিঙ্গ শব্দ গঠন কৰা এই প্ৰত্যয়বোৰক সংস্কৃতত তদ্ধিত প্ৰত্যয বোলা হয়। প্ৰত্যয়কেইটাৰ প্ৰয়োগ এনে ধৰণৰ ঃ

মাতা + ডামহ	=	মাতামহ
ৰাধা + ঢেয়	=	ৰাধেয়
দিতি + ষ্ণ্য	=	দৈত্য
পৃথা + ষ্ণ	=	পাৰ্থ
সুমিত্ৰা + ষ্ণি	=	সৌমিত্ৰি
মাতা + ডুল	=	মাতুল
লক্ষ্মী + বতুপ্	=	লক্ষ্মীবান
শ্ৰী + মতুপ্	=	শ্ৰীমান ইত্যাদি।

বতুপ্ আৰু মতুপ্ প্ৰত্যয়ান্ত পুংলিঙ্গবাচক শব্দবোৰত স্ত্ৰী প্ৰত্যয় 'ঈ' যোগ দি সেইবোৰক স্ত্ৰীলিঙ্গলৈয়ো ৰূপান্তৰ কৰা হয়। যেনে,— বুদ্ধিমান-বুদ্ধিমতী, ধনবান-ধনৱতী, ৰূপবান-ৰূপৱতী ইত্যাদি।

উল্লিখিত তদ্ধিত প্ৰত্যয়যুক্ত পুংলিঙ্গবাচক সংস্কৃত শব্দবোৰ তৎসম শব্দ হিচাপে অসমীয়া বঙলা উৰিয়া আদি ভাষাত ব্যৱহাৰ হৈ আহিছে। কিন্তু অসমীয়াকে ধৰি মগধীয় ভাষাকেইটাৰ নিজস্ব ৰূপটোত স্ত্ৰীলিঙ্গবাচক শব্দত এনেদৰে তদ্ধিত প্ৰত্যয় যোগ কৰি পুংলিঙ্গবাচক শব্দ গঠন কৰা দেখা নাযায। বঙলা ভাষাত ননন্দ, বোন, পিসী আৰু মাসী—এই চাৰিটা স্ত্ৰীলিঙ্গবাচক শব্দৰ পৰা ক্ৰমে নন্দাই (ননদৰ পতি), বোনাই (ভগ্নীপতি) পিসা (পেহা) আৰু মেসো (মহা)—এইকেইটা

পুংলিঙ্গবাচক শব্দ পোৱা যায়।* পুংলিঙ্গবাচক শব্দ গঠন কৰা -আই, -আ আৰু -ও -ক বঙলা ভাষাত পুং প্ৰত্যয়ৰ মৰ্যাদা দিয়া নাই। অসমীয়া ভাষাতো কিছুমান বিশেষ্য আৰু বিশ্লেষণ শব্দত '-আ', -আই/-ই প্ৰত্যয় যোগ কৰি কিছুমান পুংলিঙ্গবাচক শব্দ সাধন কৰা হয়। যেনে—

-আ প্ৰত্যয়যুক্ত পুৰুষৰ নাম ঃ

শাওনা + আ = শাওনা

ফাগুন + আ = ফাগুনা

গাইমুৰ + আ = গাইমুৰা আদি।

-আই/-ই প্ৰত্যয়যুক্ত পুৰুষৰ নাম ঃ

পুহ + আই = পুহাই
মাঘ + আই = মঘাই
ধন + আই = ধনাই
ৰূপ + আই = ৰূপাই

বগা + ই = বগাই
ক'লা + ই = ক'লাই
বগুা + ই = বগুাই আদি।

কেতিযাবা ভাদ, ক'লা আদি শব্দত '-ঈয়া' প্ৰত্যয় যোগ দিও পুংলিঙ্গবাচক শব্দ গঠন কৰা হয়। যেনে,— ভাদ + ঈয়া = ভদীয়া, ক'লা + ঈয়া = কলীয়া আদি। উল্লিখিত প্ৰত্যয়বোৰে একোটা ভিন্ন অৰ্থবাচক শব্দত যোগ হৈ সেই শব্দৰ অৰ্থৰ লগত সম্পৰ্ক থকা একোটা নতুন অৰ্থবাচক পুংলিঙ্গ শব্দহে গঠন কৰিছে। গতিকে সেই প্ৰত্যয়কেইটা তদ্ধিত বা শব্দ গঠনৰ প্ৰত্যয়হে। অসমীয়া ভাষাত বিশেষ কিছুমান ধাতুত '-ওঁতা' কৃৎ প্ৰত্যয় যোগ দিও পুংলিঙ্গবাচক কৃদন্ত শব্দ গঠন কৰা হয়। যেনে— খা + ওঁতা = খাওঁতা, কৰ + ওঁতা = কৰোঁতা আদি। গতিকে '-ওঁতা'ও শব্দ-সাধনৰ প্ৰত্যযহে। মন কৰিবলগীয়া যে খাওঁতা কৰোঁতাকে ধৰি উল্লিখিত প্ৰায়বোৰ সাধিত পুংলিঙ্গবাচক শব্দতে স্ত্ৰীপ্ৰত্যয় যোগ দি সেইবোৰ স্ত্ৰীলিঙ্গলৈ ৰূপান্তৰ কৰিব পাৰি। অসমীয়া ভাষাত পুংলিঙ্গবাচক শব্দ গঠন কৰাৰ দৰে বিশেষ প্ৰত্যয়ৰ যোগত স্ত্ৰীলিঙ্গবাচক শব্দও গঠন কৰা হয়। যেনে,—পুহিলা, পুহিতা আদি। পুহ মাহত জন্ম হোৱা মহিলাক বুজাবলৈ 'পুহ' শব্দত যোগ হোৱা -ইলা, -ইতা তদ্ধিত প্ৰত্যয়হে, স্ত্ৰী প্ৰত্যয় নহয়। সেইদৰে সংস্কৃত, সৰলা, চতুৰা, নিপুণা আদি 'আ' স্ত্ৰী প্ৰত্যয়ান্ত শব্দৰ আৰ্হিত অসমীয়া ভাষাত মহিলাৰ নাম বুজোৱা ভালেমান শব্দ 'আ' যোগ দি কৰা হয়। যেনে,— সোণ + আ = সোণা, ৰূপ + আ = ৰূপা, পানীমল + আ = পানীমলা, বহিমল + আ = বহিমলা ইত্যাদি। কিন্তু '-আ' টোক অসমীয়া স্ত্ৰী প্ৰত্যয়ৰ ভিতৰত ধৰা হোৱা নাই।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে, অসমীয়া ভাষাত সংস্কৃতৰ দৰে

স্ত্রীলিঙ্গবাচক শব্দত বিশেষ বিশেষ তদ্ধিত প্রত্যয় যোগ দি পুংলিঙ্গবাচক শব্দ সাধন কৰিব নোৱাৰি। কিন্তু বিশিষ্ট বাগ্‌বিজ্ঞানী তথা ভাষাবিদ ড গোলোকচন্দ্র গোস্বামীদেৱে ভাষাৰ গাঁথনিক বিশ্লেষণৰ (structural analysis) আধাৰত কিছুমান আ-কাৰান্ত পুংলিঙ্গবাচক শব্দ স্ত্রীলিঙ্গবাচক শব্দৰ পৰা গঢ় লৈ উঠা দেখুৱাইছে। তেখেতে ৰঙা বগা কʼলা আঁকৰা অজলা কজলা পেহা মহা আদি আ-কাৰান্ত শব্দৰ আ টোক পুং প্রত্যয় বুলি কৈছে আৰু স্ত্রীলিঙ্গবাচক ৰাঙী বগী কলী আঁকৰী আজলী কাজলী পেহী মাহী আদি শব্দৰ 'ঈ' প্রত্যয় গুচাই তাত -আ পুং প্রত্যয় যোগ দি উল্লিখিত পুংলিঙ্গবাচক শব্দবোৰ পোৱা যায় বুলি কৈছে।[১০] ড ৰমেশ পাঠকে ঐতিহাসিক বিৱৰ্তনলৈ লক্ষ্য ৰাখি ড গোস্বামীদেৱে দেখুওৱা আজল কাজল, কাণ আদি কেইটামান শব্দক মূল ৰূপ বুলি মানি লৈছে আৰু কামৰূপীত এইবোৰ আজলা কাজলা কাণা ৰূপতে এতিয়াও চলি আছে বুলি কৈছে।[১১] এতিয়া কথা হʼল কামৰূপী উপভাষাত আদ্য শ্বাসাঘাতযুক্ত আজ্‌লা কাজ্‌লা আদি আ-কাৰান্ত শব্দবোৰ মৌলিক পুংলিঙ্গবাচক শব্দ। এই মৌলিক শব্দবোৰেই মান্য ভাষাত উপধা অক্ষৰত পৰা শ্বাসাঘাত আৰু দুটা 'আ' ওচৰাওচৰিকৈ থাকিলে প্রথমটো 'অ' হোৱা নিয়ম অনুযায়ী অজলা কজলা আঁকৰা কণা হʼল। গতিকে মান্য অসমীয়া ভাষাতো অজলা কজলা কণা আদি আ-কাৰান্ত মৌলিক পুংলিঙ্গবাচক শব্দহে আৰু এই শব্দবোৰৰ শেষৰ -আʼৰ ঠাইত স্ত্রী প্রত্যয় -ই যোগ হৈ স্ত্রীবাচক আজলী কাজলী কাণী আদি হৈছে। আ-কাৰান্ত শব্দৰ শেষৰ 'আ' গুচাই 'ঈ' লগালে অসমীয়া ধ্বনি পৰিবৰ্তনৰ নিয়ম অনুযায়ী মূল শব্দৰ আদ্যাক্ষৰত থকা অ > আ হয়। এই ধ্বনি পৰিবৰ্তনৰ কাৰণেই অসমীয়াত 'কলা' শব্দ 'কালৰী' আৰু 'অন্ধলা' শব্দ 'আন্ধলী' হৈছে। গতিকে 'অজলা'ৰ পৰা 'আজলী', 'কজলা'ৰ পৰা 'কাজলী' হোৱাৰ যি ব্যাখ্যা পূৰ্বসূৰী ব্যাকৰণ লেখকসকলে দাঙি ধৰিছে, সেয়া অভ্রান্ত।

পুং প্রত্যয় নিৰূপণৰ কাৰণে ড গোলোকচন্দ্র গোস্বামীদেৱে শব্দৰ মূল (base form) বিচাৰৰ যি গাঁথনিক বিশ্লেষণ দাঙি ধৰিছে, সেয়া ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰ পিনৰ পৰা কিছুমান ভাষাৰ ক্ষেত্ৰত নিখুঁত হʼব পাৰে। কিন্তু লিখিত সাহিত্যৰ সুদীৰ্ঘ পৰম্পৰা থকা অসমীয়া ভাষাৰ ক্ষেত্ৰত তেনে বিশ্লেষণ-পদ্ধতি মানি লʼব নোৱাৰি। বিশেষকৈ লিঙ্গবাচক শব্দৰ মূল নিৰূপণত এনে বিশ্লেষণে নতুন নতুন কাল্পনিক বা কৃত্রিম মূল ৰূপ উলিয়াই নতুন সমস্যাৰহে সৃষ্টি কৰিব। উদাহৰণ স্বৰূপে, গাঁথনিক বিশ্লেষণ-পদ্ধতিৰ সহায়ত শব্দমূল বিচাৰিবলৈ গʼলে ককা, খুৰা, খোনা, খোৰা, খোঁৰা আদি শব্দৰ মূল হিচাপে আমি কক, খুৰ, খোন, খোৰ, খোঁৰ আদি কাল্পনিক মূল ৰূপৰ ওচৰ চাপিব লাগিব, যিটোৱে অসমীয়া ভাষাত অযথা

জটিলতাৰহে সৃষ্টি কৰিব। এই প্ৰসঙ্গতে ইংৰাজী sister শব্দলৈ আঙুলিয়াব পাৰি। গাঁথনিক বিশ্লেষণ-প্ৰক্ৰিয়াৰে বিশ্লেষণ কৰিলে sister শব্দৰ মূল হ'ব sist আৰু er হ'ব প্ৰত্যয়। কিন্তু ইংৰাজীত sister শব্দ 'older শব্দৰ দৰে দুটা অৰ্থবহ ৰূপত যেনে — old+er —এনেদৰে ভাঙিব নোৱাৰি। sist আৰু er এই দুযোটা প্ৰাকৃতি মিলিহে ইংৰাজীত এটা মাত্ৰ 'sister প্ৰাকৃতি গঠিত হৈছে। সেয়েহে প্ৰসিদ্ধ ভাষাবিদ চি এফ হকেটে কৈছে, 'We therefore decide to accept sister as a single morpheme"[১১]। অসমীয়া ভাষাত থকা আ-কাৰান্ত অজলা কজলা পেহা, মহা আদি শব্দও ইংৰাজী sister শব্দৰ দৰে একোটা স্বয়ং সম্পূৰ্ণ মৌলিক পুংলিঙ্গবাচক শব্দহে। এইখিনিতে মনত ৰাখিব লাগিব যে, অজলা কজলা আদিৰ শেষত থকা '-আ' আৰু শাওনা, ফাগুনা আদিৰ শেষত থকা -আ একে নহয়। পিছৰ শব্দ দুটাত থকা '-আ' পুংলিঙ্গবাচক শব্দ সাধন কৰা তদ্ধিত প্ৰত্যয। এই প্ৰসঙ্গতে ড বাণীকান্ত কাকতিয়ে '-আ প্ৰত্যয়টোৰ সম্পৰ্কত ড সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ গৱেষণা-গ্ৰন্থৰ পৰা দিয়া উদ্ধৃতিটোলৈ আঙুলিয়াব পাৰি ঃ It indicates definiteness, it implies coarseness or biggishness, in the object it means reference or connexion it forms agentive adjectives and frequently it is also pleonastic" (AFD 1972 p 254)। অসমীয়া ভাষাত থকা শাওনা ফাগুনা, সোণামুৰা আদি শব্দৰ শেষত থকা '-আ ড° কাকতিযে উল্লেখ কৰা শব্দসাধনমূলক তদ্ধিত প্ৰত্যয়হে, যাৰ যোগত উল্লিখিত ধৰণৰ পুংলিঙ্গবাচক শব্দবোৰ সাধিত হৈছে। ◻

পাদটীকা ঃ

১ গোলোকচন্দ্ৰ গোস্বামী *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* ১৯৮৭ পৃ ২৭
২ হৰিচন্দ্ৰ ভট্টাচাৰ্য . সংস্কৃত ব্যাকৰণ-প্ৰভা পৃ ৪২
৩ সংস্কৃত ব্যাকৰণ-প্ৰভা পৃ ৭৪
৪ Subhadra Jha Formation of the Maithili Language 1985 p 280-281
৫ Suniti Kumar Chatterji *ODBL* 1986 p 722
৬ কালিৰাম মেধি ঃ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* ১৯৭৮ পৃ ১১১
৭ উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*, পৃ ২৪
৮ গোলোকচন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* ১৯৯৩ পৃ ১২৯-১৩০
৯ সুনীতি কুমাৰ চট্টোপাধ্যায় ঃ *ভাষা-প্ৰকাশ বাংলা ব্যাকৰণ* ১৯৪৫, পৃ ২০৮
১০ গোলোকচন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, ১৯৯৩, পৃ ১২৭
১১ ৰমেশ পাঠক ঃ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান*, ১৯৮৮, পৃ. ৭৬
১২ C F Hocket A Course in Modern Linguistics, 1976 p 125
এই গ্ৰন্থখনৰে ২৪০পৃষ্ঠাত সন্নিবিষ্ট Derivation অধ্যায়ত থকা শব্দসূচৰ আলোচনা চাওক।

অসমীয়া তদ্ধিত-প্ৰত্যয়ৰ উদ্ভৱ আৰু বিকাশ

❑ জ্যোতিষ চন্দ্ৰ বৰ্মন

অসমীয়া ভাষাত বিবিধ প্ৰত্যয় যোগ দি কিছুমান নতুন শব্দ সজাব পাৰি। সেইবোৰক ব্যুৎপত্তিমূলক আৰু বিভক্তিমূলক প্ৰত্যয় হিচাপে জনা যায়। ব্যুৎপত্তিমূলক প্ৰত্যয়ক তিনিটা প্ৰধান ভাগত ভগাব পাৰি ৹ (১) পূৰ্ব প্ৰত্যয় (২) মুখ্য বা কৃৎ-প্ৰত্যয়, আৰু (৩) গৌণ বা তদ্ধিত-প্ৰত্যয়। ইয়াত তদ্ধিত-প্ৰত্যয়ৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে আলোচনা কৰা হ'ব।

প্ৰাতিপদিক বা শব্দ-মূলৰ পিছত যোগ হোৱা প্ৰত্যয়ক তদ্ধিত-প্ৰত্যয় বোলে। এই প্ৰত্যয়ৰ যোগত বিশেষ্য বিশেষণ, আৰু কেতবোৰ অন্য শব্দ পাব পাৰি। অব্যয় শব্দ আৰু ক্ৰিয়া-বিশেষণ শব্দৰ বাহিৰে প্ৰায় সকলো শব্দত তদ্ধিত-প্ৰত্যয় যোগ দিব পাৰি। অসমীয়া ভাষাত তদ্ধিত-প্ৰত্যয়ক দুটা ভাগত ভগাব পাৰি (১) সংস্কৃত তদ্ধিত-প্ৰত্যয় আৰু (২) অসমীয়া তদ্ধিত-প্ৰত্যয়। সংস্কৃত তদ্ধিত-প্ৰত্যয় সংস্কৃতমূলীয় শব্দত আৰু অসমীয়া তদ্ধিত-প্ৰত্যয় অসমীয়া শব্দত যোগ দিয়া হয়। ইয়াৰ লগতে কেতবোৰ সংস্কৃত তদ্ধিত-প্ৰত্যয় অসমীয়া ভাষাত গ্ৰহণ কৰা হৈছে। সেইবোৰ অসমীয়া শব্দত যোগ দিব পাৰি।

প্ৰাচীন আৰু মধ্য-ভাৰতীয় আৰ্যভাষাৰ মাজেদি নব্য-ভাৰতীয় ভাষা হিচাপে অসমীয়া ভাষালৈ তদ্ধিত-প্ৰত্যয়সমূহৰ কেনেদৰে উদ্ভৱ আৰু বিকাশ ঘটিছে তাৰ বিস্তৃত আলোচনা ড° বাণীকান্ত কাকতিয়ে "আছামিজ ইটছ ফৰমেছন এণ্ড ডেভেলপমেণ্ট গ্ৰন্থত দিছে। সেই আলোচনাৰ ওপৰত ভিত্তি কৰিয়ে চমুভাৱে অসমীয়া তদ্ধিত-প্ৰত্যয়কেতবোৰৰ কেনেদৰে বিকাশ ঘটিছে তাৰ এটা সাধাৰণ পৰিচয় তলত দিয়া হ'ল ঃ

(১) — অক ঃ সং* - অক > প্ৰা*-অকক > অস* - অক,

(২) — অনি ঃ সং. - ৱনিকা > প্ৰা -ৱনিআ > অস -অনি,

(৩) — অতি ঃ সং. - বন্ত +-ইক > অস -অতি

(৪) — অৰি ঃ সং - কৰ,-কৰিক > অস - অৰি,

(৫) — অৰিয়া ঃ সং.-আট > প্ৰা -আড > অস -আৰ+ইয়া -অৰিয়া,

---

* সং সংস্কৃত প্ৰা প্ৰাকৃত, আৰু অস অসমীয়া ভাষাক বুজোৱা হৈছে।

(৬) — আ সং আক > প্ৰা -আঅ > অস -আ
(৭) — আই ৹ স৲-তাতি > প্ৰা -তাই > অস -আই
(৮) — আম ঃ সং -কৰ্ম্ম > প্ৰা -কম্ম > - কাম > অস -আম,
(৯) — আৰ ৹ স৲-কাৰ > অস -আৰ
(১০) — আৰি সং -কাৰ + ইক >- কাৰিক>অস -আৰি,
(১১) — আল ঃ সং -আল > অস -আল
(১২) — ই সং -ইক > প্ৰা -ইঅ > অস -ই
(১৩) — ইযা স৲ ইক + আক > প্ৰা -ইঅ + আঅ > অস -ইযা
(১৪) — ঈ ঃ সং -ঈন >অস -ঈ
(১৫) — উ স৲-উক > অস -উ
(১৬) — উক সং -উক > প্ৰা -উকক > অস -উক,
(১৭) — উৱা ঃ সং -উৰ + আ > অস -উৱা
(১৮) — উলা সং -উল +-আ > অস -উলা
(১৯) — ওৱা ৹ স৲-ৱাহক > অস -ওআ
(২০) — কুৰি স৲-কূট > প্ৰা -কূড-ই > অস -কুৰি
(২১) — তলি সং -তলিকা > প্ৰা -তলিআ > অস -তলি
(২২) — নি ৹ স৲-ৱনি > অস -নি
(২৩) — ৰ ৹ স৲-ট > প্ৰা -ড > অস -ৰ
(২৪) — ল ৹ সং -ল > অস -ল
(২৫) — হ ঃ সং-স > অস -হ।

প্ৰত্ন-অসমীযা ভাষাৰ প্ৰাচীনতম নিদৰ্শন হিচাপে চৰ্যাপদৰ কথা ক'ব পাৰি। চৰ্যাপদৰ ভাষাত শব্দ-গঠনৰ বাবে প্ৰত্যয়ৰ বহুল ব্যৱহাৰ দেখা নাযায়।। তথাপি দুই এটা তদ্ধিত-প্ৰত্যয়ৰ উদাহৰণ আছে। সেইবোৰ তলত দিযা ধৰণৰ ঃ

(১) — আ ঃ নাড়ি-আ,
(২) — আল ঃ কেড়ুআল,
(৩) — আলি ঃ ভাভৰিআলি
(৪) — আলী ঃ যবৰ-আলী,
(৫) — আলু ঃ নিদ-আলু,
(৬) — ই ঃ তিম ই,
(৭) — ইলী ঃ পোহা-ইলী
(৮) — ঈ ঃ অন্ধাৰুঈ,
(৯) — ল ঃ দন্দ-ল;

(১০) — ড নিঅ-ড।

পুৰণি অসমীয়া ভাষাৰ লিখিত প্ৰাচীনতম নিদৰ্শন হিচাপে হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ 'অপ্ৰমাদী কবি মাধৱ কন্দলীৰ ৰামায়ণখনৰ কথা বেছিভাগ সমালোচকে উল্লেখ কৰে। মাধৱ কন্দলীৰ ৰামায়ণত শব্দ-গঠনৰ বাবে বিবিধ প্ৰত্যয়ৰ ব্যৱহাৰ আছে। তাৰ ভিতৰত তদ্ধিত-প্ৰত্যযৰো ব্যৱহাৰ আছে। তদ্ধিত-প্ৰত্যয হিচাপে কন্দলী ৰামাযণত তলত দিযা ধৰণৰ প্ৰত্যযবোৰ পোৱা যায় ঃ

(১) — অনি ঃ আঙ্গনি

(২) — অনিযা ঃ বাজনিযা

(৩) — অতিযা সেৱতিযা

(৪) — অতী সেৱতী

(৫) — অৰী দেৱৰী সৈতৰী

(৬) — অলি সেৱলি

(৭) — অলীযা ঃ তাপলীয়া

(৮) — আ ঃ নাৱৰা

(৯) — আই ঃ মুনিবাই

(১০) — আৰ ঃ কসাৰ চমাৰ,

(১১) — আৰি ঃ সোণাৰি

(১২) — আৰী ঃ জীযাৰী

(১৩) — আক ঃ যুজাক

(১৪) — আল ঃ কংসাল

(১৫) — আলি ঃ খিতিঙ্গালি,

(১৬) — আলু ঃ কৃপালু,

(১৭) — ই ঃ দাশৰথি,

(১৮) — ইক ঃ লৌকিক

(১৯) — ইত ঃ কোপিত,

(২০) — ইল ঃ পুহাইল,

(২১) — ইয়া ঃ কলিয়া,

(২২) — ইয়াৰ ঃ তেলিয়াৰ,

(২৩) — ঈ ঃ অধিকাৰী,

(২৪) — ঈয়া ঃ উপৰীয়া (বস্ত্ৰ);

(২৫) — উকি ঃ ভাবুকি,

(২৬) — উৱা ঃ গভুৱা, দন্দুৱা;

(২৭) — উৱা ৹ ঘৰুৱা
(২৮) — ওৱাল মাতোৱাল
(২৯) — কাৰী ঃ হিতকাৰী
(৩০) — ত ° সুখিত
(৩১) — তা ° বিহতা (স্বামী)
(৩২) — ময ° কৃপাময।

মধ্যযুগীয ভাষা হিচাপে বুৰঞ্জীৰ ভাষাতো তদ্ধিত-প্ৰত্যযৰ ব্যৱহাৰ আছে। সেইবোৰ তলত দিযা ধৰণৰ

(১) — অনি ৹ শান্তিযনি (বিযা)
(২) — অনিযাৰ ঃ খাটনিযাৰ, নাচনিযাৰ
(৩) — অনীয ঃ কথনীয়
(৪) — আল ৹ নামতিয়াল,
(৫) — আলি ° চতুৰালি
(৬) — আলী সোণালী
(৭) — আৰা ৹ নাৱাৰা
(৮) — আৰী ঃ পূজাৰী
(৯) — ইয়া ৹ উপৰিয়া (বস্ত্ৰ)
(১০) — ইলী ঃ মাহিলী
(১১) — ঈ ঃ সংসাৰী
(১২) — ঈযা ৰথীয়া,
(১৩) — উৱা ঃ পথৰুৱা, হজুৱা
(১৪) — উৱাল ৹ ভিতৰুৱাল,
(১৫) — ওৱা ঃ হালোৱা,
(১৬) — গিৰি ঃ ডেকাগিৰি,
(১৭) — ধাৰী ঃ বংশীধাৰী
(১৮) — নী ঃ বাকৰানী (মাটি),
(১৯) — ৱতী ঃ লাখৱতী,
(২০) — ৱন্ত ঃ আঢ্যৱন্ত,
(২১) — ময় ঃ বস্ত্ৰময়।

অৰুণোদয়-যুগৰ পৰা বৰ্তমানৰ আধুনিক অসমীয়া ভাষাত শব্দ-গঠনৰ প্ৰত্যয়ৰ ব্যৱহাৰ সণ্ডালনিকৈ দেখা যায়। সেইবোৰৰ ভিতৰত তদ্ধিত-প্ৰত্যয়ৰ ব্যৱহাৰ বহুলভাৱে আছে। তলত সেইবোৰ উদাহৰণ সহ দাঙি ধৰা হ'ল ঃ

(১) — অক খেতিয়ক বুধিয়ক ফন্দিয়ক
(২) — অচীয়া ° ঘৰচীয়া
(৩) — অতী আগলতী নামতী ফুলতী লাহতী
(৪) — অতীয়া আগতীয়া জাকতীয়া বাপতীয়া শেহতীয়া
(৫) — অনি ধাননি বননি ফুলনি মাহনি শাকনি
(৬) — অনী হাতনী (হাতনী পেৰা)
(৭) — অনীয়া ꞏ আঁঠুৱনীয়া
(৮) — অৰি ভালৰি
(৯) — অৰী লগৰী লাহৰী
(১০) — অৰীয়া ঃ নাৱৰীয়া, বনৰীয়া ভাৱৰীয়া
(১১) — অৰুৱা আধৰুৱা বাটৰুৱা হাটৰুৱা
(১২) — অল ° আগল দীঘল
(১৩) — অলি ঃ আগলি
(১৪) — অলী ꞏ ৰাঙলী
(১৫) — অলীয়া ꞏ গাৱঁলীয়া মিছলীয়া মজলীয়া,
(১৬) — অহ ° ৰূপহ,
(১৭) — আ ঃ আহিনা, ফপৰা
(১৮) — আই মুনিষাই
(১৯) — আক জোনাক
(২০) — আকি চিনাকি
(২১) — আঙ খৰাঙ (খৰাং) তৰাঙ (তৰাং)
(২২) — আম ꞏ ফুলাম, সাতাম (পুৰুষ),
(২৩) — আমি ঃ ঠগামি মূৰ্খামি
(২৪) — আৰ ঃ কহঁাৰ, সুতাৰ
(২৫) — আৰী ° জুৱাৰী পূজাৰী
(২৬) — আল ঃ খঙাল তেজাল
(২৭) — আলি ঃ অজলালি ওজালি চতুৰালি,
(২৮) — আলী ঃ জোনালী সোণালী
(২৯) — আহ ঃ ছলাহ,
(৩০) — ই ঃ কুঁহি, পাহি, মাষ্টৰি
(৩১) — ইয়া ঃ মজিয়া,
(৩২) — ইয়াল ঃ মৰমিয়াল, সাহিয়াল,

(৩৩) — ইলা ঃ কামিলা
(৩৪) — ইলি ° মাহিলি (মাহিলি পায়);
(৩৫) — ঈ ঃ অসমী, কথকী তামী
(৩৬) — ঈন ঃ ৰঙীন
(৩৭) — ঈয় ঃ দলীয়
(৩৮) — ঈয়া ঃ খুলীযা, ঢুলীয়া
(৩৯) — উ ঃ মাজু,
(৪০) — উনী ঃ দুখুনী,
(৪১) — উৰা ঃ দন্দুৰা,
(৪২) — উলা ঃ পেটুলা
(৪৩) — উলি ঃ মাজুলি,
(৪৪) — উৱা ঃ ঘৰুৱা, নটুৱা,
(৪৫) — উৱাল ঃ ভিতৰুৱাল,
(৪৬) — উৱৈ ঃ ঘাটুৱৈ, মাছুৱৈ,
(৪৭) — ওৱা ঃ হালোৱা,
(৪৮) — ওৱাল ঃ ডাকোৱাল,
(৪৯) — ওৱালী ঃ ৰূপোৱালী, সোণোৱালী,
(৫০) — কৰী ঃ অৰ্থকৰী,
(৫১) — কাৰ ঃ গল্পকাৰ,
(৫২) — কাৰী . অভিযোগকাৰী, পিকেটিংকাৰী
(৫৩) — কুৰি ঃ বাটকুৰি,
(৫৪) — কুৰীয়া ঃ লাজকুৰীয়া,
(৫৫) — গিৰি ঃ উকীলগিৰি,
(৫৬) — চুৱা ঃ ৰঙচুৱা,
(৫৭) — তলী ঃ ধানতলী;
(৫৮) — তী ঃ পুৰতী,
(৫৯) — দাৰ ঃ অংশীদাৰ, দাবীদাৰ,
(৬০) — ধাৰী ঃ আশাধাৰী;
(৬১) — নি ঃ চপৰানি, নৱানি,
(৬২) — বন্ত ঃ ধনবন্ত, পুত্ৰবন্ত;
(৬৩) — ময় ঃ ধূলিময়, বোকাময়,

(৬৪) — লা ঃ অদ্ধলা

(৬৫) — বালা ঃ ৰিক্সাবালা

এইখিনিতে অসমীয়া তদ্ধিত-প্ৰত্যয়বোৰৰ অসমীয়া ভাষাৰ বিভিন্ন যুগৰ মাজেদি কেনেদৰে বিকাশ ঘটিছে তাৰ এটা সাধাৰণ পৰিচয দাঙি ধৰা হ'ল ঃ

প্ৰত্যয়	প্ৰত্ন অস	পু অস	মধ্য অস	আধু অস
—আ ঃ	নাডিআ,	নাৱাৰা	নাৱাৰা	ফপৰা।
—আল ঃ	কেড়ুৱাল	কংসাল	নামতিযাল,	তেজাল।
—আলি	ভাভৰিআলি	খিতিঙ্গালি	চতুৰালি	ওজালি।
—আলী	যবৰআলী	—	সোণালী	জোনালী।
—আলু ঃ	নিদালু,	কৃপালু,	দাযালু,	দযালু।
—ই ঃ	অন্ধাৰি	দাশৰথি	—	কুঁহি।
—ঈ ঃ	—	সংসাৰী	সুখী	দুখী।
—ময় ঃ	—	কৃপাময়	বজ্ৰময	বোকামষ

সংস্কৃত তদ্ধিত-প্ৰত্যযকেতবোৰো অসমীযাত ব্যবহাৰ হয। কিন্তু একেবাৰে সংস্কৃতৰ দৰে হুবহু ৰূপত নহয অসমীয়াত সেইবোৰৰ ৰূপৰ পৰিবৰ্তন হৈছে। উদাহৰণ হিচাপে ধনী, মানী আদি শব্দ সংস্কৃতৰ তদ্ধিত-প্ৰত্যয় 'ইন্‌ যোগ কৰি সিদ্ধ কৰা হয। কিন্তু সেই শব্দবিলাকত বিভক্তি যোগ নিদিলে সিহঁতৰ তেনে ৰূপ নহৈ, ধনিন্‌, মানিন্ ৰূপত থাকিলেহেঁতেন ধনী মানী সংস্কৃতৰ প্ৰথমা বিভক্তিৰ একবচনৰ পদ। সিহঁতক অসমীযাত মূল শব্দ বুলি লৈ অসমীযা বিভক্তি যোগ দিলে, বিভক্তিৰ ওপৰত বিভক্তি যোগ দিযা হয়। এই কথা অসংগত। সেই দেখি এনেবিলাক শব্দ অসমীয়া তদ্ধিতৰ 'ঈ' প্ৰত্যয়ৰ দ্বাৰা সিদ্ধ হৈছে। এইবোৰৰ উদাহৰণ ওপৰত দিয়া হৈছে। সেইদৰে সংস্কৃত 'মযট' 'বতু , আৰু 'মতু প্ৰত্যয়ৰ সলনি অসমীয়াত 'মষ , 'বন্ত' আৰু মন্ত প্ৰত্যয় হিচাপে ব্যবহাৰ হয়। উদাহৰণ ঃ জুইময়, বোকাময়, চুৰাময়, ঘৰময়, গন্ধময়, হাবিময়, পুত্ৰৱন্ত, ধনৱন্ত, আঢ্যৱন্ত, বিদ্যাৱন্ত, মূৰ্তিমন্ত, বুদ্ধিমন্ত, শ্ৰীমন্ত ইত্যাদি'।

ওপৰৰ আলোচনাত অসমীয়া তদ্ধিত-প্ৰত্যয়ৰ উদ্ভৱৰ বিচাৰ, ইয়াৰ বিকাশ, আৰু অসমীয়া ভাষাৰ বিভিন্ন স্তৰত হোৱা প্ৰয়োগ আৰু বিকাশৰ বিষয়ে চমু আভাস দাঙি ধৰা হৈছে। তদ্ধিত-প্ৰত্যয়ৰ আঁতি-গুৰি আৰু বিকাশৰ বিচাৰে এইটো প্ৰমাণ কৰে যে, অসমীয়া তদ্ধিত-প্ৰত্যয় অসমীয়া ভাষাৰ এটা সুকীয়া বৈশিষ্ট্য। এই বৈশিষ্ট্যৰ এটা প্ৰাচীন পৰম্পৰাও ৰক্ষিত হৈ আছে। তাকো ওপৰৰ আলোচনাত দাঙি ধৰা হৈছে। ❑

সহায় লোৱা গ্ৰন্থসমূহ ঃ

কাকতি বাণীকান্ত — আছামিজ ইটছ ফৰমেছন এণ্ড ডেভেলপমেণ্ট তৃতীয় সংস্কৰণ ১৯৭২ এল বি এছ, গুৱাহাটী।

গোস্বামী উপেন্দ্ৰনাথ ঃ অসমীয়া ভাষাৰ ৰূপ-কথা, প্ৰথম প্ৰকাশ, ১৯৭৪, নিউ বুক ষ্টল গুৱাহাটী।

ঃ অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰথম প্ৰকাশ, ১৯৮১, মণি মাণিক প্ৰকাশ গুৱাহাটী।

ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ প্ৰথম প্ৰকাশ, ১৯৯১, বৰুৱা এজেঞ্চি, গুৱাহাটী।

বৰা সত্যনাথ ঃ বহল ব্যাকৰণ ১৯৬৯ গুৱাহাটী।

বৰুৱা হেমচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণ পঞ্চবিংশ সংস্কৰণ, ১৯৮৪, হেমকোষ প্ৰকাশন, গুৱাহাটী।

ভৰালি দেবানন্দ ঃ অসমীয়া ভাষাৰ মৌলিক বিচাৰ, ৩য় সংস্কৰণ, ১৯৯৩, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

মেধি, কালিৰাম ঃ অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব দ্বিতীয় সংস্কৰণ, ১৯৭৮ অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

অসমীয়া বাক্যতত্ত্ব আৰু বাক্যৰ আসন্ন অঙ্গ বিশ্লেষণ-প্ৰক্ৰিয়া

❑ নৱনাৰায়ণ শৰ্মা

ইংৰাজী ভাষাৰ Syntax শব্দটোৰ অসমীয়া তৰ্জমা ৰূপ হৈছে 'বাক্যতত্ত্ব'। Syntax শব্দটো গ্ৰীক ভাষাৰ Syntaxis শব্দৰ পৰা আহিছে। কিছুমান পণ্ডিতে ইয়াক 'বাক্য-বিন্যাস 'বাক্য-ৰীতি বুলি কয়। ইয়াৰ ভাষাগত অৰ্থ হৈছে শৃঙ্খলাবদ্ধ গঠন (Systematic arrangement)। মানুহে ধ্বনিৰ উচ্চাৰণৰ দ্বাৰা শব্দ গঠন কৰে আৰু এই শব্দবিলাকক ব্যাকৰণগতভাৱে এটাৰ পিছত এটাকৈ লগ লগাই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে তাকে বাক্য (Sentence) বোলে। গতিকে বাক্য হৈছে ভাষাৰ বৃহত্তম ব্যাকৰণগত একক অৰ্থাৎ যি কোনো বাক্যই একোটা সম্পূৰ্ণ ভাব প্ৰকাশ কৰিব পাৰে। The sentence is the largest structure fully describable in grammatical terms It is taken to be an utterance constituting an independent linguistic form not included by virtue of any grammatical construction in any larger linguistic form (L Bloomfield)। বাক্যৰ ভিতৰত থকা বিভিন্ন অঙ্গবোৰক যি তত্ত্বৰ সহযোগত প্ৰণালীবদ্ধভাৱে চোৱা হয় সেই তত্ত্বকে বাক্যতত্ত্ব বোলে।

শব্দ বা শব্দ-সমষ্টিৰ সংযোগত বাক্য হয় কিন্তু এই শব্দবিলাকক যি কোনো ক্ৰমত সজালেই বাক্য হ'ব নোৱাৰে অৰ্থপূৰ্ণ শব্দবোৰক সুবিন্যস্ত ক্ৰমত লগ লগালেহে অৰ্থপূৰ্ণ বাক্য গঠিত হ'ব। বাক্য এটা শুদ্ধ ৰূপত প্ৰকাশ কৰোঁতে প্ৰথমতে দুটা কথালৈ আঙুলিয়াব পাৰি ঃ

(ক) বাক্যত ব্যৱহৃত শব্দৰ ক্ৰম (Sequence of words)

(খ) শব্দবোৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক (Aggrement of words)।

যি কোনো বাক্যত ব্যৱহৃত অৰ্থপূৰ্ণ শব্দবোৰৰ পাৰস্পৰিক সঙ্গতি আৰু ক্ৰম ৰক্ষা কৰি নিৰ্দিষ্ট অৰ্থ সূক্ষ্মভাৱে বহন কৰিবলৈ ভাষাবিজ্ঞানত তিনিটা কথালৈ লক্ষ্য ৰখা হয় সেইবোৰ হৈছে—

(ক) যোগ্যতা (Propriety)
(খ) আকাংক্ষা (Expectancy)
(গ) আসত্তি (Proximity)।

(ক) যোগ্যতা ঃ উপযুক্ত অর্থ প্ৰকাশ কৰিবলৈ শব্দবোৰৰ সামৰ্থ্য থাকিব লাগিব। যেনে—

/মানুহে দাঁতেৰে চোবাই খায়/
/চকুৰে দেখে/
/ছালেৰে অনুভৱ কৰে/

ওপৰৰ বাক্যবোৰত ব্যৱহাৰ হোৱা পদবিলাকৰ অৰ্থ প্ৰকাশ কৰিব পৰা ক্ষমতা আছে। এয়ে যোগ্যতা।

(খ) আকাংক্ষা ঃ এটি অসম্পূৰ্ণ বাক্য সম্পূৰ্ণ কৰিবলৈ বক্তাৰ মনত আকাংক্ষা জন্মিব লাগিব। যেনে—

/ৰাম বজাৰৰ পৰা আহি স্কুললৈ যাব/।

ওপৰৰ বাক্যটিৰ 'ৰাম বজাৰৰ পৰা আহি অংশটি অসম্পূৰ্ণ, ইয়াক সম্পূৰ্ণ কৰিবলৈ বক্তাৰ মনত আকাংক্ষা হোৱাত 'স্কুললৈ যাব কথাখিনি লগাই দিয়াত ভাবটি সম্পূৰ্ণভাৱে প্ৰকাশ পাইছে।

(গ) আসত্তি ঃ বাক্যত ব্যৱহৃত শব্দবিলাক ফুলৰ মালাৰ দৰে গাঁথি থোৱা হয় সেই কাৰণে শৃঙ্খলাবদ্ধভাৱে শব্দবোৰ ক্ৰমত সজালেহে অৰ্থ এটি প্ৰকাশ পায়। যেনে—

/ছাত্ৰই মনোযোগেৰে পঢ়িলে ভাল ফল দেখুৱাব পাৰে/।

অসমীয়া ভাষাৰ বাক্যত সাধাৰণতে প্ৰথমে কৰ্তা, তাৰ পিছত কৰ্ম আৰু ক্ৰিয়াপদ বহে, আনহাতে ক্ৰিয়াহীন বাক্য, কৰ্তাহীন বাক্য, নঞৰ্থক বাক্য, প্ৰশ্নাৰ্থক বাক্যৰো ব্যৱহাৰ আছে। কেতিযাবা এটা শব্দয়ো এটা বাক্যৰ মৰ্যাদা পাব পাৰে।

সম্পূৰ্ণ বাক্য— /ৰামে কিতাপ পঢ়ে/
কৰ্তাহীন বাক্য— /এই বস্তুখিনি আনিবা/
/বজাৰলৈ যোৱা/
ক্ৰিয়াহীন বাক্য— /ৰাম এজন ভাল ল'ৰা/
/তাই এজনী অন্ধ ছোৱালী/

বাক্যতত্ত্বত সাধাৰণতে ব্যাকৰণগত বিশ্লেষণ (Grammatical analysis) প্ৰক্ৰিয়া অব্যাহত থাকে। যি কোনো ভাষাত ব্যৱহাৰ হোৱা বাক্যবোৰৰ বিশ্লেষণ

খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে কৰিব পাৰি। এটা বাক্যত সাধাৰণতে ধ্বনি অক্ষৰ, প্ৰাকৃতি উপাকৃতি, খণ্ডবাক্য আৰু বাক্যাংশ থাকে। বাক্যত ব্যৱহৃত এই অঙ্গবোৰৰ বিশ্লেষণ এনেদৰে দেখুৱাব পাৰি—

/হৰিয়ে চাইকেলখন শনিবাৰেই কিনিছিল/

ওপৰৰ বাক্যটিত প্ৰধানকৈ দুটা অঙ্গ পোৱা যায়—

NP = বিশেষ্য খণ্ডবাক্য ॰ হৰিয়ে

VP = ক্ৰিয়া খণ্ডবাক্য ° চাইকেলখন শনিবাৰেই কিনিছিল।

হৰি + এ—NP (subject)

চাইকেল— Noun (object)

খন—Determiner

শনিবাৰেই—কালবাচক ক্ৰিয়া-বিশেষণ

কিন + ইছিল—ক্ৰিয়া + কালবাচক বিভক্তি।

অসমীয়া ভাষাত এনে কিছুমান বাক্য আছে যিবিলাকৰ দীৰ্ঘত্ব (Length) শ্বাসাঘাত (Stress) আৰু সুৰ অনুসৰি ইয়াক দেখুৱাব পাৰি বাক্যৰ এনে ক্ৰমৰ বৰ্ণনাক উপাহিত অনুক্ৰম (Supra-segmental) বোলে। যেনে—

(ক) ৰামে ঘৰত কি গাইছে?

(খ) ৰামে ঘৰত কি নাম গাইছে?

(গ) ৰামে ঘৰত কি নাম গাইছে?

কেতিয়াবা প্ৰশ্ন সোধা ৰীতিৰেও বাক্যগত বৈশিষ্ট্যপূৰ্ণ যিকোনো বাক্য অসমীয়া ভাষাত সজাব পাৰি। যেনে—

	প্ৰশ্ন	উত্তৰ
(ক)	/কোন আহিল/	/ৰাম/
(খ)	/তেওঁ কি কৰিছে/	/গান গাইছে/
(গ)	/ছোৱালীজনী কেনেকুৱা/	/চুটি চাপৰ/
(ঘ)	/তেওঁ কেনেকৈ গ'ল/	/ৰেলেৰে/।

বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ পুৰোধা ব্যক্তি ব্লুমফিল্ডে বাক্যৰ দুই প্ৰকাৰৰ গঠনৰ কথা কৈছে :

(ক) বহিঃকেন্দ্ৰিক প্ৰক্ৰিয়া (Exocentric costruction)

(খ) অন্তঃকেন্দ্ৰিক প্ৰক্ৰিয়া (Endocentric construction)।

যেনে—/ৰীতাই হৰিৰ পৰা কাপোৰখন কাহানিবাই আনিছে/



ওপৰৰ বাক্যটোৰ উদ্দেশ্য (subject) 'সীতা' আৰু 'আনিছে' হৈছে বিধেয়। ইয়াত পুৰুষ অনুযায়ী 'আনিছে (আন্ + ইছ + এ) ক্ৰিয়া গঠিত হৈছে। ইয়াক কোৱা হৈছে বহিঃকেন্দ্ৰিক প্ৰক্ৰিয়া। এই বাক্যটোত দুটা অঙ্গৰ এটা প্ৰধান (Primary) আৰু আনটো গৌণ (Secondary)। ইযাত প্ৰধান অঙ্গ দুটাৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক আছে। এই অঙ্গবিলাকৰ নিকটস্থ গঠনক অন্তঃকেন্দ্ৰিক প্ৰক্ৰিয়া বোলা হৈছে। /হৰিৰ পৰা আনিছে/ বাক্যটিত ক্ৰিয়া সংযোগ কৰা হৈছে 'সীতা ৰ দ্বাৰা। /হৰিৰ পৰা আনিছে/এটা উৎসভিত্তিক স্থানবাচক ক্ৰিয়া-বিশেষণ /কাহানিবাই আনিছে/হৈছে কালবাচক ক্ৰিয়া-বিশেষণ।

পঞ্চাশৰ দশকৰ মাজভাগত ভাষাবিজ্ঞানী Noam Chomsky -এ Syntactic Structures নামৰ বাক্যতত্ত্ব সম্পৰ্কীয় এখন প্ৰামাণিক গ্ৰন্থ লিখে। তেওঁ ৰূপান্তৰ উৎপাদক ব্যাকৰণৰ (Transformational Generative Grammar) যোগেদি বাক্যতত্ত্বৰ দিশত নতুন সূত্ৰ উদ্ভাৱন কৰিলে। Chomsky -ৰ মতে ভাষা হ'ল মানুহৰ সৃজন-ক্ষমতাৰ ফল। এই সৃজনী ক্ষমতাক দুটা ভাগত ভগোৱা হৈছে—

(ক) ভাষাগত সামৰ্থ্য (Linguistic Competence)

(খ) ভাষাগত ব্যৱহাৰিক দিশ (Linguistic Performance)।

জগতৰ যি কোনো ভাষা আলোচনা কৰিলে দেখা যায় ভাষাত ব্যৱহৃত এটা বাক্যৰ পৰাই ভিন ভিন ৰূপৰ বিশ্লেষণ কৰিব পাৰি। এই বিশ্লেষণাত্মক ৰূপটোক কাৰ্ণেল বাক্য (Kernal Sentence), বা সাৰ বাক্য বোলে। Chomsky -ৰ মতে এটা কাৰ্ণেল বাক্যৰ পৰাই ৰূপান্তৰ-প্ৰক্ৰিয়াৰে বহুতো বাক্য সাজি উলিয়াব পাৰি। তেওঁৰ মতে বাক্য গঠনত সদায় দুটা নিয়মে কাম কৰে। (ক) খণ্ডবাক্য গঠনৰ নিয়ম (Phrase structure rule) আৰু (খ) ৰূপান্তৰ নিয়ম (Transformational rule)।

কাৰ্ণেল বাক্যবিলাকত সাধাৰণতে বিশেষ্য খণ্ডবাক্য (NP) আৰু ক্ৰিয়া খণ্ডবাক্য (VP) যোগ কৰি এটা সম্পূৰ্ণ বাক্য গঠন কৰা হয়। যেনে—

(১) মানুহে ভাত খায় ঃ NP -মানুহ + এ = মানুহে

VP -ভাত খায়

(২) সিহঁতে বল খেলে ঃ NP সিহঁত + এ = সিহঁতে

VP -বল খেলে

এই কাৰ্ণেল বাক্যৰ পৰাই ৰূপান্তৰ-প্ৰক্ৰিয়াৰ সহায়ত নঞাৰ্থক প্ৰশ্নাৰ্থক সন্দেহবাচক কৰ্মবাচ্যসূচক কিছুমান বাক্য সজাব পাৰি—

(১) মানুহজনে ভাত খায় ঃ (ক) /মানুহজনে ভাত নাখায়/

(খ) /মানুহজনে ভাত খায়নে?/

(গ) /মানুহজনে ভাত নাখাবও পাৰে/

(ঘ) /মানুহজনৰ দ্বাৰা ভাত খোৱা হ'ল/

(২) সিহঁতে বল খেলে ° (ক) /সিহঁতে বল নেখেলে/

(খ) /সিহঁতে বল খেলেনে?/

(গ) /সিহঁতে বল নেখেলিবও পাৰে/

(ঘ) /সিহঁতৰ দ্বাৰা বল খেলা হ'ল/

Chomsky -এ বাক্য গঠনৰ দুটা স্তৰৰ ওপৰত গুৰুত্ব দিছে ঃ

(ক) বহিৰঙ্গ গঠন (Surface structure)

(খ) অন্তৰঙ্গ গঠন (Deep structure)

মানুহে যিবিলাক ধ্বনি উচ্চাৰণ কৰে আৰু উচ্চাৰিত ধ্বনি-সমষ্টি যুক্ত হৈ সুবিন্যস্ত শব্দৰ দ্বাৰা যি বাক্য সৃষ্টি কৰে তাকে বহিৰঙ্গ গঠন বোলে আৰু ভাষাৰ সহায়ত বিভিন্ন ভাবেৰে প্ৰকাশ কৰা বিভিন্ন ৰূপবোৰক অন্তৰঙ্গ গঠন বোলে। যেনে—

বহিৰঙ্গ গঠন Surface structure	অন্তৰঙ্গ গঠন Deep structure
(১) উদ্যোগী ছাত্ৰজন অকালতে ঢুকাল।	(ক) ছাত্ৰজন ঢুকাল।
	(খ) ছাত্ৰজন ৰোগাক্ৰান্ত হৈ ঢুকাল।
	(গ) ছাত্ৰজনৰ আকস্মিক দুৰ্ঘটনাত মৃত্যু হ'ল।
	(ঘ) ছাত্ৰজন আততায়ীৰ গুলিত মৰিল।

বাক্য এটাত ব্যৱহাৰ হোৱা শব্দবোৰৰ একোটি ক্ৰম থাকে, অৰ্থাৎ এক শ্ৰেণীৰ শব্দৰ পিছত আন এক শ্ৰেণীৰ শব্দ ব্যৱহাৰ হয়। যেনে—

/ৰাম বৰ চতুৰ ব্যৱসায়ী/

ওপৰৰ এই বাক্যটোত প্ৰথমতে আছে বিশেষ্য পিছত ক্ৰিয়া-বিশেষণ, তাৰ পিছত বিশেষণ, আৰু শেষত বিশেষ্য শব্দ এটা complement হিচাপে ব্যৱহাৰ হৈছে। এই বাক্যটোক /ব্যৱসায়ী ৰাম বৰ/ অথবা / ৰাম ব্যৱসায়ী চতুৰ/—এনেদৰে ব্যৱহাৰ কৰিলে কোনো অৰ্থ পোৱা নাযাব। বাক্যত শব্দবোৰৰ ক্ৰমৰ উপৰিও

লাগতিয়াল কথা হৈছে কিছুমান শব্দৰ আন কিছুমান শব্দেৰে সৈতে থকা সুসম্পৰ্ক। এই সম্পৰ্কৰ কথা নাজানিলে বাক্যটোৰ অৰ্থ বুজা টান হৈ পৰে। এটা ভাষাৰ পৰা কিছুমান কথা অইন এটা ভাষালৈ অনুবাদ কৰিলেও বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰৰ যোজ্যতা জনাটো নিতান্তই প্ৰয়োজন। এটা বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰক যদি বাক্য এটাৰ প্ৰয়োজনীয় অঙ্গ বুলি ধৰি লওঁ তেতিয়া সেই বাক্যত ব্যৱহাৰ হোৱা শব্দ এটাৰ আন এটা শব্দৰ সৈতে যিটো নিবিড় সম্পৰ্ক তাকে আসন্ন অঙ্গ (Immediate constitutent) বুলি কোৱা হয়। কোনো এটা বাক্যৰ আসন্ন অঙ্গ বিশ্লেষণ-প্ৰক্ৰিয়াৰ বাবে নিৰ্দিষ্ট ৰীতি আছে। পাশ্চাত্য ভাষাবিদ্ পণ্ডিত R H Robins -এ কৈছে— The principle criterion for the grouping of words into constituents is the possibility of syntactic substitution of a single word for the whole group while preserving the rest of the sentence structure inact' [General Linguistics An Introductory Survey]। উদাহৰণ হিচাপে তলৰ বাক্যটিলৈ আঙুলিয়াব পাৰি—

/ৰাম ককায়েকৰ সৈতে কলিকতালৈ গৈছিল/

—এই বাক্যটোত দুটা অৰ্থপূৰ্ণ খণ্ড পোৱা যায় ঃ (ক) /ৰাম ককায়েকৰ সৈতে/ আৰু (খ) /কলিকতালৈ গৈছিল/। এই খণ্ড দুটা সমগ্ৰ বাক্যটোৰ আসন্ন অঙ্গ। পুনৰাই—/ৰাম ককায়েকৰ সৈতে/খণ্ডটোক দুটা ভাগত ভগাব পাৰি— (ক) /ৰাম/আৰু (খ) /ককায়েকৰ সৈতে/। এই দুটা অঙ্গ—/ৰাম ককায়েকৰ সৈতে/— এই খণ্ডটোৰ আসন্ন অঙ্গ। আকৌ /ককায়েকৰ সৈতে/—এই খণ্ডটোৰ পৰা দুটা খণ্ড পোৱা যায়—(১) /ককায়েকৰ/, (২) /সৈতে/, —এই দুটা হ'ল /ককায়েকৰ সৈতে/খণ্ডটোৰ আসন্ন অঙ্গ।

তলৰ চিত্ৰত ওপৰত উল্লিখিত বাক্যটোৰ আসন্ন অঙ্গবোৰ এনেদৰে দেখুৱাব পাৰি—

/ৰাম ককায়েকৰ সৈতে কলিকতালৈ গৈছিল/



এটা বাক্যত ব্যৱহৃত শব্দ, শব্দবোৰৰ সুবিন্যস্ত ক্ৰম আৰু সিহঁতৰ আসন্ন অঙ্গ নিৰ্দেশৰ দ্বাৰা বাক্যটোৰ গঠন-প্ৰণালী আৰু অৰ্থ স্পষ্টভাৱে বুজাব পাৰি।

একাধিক শব্দেৰে গঠিত কোনো এটা বাক্যৰ গঠনগত উপাদান সলনি কৰি, বাকী অংশবিনি একেদৰে ৰাখিলেও যদি সি ব্যাকৰণগতভাৱে শুদ্ধ হয় তেতিয়া

বুজিব লাগিব বাক্যটোৰ উপাদান-বিশ্লেষণত কোনো ধৰণৰ ভুল হোৱা নাই। যেনে—

/প্ৰধান শিক্ষকজনে পঢ়ি ভাল পায/

— এই বাক্যটোৰ দুটা অঙ্গ পোৱা যায়— (ক) /প্ৰধান শিক্ষকজনে/ আৰু (খ) /পঢ়ি ভাল পায়/। ইয়াৰ 'প্ৰধান শিক্ষকজনে'ৰ পৰিবৰ্তে কেৱল 'শিক্ষকজন' শব্দটো ব্যৱহাৰ কৰিলেও এটা শুদ্ধ বাক্য ওলায। যেনে—/শিক্ষকজনে পঢ়ি ভাল পায়/। আনহাতে /পঢ়ি ভাল পায়/-ৰ সলনি/ভাল পায/ব্যৱহাৰ কৰিলেও বাক্যটি শুদ্ধ হৈ থাকিব। যেনে—/ শিক্ষকজনে ভাল পায/। ইয়াৰ পৰা বাক্যত আসন্ন অঙ্গ বিশ্লেষণ-প্ৰক্ৰিয়া শুদ্ধ হৈছে বুলি নিশ্চিত হ'ব পাৰি।□

একবিংশ শতিকাত অসমীয়া ভাষাৰ সম্ভাব্য ৰূপ

❑ গোলোকচন্দ্ৰ গোস্বামী

ভাষা বিষযত ভৱিষ্যদবাণী কৰা সম্ভৱ নহয। ইযাৰ ভৱিষ্যতৰ সম্ভাব্য ৰূপ জানিবলৈ হ'লে প্ৰথমে ভাষাটোৰ বৰ্তমানৰ স্থিতি জানিব লাগিব। বৰ্তমানৰ স্থিতিযেও ভৱিষ্যতৰ প্ৰকৃত সন্ধেদ দিব নোৱাৰে। ভাষাত বৰ্তমান কি বিশেষ প্ৰৱণতাই কাম কৰি আছে, আৰু সেই প্ৰৱণতাৰ হেতু বা প্ৰভাব কি তাক উদ্ধাৰ কৰিব পাৰিলেহে সম্ভাব্য ৰূপৰ ভৱিষ্যদ্‌বাণী হয়তো কৰিব পাৰি।

ভাষাৰ পৰিৱৰ্তনৰ স্বাভাৱিক গতিত এশ বছৰৰ ভিতৰত সুদূৰ প্ৰসাৰী ৰূপান্তৰ নঘটে। অৱশ্যে বহিঃ প্ৰভাৱে ইন্ধন যোগালে পৰিৱৰ্তন ক্ষিপ্ৰতৰ হয়, ভাষাত বিজতৰীয়া ৰূপেও দেখা দিয়ে। অসমীয়া ভাষাত বৰ্তমান সময়ত স্বাভাৱিক গতিতে নামনিৰ উপভাষাৰ বৈশিষ্ট্যৰ অনুপ্ৰৱেশ ঘটিছে। নামনিৰ আদি অক্ষৰৰ শ্বাসাঘাত সাধু ভাষাটোলৈকো সম্প্ৰসাৰিত হৈছে। ফলত উজনিৰ শ্বাসাঘাত শব্দৰ মাজৰ অক্ষৰৰ পৰা আদি বা দ্বিতীয় অক্ষৰলৈ আহিছে। এই শ্বাসাঘাত অৱশ্যে নামনিৰ শ্বাসাঘাতৰ সমান বলবান নহয়। সেই কাৰণে শব্দৰ মাজৰ স্বৰবোৰ চুটি নহয়, বা লোপ নাপায। এই শ্বাসাঘাতে সাধুভাষাটোৰ উচ্চাৰণ বহু পৰিমাণে বলবান কৰিছে। উজনিৰ কথনভঙ্গীতো যোৱা অৰ্ধ শতিকাত যথেষ্ট ৰূপান্তৰ ঘটিছে। সেয়েহে, উজনিৰ ভাষা আজি বিশুদ্ধ মান্য ভাষা হৈ থকা নাই। অসমৰ ৰাজধানী গুৱাহাটীলৈ স্থানান্তৰ হোৱাত ইযালৈ অসমৰ বিভিন্ন প্ৰান্তৰৰ লোকৰ সমাগম ঘটিছে, তাৰ ফলত গুৱাহাটীৰ ভাষাই নতুন ৰূপৰ সৃষ্টি কৰিছে ৹ ইযাত উজনিৰ শিথিলতাও নাই, নামনিৰ প্ৰৱলতাও ক্ষীণ যেন এটা মধ্যমীয়া ৰূপ লৈছে। অসমীয়া ভাষাৰ এই পৰিৱৰ্তন অপ্ৰতিৰোধ্য আৰু সুস্থ বুলি গ্ৰহণ কৰিব লাগিব আৰু আগন্তুক শতিকাত গুৱাহাটীৰ ভাষাই সাধু মান্য ভাষা বুলি স্বীকৃত হ'ব।

দ্বিতীয়তে অসমীয়া ভাষা অসমত সংখ্যালঘুৰ ভাষাত পৰিণত হোৱাৰ উপক্ৰম হৈছে। থলুৱা জনজাতীয় লোকসকলে নিজ নিজ ভাষাক মান্যতা প্ৰদান কৰি অসমীয়া ভাষাক অস্বীকাৰ কৰিবলৈ লৈছে। এই বিষয়ত আমাৰ ৰোষ কৰিবলগা একো নাই। বড়ো ৰাভা কাৰ্বি মিছিং আদি লোকসকলে মাতৃভাষা ৰূপে অসমীয়াক অস্বীকাৰ কৰিলে যে অসমীয়া সংখ্যালঘুৰ ভাষা হ'ব, তাত সন্দেহ নাই। এনেদৰে

সংখ্যালঘুৰ ভাষা হ'লেও ভাষাৰ গঠনত কোনো বিপৰ্যয় নঘটে। তেতিয়া বৰং ভাষাটো শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা বাঢ়িব। সাহিত্যৰ গুণগত মান উন্নত কৰিবলৈকে ভাষা শক্তিশালী কৰিব লাগিব। উন্নত মানৰ সাহিত্যই বিশ্ববাসীৰ মনোযোগ আকৰ্ষণ কৰিলে ভাষাভাষী লোকৰ সংখ্যালঘুত্ব গুৰুত্বহীন হৈ পৰিব।

অসমীয়া ভাষাৰ বৰ্তমানৰ স্থিতিৰ কেউদিশে কেৱল বিশৃংখলাহে চকুত পৰে। বৰ্তমানৰ এই বিশৃংখলাবোৰ সময়ত শৃংখলাত পৰিণত হ'বগৈ বুলি ধাৰণা হয়।

বানানৰ ক্ষেত্ৰত নীৰস নীৰৱ আদি শব্দত সংস্কৃতৰ মতে দীৰ্ঘ ঈ-কাৰেৰে লিখাৰ নিয়ম আছিল। আজি শতকৰা আশীভাগ ক্ষেত্ৰতে এনে শব্দত হ্ৰস্ব ই-কাৰ লিখা দেখা যায়। অদূৰ ভৱিষ্যতে এই হ্ৰস্ব ই-কাৰে দীৰ্ঘ ঈ-কাৰক একাশৰীয়া কৰিব। একালত তাৰোপৰি, ইয়াৰোপৰি, নামাকৰণ আদি ভুল বুলি পৰীক্ষাৰ বহীত নম্বৰ কটা হৈছিল। এতিয়া এনে শব্দ সাহিত্য সভাৰ সভাপতিসকলেই লিখিবলৈ লৈছে, আনৰ ভুল ধৰি লাভ কি? গতিকে সংস্কৃতৰ মতে গুৰু-চাণ্ডালী বোলা কথাবাৰ যথোচিতভাৱেই বিসৰ্জন দিয়া হৈছে।

উচ্চাৰণৰ ক্ষেত্ৰত সৰ্বসাধাৰণৰ দূৰৰ কথা এক শ্ৰেণীৰ পণ্ডিতৰ ধাৰণা অসমীয়া উচ্চাৰণবোৰ ভুল বাংলা আৰু হিন্দীৰ উচ্চাৰণহে শুদ্ধ। এই হীনাত্মিকা ধাৰণাৰ হেতু বাংলা আৰু হিন্দীৰ প্ৰভাৱ অখণ্ডনীয় হৈ পৰিছে। ফলত অসমীয়া উচ্চাৰণৰ স্বকীয় বৈশিষ্ট্য হেৰাব ধৰিছে। তালব্য শ মূৰ্ধন্য ষ দন্ত্য স -ৰ উচ্চাৰণ নামবাচক শব্দত হে যে বঙলুৱা চ (=s) হৈছে তেনে নহয় অন্য শব্দলৈকো এই উচ্চাৰণ প্ৰসাৰিত হৈছে। শব্দৰ অ-স্বৰান্ত পদান্ত ব্যঞ্জনবোৰ যেনে,— নিহত খনিজ, অগ্ৰজ, অণ্ডজ আদি হিন্দীৰ প্ৰভাৱত নিহৎ, খনিজ্, অগ্ৰজ্, অণ্ডজ্ হৈছে। দেৱকান্ত, লোকসভা, দূৰদৰ্শন আদি হৈছে দেৱ্কান্ত, লোক্সভা, দূৰ্দৰ্শন।

য়-কাৰ যুক্ত হ'লে সংযুক্ত ব্যঞ্জনটো দ্বিত্ব হোৱাৰ উপৰিও তাৰ আগৰ স্বৰটো য়-শ্ৰুতিযুক্ত হয়। যেনে,— বাক্য শব্দৰ অসমীয়া উচ্চাৰণ বায়্ককয় বা বায়্ক্ক্। সেইদৰেই কামায়্ক্খ্যা, লয়্ক্খ্য, ইত্যাদি। এইবোৰ আজিকালি বাংলাৰ অন্ধ অনুকৰণত হৈছে গৈ বাকক, কামাকখা, ল'ক্‌খ'। আজি আমি এইবোৰ উচ্চাৰণ ভুল বুলিছোঁ। কিন্তু একবিংশ শতিকাৰ মাজমানৰ পৰা এইবোৰেই মান্য উচ্চাৰণ হৈ পৰিব বুলি ভৱিষ্যদ্‌বাণী কৰিব পাৰি।

উজনি অসমৰ সম্প্ৰদায় বিশেষৰ মুখত তালব্য, মূৰ্ধন্য, দন্ত্য তিনিওটা x -ৰ উচ্চাৰণ হ হ'বলৈ লৈছে। এই হ -উচ্চাৰণ হয়তো ব্যাপক হ'ব আৰু অন্য সম্প্ৰদায়ৰ মুখলৈকো বাগৰিব। চন্দ্ৰবিন্দুৰ নাকীসুৰীয়া উচ্চাৰণ বহু শব্দত লোপ হ'ব ধৰিছে। পাঁচ, দাঁত, কঁকাল, কণ্ঠ, কণ্ঠতে আদি শব্দবোৰ চন্দ্ৰবিন্দুবিহীন হৈ পাচ, দাত, ককাল, কণ্ঠ, কণ্ঠতে হ'বগৈ যেন লাগিছে।

লিপ্যন্তৰকৰণত উচ্চাৰণ আৰু বানানৰ সম্পৰ্ক আছে। এই বিষয়ত নিৰ্দিষ্ট নীতি-নিৰ্দেশনা আছে যদিও আমাৰ বহুতে বাংলা আৰু হিন্দীক অনুকৰণ কৰিবলৈ লৈছে। যেনে ইংৰাজী বা বিদেশী এ (=æ) স্বৰ য়-ত আকাৰ দি বেংক (bank), মেন (man) আদিক ব্যাংক, ম্যান লিখে। বিদেশী স্ত (=st) উচ্চাৰণ দন্ত্য স -ত মূৰ্ধন্য ট দি স্ট লিখাৰ পোৱকতা কৰা পণ্ডিতো ওলাইছে। ইয়াৰ অজ্ঞতাজনিত অনুকৰণৰ ফলত দূৰদৰ্শনৰ পৰ্দাত সংস্কৃত 'ৰাষ্ট্ৰীয়' শব্দতো দন্ত্য স -ত মূৰ্ধন্য ট -ই ঠাই পাইছে। বিংশ শতিকাৰ শেষত আমি এইবোৰ ভুল বুলি কৈছোঁ। একবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত এই ভুল লিপ্যন্তৰকৰণে সংস্কৃতৰ বানানতো বাককৈয়ে খেলিমেলি ঘটাব।

সৰলীভৱন আৰু সাধাৰণীকৰণ ভাষাৰ এটা নিয়মীয়া স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ পৰিণতি স্বৰূপেই শব্দ-সাধনৰ ভুলবোৰ, যেনে—ধৈৰ্যতা, বাহুল্যতা, প্ৰাধান্যতা আদিয়ে প্ৰাধান্য লাভ কৰি শুদ্ধ বুলি গণ্য হ'ব।

কাৰকৰ -লৈ বিভক্তিৰ প্ৰয়োগ সংকুচিত হ'ব, গুৱাহাটী যাম, দিল্লী যাব আদি কথিত ৰূপবোৰে লিখিত ৰূপ পাব।

দ্বিতীয়াৰ -ক আৰু সপ্তমীৰ -ত বিভক্তিয়ে -লৈ বিভক্তিৰ স্থান অধিকাৰ কৰিব। যেনে —ঘৰত যাম বজাৰক গৈছিলোঁ ইত্যাদি।

সম্বন্ধ বুজোৱা মা, দেউতা আদি শব্দত তোমাৰ তোৰ আৰু তাৰ সম্বন্ধ বুজাবলৈ যোগ দিয়া বিভক্তিৰ প্ৰয়োগ যোৱা তিনি-চাৰি দশকত দ্ৰুত গতিৰে লোপ হৈ আহিছে। যেনে—তোমাৰ মাৰা, তোৰ মাৰ তাৰ মাক আদিৰ ঠাইত তোমাৰ মা, তোৰ মা, তাৰ মা -ৰূপহে হ'বগৈ, অৰ্থাৎ বিভক্তিৰ লোপ হৈ সকলো একাকাৰ হৈছে। ইয়াৰ গতিৰোধ সম্ভৱ যেন ধাৰণা নহয়। গতিকে একবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত অসমীয়া ভাষাৰ কালিকা নিহিত বৈশিষ্ট্যপূৰ্ণ ৰূপবোৰ লোপ হোৱাৰ সম্ভাৱনা আছে।

আজিৰ যুগ ইলেক্ট্ৰনিক মাধ্যমৰ যুগ। ভাৰতৰ অন্যান্য ভাষাৰ লগতে অসমীয়া ভাষাকো এই মাধ্যমৰ উপযোগী কৰিবলৈ বানান আৰু ব্যাকৰণৰ বহু কথা অচিৰে সৰলীভূত হ'ব। অভিধান প্ৰণয়নতো বৈপ্লৱিক পৰিৱৰ্তন সাধিত হ'ব লাগিব। এইবোৰ সংস্কাৰে একবিংশ শতিকাৰ অসমীয়া ভাষাক নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ শক্তিশালী কৰিব; ভাষাটো নমনীয়, কমনীয় আৰু সাৱলীল হ'ব। সন্দেহ নাই। □

ষষ্ঠ পৰিচ্ছেদ

উপভাষা, লোকভাষা প্ৰসঙ্গ

অসমীয়া ভাষাৰ উপভাষাৰ অধ্যয়ন

☐ উপেন্দ্ৰনাথ গোস্বামী

প্ৰাকৃতিক শোভা-সৌন্দৰ্যেৰে ভৰপূৰ অসম-দেশখন ভাষাবিজ্ঞানীসকলৰ বাবেও মনোৰম। ইয়াক তেওঁলোকৰ স্বৰ্গ-ভূমি বুলি অভিহিত কৰা হৈছে। অসমৰ পৰ্বতে ভৈয়ামে নানা ভাষা আৰু উপভাষা জীয়াই আছে। অসম-দেশ ভাষা-উপভাষাৰ ভঁৰাল হোৱা সত্ত্বেও তাৰ প্ৰকৃত বিৱৰণ আজিলৈকে নানা কাৰণবশতঃ পোৱা হোৱা নাই। পৰ্বতীয়া ভাষা-উপভাষাবোৰৰ উপৰি ভৈয়ামতো বিবিধ জনজাতীয় ভাষা-উপভাষা আৰু অসমীয়া ভাষাৰে আঞ্চলিক ৰূপ কিছুমানৰ বিজ্ঞানসম্মত বিস্তৃত আলোচনা হৈ উঠা নাই। এইখিনিতে এটা প্ৰশ্ন স্বাভাৱিকতে মানুহৰ মনলৈ আহে যে এইবোৰৰ বিশ্লেষণ আৰু বিৱৰণৰ পৰা আমাৰ বিশেষ কি লাভ হয়। বৰং যিটো ভাষা বা উপভাষাৰ অলপ কাম যেতিয়াই কোনো এজনে কৰি উলিয়ায়, তেতিয়াই সেই ভাষা বা উপভাষা কোৱা লোকসকলে তাক স্বীকৃতি দিবৰ কাৰণে এক প্ৰকাৰ আলোড়নৰ সৃষ্টি কৰা দেখা যায়। সেয়ে হ'লে যিমানেই ভাষা-উপভাষাবোৰৰ চৰ্চা হ'ব সিমানেই অসমৰ ভাষা-সমস্যা জটিল হৈ পৰিব। এনে দৃষ্টিভঙ্গীত ৰাজনৈতিক অনুলেপ আছে আৰু তাক দূৰদৃষ্টিসম্পন্ন বুলি কোৱাও টান। কোনো এখন দেশৰ সামূহিক কাৰ্যবোৰ চলাবলৈ আৰু দেশখনৰ ঐক্য-সাধনৰ নিমিত্তে যিটো ভাষা দেশখনৰ প্ৰায় সকলো অঞ্চলৰ মানুহে সহজে বুজি পায়, সেই ভাষাটো মানি ল'ব লাগিব। অৰ্থাৎ সেই ভাষাটোক ৰাজনৈতিক আৰু সামাজিক মৰ্যাদা দান কৰিব লাগিব।

ভাষা-উপভাষাবোৰৰ বিশ্লেষণ আৰু বিৱৰণৰ মূল্য ৰাজনৈতিক ক্ষেত্ৰত নহয় ঐতিহাসিক আৰু সাংস্কৃতিক ক্ষেত্ৰতহে। ব্লুমফিল্ডে কৈছে ঃ "ভাষাবিজ্ঞানীৰ কাৰণে স্থানীয় উপভাষাবোৰৰ মূল্য যথেষ্ট। সেইবোৰে তেওঁক কামৰ আহিলা যোগায় কাৰণেই অকল মূল্যবান নহয়। মান্য আৰু অৰ্ধ মান্য ভাষাৰ মূল আৰু বুৰঞ্জী, আঞ্চলিক উপভাষাবোৰৰ জৰিয়তেহে বুজিব পাৰি।' জে এ হাৰ্ড নামৰ পণ্ডিতে ১৯৪৫ চনৰ ট্ৰেনজাকচনচ্ অফ্ ফিল'লজিকেল ছোচাইটি নামৰ পত্ৰিকাত উপভাষা-অধ্যয়নৰ পৰা কেনে বিধৰ উপকাৰ হ'ব পাৰে উল্লেখ কৰিছে ঃ উপভাষাৰ অধ্যয়নে

আমাৰ ভাষাৰ আগৰ স্তৰবোৰৰ বিষয়ে সম্যক জ্ঞান দান কৰে। ভাষাটোৱে গ্ৰহণ কৰা নতুন নতুন শব্দৰাজিৰ সময় নিৰূপণ কৰে। কোনো ভাষাৰ বৰ্তমান- সময়ৰ বিবিধ ৰূপবোৰ লিখিতৰূপে থাকিলে ভৱিষ্যতৰ গৱেষকসকলৰ কাৰণে বহুখিনি সমল গোট খায়। উপভাষাবোৰে কোনো মান্য ভাষাৰ বিকাশৰ স্তৰ-বিভাগবোৰৰ প্ৰতিনিধিত্ব কৰাৰ লগে লগে মান্য ভাষাত ব্যৱহাৰ নোহোৱা শব্দ কিছুমান সংৰক্ষণ কৰি একোখন ঠাইৰ সাংস্কৃতিক সোঁতৰ গতি-পথ নিৰ্ণয় কৰাত সহায় কৰে। উপভাষা-অধ্যয়নৰ পৰা আন কিছুমান লাভো হয়। সাধাৰণতে মানৱ-মনে নজনাক জানিবলৈ বিচাৰে। ভাষাৰ ক্ষেত্ৰতো কোনো এটা ভাষাৰ কোনো এক অঞ্চলৰ ভাষা আন এক অঞ্চলেৰে সৈতে একে নহয় কাৰণে সেই সেই অঞ্চলৰ ভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত বা অৰ্থগত যি কোনো পাৰ্থক্যই নহওক লাগে জানিবলৈ হেঁপাহ জন্মাটো স্বাভাৱিক। উপভাষাৰ অধ্যয়নে এই হেঁপাহ পূৰণত অৰিহণা যোগায়। আনহাতে ভাষা সংস্কৃতিৰে এটা আৱশ্যকীয় অঙ্গ হোৱা কাৰণে কোনো ঠাইৰ ভাষাগত পাৰ্থক্যই সামাজিক আৰু সাংস্কৃতিক দিশত বহু কথাৰ ইঙ্গিত দিব পাৰে। কোনো কোনো সমাজত মতা মানুহৰ ভাষা আৰু মাইকী মানুহৰ ভাষাৰ মাজত যথেষ্ট পাৰ্থক্য পোৱা যায়। ইয়াৰদ্বাৰা দুয়ো শ্ৰেণীৰ লোকৰ মাজৰ সম্পৰ্কৰ আভাস পোৱা যায়। বিভিন্ন দল বা গোষ্ঠীৰ লোকেৰে সৈতে ঘনিষ্ঠ সম্পৰ্কৰ বাতৰিও ভাষাৰ পাৰ্থক্যবোৰে আঙুলিয়াই দিব পাৰে। ভাষাৰ পাৰ্থক্যই কোনো এখন ঠাইৰ আদিম বসতিৰ অনুসন্ধানতো সহায় কৰিব পাৰে। গতিকে উপভাষাৰ অধ্যয়নে নৃতাত্ত্বিক মূল্যও বহন কৰে। উপভাষাৰ অধ্যয়নৰ এটা বাস্তৱিক দিশো আছে। কোনো উপভাষা কোৱা অঞ্চলৰ কোনো শিক্ষানুষ্ঠানত যদি আন উপভাষা এটা কোৱা শিক্ষক এজনে নিযুক্তি পায় তেতিয়াহ'লে শিক্ষা-দানত শিক্ষকজনে কিছু অসুবিধাৰ সন্মুখীন হ'ব লগীয়াত পৰিব। কেতিয়াবা ছাত্ৰসকল আৰু শিক্ষকৰ মাজৰ সম্পৰ্কও বেযাৰ ফালে যাব পাৰে। কিন্তু শিক্ষকজনে সেই অঞ্চলৰ উপভাষাৰ বিষয়ে সম্যক পৰিচয় পালে আৰু সেই অনুযায়ী তেও এটা সমিল-মিলৰ মাজত চলিলে পৰিস্থিতি বহুখিনি উন্নত হ'বগৈ। উপভাষাৰ অধ্যয়নে এই ক্ষেত্ৰত এক উল্লেখযোগ্য অৰিহণা আগবঢ়াব।

অসমৰ জনজাতীয় ভাষাবোৰৰ কথা সম্প্ৰতি এৰি কামৰূপী উপভাষাৰ বিৱৰণ মান্য ভাষাৰ বিকাশ আৰু পৰিপুষ্টিত কিমানখিনি সহায়ক হ'ব পাৰে তলত তাৰ এটা আভাস দাঙি ধৰা হ'ল। দেশী আৰু বিদেশী নানা ভাষাৰ শব্দৰাজি অসমীয়া মান্য ভাষাত সোমাই অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি কৰিছে। সেইবোৰক গ্ৰহণ কৰাৰ নিচিনা কামৰূপী উপভাষাৰ শব্দ কিছুমানক অসমীয়াত স্থান দিব পাৰি। তাকে কৰিবলৈ হ'লে অৱশ্যে অনেক ঠাইত উপভাষাৰ ধ্বনি-

তত্ত্বৰ প্ৰণালীক মান্য ভাষাৰ ধ্বনিতত্ত্বৰ প্ৰণালীৰ নিয়মেৰে সলনি কৰি ল'ব লাগিব। দুই-এজন অসমীয়া কবি-সাহিত্যিকে ইতিমধ্যে কিছুমান শব্দ ব্যৱহাৰ কৰিছে যেনে পানীপিয়লী, শেতেলী ৰ'দ পুৱা আদি। জগতৰ উন্নত ভাষাবোৰত একোটা বস্তু বুজাবলৈ কেইবাটাও শব্দ ব্যৱহাৰ কৰা পোৱা যায়। উদাহৰণস্বৰূপে সংস্কৃত ভাষালৈ আঙুলিয়াব পাৰি। তাত অকল পানী বুজাবলৈ জল, উদক, বাৰী, নীৰ আদি শব্দবোৰ ব্যৱহৃত হৈছে। অসমীয়াতো স্থান অনুসৰি তেনেদৰে মধুৰী আম, আনাৰস গাহৰি দৰা মিচা-মাছ, ভেটফুল আদি শব্দৰ লগত ক্ৰমে সঁফুৰী আম, সঁফুৰী কঁঠাল বৰা বৰ নিচলা-মাছ, মকুৱা আদি শব্দৰ প্ৰয়োগ চলাব পাৰি। শব্দৰ উপৰিও কিছুমান বাক্যাংশ জতুৱা ঠাঁচ ফকৰা-যোজোনায়ো অসমীয়া ভাষাৰ পুষ্টি বৰ্ধন কৰিব পাৰে যেনে ধল (সং ধৱল) পুৱা বৰেৰ পুৱা (দোকমোকালি) লাক-পাক কৰি (কোনো প্ৰকাৰে) হাজোৱেদি বৰপেটালৈ যা (সহজ পন্থা এৰি কঠিন পন্থা গ্ৰহণ কৰ্) জলম লগা (সজাই ক) ভঠেলি ভাঙ (খাই বৈ শেষ কৰ্), সহিৰা (সং সশিৰ) দি (চিপজৰী লগাই আত্মহত্যা কৰ), গাই দুৱা (সং দুহ্) দি (সকলোখিনি শোষণ কৰ্) ইত্যাদি।

মান্য ভাষাত সচৰাচৰ ব্যৱহাৰ নোহোৱা শব্দ কিছুমান কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা পোৱা যায। কুঁৱা বা নাদৰ উপৰিও লান্দ, পাতৃকি বা ইন্দৰা বটা, শৰাই, ঠগিৰ উপৰি কন্তি আদি শব্দৰ ব্যৱহাৰেই এইবোৰৰ উদাহৰণ। কামৰূপৰ ওচৰ-পাজৰৰ ভাষাৰ লগত সম্বন্ধ উলিয়াবৰ বেলিকা এনে শব্দবোৰ যথেষ্ট কামত আহিব পাৰে। কামৰূপ-অঞ্চলৰ কিছুমান শব্দৰ মান্য ভাষাত হোৱা অৰ্থৰ পৰিবৰ্তনৰ দৃষ্টান্ত আমোদজনক। কামৰূপী উপভাষাত চহ (খেতি) যিজনে কৰে তেওঁ চহ্কী। অৰ্থাৎ কামৰূপী উপভাষাত চহকী শব্দৰ অৰ্থ হ'ল 'খেতিযক'। কিন্তু মান্য ভাষাত চহকী মানে ধনী। একেটা বস্তু বুজাবলৈ কেইবাটাও শব্দৰ ব্যৱহাৰ আন এটা আকৰ্ষণীয় কথা। মান্য ভাষাত ব্যৱহাৰ হোৱা গেদগেদী মাছক বুজাবলৈ কামৰূপী উপভাষাত ঘূমেখাইতী কাঞ্চনমতী ভেঁহেৰী ধেঁহেৰী সথ্লী সথাগেলী ঘাগ্চী আদি শব্দ পোৱা যায।

প্ৰত্যেক শব্দৰ একোটা ইতিহাস আছে। অসমীযা শব্দ কিছুমানৰ ইতিহাসৰ উদ্ধাৰত কামৰূপী উপভাষাই যথেষ্ট বৰঙণি যোগাব পাৰে। তলত কেইটামান উদাহৰণ দিযা হ'লঃ সং গৰ্ত>গত্ত (প্ৰা)>গাতা (কাম)>গাঁত (মা অ), সং লোমন>লোম (পালি)>লোম (পু অ >লুম (কাম)>নোম (মা অ) সং. অপৰ>অৱৰ (প্ৰা) ঔৰ (হি)>আৰ (কাম)>আৰু (মা অ) সং হস্তী>হত্থী (প্ৰা)>হাথী (হি)>হাথী (কাম)>হাতী (মা অ) সং কাণ+আক>কাণা (কাম)>কণা (মা অ) সং গচ্ছ+আক>গাছা (কাম)>গছা (মা অ) ইত্যাদি।

মগধীয় আৰু আন আন ভাষাৰ বৈশিষ্ট্য কিছুমানেৰে সৈতে কামৰূপী উপভাষাৰ বৈশিষ্ট্য কিছুমানৰ মিল দেখা যায়। সেইবোৰে অসমীয়া ভাষাৰ প্ৰাচীন স্তৰৰ সন্ধান দিয়াত সহায় কৰে। ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে উনুকিয়াই দিয়া মতে মাগধী প্ৰাকৃতৰ পৰা সৃষ্ট ভাষাবোৰৰ পাৰস্পৰিক মিলনসূচক বৈশিষ্ট্য কিছুমানৰ ভিতৰত এটা হৈছে অপিনিহিতিৰ ই স্বৰ-ধ্বনি। কামৰূপী উপভাষাত অপিনিহিতি এটা সৰ্বপ্ৰযোজ্য নিয়ম। ডঃ সুকুমাৰ সেনে উল্লেখ কৰা মাগধী প্ৰাকৃতৰ আনকেইটামান বৈশিষ্ট্য হৈছে ৰ-ধ্বনিৰ ঠাইত ল-ধ্বনিৰ প্ৰযোগ স্বাৰ্থিক—আ (সং -আক) প্ৰত্যযৰ ব্যৱহাৰ বিভক্তি প্ৰত্যযৰ অন্তৰ্ধান বিশেষকৈ পঞ্চমী বিভক্তিৰ চিহ্নৰ লোপ দ্বিতীয়া আৰু চতুৰ্থীৰ একীকৰণ আৰু তাৰ ঠাইত প্ৰায়ে সপ্তমীৰ প্ৰয়োগ। এই আটাইবোৰৰ উদাহৰণ কামৰূপী উপভাষাত পোৱা যায় যেনে সং ৰথ্যা>ৰচ্ছা (প্ৰা)>লেছা (কাম)>নেচা (মা অ) সং শৰীৰ>শোৰীল (কাম), সং সৌৱৰ্ণক>সণা (কাম)>সোণ (মা অ) সং ৰৌপ্য-ক>ৰূপা (কাম)>ৰূপ (মা অ)। অসমীযা ভাষাত আচলতে পঞ্চমী বিভক্তিৰ কোনো সুকীযা চিন নাই। ষষ্ঠী বিভক্তিৰ চিনৰ পিছত পৰা পৰসৰ্গ লগ লগাই অপাদান-কাৰক কৰা হয়। কামৰূপীত এনে প্ৰযোগ আছে। আকৌ কোক যাহ বা কোত যাহ (কলৈ যাব)। ইযাত দ্বিতীয়া আৰু চতুৰ্থী বিভক্তিৰ একীকৰণ আৰু তাৰ ঠাইত সপ্তমী বিভক্তিৰ প্ৰযোগ দেখা গৈছে। অসমীযা ভাষাত বিশেষভাৱে বুজাবলৈ ন'হলে দ্বিতীয়া বিভক্তিৰো প্ৰয়োগ নহয় যেনে, মানুহ মৰে, মানুহ মাৰে।

ডঃ চট্টোপাধ্যায়ে পূৰ্বমাগধী প্ৰাকৃতক চাৰিটা উপভাষাত ভগাইছে। তাৰ ভিতৰত অসমীয়া ভাষা আৰু উত্তৰ-বঙ্গৰ উপভাষাবোৰক সাঙুৰি কামৰূপী উপ-ভাষাও (Kamarupa Dialect) এটা। উত্তৰ-বঙ্গৰ ভাষাৰ লগত কামৰূপী বা অসমীয়া ভাষাৰ সম্পৰ্ক চাবলৈ হ'লে কামৰূপী উপভাষাৰ যোগেৰেহে সম্ভৱ হয়। ৰূপতত্ত্বৰ ক্ষেত্ৰত কামৰূপী আৰু উত্তৰ-বঙলাৰ কেইটামান সাদৃশ্য ধৰা পৰে। উদাহৰণ ঃ

(ক) কামৰূপী বহুবচনৰ-হামৰা আৰু -গিলা প্ৰতায উত্তৰ-বঙলাত-অমৰাহ আৰু -গিলা, -গ্লা (A F D Sec 638)। বঙলাৰ -গুল -গুলা -গুলান উপভাষাত হৈছে গৈ -গুনো। উত্তৰ-বঙলাত হ'লে -গিলা -গ্লা আছে (O D B L Sec 488)।

(খ) কামৰূপীৰ তুমুনন্ত -ইবা, -ইবাৰ -ইবাক লেগি আদিক ৰংপুৰী উপভাষাত প্ৰায় একে ৰূপত পোৱা যায় কাম কোইৰবা পাৰু ৰংপুৰী কৰিবা কৰিবাক, কৰিবাৰ পাৰোঁ (A F D Sec 811)।

উত্তৰ-বঙলাৰ ৰংপুৰী উপভাষাত পোৱা সবল মহাপ্ৰাণ-ধ্বনিৰ প্ৰয়োগ

(যেনে জন>ঝন) কামৰূপীৰ দক্ষিণ-অঞ্চলৰ স্থানীয় উপভাষাৰো এটা বিশিষ্ট লক্ষণ। কিন্তু কামৰূপী উত্তৰ-বঙলাৰ আন কিছুমান লক্ষণৰ লগত নিমিলে। উদাহৰণস্বৰূপে ৰ-ধ্বনিৰ লোপ বা ৰ-ধ্বনিৰ আগম (যেনে, ৰংপুৰৰ ঠাইত অংপুৰ, আশাৰ ঠাইত ৰাশা[১])।

পূৰ্ব-বঙলাৰে সৈতে কামৰূপীৰ সম্পৰ্ক বিচাৰ কৰিলে দেখা যায় যে নোৱাখালি মৈমনসিং আৰু চিতাগঙৰ উপভাষাত পোৱা অপিনিহিতিৰ বহুল প্ৰয়োগ কামৰূপী উপভাষাৰ এটা বিশিষ্ট লক্ষণ। পূৰ্ব-বঙলা আৰু কামৰূপীত কৰণ - কাৰকত— দি বিভক্তিৰ ব্যৱহাৰ আছে যেনে জোৰী-দি (কাম), দৰি দিয়া বানিআ (জৰীৰে বান্ধি AFD Sec 651)। প্ৰথমাৰ এ-বিভক্তিও দুয়ো ঠাইত একে। এইটো (-এ) পশ্চিম-বঙলাত অপ্ৰচলিত হৈছে। পূৰ্ব-বঙলা আৰু অসমীয়াত ই এটা জীৱিত ৰূপ (ODBL Sec 197)। ইপিনে পূৰ্ব-বঙলাৰ ধ্বনিতত্ত্বৰ লক্ষণ কিছুমানৰ লগত কামৰূপীৰ মিল নাই যেনে ভাত ধান, সকল কৰ্তা আদি শব্দৰ ৰূপ পূৰ্ব-বঙলাত বাত দান হকল খত্তা হৈছে।

বঙলা ভাষাৰ লগত কামৰূপীৰ কোনো কোনো ঠাইত মিল আছে। দুয়ো ঠাইত ওচৰাউচৰিকৈ থকা অক্ষৰ দুটাত আ-ধ্বনি থাকিব পাৰে যেনে, চাকা (কাম) চাকা (বঙলা) চকা (মা অ)। দুযো ঠাইতে শব্দৰ আদি বা প্ৰথম অক্ষৰত বলাঘাত পৰা হেতুকে মধ্যৱৰ্তী অক্ষৰ লুপ্ত হয় যেনে কুম্ৰা কাক্ৰা, (কাম) কুম্‌ড়া কাকড়া (বঙলা)। দুয়ো ঠাইত অভিশ্ৰুতি বা স্বৰ-সঙ্গতিৰ ফলত কিছুমান শব্দই সমৰূপতা লাভ কৰে যেনে মধু>মোধু (বঙলা) মোধু (কাম) ম'ধু (মা অ)।

কামৰূপী বা অসমীয়াৰ লগত বঙলাৰ পাৰ্থক্যখিনিও নিচেই কম নহয়। ডঃ কাকতিয়ে অসমীয়া আৰু বঙলাৰ পাৰ্থক্য দেখুৱাইছে। সেইবোৰৰ উপৰি তলত উল্লেখ কৰা কথাকেইটা মন কৰিবলগীয়া ঃ

(ক) বঙলাত তালব্য চ, জ, শ মূৰ্ধন্য ট, ড আদি ধ্বনিৰ ব্যৱহাৰ আছে। অসমীয়া মান্য ভাষা আৰু কামৰূপী উপভাষাত নাই।

(খ) অসমীযাত সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া অনুযায়ী কৰ্তাৰ পাছত প্ৰথমা বিভক্তি যোগ হয়, যেনে, ৰাম যায়, ৰামে খায। বঙলাত এনে নিয়ম নাই।

(গ) অধিকৰণ-অৰ্থত পৰসৰ্গ 'মধ্যে'ৰ ব্যৱহাৰ কামৰূপীত আছে; যেনে, ঘৰ মধ্যে (ঘৰত)। বঙলাত এনে প্ৰয়োগ নাই।

(ঘ) সৰ্বমান, ক্ৰিয়া-বিশেষণ আদিও দুয়ো ঠাইত সুকীয়া। উদাহৰণ ঃ মই

১ Notes on the Rangpur Dialect *Indian Linguistics*, Vol. VII 1939

(অস) আমি (বঙলা) ইতা এইতা (কাম) এতিযা (মা অ) এখন (বঙলা) ইত্যাদি।

(ঙ) প্ৰতিধ্বন্যাত্মক শব্দৰ গঠন প্ৰণালী বঙলা আৰু অসমীযাত ভিন্ন যেনে দাত-চাত (কাম) দাঁত-চাঁত (মা অ) দাঁত-টাঁত (বঙলা)।

অসমীযাৰ নিচিনা মগধীয উডিযা ভাষাতো আৰম্ভণিত থকা স স্কৃতৰ 'য আৰু 'ৱ' 'জ আৰু ব'ৰূপে উচ্চাৰিত হয যেনে উডিযা জাই>যাত্ৰা কাম জাই (যাই), মা অ গৈ। উডিযা বাঘ>ব্যাঘ্ৰ অস বাঘ। অসমীযাৰ নিচিনা উডিযাতো নিৰ্দিষ্টতাৱাচক প্ৰত্যয টা -টি আদিৰ প্ৰযোগ আছে, যেনে অসুৰ-টা (উডিযা) ওখুৰ টু (কাম) অসুৰ টো (মা অ) দুই-টা (উডিযা) দুটা (অস)। আনহাতে মান্য উডিযা আৰু তাৰ পশ্চিমৰ উপভাষাৰ মাজত কিছুমান পাৰ্থক্য দেখা যায। সেইবোৰ কিন্তু আন আৰ্যভাষাৰ লগত মিলে। এই উপভাষাটোত সকলো শব্দ স্বৰান্ত নহয। মূৰ্ধন্য 'ল'ৰ ব্যৱহাৰ ইযাত নাই আৰু তৎসম শব্দত মূৰ্ধন্য ণ দন্ত্য 'ন'ৰূপে উচ্চাৰিত হয। পশ্চিম-উডিযা উপভাষাৰ লগত কামৰূপী উপভাষাৰ কোনো কোনো ক্ষেত্ৰত সাদৃশ্য চকুত পৰে (ক) (কামৰূপী আৰু মান্য অসমীযাৰ দৰে) পশ্চিম-উডিযাৰ উচ্চ স্বৰ-ধ্বনি মান্য উডিযাত নিম্ন স্বৰ-ধ্বনিলৈ ৰূপান্তৰিত হয যেনে উদা (প উডিযা) ওদা (মা উ) তু তামুল (কাম) তামোল (মা অ)। (খ) অপিনিহিত স্বৰ ই-ৰ প্ৰযোগ ° পানী (মা উ)>পাইন (প উ) তু পানী টোপা (মা অ)>পাইন-টপা (কাম)। (গ) পশ্চিম উডিযাত শব্দৰ মাজৰ অক্ষৰ লোপ হোৱা লক্ষণ আছে যেনে মাকডসা (মা উ)>মাকডা (প উ) মাকৰা (কাম) মকৰা (মা অ)।

মাগধী গোষ্ঠীৰ একেবাৰে পশ্চিমৰ ভাষা হৈছে ভোজপুৰী। কামৰূপী উপভাষাৰ ভোজপুৰী ভাষাৰে সৈতে থকা সাদৃশ্যখিনিও মন কৰিবলগীযা।[২] বিবিধ ভাষাৰ বিবিধ ৰূপৰ সংমিশ্ৰণ আৰ্যভাষাৰ কাৰণে একো নতুন কথা নহয। প্ৰাচীন ভাৰতীয আৰ্যভাষাৰ সময়ৰ পৰা মধ্য ভাৰতীয আৰ্যভাষাৰ সময়তো এনে মিশ্ৰণ ঘটি আহিছে। চৰ্যাপদ আৰু শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাৰ পৰা ইযাক সহজে বুজিব পাৰি। সেইবোৰে বিবিধ ভাষা আৰু সংস্কৃতিসম্পন্ন লোকৰ সমিল-মিলৰ কথা সোঁৱৰাই দিযে। অসমীযা তথা ভাৰতীয সংস্কৃতি হৈছে সমন্বযৰ সংস্কৃতি। ভাষা সংস্কৃতিৰ এটা উপাদান। ভাৰতৰ বিভিন্ন ভাষা আৰু উপভাষাৰ অধ্যযনে সাংস্কৃতিক ঐক্যৰ সূত্ৰ দৃঢ কৰি তোলে। এহাতে বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু আনহাতে ঐক্যৰ মাজত বৈচিত্ৰ্য এইটোও আমাৰ ভাষা-সংস্কৃতিৰ মূল-কথা। কামৰূপী বা অসমীযা ভাষাৰ পূৰ্ব-ভাৰতৰ ভাষা উপভাষাৰে সৈতে এপিনে যেনেকৈ সাদৃশ্য আছে আনপিনে

২ *দ্ৰষ্টব্য প্ৰত্ন-অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ*

ই তেনেকৈ কিছুমান সুকীয়া বৈশিষ্ট্যও ৰক্ষা কৰিছে। এইটো অসমীয়া ভাষাৰ জন্ম-কালৰে পৰা চলি আহিছে। সেযেহে হিউয়েনচাঙে 'কামৰূপৰ ভাষা মধ্যভাৰতৰ ভাষাতকৈ অলপ বেলেগ' বুলি অভিমত দিছিল।

কামৰূপীৰ শব্দ-মালা নিৰীক্ষণ কৰিলে আন এটা কথা মনলৈ আহে। সেইটো হৈছে দৈনন্দিন ব্যৱহাৰ কৰা শব্দ কিছুমানৰ বিদেশী মূল। এনে ঘটনাই আন জাতি বা সংস্কৃতিৰে সৈতে অসমৰ যোগ-সূত্ৰৰ পৰিচয় স্পষ্ট কৰি তোলে। পাৰছী চিচা (বটল) চেঁহৰা (চেহেৰা) জান (জীৱন), দাগ, নোমুনা (নমুনা), পানা (কাপোৰৰ পুতল) আৰবী কাযদা (কৌশল) গিলিপ (গাৰুৰ বা লেপৰ), জিৰাত (গছ-গছনি), ফচাল (ফচল) বাব মেদ হদ (সীমা) আদি শব্দবোৰ এই সূত্ৰত মন কৰিবলগীয়া। এইবোৰে মোগলসকলৰ বহুবাৰ কামৰূপ-আক্ৰমণ আৰু মোগলসকলৰ কিছুদিনৰ কাৰণে শাসন ভাৰ-গ্ৰহণৰ চিহ্ন যুগমীয়া কৰি ৰাখিছে। সেইদৰে কামৰূপীৰ সৈতে নেপালী ভাষাৰ শব্দ কিছুমানৰো সাদৃশ্য আছে।

উপভাষাৰ বিশ্লেষণ আৰু বিবৰণে আন এটা ডাঙৰ কাম কৰিব পাৰে। কেইবাটাও উপভাষাৰ ভিতৰত যেতিয়া কোনো এটাই ৰাজনৈতিক সামাজিক নাইবা সাংস্কৃতিক কাৰণত মৰ্যাদা পায় আৰু তাৰ মাধ্যমেৰে সাহিত্য আৰু সংস্কৃতিৰ প্ৰচাৰ-কাৰ্য চলে তেতিয়া আন উপভাষাৰ তুলনাত মান্য উপভাষাটোক শুদ্ধ বুলি ধৰা হয়। আচলতে ই সুযোগ পাই উদ্ভৱ হোৱা অৱস্থাহে। তথাপি তেতিয়া আন উপভাষাৰ প্ৰয়োগবোৰ অলপ আচহুৱা যেন বোধ হয় আৰু সেইবোৰৰ প্ৰতি অলপ হেয় ভাব উৎপন্ন হয়। কিন্তু আন উপভাষাবোৰৰ প্ৰণালীবদ্ধ বিশ্লেষণ আৰু কাৰণবোৰ জানিব পাৰিলে তেনে মনোভাবৰ বহুখিনি তীব্ৰতা হ্ৰাস পায়। অসমীয়া ভাষাৰ শিৱসাগৰ-অঞ্চলৰ উপভাষা কোৱা লোকসকলৰ কাৰণে কামৰূপী উপভাষাৰ প্ৰয়োগবোৰ প্ৰথমতে কাণত বাজে। কিন্তু সেইবোৰ প্ৰত্যেকেই একোটা নিয়মবদ্ধ হৈহে হৈছে, যেনে, সং কুক্কুটক>কুকৰা (কাম)>কুকুৰা (মা অ)। ইযাৰ কাৰণ হ'ল কামৰূপী উপভাষাত বলাঘাত শব্দৰ আদি অক্ষৰত পৰে আৰু তাৰ ফলত মধ্যৱৰ্তী অক্ষৰ লোপ পাই স্বৰ-ধ্বনিটো নিঃচিহ্ন হয়।

মান্য ভাষাৰ কিছুমান শব্দৰ ঠাইত কামৰূপীত সম্পূৰ্ণ নতুন শব্দ একোটা শুনিলেও অলপ কিবা যেন লাগিব পাৰে। কিন্তু সেই শব্দবোৰৰ মূল ক'ত জানিলে মনৰ ভাবৰ কিছু সলনি হয়। উদাহৰণস্বৰূপে মান্য ভাষাৰ কণীৰ ঠাইত কামৰূপীত ব্যৱহাৰ হোৱা ডিমা (সং ডিম্বক) মুখ ধোৱাৰ ঠাইত অচা (সং আ-চম), তিতাৰ ঠাইত ভিজ্ (সং অভ্যঞ্জ মাৰাঠী ভিজণে, হিন্দী ভিজঁনা বঙলা ভিজ), মৈদাৰ ঠাইত বোঠি (সং. উপৱিষ্ট, বঙলা বোঁটী) আদি শব্দ উনুকিয়াব পাৰি। শব্দৰ আঁতি গুৰিযে এইদৰে নতুন পথৰ সন্ধান দিয়াৰ উপৰিও কামৰূপী উপভাষাৰ সাধাৰণ-

জ্ঞানৰ আন এটা আৱশ্যকতা আছে। প্ৰাচীন অসমীয়া সাহিত্যত কামৰূপী উপভাষাৰ শব্দ, ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বই এক বুজন অংশ অধিকাৰ কৰিছে। গতিকে অসমীয়া ভাষাৰ বিকাশ আৰু ইতিহাসৰ লগত তাৰ উপভাষাবোৰৰ সম্যক বিৱৰণ অপৰিহাৰ্যভাৱে জড়িত। ঠিক তেনেদৰে জনজাতীয় ভাষা-উপভাষাবোৰৰ অধ্যয়নে অসমৰ সাংস্কৃতিক পুনৰ্গঠনত যথেষ্ট বৰঙণি যোগাবলৈ সমৰ্থ হ'ব। আটাইতকৈ মহত্ত্বপূৰ্ণ কথা হৈছে ভাষা-উপভাষাৰ বৈজ্ঞানিক পৰিচয়ে বিভিন্ন ভাষা ভাষীৰ আন্তৰিক মিলনৰ ভেটি সুদৃঢ় কৰা কথাটোহে। দেশৰ ঐক্য আৰু সমৃদ্ধিৰ বাবে ইয়াৰ মূল্য অসীম। ◘◘

---

৩ দ্ৰষ্টব্য *প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ*

*লেখকৰ অনুমতি সাপেক্ষে এই লেখাটি তেখেতৰ *অসমীয়া ভাষা আৰু উপভাষা* (১৯৮৬) গ্ৰন্থৰ পৰা পুনৰ্মুদ্ৰণ কৰা হৈছে। —সম্পাদক

অসমৰ মুখ্য উপভাষা তিনিটাৰ তুলনামূলক আলোচনা

❑ বিভা ভৰালী

আমাৰ অসম দেশখনত বিভিন্ন জাতি-উপজাতি ধৰ্মীয় সম্প্ৰদায়, গোষ্ঠী আদিৰ লোকে বাস কৰে। সকলো মিলি বৃহৎ অসমীয়া সমাজৰ সৃষ্টি হৈছে। এই বৃহৎ অসমীয়া সমাজখনত বিভিন্ন ভাষা-উপভাষা স্থানীয় উপভাষা দোৱান আদিৰ প্ৰচলন আছে আৰু এইবোৰৰ সংমিশ্ৰণৰ যোগেদি অসমীয়া ভাষা পৰিপুষ্ট আৰু সমৃদ্ধ হৈছে। ভাষা যিহেতু উপভাষাৰ সমষ্টি অসমীয়া ভাষাটোও বিভিন্ন উপভাষাৰ এটি সংহত ৰূপ। অসমীয়া ভাষাৰ গৱেষণাৰ বাটকটীয়া পণ্ডিত ড বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাটোক দুটা প্ৰধান উপভাষাত ভাগ কৰিছে ঃ পূব অসমৰ ভাষা আৰু পশ্চিম অসমৰ ভাষা। ভাষাতাত্ত্বিক সাদৃশ্যৰ ওপৰত ভিত্তি কৰি তেখেতে শদিযাৰ পৰা গুৱাহাটীলৈ প্ৰচলিত ভাষাটোক পূব অসমৰ ভাষা কামৰূপ আৰু গোৱালপাৰাৰ ভাষাটোক পশ্চিম অসমৰ ভাষা বুলি আখ্যা দিছে। ভাষাবিদ ড গোলোকচন্দ্ৰ গোস্বামীদেৱে অসমীয়া ভাষাক তিনিটা উপভাষাত ভাগ কৰিছে। সেই হিচাপে তেখেতে ড কাকতিয়ে ধৰি লোৱা উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষাৰ মাজত মধ্য অসমৰ উপভাষা বুলি আন এটি শ্ৰেণী নিৰ্দেশ কৰিছে। তেখেতে ভাগ কৰা উপভাষা গোষ্ঠীৰ ভৌগোলিক সীমা এনে ধৰণৰ ঃ উজনিৰ উপভাষা দক্ষিণে বৰ্তমানৰ নগাঁও জিলা আৰু উত্তৰে শোণিতপুৰ জিলালৈকেহে মাথোন বিস্তৃত হ'ব, নামনিৰ উপভাষাৰ সীমা হ'ব পশ্চিমে গোৱালপাৰা জিলাৰ পৰা পূবে কামৰূপ জিলাৰ গুৱাহাটীলৈকে; আৰু এই দুই অঞ্চলৰ মাজৰ এলেকাটোৱেই হ'ব মধ্য অসমীয়া উপভাষাৰ ঠাই। অৰ্থাৎ উত্তৰে দৰং জিলা, দক্ষিণ-পূবে মৰিগাঁও জিলা আৰু দক্ষিণ-পশ্চিমে কামৰূপ জিলা। গৱেষক ড° উপেন্দ্ৰনাথ গোস্বামীদেৱে নামনিৰ উপভাষাৰ অন্তৰ্গত কামৰূপী উপভাষাৰ বিতং বিশ্লেষণৰ উপৰি গোৱালপাৰাৰ উপভাষাটোৰো আঞ্চলিক ৰূপবিলাকৰ আলোচনা কৰিছে। লগতে তেখেতে বিশেষ বিশেষ অঞ্চল কিছুমানৰ স্থানীয় উপভাষিক ৰূপৰ স্বকীয় বৈশিষ্ট্যসমূহো পৰ্যালোচনা কৰি দেখুৱাইছে।

অসমীয়া ভাষাৰ ক্ষেত্ৰত উজনি অসমৰ ভাষা মধ্য অসমৰ ভাষা আৰু নামনি অসমৰ ভাষাৰ মাজত সাদৃশ্য আৰু বৈসাদৃশ্য দুয়োটাই স্পষ্ট। অৱশ্যে এই তিনিওটা উপভাষাৰ (অঞ্চলৰ) ঔপভাষিক সীমাৰেখা নিৰ্ণয কৰাটো জটিল। যিহেতুকে কওঁতা অনুযায়ী (according to user) আৰু কোৱাৰ ধৰণ অনুযায়ী (according to use) ভাষাই বিভিন্নতৰ ৰূপ লয সেয়েহে একেটা উপভাষা অঞ্চলৰে বিভিন্ন ক্ষেত্ৰত বিভিন্ন স্থানীয় কথ্যৰূপৰ প্ৰচলন থকাটো স্বাভাৱিক। তদুপৰি ভৌগোলিক আৰু সামাজিক ব্যৱধানৰ বাবে এটা বিস্তৃত অঞ্চলৰ ভিতৰতে ঔপভাষিক পাৰ্থক্য স্পষ্টৰূপে পোৱা যায। এই পাৰ্থক্য প্ৰধানত ধ্বনিগত অৰ্থাৎ উচ্চাৰণাত্মক। ৰূপতত্ত্বৰ স্তৰত যেনে—শব্দৰ সাধন ধাতুৰ ৰূপ আৰু শব্দৰূপৰ ক্ষেত্ৰত বৰ বেছি ভিন্নতা দেখা নাযায। আনহাতে উজনি মধ্য আৰু নামনিৰ ঔপভাষিক ৰূপসমূহৰ ভিন্নতা ধ্বনিতত্ত্ব ৰূপতত্ত্ব আৰু শব্দ-সম্ভাৰৰ দিশলৈকে ব্যাপ্ত হৈছে। লগতে ঔপভাষিক অঞ্চল বিশেষে সুৰ-লহৰৰ বৈশিষ্ট্যও মন কৰিবলগীযা। সেযে অসমীযা ভাষাৰ ঔপভাষিক বৈশিষ্ট্যসমূহৰ তুলনামূলক আলোচনাৰ সুবিধাৰ্থে তিনিটা মুখ্য উপভাষা-অঞ্চল নিৰ্দেশ কৰিব পাৰি—পূব অসমৰ বা উজনিৰ উপভাষা মধ্য অসমৰ উপভাষা আৰু পশ্চিম অসম বা নামনিৰ উপভাষা। অৰ্থাৎ আমাৰ আলোচনাত শদিযাৰ পৰা নগাঁৱৰ পশ্চিম অঞ্চললৈ প্ৰচলিত উপভাষাটোক উজনি অসমৰ উপভাষা নগাঁৱৰ পশ্চিম অঞ্চলৰ পৰা পূব গুৱাহাটী পৰ্যন্ত প্ৰচলিত উপভাষাটোক মধ্য অসমৰ উপভাষা আৰু গুৱাহাটীৰ পৰা ধুবুৰীলৈকে প্ৰচলিত উপভাষাটোক নামনি অসমৰ উপভাষা নামেৰে নামকৰণ কৰি বিশ্লেষণৰ চেষ্টা কৰা হৈছে।

ধ্বনিতাত্ত্বিক পাৰ্থক্য ঃ

১/ উজনি অসমৰ উপভাষাত শ্বাসাঘাত শব্দৰ উপধা অক্ষৰত পৰে আৰু নামনি অসমৰ উপভাষাত শ্বাসাঘাত শব্দৰ আদি অক্ষৰত পৰে। মধ্য অসমৰ উপভাষাত শ্বাসাঘাত শব্দৰ প্ৰথম নাইবা দ্বিতীয় অক্ষৰত পৰে। ড° গোলোকচন্দ্ৰ গোস্বামীদেৱৰ ভাষাত "মধ্য অসমৰ উপভাষাটোত সম্ভৱতঃ নামনিৰ শ্বাসাঘাতৰ প্ৰভাৱৰ ফলতেই শ্বাসাঘাত হয় প্ৰথম অক্ষৰত, নহয় দ্বিতীয অক্ষৰত পৰে, কেতিয়াও তাৰ পৰা পিচলৈ নাযায । অৱশ্যে নামনিৰ শ্বাসাঘাত যিমান বলবান আৰু ক্ষীপ্ৰ মধ্য অসমৰ উপভাষাত শ্বাসাঘাত সিমান বেছি বলবান আৰু ক্ষীপ্ৰ নহয়।

২/ শ্বাসাঘাতৰ কাৰণে নামনিৰ উপভাষাত অপিনিহিতি (Epenthesis)-ৰ প্ৰয়োগ অধিক আৰু দ্বিস্বৰ বা ত্ৰিস্বৰৰ সংখ্যাও বেছি। উজনিৰ উপভাষাত অপিনিহিতিৰ প্ৰয়োগ সীমিত আৰু দ্বিস্বৰ-ত্ৰিস্বৰৰ প্ৰয়োগো কম। মধ্য অসমৰ উপভাষাত অপিনিহিতিৰ

প্ৰয়োগ উজনি আৰু নামনিত্তকৈ বিৰল বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে—

উজনি	মধ্য	নামনি
মহুৰা	মহুৰা	মউহুৰা/মউৰা
কাজিয়া	কাজিয়া	কাইজা/কাইজে
কেৱলীয়া	কেউলীযা/কেউলা	কেউলা/কেউইলা।

৩/ উজনিৰ উপভাষাত মধ্যস্বৰৰ ব্যৱহাৰ বেছি; নামনি আৰু মধ্য অসমৰ উপভাষাত উচ্চস্বৰৰ প্ৰাধান্য বেছি। যেনে—

উজনি	মধ্য	নামনি
সেন্দুৰ	সিন্দুৰ	সিন্দুৰ/সিনুৰ
কাপোৰ	কাপুৰ/কাপৰ	কাপুৰ/কপুৰ।

৪/ উজনিৰ উপভাষাত একেটা শব্দতে সচৰাচৰ ওচৰা-উচৰিকৈ দুটা 'আ ধ্বনি নবহে। পৰৱৰ্তী অক্ষৰৰ 'আ -ৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰৰ 'আ ধ্বনি 'অ বা এ লৈ ৰূপান্তৰিত হয। নামনি আৰু মধ্য অসমৰ উপভাষাত ওচৰা-উচৰিকৈ থকা দুটা অক্ষৰৰ 'আ' ধ্বনি ৰক্ষিত হয আৰু উজনিৰ দৰে পূৰ্বৱৰ্তী 'আ ধ্বনি 'অ লৈ পৰিৱৰ্তন হোৱাও দেখা যায। যেনে—

উজনি	মধ্য	নামনি
ৰজা	ৰজা/ৰাজা	ৰজা/ৰাজা
এন্ধাৰ	অন্ধাৰ	আন্ধাৰ।

৫/ উজনি আৰু মধ্য অসমৰ উপভাষাত সাধাৰণতে পদান্ত ঐ আৰু ঔ' ধ্বনি ৰক্ষিত হয়। নামনিৰ উপভাষাত শব্দৰ শেষৰ ঐ' ধ্বনি দীৰ্ঘ এ' বা দ্বিস্বৰ 'এয' আৰু 'ঔ' ধ্বনি দীৰ্ঘ 'উ' বা দ্বিস্বৰ 'ওৱ' -লৈ পৰিৱৰ্তন হয়। মধ্য অসমতো কেতিয়াবা 'উ'-ৰ উচ্চাৰণ হয়। যেনে—

উজনি	মধ্য	নামনি
হিঁলৈ	হিঁলৈ	হিলে/হিলেই
কাবৌ	কাবৌ	কাবো/কাবু/কাবোৱ।

৬/ উজনি আৰু মধ্য অসমৰ উপভাষাত মহাপ্ৰাণ ধ্বনিৰ প্ৰাধান্য দেখা নাযায়। কিন্তু নামনিৰ উপভাষাত মহাপ্ৰাণতাৰ প্ৰৱণতা অধিক। যেনে—

উজনি	মধ্য	নামনি
শুকান	শুকান	শুখান/শুখ্না/শুখন
শুদা	শুদা	শুধা
ফাপৰ	ফাপৰ	ফাফৰ/ফাফাৰ
শিতান	শিতান	শিথান/শিথন।

৭/ উজনিৰ উপভাষাৰ দ্বিঅক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত থকা 'অ ধ্বনি নামনিৰ উপভাষাত 'আ বা এ লৈ পৰিবৰ্তন হয়। মধ্য অসমৰ উপভাষাত উজনি আৰু নামনিৰ উপভাষাৰ দুইটা বৈশিষ্ট্যই ৰক্ষিত হয়। যেনে—

উজনি	মধ্য	নামনি
দীঘল	দীঘল/দীঘে'ল	দীঘল/দীঘে'ল
ভিতৰ	ভিতৰ/ভিতাৰ	ভিতাৰ/ভিতে'ৰ
মৰণ	মৰণ/মৰাণ	মৰাণ/মৰে ণ
মিহল	মিহল/মিহাল	মিহাল/মিহে'ল।

৮/ উজনি আৰু নামানৰ উপভাষাৰ শব্দৰ মধ্য অৱস্থানত থকা ঙ / ৲ ধ্বনি মধ্য অসমৰ উপভাষাত 'উঁ বা 'ৱঁ' ধ্বনিত পৰিণত হয়। যেনে—

উজনি	মধ্য	নামনি
এঙাৰ	আউঁৰা	আঙৰা/আঙাৰ
অঙঠা	আউঁঠা	আঙঠা
আঙুলি	আউঁলি	আঙলি/আঙুলি
মাংস	মাউঁচ	মাংচ।

৯/ উজনিৰ উপভাষাৰ অনুনাসিক ওঁ/ৱ ধ্বনি সাধাৰণতে নামনি আৰু মধ্য অসমৰ উপভাষাত ঙ (অং) আৰু 'উ' ৰূপে উচ্চাৰণ হয়। যেনে—

উজনি	মধ্য	নামনি
যাও	যাং	যাং/যাঁউ
ধোঁৱা	ধঙা	ধঙা।

কেতিযাবা 'ম' ৰূপেও উচ্চাৰণ হয়। যেনে— সোঁৱৰণ-সুমৰণ, সুঁৱৰি-সুমৰি/সমুৰি, ইত্যাদি।

১০/ নামনি আৰু মধ্য অসমৰ উপভাষাত 'স' (x) আৰু খ' (kh) ধ্বনিৰ অয়ত বিকল্প (free variation) প্ৰয়োগ হয় যিটো বৈশিষ্ট্য উজনিৰ উপভাষাত লক্ষ্য কৰা নাযায়। যেনে—

সউতআ ~ খউতআ — খুটা

আসঅৰ ~ আখঅৰ — 'আখৰ'।

নামনিৰ উপভাষাত কেতিযাবা 'ক' আৰু খ' কেতিয়াবা 'স' আৰু 'হ', কেতিযাবা 'জ আৰু 'চ' ধ্বনিৰ মাজত আংশিক অয়ত বিকল্প প্ৰযোগ হয। যেনে—

সউকআন ~ সউখআন — 'শুকান' (ক~খ)

যঅস ~ যঅহ — 'যশ (স~হ)

কআগঅজ ~ কআগঅচ — 'কাগজ' (জ~চ)।

মধ্য অসমৰ উপভাষাতো 'ভ আৰু 'ব 'দ আৰু ধ, জ আৰু 'ঝ 'জ আৰু 'চ ধ্বনিৰ আংশিক অযত বিকল্প প্ৰযোগ হয়।

১০/ উজনিৰ উপভাষাৰ দ্বিঅক্ষৰযুক্ত শব্দৰ দ্বিতীয অক্ষৰৰ অ ধ্বনি নামনি আৰু মধ্য অসমৰ উপভাষাত ও ধ্বনিলৈ পৰিবৰ্তন হয। যেনে—

উজনি	মধ্য	নামনি
আগত	আগোত	আগোত
পাছত	পাছোত/পিছোত	পাছোত।

১১/ উজনিৰ কোনো কোনো শব্দৰ শেষত থকা 'ই ধ্বনি মধ্য আৰু নামনিৰ উপভাষাত আ/এ হয। মধ্য অসমৰ উপভাষাত কেতিয়াবা উজনিৰ 'ই অপৰিবৰ্তিত থাকে। যেনে—

উজনি	মধ্য	নামনি
ছাতি	ছাতা/ছতা	ছাতা
বালি	বালি	বালা/বালে
ধূলি	ধূলি	ধূলা/ধূলে
মাইকী	মাইকী/মাইকা	মাইকা/মাইকে।

১২/ উজনিৰ উপভাষাত ব্যৱহাৰ হোৱা কিছুমান একাক্ষৰী শব্দৰ পাছত 'আ ধ্বনি যোগ হৈ নামনি আৰু মধ্য অসমৰ উপভাষাৰ কিছুমান শব্দ দ্বিঅক্ষৰযুক্ত শব্দলৈ ৰূপান্তৰ হৈছে। যেনে—

উজনি	মধ্য	নামনি
গাঁত	গাতা	গাতা/গেতা
মূৰ	মূৰা	মূৰা/মোৰা।

১৩/ উজনিৰ উপভাষাৰ কিছুমান শব্দৰ আদি স্বৰৰ ঠাইত নামনি আৰু মধ্য অসমৰ উপভাষাত ব্যঞ্জনধ্বনিৰ আগম হোৱা দেখা যায। যেনে—

উজনি	মধ্য	নামনি
উকিযাই	হুকিয়াই	হুকিযাই/হুইকে।

১৪/ উজনি আৰু নামনিৰ উপভাষাৰ কিছুমান শব্দৰ 'ন' আৰু 'ম' ধ্বনি মধ্য অসমৰ উপভাষাত 'উঁ আৰু 'ৰঁ ধ্বনিলৈ ৰূপান্তৰ হয। যেনে—

উজনি	মধ্য	নামনি
শিমলু	সিউঁলি/সিৰৌঁলি	শিমলা
চিনাজোক	চিৰাঁঝ'ক	চিনাজুক।

১৫/ উচ্চাৰণৰ ক্ষিপ্ৰতাৰ বাবে উজনিৰ উপভাষাৰ শব্দৰ শেষত থকা স্বৰ আৰু ব্যঞ্জনধ্বনি কিছুমান নামনি আৰু মধ্য অসমৰ উপভাষাত লোপ পায়। যেনে—

উজনি	মধ্য	নামনি
কাউৰী	কাঅৰ	কাউৰ
বতাহ	বতা	বতা/বাতা।

১৬/ উজনিৰ উপভাষাত শব্দৰ ওচৰা-উচৰিকৈ থকা দুটা অক্ষৰৰ আদি অক্ষৰৰ 'অ বা আ ধ্বনি মধ্য অসমৰ উপভাষাত অপৰিৱৰ্তিত থাকে। নামনিৰ উপভাষাত এই 'অ' বা 'আ ধ্বনি কেতিয়াবা একে থাকে আৰু কেতিযাবা ও ধ্বনিলৈ পৰিৱৰ্তন হয়। যেনে—

উজনি	মধ্য	নামনি
কঁকাল	কঁকাল	কাকাল/কোকাল
খবৰ	খবৰ	খবৰ/খবাৰ।

১৭/ উজনি আৰু মধ্য অসমৰ উপভাষাৰ দ্বিঅক্ষৰযুক্ত বা ত্ৰিঅক্ষৰযুক্ত শব্দৰ আদি অক্ষৰত থকা ও ধ্বনি নামনিৰ উপভাষাত অ/অ ধ্বনিৰূপে উচ্চাৰণ হয। যেনে—

উজনি	মধ্য	নামনি
ওজাপালি	ওজাপালি	অজাপালি/অ'জাপালি
খোৰা	খোৰা	খৰা/খ'ৰা।

কেতিযাবা উজনি আৰু মধ্যৰ দ্বিঅক্ষৰযুক্ত শব্দৰ দ্বিতীয অক্ষৰৰ ও ধ্বনি নামনিত 'আ হয। যেনে আঘোণ—আঘাণ লঘোণ—লঘাণ আপোন—আপান।

১৮/ উজনি আৰু মধ্যৰ কিছুমান শব্দৰ পদান্ত 'আ ধ্বনি নামনিত কেতিযাবা অ-ৰূপে উচ্চাৰিত হয। যেনে—

উজনি	মধ্য	নামনি
বুঢ়া	বুঢ়া	বুৰ
ক'লা	ক'লা	ক'ল।

১৯/ নামনিৰ উপভাষাত ওচৰা-উচৰিকৈ থকা শব্দৰ প্ৰথম শব্দৰ পদান্ত ধ্বনিটো পিছৰ শব্দৰ আদিতে থকা ধ্বনিৰ লগত সমীভূত হয। যেনে— বৰডেকা>বদদেকা, বৰজনী>বজ্জনী>বজ্জেনী ভাতপানী>ভাপ্পানী, তোৰদৰে>তোদ্দৰে ইত্যাদি। নামনিত আদি শ্বাসাঘাতৰ কাৰণে একেটা শব্দৰে মাজৰ স্বৰ লোপ পোৱাৰ ফলত ব্যঞ্জনৰ সমীভৱন পোৱা যায়। যেনে, বৰালি>বাল্লি/বল্লি, মাৰলি>মাল্লি খৰচী>খচ্চী/খোচচী, গৰজি> গজ্জি/গোজ্জি, পূৰ্ণিমা>পুন্নিমা ইত্যাদি। উজনি আৰু মধ্য অসমৰ উপভাষাত এনে ধ্বণৰ সমীভৱন পোৱা নাযায।

২০/ নামনিৰ উপভাষাত প্ৰান্তীয় স্বৰ, বিশেষকৈ 'ই' আৰু এ' -ৰ সান্নিধ্যত থাকিলে ব্যঞ্জনবোৰ তালব্যীভূত হৈ উচ্চাৰিত হয। উদাহৰণস্বৰূপে, ক্যান্নেই (কোন) ক্যেইহ্না (কোনদিনা) ইত্তোন/ইত্যানে (এতিয়া), ম্যাক/মিয়াক (মোক),

বাইপ্যাক (বাপেক) ইত্যাদি। উজনি আৰু মধ্য অসমৰ উপভাষাত এই বৈশিষ্ট্যটো লক্ষ্য কৰা নাযায়।

২১/ মধ্য অসমৰ উপভাষাৰ কিছুমান স্থানীয় ঔপভাষিক ৰূপত কেতিয়াবা সাদৃশ্যৰ প্ৰভাৱত ব্যঞ্জনধ্বনিৰ পৰিবৰ্তন হয়। উজনিৰ উপভাষাৰ 'বন্দুক', 'চন্দুক' আদি শব্দত থকা অন্ত্য 'ক' -ৰ সাদৃশ্যত কিছুমান শব্দৰ অন্তত 'ক' ধ্বনি নাথাকিলেও অন্ত্য 'ক' এটাৰ প্ৰয়োগ এই উপভাষাত দেখা যায়। যেনে—

উজনি	মধ্য	নামনি
জানো	জানুক	জানু
জাম	জামুক	জাম/জামু।

২২/ উজনিৰ উপভাষাত ব্যৱহৃত কিছুমান শব্দ নামনি আৰু মধ্য অসমৰ উপভাষাত ৰ>ল অথবা ল>ৰ হৈ উচ্চাৰিত হয়। যেনে জকল/জোকল—জকৰ সোণালু/সণলু—সোণাৰু আউলা/আল/আলা/আলাৰা—আৰৈ, কুলা—কুৰা।

২৩/ উজনি নামনি আৰু মধ্য অসমৰ উপভাষাত সমীভৱন বিষমীভৱন স্বৰ-সংগতি ধ্বনি-বিপৰ্যাস স্বৰভক্তি অভিশ্ৰুতি ঘোষীভৱন অঘোষীভৱন আদি বিভিন্ন প্ৰক্ৰিয়াৰে ধ্বনিগত পৰিবৰ্তন ঘটে।

ৰূপতাত্ত্বিক পাৰ্থক্য ঃ

উজনি, নামনি আৰু মধ্য অসমৰ উপভাষাসমূহৰ ৰূপ-গঠন প্ৰণালী একে। অৱশ্যে ঔপভাষিক ৰূপ বিশেষে কেতিয়াবা ৰূপবোৰ আৰু এইবোৰৰ প্ৰায়োগিক বৈশিষ্ট্য সুকীয়া হয়। মধ্য অসমৰ ৰূপতাত্ত্বিক বিশেষত্ব কিছুমান উজনিৰ লগত আৰু কিছুমান নামনিৰ লগত মিলে। ৰূপতত্ত্বৰ অন্তৰ্গত বচন লিঙ্গ প্ৰত্যয়, কাৰক, বিভক্তি আদি ঔপভাষিক ক্ষেত্ৰসমূহত ধ্বনিগত পৰিবৰ্তনৰ বাবে ৰূপগতভাৱে ভিন্ন যদিও এইবোৰৰ সৰহ পৰিমাণৰ মিলো লক্ষ্য কৰিবলগীয়া।

১/ উজনিৰ উপভাষাত বহুলভাৱে প্ৰয়োগ হোৱা বহুবচনাত্মক ৰূপবিলাক নামনি আৰু মধ্য অসমৰ উপভাষাত সুকীয়া সুকীয়া। যেনে—

উজনি	মধ্য	নামনি
বোৰ/ বিলাক/-হঁত/ -জাক/-সকল/ লোক/ -সোপা/ মখা	গেলা/ গিলা/ গিলাক/ গেলাখন/ হন্তে/ হিন্তে/ সোপা/-মখা/ মাখা/ -মাখান/-সকল/ সকাল/ গিলান/—হঁত/-হাঁত/ চোৰ/-চৰ	গিলে/ ইলে/ গিলা/ গিলান/ -ইগ্‌লে/-ইংলে/ গুলান/-গুলা/-হানা/ -হাত/-হেনা/ হনা/-হাম্‌ৰা/ হোম্‌ৰা/ হেমেৰা/ সোপ্‌ৰা/ মাখা/ সকাল/ -আহ্নে/-হ্নে/-আহম/-আহং/-হং/ চোৰ/-আহা/-হা/-হপা/-হপ্‌ৰা/ গিলাখেন/-গ্ৰা/-নাহা/-হাম্‌লা/-হামাৰা/ সাম্‌ৰা/ সামাৰা

উজনিৰ উপভাষাত ব্যৱহৃত বহুবচনমূলক সৰ্বনাম যেনে — সিহঁত তেওঁলোক আপোনালোক তহঁত তোমালোক ইহঁত এওলোক ইবোৰ এইবোৰ যিবোৰ সিবোৰ সেইবোৰ কোনবোৰ আদিৰ ঠাইত নামনিৰ উপভাষাত তাহু৲/তাহুন তেং আহুন/তেম্‌ৰা আপনিআহু৲/আপ্‌নিআহুন তোনহা/তনহা/তনথে/তুমিৰা/তিমিৰা এন্‌হা/এমৰা/ইমিৰা/এনথে/এঁউআহু, আমিৰা/আমালা/আমিগিলা ইগ্না জিগ্না সিগ্না কুন্‌গিলা কুনগেলাখেন আদি ৰূপ ব্যৱহাৰ হয়। মধ্য অসমৰ ঠাই বিশেষে উজনি আৰু নামনিৰ দুযোটা ৰূপেই ব্যৱহাৰ হয়।

২/ মান্য অসমীয়া ভাষাত লিঙ্গ নিৰ্ণয় কৰিবলৈ কেতিযাবা লিঙ্গসূচক ভিন ভিন শব্দ ব্যৱহাৰ কৰা হয়, কেতিযাবা পুৰুষ বা স্ত্ৰী বুজোৱা শব্দ ব্যৱহাৰ কৰা হয় আৰু কেতিয়াবা কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয বা স্ত্ৰী প্ৰত্যয যোগ কৰা হয়। উজনি নামনি আৰু মধ্য অসমৰ উপভাষাত লিঙ্গভেদৰ প্ৰণালী একেই যদিও বিভিন্ন ঔপভাষিক অঞ্চলত সামান্যভাৱে হোৱা ধ্বনি পৰিৱৰ্তনৰ বাবে কেৱল শব্দৰূপবোৰ সুকীযা হয়। ইযাৰ ফলত অৱশ্যে শব্দৰ অৰ্থৰ কোনো পৰিৱৰ্তন নহয।

৩/ উজনি নামনি আৰু মধ্য অসমৰ উপভাষাত ব্যৱহাৰ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যযসমূহৰো ৰূপ সুকীয়া যদিও এইবোৰৰ অৰ্থগত ভিন্নতা নাই। কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয তিনিওটা ঔপভাষিক অঞ্চলতে ব্যৱহাৰ হয আৰু কিছুমান প্ৰত্যয সামান্যভাৱে ধ্বনি পৰিৱৰ্তন হৈ ব্যৱহাৰ হয। নিদৰ্শন স্বৰূপে—

উজনি	মধ্য	নামনি
-টো খন গুচি টোপা খিনি	-টু খন গুচি টপা	-টা -টু -খান -খেন
হাল হাত যোৰ গৰা -কুৰি	-লদা হাল, হাত -যৰ	-টুপা -লাদা হাল -হাত
-কোছ খনি -টা ধাৰি	গৰা -কুৰি -কচা খুতি	-যৰা গাৰা -কুৰি,-কচা
ডৰা -জাক খিলা আখি	-টা -ধাৰি,-দাগ -ঝাক	-খেন -টা -ডেল -দাগ
আঙুল -ডাল জনী ডোখৰ	খিলা আখি আঙুল	জাক খিল্‌লা আখা
-চাম সাজ চপৰা খোপা	খাত জেনি / জানি -দখল	-আঙুল খৰা জেনি -দখ্‌ৰা
চটা চকল থোক -ৰনি	চাম খাজ -চপৰা -থপনা	-চাম -সাজা -চপ্‌ৰা
ডাল হালি খিনি মুঠা	চতা খতা চকল থক হুনি	-থপ্‌না -চইতা,-কচা -চাকলা
	-ডাল হালি হত মুঠা	-থকা হুনি -খৰ হালচা
		খেনি -মুঠা

৪/ শব্দৰূপৰ ক্ষেত্ৰত উজনি নামনি আৰু মধ্য অসমৰ উপভাষাত কাৰকৰ বিভক্তিবোৰৰ ৰূপবোৰ একেই কেৱল এইবোৰৰ প্ৰয়োগতহে কিছু তাৰতম্য দেখা

যায়। উজনিৰ উপভাষাত ব্যৱহাৰ হোৱা নিমিত্ত-কাৰকৰ চতুৰ্থীৰ -লৈ বিভক্তিৰ ঠাইত নামনি আৰু মধ্য অসমৰ উপভাষাত কৰ্ম কাৰকৰ দ্বিতীয়া বিভক্তি -ক আৰু অধিকৰণ-কাৰকৰ সপ্তমী বিভক্তি -ত যোগ হয়। যেনে মই ঘৰোক যাম সি ইস্কুলোক যাবৌ বাজাৰোত যাবো ইত্যাদি। কৰণ-কাৰকৰ -এৰে বিভক্তিৰ ঠাইত নামনিত এদি যোগ হয়। যেনে নাকেদি (নাকেৰে) কাটৰীদি (কটাৰীৰে), বাৰিদি (মাৰিৰে) লোৰুইদি (এচাৰিৰে)। মধ্য অসমত কিন্তু -অৰে পোৱা যায়। যেনে নাকৰে হাতৰে মুখৰে ইত্যাদি। অপাদান -কাৰক বুজোৱা অনুপদ পৰা -ৰ ঠাইত নামনি আৰু মধ্য অসমত পে পেৰে পাৰা পাই অনুপদ যোগ হয়। যেনে ঘৰোৰ পে তাৰ পেৰে চহৰৰ পাৰা তাৰ পাই ইত্যাদি। 'সৈতে -ৰ ঠাইত নামনিত 'লগোত' আৰু মধ্য অসমত 'সতি হয়। যেনে হৰিৰ লগোত (হৰিৰ সৈতে) তাৰ সতি (তাৰ সৈতে) ইত্যাদি। তদুপৰি উজনিৰ উপভাষাত ব্যৱহাৰ নোহোৱা হোতি লোগি লেগি গেলি কেলি থাকি কোৰি আদি অনুপদ কিছুমান নামনি আৰু মধ্য অসমৰ উপভাষাত বিভিন্ন কাৰকত ব্যৱহাৰ হয়।

৫/ অসমীয়া সম্বন্ধবাচক বিশেষ্য শব্দৰ পিছত পুৰুষ অনুযায়ী কিছুমান পুৰুষবাচক নাম বিভক্তি যোগ হয়। উজনিৰ উপভাষাত পুৰুষ ভেদে এই বিভক্তিবোৰ বেলেগ বেলেগ। নামনি আৰু মধ্য অসমৰ উপভাষাত মধ্যম মান্য আৰু মধ্যম তুচ্ছ পুৰুষত একে ধৰণৰ বিভক্তি যোগ হয়। উজনিত মধ্যম মান্য পুৰুষ -ৰা, -এৰা মধ্যম তুচ্ছ পুৰুষত -ৰ -এৰ বিভক্তি যোগ হয়। নামনি আৰু মধ্য অসমত বিভক্তিৰ পাৰ্থক্য নাৰাখি -এ -এৰে -এৰ যোগ হয় (যেনে, মামে মাউহেৰে, মাউহেৰ)। নাম পুৰুষৰ -এক বিভক্তিৰ ঠাইত -অক, -আক -এ'ক বিভক্তিৰ প্ৰয়োগ পোৱা যায় (যেনে মায়ক পেহীয়ক, মায়াক, মাইহেক, মমায়ক ইত্যাদি)। উল্লেখযোগ্য যে, পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰ নামনিৰ গোৱালপৰীয়া কথ্য ৰূপত লক্ষ্য কৰা নাযায়।

৬/ ধাতুৰূপৰ ক্ষেত্ৰত উজনিৰ উপভাষাৰ উত্তম পুৰুষৰ -ওঁ বিভক্তি মধ্য আৰু নামনিৰ উপভাষাত সকলো কালতে -উঁ -আঙ -ঙ হয়। যেনে খাঁউ যাঁউ কৰং কং, দিং, কৰিছং খাল, দিছিলং, দিছিলু ইত্যাদি। উজনি আৰু নামনিৰ উপভাষাত বৰ্তমান কালত ব্যৱহাৰ হোৱা নাম পুৰুষৰ বিভক্তি -এ-ৰ ঠাইত মধ্য অসমৰ উপভাষাত কেতিয়াবা -এই হয়। যেনে —কৰেই, খালেই দেই, নেদেই গৈছেই ইত্যাদি। অতীত কালত -ইল -ভাগান্ত ধাতুত উজনিত -ইল -ইলে, নামনিত -ইলাক; মধ্য অসমত -ইলা হয়। যেনে,—কৰিলে কৰিলাক/কোল্লাক, কৰিলা। ভবিষ্যত কালত -ইব ভাগান্ত ধাতু উজনিত -ইব, নামনিত -ইবু, -ইবো আৰু মধ্য অসমত -ইবৌ হয়। যেনে,—কৰিব, কোৰ্বু কোৰিবো/কোৰ্বো /কৰিবৌ

ইত্যাদি। উজনিৰ উপভাষাত ক্রিযা-ৰূপৰ লগত মধ্যম পুৰুষৰ সৰ্বনামৰ তুচ্চার্থে মান্যার্থে আৰু অধিক সম্মানার্থে বিভিন্ন কালত বিভিন্ন বিভক্তি যোগ হয। কিন্তু মধ্য আৰু নামনিৰ উপভাষাত ক্রিযাৰ ৰূপৰ ব্যৱহাৰত তুচ্চার্থ-মান্যার্থৰ প্রভেদ ৰখা নহয। যেনে —তুচ্চার্থে তই>খা খাছা খালি খাছিলি খাবি মান্যার্থে তুমি>খা খাছা খালি খাছিলি খাবি অধিক সম্মানার্থে ০ আপুনি/আপ্নি>খা খাছা খালি খাছিলি খাবি।

৭/ উজনিৰ উপভাষাৰ বৰ্তমানকালিক কৃদন্ত ৰূপ -ওতে-ৰ ঠাইত মধ্য আৰু নামনিৰ উপভাষাত অংতে অংকে অন্তে আংতে, আতে আদি ব্যৱহাৰ হয। যেনে— কংতে কংকে খাঅন্তে ধুআংতে ধৰাতে ইত্যাদি। ইল কৃদন্তৰ পিছত উজনিত -হেঁতেন অনুপদ ব্যৱহাৰ হয মধ্য আৰু নামনিত -হোই/হই হয বা হলি/হোলি পোৱা যায। যেনে—খালে হেঁতেন খালা হোই খালে হয খাৱা হলি/ হোলি ইত্যাদি। উজনিৰ -হ'বলা অনুপদৰ ঠাইত নামনিত -হপায/হবন/হম্পাই আৰু মধ্য অসমত —হ'বলে ব্যৱহাৰ হয। যেনে গ'ল হ'বলা গেল হপায/গেলা হবন গ'ল হ'বলে ইত্যাদি। নামনি আৰু মধ্য অসমত কিছুমান কৃদন্ত ৰূপ কেতিযাবা কাল নিৰপেক্ষ হিচাপেও ব্যৱহাৰ হয। যেনে—

অতীত কাল

'কামটু কৰতে/কৰন্তে/কৰংতে/কৰংকে আমি ঘৰোত নাছিলু।

(কামটো কৰোঁতে আমি ঘৰত নাছিলোঁ।)

বৰ্তমান কাল

'তাৰ কথা কন্তে/কংতে/কংকে/কতে সি আহি পালা।

(তাৰ কথা কওঁতে সি আহি পালেহি।)

ভৱিষ্যত কাল ঃ

'সি আহতে/আহাতে/আহন্তে/আহংতে সাজ লাগ্‌বো।'

(সি আহোঁতে গধুলি হ'ব।) ইত্যাদি।

৮/ উজনি আৰু মধ্য অসমৰ উপভাষাত নোহোৱা' অৰ্থ বুজাবলৈ ক্রিযা-ৰূপৰ আগত 'ন পূৰ্ব প্রত্যয (Prefix) যোগ হয় আৰু এই 'ন' -ৰ 'অ সচৰাচৰ ক্রিয়া-ৰূপৰ আদিত থকা স্বৰটোৰ লগত সমীভূত হয়। কিন্তু নামনিৰ উপভাষাত বেছি ভাগ শব্দতে নঞৰ্থক 'ন' -ৰ 'অ' মূল ৰূপৰ প্ৰথম স্বৰধ্বনি অনুৰূপে সমীভূত নহয। যেনে—

উজনি/মধ্য	নামনি
ন-লাগে>নালাগে	নাল্‌গে/নাল্‌গেই
ন-দেখোঁ>নেদেখোঁ	নেদ্‌খো/নেদ্‌খু/নাদেখুউ

ন-পাৰোঁ নোৱাৰোঁ	নৰু/নোৰু
ন-দিও>নিদিও	নেদু/নেদাং/নেদাও।

৯/ উজনিৰ উপভাষাতকৈ নামনি আৰু মধ্য অসমৰ উপভাষাত নামধাতুৰ বিস্তৃত প্ৰযোগ লক্ষ্য কৰা যায। যেনে—গেৰিযা/গেইৰা (চিঞৰা) গোইল্‌তা (ঢকিওৱা) দামা (দম কৰ), পিচা/পিচুআ (পিচুৱা) হামিআ/হাইমা (হামিয়া) ঘুমা (টোপনি যা) হানা/হিংকা (খোঁচা) লোউৰা (ঠাই সলনি কৰ), মেইৰা (মেৰা) ৰাইগা (ডাঙৰকৈ মাত) কুবা (কোবোৱা), খুমতা/খুইম্‌তা (চিকুটা) ইত্যাদি।

শব্দমূলক পাৰ্থক্য ঃ

শব্দ ভাণ্ডাৰৰ ক্ষেত্ৰত উজনি নামনি আৰু মধ্য অসমৰ উপভাষাত সৰহসংখ্যক একে ধৰণৰ শব্দৰ ব্যৱহাৰ হয আৰু কিছুমান নিজা শব্দও ব্যৱহাৰ হয। তিনিওটা ঔপভাষিক অঞ্চলত প্ৰচলিত স্বকীয শব্দ কিছুমানৰ নিদৰ্শন তলত দিযা হ'ল ঃ

উজনি	মধ্য	নামনি
পৰুৱা	পিপৰা/পিপিৰা	পিপৰা/পিপাৰ/পিপ্‌ৰা
গামোচা	গামুচা/ফালি	গাম্‌চা/মুক্‌চা
কুঁৱা	নাদ/পাতিকি	লান্দ/পাতকি/ইন্দ্ৰা
মিচামাছ	নিচিলা	নিচলা
ঠাণ্ডা	ঠাণ্ডা	তেকি
কৰ্কৰা(ভাত)	ঝকৰা(ভাত)	জকৰা/ঝকৰা(ভাত)
দৰা	দৰা/বৰ	বৰ
ধপাত	ধপাত/তামাখু	তাংখু
এৰাল/আৰাল	দৰস/দৰখ	দৰখ
টোপনি	টুপ্‌নি	ঘুম্‌টি
মধুৰীআম	মধিয়াম	সফৰী/সফ্‌ৰীআম সোইফৰাম/উইৰাম
অমিতা	অমৈতা	মোদফল/মোইথ্‌ফল মৈধ্‌ফল/মোপ্‌ফল/ মোইপ্‌ফল/মোধুফল ইত্যাদি।

উজনি নামনি আৰু মধ্য অসমৰ ঔপভাষিক ৰূপবোৰৰ কথনভঙ্গী বা সুৰ লহৰৰ বৈশিষ্ট্যও বিশেষভাৱে মন কৰিবলগীয়া। উজনি আৰু মধ্য অসমৰ উপভাষাৰ সুৰ-লহৰ কম-বেছি পৰিমাণে সকলো ঠাইতে একেই বুলি ক'ব পাৰি। তাৰ বিপৰীতে নামনিৰ উপভাষাত বহু প্ৰকাৰৰ সুৰ-লহৰ লক্ষ্য কৰা যায। ড গোলোকচন্দ্ৰ

গোস্বামীদেৱৰ ভাষাত 'উজনিৰ কথাৰ লয় অতি মন্থৰ আৰু ধীৰ গতিৰ নামনিৰ লয় অতি বলবান আৰু ক্ষীপ্ৰ। আনহাতে মধ্য অসমৰ লয় দুযোটাৰ মাজতে মজলীয়া গতিৰ বুলি ক'ব পাৰি। ঔপভাষিক ৰূপ বিশেষে তিনিওটা অঞ্চলত নিজস্ব কথনভঙ্গীৰ বৈশিষ্ট্য পৰিলক্ষিত হয়।

আমাৰ চমু আলোচনাত অসমৰ তিনিটা ঔপভাষিক অঞ্চলৰ কেতবোৰ প্ৰধান প্ৰধান বৈশিষ্ট্যৰহে থূলমূল আভাস দিয়া হৈছে। অসমীয়া ভাষাৰ ঔপভাষিক ক্ষেত্ৰখন অতি বিশাল আৰু বিস্তৃত। উজনি, নামনি আৰু মধ্য অসমৰ অঞ্চল বিশেষে বিভিন্ন আঞ্চলিক বা স্থানীয় ঔপভাষিক ৰূপৰ প্ৰচলন আছে। আঞ্চলিক বা স্থানীয় উপভাষাসমূহৰ উপৰিও একেটা অঞ্চলৰে সম্প্ৰদায় বিশেষৰ মাজতো নানান সুকীয়া কথ্য ৰূপৰ প্ৰচলন আছে। এই উপভাষাসমূহ স্বকীয় বৈশিষ্ট্যসম্পন্ন হ'লেও এইবোৰৰ মাজত বৈসাদৃশ্যতকৈ সাদৃশ্য অধিক বাবে এইসমূহক একেখন উপভাষা ক্ষেত্ৰৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰা হৈছে। অসমীয়া ভাষাৰ উপভাষাসমূহৰ পুংখানুপুংখ গৱেষণামূলক অধ্যয়ন আৰু বিশদ পৰ্যালোচনাইহে ভাষাটোৰ সমৃদ্ধিত অৰিহণা যোগাব পাৰে।❑

প্ৰসঙ্গ পুথি •

Trudgill P — *Dialectology* 1980

Kakati B K — Assamese Its Formation and Development (Revised Edn bv Goswami G C) 1963

Goswami, U N — *A Study on Kamrupi A Dialect of Assamese* 1970

ঃ *অসমীয়া ভাষা আৰু উপভাষা,* ১৯৮৬

গোস্বামী গোলোকচন্দ্ৰ ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* ১৯৯০

,, ঃ *ভাষা-ভাৰশিকা* ১৯৯২

দত্তবৰুৱা ফণীন্দ্ৰনাৰায়ণ ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়* ১৯৯০।

ছয়গাঁও আৰু নলবাৰী অঞ্চলৰ কথিত অসমীয়াৰ ধ্বনি সংস্থান : এটি তুলনা

❑ অনুপমা বৰ্মণ (ডেকা)

১ ০০ কামৰূপী উপভাষা অসমীয়া ভাষাৰ এটি মুখ্য উপভাষা। অবিভক্ত কামৰূপ জিলাত প্ৰচলিত এই উপভাষাটো সকলো ঠাইতে একে ধৰণে উচ্চাৰিত নহয়। অঞ্চল ভেদে ইয়াৰ ৰূপো সুকীয়া। কাৰণ একেটা অঞ্চলৰ কথিত ভাষা এটাৰ আঞ্চলিক পাৰ্থক্য যথেষ্ট হ'ব পাৰে।[১] কামৰূপী উপভাষাৰ এনে দুটা স্থানীয় ৰূপ হ'ল—ছয়গাঁও অঞ্চলৰ কথিত অসমীয়া ভাষা বা ছয়গএগ ভাষা আৰু নলবাৰী অঞ্চলৰ কথিত অসমীয়া ভাষা বা 'নলবৰীয়া ভাষা। উপেন্দ্ৰনাথ গোস্বামীয়ে পলাশবাৰী ছয়গাঁও বকো অঞ্চলৰ ভাষাক দক্ষিণ কামৰূপী বুলি কৈছে।[২]

১ ০১ ৰাজনৈতিক প্ৰাকৃতিক আদি মৌলিক কাৰকসমূহে কামৰূপী উপভাষাটোক দুযোখন ঠাইতে সুকীয়া ৰূপ প্ৰদান কৰিলে। অবিভক্ত কামৰূপ জিলাৰ মাজেদি বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰযো এই ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। তদুপৰি বিভিন্ন সময়ত ভিন ভিন ৰজাই সুকীয়া সুকীয়া এলেকাত ৰাজত্ব কৰাৰ বাবে ৰাজনৈতিক বাধা নিষেধে ভাষাটো সুকীয়াকৈ গঢ় লৈ উঠাত সহায় কৰিলে। আকৌ বিভিন্ন ৰাজ-আমোলত সংঘটিত হোৱা বিভিন্ন ধৰণৰ বিদেশী আক্ৰমণৰ ফলতো কামৰূপী উপভাষাটোৰ স্থান ভেদে ৰূপ সলনি হ'ল।

১ ০২ একেটা উপভাষাৰ পৰা ওলোৱা বাবে 'ছয়গএগ' আৰু 'নলবৰীয়া দুয়োটা স্থানীয় ভাষাৰ মিল থকাটোৱেই স্বাভাৱিক। এই মিল আৰু অমিল ভাষা দুটাৰ ধ্বনি ৰূপ বাক্যবিন্যাস আৰু শব্দ-ভাণ্ডাৰৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। ভাষাৰ তুলনাত্মক পদ্ধতিৰ জৰিয়তেহে দুযোটা স্থানীয় ভাষাৰে বিতং আলোচনা সম্ভৱ হৈ উঠিব।

১ ০৩ ছয়গএগ আৰু নলবৰীয়া ভাষা দুটাৰ তুলনাত্মক আলোচনা কৰিবলৈ যাওঁতে Charles F Hockett -ৰ নিম্নোক্ত মন্তব্যটো শিৰোধাৰ্য কৰিব লাগিব। তেওঁ

---

১ ব্লুমফিল্ড লিওনাৰ্ড : লেংগুৱেজ : পৃ ৫০-৫১ : ১৯৩৩ নিউইয়ৰ্ক

২ গোস্বামী উপেন্দ্ৰনাথ : এ ষ্টাডি অন কামৰূপী এ ডায়েলেক্ট অব আছামিজ ১৯৭০ : পৃ ২৮,

কৈছে—"Whenever we compare two forms of speech, two dialect of a single language, two related languages, or even any two languages chosen at random—we encounter some words which are similar in sound and in meaning"[৩] এই লেখাটোৰ জৰিযতে দুয়োটা স্থানীয় উপভাষাৰ ধ্বনিসমূহৰ আলোচনা কৰিবলৈ বিচৰা হৈছে।

১ ১ স্বৰধ্বনি ঃ

১ ১ ১ *ছয়গএগ্ৰা আৰু *নলবৰীয়া ভাষা দুটাৰ স্বৰধ্বনিৰ সংখ্যা সাতোটা—

ই, উ	=	উচ্চ স্বৰধ্বনি
এ, ও	=	উচ্চ মধ্য স্বৰধ্বনি
এ অ	=	নিম্ন মধ্য স্বৰধ্বনি
আ	=	নিম্ন স্বৰধ্বনি

আটাইকেইটা স্বৰধ্বনি শব্দৰ আদি মধ্য আৰু অন্ত্যস্থানত ব্যৱহাৰ হয। স্বৰধ্বনিসমূহৰ প্ৰায়োগিক দিশবোৰ এনে ধৰণৰ ঃ

১ ১ ২ স্বৰৰ প্ৰয়োগ ঃ

১ ১ ৩ আদি অক্ষৰত — অ -ৰ ব্যৱহাৰ ছয আৰু নল -ত একে যেনে ঃ

ছয	নল
কপাহ	কপাহ
কঅপআহ	কঅপআহ
কলম	কলম
কঅলঅম	কঅলঅম
কপাল	কপাল
কঅপআল	কঅপআল

১ ১ ৪ মধ্যস্থানত মান্য অসমীযাৰ — অ ছয আৰু নল -ত— আ হয় যেনে ঃ

ছয়	নল	মা অস
বচাৰ	বচাৰ	বছৰ
বঅচআৰ	বঅচআৰ	
বাতাহ	বাতাহ	বতাহ
বআতআহ	বআতআহ	

১ ১ ৫ মধ্যস্থানৰ — অ পৰৱৰ্তী উচ্চ স্বৰৰ প্ৰভাৱত ছয় ভাষাত - এ বা-ও

---

৩ হকেট চাৰ্লছ এফ ঃ এ কোৰ্ছ ইন মডাৰ্ণ লিংগুইষ্টিকছ ঃ ১৯৭০ পৃ ৪৮৬ ঃ মোহন প্ৰিমলানি, অক্সফোৰ্ড এণ্ড আই বি এইচ

* ছয়গএগ্ৰা * নলবৰীয়া — ছয় আৰু নল বুলি আৰু মান্য অসমীয়া — মা অস বুলি লিখা হ'ব।

হয়। কিন্তু নল ভাষাত শ্বাসাঘাতৰ প্ৰভাৱৰ বাবে মধ্যস্থানৰ - অ লোপ হৈ সংযুক্ত ধ্বনিৰূপেহে উচ্চাৰিত হয় যেনে ঃ

ছয়	নল	মা অস
কপোনি	কপ্‌নি	কঁপনি।
কঅ পওনেই	কঅপনই	
হাতোনি	হাতনি	হাতনি
হআতওনই	হআতনই	
চাৰেলি	চাল্‌ঙি	চালনি
চআৰএলই	চআলঙই	
খাতেনি	খাতনি	খাটনি
খআতএনই	খআতনই	

১১৬ পৰৱৰ্তী উচ্চ স্বৰৰ প্ৰভাৱত মান্য অসমীযাৰ আদি আৰু মধ্যস্থানৰ নিম্ন স্বৰ উচ্চ হোৱাটো ছয় ভাষাৰ প্ৰধান বৈশিষ্ট্য। কিন্তু নল ভাষাত এই নিয়ম প্ৰযোজ্য নহয় যেনে ঃ

ছয়	নল	মা অস
কুমুৰা	কুম্‌ৰা	কোমোৰা
কউমউৰআ	কউমৰআ	
তুপুনি	তুপ্‌নি	টোপনি
তউপউনই	তউপনই	
বিঝিলি	বিজলি	বিজুলী
বইঝইলই	বইজলই	
বোকোনি	বক্‌নি	বকনি
বওকওনই	বঅকনই	

১১৭ স্বৰভক্তিৰ জৰিয়তে শব্দৰ সৰলীকৰণ প্ৰক্ৰিয়া নল ভাষাতকৈ ছয় ভাষাত বহুলভাৱে প্ৰচলিত, যেনে ঃ

ছয়	নল	মা অস
ভুখুৰা	ভুখ্‌ৰা	ভেকুঁৰ
ভউখউৰআ	ভউখৰআ	
মাদুলি	মাদ্‌লি	মাদলি
মআদউলই	মআদলই	
নিহিনি	নিহ্‌নি	নিসনি
নইহইনই	নইহনই	

১ ১ ৮ মান্য অসমীযাৰ — আঅ ছয ভাষাত - আৰা অৰা হয। কিন্তু নল ভাষাত মা অস -ৰ দৰে ৰূপ হয যেনে

ছয	নল	মা অস
পাৰাৰা	পাৰ	পাৰ
পআৰআৰআ	পআৰঅ	
নাৰৰা	নাৰ	নাৰ
নআৰঅৰআ	নআৰঅ	

১ ১ ৯ ছয ভাষাত অন্ত্য - আ, আউ হয। কিন্তু নল ভাষাত কোনো পৰিবৰ্তন নহয, যেনে ঃ

ছয	নল	মা অস
গাউ	গা	গা (শৰীৰ)
গআউ	গআ	
ঘাউ	ঘা	ঘাঁ
ঘআউ	ঘআ	
দাউ	দা	দা
দআউ	দআ	

১ ১ ১০ ছয আৰু নল ভাষাত দ্বিস্বৰৰ প্ৰযোগ কামৰূপী উপভাষাৰ দৰেই। দুয়োটা স্থানীয ভাষাতে আটাইকেইটা স্বৰৰ পৰাই দ্বিস্বৰ পাব পাৰি —

/ইউ/	/অই/
/এই/	/অউ/
/এউ/	/ওই/
/আউ/	/উই/[৪]
/আই/	
/অউ/	

১ ২ ব্যঞ্জনধ্বনি ঃ

১ ২ ১ কামৰূপী উপভাষাৰ পৰা বিকশিত হোৱা বাবে দুয়োটা স্থানীয় উপভাষাৰে (ছয় আৰু নল) ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰতো মিল থকাটো স্বাভাৱিক। কামৰূপী উপভাষাৰ এক্কেশটা ব্যঞ্জনধ্বনি ছয় আৰু নল ভাষাত ব্যৱহৃত হোৱাৰ বাহিৰেও ছয় ভাষাত 'ঝ' ধ্বনিটো বিশিষ্ট হিচাপে স্বীকৃত হৈছে। এই বিশেষ বৈশিষ্ট্যটোৱে ছয় ভাষাটোক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। 'ঝ' দন্তমূলীয় সঘোষ ঘৃষ্ট ধ্বনি। ই শব্দৰ আদি, মধ্য, অন্ত্য স্থানত উচ্চাৰিত হয়।

---

৪ গোস্বামী উপেন্দ্ৰনাথ ঃ এ ষ্টাডি অন কামৰূপী এ ডায়েলেক্ট অব আছামিজ ১৯৭০ ঃ পৃষ্ঠা ৪১

ছয় আৰু নল ভাষাৰ ব্যঞ্জনধ্বনিৰ তালিকাখন এনেধৰণৰ—

প	ব	ত	দ	ক	গ
ফ	ভ	থ	ধ	খ	ঘ
	ম		ন		ঙ
		চ	জ	স	হ
				ঝ	
				ৰ	
				ল	

১২২ দুয়োটা স্থানীয় উপভাষাৰে ব্যঞ্জনধ্বনিসমূহৰ সাধাৰণ আলোচনা আগবঢ়োৱা হ'ল।

১২৩ ঝ ছয় ভাষাত বিশিষ্ট ধ্বনি। শব্দৰ আদি মধ্য অন্ত্য স্থানত ব্যৱহাৰ হোৱাৰ বাহিৰেও জ -ৰ বিকল্প হিচাপেও ব্যৱহাৰ হয়। কিন্তু নল ভাষাত ঝ বিশিষ্ট ধ্বনি নহয় যেনে

ছয়	নল	মা অস
ঝক	জুক	জোক
ঝঅক	জউক	
ঝকাৰা	জকৰা	কৰ্কৰা (ভাত)
ঝঅকআৰআ	জঅকৰআ	
ঝাৰুৱা	জাউৰা	বনৰীয়া
ঝআৰউৱআ	জআউৰআ	
বাঝানা	বাজনা	বাজনা
বআঝআনআ	বআজনআ	
অঝা	অজা	ওজা
অঝআ	অজআ	
মাঝ	মাজ	মাজ
মআঝ	মআজ	
পিয়াঝ	পিয়াজ	পিয়াঁজ
পইয়আঝ	পইয়আজ	

১২৪ নল ভাষাত ঙ এটা বিশিষ্ট ধ্বনি। শব্দৰ আদি স্থানৰ বাহিৰে সকলো স্থানতে — ঙ -ৰ ব্যৱহাৰ আছে। ছয় ভাষাত প্ৰায়েই ঙ-ৰ পৰিবৰ্তিত ৰূপহে ব্যৱহাৰ হয়। উদাহৰণ সহ ধ্বনিটোৰ ব্যৱহাৰিক দিশ আলোচনা কৰা হ'ল—

	ছয়	নল	মা. অস
(১) ঙ > ৰ :	বেৰা	বেঙা	বেঙা

	বএৱআ	বএঙআ	
	তেৱা	তেঙা	টেঙা
	তএৱআ	তএঙআ	
	ৰাৱা	ৰাঙা	ৰঙা
	ৰআৱআ	ৰআঙআ	
(২) ঙ > উ °	আউলি	আউঙলি	আঙুলি
	আউলই	আউঙলই	
	আউৰা	আঙৰা	এঙাৰ
	আউৰআ	আঙৰআ	
	বেউচাতা	বেংচাতা	বেংছটা
	বএউচআতআ	বএঙচআতআ	
(৩) ঙ > ও	বাওনা	বাঙনা	বেঙেনা
	বআওনআ	বআঙনআ	
(৪) ঙ > ন	ভানা	ভাঙা	ভঙা
	ভআনআ	ভআঙআ	
	চিনা	চিঙা	চিঙা
	চইনআ	চইঙআ	
(৫) ঙ > হ	দাহাৰ	দাঙাৰ	ডাঙৰ
	দআহআৰ	দআঙআৰ	

১২৫ কেতিযাবা নল ভাষাৰ ন ছয ভাষাত উ/ৱ আৰু ম—উ হয—

ছয	নল
চিৱাঝক	চিনাজুক/চুইনাজুক
চইৱআঝঅক	চইনআজউক/চউইনআজউক
সিউলি	সিমেলি
সইউলই	সইমএলই

১২৬ অল্পপ্ৰাণ ধ্বনিৰ ব্যৱহাৰৰ ক্ষেত্ৰত দুযোটা স্থানীয ভাষাৰে পাৰ্থক্য দেখা যায। কাম ভাষাৰ অল্পপ্ৰাণ ধ্বনি নল ভাষাত একেদৰে উচ্চাৰিত হ'লেও ছয ভাষাত মহাপ্ৰাণ ধ্বনি হিচাপেহে উচ্চাৰিত হয যেনে

ছয	নল	মা_অস
আধ	আথ	আঠ
আধ	আথ	
ধমৰু	দুম্বৰু	ডিমৰু
ধঅ'মঅ'ৰউ	দউমবঅ'ৰউ	

আধাইচ	আথাইচ	আঠাইশ
আধআইচ	আথআইচ	
আধচল্লিচ	আথ্চল্লিচ	আঠচল্লিশ
আধচঅললইচ	আথচঅললইচ	

১২৭ সংযুক্ত ব্যঞ্জনৰ ক্ষেত্ৰতো ছয় আৰু নল ভাষাৰ পাৰ্থক্য আছে। নল ভাষাত সংযুক্ত ব্যঞ্জনৰ বহুল ব্যৱহাৰ দেখা যায়। ছয় ভাষাত সংযুক্ত ব্যঞ্জন লোপ, আন ব্যঞ্জনলৈ পৰিবৰ্তন আৰু স্বৰভক্তিৰ সহায়েৰে সৰলীকৃত হৈ উচ্চাৰিত হয়, যেনে ঃ

	ছয়	নল	মা অস
(১) লোপ ঃ	নাধা	ৰানধা	বন্ধা
	নআধআ	ৰআনধআ	
	কানা	কান্দা	কন্দা
	কআনআ	কআনদআ	

(২) নল ভাষাৰ নধ ন্দ ন্ল ছয় ভাষাত ন্হ হয় যেনে ঃ

ছয়	নল	মা অস
আনহাৰ	আনধাৰ	আন্ধাৰ
আনহ্আৰ	আনধআৰ	
বানহি	বান্নি	বাঢনী
বআনহই	বআননই	
সান্হা	সান্দা	সান্দহ
সআনহআ	সআনদআ	
আনহু	আন্ধু	এলান্ধু
আনহউ	আনধউ	

(৩) নল ভাষাৰ — ন্দ ° ছয় ভাষাত ন হয়। যেনে—

ছয়	নল	মা অস
কানা	কানদা	কন্দা।
কআনআ	কআনদআ	
বানি	বান্দি	বান্দী
বআনই	বআনদই	
এনুৰ	ইন্দুৰ	এন্দুৰ
এনউৰ	ইনদউৰ	

(৪) নল ভাষাৰ সম্বন্ধসূচক শব্দ ছয় ভাষাত অতিৰিক্ত ধ্বনি-সংযোগৰ জৰিযতে সৰলীকৰণ কৰি উচ্চাৰণ কৰা হয় যেনে ঃ

ছয়	নল	মা অস
মিআক	মাক	মাক
মইআক	মআক	
বাপিআক	বাপাক	বাপেক
বআপইআক	বআপআক	
কাকিআক	কাইকাক	ককাযেক
কআকইআক	কআইকআক	
মামিআক	মাইমাক	মামীযেক
মআমইআক	মআইমআক	

১৩ ভাষাৰ অধ্যযন বৰ মনোগ্ৰাহী অধ্যযন। ভাষাৰ অধ্যয়নৰ পূৰ্ণতা ভাষাটোৰ উপভাষাসমূহৰ গভীৰ অধ্যযনৰ জৰিযতেহে সম্ভৱ। উপভাষাসমূহৰ অধ্যযনৰ বিশেষ গুৰুত্বও আছে। কাৰণ প্ৰতিজন মানুহে কোনোবা নহয কোনোবা এটা উপভাষাহে কয।[৫] প্ৰতিটো উপভাষাৰ একাধিক স্থানীয ৰূপ থাকে। স্থানীয উপভাষাবোৰৰ অধ্যযনৰ দ্বাৰাহে কোনো এটা ভাষাৰ মূল আৰু ইতিহাস জানিব পাৰি।[৬]

১৩১ ভাষাৰ তুলনামূলক পদ্ধতিৰ জৰিযতে পৃথিবীৰ ভাষাসমূহৰ পাৰিবাৰিক সম্পৰ্ক স্থাপন কৰাত সুবিধা হয। কথিত ভাষাৰ ক্ষেত্ৰত ভাষাসমূহৰ ধ্বনিগত ব্যাকৰণগত আৰু শব্দগত মিল অথবা অমিল নিৰ্ণয় কৰাটো তুলনামূলক পদ্ধতিৰেহে সম্ভৱ। কামৰূপী উপভাষাটো বৈচিত্ৰ্যপূৰ্ণ উপভাষা। এই উপভাষাটোৰ অনেক স্থানীয় উপভাষা আছে। তুলনামূলক পদ্ধতিৰ জৰিয়তেহে আটাইবোৰ স্থানীয় উপভাষাৰ মূল যে 'কামৰূপী উপভাষা তাক নিৰ্ণয় কৰাটো সহজসাধ্য হ'ব।□

৫ হকেট চাৰ্লছ এফ — এ কোৰ্ছ ইন মডাৰ্ণ লিংগুইষ্টিকছ : ১৯৭০ পৃ ৩২২

৬ ব্লুমফিল্ড এল — লেংগুৱেজ : ১৯৩৩ পৃ ৫০-৫১

লোক-ভাষা আৰু অসমীয়া লোকায়ত বাগ্‌ভঙ্গী

❑ লক্ষ্মী দাস পাঠক

সমাজ জীৱনৰ পৰিপ্ৰেক্ষিতত ভাষাৰ পৰিৱৰ্তন ঘটে। এই পৰিৱৰ্তনে ভাষাৰ বিভিন্ন ৰূপৰ সৃষ্টি কৰে। ভাষাৰ পৰিৱৰ্তনৰ আঁত বিচাৰি গ'লে শব্দ-ভাণ্ডাৰ উচ্চাৰণ স্বৰভঙ্গী ব্যাকৰণ আদি সকলোবোৰেই লক্ষ্যণীয় হৈ পৰে। ভাষাৰ পৰিৱৰ্তনৰ ভিন্নতাৰ মাজত লুকাই থাকে ভৌগোলিক আৰু সামাজিক পৰিস্থিতি। ভিন্নতাই হ'ল ভাষাৰ মৌলিক সত্য। ব্যক্তি জাতি অঞ্চল অনুসৰি ভাষাৰ ভিন্নতা দেখিবলৈ পোৱা যায়।

ড বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে ভাষাৰ ভিন্নতা অনুসৰি ইয়াৰ দুটা সুকীয়া ৰূপৰ কথা উল্লেখ কৰি এনেদৰে লিখিছে—"সকলো ভাষাৰে ঘাইকৈ দুটা ৰূপ—এটা সংস্কৃত অন্যটি প্ৰাকৃত, অৰ্থাৎ এটি সাহিত্যিক, পুথি-পত্ৰৰ আৰু মাৰ্জিত ৰুচিৰ লোকৰ, আনটি সাধাৰণ অৰ্থাৎ গাঁৱলীয়া মানুহৰ ভাষা (কথিত বা উপভাষা)"।[১] ভাষাতত্ত্বৰ দিশেৰে বিচাৰ কৰিলে দুয়োটা ৰূপৰেই বিশেষ মূল্য আছে। ভাষা বুলিলে সাধাৰণতে কথ্য ভাষাকে বুজায় লিখিত ভাষা কথ্য ভাষাৰে কৃত্ৰিম ৰূপ মাত্ৰ। লিখিত ভাষাতকৈ কথ্য ভাষা অধিক জীৱন্ত, গতিশীল আৰু পৰিৱৰ্তনমুখী, লগতে নাটকীয় আবেদনযুক্ত কিয়নো বিভিন্ন অঙ্গ-ভঙ্গীৰে কথ্য ভাষা নানান স্বৰত কোৱা হয়। কথিত ভাষাই মুক্ত বিহঙ্গৰ দৰে ব্যাকৰণ নোহোৱাকৈয়ে বিচৰণ কৰিব পাৰে। কথিত ভাষা বিভিন্ন ৰূপত পৰিৱৰ্তিত হ'ব পাৰে। মুখ-পৰম্পৰাৰে প্ৰচলিত কথিত ভাষা লোক-ভাষাও হ'ব পাৰে। 'এটা ভাষা সম্প্ৰদায়ৰ মাজত প্ৰচলিত বিভিন্ন কথ্য ভাষা প্ৰচলিত হ'ব পাৰে আৰু কথ্য ৰূপেই হ'ল লোক-ভাষা। শিষ্ট বা সাধু ভাষাৰ লগত এই লোক-ভাষা বা উপভাষাৰ ধ্বনি অৰ্থাৎ উচ্চাৰণ-ৰীতি শব্দৰ প্ৰয়োগ আৰু অৰ্থৰ কিছু পাৰ্থক্য থাকে।" যি ভাষা কোনো ধৰণৰ আনুষ্ঠানিক পদ্ধতিৰে শিকা নাযায় যি ভাষা পৰিমাৰ্জিত আৰু ৰীতিবদ্ধ নহয় সেই ভাষাই

---

১ বিৰিঞ্চি কুমাৰ বৰুৱা— *অসমৰ লোক-সংস্কৃতি* পৃ ৫৪

২ প্ৰাগুক্ত গ্ৰন্থ পৃ ২২৪

লোক-ভাষা বুলি ড নবীন চন্দ্ৰ শৰ্মাদেৱে তেখেতৰ লোক-সংস্কৃতি গ্ৰন্থত উল্লেখ কৰিছে। একে জনসমাজৰ আন ঠাইৰ লগত বিশেষভাৱে যোগাযোগ নথকা কোনো গাঁৱলীয়া অঞ্চলত কোৱা ভাষাৰ ৰূপ এটাও থাকিব পাৰে। পিছ পৰা গাঁৱলীযা অঞ্চলৰ এনে ভাষাক লোক-ভাষা বুলি ড উপেন্দ্ৰনাথ গোস্বামীদেৱে উল্লেখ কৰিছে। লোক-ভাষাত ধ্বনি শব্দ ৰূপ গঠন-ৰীতি আদিৰ ক্ষেত্ৰত বিভিন্নতা পৰিলক্ষিত হয়। তদুপৰি ইযাৰ আঞ্চলিক প্ৰভেদো থাকে। লোক-ভাষা লোক সমাজৰ বাচিক আচৰণৰ বাহকস্বৰূপ। সেয়েহে লোক-সাহিত্যই বাঙ্ময ৰূপ ধাৰণ কৰে লোক-ভাষাৰ জৰিযতে।

লোক-ভাষা লোক-সংস্কৃতিৰ এক উল্লেখনীয উপাদান। মেৰীযা লিছৰ (Maria Leach) দ্বাৰা সম্পাদিত Standard Dictionary of Folklore ত লোক-সংস্কৃতি বা লোক-বিদ্যাৰ (Folklore) সূত্ৰত George Heryog -এ ক'ব বিচাৰিছে যে মুখে মুখে প্ৰচলিত পৰম্পৰা বিশেষকৈ পুৰাণ-কথা সাধুকথা লোকগীত আৰু অন্যান্য লোক-সাহিত্যৰ ৰূপ লোক-ভাষা আৰু উপভাষা লোক সংগীত লোক-নৃত্য আচাৰ-অনুষ্ঠান বিশ্বাস আৰু লোক-বিজ্ঞানৰ সমষ্টিযেই লোক-সংস্কৃতি। গতিকে দেখা গ'ল লোক-সংস্কৃতি এবিধ কলাৰূপ—ই বিবিধ প্ৰকাৰৰ কাহিনী প্ৰবচন লোকোক্তি মন্ত্ৰ গীত যাদু আদিৰ সমষ্টি। কিন্তু এই সকলোবোৰ সমলৰ প্ৰকাশৰ মাধ্যম কথিত ভাষা বা লোক-ভাষা। লোক-সংস্কৃতিৰ উপাদানবাজিক সাৰ্থকভাৱে বিচাৰ-বিশ্লেষণ কৰিবলৈ হ'লে লোক-জীৱনৰ ভাষাৰ ওচৰ চাপিব লাগিব। লোক-ভাষাৰ ভাষাতাত্ত্বিক জ্ঞান অবিহনে লোক-সংস্কৃতিৰ অন্তৰ্গত লোক-সাহিত্য অধ্যয়ন কৰা টান। এই লোক-সাহিত্যৰ জৰিযতে লোক-ভাষাই লিখিত ৰূপ লাভ কৰে।

লোক-ভাষা উপভাষাৰেই অন্তৰ্গত আৰু সাধু ভাষাতকৈ লোক-ভাষা পুৰণি। কোনো এক আঞ্চলিক উপভাষাৰ চাৰিসীমাৰ অন্তৰ্গত চহা, অনাখৰী সম্প্ৰদায়ৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত ভাষাই হ'ল লোক-ভাষা। লোক-কলা (Folk-art) আৰু লোক-ভাষাৰ সৃষ্টিৰ মাধ্যম একেটাই। ' Folk-art is a art created by the folk for themselves It exists only when there is a gap between the folk community and the advance Community It comes from the day-to-day experience of the people and from their religion and Superstitions

৩ উপেন্দ্ৰনাথ গোস্বামী — *ভাষাবিজ্ঞান* পৃ ১৪

8 *The New Book of Knowledge*—Pub Grolier Vol—6 p 290

লোক-ভাষা সমৰূপ বিশিষ্ট নহয়। ৰূপতাত্ত্বিক ধ্বনিতাত্ত্বিক গঠন-ৰীতিৰ ক্ষেত্ৰত লোক-ভাষা অধ্যয়ন কৰিলে দেখা যায় ইয়াৰ ভিন্নতা। কিন্তু লিখিত ভাষাৰ ভাষাতাত্ত্বিক উপাদানৰ মাজত সমৰূপতা ৰক্ষিত হোৱা দেখা যায়।

পুৰুষ আৰু নাৰীৰ ভাষাৰ পাৰ্থক্য লক্ষ্য কৰি লোক-ভাষাৰ উপাদান নিৰ্ণয় কৰিব পাৰি। নাৰী আৰু পুৰুষৰ ভাষাৰ মাজত পাৰ্থক্যৰ কাৰণ হ'ল উভয়ৰে আচৰণ ধাৰা আৰু সামাজিক জীৱন-প্ৰণালীৰ ভিন্নতা। কোনো জাতিৰ সভ্যতাৰ বিষয়ে জানিবলৈ হ'লে নাৰী-পুৰুষৰ ভাষাৰ মাজত থকা পাৰ্থক্যও লক্ষ্য কৰা যায়। প্ৰাচীন কালত পুৰুষসকল চিকাৰ-কাৰ্যত নিয়োজিত আছিল আৰু নাৰীয়ে কৃষি-কাৰ্য চম্ভালিছিল। গতিকে উভয় শ্ৰেণীৰ কথোপকথনৰ ক্ষেত্ৰত বিষয়গত পাৰ্থক্যাই দেখা দিছিল। কিছুমান সমযত নাৰীৰ কাৰণে কেতবোৰ শব্দৰ উচ্চাৰণ নিষিদ্ধ আছিল আনহাতে পুৰুষেও নাৰীৰ মাজত প্ৰচলিত বহুতো শব্দ ব্যৱহাৰ কৰা নাছিল। পুৰুষ-সমাজত প্ৰচলিত নিন্দাসূচক শব্দ বা গালি-শালাজ নাৰী-সমাজত আজিও অপ্ৰচলিত। কিছুমান সমাজত পুৰুষ আৰু তিৰোতাৰ প্ৰকাশভঙ্গী সম্পূৰ্ণ সুকীয়া। অসমৰ কামৰূপ অঞ্চলৰ গাঁৱলীয়া তিৰোতাই কাৰোবাৰ লগত তৰ্ক লাগিলে আৰু সিজনীৰ কথা সম্পূৰ্ণ অস্বীকাৰ কৰিলে এনেদৰে কয়— 'অ'ই চিকৌ আইলাপচু, ধাপ্পা' এনে প্ৰকাশ পুৰুষৰ মাজত অপ্ৰচলিত।[৫] নামনি অসমৰ তিৰোতাই কথা কোৱাত নাটকীয় ভঙ্গীও প্ৰযোগ কৰে। গতিকে লোক-ভাষা প্ৰযোগৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ ভিন্নতা আছে। বৰং পুৰুষতকৈ নাৰীৰ মাজতহে লোক-ভাষাৰ স্পষ্টতা অধিক লক্ষ্যণীয। ভাষাৰ আচল ৰূপ পাবলৈ হ'লে মহিলাসকলৰ ভাষা নিৰীক্ষণ কৰা বাঞ্ছনীয় কাৰণ ভাষাৰ আচল ৰূপটো মহিলাসকলেহে সংৰক্ষণ কৰে।

নিষিদ্ধ ভাষাৰ (Taboo speech) ক্ষেত্ৰত লোক-ভাষাৰ প্ৰভাৱ অতি স্পষ্ট। যিহেতু লোক-ভাষা মুখ-পৰম্পৰা প্ৰচলিত, সেয়েহে কিছুমান শব্দ লিখাৰ প্ৰসঙ্গত মুঠেই ব্যৱহাৰ নহয় নাইবা আনুষ্ঠানিক পৰিবেশত প্ৰযোগ নহয়। এই ব্যৱহাৰ নোহোৱা শব্দৰাজিৰ মাজত অসংখ্য নিষিদ্ধ (Taboo) শব্দও আছে। এই শব্দবোৰ ব্যৱহাৰ কৰিবলৈ লোক-ভাষীসকলে অকনো লজ্জাবোধ নকৰে। লোক-ভাষাৰ ক্ষেত্ৰত দেখা যায, শৰীৰৰ বিভিন্ন অঙ্গ-প্ৰত্যঙ্গবাচক, স্ত্ৰীসম্ভোগবাচক বা শাৰীৰিক কাৰ্য সম্পৰ্কীয় বহুতো শব্দ লোক-জীৱনৰ কথোপকথনৰ মাজত প্ৰচলিত হয়। তেওঁলোকে নিষিদ্ধ শব্দবোৰ সঘনে প্ৰয়োগ কৰে। অঞ্চল বিশেষে নিষিদ্ধ শব্দৰ অৰ্থৰো পৰিৱৰ্তন ঘটে। সাধাৰণতে লোক-ভাষা যিহেতু আঞ্চলিক উপভাষাৰ অন্তৰ্গত অশিক্ষিত সম্প্ৰদায়ৰ মাজত প্ৰচলিত, গতিকে পৰিবেশ অনুযায়ী নিষিদ্ধ

---

৫ ৰমেশ পাঠক — *ভাষাবিজ্ঞানৰ ভূমিকা*, পৃ ৪২

শব্দ লোক-ভাষীসকলে প্রয়োগ কৰি মনৰ জোৰ আৰু আনন্দ অনুভৱ কৰে সেয়েহে ভাষাবিদ Peter Trudgill -এ তেখেতৰ Sociolinguistics' গ্ৰন্থত লিখিছে ' Because of the strong reluctance of speakers to utter Taboo words or words like them in certain circumstances words are phonetically similar to Taboo words can be lost from a language It is often said for example that rabbit replaced the older word 'coney in English for this reason A similar explanation is advanced for the widespread American use of 'rooster rather than cock "[৬]

লোক-ভাষাত বৈয়াকৰণিক নীতি-নিয়ম মানি চলা প্ৰায়ে দেখা নাযায়। ভাষাতাত্ত্বিক বিশেষত্বতকৈ সামাজিক প্ৰসঙ্গৰ ওপৰতহে বেচি গুৰুত্ব দিয়া দেখা যায়। লোক-সমাজত তুমি বা আপুনি সম্বোধনতকৈ তই সম্বোধন অধিক মৰ্যাদা-সম্পন্ন। জতুৱা ঠাঁচৰ প্ৰযোগ লোক-ভাষাত যথেষ্ট পৰিমাণে হয়। উচ্চাৰণৰ ক্ষেত্ৰতো লোক-ভাষাৰ সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। গতিকে সাধু ভাষাৰ লগত লোক-ভাষাৰ পাৰ্থক্য থাকিলেও লোক-ভাষাই সকলো ভাষাৰ বুনিয়াদ। সেযে W Edson Richmond -এ লোক-ভাষা সম্পৰ্কে এনেদৰে যুক্তি দাঙি ধৰিছে— ' It should be obviously now that Folk-speech is the foundation on which all Language is based "[৭]

লোক-সংস্কৃতিৰ উপাদান লোক-সাহিত্যৰ প্ৰসঙ্গত লোক-ভাষাৰ তাৎপৰ্য মন কৰিবলগীয়া। লোক-সংস্কৃতিৰ তথ্য-পাতি সংগ্ৰহ কৰোঁতে লোক-ভাষা সংগ্ৰহৰ প্ৰয়োজনীয়তা অপৰিহাৰ্যৰূপে বিবেচিত। কিয়নো ভাষাৰ শব্দই সংস্কৃতিৰ ইতিহাস দাঙি ধৰিব পাৰে। বিশেষকৈ খেতি-বাতি মাছ মৰা বোৱা-কটা এৰি পলু পোহা ৰন্ধা-বঢ়া সম্বন্ধীয় বহুতো বাক্যাংশ বা জতুৱা ঠাঁচ চহা গাঁৱলীয়া বিভিন্ন সম্প্ৰদায়ৰ পুৰুষ-তিৰোতাৰ মাজত প্ৰযোগ হয়। সেইবোৰ সাহিত্যৰ ভাষাত অৰ্থ-ব্যঞ্জনাৰে ব্যৱহাৰ কৰিব পাৰি। অঞ্চল বিশেষে অসমীয়া ভাষা-সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্য ভাষা প্ৰচলিত। মুখ্যতঃ চাৰিটা আঞ্চলিক উপভাষাৰ প্ৰচলন অসমত দেখা যায়— উজনি অসমৰ আঞ্চলিক উপভাষা কামৰূপত প্ৰচলিত আঞ্চলিক উপভাষা গোৱালপাৰাত প্ৰচলিত আঞ্চলিক উপভাষা আৰু দৰঙত প্ৰচলিত আঞ্চলিক

---

৬ P Trudgill— *Sociolinguistics* p 31

৭ W Edson Richmond Folk-speech (*Folk lore and Folk life* ed R M Dorson 1972) p 154

উপভাষা। এই আঞ্চলিক উপভাষাবোৰৰ মাজত অশিক্ষিত লোক-সমাজে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি থকা বিভিন্ন ৰূপৰ প্ৰচলন আছে। উচ্চাৰণ-ৰীতি শব্দৰ প্ৰযোগ এনেকি অৰ্থৰ মাজতো এইবোৰ কথ্য ৰূপৰ পাৰ্থক্য লক্ষ্য কৰিব পাৰি। কামৰূপৰ উপভাষাৰ যি তিনিটা প্ৰধান উপৰূপ আছে, যেনে—যেনে মধ্য কামৰূপী পশ্চিম কামৰূপী আৰু দক্ষিণ কামৰূপী—এই আটাইকেইটা ৰূপত অশিক্ষিত সম্প্ৰদাযৰ মাজত প্ৰচলিত অসমীযা ভাষাৰ বহুতো পাৰ্থক্য দেখিবলৈ পোৱা যায়। আনহাতে কামৰূপী উপভাষাৰ লগত দৰঙৰ উপভাষাৰ উচ্চাৰণৰ ক্ষেত্ৰত বহুতো পাৰ্থক্য পৰিলক্ষিত হয। উজনি অসমৰ ভাষাত সাধাৰণতে পদমধ্যস্থিত স্বৰধ্বনিৰ ওপৰত শ্বাসাঘাত পৰে কিন্তু নামনি অসমৰ উপভাষাৰ শ্বাসাঘাত আদ্যাক্ষৰত পৰে আৰু ই অতি প্ৰবল। গতিকে উজনি আৰু নামনিৰ লোক-সমাজত প্ৰচলিত ভাষাৰ শ্বাসাঘাতৰ তাৰতম্যৰ বাবে উচ্চাৰণ ভিন্ন হোৱাটো নিতান্তই স্বাভাৱিক।

উজনি অসমৰ ভাষা	কামৰূপী উপভাষা	দৰঙৰ উপভাষা
তিৰোতা	তিৰতা	তিৰুতা
চোতাল	চতল চাতাল	চোতাল
প্ৰজা	পজ্জা	পজ্জা
পৃথিৱী	পিথিমি/পিতথিমি	পিথিমি
যোৰানাম	খিজাগীদ	নিন্দাপদ
খনিকৰ	সাজিকৰ/কাজিকৰ	চিতিকৰ ইত্যাদি।

মান্য অসমীয়াত ব্যৱহাৰ হোৱা বহুতো শব্দ কামৰূপ আৰু দৰঙৰ লোক-ভাষাত ভিন্ন হোৱা দেখা যায। উদাহৰণ স্বৰূপে 'গৰ্ভৱতী' শব্দৰ সমাৰ্থকৰূপে বহুতো পদ কামৰূপ/দৰঙৰ লোক-সমাজত প্ৰচলিত যেনে— গা-ভাৰী পেট হৱা গা নৰীযা, মাহেকীযা বন্ধ হৱা ইত্যাদি। 'নামনিৰ অন্যান্য উপভাষাৰ লগত যথেষ্ট সাদৃশ্যপূৰ্ণ হৈও ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক দিশত পশ্চিম গোৱালপাৰাৰ উপভাষা আজিৰ অসমীযা মান্য উপভাষাতকৈ ভালেখিনি আঁতৰত।'[৮] গতিকে লোক-সমাজত অঞ্চল অনুযাযী ভাষাৰ তাৰতম্য আছে। যেনে—

পশ্চিম কামৰূপী	পুব গোৱালপৰীযা	পশ্চিম গোৱালপৰীয়া
সি পুৱাই গৈছে।	সি বিহানে গেইছে।	উবায় বিহানে গেইচে।
এটু কাৰ ছলি?	এইটা কাৰ ছাৱা?	এইটা কাৰ ছাৱা?
তুহুন এতে আহ।	তুহুন/তুহা এতে আহ।	
সি নাহিল কিযা?	সি নাহিল কিয?	উবায় না আসিল কেনে?

৮ বীৰেন্দ্ৰ নাথ দত্ত — *ভাষা-সাহিত্যৰ জলঙাইদি* পৃ ১০৯

উচ্চাৰণ-ৰীতি শব্দৰ প্ৰয়োগ আৰু অৰ্থৰ পাৰ্থক্য সকলো ভাষাৰ আঞ্চলিক ৰূপত পৰিলক্ষিত হয়। লোক-ভাষাৰ পৰাই ভকতি মুকুতি, শোলেক মেলেছ আদি সংস্কৃতৰ যুক্তবৰ্ণৰ অসমীযাত সৰল উচ্চাৰণ হৈছে। লোক-ভাষাত প্ৰচলিত গছ-গছনি চৰাই চিৰিকতিৰ কেইটামান চিত্ৰব্যঞ্জক নামৰ উল্লেখ ড বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে উল্লেখ কৰিছে—তেওঁৰ অসমৰ লোক-সংস্কৃতি গ্ৰন্থত। যেনে— সফুৰি কঁঠাল মৌ-ডিমৰু কেতেকী সোন্দা (কল) শিমলু মনোহৰ (কল) শ'ল-জুকীয়া-আলু সেন্দুৰী-পুঠী খালৈ-ভাঙী শিল-ঘৰিয়া বালি-সেন্দুৰী কুকুৰ চটিয়া (মাছ) শিল-কেকোঁৰা বামুণী কাছ, পাকৈ ঢোঁৰা ইত্যাদি। ড উপেন্দ্ৰনাথ গোস্বামীদেৱে কামৰূপী লোক-ভাষাৰ পৰা সংগ্ৰহ কৰা কিছুমান শব্দ হৈছে—ভোজলুক সোইফৰাম পানপিপেলী ভেঁহেৰী (গেদগেদী মাছ) তেল ভালুকী খিচাগীদ ঠোগা চকৰি (পখিলা) ইত্যাদি।

নিষিদ্ধ ভাষাৰ ক্ষেত্ৰত লোক-ভাষাৰ প্ৰভাৱ অতি স্পষ্ট। অসমীযা লোক-ভাষাত অনেক শব্দৰ লিখিত প্ৰযোগ নাই কিন্তু কথিত প্ৰযোগ আছে। চহালোকে তেওঁলোকৰ প্ৰাত্যহিক জীৱনত এই নিষিদ্ধ শব্দবোৰ সঘনে প্ৰযোগ কৰে। যেনে—সম্বন্ধসূচক শব্দ ° লালাক ভাতাৰ তিৰী মাইহ্নাক ইত্যাদি গালিসূচক শব্দ ° ৰক্তেনী কনপৰা ছনপৰা ঢোকা যাৱা গজমূৰী পৈযেৰেৰ মূৰ খা ধেন্নী আনা আমৰা চখু, চুৰা খাৱা অলাপ্‌বহোতে যাৱা তিৰি বাৰী হৰা ইত্যাদি।

লোক-মুখৰ ভাষা হৃদযগ্ৰাহী। কথন ভঙ্গীমা সাঙ্গীতিক লযযুক্ত। লিঙ্গ ভেদে লোক-ভাষা কোৱাৰ ভঙ্গীমাও ভিন্ন। শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ চালনৰ ভঙ্গীযেও লোক-ভাষাক মাধুৰ্যময কৰি তোলে। নেদেখা নুশুনাকৈ লোক-ভাষা উপলব্ধি কৰিব নোৱাৰি। লোক-ভাষাৰ কথন ভঙ্গীৰ সুৰত কথকৰ শোক, আনন্দ খং স্পষ্টভাৱে প্ৰকাশ পায, উপমা-উদাহৰণেৰে বক্তাই তাক চিত্ৰসম্পন্ন কৰি তোলে। বাস্তৱধৰ্মিতাও লোক-ভাষাৰ এক এৰাব নোৱৰা লক্ষণ। অসমীয়া লোক-সমাজৰ বিভিন্ন আঞ্চলিক লোক-ভাষাত প্ৰচলিত উপমাৰ উদাহৰণ বহুতো পোৱা যায। যেনে—তৰা-নৰা ছিঙা লৰ দাংকোপ মাৰা কথা, টিকা-ফটা ৰ'দ ইত্যাদি। লোক-জীৱনৰ লগত জড়িত অসংখ্য প্ৰৱাদ-প্ৰবচন, জতুৱা খণ্ডবাক্য অসমীযা লোক-ভাষাত পোৱা যায়। খেতি-বাতি মাছ-মৰা, ৰন্ধা-বঢা ধৰ্ম-কৰ্ম আদিৰ লগত সঙ্গতি ৰাখি ব্যৱহাৰ কৰা প্ৰৱাদ বাক্য হ'ল—অতি দৰ্পে হত লংকা, মাহৰ মাৰ দেখি তিলে বেঁত মেলা, ধান পকে মানে টুনিৰ মৰণ, হোলোঙাৰে কাণ বিন্ধোৱা তিলকে তাল কৰা, বেজৰ নাকত খৰে খালে খুদ খাই পেট নষ্ট কৰা গেলা বৰালিত হাত পৰা, বুঢাৰ হাতত চেঙেলী ইত্যাদি।

লোক-ভাষাত চহা মানুহৰ সৰল মনৰ প্ৰকাশ কোনো কৃত্ৰিমতা নোহোৱাকৈ অশ্লীল বা অসাধু ৰূপতে প্ৰকাশ পায়। কোনো লুক-ধাক নকৰাকৈ লোক-ভাষাত এনে শব্দ বাক্য পটন্তৰ আদি ব্যৱহাৰ কৰে যেনে—ধাপ চেলেই দিয়া পোকৰ কটিক কটি কিয়া আইছা? নিজৰ পোকৰ তেকতেকীয়া লোকৰ পোকৰলৈ পানী ছটিয়া মাজ মূৰত নাই চুলি পৈযেকে মাতে কেশমতী বুলি ইত্যাদি।

লোক-সাহিত্য বা মৌখিক সাহিত্যই যি কোনো ভাষাৰ সাহিত্যত কম বেছি পৰিমাণে বিশেষ স্থান অধিকাৰ কৰি থাকে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো এই কথা সত্য। লোক ভাষাসমূহত পোৱা লোক-সাহিত্যৰ সমলবোৰ আহৰণ কৰিবলৈ হ'লে লোক-ভাষাৰ অধ্যয়নৰ প্ৰয়োজন। অকল লোক-সাহিত্যৰ বাহন হিচাপেই নহয় স্বতন্ত্ৰভাৱে একোটা অঞ্চল বা গোষ্ঠীৰ সাংস্কৃতিক বৈশিষ্ট্যৰ এটা দিশ হিচাপেও উপভাষা-বিজ্ঞানী আৰু সমাজ ভাষা-বিজ্ঞানীসকলে বিভিন্ন অঞ্চলৰ উপভাষাৰ নানান তথ্য সংগ্ৰহ কৰি ভাষিক মানচিত্ৰ ও তৈয়াৰ কৰে। প্ৰতি অঞ্চলৰ উপভাষাৰ বিষয়ে বুজ লওঁতে বহু সময়ত কৰ্ষিত বাকৰীতি (Cultivated speech) সাধাৰণ বাকৰীতি (Common speech) আৰু লোকায়ত বাকৰীতি (Folk speech) সুকীয়াকৈ চিহ্নিত কৰা হয়। গতিকে লোক-সংস্কৃতিৰ বিভিন্ন উপাদান আৰু হেৰাই যোৱা ইতিহাস বিশ্লেষণ কৰিব লাগিলে লোক-ভাষা বা লোকায়ত বাকৰীতিৰ ওচৰ চাপিব লাগিব। কিয়নো বুৰঞ্জীয়ে যেতিয়া সাক্ষ্য দিব নোৱাৰা হৈ পৰে তেতিয়া আমি লোক-সংস্কৃতিৰ আশ্ৰয় ল'বলগীয়াত পৰোঁ। ইতিহাসৰ সাক্ষী হ'ব পাৰে লোক-সংস্কৃতি আৰু তাক অধ্যয়ন কৰিব পাৰি লোক-ভাষাৰ মাধ্যমেৰেহে। □

৯ প্ৰাগুক্ত গ্ৰন্থ পৃ ১১

সপ্তম পৰিচ্ছেদ ঃ

অন্যান্য প্ৰসঙ্গ

উচ্চাৰণ, বানান আৰু লিপি ঃ এটি সমীক্ষা

❑ সুকুমাৰ বিশ্বাস

সম্প্ৰতি ভাৰতীয় ভাষাবোৰৰ লিপি-ব্যৱহাৰৰ ক্ষেত্ৰত ৰোমান হৰফ প্ৰয়োগৰ প্ৰস্তাৱ আলোচনা-বিলোচনা শুনিবলৈ পোৱা গৈছে। বহুত দিনৰ আগতে আচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায় মহোদয়ে এনে হেন প্ৰস্তাৱৰ অনুকূলত তেওঁৰ অভিমত আগবঢ়াইছিল। কিন্তু পুৰণি আমোলৰ পৰা চলি থকা ঐতিহ্যৱাহিত বিধি-ব্যৱস্থাৰ প্ৰতি মানুহৰ স্বাভাৱিক দুৰ্বলতা থাকে। লিপিৰ ক্ষেত্ৰতো এনে ধৰণৰ সংৰক্ষণশীল মনোভাৱ আমাৰ মাজত নথকা নহয়। ঘৰুৱা এটা কিবা বিধি-ব্যৱস্থা নাইবা পদ্ধতিৰ সলনি নতুন বিশেষকৈ বাহিৰৰ উপাদান-উপকৰণ আমি কিয় মানি ল'ব লাগে— এনে মানসিকতাও আমাৰ মনত সদায় ক্ৰিয়াশীল। কেতিয়াবা আৱেগিক মোহগ্ৰস্ততা আৰু বিবেচনাহীন সংৰক্ষণশীলতা সামূহিক মঙ্গল আৰু ব্যৱহাৰিক সুবিধাৰ পৰিপন্থী হ'ব পাৰে। সেয়ে লিপি-পদ্ধতিৰ সম্ভাব্য পৰিৱৰ্তন সম্বন্ধীয় কথাবোৰ আমি মুকলি বুদ্ধি আৰু প্ৰাসঙ্গিক যুক্তিৰে গম্ভীৰভাৱে বহলাই চিন্তা-চৰ্চা কৰি চাব লাগে।

কিবা এটা পদ্ধতি নাইবা বিধি-ব্যৱস্থা এৰি দিবলৈ যেতিয়া আমাৰ মাজত এটা আন্দোলন গঢ় লৈ উঠে তেতিয়া আমাৰ মনত প্ৰশ্নৰ উদয় হোৱাটো স্বাভাৱিক যে, পুৰণি প্ৰজন্মৰ পৰা চলি অহা প্ৰচলিত পদ্ধতি আৰু স্বীকৃত ব্যৱস্থাত কি ভুল ত্ৰুটি নাইবা জটিলতা আছে, যি কাৰণে এনে হেন সমস্যাৰ কথা আমি ভাবিবলগীয়া হৈছোঁ। ইমান দিনৰ পৰা আজিলৈকে নাগৰী অসমীয়া-বঙলা লিপি-পদ্ধতিৰ যি সাঙ্কেতিক ৰূপ অব্যাহত আছে সিবোৰৰ কাৰ্যকাৰিতা ব্যৱহাৰিক জটিলতা আৰু পদ্ধতিগত ত্ৰুটি বিচ্যুতি ৰোমান লিপিৰ প্ৰতিতুলনাত আঁতিগুৰি সমীক্ষা কৰিব লাগে। ইয়াৰ উপৰি আৰু এটা কথা মন কৰিবলগীয়া। আমাৰ দেশত ভাষাগত বিভিন্নতাৰ ফলত আন্তঃপ্ৰাদেশিক স্তৰত আপামৰ জনসাধাৰণৰ মাজত পাৰস্পৰিক বুজাবুজি ভাব-ভাষা আৰু সংস্কৃতিমূলীয় আদান-প্ৰদানৰ বাট বৰ ক্ষীণ হৈ আছে। এনে হেন অৱস্থাত বহুমুখী লিপি-প্ৰতীকৰ প্ৰচলনে আমাৰ মাজত অধিক ব্যৱধান সৃষ্টি কৰাৰ সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। ভাষা আৰু লিপিৰ ছিটিকাত বন্দী হৈ আমি থান-বান হৈ থকা বাবে অইন ভাষা শিকাৰ আৰু ভাষাৰ যোগেদি আনৰ সাহিত্য-সংস্কৃতিৰ পথাৰত গোট খোৱাৰ সুবিধাৰ পৰা আমি বঞ্চিত হৈ আছোঁ।

মোৰ শিক্ষাগুৰু আচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায মহোদযে কেইদশকমান আগতে ৰোমান হৰফ প্ৰবৰ্তনৰ অনুকূলত কিয এটি প্ৰস্তাৱ আগবঢাইছিল সেই কথা এতিযা বহলাই বিচাৰি চোৱাৰ থল আছে। বঙলা-অসমীযা নাগৰী আদি লিপিৰ সৈতে ৰোমান লিপিৰ আপেক্ষিক পাৰ্থক্য আমাৰ লিখন-পদ্ধতিৰ জটিলতা তথা লিপি প্ৰতীকৰ বহুলতাৰ সম্পৰ্কত তেখেতে বিশ্লেষণাত্মক মতামত দাঙি ধৰা নাছিল যদিও আমি অনুমান কৰিব পাৰোঁ অন্তৰ্দৃষ্টিসম্পন্ন পণ্ডিতজনে ইবোৰ প্ৰসঙ্গত তললৈ মূৰ নমাইছিল। গতিকে অসমীযা-বঙলা লিপিৰ আধাৰত প্ৰসঙ্গটোৰ স্বৰূপ সম্বন্ধে বুজ ল'বলৈ এবাৰ চকু ফুৰাব লাগিব।

(ক) কৈ থোৱা ভাল যে আমাৰ লিপি ৰোমান লিপিৰ দৰে সামগ্ৰিকভাৱে ধ্বনিমূলা (phonetic) নহয ইযাত আংশিকভাৱে অক্ষৰমূলীয (syllabic) বৈশিষ্ট্য বিদ্যমান। স্বৰধ্বনিসূচক প্ৰতীক-চিত্ৰবোৰ এটা এটা স্বৰধ্বনিৰ প্ৰতিনিধি হয় কিন্তু ব্যঞ্জনধ্বনিৰ প্ৰতীক-চিত্ৰবোৰ নহয। সিবোৰ অক্ষৰমূলা ঃ [ক = ক্ + অ, প = প্ + অ]। তথাপি উচ্চাৰণ-বৈশিষ্ট্যৰ ফালৰ পৰা চালে ব্যৱহাৰিক ক্ষেত্ৰত ব্যঞ্জনধ্বনিৰ প্ৰতীক-চিত্ৰবোৰে দুবিধ পৰিচয সূচায়, অৰ্থাৎ ইবোৰ ধ্বনিমূলা আৰু অক্ষৰমূলা বৈশিষ্ট্যৰ পৰিচয়বাহী ° যেনে— বঙলা [একটা (ক্) একতা (ক্ + অ)], অসমীয়া [মানুহজন (ন্), জন-জাতি (ন্ + অ)]। তেন্তে, অভিন্ন লিপি-প্ৰতীক কেতিয়াবা ধ্বনি কেতিযাবা অক্ষৰৰ পৰিচাযক হোৱাত লিপিৰ সুকীযা চৰিত্ৰ ব্যাহত হৈছেহি।

(খ) ৰোমান লিপিৰ এটা উল্লেখনীয বৈশিষ্ট্য যে, তাত স্বৰধ্বনিৰ প্ৰতীক-চিত্ৰ হিচাপে মাথোন কেইটামান সুনিৰ্দিষ্ট সাংকেতিক ৰূপ আছে। প্ৰথমতে, আমাৰ লিপিত (কথাটো নাগৰী লিপিৰ ক্ষেত্ৰতো প্ৰযোজ্য) স্বৰধ্বনি-প্ৰতীকৰ কেইবাটাও পূৰক প্ৰতীক-চিত্ৰ (allograph variants) থকাত লিপি-পদ্ধতি যথেষ্ট বহল আৰু জটিল, আৰু সিকোঁতাৰ কাৰণে অযথা দীঘলীয়া আৰু ভাৰবাহী। ব্যঞ্জনধ্বনিৰ লগৰীয়া হৈ থকা স্বৰধ্বনিৰ বেলেগ বেলেগ প্ৰতীক চিন থকা বাবে প্ৰতীক-চিত্ৰৰ চৰ্তসাপেক্ষে (graphemically conditioned allograph) একোটাকৈ পূৰক-প্ৰতীকৰ প্ৰচলন আছে ঃ যেনে— ই, ি [ইতৰ, ভিতৰ], এ, ে [এলেহুৱা, কেৰেল], উ, ু [উপৰি, নতুন] ইত্যাদি। একোটা স্বৰধ্বনিৰ অন্তত দুবিধ প্ৰতীক-ৰূপে (অকল 'অ' ধ্বনিটোৰ পূৰক-প্ৰতীক নাইকিয়া) আমাৰ লিপি-প্ৰণালীত সংখ্যা আৰু পদ্ধতিগত বাহুল্যৰ সৃষ্টি কৰিছে। ৰোমান লিপিমালাত স্বতন্ত্ৰ স্বৰধ্বনি নাইবা ব্যঞ্জনবাহী স্বৰধ্বনিৰ বাবে প্ৰতীক-চিত্ৰগত পাৰ্থক্য নাইকিয়া ঃ [enei = এনেই : tenei = তেনেই/okha = ওখ : mok = মোক], অৰ্থাৎ ব্যঞ্জনধ্বনিৰ লগৰীয়া স্বৰধ্বনিৰ প্ৰতিনিধিত্ব কৰিবলৈ বেলেগ আকৃতিৰ স্বৰধ্বনি-প্ৰতীক নালাগে,

ব্যঞ্জনধ্বনিলিপিৰ আগত নাইবা পিছত স্বৰধ্বনিৰ একেই চিত্ৰৰূপ বহুৱাই দিয়া যায় [উ পু u pu/ঐ কৈ ai kai/ওল ॰ ভোল ol bhol]।

(গ) স্বৰধ্বনিৰ হ্ৰস্ব আৰু দীৰ্ঘ ৰূপৰ উচ্চাৰণগত পাৰ্থক্য মাথোঁ মাত্ৰাগত। অকল মাত্ৰাগত পাৰ্থক্য দেখুৱাবলৈ আমাৰ ধ্বনিমূলীয় প্ৰতীক-চিত্ৰৰ ৰূপ আৰু প্ৰযোগগত জটিলতা মন কৰিবলগীয়া। [ই] আৰু [ঈ]-ৰ মাজত যিদৰে চেহেৰাৰ ভিন্নতা আছে, তেনেদৰে পূৰক প্ৰতীক-ৰূপৰ ক্ষেত্ৰতো [ি, ী] পাৰ্থক্য স্পষ্টকৈ দেখিবলৈ পোৱা যায। তদুপৰি প্ৰযোগৰ ক্ষেত্ৰত অৱস্থানগত পাৰ্থক্যও সুকীয়া [কি ॰ কী]। ৰোমান হৰফৰ প্ৰণালীটো আটাইতকৈ জটিলতাবিহীন ঋজু। দীৰ্ঘত্ব বুজোৱা একোটা সাংকেতিক চিন স্বৰধ্বনি-লিপিৰ ওপৰলৈ আঁকি দিব লাগে : [পু = pu পূ = pū তি =ti তী = tī]।

অসমীয়া, বঙলা আৰু নাগৰী লিপিত কেইটামান পূৰক-প্ৰতীকৰ ৰূপ (allographic representation) অনাৱশ্যকভাৱে উদণ্ড আৰু কুটিল। একোটা বিশিষ্ট স্বৰধ্বনি আৰু ইযাৰ উচ্চাৰণ প্ৰকৃতিৰ অভিন্নতা সত্ত্বেও লেখচিত্ৰৰ বহুমুখীয়া ৰূপ বৰ অযৌক্তিক যেন লাগে। স্বৰধ্বনি [উ]-ৰ পূৰক-প্ৰতীকৰ সামান্য ৰূপ [ু = কু ভু]। কিন্তু এইটোৰ বাহিৰেও আমি কেইবাটাও প্ৰতীক-চিহ্ন পাওঁ। যেনে— [চু ৰু শু হু] এইদৰে [উ]-ৰ পূৰক-প্ৰতীকৰ প্ৰচলিত ৰূপ হ'ল [পু, ৰু]। ৰোমান লিপিত এইবোৰ সমস্যা অনুপস্থিত। পৃথিৱীৰ আটাইবোৰ ভাষাৰ ক্ষেত্ৰত উচ্চাৰণ আৰু লিপিৰ (লিখিত ধ্বনি-প্ৰতীকৰ) মাজত অসামঞ্জস্য দেখিবলৈ পোৱা যায়। এই সমস্যা আৰু বৈষম্যৰ সামূহিক সমাধান সম্ভৱ নহয় কিযনো উপভাষা-বিভাষাত ঠায়ে ঠাযে উচ্চাৰণৰ বৈচিত্ৰ্য আৰু বিভিন্নতা কম-বেছি পৰিমাণে থাকিব। দৰাচলতে উচ্চাৰণৰ সম্ভাব্য পৰিৱৰ্তনৰ লগত সামঞ্জস্য ৰক্ষা কৰি লিপি-প্ৰতীকৰ সংস্কাৰ সাধন কৰা যুক্তিযুক্ত নহয়। তথাপি ভাষা-উপভাষা সম্প্ৰদায়ৰ উচ্চাৰণত ক্ষেত্ৰ আৰু পৰিবেশ ভেদে ধ্বনি-প্ৰকৃতিৰ ভিন্নতা নথকা নহয়। যেনে, অসমীয়া= [তেওঁ দেখিলে (-এ), তেওঁ দ্যাখে (-এ্যা)/ বঙলা = একটি (-এ), একটা (-এ্যা)]। সেয়ে ৰোমান লিপিত দুই-এটা বৰ্ণ-লিপি (Phonemic representation) প্ৰয়োজনবোধে সুমুৱাই ল'ব লাগে।

(ঘ) আমাৰ ব্যঞ্জনধ্বনিৰ প্ৰতীক-চিত্ৰবোৰ যথেষ্ট স্পষ্ট হ'লেও শিকোঁতাৰ কাৰণে অনায়াসগম্য নহয়। আটাইতকৈ দুৰূহ হ'ল সংযুক্ত ব্যঞ্জনধ্বনিৰ (Consonant clusters) প্ৰতীক-চিত্ৰবোৰ। কেতিয়াবা যি দুটা ব্যঞ্জনধ্বনি লগ লাগি এটা যুগ্ম (যুটীয়া) ব্যঞ্জন গঢ় লয়, লিখিত প্ৰতীকত সেই যুটীয়া ধ্বনি বুজোৱা ৰূপটো মূল দুয়োটা ধ্বনি-প্ৰতীকৰ সম্মিলিত ৰূপ নহয়, এটা সুকীয়া চিত্ৰ-ৰূপহে হয় : [ক্ + ত = ক্ত, হ্ + ম = হ্ম, ঞ + চ = ঞ্চ, ক্ + ৰ = ক্ৰ]। ৰাসায়নিক

বিক্রিয়াৰ ফলত যেন দুয়োটা মূল উপাদান মিহলি হৈ এটা নতুন যৌগৰ সৃষ্টি কৰিছে ঃ যেনে— [ক] আৰু [স] লগ লগালে [ক্স] হয় অথচ [ক] আৰু [ষ]-ৰ মিশ্ৰৰূপ [ক্ষ]। এনেদৰে ধ্বনিৰ প্ৰতিনিধিসূচক প্ৰতীকৰ প্ৰযোগত খেলিমেলি যথেচ্ছাচাৰ আৰু জটিলতা দেখিবলৈ পোৱা যায় ° তুলনীয় = [স + ম = স্ম স + থ = স্থ] আৰু [গ + ন = গ্ন কিন্তু হ + ন = হ্ন, হ্ + ণ = হ্ণ]। প্ৰতীক-চিত্ৰৰ বহুমুখীয়া পূৰকৰূপে (graphemic variants) লিপি-পদ্ধতিৰ জটিলতা আৰু দুৰ্বোধ্যতাহে সূচায়। ধৰক [প্ + ত = প্ত ত + ত = ত্ত স্ + ত + আ = স্তা স্ + ত + উ = স্তু]। কম্পিত (Trilled) ব্যঞ্জন-[ৰ]-ৰ তিনিটা পূৰক-প্ৰতীক আছে। এই তিনিটাৰ প্ৰযোগ-পৰিবেশ সুনিৰ্দিষ্ট (১) আগত নাইবা পিছত স্বৰধ্বনি থকা [ৰ]ঃ যেনে- ৰ্ + অ = ৰব ৰ + উ = আৰু অ + ৰ = কৰ্ (২) ৰ্ + ব্যঞ্জনধ্বনি = তৰ্ক গৰ্হিত (৩) ব্যঞ্জনধ্বনি + ৰ = ক্ৰম নম্ৰ। ৰোমান লিপিমালাত কিন্তু এটি মাত্ৰ প্ৰতীক-চিত্ৰেৰে কাম চলোৱা সম্ভৱ [ra ur n/rk rh/kr mr]।

অসমীয়া-বঙলা আৰু নাগৰী লিপিত পাঁচোটা নাসিক্য ব্যঞ্জনধ্বনিৰ বাবে বেলেগ বেলেগ প্ৰতীক-চিত্ৰৰ প্ৰচলন আছে ° [ঙ ঞ ন ণ ম]। ৰোমান হৰফত [ম]-ৰ ঠাইত [m] লিখি বাকীকেইটাৰ সলনি এটা মাত্ৰ চিত্ৰৰূপৰ সৈতে বেলেগ বেলেগ সাংকেতিক চিন যুগুত কৰি ধ্বনিৰ লেখ্য ৰূপ পোৱা যায় [ন = n ণ = ṇ ঙ = n ঞ = ñ]। আমাৰ শিস্-ধ্বনিকেইটাৰ ক্ষেত্ৰতো এনে সৰলীকৰণৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে [স = s ষ = ṣ শ = ś]। মুঠতে প্ৰতীক-চিত্ৰৰ সংখ্যাগত ন্যূনতা আৰু জটিল পূৰক-প্ৰতীকবোৰৰ বৰ্জন ৰোমান লিপিৰ উল্লেখনীয় বৈশিষ্ট্য। অৱশ্যে ভাষা-উপভাষাৰ প্ৰচলিত উচ্চাৰণ-প্ৰকৃতি আৰু ধ্বনি-বৈশিষ্ট্যলৈ লক্ষ্য কৰি দুটা-এটা পৰিবৰ্তন পৰিমাৰ্জন আৰু পৰিবৰ্ধনৰ বাট মুকলি ৰাখিব লাগিব। যেনে- সঘোষ উষ্মীভূত শিস্ধ্বনিৰ (Voiced spirants) প্ৰতীক হিচাপে [z]-ৰ প্ৰযোগ গ্ৰহণীয় হ'ব পাৰে। অৱশ্যে উচ্চাৰণ অনুসৰি তদনুৰূপ বানানৰ সংস্কাৰ বিধিসন্মত আৰু যথাযথ হ'লেও বানানৰ ক্ষেত্ৰত এটা সুনিৰ্দিষ্ট ৰীতি মানি লোৱা ভাল। লিখিত প্ৰতীকবোৰে বানানৰ প্ৰতিনিধিত্ব কৰে। ধ্বনি-সংক্ৰমণ সমীভৱন আদি প্ৰক্ৰিয়াই স্বাভাৱিকভাৱে উচ্চাৰণৰ ওপৰত প্ৰভাৱ পেলাব, কিন্তু সকলো ক্ষেত্ৰতে সেইদৰে বানান সংস্কাৰ কৰিলে প্ৰত্যক্ষত দৃশ্যমান লিপি-প্ৰতীকেৰে প্ৰতিফলিত শব্দবোৰৰ পৰিচয় আৰু প্ৰকৃতি অস্পষ্ট হৈ উঠাৰ সম্ভাৱনা। সেয়ে ইংৰাজী ধাতু act ৰ পৰা গঢ় লোৱা action আৰু actual শব্দ দুটাৰ বানান তথা লিখিতৰূপে উচ্চাৰণৰ লগত সঙ্গতি ৰক্ষা নকৰিলেও বানান-সংস্কাৰৰ কথা কোনেও চিন্তা নকৰে। ইংৰাজী ধাতু [serve (ছ = স/জ)]-ৰ পৰা নিষ্পন্ন [pre serve re serve ob-serve] আদিৰ বানান আৰু প্ৰতিলিপিকৰণেও

অনুৰূপ সিদ্ধান্তলৈ আঙুলিয়ায়। অসমীয়া [গছ] শব্দৰ বহুবচনৰ ৰূপ একে কাৰণতে [গজবোৰ] হিচাপে লিখা উচিত নহয়। সি যি কি নহওক উচ্চাৰণ বানান আৰু লিপি-প্ৰতীকৰ পাৰস্পৰিক সম্বন্ধক লৈ বহল আলোচনাৰ থল আছে যদিও কেইটামান সূত্ৰ উলিয়াই তাৰ আধাৰত সিদ্ধান্ত ল'বলৈ বুলিহে এই লেখা আগবঢ়ালোঁ।

(ঙ) কথা-বতৰাৰ মাজেদি আমি মনৰ ভাব আৰু অভিপ্ৰায় প্ৰকাশ কৰোঁ। কথাবোৰ শুনিবলৈ পোৱা যায় কিন্তু তাৰ কোনো প্ৰত্যক্ষ ৰূপ নাইকিয়া। কোৱা কথাৰ নাইবা ভাষাৰ কথ্য ৰূপৰ দৃষ্টিগ্ৰাহ্য চেহেৰা নথকাত ভাষাৰ ক্ষেত্ৰত এই পৰ্যায়ত বানানৰ ভূমিকা অনুপস্থিত। মনৰ ভাব আৰু মুখৰ কথা ধৰি ৰাখিবলৈ বানানৰ গুৰুত্ব আৰু প্ৰযোজন। লিপিৰ মাধ্যমেৰে লিখি ৰাখিবলৈ ব্যৱহাৰ কৰা প্ৰতীক চিন অথবা চিত্ৰবোৰ বানানৰ বাহ্যিক তথা প্ৰত্যক্ষ দৃষ্টিগোচৰ ৰূপ মাথোন। ধ্বনিৰ লগত ধ্বনি সংযোগ কৰি যিবোৰ শব্দৰ উচ্চাৰণ কৰা হয়, বানানৰ মাধ্যমেৰে সেইবোৰ যথাযথভাৱে লিখি দেখুৱাব নোৱাৰিলে কওঁতাৰ মনৰ অভিপ্ৰায় আৰু বক্তব্য বিষয তৎকালেই লোপ পায়। সেইখিনি ধৰি ৰখাৰ বাবেই লিপিৰ আৱশ্যক। স্থান আৰু কালৰ ব্যৱধান অতিক্ৰম কৰি ভাষাৰ ৰূপ আৰু ভঙ্গী তথা মনোগত অভিপ্ৰায ভাবনা-কামনা প্ৰত্যক্ষ কৰোৱাবলৈ বানানৰ সহাযেৰে লিপিৰ আশ্ৰয় ল'ব লাগে। ভাষাৰ লিখিত ৰূপ উচ্চাৰণ কৰিহে পঢ়িব লাগে। এই ফালৰ পৰা উচ্চাৰণ আৰু লিপিৰ মাজৰ স্তৰ হ'ল বানান।

উচ্চাৰণ বানান আৰু লিপিৰ মাজৰ পাৰস্পৰিক অঙ্গাঙ্গী সম্বন্ধ তত্ত্ব হিচাপে মানি ল'লেও দৰাচলতে ভাষাৰ এনে হেন তিনিটা পৰ্যাযৰ মাজত যথেষ্ট অসামঞ্জস্য দেখিবলৈ পোৱা যায়। সেযে বানান-সমস্যা তথা উচ্চাৰণ-বানানৰ অসঙ্গতি এতিযা আলোচনা-গৱেষণাৰ বিষয় হৈ উঠিছে। উচ্চাৰণ মানুহৰ স্বতোউৎসাৰিত স্বাভাৱিক ব্যাপাৰ আনহাতে লিপি এটি যান্ত্ৰিক উপায়হে। বানানে এই দুয়োটাৰ মাজত দৌত্য কৰিব বিচাৰে। কেতিযাবা সফল হয, কেতিযাবা বিফল হয়। ভাষা- শব্দ আৰু ধ্বনিৰ ইতিহাস বিৱৰ্তন আৰু অৱস্থান (speech environment)-গত পাৰ্থক্য আছে, উচ্চাৰণৰো স্থান-কালগত পৰিৱৰ্তন নোহোৱা নহয। কিন্তু লিপিৰ বছৰেকীয়া সংস্কাৰ সাধন সম্ভৱ নহয সম্ভৱ হ'লেও সি ভাষাৰ বুৰঞ্জীৰ পৰিপন্থী হ'ব।/ বাক্-চাতুৰি/ বাক্-দেৱী / আৰু / বাক্-ময /— এই তিনিটা তৎসম শব্দৰ উচ্চাৰণ আৰু বানানৰ মাজত বিৰোধ নাইকিয়া কিযনো / বাক্ / শব্দটোৰ সন্ধিজাত সমীভূত ৰূপ— / বাক্-চাতুৰি বাগ্‌দেৱী আৰু বাঙ্ময/ উচ্চাৰণ আৰু বানানৰ ক্ষেত্ৰত যথাযথভাৱে সংৰক্ষণ কৰা হৈছে। সেইদৰে সংস্কৃত নঞৰ্থক উপসৰ্গ /অ-অন-/-ৰ প্ৰতিৰূপ ইংৰাজী /un , in /-অৰ পৰা ইংৰাজী /in /টো বাছি লোৱা

যাওক। /in tolerable in-congruous, in possible/- এই তিনিটা শব্দৰ উপসর্গ অংশটোৰ উচ্চাৰণ যথাক্রমে /ইন্-, ইঙ-, ইম্-/, কিন্তু বানানৰ ক্ষেত্রত প্রতিটোৰ কাৰণে যথাযথ উচ্চাৰণ-অনুগ ৰূপ নাইকিয়া। আমাৰ /লক্ষ ৰক্ষা বিদ্যা, পাঠ্য/ আদিৰ প্রচলিত উচ্চাৰণ আৰু বানানৰ মাজত ব্যক্তিভেদে বিৰোধ দেখিবলৈ পোৱা যায়।

উচ্চাৰণক মান্যতা দিবলৈ প্রতি ক্ষেত্রত বানানৰ সংস্কাৰ অর্থাৎ পুনর্বিন্যাস সম্ভৱ নহয়, বাঞ্ছনীয়ও নহয়। /চৰাই/ শব্দটোৰ সংস্কৃত প্রতিশব্দ /পক্ষী/-ৰ প্রচলিত উচ্চাৰণ /পক্খি/ (হিন্দী /পন্ছি/)। বানান উচ্চাৰণ-অনুগ হ'লে বহুক্ষেত্রত শব্দৰ চৰিত্র, আৰু ব্যুৎপত্তি বিড়ম্বিত হ'ব। কোনো কোনো মহলে লিপিৰ জটিলতা নিবাৰণৰ বাবে যুক্তাক্ষৰ বর্জনৰ অনুকূলে অভিমত দাঙি ধৰিছে। মই ভাবোঁ, তেওঁলোকে যুক্তিটোৰ গুৰুত্ব আৰু সম্ভাৱনীয়তাৰ আঁতি-গুৰি ভাবি চোৱা নাই। কিয়নো /বিদ্যা/ নাইবা /লব্ধ/ শব্দ দুটাৰ বানান আমি যুক্তাক্ষৰ-লিপি-প্রতীক আঁতৰাই /বিদ্দা/ আৰু /লব্ধ/ হিচাপে লিখিব পাৰোঁ যদিও /চক্রান্ত/ নাইবা /বিক্রম/ শব্দৰ লিখিত লিপি-ৰূপ কেনেকৈ সামূহিকভাৱে যুক্তাক্ষৰ বর্জিত হ'ব? ৰোমক লিপিৰ ক্ষেত্রত তেনে সমস্যা নাইকিয়া। তদুপৰি উচ্চাৰণ অনুসৰি আৰু যুক্ত ব্যঞ্জনৰ লিপি-প্রতীক এৰি /বদ্ধ/ আৰু /বধ্য/ শব্দ দুটাৰ বানান-সংস্কাৰৰ ফলত দুবিধ শব্দৰ সমধ্বন্যাত্মক (homophonous) চেহেৰা (/বদ্ধ/) বিভ্রান্তিকৰ হ'ব পাৰে। দ্বিতীয়তঃ যুক্তাক্ষৰ বর্জনৰ প্রস্তাৱটোৱে বানানৰ সৰলীকৰণৰ সলনি বানান দীঘলীয়া কৰিব বিচাৰে। /অন্বীক্ষা/ আৰু /সন্তপ্ত/ শব্দৰ প্রস্তাৱিত ৰূপ যদি /অন্নীক্খা/ আৰু /সন্তপ্ত/ হয়, তেন্তে এনে হেন দীঘলীয়া বানান আৰু শব্দ-চৰিত্রৰ বিভ্রম গ্রহণযোগ্য সমাধান-সূত্র হিচাপে মানি লোৱা টান।

(চ) এই প্রবন্ধটিত উচ্চাৰণ বানান আৰু লিপিৰ পাৰস্পৰিক সম্বন্ধ কেনেকুৱা সেই কথাখিনি থূলমূলভাৱে ক'বলৈ প্রযাস কৰিছোঁ। কোনো বিশেষ লিপি-পদ্ধতিৰ অনুকূলত অভিমত দাঙি ধৰা মোৰ উদ্দেশ্য নহয়। বানানৰ সংস্কাৰ কিমান দূৰলৈ সঙ্গত নাইবা বানান-সংস্কাৰৰ গ্রহণযোগ্য সমাধান-সূত্র কিবা আছে নে নাই তেনে কোনো সিদ্ধান্তত উপনীত হোৱাও মোৰ অভিপ্রায নহয। আমাৰ প্রচলিত লিখন-পদ্ধতি আৰু প্রতীক-চিত্রবোৰৰ জটিলতা তথা আপেক্ষিক দুর্বলতাবোৰলৈ আঙুলিয়াই এই শিতানত চিন্তা-চর্চাৰ বাট মুকলি কৰাহে মোৰ প্রধান উদ্দেশ্য। উচ্চাৰণ তথা বানানৰ অসঙ্গতি-বিসঙ্গতিৰ ভিত্তিত বানান আৰু লিপিৰ পুনর্বিন্যাস সম্পর্কত বহলাই কিবা চিন্তা কৰিবলগীয়া আছে নে নাই সেইটোহে বিচার্যৰ বিষয়। অসমীয়া-বঙলা লিপি-পদ্ধতি যিহেতু স্বৰূপত একে আৰু অভিন্নপ্রায় সেই কাৰণে একেটা তৎসম শব্দৰ আঞ্চলিক উচ্চাৰণগত বিভিন্নতাৰ ফলত দুবিধ প্রতিলিপিকৰণ

প্ৰতিবেশী ভাষা-সাহিত্য-সংস্কৃতিৰ পাৰস্পৰিক বুজাবুজিৰ বাধাস্বৰূপ হয় নে নহয়? প্ৰাচীন ভাৰতীয় সংস্কৃতমূলীয় শব্দবোৰ যিহেতু ঐতিহ্যবাহিত ভাষা-উপাদান আৰু ভাষাৰ প্ৰকৃতি তথা শব্দৰ ব্যুৎপত্তিৰ ওচৰ-চপা, সেই কাৰণে সিবোৰ শব্দৰ ভাৰতীয় চৰিত্ৰ আটাইকেইটা নব্য ভাৰতীয় ভাষাৰ বানানত অভিন্ন হোৱাটো বাঞ্ছনীয়ন নহয় নে? হিন্দী ভাষাত (নাগৰী লিপিত) লিখা 'প্ৰকাস' অসমীয়া 'প্ৰকাশ' আৰু বাংলা 'প্ৰকাশ' আঞ্চলিক উচ্চাৰণ-অনুগ হৈছে, কিন্তু শব্দৰ গোত্ৰ-পৰিচয় আৰু প্ৰতিশব্দ (আচলতে মূলত একেই শব্দ) হিচাপে ইবিলাকৰ চিনাক্তকৰণ ব্যাহত নহয় নে? একে ৰাষ্ট্ৰীয় বাতাৱৰণত থকা প্ৰতিবেশী মানুহৰ ভাষা-সাহিত্যৰ পঠন-পাঠনৰ ক্ষেত্ৰত ইবিলাক প্ৰতিবন্ধক নহয় নে? আৰ্যভিন্ন দেশী শব্দৰ ক্ষেত্ৰত আঞ্চলিক ভাষা-বিভাষাৰ উচ্চাৰণগত বৈষম্য এৰি এই জাতীয় শব্দৰ বানান আৰু লিপিগত অভিন্নতা ৰক্ষা কৰা সঙ্গত নহয় নে? চৰম /শৰম/ সৰম, আশমান/আসমান, স্তাইল/ষ্টাইল, নকল /নকল— এনে ধৰণৰ দুবিধ অথবা তিনিবিধ সম্ভাব্য বানানৰ ঠাইত একোটাকৈ ৰূপ সৰ্বসম্মতিক্ৰমে স্বীকাৰ কৰি লোৱা বাঞ্ছনীয় নহয় নে? □

অসমীয়া আৰু উৰিয়া ভাষাৰ সম্বন্ধৱাচক শব্দ

❑ দীপ্তি ফুকন পাটগিৰি

আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত অসমীয়া আৰু উৰিয়া এই দুটি সমৃদ্ধ আৰু ঐতিহ্যপূৰ্ণ ভাষা। ঐতিহাসিক দৃষ্টিকোণেৰে চাবলৈ হ'লে পৃথিবীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠী ইণ্ডো ইউৰোপীযৰ পৰা ভাৰতীয় আৰ্যভাষাৰ জন্ম হৈছে। ভাৰতবৰ্ষত প্ৰতিষ্ঠা লাভ কৰা আৰ্যভাষাটোৰ ক্ৰমবিৱৰ্তনৰ ইতিহাসক প্ৰাচীন মধ্য আৰু আধুনিক—এই তিনিটা স্তৰত বিভক্ত কৰা হৈছে। সংস্কৃতৰ পৰা বিকাশ লাভ কৰি পালি প্ৰাকৃত অপভ্ৰংশ স্তৰ অতিক্ৰমি আধুনিক স্তৰ লাভ কৰোঁতে ভাৰতীয় আৰ্যভাষাৰ অনেক সময় লাগিছিল। অসমৰ 'অসমীয়া' ভাষা আৰু উৰিষ্যাৰ 'উৰিযা ভাষা এই দুযো হ'ল একেবাৰে নিকট সম্পৰ্ক থকা ভগ্নীস্থানীয ভাষা। এইখিনিতে উল্লেখযোগ্য যে মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা মাগধী অপভ্ৰংশৰ শেষ স্তৰতে ভালেকেইটা ভাৰতীয় আৰ্যভাষাই জন্ম লাভ কৰিবলৈ প্ৰযাস কৰে। পূৰ্ব মাগধী, মধ্য মাগধী আৰু পশ্চিম মাগধী—এই তিনিটা শাখাৰ পৰা অসমীয়া বাংলা উৰিযা ভোজপুৰী মৈথিলী আদি ভাষাৰ জন্ম হৈছে বুলি চেটাৰ্জী আদি বিভিন্ন পণ্ডিতে মন্তব্য প্ৰকাশ কৰিছে[১]। উল্লেখযোগ্য যে পূব মগধীয ভাষাকেইটা হ'ল—অসমীয়া বাংলা আৰু উৰিযা। অতি নিকট ভগ্নীস্থানীয সম্পৰ্ক থকা হেতুকে অসমীয়া বাংলা আৰু উৰিয়া ভাষাৰ মাজত অনেক সাদৃশ্য দেখিবলৈ পোৱা যায। এই ভাষাকেইটাৰ তুলনামূলক অধ্যযনে ইযাৰ বিকাশৰ ধাৰা আৰু পৰিৱৰ্তনৰ কেইবাটিও দিশ উন্মোচন কৰিব। বিভিন্ন পণ্ডিতে এইকেইটা ভাষাৰ পৃথক পৃথক অধ্যযন নকৰা নহয। কিন্তু গঠনমূলক সাদৃশ্য আৰু পাৰ্থক্যসমূহ বিচাৰি উলিওৱাৰ ক্ষেত্ৰত তুলনামূলক অধ্যযনৰ বহু কাম এতিযাও বাকী আছে[২]।

অসমীয়া আৰু উৰিযা ভাষা দুযোৰে মাজত ধ্বনিগত ৰূপগত, শব্দগত আদি ক্ষেত্ৰত বহু সাদৃশ্য পৰিলক্ষিত হয। আনহাতে, আকৌ দুযো ভাষাৰে এনে কেতবোৰ বৈশিষ্ট্য আছে যিবোৰে ইটোৰ লগত সিটোৰ পাৰ্থক্য নিৰূপণ কৰে। অসমীয়া ভাষাই সংস্কৃতৰ মূল জুমুঠিটো গ্ৰহণ কৰিও অন্যান্য ভগ্নীস্থানীয ভাষাৰ লগতো উমৈহতীয়া বৈশিষ্ট্য কেতবোৰ সংৰক্ষণ কৰিছে। আনহাতে আকৌ আৰ্য-ভিন্ন ভাষাবোৰৰ লগত পাৰস্পৰিক সংযোগৰ হেতু ইযাৰ ভাষিক বৈশিষ্ট্যত আন

কিছুমান উপাদানো লগ লাগিছে। ইযাৰ মূল মান্যৰূপৰ সমান্তৰালভাৱে কেতবোৰ উপভাষাৰ প্ৰচলন আছে যিবোৰে ভাষাটোক বৈশিষ্ট্যপূৰ্ণ আৰু শক্তিশালী কৰি তুলিছে। ভাষাৰ বৈশিষ্ট্যৰ ক্ষেত্ৰত ৰূপতাত্ত্বিক দিশটি বিশেষভাৱে উল্লেখযোগ্য। অসমীযা ভাষাৰ দৰে উৰিষ্যাৰ উৰিযা ভাষাতো মূল মান্য ভাষাৰ উপৰি আন কিছুমান সমান্তৰাল উপভাষা আছে। অৱশ্যে অসমীযা ভাষাৰ ঔপভাষিক ক্ষেত্ৰখন অধিক বৈচিত্ৰ্যপূৰ্ণ। অসমীযা আৰু উৰিয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰ তুলনামূলক অধ্যযনে অনেক সমল পোহৰলৈ আনিছে। ইযাৰ ভিতৰত এই দুযো ভাষাৰ সম্বন্ধবাচক শব্দ সম্পৰ্কে এটি আলোচনা আগবঢোৱা হ'ল।

অসমীয়া সম্বন্ধবাচক শব্দৰ ভিতৰত ককা আইতা পিতা দেউতা আই মা ভাই, ভনী নাতি নাতিনী পো জীযাৰী পেহা পেহী খুৰা খুৰী ভাগিন ভাগিনী দেবৰ ননদ শহুৰ শাহু, মাহী মহা ভতিজা তাঁৱৈ আমৈ সখি ককাই, বাই, বৰমা বৰদেউতা বৰজনা জা জোঁৱাই, বোৱাৰী স্বামী স্ত্ৰী দাদা নবৌ জেঠাই, জেঠপেহা আদি বিভিন্ন শব্দ উল্লেখ কৰিব পাৰি। উৰিযা ভাষাত মা বউ বাপা দাদা, বৰভাই, জা, দিঅৰ, বৰবাপা, বৰমা, বুঢ়ীমা আদি বিভিন্ন সম্বন্ধবাচক শব্দ পোৱা যায়। সম্বন্ধবাচক শব্দবোৰৰ কিছুমান মৌলিক আৰু আন কিছুমান যৌগিক। অধিকাংশ সম্বন্ধবাচক শব্দ সম্বোধনৰ ক্ষেত্ৰত প্ৰয়োগ হয, কিন্তু সকলো শব্দই নহয। এই দুই ভাষাৰে সম্বন্ধবাচক শব্দৰ আলোচনা কৰিবলৈ যাওঁতে ঐতিহাসিক পৰম্পৰাৰ প্ৰতিও বিশেষ দৃষ্টি নিক্ষেপ কৰিবলগীযা হয।

সংস্কৃতৰ 'পিতৃ' আৰু 'মাতৃ শব্দ প্ৰায়বোৰ আধুনিক ভাৰতীয আৰ্যভাষাতে পোৱা যায। অসমীযা আৰু উৰিযা ভাষাতো ইযাৰ প্ৰয়োগ আছে, কিন্তু সাধাৰণতে প্ৰচলিত ৰূপত এই শব্দৰ প্ৰয়োগ বেলেগ বেলেগ ধৰণৰ। অসমীযা ভাষাত 'মা' আৰু 'পিতা —এই দুটি শব্দৰ ব্যৱহাৰ আছে। 'মা' শব্দৰ পৰিবৰ্তে অসমৰ বিভিন্ন অঞ্চলত 'আই' 'মাই, 'বৌ বৌটি আদি শব্দও প্ৰচলিত। অৱশ্যে বৰ্তমান 'মা' শব্দৰ প্ৰয়োগহে অধিক। আনহাতে আকৌ 'পিতৃ' বুজাবলৈ 'পিতা' 'দেউতা'— এই দুটি শব্দৰহে প্ৰযোগ আছে যদিও আঞ্চলিক ক্ষেত্ৰ বিশেষে—বাবা, ববা, পুতা, পিতে পিতাই, বাপাই, আব্বা (গোৱালপৰা) আদি শব্দৰ প্ৰয়োগো মন কৰিবলগীয়া। উৰিযা ভাষাত 'মাতৃ'ৰ ক্ষেত্ৰত 'মা' আৰু 'বউ'—এই দুটি শব্দৰ প্ৰয়োগ পোৱা যায়। পিতৃৰ ক্ষেত্ৰত 'বাপা' শব্দৰ প্ৰয়োগ আছে যিটো অসমীযা ভাষাৰ আঞ্চলিক ৰূপৰ লগত মিলে। অসমীয়া ভাষাত 'ককা' আৰু 'আইতা'ৰ বহুল প্ৰচলন আছে যদিও নামনি অসমত 'আতা আৰু 'আবু' শব্দৰহে অধিক প্ৰচলন আছে। উৰিয়া ভাষাত ককাকক 'বুঢ়া বাপা' আৰু আইতাকক 'বুঢ়ীমা এই দুটি শব্দেৰে বুজোৱা হয়। উৰিয়াত অসমীয়াৰ 'মামা' আৰু 'মামী'ৰ পৰিবৰ্তে 'মামু আৰু 'মাই শব্দৰ

প্ৰচলন আছে। অৱশ্যে অসমীয়া ভাষাত মামীয়েকক 'মাই' শব্দেৰেও বুজোৱা হয়। মান্য অসমীয়াৰ 'ককাইদেউ' আৰু 'নবৌ' উৰিয়া ভাষাত যথাক্ৰমে 'বৰভাই' আৰু নোৱাবউ' ৰূপে প্ৰয়োগ হয। কোনো কোনোৱে আকৌ নোৱাবউ'ৰ ঠাইত 'ভাউজ' শব্দও ব্যৱহাৰ কৰে। অসমীয়া ভাষাৰ পুত্ৰ আৰু পুত্ৰী বা 'জীয়াৰী'ৰ ক্ষেত্ৰত উৰিয়া ভাষাত পোঅ আৰু 'ঝীঅ' ব্যৱহাৰ হয়। অসমীয়াৰ পেহা' আৰু পেহীৰ' ঠাইত উৰিযাত হয় পেউসা আৰু পেউসী। 'মাহী আৰু 'মহা'ৰ ক্ষেত্ৰত উৰিয়াত হয় 'মাউসী' আৰু 'মউসা'। কিছুমান এনে শব্দ উৰিয়াত আছে যিবোৰ অসমীযা ভাষাৰ লগত প্ৰায একে। উদাহৰণ স্বৰূপে— জা নাতি বৰমা ননন্দ আদি। অসমীয়া ভাষাত প্ৰয়োগ হোৱা দেওৰ' শব্দ উৰিযাত কোৱা হয় 'দিঅৰ'। 'ভাগিন' আৰু 'ভাগিনী'ৰ ক্ষেত্ৰত উৰিয়াত 'ভনজা আৰু 'ভানিজী প্ৰয়োগ হয়। 'ভতিজা আৰু 'ভতিজা জী'ৰ ক্ষেত্ৰত হয পুতুৰা' আৰু 'ঝীআৰী। 'নাতিনী (ছোঁৱালী)ৰ ক্ষেত্ৰত উৰিযাত প্ৰয়োগ হয় 'নাতুনী'। গতিকে দেখা যায় যে, অসমীয়া আৰু উৰিয়া ভাষাৰ সম্বন্ধবাচক শব্দ কেতবোৰৰ মাজত বহু সাদৃশ্য আছে। অসমীয়াত 'বাইদেউ' বোলোঁতে উৰিয়াত হয 'বড়ভউনী' আৰু ভনীৰ ক্ষেত্ৰত হয় ছোট' বা 'সান ভউনী'।

অসমীয়া ভাষাৰ 'ভিনদেউ' বা 'ভিনিহি' শব্দৰ একাধিক আঞ্চলিক ৰূপ আছে। উৰিয়া ভাষাও ইয়াৰ ব্যতিক্ৰম নহয। উৰিযাত শব্দটো হৈছে 'ভিনোই'। পিতৃৰ অগ্ৰজজন অসমীযাত 'বৰদেউতা' আৰু উৰিয়াত হয় 'বৰবাপা। পত্নীৰ ভায়েক বা ভনীয়েক হ'লে অসমীয়াত কেৱল এটি শব্দৰ প্ৰযোগ হয় আৰু শব্দটো হ'ল— 'খুলশালী। উৰিযাত কিন্তু পত্নীৰ ভাযেকক 'শলা' আৰু ভনীয়েকক 'শালী' শব্দেৰে বুজোৱা হয। ভাযেকক বুজালে উৰিযাত হয ছোটভাই। মাহীমাকক উৰিয়া ভাষাত 'সাবতমা বোলে। অসমীযা আৰু উৰিয়া ভাষাত সম্বন্ধবাচক শব্দবিলাকৰ ক্ষেত্ৰত দেখা যায যে এইবিলাকৰ মাজত কিছু পাৰ্থক্য থাকিলেও সাদৃশ্যই অধিক। ওপৰত উল্লেখ কৰা সম্বন্ধবাচক শব্দবোৰৰ উপৰিও আৰু বহুত সম্বন্ধবাচক শব্দ এই দুয়ো ভাষাতে প্ৰযোগ হয।

অসমীযা ভাষাৰ সম্বন্ধবাচক শব্দবোৰৰ প্ৰযোগৰ ক্ষেত্ৰত এটা বিশেষ বৈশিষ্ট্য হ'ল— অঞ্চল ভেদে এইবোৰৰ মাজত কিছু পাৰ্থক্য থাকে। এই শব্দবোৰে ভাষাৰ সমৃদ্ধিত বিশেষ সহাযহে কৰে। অসমত বড়ো ৰাভা, মিছিং আদি বিভিন্ন জনগোষ্ঠীৰ লোক আছে। এই লোকসকলৰ মাজত ভিন ভিন সম্বন্ধবাচক শব্দও আছে। বড়ো ভাষাতে আফা বিদা বিমা, ফাংবোয় আদি বিভিন্ন শব্দ আছে যিবোৰ সম্বন্ধ অনুসৰি প্ৰয়োগ হয়। ঠিক তেনেদৰে অন্যান্য জনগোষ্ঠীৰ মাজতো বেলেগ সম্বন্ধবাচক শব্দ পোৱা যায়। মাতৃপ্ৰধান খাছীয়া আৰু গাৰোসকলৰ মাজত বহুতো নতুন নতুন

সম্বন্ধবাচক শব্দৰ সৃষ্টি হৈছে। অসমীয়া ভাষাৰ উপভাষাবোৰত প্ৰয়োগ হোৱা কেতবোৰ সম্বন্ধবাচক শব্দ হ'ল—বাপা আপা বাপু চাৱা আপী বেটা জঙে জাঙে জাঙই, খুৰীমা ভাশুৰ বিযেনী বৌদেউ খুৰহালি পুথাদেউ এনাইদেউ আপাদেউ আদি। এই শব্দবোৰৰ কিছুমান নামনি অসমত প্ৰচলিত আৰু কিছুমান উজনি অসমত প্ৰচলিত। উল্লেখযোগ্য যে আহোম ৰজাসকলৰ ৰাজত্ব কালৰপৰা উজনি অসমত বিভিন্ন ধৰণৰ সম্বন্ধবাচক শব্দৰ প্ৰয়োগ ঘটি আহিছে। এই শব্দবোৰে এক সামাজিক পটভূমি আৰু পৰম্পৰাৰ স্বাক্ষৰ বহন কৰে। সেইদৰে, নামনি অসমৰ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাতো পৃথক পৃথক সম্বন্ধবাচক শব্দ পোৱা যায়।

অসমীযা ভাষাৰ সম্বন্ধবাচক শব্দৰ লগত উৰিয়া ভাষাৰ সম্বন্ধবাচক শব্দৰ কথা ক'বলৈ যাওঁতে একে মূলৰ পৰা উদ্ভৱ হোৱা বাংলা ভাষাৰ সম্বন্ধবাচক শব্দৰ কথাও প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি। কাৰণ বাংলা ভাষাত প্ৰয়োগ হোৱা মাসিমা, বোন, ভাই, পিসি, মা, বৌদি, বাবা আদি সম্বন্ধবাচক শব্দবোৰৰ লগত অসমীয়া আৰু উৰিয়া ভাষাৰ সম্বন্ধবাচক শব্দৰ প্ৰভূত সাদৃশ্য আছে। বয়স অনুসৰি বিভিন্ন সম্বন্ধবাচক শব্দৰ প্ৰয়োগ—এই তিনিওটা ভাষাতে দেখা যায়। উৰিয়া ভাষাৰ 'পোঅ' 'ঝীঅ' 'জা' 'ননন্দ' 'বৰমা' আদি শব্দবোৰ অসমীয়া ভাষাৰ লগত প্ৰায় একে হোৱাৰ মূলতে আছে ইয়াৰ ঐতিহাসিক পটভূমি। বহুত শব্দ সংস্কৃতৰ দৰে প্ৰয়োগ হয় যদিও অধিকাংশ শব্দই কিছু পৰিবৰ্তিত ৰূপত প্ৰয়োগ হোৱাটো দুয়ো ভাষাৰে প্ৰধান লক্ষণ। সম্বন্ধবাচক শব্দবোৰৰ তুলনামূলক আলোচনা কৰোঁতে দুয়ো ভাষাৰে ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। সেইবাবে এই আলোচনাত উৰিয়া ভাষাৰ মান্যৰূপৰ পৰাহে শব্দবোৰ গ্ৰহণ কৰা হৈছে। দুয়োৰে মাজত বহু সাদৃশ্য বিৰাজমান। সম্বন্ধবাচক বিশেষ্য শব্দ কেতবোৰ এই দুয়ো ভাষাতেই আছে যিটো ভাষাৰ ৰূপতাত্ত্বিক দিশৰ এটি আকৰ্ষণীয় অধ্যায়। অৱশ্যে মান্যভাষাটোৰ সমান্তৰালভাৱে থকা উপভাষাবোৰত প্ৰয়োগ হোৱা সম্বন্ধবাচক শব্দবোৰেও প্ৰত্যেক ভাষাৰ বিকাশত ইন্ধন যোগাইছে।

সম্বন্ধবাচক শব্দবোৰ সাধাৰণতে বিভিন্ন সম্বন্ধৰ জৰিয়তে গঢ় লৈ উঠে। জন্মসূত্ৰে বৈবাহিকসূত্ৰে আৰু মিত্ৰতা বা সখিত্বৰ লগতে অন্যান্য কিছুমান দিশৰ পৰাও সম্বন্ধবাচক শব্দ বিচাৰি উলিয়াব পাৰি। এইখিনিতে অৱশ্যে এটা কথা উনুকিয়াই থোৱা ভাল হ'ব যে, এই শব্দবোৰ নিৰ্ণয় কৰোঁতে সেই ভাষা কোৱা লোকসকলৰ সামাজিক পৰম্পৰাৰ বিষয়টি নিৰ্ভৰ কৰে। পিতৃপ্ৰধান সমাজ-ব্যৱস্থাৰ লগত মাতৃপ্ৰধান সমাজ-ব্যৱস্থাৰ সম্বন্ধবাচক শব্দৰ পাৰ্থক্য থাকিব পাৰে। কেতিয়াবা, আকৌ ধৰ্ম অনুসৰি, সামাজিক ৰীতি-নীতি অনুসৰিও এই শব্দবোৰৰ প্ৰয়োগ বেলেগ বেলেগ ধৰণৰ হ'ব পাৰে। ইছলাম ধৰ্ম সম্প্ৰদায়ৰ লোক, দক্ষিণ ভাৰতৰ কোনো

কোনো সমাজ, মংগোলীয় গোষ্ঠীৰ লোকসমাজ আদিত বিভিন্ন সামাজিক পৰম্পৰা তথা ৰীতি-নীতিৰ পাৰ্থক্য থকা বাবে এই প্ৰত্যেকৰে সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত পাৰ্থক্য দৃষ্টিগোচৰ হয়। অসমত উজনি আৰু নামনি এই দুই প্ৰধান উপভাষাৰ মাজত সম্বন্ধবাচক শব্দৰ কিছু পাৰ্থক্য থাকে। নামনি অসমৰে কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ সম্বন্ধবাচক শব্দৰ প্ৰভেদ পৰিলক্ষিত হয আৰু মূল উপভাষাৰ কেতবোৰ ক্ষুদ্ৰ আঞ্চলিক ৰূপতো তেনে ধৰণৰ শব্দৰ কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। উৰিয়া ভাষাৰ প্ৰধানকৈ দুটি উপভাষা দেখা যায়। এটা হ'ল—উপকূলীয় অঞ্চল—যিটো পুৰী কটক আৰু বালেশ্বৰ আদি অঞ্চলত প্ৰচলিত। আন এটি উপভাষা উৰিষ্যাৰ পশ্চিম অঞ্চলত প্ৰচলিত যিটো—বৰহমপুৰ চম্বলপুৰ আৰু অন্যান্য কেতবোৰ অঞ্চলত প্ৰচলিত। উৰিষ্যাৰ মান্যভাষাটোৰ সম্বন্ধবাচক শব্দবোৰৰ মাজত পাৰ্থক্য স্বাভাৱিকভাৱেই থাকিব যিটো অসমীযা ভাষাৰ ক্ষেত্ৰতো প্ৰযোজ্য।

দুয়ো ভাষাৰে সম্বন্ধ নিৰ্দেশ কৰা শব্দবিলাকৰ মূল বিচাৰি চালে বহু সময়ত সংস্কৃত সম্বন্ধবাচক শব্দৰ ওচৰ চাপিবলগীযা হয। সংস্কৃত সম্বন্ধবাচক শব্দ পিতৃ, মাতৃ, ভগ্নী, স্বামী, স্ত্ৰী, মিত্ৰ, সখা, সখী, বন্ধু, পুত্ৰ পুত্ৰী দুহিতৃ দেৱৰ মাতুল মাতুলী আদি বিভিন্ন শব্দৰ এইবোৰ ভাষাত প্ৰযোগ আছে। অৱশ্যে, প্ৰাযবোৰ শব্দই কিছু পৰিবৰ্তিত ৰূপত প্ৰযোগ হৈছে আৰু প্ৰাযবোৰেই তদ্ভৱ শব্দ।

অসম আৰু উৰিষ্যাৰ সামাজিক আৰু সাংস্কৃতিক দিশত ভালেখিনি সাদৃশ্য পৰিলক্ষিত হয়। সম্বন্ধ নিৰ্দেশ কৰা শব্দবোৰৰ ক্ষেত্ৰতো এনে সাদৃশ্য লক্ষ্যণীয। সমাজ-ভাষাবিজ্ঞানে এই ক্ষেত্ৰত অনেক তথ্যৰ যোগান ধৰিব পাৰে। □

পাদটীকা :

১ Chatterji S K *ODBl* p 92

Bhattacharjya. K *Bengali Oriya Verb Morphology* p 2

৩ Dutta Baruah P N *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya*

প্ৰসঙ্গ পুথি :

গোস্বামী উপেন্দ্ৰনাথ . *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ* বৰুৱা এজেন্সি ১৯৯১।

Chatterji S K *ODBL*, Rupa & Co George Allen & Unwin Ltd 1979

Dutta Baruah P N *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya* Ph D Thesis Gauhati University 1978

Bhattachrjya K *Bengali Oriya Verb Morphology* Das Gupta & Co Private Ltd Calcutta, 1993

ৰাভামিজ ঃ অসমীয়াৰ অন্যতম নৃগোষ্ঠীয় উপভাষা

❑ উপেন ৰাভা হাকাচাম

০ ০ অসমৰ নামনিৰ জিলাকেউখন বিশেষকৈ গোৱালপাৰা বঙাইগাঁও ধুবুৰী আৰু কোকৰাঝাৰ উত্তৰ-বংগৰ জলপাইগুৰি আৰু মেঘালয়ৰ পূব আৰু পশ্চিম গাৰোপাহাৰ জিলাত 'ৰাভা ভাষাৰ প্ৰচলন আছে। ৰাভা ভাষাৰ তিনিটা উপভাষা— ৰংদা (ৰংদানি), মায়তা (মাযতৰি) আৰু ছোংগা (কোচা)।[১] ১৯৯১ চনৰ লোক-পিয়ল অনুযায়ী কেৱল অসমতে ১ ১২ ৪২৪জন ৰাভা মাতৃভাষীৰ লোক আছে।[২]

এই তিনিটা ঔপভাষিক ফৈদৰ বাহিৰেও ৰাভাত আৰু কিছুমান ফৈদ আছে যিসকলে দৈনন্দিন কথা-বতৰাত 'ৰাভা ভাষা ব্যৱহাৰ নকৰে। তেনে ফৈদৰ ভিতৰত প্ৰাতি দাহৰি টোটলা, বিটলীয়া আৰু হানাই প্ৰধান। গোৱালপাৰাৰ লক্ষীপুৰ অঞ্চলত থকা হালুৱা ৰাভা আৰু নলবাৰীৰ বৰমা তামুলপুৰ অঞ্চলত থকা মদাহী বা শৰণীয়া ৰাভাও ৰাভা ভাষা নোকোৱা ৰাভা ফৈদৰ অন্তৰ্ভুক্ত। এসময়ত এইসকল লোক গাৰো মেছ, কছাৰী ইত্যাদি নামেৰেও জনাজাত হৈছিল। নগাঁও-কঠিয়াতলী অঞ্চলত এতিয়াও বহু ৰাভা লোকে মেছ উপাধি লিখে আৰু সেইদৰে কামৰূপৰ বেলতলা আৰু ৰাণী-লোহাৰঘাট অঞ্চলত গাৰো উপাধি লিখা ৰাভা পোৱা যায়। মহাপুৰুষ মাধৱদেৱৰ অন্যতম প্ৰিয় শিষ্য বকো-ছমৰীয়া অঞ্চলৰ গাৰোৰ গোবিন্দ আতৈ কোচ-হাজোৰ অন্তৰ্গত বেলতলা ৰাণী লুকী আদি পৰগণাৰ গাৰো ৰজা (গাৰোৰ মামু গোবিন্দ অন্যতম) মেছপাৰা পৰগণাৰ থানা ৰাভাৰ বংশধৰ চৌধুৰী উপাধিধাৰী জমিদাৰ পৰিয়াল আৰু তেওঁৰ মেছ নামেৰে জনাজাত বিষয়ববীয়া কিছুমানো এইসকল ৰাভা ভাষা নজনা ফৈদৰে লোক আছিল বুলি সমকালীন ঘটনাৱলী আৰু তথ্য পাতিয়ে প্ৰমাণ কৰে। এসময়ত বহু ৰাভা লোকে হিন্দু-ধৰ্মৰ নানা পন্থাত দীক্ষা লৈ বা শৰণ লৈ 'শৰণীয়া বা 'ৰাজবংশী নামেৰে জনাজাত হৈছিল।[৩] গাইগুটীয়াকৈ হ'লেও ভিতৰি ভিতৰি এনে প্ৰক্ৰিয়া ৰাভা সমাজত এতিয়াও অব্যাহত আছে। ধৰ্মান্তৰৰ লগে লগে ভাষান্তৰো ঘটিছিল। তদুপৰি ধৰ্মান্তৰ নোহোৱাকৈয়ো বৈবাহিক সূত্ৰে বা কৰ্মস্থলী সূত্ৰে বহু ৰাভা পৰিয়ালত ৰাভা ভাষা অনাদৃত হৈ আহিছে।[৪]

এই ধৰণৰ আৰ্যীভূত ৰাভা সমাজত (যাক অন্যান্য ভাষা কোৱা ৰাভাসকলে

'হাবায়তাং' বোলে) অসমীয়াৰ এটা আঞ্চলিক কথিত ভাষাৰ ৰূপৰ ব্যাপক সমাদৰ আছে। এই কথিত অসমীয়াকে সম্প্ৰতি 'ৰাভামিজ' অৰ্থাৎ ৰাভা-অসমীয়া নামেৰে বিভূষিত কৰি নৃতত্ত্ব বা সমাজতত্ত্বৰ পটভূমিত (Ethno linguistics আৰু Socio-linguistics) ইয়াৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে চিন্তা-চৰ্চা কৰিবলৈ প্ৰয়াস কৰা হৈছে। ৰাভা ভাষাৰ সমান্তৰালভাৱে অৱশ্যে 'লেমাবায়' (হিন্দুধৰ্মীয় দেৱ-দেৱী) পূজাৰ স্তোত্ৰ-গীত, লোক-সাহিত্যৰ উপাদানস্বৰূপ বিভিন্ন সাঁথৰ-প্ৰবচন, কাহিনী গীত, তন্ত্ৰ-মন্ত্ৰ, গৰু-ম'হ আদি বিভিন্ন পোহনীয়া জন্তু খেদা-মেলা কৰোঁতে ব্যৱহৃত মাত-কথা হিচাপে ৰাভা ভাষা কোৱা সমাজতো ইয়াৰ প্ৰচলন আছে। এই ভাষাক তেওঁলোকে 'লেমাকাথা' অৰ্থাৎ হিন্দুধৰ্মীয় আৰ্যভাষী লোকৰ ভাষা (দেৱভাষা) হিচাপে বিশেষ শ্ৰদ্ধাৰ চকুৰে চায়। সেই বাবে ৰাভা ভাষা কোৱা ৰংদানি, মায়তৰি আৰু কোচা সমাজৰ বাবে ই এটা কৃত্ৰিম আৰু মিশ্ৰিত ভাষা (Pidgin বা Jargon) হ'লেও ৰাভা ভাষা নোকোৱা উপৰি উক্ত ফৈদকেইটাৰ বাবে ই এটা দৈনন্দিন জীৱনত ব্যৱহৃত, ৰাভা ভাষাৰ দ্বাৰা অতিশয় প্ৰভাৱান্বিত অসমীয়াৰ এটা অকৃত্ৰিম আৰু প্ৰকৃত থলুৱা ৰূপ (Creole)। এইন প্ৰকাৰে এই দুই শ্ৰেণীৰ ৰাভা লোকে অন্যান্য জনগোষ্ঠী আৰু ভাষা-ভাষী লোকৰ সৈতে ভাৱ বিনিময় কৰাৰ মাধ্যম স্বৰূপে ইয়াক ব্যৱহাৰ কৰে বাবে ই এটা সাৰ্বজনীন ভাষাও (Lingua Franca)।[৮] ১০ ৰাভা সমাজত প্ৰচলিত অসমীয়া ভাষা, যাক পণ্ডিতসকলে নৃগোষ্ঠীয় ভাষা (Ethnic Dialect) বুলি চিহ্নিত কৰিছে[৯] আৰু 'ৰাভামিজ বুলি অভিহিত কৰিব বিচাৰিছে'— ইয়াক দুটা প্ৰধান শাখাত ভগাই আলোচনা কৰিব পাৰি। সেই দুটা হ'ল— ৰাভা পিজিন (Rabha Pidgin) আৰু অসমীয়া ক্ৰেওল (Assamese Creole)।

ৰাভা পিজিন ঃ ৰাভা ভাষা কোৱা ফৈদৰ ভঙা অসমীয়া সাধাৰণতে নামনি অসমত প্ৰচলিত বাবে ইয়াত কামৰূপী আৰু গোৱালপৰীয়া (ৰাজবংশী) উপভাষাৰ উপাদান সততে পৰিলক্ষিত হয় যদিও দূৰৱৰ্তী স্থানত প্ৰচলিত নাগামিজ বা অৰুণাচলী অসমীয়াৰ সৈতেহে তুলনামূলকভাৱে ইয়াৰ সাদৃশ্য বেছি। কথিত পৰ্যায়ত থকা ৰাভা পিজিনৰ আকৌ তিনিটা ৰূপ— মায়তৰি ৰাভাৰ পিজিন, ৰংদানি ৰাভাৰ পিজিন আৰু কোচা ৰাভাৰ পিজিন। সেইদৰে লোক-সাহিত্যৰ পৰ্যায়ত থকা ৰাভা পিজিনৰো দুটা ৰূপ স্পষ্টতঃ বিদ্যমান— প্ৰাচীন আৰু অৰ্বাচীন। অৰ্বাচীন বা সাম্প্ৰতিক কালত ৰচিত গীত-মাতবিলাক কথিত পৰ্যায়ত থকা ৰূপৰ সৈতে প্ৰায় অভিন্ন।

অসমীয়া ক্ৰেওল ঃ ৰাভা ভাষা নোকোৱা ফৈদৰ কথিত অসমীয়া হোৱা হেতুকে অসমীয়াৰ অন্যান্য আঞ্চলিক ৰূপৰ সৈতে ইয়াৰ বিশেষ পাৰ্থক্য নাই যদিও ইয়াতো

ৰাভা ভাষাৰ প্ৰলেপ সাংঘাটিকভাৱে পৰিছে। দাহৰি, পাতি, টোটলা আদি ফৈদে বিশেষ বিশেষ অঞ্চলত সংখ্যাধিক্যভাৱে বাস কৰি আছিছে বাবে এওঁলোকৰ মুখৰ ভাষাটোৰ যি আঞ্চলিক পাৰ্থক্য পোৱা যায় তাক ফৈদ সাপেক্ষ নকৈ অঞ্চল সাপেক্ষ বুলিব পাৰি। সেইমতে হ'লে ইয়াৰো দুটা প্ৰধান আৰু কেইবাটাও অপ্ৰধান ৰূপ আছে। সেইবোৰ— উত্তৰপৰীয়া (নলবাৰী-তামুলপুৰ অঞ্চল আৰু টংলা-মংগলদৈ অঞ্চল) আৰু দক্ষিণপৰীয়া (বৰঝৰা-বোদাহাপুৰ-ছোটমাটিয়াকেন্দ্ৰিক পশ্চিম দুৱৰ্নৈ অঞ্চল আৰু বৰদুৱাৰ-বকো-ৰংজুলিকেন্দ্ৰিক পূব দুৱৰ্নৈ অঞ্চল)। লোক-সাহিত্যৰ পৰ্যায়ত থকা ৰূপত হ'লে দাহৰি, পাতি কিংবা টোটলা এইকেইটাৰ ফৈদ সাপেক্ষ প্ৰভেদ স্পষ্ট।

২০ ৰাভাসকলৰ কথিত অসমীয়া অৰ্থাৎ ৰাভামিজৰ এইফালৰ পৰা চাবলৈ গ'লে কোনো নিৰ্দিষ্ট ৰূপ বা গাঁথনিক সংগতি নাই। সেয়েহে দুই-এগৰাকী পণ্ডিত-গৱেষক ইয়াৰ অস্তিত্ব সম্বন্ধে সন্দিহান।[৯] ৰাভামিজৰ উমৈহতীয়া ৰূপৰ অভাৱ হ'লেও ইয়াৰ গাঁথনিক সংগতিৰ বিশেষ মিল পৰিলক্ষিত হয়। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দসম্ভাৰমূলক আৰু বাক্যতত্ত্ব— এই সকলো দিশতে পাৰ্থক্যবিলাক কম বেছি পৰিমাণে পৰিদৃষ্ট হয়।[১০]

২১ ধ্বনিগত বৈশিষ্ট্যই ৰাভামিজলৈ স্বকীয়তা আনি দিছে। মান্য অসমীয়াৰ বহু ধ্বনি ৰাভামিজত উচ্চাৰিত নহয়, নিকটৱৰ্তী ধ্বনিলৈ এইবোৰ পৰিবৰ্তিত হয়। সেইদৰে ৰাভামিজত দুই এটা নতুন ধ্বনিৰো আবিৰ্ভাৱ হৈছে বা মূল সংস্কৃতৰ বৈশিষ্ট্যটোৰে বঞ্চিত হৈছে। উদাহৰণ স্বৰূপে—ৰাভামিজত এ /e/ অ /ɒ/ স্বৰধ্বনি দুটাৰ সমূলি প্ৰয়োগ নাই আৰু ও /o/ ধ্বনিটোৰো আংশিকভাৱেহে প্ৰয়োগ আছে। ঐ ঔ দ্বিস্বৰ দুটা যথাক্ৰমে অ'য়/আয/উই আৰু অ'উ/আউ/উউ হিচাপে উচ্চাৰিত হয়। ৰাভামিজত উচ্চ স্বৰধ্বনিৰ পৰিবৰ্তে নিম্ন স্বৰধ্বনিৰ অথবা নিম্ন স্বৰধ্বনিৰ পৰিবৰ্তে উচ্চ স্বৰধ্বনিৰ প্ৰযোগ হয। স্বৰ-সংগতি বা বৰ্ণ-বিপৰ্যয় ৰাভামিজৰ অন্যতম পৰিঘটনা। অনুনাসিক্য ধ্বনিৰ উপস্থিতি (বা ইয়াৰ পৰিবৰ্তে ঙ) আৰু চ ঝ ধ্বনিৰ উপস্থিতি ৰাভামিজৰ বিশেষ মন কৰিবলগীয়া দিশ। নাসিক্য ধ্বনিৰ বিশেষকৈ ঙ ব্যঞ্জনৰ প্ৰাধান্য ৰাভামিজৰ অন্যতম বৈশিষ্ট্য। ৰাভামিজত শ ষ স/x/ ধ্বনিটো ছ/s/ বা খ/kh/ হিচাপে আৰু ঋ ধ্বনিটো ৰি/ri/ হিচাপে উচ্চাৰিত হয়। সেইদৰে অন্ত্য অবস্থানত হ, জ আৰু ভ ধ, ঘ ব্যঞ্জনৰ প্ৰয়োগ ৰাভাত মুঠেই নাই, তাৰ পৰিবৰ্তে যথাক্ৰমে লোপ/স্বৰান্ত হা, ছ, প/ব, ত/দ ক/গ হয়।

ৰাভামিজৰ স্বৰবিন্যাস ৰীতিও সুকীয়া। তৎসম শব্দত আ-ব্য-অ > আও, স্ব-ব্য-অ > স্ব-ব্য/স্ব-ব্য-আ এই ধৰণে অক্ষৰ বিন্যাস হয়। সেইদৰে সংস্কৃতৰ

দৰে আ-ব্য-আ অক্ষৰ অপৰিৱৰ্তিত থাকে মান্য অসমীযাৰ দৰে অ-ব্য-আ/এ-ব্য-আ নহয।

ৰাভামিজত সকলো অক্ষৰতে সমভাৱে শ্বাসাঘাত পৰে (ফলত স্বৰাগম ঘটে) আৰু সুৰ-লহৰৰ তীব্ৰতা কাণত বাজে।

২ ২ বিভিন্ন ফৈদৰ মাজত প্ৰচলিত ৰাভামিজত ব্যঞ্জনবৰ্ণৰ প্ৰযোগৰ কিছু তাৰতম্য নথকা নহয। তলত তাক তালিকা আকাৰে দেখুওৱা হ'ল (পৃ ৩০১ দ্ৰষ্টব্য)।

৩ ০ ৰাভামিজৰ ৰূপগত গাঁথনি অৰ্থাৎ বৈযাকৰণিক ৰূপ মন কৰিবলগীযা। ধ্বনিগত বৈশিষ্ট্যৰ দৰে ৰূপগত বৈশিষ্ট্যতো বৈচিত্ৰ্য বিদ্যমান যদিও সকলো ফৈদ আৰু অঞ্চলৰ ৰূপগত গাঁথনি এক বিশেষ সূত্ৰত আঁচি উলিযাব পৰাতে আছে। প্ৰাচীন ৰূপসমূহত অৰ্বাচীন বা সমকালীন ৰূপতকৈ সাদৃশ্য বেছি।

৩ ১ ক্ৰিযা প্ৰকৰণত বা ক্ৰিযা ৰূপত মান্য অসমীযাৰ তুলনাত সন্ধি-বিন্যাস-ৰীতিৰ সমৰূপতা অন্যতম মন কৰিবলগীযা বৈশিষ্ট্য। প্ৰথম পুৰুষবাচক ক্ৰিযা-বিভক্তি 'ওঁ' -ৰ পৰিবৰ্তে 'অং/উং/ং অসমাপিকাবাচক 'ই -ৰ পৰিৱৰ্তে 'ইযা/যা', সম্ভাব্য ভূতকালবাচক পৰসৰ্গ 'হেঁতেন' -ৰ পৰিৱৰ্তে 'হৈ/হেনা' , কৃদন্ত ৰূপ 'আ' -ৰ পৰিৱৰ্তে ওৱা তুমুনন্ত ৰূপ 'ব/বলৈ/বৰ -ৰ পৰিৱৰ্তে বা এনে কেতবোৰ বৈশিষ্ট্য। সেইদৰে দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থত বৰ্তমান কালৰ ক্ৰিযা ৰূপ 'অ -ৰ প্ৰযোগ নথকা সীমিত সংখ্যক কৃৎ প্ৰত্যযৰ একাধিক ৰূপত প্ৰযোগ (আনি আৰু উৱা/উৱী) আৰু 'আ প্ৰত্যযান্ত নামধাতুৰ বহুল প্ৰযোগ অন্যতম মন কৰিবলগীযা দিশ।

৩ ২ নাম শব্দৰ প্ৰযোগ আৰু ৰূপ সাধনতো একেটা কথাই প্ৰযোজ্য। সম্বন্ধ নিৰ্দিষ্টতাবাচক এৰ/এৰা/এক -ৰ সীমিত প্ৰযোগ বা অপ্ৰযোগ (পৰিৱৰ্তে 'বাৰা)- 'জন/জনী/জনা/গৰাকী আদিৰ দৰে মান্য তুচ্চ লিংগভেদে ভিন ভিন প্ৰত্যযৰ প্ৰযোগ নথকা নিৰ্দিষ্টতাবাচক-টাৰ সৰ্বাধিক প্ৰযোগ বহুবচনবাচক খান/গিলা/গিলান আদিৰ প্ৰযোগ কৰ্তা কাৰকৰ এ বিভক্তিৰ সমূলি প্ৰযোগ নথকা সম্প্ৰদানৰ পৰিৱৰ্তে কৰ্ম বা অধিকৰণ কাৰকৰ ব্যৱহাৰ কৰণ কাৰকত 'দিযা আৰু সম্বন্ধত লাগা পৰসৰ্গৰ সুকীযা প্ৰযোগ তুলনাবাচক 'চাই/কুৰি/থাকি পৰসৰ্গৰ ব্যৱহাৰ সীমিত সংখ্যক তদ্ধিত প্ৰত্যযৰ ব্যৱহাৰ আদি তেনে কেতবোৰ স্বকীয বৈশিষ্ট্য।

৩ ৩ ৰাভামিজত প্ৰযোগ হোৱা সৰ্বনামবোৰ কিছু সুকীযা। মান্যাৰ্থ-তুচ্চাৰ্থ নাই লিংগভেদো নাই। প্ৰাযবোৰ সৰ্বনাম মূলে অন্য প্ৰত্যয বা অনুপদ যোগ বিশেষণ ক্ৰিয়া-বিশেষণ আৰু অব্যযৰ দৰে প্ৰযোগ হয। তলত তেনে কেতবোৰ সৰ্বনাম আৰু সৰ্বনামীয পদ তালিকা আকাৰে দেখুওৱা হৈছে (পৃ ৩১০ দ্ৰষ্টব্য)।

৪ ০ শব্দ-সম্ভাৰৰ স্বকীযতাই ৰাভামিজক এটা নৃগোষ্ঠীয ভাষা (Ethnic dialect) হিচাপে আচুতীযা মৰ্যাদা দিছে। অসমীযাত অপ্ৰচলিত বহু থলুৱা শব্দ (বেছিভাগে

বিশিষ্ট ধ্বনি	মান্য ঃ	মায়ঙবি	বঙাইগাঁও	কোচা	বৰঝৰা	ছোটমাটিয়া	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
প/p/	পিছ	পাচ	পাছ	পাস	পাছ	পাছ	পাছ	পাছ	পাছ	পাছ
		/patc/	/pats/	/pa ʃ /	/pats/	/pas/	/pas/	/pas/	/pas/	/pas/
	ওপৰ	অ প'ৰ	উপাৰ	উ পুৰ	উ পুৰ	উপুৰ	উপৰ	উপৰ	ওপাৰ উপৰ	উপাৰ
		/ɔp ɔ r/	/upar/	/upur/	/upur/	/upur/	/up ɔ r/	/up ɔ r/	/opar/up ɔ r/	/upar/
	বোৱাৰী/ ছোৱালী°	আপি	আপি	আপি	আপি	আপি	আপি	আপি	আপি	আপি
		/apɪ/	/apɪ/	/apɪ/	/apɪ/	/apɪ/	/apɪ/	/apɪ/	/apɪ/	/apɪ/
ত/t/	টান ঃ	তান	তান	তান	তান	তান	তান	তান	তান	তান
		/tan/	/tan/	/tan/	/tan/	/tan/	/tan/	/tan/	/tan/	/tan/
	মৰাপাত °	পাতা	পাতা	পাতা	পাতা	পাতা	পাতা	পাতা	পাতা	পাতা
		/pata/	/pata/	/pata/	/pata/	/pata/	/pata/	/pata/	pata	/pata/
	হাত	হাত	হাত	হাদ	হাত	হাত	হাত	হাত	হাত	হাত
		/hat/	/hat/	/had/	/hat/	/hat/	/hat/	/hat/	/hat/	/hat/
ক/k/	কোন ঃ	কায়	কায়	কায	কায়	কায়	কাই	কাই	কুন	কায়
		/kay/	/kay/	/kay/	/kay/	/kay/	/kaɪ/	/kai/	/kun/	/kay/
	আকাশ	আকাচ	আকাছ	আকাস	আকাছ	আকাছ		আকাখ	আকাখ	আকাখ
		/akatc/	/akats/	/aka ʃ /	/akas/	/akas/		/akakh/	/akakh/	/akakh/

বিশিষ্ট ধ্বনি	মান্য ঃ	মায়তবি	বংদানি	কোচা	বৰঝাৰা	ছোটমাটিয়া	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
	ভোক	ভ'ক	ব'ক	বোগ	ভ'ক	ভ'ক	ভ'ক	ভুক	ভ'ক	ভোখ
		/bh ɔ k/	/b ɔ k/	/bog/	/bh ɔ k/	/bh ɔ k/	/bh ɔ k/	/bhuk/	/bh ɔ k/	/bhokh/
ব/b/	বেলি/সময়	বেলা	বেলা	বেলা	বেলা	বেলা	বেলা	বেলা	বেলা	বেলা
		/b ɛ la/	/b ɛ la/	/b ɛ la/	/b ɛ la/	/b ɛ la/	/b ɛ la/	/b ɛ la/	/b ɛ la/	/b ɛ la/
	হ'ব ঃ	হ'ব	হ'ব	হোবো	হ'ব	হ'ব	হ'ব	হ'ব	হোবো	হ'ব
		/hɔb ɔ /	/hɔbɔ/	/h ɔ bɔ /	/hɔb ɔ /	/hɔbɔ/	/h ɔb ɔ /	/h ɔbɔ/	/hɔbɔ/	/hɔb ɔ /
	ভাব	ভাপ	বাপ	বাব	ভাব	ভাব	ভাব	ভাব	ভাব	ভাব
		/bhap/	/bap/	/bab/	/bhab/	/bhab/	/bhab/	/bhab/	/bhab/	/bhab/
দ/d/	দা ঃ	দাও	দাও	দাও	দাও	দাও	দাও	দাউ	দাও	দাও
		/dao/	/dao/	/dao/	/dao/	/dao/	/dao/	/dau/	/dao/	/dao/
	ককাই ঃ	দাদা	দাদা	দাদা	দাদা	দাদা	দাদা	দাদা	দাদা	দাদা
		/dada/	/dada/	/dada/	/dada/	/dada/	/dada/	/dada/	/dada/	/dada/
	মদ ঃ	ম'ত	ম'ত	মোদ	ম'ত	ম'ত	ম'ত	ম'ত	মোদ	ম'দ
		/mɔt/	/mɔ t/	/mod/	/mɔt/	/mɔt/	/mɔt/	/mɔt/	/mod/	/mɔd/
গ/g/	গছ ঃ	গাচ	গাছ	গাস	গাছ	গাছ	গাছ	গাছ	গাছ	গাছ
		/gatc/	/gats/	/gaʃ /	/gas/	/gas/	/gas/	/gas/	/gas/	/gas/

বিশিষ্ট ধ্বনি	মান্য ঃ	মায়ঙবি	বংদানি	কোচা	বৰখাৰা	ছোটমাটিয়া	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
	ফাগুন	ফাগুন /phagun/	ফাগুন /phagun	ফাগুন /phagun/	ফাগুন /phagun/	ফাগুন /phagun/	ফাগুন /phagun/	ফাগুন /phagun/	ফাগুন /phagun/	ফাগুন /phagun/
	দাগ আঁক ঃ	দাক /dak/	দাক /dak/	দাগ /dag/	দাক /dak/	দাক /dak/	দাগ /dag/	দাক /dak/	দাক /dak/	দাক /dak/
ফ/ph/	ফুল °	ফুল /phul/	ফুল /phul/	ফুল /ful/	ফুল /phul/	ফুল /phul/	ফুল /phul/	ফুল /phul/	ফুল /phul/	ফুল /phul/
	চাফ °	ছাফা /tsapha/	ছাফা /tsapha/	সাফা /ʃ apfa/	ছাফা /sapha/	ছাফা /sapha/	ছাফা /sapha/		ছাফা /sapha/	ছাফা /sapha/
	মাফ/মার্জনা ঃ	মাপ /map/	মাপ /map/	মাব /mab/	মাপ /map/	মাপ /map/	মাপ /map/	মাপ /map/	মাপ /map/	মাপ /map/
থ/th/	ভৰি/ঠেং °	থেং /th ɛŋ/	থেং /th ɛŋ/	থেং /th ɛŋ/	থেং /th ɛ ŋ/	থেং /th ɛŋ/	থ্ৰেং /th ɛ ŋ/	থেং /th ɛŋ/	থেং /th ɛŋ/	থেং /th ɛŋ/
	মুঠি ঃ	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/	মুথা /mutha/
	উঠ ঃ	উত /ut/	উত /ut/	উদ /ud/	উত /ut/	উত /ut/	উত /ut/	উত /ut/	উত /ut/	উথ /uth/

বিশিষ্ট ধ্বনি	মান্য ঃ	মাযতবি	বংদানি	কোচা	বৰঝাৰ	ছোটমাটিযা	ৰকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
খ/kh/	খাৰ	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/	খাৰ /khar/
	জাকৈ	জাখা /dzakha/	জাখা /dzakha/	জাখা /jakha/	জাখা /dzakha/	জাখা /zakha/	জাখায /zkhay/	ঝাখা /zhakha/	জাখে /zakh ε /	জাখায /zakhay/
	দুখ ঃ	দুক /duk/	দুক /duk/	দুগ /dug/	দুক /duk/	দুক /duk/	দুক /duk/	দুক /duk/	দুক /duk/	দুখ /dukh/
ভ/bh/	ভেটি ঃ	ভিতা /bhıta/	বিথা /bıtha/	বিতা /bıta/	ভিতা /bhıta/	ভিতা /bhıta/	ভিথা /bhıtha/	ভিথা /bhıta/	ভিথা /bhıtha/	
	জিভা	জিবা /dzıba/	জিবা /dzıba/	জিবা /jıbha/	জিবা /dzıba/	ঝিবা /zıba/	জিবা /zıba/	ঝিবা /zhıba/	জিবা /zıba/	জিবা /zıba/
	লাভ	লাপ /lap/	লাপ /lap/	লাব /lab/	লাপ /lap/	লাপ /lap/	লাব~লাপ /lab/~lap	লাপ /~lap/	লাপ /lap/	লাপ~লাব /~lap/lab/
ধ/dh/	ধাৰ •	ধাৰ /dhar/	দাৰ /dar/	দাৰ /dar/	ধাৰ /dhar/	ধাৰ /dhar/	ধাৰ /dhar/	ধাৰ /dhar/	ধাৰ /dhar/	ধাৰ /dhar/
	মুখচ	মুধা /mudha/	মুদা /muda/	মুদা /muda/	মুধা /mudha/	মুধা /mudha/	মুধা /mudha/	মুধা /mudha/	মুধা /mudha/	মুধা /mudha/

বিশিষ্ট ধ্বনি	মান্য ঃ	মাৰুভৰি	বংদোনি	কোচা	বৰঝৰা	ছোটমাটিয়া	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
	বুধ (বাৰ)	বুত	বুত	বুদ	বুত	বুদ~বুত	বুদ~বুত	বুদ	বুদ	বুদ
		/but/	/but/	/bud/	/but/	/bud/~ but/	/bud/~ but/	/bud/	/bud/	/bud/
ঘ/gh/	ঘি ৹	ঘিউ	গিউ	গিউ	ঘিউ	ঘিউ	ঘিউ	ঘিউ	ঘিউ	ঘিউ
		/ghɪu/	/gɪu/	/gɪu/	/ghɪu/	/ghɪu/	/ghɪu/	/ghɪu/	/ghɪu/	/ghɪu/
	আঘোণ	আঘ'ন	আগ'ন	আগোন	আঘ'ন	আঘ'ন	আঘ'ন	আঘ'ন	আঘ'ন	আঘ'ন
		/aghɔn/	/agɔn/	/agon/	/aghɔn/	/aghɔn/	/aghɔn/	/aghɔn/	/aghɔn	/aghon/
	মাঘ (মাহ) ৹	মাক	মাক	মাগ	মাক	মাগ~মাক	মাগ/মাক	মাগ	মাগ	মাগ
		/mak/	/mak/	/mag/	/mak/	/mag~mak	/mag~mak/	/mag/	/mag/	/mag/
চ/tc/	ডেকা ৹	চেঙেৰা	চেংৰা	সেংগ্ৰা	চেংৰা	ছেংৰা	ছেংৰা		ছেংৰা	ছেংৰা
		/tcɛŋra/	/tcɛŋra/	/ʃezgra/	/tcɛŋra/	/sɛŋra/	/sɛŋra/		/sɛŋra/	/sɛŋra/
	কেঁচা	কাচা	কানচা	কাচ্চা	কাচা	কাছা~/কানছা/	কাছা	কাছা	কেছা	কাছা
		/katca/	/kantca/	/kacca/	/katca/	/kasa/kansa	/kasa/	/kasa/	/kɛsa/	/kasa/
	শেষ ঃ	ছেচ	ছেছ	সেস	ছেছ	ছেছ	ছেছ~শেখ/	শেখ	শেখ	শেখ
		/tsɛtc/	/tsɛts/	/sɛs/	/tsɛts/	/sɛs/	/hɛi~hɛkh/	/xɛkh/	/xɛkh	/xɛkh/
ছ/ts/	ছয় ৹	ছই	ছয	সোই	ছয	ছয	ছই	ছই	ছই	ছই
		/tsɔɪ/	/tsɔy/	/ʃoɪ/	/tsɔy/	/tsɔy/	/sɔɪ/	/sɔɪ/	/sɔɪ	/sɔɪ/

বিশিষ্ট ধ্বনি	মান্য :	মায়তবি	বংদানি	কোচা	বৰবাৰা	ছোটমাটিয়া	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
	আছে :	আচে	আছে	আসে	আছে	আছে	আছে	আছে	আছে	আছে
		/atc ɛ /	/ats ɛ /	/a ʃ ɛ /	/ats ɛ /	/as ɛ /	/as ɛ /	/as ɛ /	/as ɛ /	/as ɛ /
	মাছ °	মাচ	মাছ	মাস	মাছ	মাছ	মাছ	মাছ	মাছ	মাছ
		/matc/	/mats/	/ma ʃ /	/mats/	/mas/	/mas/	/mas/	/mas/	/mas/
(শ,ষ,স) /x/	সাৰ :	ছাৰ	ছাৰ	সাৰ	ছাৰ	ছাৰ	ছাৰ~/সাৰ/	সাৰ	সাৰ	সাৰ
		/tsar/	/tsar/	/ ʃ ar/	/tsar/	/sar/	/sar~/xar/	/xar/	/xar/	/xar/
	আশা :	আছা	আছা	আসা	আছা	আছা	আখা	আখা	আখা	আখা
		/atsa/	/atsa/	/a ʃ a/	/atsa/	/asa/	/akha/	/akha/	/akha/	/akha/
	বিষ :	বিচ	বিছ	বিস	বিছ	বিছ	বিখ	বিখ	বিখ	বিখ
		/bɪtc/	/bɪts/	/bɪ ʃ /	/bɪts/	/bɪs/	/bɪkh/	/bɪkh/	/bɪkh/	/bɪkh/
জ/dz/	যা :	জা	জা	জা	জা	জা	জা	জা	জা	জা
		/dza/	/dza/	/ja/	/dza/	/za/	/za/	/za/	/za/	/za/
	আজি :	আজি	আজি	আজি	আজি	আজি	আজি	আঝি	আজি	আজি
		/adzɪ/	/adzɪ/	/ajɪ/	/adzɪ/	/azɪ/	/azɪ/	/azhɪ/	/azɪ/	/azɪ/
	লাজ :	লাছ	লাছ	লাস	লাজ	লাছ	লাজ~/লাছ/	লাছ	লাছ	লাজ
		/lats/	/lats/	/la ʃ /	/lats/	/las/	/laz~/las/	/las/	/las/	/laz/

বিশিষ্ট ধ্বনি	মান্য :	মাৰতৰি	বংদানি	কোচা	ববৰাবা	ছোটমাটিখা	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
ঝ/dzh/	জাৰুৱা/কাজ .	ঝাৰুৱা	জাৰুৱা	ঝাৰুৱা	জাৰুৱা	ঝাৰুৱা	ঝাৰুৱা			
		/dzharua/	/dzarua/	/jharua/	/dzarua/	/zharua/	/zharua/			
	বাঁজী :	ভানঝি	বানজি	বাজি	ভাজি	ভাজি	বাজা	বাঝি	বাজি	বাজি
		/bhandzhi/	/bandzi/	/baji/	/bhadzi/	/bhazi/	/baza/	/bazhi/	/bazi/	/bazi/
হ/h/	হেৰা :	হাৰা	হাৰা	হাৰা	হাৰা	হাৰা	হাৰা	হ'ৰা	হ'ৰা~/হুৰা/	হুৰা
		/hara/	/hara/	/hara/	/hara/	/hara/	/hara/	/hɔra/	/hɔra~/hura/	/hura/
	দ :	দ'হা	দ'হা	দোহা	দ'হা	দ'হা	দ'হা	দ'হা	দ'ৱা	দ'ৱা
		/dɔha/	/dɔha/	/doha/	/dɔha/	/dɔha/	/dɔha/	/dɔha/	/dɔwa/	/dɔwa/
	মানুহ :	মুনুহ	মুনুহ	মানুস	মানু	মানু	মানু	মানু	মানু	মানু
		/munuts/	/munuts/	/manuʃ/	/manu/	/manu/	/manu/	/manu/	/manu/	/manu/
ম/m/	মাতৃকুল :	মাহাৰি	মাহাৰি	মাহাৰি	মাহিৰি	মাহাৰি	মাহাৰি	মাহাৰি	মাইকা	মাইকা
		/mahari/	/mahari/	/mahari/	/mahiri/	/mahari/	/mahari/	/mahari/	/maika/	/maika/
	মোমাই :	মামা	মামা	মামা	মামা	মামা	মামা	মামা	মামা~/ম'মা/	মামা
		/mama/	/mama/	/mama/	/mama/	/mama/	/mama/	/mama/	/mama/moma	/mama/
	কাম :	কাম	কাম	কাম	কাম	কাম	কাম	কাম	কাম	কাম
		/kam/	/kam/	/kam/	/kam/	/kam/	/kam/	/kam/	/kam/	/kam/

বিশিষ্ট ধ্বনি	মান্য ঃ	মাযতবি	বদোনি	কোচা	ববঝবা	ছোটমাটিযা	বকো	ববদুৱাব	টংলা	তামুলপুব
ন/n/	নাইকিযা	নাই	নায়	নায	নায	নাইকা	নাঁইকা		নাই	নাই
		/naɪ/	/nay/	/nay/	/nay/	/naɪka/	/naɪka/		/naɪ/	/naɪ/
	কইনা ॰	ক'ইনা	ক'যনা	কোইনা	ক'যনা	কুইনা	কুইনা	ক'যনা	ক'ইনা	ক'ইনা
		/k ɔ ɪna/	/kɔyna/	/koɪna/	/kɔ yna/	/kuɪna/	/kuɪna/	/kɔyna/	/kɔɪna/	/k ɔɪna/
	আন্	আন	আন	আন	আন	আন	আন	আন	আন	আন
		/an/	/an/	/an/	/an/	/an/	/an/	/an/	/an/	/an/
ঙ/ŋ/	কণা/খোনা	বেঙা	বেঙা	বেঙা	বেঙা	বেঙা	বেঙা	বেঙা	বেঙা	বেঙা
		/bɛŋa/	/bɛŋa/	/bɛŋa/	/bɛŋa/	/bɛŋa/	/bɛŋa/	/bɛŋa/	/bɛŋa/	/bɛŋa/
	ভবি/ঠেং ঃ	থেং	থেং	থেং	থেং	থেং	থেং	থেং	থেং	থেং
		/thɛŋ/	/thɛŋ/	/thɛŋ/	/thɛŋ/	/thɛŋ/	/thɛŋ/	/thɛŋ/	/thɛŋ/	/thɛŋ/
বিশিষ্ট ধ্বনি	মান্য ঃ	মাযতবি	বদোনি	কোচা	ববঝবা	ছোটমাটিযা	বকো	ববদুৱাব	টংলা	তামুলপুব
ল/l/	লা	লাহা	লাহা	লাহা	লাহা	লাহা	লাহা	লাহা	লাহা	লাহা
		/laha/	/laha/	/laha/	/laha/	/laha/	/laha/	/laha/	/laha/	/laha/
	ক'লা	কালা	কালা	কালো	কালা	কালা	কালা	ক'লা	ক'লা	কুলিযা
		/kala/	/kala/	/kalo/	/kala/	/kala/	/kala/	/kɔla/	/kɔla/	/kulɪya/

বিশিষ্ট ধ্বনি	মান্য ঃ	মাঘতৰি	ৰংদানি	কোচা	বৰঝৰা	ছোটমাটিষা	বকো	বৰদুৱাৰ	টংলা	তামুলপুৰ
	জাল	ঝাল	জাল	জাল	জাল	জাল	জাল	ঝাল	জাল	জাল
		/dzhal/	/dzal/	/jal/	/dzal/	/zal/	/zal/	/zhal/	/zal/	/zal/
ৰ/r/	ৰোগ ঃ	ৰ'ক	ৰ'ক	ৰোগ	ৰ'ক	ৰগ~/ৰ'ক/	ৰগ~/ৰ'ক/	ৰ'ক	ৰগ	ৰ'ক~/ৰ'গ/
		/rɔk/	/rɔk/	/rog/	/rɔk/	/rɔg/rɔk/	/rɔg/rɔk/	/rɔk/	/rɔg/	/roɔg~/rɔg
	নৰা ॰	নাৰা	নাৰা	নাৰা	নাৰা	নাৰা	নাৰা	নাৰা	নাৰা	নাৰা
		/nara/	/nara/	/nara/	/nara/	/nara/	/nara/	/nara/	/nara/	/nara/
	ভাৰ	ভাৰ	বাৰ	বাৰ	ভাৰ	ভাৰ	ভাৰ	ভাৰ	ভাৰ	ভাৰ
		/bhar/	/bar/	/bar/	/bhar/	/bhar/	/bhar/	/bhar/	/bhar/	/bhar/

মান্য অসমীয়া ঃ	মায়ঙৰি	বজালি	কোচা	ববৰাবা	ছোটমাটিয়া	বকো	বব্দুৰাব	টংলা	তামুলপুৰ
মই ॰	ম'ই	ম'য়	মুই	ম'য়	মুই	ম'ই/মুই	ম'ই/মুই	ম'ই	ম'ই
আমি ॰	আমিবা	আমি	আম্‌বা	আমি	আমিবা	আমি	আমি	আমি	আমি
তই/তুমি	ত'ই	ত'য়	তুই	ত'য়	তুই	ত'ই/তুই	ত'ই/তুই	ত'ই	ত'ই
তোমালোক /তহঁত	তুমিবা	তুমি	তুম্‌বা	তুমি	তুমি/তুইসকল	তুহা/তুনা		ত'হ'ত	তঅন্‌তে
সি/তাই/তেওঁ ॰	অ'ই	অ'য়	উআই	অ'য়	তায়/অ'য়	সি	সি	সি/সে	সি
সিহঁত/তেওঁলোক	উমিবা	তামি	উম্‌বা	তামি	তামিবা	তাহা		তাহাত্ত	তাআন্‌তে
ই/এওঁ ঃ	এই	এয়	ইম্‌বা	ইমি	ইমিবা	ইহা		ই	এহু
এনেয়ে ॰	ই'ম্‌নে	এম্‌নে	এমনে	এনাই	এনে	এ'নে		এনাই	এনাই
এনেকুৱা	এংকা	এংকা	এমনকোৰি	এংকা	এংকা	এন্‌কা	এনায়	এনকে	এন্‌কা
তেনেকুৱা	অ'ংকা	অ'ংকা	তেমনকোৰি	অ ংকা	অ ংকা	তেন্‌কা	তেনায	তেনেকে	তেন্‌কা
এতিয়া	এলা	এলা	এখন	এলা	এলা	এথান		ইতা	ইইতা
এইফালে	ইফালে	এইফালে	ইদিকে	এইফালে	এয়ফালে	অ'হায়	ইফালে	ইফালে	ইফালে
কিয় ॰	কিঅ	কিয়'	কেনে	কিয	কিয	কিয	কিযা	কিয়া~কিয়'	কিযা
কিমান	ক'ত	ক'ত	ক'ত	ক'ত	ক'ত /কিমান	কেমান	কেমান		কেমান
ক'ত	ক'ত	ক'ত	কুনজাগাত	ক'ত	ক'ত	ক'হাই	কোহাই	ক'ত	ক'ত
কোন	কায়	কায়	কায়	কায়	কায়	কায		কায়	কায়
কেতিয়াবা	কুনবাদিনা	কুনবাবেলা	কুনবেশ্য	কুনবাদিনা	কুনবাদিনা	কেথেনবা		কেত্তিবা	

ৰাভা ভাষাৰ পৰা অহা) ৰাভামিজত প্ৰয়োগ আছে।[11] সেইদৰে নামনি অসমৰ দৰং, কামৰূপ গোৱালপাৰা (অবিভক্ত) অঞ্চলৰ উপভাষাৰ শব্দ-সম্ভাৰবহে ৰাভামিজত বিশেষভাৱে প্ৰযোগ আছে। অসমীয়াত অসৱবৰ্হী বহু সংস্কৃত-পালি-প্ৰাকৃত-অপভ্ৰংশ ভৱৰ শব্দ আৰু প্ৰাচীন অসমীয়াৰ শব্দ (ব্ৰজবুলি প্ৰমুখ্যে) ৰাভামিজত সমাদৃত। অৱশ্যে ফৈদ আৰু অঞ্চল সাপেক্ষে এইবোৰ শব্দৰ প্ৰয়োগৰ তাৰতম্য আছে। তলত তেনে কেতবোৰ শব্দৰ তালিকা দিয়া হৈছে।

লালুকী ঃ নালুক (বৰঝৰা), বিন্দুলুকা/বুন্দিলেকা (ছোটমাটিয়া), বেংলুকু/বেংলুখু (ৰংজুলি/বকো) নালাংকি (বৰদুৱাৰ), নালুক্নি/নাংক্রি (তামুলপুৰ) তু নালুক (ৰাভা)।

পঁইতাচোৰা ঃ তেলচৰছ (বৰঝৰা), খাৰপ'কা (ছোটমাটিষা), ছিলুপ'কা (ৰংজুলি/বকো),
[illegible]পʼকা (তামুলপুৰ/টংলা), ছ'লিপ'কা (বৰদুৱাৰ) তু খাৰক (ৰাভা)।

মদ-পিঠা ঃ [illegible] (বৰঝৰা/ ছোটমাটিয়া), সুৰাছি (ৰংজুলি/বকো/বৰদুৱাৰ/তামুলপুৰ/ [illegible]) তু ফাপ/ফাপচি (ৰাভা)।

[illegible]য়া ঃ ঘুঘুজ্জিজ্জমাই/গ'লেঙা/গুগুলেঙা (বৰঝৰা/ ছোটমাটিয়া/ৰংজুলি) গুৱালেঙী (বকো), গলন্দি (তামুলপুৰ/টংলা), তু গুৱালেঙী (ৰামসৰস্বতী, কৰ্ণপৰ্ব)/গুগুজেম (ৰাভা)।

গেন্দগেদী ঃ [illegible]লাই (বৰঝৰা), ঘাগছি (ছোটমাটিয়া), নিমপাৰি (দুধনৈ), হেব'গালি (ৰংজুলি/বকো), ভেহেৰি (তামুলপুৰ), তু ধেদেনা (ৰাভা)।

মেকুৰী ঃ বিলাই (বৰঝৰা), নাকাৰ, নেকাৰ (ছোটমাটিয়া) মিকিৰি (বকো/বৰদুৱাৰ), মেক্ৰি (তামুলপুৰ/টংলা) তু মেংকু (ৰাভা)।

কুকুৰা ঃ চ'ৰৈ (বৰঝৰা/ছোটমাটিয়া), ছ'ৰৈ (ৰংজুলি/বকো/বৰদুৱাৰ), ছ'ৰাই (তামুলপুৰ/টংলা) ব্যতিক্ৰম পখি (চৰাই)।

পিঠাগুৰিৰ আঞ্জা ঃ পিথালি (বৰঝৰা/ ছোটমাটিয়া/ৰংজুলি/বকো), গুৰা আন্জা (বৰদুৱাৰ/টংলা), গুৰাশাক (তামুলপুৰ) তু বাম (পিঠা) + চি (আলি)> বামচি (ৰাভা)।

ভাইটি ঃ ন'ন'/নুনু (বৰঝৰা/ ছোটমাটিয়া/ৰংজুলি/বকো), ভায়াক (তামুলপুৰ) তু মোমো (ৰাভা)।

নবৌ ঃ ভাউজি (বৰঝৰা), বুউ/বু (ছোটমাটিয়া/ৰংজুলি/তামুলপুৰ/বকো/টংলা), ব' (বৰদুৱাৰ) তু বুজি (ৰাভা)।

আমলখি ঃ আমিলা (বৰঝৰা), আঙলা (ছোটমাটিয়া), গুনিয়াল (দুধনৈ), গ'য়ল'ন (ৰংজুলি), গ'য়লান (বকো) তু আমালুৰি (ৰাভা)।

শালিকা ঃ ছাৰুক (বৰঝৰা/ছোটমাটিযা) সাৰুক (ৰংজুলি) সাউল্‌কা (বকো) সালকা (বৰদুৱাৰ/তামুলপুৰ/টংলা) তু ছিৰু/ছেৰক (ৰাভা)।

তিতালাওৰ খোল বেৰেক/ত'ক'ৰা (বৰঝৰা/ছোটমাটিযা/ৰংজুলি) বৰুৱা (বকো) লাওত'ক'ৰা (বৰদুৱাৰ) তু ব্ৰেক (ৰাভা)।

বনগুটি ॰ ছুগুনকাটা (ছোটমাটিযা) ছজনফুৰকা (দুধনৈ), খজংখাতি (ৰংজুলি) সজনকাটা (বকো) মেৰাকাটা (তামুলপুৰ/টংলা) তু ছাম (বন) + বাৰেং > ছাম বাৰেং (ৰাভা)।

পোৱালী থকা মাইকী কুকুৰা মাহাৰি (বৰঝৰা/ছোটমাটিয়া/ৰংজুলি/বকো) মাইকা (টংলা)।

কণী নপৰা মাইকী কুকুৰা ডেকৰি (বৰঝৰা/ছোটমাটিযা) ডেকেৰি (বকো) জখ্‌লি (তামুলপুৰ) কুকুৰি (টংলা) মিথিৰি (ৰংজুলি/বকো) তু তো কুৰি (ৰাভা)।

মতা নে মাইকী চিনিব নোবাৰা গাহৰি মকৰা বাৰা (ৰংজুলি/বকো), মেখলা ছুৱাৰ (দুধনৈ) মেখলি ভুৰা (তামুলপুৰ) তু মালোৰা (ৰাভা)।

আঁকাজী ঃ ঘাছুৰি (দুধনৈ/ৰংজুলি/বকো) ঘিচিৰি (টংলা) তু ঘাছুৰি (ৰাভা)।

কাঁজী ॰ ভাজিনি (দুধনৈ/ৰংজুলি/বকো/টংলা) তু ভাজিনি (ৰাভা)।

এবিধ চাটনি (তিতাজোল) শংখাভাজা (টংলা) কংকা (বৰঝৰা) তু কংকাৰাংচি (ৰাভা)।

ৰাভামিজত কিছুমান অসমীয়া শব্দৰ সীমিত অৰ্থত প্ৰযোগ হয কিংবা অৰ্থান্তৰ ঘটে। উদাহৰণস্বৰূপে 'দিন' বা 'দিনৰ মাজত' শব্দ/বাক্যাংশেৰে 'আকাশ/আকাশত' বুজোৱা হয় আৰু সেইদৰে পোহৰ' শব্দেৰে 'দিন' অৰ্থ সূচায়। সেইদৰে 'থাক' ধাতুৰ অৰ্থ হৈছে 'শো' আৰু তাৰ পাচনী থুকা' ধাতুৰ অৰ্থ হৈছে 'শুৱা'।

ৰাভামিজত তৎসম শব্দৰ প্ৰয়োগ আছে যদিও প্ৰত্যয়ান্ত তৎসম শব্দৰ সমূলি প্ৰয়োগ নাই। বীৰত্ব, সৌন্দৰ্য অভুতপূৰ্ব, মহত্ব, প্ৰেমিক-প্ৰেমিকা, কাপুৰুষালি আদি শব্দৰ প্ৰযোগ ৰাভামিজত নাই। সেইদৰে আশীৰ্বাদসূচক, সৌহাৰ্দসূচক বা মৰমজ্ঞাপক শব্দৰ দীনতা আৰু গালি-গালাজ, শাও-পাত, অপমান, নিন্দাসূচক শব্দৰ প্ৰাচুৰ্য ৰাভামিজৰ প্ৰধান বৈশিষ্ট্য। উদাহৰণস্বৰূপে— চৌখিন বা লাহতী, বাসকসজ্জা বা অভিসাৰিকা আদি অৰ্থসূচক স্ত্ৰীলিংগত প্ৰয়োগ হোৱা শব্দৰ ভিতৰত ৰাখানি/ৰাখান, চুহৰি/চুহুৰি, চ'খেমালি/চ'খেশ্বৰী, চিকুন, তেমুনি আৰু ব'ইতালি/নাকাটি নটী/ভাতাৰ ফালিণ্ডি আদি অন্যতম।

৫ ০ ৰাভামিজৰ বাক্যশৈলী অতি সৰল, চুটি আৰু পোনপটীয়া। যৌগিক বা জটিল বাক্যৰ প্ৰয়োগ নায়েই। বাক্যত কৰ্তা, কৰ্ম, ক্ৰিয়াৰ সংগতি স্থিৰ নহয়। বিশেষণ

প্ৰায়েই বিশেষ্যৰ পিছত প্ৰযোগ হয। জতুৱা ঠাঁচ বা খণ্ডবাক্যসমূহত আঞ্চলিক বৈশিষ্ট্য বিদ্যমান। তু নো বা কে এ ছে, মিছা তেলা আৰকি গোতায আদি স্বাৰ্থিক প্ৰত্যযৰ প্ৰযোগ ৰাভামিজৰ নিজস্ব শৈলী।

ৰাভামিজৰ বাক্য-গাঁথনি ৰাভা শব্দেৰে ভাৰাক্ৰান্ত আৰু ব্যাকৰণগতভাৱে অশুদ্ধ ৰূপৰ সমাহাৰ মাথোন। তলত তেনে কিছুমান ৰূপৰ উদাহৰণ দিয়া হৈছে—

৫ ১ মাযতৰি ৰাভাৰ কৃত্ৰিম অসমীযা : (Pidgin)

ক। দ'হ'লাতে গাজিছে
হিযা হিযা চামা।
জাৰ বিতি ভাল দেখে
তাকে ক'ব মামা।। (ছাথাৰ গীত)

খ। এ ছাতাবাৰী গ্ৰাম ৰাইজকে আন্দা-বাচ্চা গো-গাইকে কুনুবা খালে জংঘলে নদি-নালায বেৰাযা খাব। এ আপুনাকে ন'জ'ৰ কুৰি থাকিবা লাগিব আৰ্কি। লোহাৰ দা, চাম্ৰাৰ দাং ল'ইযা দুৰ কুৰিযা খিদি দিবা লাগিব আৰ্কি। ৰোগ-ৰুগী ছাৰাও-ছাবাও আহিলে দুৰ কৰিযা দিবা লাগিব আৰ্কি। জয ৰূপকালি মাও।। (ছাতাবাৰী গাঁৱৰ কালীপূজাৰ দেউৰীৰ আৰাধনা মন্ত্ৰ)।

ৰংদানি ৰাভাৰ কৃত্ৰিম অসমীয়া : (Pidgin)

ক। চাতালুৰে মাওৰে
ত'য় হ'ত হ'ত।
উপাৰ কাতি নাচাবি
ত'ল কাতি চাবি
থেং গ'দা গ'দা
ত'য় হ'ত হ'ত।।

ত'ৰ তিৰি ল'য়া-ল'যা
ম'ৰ তিৰি ল'য়া
ত'ৰ তিৰি ম'ৰ থায়
ম'ৰ তিৰি ত'ৰ থায়।।
(ছিংগা আৰু ব্ৰাংছি বাদ্যৰ মালিতা)

খ। জুদি গ'ৰ-সুবাৰ, ছাওবা-ছ'ত'
খাৰা কুৰিবা পায়
ব'ছ'ৰে ব'ছ'ৰে আত্ৰ'ম্ কুৰিয়া
চিত্ৰ'ম্ কুৰিয়া
ব'ৰ্ পূজা দি থাকিম

জুদি খাবা নাক'ৰে-ত'ৰ থান্ দুব্‌লা গাজিব
ইছুৰ গুলিযা থাকুব।।
(গোহালী দেওৰ আৰাধনা মন্ত্ৰ)

দাহৰি ৰাভাৰ অকৃত্ৰিম অসমীয়া ঃ (Creole)

ক। ঘুগুক হ'য়া— দিবিবে ম'কে দেখা
ছাৰুক হ'য়া— ক'বিবে ম'কে কাথা
ত'ৰমুচি হ'য়াবে— খুজিবি খুজিবি পানি
বাতি ভ'ৰেযা— দিম্‌বে ত'ক আনি।
(মৃতকৰ উদ্দেশ্যে তৰ্পণ কৰা গীত, উৎস ঃ হৰেশ্বৰ ৰাভা)

খ। বাবা-আযা বাদে ঘ'ৰ'ত কায়য় নাই
আমিৰা মাত্ৰ দুই ভাই।
ম'ইনা ছাওয়াগ' জে আনিলুং এলা
নুপুছিলে উপায নাই।।
(সৃষ্টি বিধান তৰাঙ্গা নাটকৰ সংলাপ, উৎস ঃ হৰেশ্বৰ ৰাভা)

পাতি ৰাভাৰ অকৃত্ৰিম অসমীয়া ঃ (Creole)

ক। 'আয় মাও ন'বেক্ আনেকতু
ভাত খাওৱা মাযৰাম ছাৰিবাক।'
'ব'হাৰিবাৰা ঘ'ৰ'ত নাইকা জি ভাত ৰান্ধিবাকে
কায়য়' নাইকা উমাৰ।'
কি পাযা খাবি দ'হ'। একতা দিন' নাহা মানু আহিছে।
ম'ত নায জুগ্‌লি নায় কি খাবি এলা।।'
(আযাৰচেৰেক কথোপকথনৰ নমুনা— বৰঝৰা অঞ্চলৰ সৌজন্য ঃ প্ৰকাশ ৰাভা, দেপালচুং)

খ। বাং বাং অ' নুলিতা অ— মাতিত উজায অ গুই
ছ'ত' খানি অ লাখৰ ছাওয়া অ' লেত'ত লাগিল অ' জুই।
(ছোটমাটিয়া অঞ্চলত প্ৰচলিত লাখৰ গীত)

গ। আগদুবাৰ'তে ক'দ'ম গাছ— পাছ দুবাৰ পানি।
জাৰে বিতি ছিক'ন দেখ'ং— তাকে আনং তানি।।
দুৰ'ৰ প'ৰা দেখা পালং— এক বাৰি এৰা।
ত'ক ৰেওয়া ম'ন নাখাং— একতা ছ'কু কেৰা।।
(দুধনৈ অঞ্চলৰ * মিহিৰচন্দ্ৰ ৰাভা ৰচিত ভাৱী গানৰ এছোৱা)

ঘ। লাগুামাৰাৰ আগতে

মাহি অ'ই ফাতাই খালুং বেল
হ'ই হ'ই হ'ই এ
পাখাৰা কি ছিখিৰা
মাহি অ'ই ফাতাই খালুং বেল
লাঙামাৰাৰ ঘ'ৰি হ'ই হ'ই লাঙামাৰাৰ ঘ'ৰি।।
(বকো অঞ্চলত প্ৰচলিত হানাঘোঁৰা গীত)

ঙ। সগৰা প'ছ মাৰিলুং
বুকুলা ধুবা নিলুং
ধ'ৰা কাউৰে ল'ই গেল
লেব'ক লেব'ক ক'ৰি
পাতি কাউৰে দাউৰি গেল
পাও হ'ব বুলি।
(দক্ষিণ কামৰূপত প্ৰচলিত বগেজাৰী গীত)

চ। 'কুবাও সুবাও দুৰ ক'ৰি
দায়াত মাযা ক'ৰি
আপ'নাৰ ছ'ৰন'ত ম'ৰন ন'হ ৰাকে
ছাঙ'ত ধান হ'ব' লাগে
গ'লিত গ'ৰু হ'ব' লাগে
জিত ম'ন'বান্ছা ক'ৰছং
সিত কাম'না পুৰ হ'ব' লাগে
আপ'নাৰ আসিব্বাদ'ত
ছ'ৰনে ম'ৰন ন'হ'ৰাক'ই
কযলানে ৰাখবা লাগে।"
(লোহাৰঘাট অঞ্চলৰ লাঙমাৰ পূজাৰ আৰাধনা মন্ত্ৰ ঃ সৌজন্য ঃ সূৰ্যকুমাৰ মজুমদাৰ দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি, ১৯৮৯)

ছ। আঁচু সূতা লেহেৰি
বুৰনি ঐ ঘেচেৰী
লাহেকৈ মাৰ্বি তাৰ
একতাৰ মাৰংতে এখৰ সূতা চিংলা
শাহেৰে ঐ ভাঙি দিব গাল।
হুৰ হেই হুৰ হেই ।।
(দৰঙীয়া টোটলা ৰাভাৰ আছ-শালি নৃত্য-গীত , উৎসঃ শ্ৰীকমিৰাম ৰাভা, নলখামৰা)

জ। কাকাৰা মাকাৰা
খাই কাকাৰা হৰ হৰ কৰে
অ ককাই কাই কাকৰা হৰ হৰ কৰে
উপাৰ কাটি তলমুখ
কাকাৰা ঘুকা বৰ দুখ
ঘুকে কাকাৰা জলম নি পথাৰে
অ ককাই জলম নি পথাৰে।
কি আইহাত অ বুলি অ হুৰে হুৰে।।

(নলবাৰীৰ বাস্কা অঞ্চলৰ বাম্বোলপিটা গীত, উৎস ঃ মুকুল ৰাভা লোক সংস্কৃতিত সুবাস বিচাৰি ১৯৯৫)

ইয়াত উদ্ধৃত আৰু ব্যৱহৃত সমলৰাজি একাধিক সূচকৰ জৰিয়তে প্ৰত্যাযিত কৰাৰ যথেষ্ট অৱকাশ বৈ গ'ল। উপভাষা-ভাষী ব্যক্তি মাত্ৰে কম বেছি পৰিমাণে মান্য ভাষাৰ সৈতে সততে register সলাই থাকিবলগীয়া হয় বাবে আৰু ৰাভা ভাষা-ভাষী দ্বিভাষিক লোক মাত্ৰে অসমীয়া ভাষাৰ সৈতে diglossia স্তৰত কথা-বতৰা পাতিবলগীয়া হয় বাবে একেজন সূচকৰে বা একেটা অঞ্চলতে সমলৰাজিৰ হীন-দেঢ়ি হোৱা দেখা যায়।

৬ ০ পৰিসংহাৰত এইটো আশা পোষণ কৰা হৈছে যে,— বহু যুগ ধৰি একেলগে একেখন ভাষিক ক্ষেত্ৰত দুটা ভিন্ন ভাষা-পৰিয়ালৰ লোকে বৈবাহিক-সামাজিক-সাংস্কৃতিক আদান-প্ৰদানৰ জৰিয়তে সৌহাৰ্দসূচকভাৱে ভাব-বিনিময় কৰি আহিছে বাবে অসমীযা ভাষালৈ ৰাভামিজ ভাষা-ভাষী প্ৰমুখ্যে জনজাতীয় অসমীযা ভাষী লোকৰ বৃহত্তৰ অসমীযা জাতি গঠন প্ৰক্ৰিযাৰ দৰে বৰ্ণাঢ্য অসমীযা ভাষা গঠনতো প্ৰভূত বৰঙণি যোগাই অহা বিষযটো বিজ্ঞানসম্মতভাৱে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ভাষাবিদ গৱেষকসকলে যাতে হাত উজান দিয়ে। ❑

টোকা আৰু সূত্ৰ ঃ

১ উপেন ৰাভা হাকাচাম ঃ **ৰাভা ভাষা আৰু সাহিত্য** ১৯৯৭ পৃ ১

২ A hand out replied by the Directorate of Census Assam Language wise distribution of population in Assam 1991

৩ M Martin -ৰ **Eastern India** (1838) Dr M I Borah অনূদিত **Baharistan I Ghaybi** (1931) আৰু বেণুধৰ শৰ্মা অনূদিত **ৰাভা বুৰঞ্জী** (১৯৬০) অন্যতম।

৪ ধনঞ্জয় ৰাভা ‘কোচ আৰু ৰাজবংশী **স্মৃতি গ্ৰন্থ** (নিখিল ৰাভা সাহিত্য

সভাৰ অষ্টম বাৰ্ষিক দুধৈনৈ অধিবেশন) ১৯৯৩ পৃ ১০

৫ ধৰ্মান্তৰৰ জাতিধ্বংসী আক্ৰোশৰ পৰা পৰিত্ৰাণ পাবলৈ সেয়ে পোন প্ৰথমে বাংলা ১২৯৯ অৰ্থাৎ ইংৰাজী ১৮৯২ চনত বিজনী ইষ্টেটৰ শালপাৰা নিবাসী পুৰু পাটগিৰীৰ আমোলত ডিৰ্শ্মা এলেকাৰ হাতীমূৰা মৌজাত 'ৰাভা জাতীৰ হিন্দু ধৰ্ম বিধি-ব্যৱস্থা প্ৰণযন কৰি 'বাৰদল' নামৰ জাতীয় অনুষ্ঠান স্থাপিত হয। ইয়াৰ পিছতে ৰাভাৰ ত্ৰিমূৰ্তি হিচাপে পৰিচিত সমাজ সংস্কাৰক গোবৰ্দ্ধন সৰকাৰ, দ্বাৰিকানাথ ৰাভা আৰু ৰাজেন্দ্ৰ ৰংখৰ উমৈহতীয়া প্ৰচেষ্টাত ৰাভা ছাত্ৰ সন্মিলন (১৯১৫) ৰাভা যুৱক সংঘ (১৯৪১) অল আসাম ৰাভা সন্মিলন (১৯২৬) আদি জাতীয় অনুষ্ঠান, প্ৰতিষ্ঠানৰ জন্ম হয। সেইদৰে অধুনা সমাদৃত ৰাভা জাতীয় কৃষ্টি সন্মিলন, ৰাভা জাতীয পৰিষদ (RNC), মেঘালয় ৰাভা জাতীয সেৱা সংঘ, ৰাভা সাহিত্য সভা (BRKR) আদি অনুষ্ঠানৰ গুৰি ধৰোঁতা প্ৰায়সকল ব্যক্তি এই ৰাভা ভাষা নোকোৱা ফৈদৰেই। এক সমীক্ষাৰ পৰা গম পোৱা গৈছে যে, ৰাভা ভাষা সাহিত্য-সমাজৰ কৰ্ণধাৰ স্বৰূপ প্ৰাযবিলাক ৰাভা ভাষী শিক্ষিত লোকৰ পৰিয়ালতে ৰাভা ভাষাৰ স্থান বৰ্তমান দ্বিতীয মাতৃভাষাৰ পৰ্যাযতহে কথমপি প্ৰবৰ্তি আছে। ইংৰাজী ১৯৫০-১৯৮০ চনৰ মাজৰছোৱাত এনেদৰে মাতৃভাষা পৰিত্যাগ কৰা বা পাহৰাৰ হাৰ ক্ৰমশং বৃদ্ধি পাইছিল। কিন্তু সম্প্ৰতি ইযাৰ ওলোটা প্ৰক্ৰিয়া আৰম্ভ হৈছে। অৰ্থাৎ ৰাভা ভাষা পাহৰি যোৱা পৰিযালতো ৰাভা ভাষা-ভাষী সুসংস্কৃতি পৰাযনা গাভৰু এগৰাকীৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন আৰু ৰাভা ভাষা চৰ্চাৰ জৰিযতে আত্মগৌৰৱ বোধ কৰা লোকৰ সংখ্যা বাঢিব ধৰিছে।

৬ (ক) The most general of the three is '**Lingua franca**', which denotes any language (no matter what its structural characteristic or social standing) that is used as a medium of communication among people who have no other language in common

(খ) "On the other hand it often happens that, to communicate with each other two or more people use a language in a variety and whose grammar and vocabulary are very much reduced in extent and which is native to neither side Such a language is a "**Pidgin.**"

(গ) '**A Creole** language arises when a pidgin becomes the native language of a speech community R A Hall **Pidgin and Creole language,** 1979, P xii

৭। চাওক ড° দীপঙ্কৰ মৰল ঃ **উপভাষা বিজ্ঞান** ১৯৯৭ পৃ ৮৯ ড° বীৰেন্দ্ৰনাথ দত্ত ঃ 'অসমীয়া ভাষাৰ আঞ্চলিক বৈশিষ্ট্য" (আলোচনা চক্ৰৰ সঞ্চালকৰ ভাষণ) অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিবেশন, বঙাইগাঁও, ১৯৮৩।

৮। চাওক, ড সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী ঃ **Studies in Sino-Tibetan**

Languages, 1988 অধ্যাপিকা প্ৰমোদা দেৱী ঃ **বাভা জনগোষ্ঠী ঃ তেওঁলোকৰ সমাজ সংস্কৃতি আৰু ভাষা** অপ্ৰকাশিত গৱেষণা পত্ৰিকা, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৫ ।

৯। ড° ৰজত বাভা ঃ **Dudhnoi A dialect of Assamese,** Unpublished Ph D thesis, G U 1996 আনহাতে তেওঁৰ গৱেষণাৰ তত্ত্বাবধায়ক ড° ৰোহিনী কুমাৰ মহন্তই এই নিবন্ধকাৰৰ সংগৃহীত সমলবাজি পৰ্যবেক্ষণ কৰি ইয়াৰ অস্তিত্ব মানি লৈছে।

১০। উপেন ৰাভা হাকাচাম ঃ "ৰাভামিজ (ৰাভা-অসমীয়া) ঃ এটি চমু অধ্যয়ন **ৰাভা ভাষা আৰু সাহিত্য** ১৯৯৭।

১১। এইসমূহৰ ভিতৰত সম্বন্ধবাচক শব্দ, দৈনন্দিন ব্যৱহৃত গৃহস্থালিৰ সা-সামগ্ৰীৰ নাম, উৎসৱ-পাৰ্বণ আৰু সাংস্কৃতিক জীৱনত ব্যৱহৃত শব্দ (পিন্ধা-উৰা খোৱা-লোৱা, বাদ্যযন্ত্ৰ আদি), আলংকাৰিক শব্দ (প্ৰাণী বা বস্তুৰ নামকৰণ, বিশেষণ), ভাবানুভূতি প্ৰকাশক শব্দ (ধ্বন্যাত্মক শব্দ) প্ৰভৃতি উল্লেখযোগ্য। চাওক ঃ উপেন ৰাভা হাকাচাম ১৯৯৭, প্ৰাগুক্ত।

বড়ো আৰু অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি : এটি আলোচনা

❑ বৰ্ণালী ডেকা

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যৰ ভাষা অসমীয়া। অসমীয়া আৰ্য ভাষাৰ উপৰিও অসমত অনা-আৰ্য ভাষাগোষ্ঠীৰ বহুতো লোকে বাস কৰে যাৰ উমৈহতীয়া ভাষাও অসমীয়া। অনা-আৰ্য ভাষাগোষ্ঠীৰ ভিতৰত চীন-তিব্বতীয় গোষ্ঠীৰ ভাষা কিছুমানৰ অৱস্থিতি বিশেষভাৱে উল্লেখযোগ্য। চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ এটা উল্লেখযোগ্য ভাষা হ'ল বড়ো ভাষা। এই বড়ো এটি জনপ্ৰিয় তথা চহকী ভাষা। অসমৰ বিশেষকৈ কামৰূপ, নলবাৰী বৰপেটা, অবিভক্ত গোৱালপাৰা, নগাঁও, দৰং আদি জিলাত এই ভাষা প্ৰচলিত। বড়ো আৰু অসমীয়া দুযোটা ভাষাই অসমৰ মাটিত বিকাশ লাভ কৰা থলুৱা ভাষা। উৎসৰ দিশৰ পৰা অসমীয়া ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ ভাষা হ'লেও পাৰস্পৰিক আদান-প্ৰদানৰ জৰিয়তে আৰু প্ৰভাৱৰ ফলত সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছে।

অসমীয়া ভাষাৰ নিজা লিপি আছে। বড়ো ভাষাত এই লিপিৰেই প্ৰচলন ব্যাপক হ'লেও সাধাৰণতে দেৱনাগৰী আৰু ৰোমান লিপিতহে লিখা-মেলাৰ কাম কৰা হয়। এই ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হ'লেও কিন্তু ভাষাতাত্ত্বিক দিশত ভাষাটিৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। ৰূপতত্ত্ব ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্বৰ ভিতৰত ধ্বনিতত্ত্বই এই কথা স্পষ্ট ৰূপত দাঙি ধৰে। অসমীয়া ভাষাৰ সৈতে তুলনা কৰিও আমি ইয়াক দেখুৱাব পাৰোঁ।

আমি জানো যে পৃথিৱীৰ প্ৰতিটো ভাষাৰে নিৰ্দিষ্ট উচ্চাৰণ গুণবিশিষ্ট কিছুমান ধ্বনি আছে, কিন্তু সকলো সময়তে সিহঁতে সেই বৈশিষ্ট্য ৰক্ষা নকৰে। কোনো এটা ধ্বনি অন্য এটা ধ্বনিৰ লগত যুক্ত হৈ থাকিলে অথবা পৰিৱেশজনিত কাৰণত একেটা ধ্বনিৰে একাধিক ধ্বনিৰূপ পোৱা যায়। এই ধ্বনিৰূপৰ ভিন্নতা অতি সূক্ষ্ম। মাতৃভাষীসকলে এই পাৰ্থক্য সহজে ধৰিব নোৱাৰে। এনেকুৱা, প্ৰকৃতিৰ ফালৰ পৰা গভীৰ সম্পৰ্কযুক্ত আৰু একে পৰিৱেশত এটাৰ সলনি আন এটা উচ্চাৰিত নোহোৱা ধ্বনিবোৰৰ সামূহিক গোটক বিশিষ্ট ধ্বনি বা বৰ্ণ বোলে। অৰ্থাৎ, যিবোৰ

ধ্বনিয়ে শব্দ পৃথক কৰিব পাৰে সেইবোৰ ধ্বনিক বিশিষ্ট ধ্বনি বোলে। আমাৰ আলোচনাটিত বড়ো আৰু অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিকহে স্থান দিয়া হৈছে। পাণিনিয়ে অষ্টাধ্যায়ীত 'অচ বুলি উল্লেখ কৰা স্বৰধ্বনি সম্পৰ্কে পতঞ্জলিৰ মহাভাষ্যত আছে—'স্বযং ৰাজন্তে স্বৰা অন্বগ ভৱতি ব্যঞ্জনম ইতি। আকৌ হাঁওফাওঁৰ পৰা অহা বতাহ মুখৰ ভিতৰত ৰোধ নকৰাকৈ বাধাহীনভাৱে উলিযালে আৰু ওঁঠ বা জিভাৰে বতাহ নিৰ্গত হোৱা পথ নিযন্ত্ৰিত কৰি যি বাগধ্বনি উচ্চাৰণ কৰা হয় তাকে স্বৰধ্বনি বোলে।

কুৰি শতিকাৰ দ্বিতীয দশকৰ আৰম্ভণিতে লিখিত ৰূপ দিবলৈ চেষ্টা কৰা বড়ো ভাষাৰ মুঠ স্বৰবৰ্ণৰ সংখ্যা নটা—অ আ ই, উ এ ঐ ও ঔ আৰু অৗ। ড প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই তেখেতৰ গৱেষণা-গ্ৰন্থ এ ডেছ্ক্ৰিপটিভ এনালাইছিছ অব্ দ্য বড়ো লেঙ্গুৱেজ 'ত বড়ো ভাষাৰ বিশিষ্ট ধ্বনিসমূহক দুই ভাগত ভাগ কৰিছে ˚

(ক) বিভাজ্য বিশিষ্ট ধ্বনি

(খ) অবিভাজ্য বিশিষ্ট ধ্বনি।

বিভাজ্য বিশিষ্ট ধ্বনিৰ ভিতৰত ড ভট্টাচাৰ্যই ব্যঞ্জন আৰু স্বৰৰ কথা উল্লেখ কৰিছে আৰু উচ্চাৰণ অনুযাযী ছটা বিশিষ্ট স্বৰধ্বনিৰ ব্যৱহাৰ দেখুৱাইছে। বিভিন্ন স্থান অনুসৰি স্বৰকেইটা হ'ল ˚

	সম্মুখ	কেন্দ্ৰীয	পশ্চ
উচ্চ	ই		উ
মধ্য	এ	অৗ	ও
নিম্ন		আ	

অৱশ্যে কোনো কোনো আলোচকে সাতোটা স্বৰধ্বনিৰ উল্লেখো কৰিছে। তেওঁলোকে অৗ (w) স্বৰটোক গৌণ বিশিষ্ট স্বৰধ্বনিৰ শাৰীত স্থান দিছে। এই সাতোটা স্বৰৰ বিৰোধ এনেদৰে দেখুৱাব পাৰি ঃ

/ই/ ˊবি (ভিক্ষা কৰা)
/এ/ ˊবে (এইটো)
/আ/ ˊবা (পিঠিত কঢ়িযাই অনা)
/অৗ/ ˊবৗ (টান)
/অ/ ব' (পাৰি দিযা)
/ও/ বো (বিয়পাই দিয়া)
/উ/ ˊবু (কোবোৱা)

আনহাতে অসমীয়া ভাষাত প্ৰয়োগ হোৱা মুঠ স্বৰবৰ্ণ পাওঁ ১১টা— অ আ

ই ঈ উ ঊ ঋ এ ঐ ও ঔ কিন্তু উচ্চাৰণ অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি ৮ টাহে পোৱা যায—অ অ আ ই এ এ ও উ। উল্লেখযোগ্য যে অসমীয়াত প্ৰচলিত আখৰ আৰু প্ৰকৃত উচ্চাৰিত ধ্বনিৰ মাজত মিল নাই। সেয়ে আখৰৰ তুলনাত ধ্বনিৰ সংখ্যা কম। জিভাৰ স্থান অৱস্থান মুখৰ বিস্তৃতি ওঠৰ আকৃতি অনুসৰি তলত দেখুওৱা মতে এই স্বৰকেইটাৰ বিভাজন কৰা হয় ৹

	সম্মুখ	কেন্দ্ৰীয	পশ্চাৎ
উচ্চ	ই (i)		উ (u)
উচ্চাভাস	এ (e)		ও (o)
নিম্নাভাস	এ (ɛ)		অ (ɔ)
নিম্ন		আ (a)	অ (ɒ)

ইযাত হ্ৰস্ব আৰু দীৰ্ঘ মাত্ৰা লিখাৰ ব্যৱস্থা থাকিলেও উচ্চাৰণত পাৰ্থক্য ধৰা নপৰে। সেয়ে হ্ৰস্ব ই আৰু দীৰ্ঘ ঈ কেৱল হ্ৰস্ব ই হিচাপে আৰু হ্ৰস্ব উ আৰু দীৰ্ঘ ঊ কেৱল হ্ৰস্ব উ হিচাপে উচ্চাৰিত হয়। আনহাতে মূল সংস্কৃতৰ 'অ -ৰ পৰা অ (ɒ) আৰু অ (ɔ) এ -ৰ পৰা এ (ɛ) আৰু এ (e) -ৰ উৎপত্তি হয়। যেনে—

ল'ৰা — লৰা

ব'ল — বল

বে'ল — বেল আদি।

উৰ্ধকমাৰে এই পাৰ্থক্য সূচিত কৰা হয়। এই অ আৰু এ ধ্বনিৰ উচ্চাৰণ আপেক্ষিকভাৱে দীৰ্ঘ আৰু এই স্বৰৰ ব্যৱহাৰ কেৱল অসমীয়া ভাষাতহে আছে যদিও লিখোঁতে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি। লগতে উল্লেখ কৰিব পাৰি যে এই অ আৰু ও ধ্বনিৰ মাজত শ্ৰুতিগুণৰ পাৰ্থক্য কম বাবে অন্য ভাষীসকলে একে যেন শুনে। এই বিশিষ্ট অসমীয়া স্বৰধ্বনিবোৰৰ বিৰোধ এনেদৰে দেখুৱাব পাৰি

/ই/	বিল	
/এ/	বে'ল	(ঘন্টা)
/এ/	বেল	(ফল)
/আ/	বাল	(নোম)
/অ/	বল	(শকতি)
/অ/	ব'ল	(যাওঁ ব'ল)
/ও/	বোল	(মাত-বোল)
/উ/	বুল	(বাট বুল)।

এইখিনিতে বিশিষ্ট ধ্বনিকেইটাৰ বৈশিষ্ট্যৰ বিষয়ে উনুকিয়াব পাৰি। অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰ সঘোষ আৰু অন্য বাগ্ধ্বনিৰ আশ্ৰয় নোলোৱাকৈ উচ্চাৰিত হয়। ইহঁত অক্ষৰাধাৰ ইহঁতক দীঘলীয়াকৈ উচ্চাৰণ কৰিবও পাৰি। শব্দৰ শ্বাসাঘাত স্বৰৰ ওপৰতহে পৰে আৰু স্বৰবোৰৰ অনুনাসিকতা বহন কৰিব পৰা গুণ আছে। আটাইবোৰ স্বৰধ্বনি নাদযুক্ত ইহঁত শব্দৰ আদি মধ্য আৰু অন্ত্য স্থানত প্ৰয়োগ হয় ঃ

স্বৰ	আদি	মধ্য	অন্ত্য
/ই/	ই ত আ 'ইটা	ব ই ন আ 'বিনা	স ই 'সি
/এ'/	এ ত ই এটি'	ব এ দ বেদ	দ এ ষ এ দেশে
/এ/	এ ক অ ত আ একতা	ত এ ল তেল	দ এ দে
/আ/	আ ম 'আম	ড আ ল 'ডাল	ম আ ল আ 'মালা
/অ/	অ ক ৰ আ 'অকৰা	ৰ অ ল 'বল	ষ অ 'শ
/অ'/	অ' ত ই 'অতি	ব অ ল 'ব'ল	হ অ ব অ 'হ'ব
/ও/	ও ল ওল	ত ও ল টোল	খ এ ও খেও
/উ/	উ দ 'উদ	ভ উ ল 'ভুল	গ আ ৰ উ গাৰু।

এতিয়া বড়ো বিশিষ্ট স্বৰধ্বনিৰ বৈশিষ্ট্য সম্পৰ্কে প্ৰিয়দিনী ব্ৰহ্মাই উল্লেখ কৰা কথাখিনি ক'ব পাৰোঁ যে এই (বড়ো) ভাষাৰ স্বৰবৰ্ণ সম্পূৰ্ণ অনিযত আৰু অঘৃষ্ট। সিহঁত সঘোষ আৰু অনুনাসিক। এই স্বৰবিলাকে হ্ৰস্বত্ব আৰু সুৰ, শ্বাসাঘাত বহন কৰে। সিহঁত ধ্বনিগতভাৱে স্বৰবৰ্ণ আৰু কাৰ্যত অক্ষৰাধাৰ। তেখেতে জিভাৰ অৱস্থান অনুসৰি ছটা স্বৰবৰ্ণৰ বিশেষত্ব আৰু গুণাগুণ এইদৰে দেখুৱাইছে



এই স্বৰসমূহৰ শব্দৰ আদি মধ্য আৰু অন্ত্য স্থানত প্ৰযোগো দেখুৱাব পাৰি

স্বৰ	আদি	মধ্য	অন্ত্য
/ই/	ই (এই)	বিৰ্ (উৰ)	থি (সঞ্চয় কৰা)
/এ/	এংলায (বোকোচাৰ পৰা)	বেচে (কিমান)	থে (পানীৰ সোঁতক বাধা দি)
/আ/	আং (মই)	গাহাম (ভাল)	থা (বৈ থাক)
/ঔ/	ঔং (গুৰি)	জৌং (আমি)	দৌ (টঙনিয়া)
/অ/	অন (মৰম কৰ)	চম (সময়)	গথ' (সন্তান)
/উ/	উণ্ (পিছ)	ফুৰ (কণা)	থু (খোচ)

দেখা গ'ল যে অসমীয়া আৰু বড়ো দুয়োটা ভাষাতে স্বৰবৰ্ণসমূহৰ উচ্চাৰণত ওঁঠ জিভা আৰু মুখৰ ভূমিকা গুৰুত্বপূৰ্ণ। জিভাৰ অৱস্থান অনুসৰি ইহঁতক উচ্চ মধ্য নিম্ন আৰু জিভাৰ বিভিন্ন অংশৰ ভূমিকা অনুসৰি প্ৰান্তীয় কেন্দ্ৰীয় আৰু মূলীয় হিচাপে ভগোৱা হৈছে। আনহাতে মুখ বিবৰৰ বিস্তৃতি অনুসৰি সংবৃত বিবৃত আৰু ওঁঠৰ আকাৰ অনুসৰি সংবৃতৌষ্ঠ্য বিবৃতৌষ্ঠ্য নাম দিয়া হৈছে। এই বিশিষ্ট স্বৰধ্বনিসমূহৰ বৰ্ণনা এনেদৰে দিব পাৰি

বড়ো ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ বৰ্ণনা ঃ

/ই/ —সম্মুখ উচ্চ আৰু বিবৃতৌষ্ঠ্য হ্ৰস্ব 'ই স্বৰটো শব্দৰ সকলো স্থানতে ব্যৱহাৰ হয়। এই স্বৰটো উৰ্ধ হ্ৰস্বস্বৰ হিচাপে

বি — (খোজা)

ছি — (কাপোৰ)

আনহাতে সংক্ষিপ্ত স্বৰ হিচাপে ঃ

ছি — (মুখ মেলি)

থি — (সঞ্চয় কৰা)

ছিব — (বিচনীৰে বিচি দিয়া)

আৰু কেতিয়াবা হ্ৰস্ব 'ই' দীৰ্ঘ 'ঈ' -ৰ ওচৰ চাপিও উচ্চাৰিত হোৱা দেখা যায়

বিবাৰ — (ফুল)

জিবৌ — (সাপ)

বিহামজৌ — (পো বোৱাৰী)

জিৰায — (বিশ্ৰাম লোৱা)

গি — (ভয় কৰা)।

/এ/— সম্মুখ মধ্য বিবৃতৌষ্ঠ্য এ স্বৰটো শব্দৰ সকলো স্থানতে ব্যৱহাৰ হয়। এই স্বৰটোৱে বেছিভাগ ক্ষেত্ৰত নিজস্ব উচ্চাৰণ ৰক্ষা কৰে

গেদেৰ — (ডাঙৰ)

এ২খুৰ — (চাউলৰ খুদ)

গেলে — (খেলা)

কেতিয়াবা আকৌ উচ্চাৰণৰ মাত্ৰা ভেদে স্থানৰ পৰিবৰ্তন কৰি সামান্য উৰ্ধ মধ্যস্বৰ হিচাপে উচ্চাৰিত হয়। যেনে ঃ

বে২ — (আগুৰি ধৰ)

বেং — (ভাল মন হোৱা)

ছেং — (পাতল হোৱা)।

সংক্ষিপ্তভাৱে উচ্চাৰিত এ স্বৰ এনেকুৱা ঃ

বে — (এইটো)
ছে — (কাটি লোৱা)
ফে — (নিচা হোৱা)।

গম্ভীৰ বৰ্ণৰ ওচৰ চাপি উচ্চাৰিত হোৱা এ স্বৰৰ উদাহৰণ ঃ

গেজেৰ — (মাজ)
গেজেন — (পৰাজিত)
ছেও — (ভঙ্গীমা)
বেওৱায — (ভাই বোৱাৰী)
ছেৰাবায় — (নিগৰি পৰিল)।

/আ/ — নিম্ন কেন্দ্ৰীয় বিবৃতৌষ্ঠ 'আ দীৰ্ঘস্বৰটো শব্দৰ সকলো স্থানতে ব্যৱহাৰ হয়। 'আ স্বৰটিৰ উচ্চাৰণ শব্দৰ অৰ্থ অনুসৰি স্বৰৰ মাত্ৰাভেদে লৰচৰ হৈ উচ্চাৰিত হয। যেনে

আয — (মাতৃ)
ফাং — (জপাই দিযা)
থা, — (যোৱা)
হা, — (উশাহ)
ছান — (হিচাপ কৰ)।

ইযাত 'আ অতি হ্ৰস্বভাৱে উচ্চাৰিত হয। একেটা শব্দতে দীৰ্ঘ মধ্যম স্বৰ হিচাপে উচ্চাৰিত হৈ 'আ স্বৰে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে। যেনে

´জাব্ৰা — (যদি খায)
জাব্ৰা — (যদি হয)
´থা — (বৈ থাক)
থা — (মিঠা আলু)

কিন্তু আফা — (পিতা)
আমায — (মোমাই)
থাও — (তেল)

আদি শব্দত নিজস্ব মাত্ৰা ৰক্ষা কৰি উচ্চাৰিত হয।

/অ/— পশ্চ মধ্য সংবৃতৌষ্ঠ্য 'অ স্বৰটি শব্দৰ সকলো স্থানতে ব্যৱহাৰ হোৱাৰ উপৰিও সংক্ষিপ্তভাৱে উচ্চাৰিত হৈ নিজৰ মাত্ৰা ৰক্ষা কৰে।যেনে ঃ

অৰ্ — (জুই)
অৰদাব — (জুইশলা)
অৰ — (কামুৰি দিযা)।

'অ' স্বৰ কেতিয়াবা ও স্বৰৰ ওচৰ চাপিও উচ্চাৰিত হয়। যেনে

অমা — (গাহৰি)

অখা — (বৰষুণ)

অজা — (ওজা)

অনথায — (শিল)

গ — (মুক্ত হোৱা)।

/উ/ পশ্চ উচ্চ সংবৃতৌষ্ঠ্য হ্ৰস্ব 'উ' স্বৰটি শব্দৰ সকলো স্থানতে প্ৰযোগ হয়। নিজৰ হ্ৰস্ব মাত্ৰা ঠিকে ৰাখি উচ্চাৰিত হোৱা 'উ' এনেকুৱা °

উন্দু — (টোপনি যোৱা)

খুৰবায — (দকৈ গাঁত খান্দিলে)।

আনকি জতুৱা ঠাঁচৰ ক্ষেত্ৰতো ই একেই থাকে

জুবজুব অখা — (ধাৰাষাৰ বৰষুণ)

খুথাৰ খুথাৰ — (ঢাকুৰি ঢাকুৰি)।

কেতিযাবা ঊৰ্ধ হ্ৰস্বস্বৰ হিচাপেও উচ্চাৰিত হয

উণ — (শাণত ধাৰ দে)

উণাও — (পিছত)।

/ঔ/ — প্ৰেমানন্দ মুছাহাৰীযে 'ঔ' স্বৰটি-ৰ সম্পৰ্কত এনেদৰে মন্তব্য কৰিছে— 'বিশেষত্বপূৰ্ণ 'ঔ' স্বৰধ্বনিটো অন্য ভাষাত পোৱা নাযায। সেযে আখৰৰ ক্ষেত্ৰতো 'ঔ' স্বৰবৰ্ণ বড়ো ভাষাত প্ৰযোজন অনুসৰি সৃষ্টি কৰি লোৱা হৈছে। বড়ো স্বৰধ্বনি 'ঔ' অসমীযা স্বৰধ্বনি 'উ' আৰু ও -ৰ মাজৰ ধ্বনি। বড়ো স্বৰধ্বনি 'ঔ' টো লিখোঁতে ৰোমান লিপিত w দেৱনাগৰী ৌ আৰু অসমীযাত ৌ চিনকেইটা ব্যৱহাৰ কৰে। 'ঔ' স্বৰধ্বনি বড়ো ভাষাত বৰ বেছি। 'ঔ' স্বৰধ্বনি উচ্চাৰণ কৰিবলৈ অন্য ভাষা-ভাষীলোকৰ বাবে বৰ জটিল। ঔ স্বৰটো মধ্য বিবৃতৌষ্ঠ্য আৰু কেন্দ্ৰীয। শব্দৰ সকলো স্থানতে ব্যৱহাৰ হোৱা স্বৰটো মধ্যম অন্তঃস্বৰৰ পিছত 'ই' যোগ দি মধ্যম স্বৰৰ উচ্চাৰণ কৰি লোৱা হয। যেনে

জৌই — (জয)

দৌই — (পানী)

জৌ — (ভৰিৰে লঠিযাই দিযা)।

অলপ ঊৰ্ধ হ্ৰস্বস্বৰত ইযাৰ উচ্চাৰণ এনেকুৱা

বৌই — (সেইটো)

দৌই — (হাতত তুলি লোৱা)

জৌ — (মাইকী)

খীব — (ঢাকি দে)
´জীব — (গঁৰাল বন্ধ কৰ)।

যুৰীয়া শব্দৰ উচ্চাৰণতো মাত্ৰাৰ লৰচৰ নহয়। যেনে

দীন দীন — (দেখ দেখকৈ)
খাই খাই — (চেক চেককৈ)
জাই-জাই মাই-মাই — (জয়-জয় ময-ময)।

অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ বৰ্ণনা —

/ই/ সম্মুখ উচ্চ অৰ্ধসংবৃত এই স্বৰটিয়ে হ্ৰস্ব আৰু দীৰ্ঘ (ই, ঈ) দুই ধ্বনিৰ প্ৰতিনিধিত্ব কৰে। ইযাৰ উচ্চাৰণ ইংৰাজী 'pit শব্দৰ 'ই ৰ দৰে। যেনে— চিত গিল তিল বিল গীত আদি। কোনো স্বৰৰ লোপ হ'লে ইযাৰ কেতিযাবা দীৰ্ঘ উচ্চাৰণ হয়। যেনে সি (সিযা)।

/এ / সম্মুখ উচ্চ মধ্য বিবৃত এই স্বৰ ইংৰাজী men -ৰ এ -ৰ দৰে উচ্চাৰণ হয়। যেনে দেশ চেতনা ইত্যাদি। এই ধ্বনিৰ সুকীয়া আখৰ নাই।

/এ/ ই সম্মুখ উচ্চ-মধ্য-নিম্ন বিবৃতি ধ্বনি। ইযাৰ উচ্চাৰণ ইংৰাজী cat শব্দৰ এ -ৰ দৰে। যেনে তেল বেল খেল পেট ইত্যাদি।

/আ/ ই কেন্দ্ৰীয নিম্ন বিবৃত ধ্বনি। পৃথিৱীৰ সকলো ভাষাত এই ধ্বনিৰ উচ্চাৰণ আছে। অসমীয়া ভাষাত 'আ সাধাৰণ উচ্চাৰণ। যেনে ভাত তাত জাম জাৰ তাল নাচ আধাৰ ইত্যাদি কিন্তু সংযুক্ত ৰ-কাৰান্ত ধ্বনিৰ পৰৱৰ্তী 'আ -ৰ উচ্চাৰণ সুকীযা।

/অ/ পশ্চ নিম্ন মধ্য বিবৃত ধ্বনিটো ইংৰাজী ball law আদি শব্দৰ 'অ -ৰ দৰে উচ্চাৰণ হয। যেনে কল ফল গৰু কলম ইত্যাদি। এই ধ্বনিটো ড গোলোকচন্দ্ৰ গোস্বামীযে নিম্ন হিচাপে দেখুৱাইছে। আনহাতে ড বাণীকান্ত কাকতিয়ে তেওঁৰ তালিকাত 'অ ধ্বনিটোক স্থান দিয়া নাই।

/অ / ই পশ্চ উচ্চ মধ্য-নিম্ন সংবৃত বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিটোৰ উচ্চাৰণ প্ৰায ও -ৰ দৰে। যেনে ল'ৰা গ'ল ক'ত ব'ল ইত্যাদি। সেযে অন্যভাষীযে দুযোটা ধ্বনি একে যেন শুনে। ইযাৰ সুকীযা আখৰ নাই বাবে ( ) চিনেৰে বুজোৱা হয। যেনে ক'ত ব'ল হ'ল আদি।

/ও/ ই পশ্চ উচ্চ-মধ্য সংবৃত ধ্বনি। ইযাৰ উচ্চাৰণ হ্ৰস্ব আৰু দীৰ্ঘ দুই ধৰণে হয বুলি ড কাকতিযে উল্লেখ কৰিছে। দীৰ্ঘ উচ্চাৰণ ইংৰাজী vocation boat আদি শব্দৰ ও -ৰ দৰে আৰু অসমীযা লো ভোগ পো ইত্যাদি শব্দৰ দৰে। হ্ৰস্ব উচ্চাৰণ 'অ -ৰ মধ্যৱৰ্তী যেনে ঃ গধুলি পদুলি আদি।

/উ/ পশ্চ উচ্চ সংবৃত এই ধ্বনিযে উ আৰু ঊ ধ্বনিৰ প্ৰতিনিধিত্ব কৰিছে।

'উ ধ্বনিৰ উচ্চাৰণ অসমীযাত হ্রস্ব আৰু দীর্ঘ দুই প্রকাৰে হয। যেনে হুল গুটি মূৰ মুখ গাৰু খাৰু আদি।

সাধাৰণতে দেখা যায যে বড়ো ভাষাত অসমীযা ভাষাৰ দৰেই দীর্ঘ 'ঈ ঊ আৰু ঋ -ৰ উচ্চাৰণ পোৱা নাযায। অসমীযা ভাষাত য'ত দীর্ঘ স্বৰ লিখা হয বড়ো ভাষাৰ ক্ষেত্রত সেই স্থানত হ্রস্ব ব্যৱহাৰ হয। যেনে

অসমীযা		বড়ো
শ্রী	—	ছ্রি
ঈশ্বৰ	—	ইছোৰ
উষা	—	উছা
ঋষি	—	ৰিছি ইত্যাদি।

আনহাতে ঐ দ্বিস্বৰৰ উচ্চাৰণ হোৱা শব্দও দেখা নাযায। তাৰ ঠাইত 'ী উচ্চাৰণ কৰা হয।

এতিযা আমি এটা কথা স্পষ্টভাৱে ক'ব পাৰোঁ যে বড়ো আৰু অসমীযা ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ সংখ্যাৰ মিল নাই। দুযোটা ভাষাৰ অ আ ই, উ এ— এই পাঁচোটা ধ্বনিৰহে সাদৃশ্য আছে। বড়োভাষাৰ 'ঔ স্বৰধ্বনিটো অৱশ্যে এই ক্ষেত্রত পৃথক। দীর্ঘস্বৰ দুযোটা ভাষাতে পোৱা নাযায। সকলোবোৰ জনজাতীয তথা অসমীযা ভাষাত স্বৰৰ উচ্চাৰণত অনুনাসিক গুণ আছে কিন্তু বড়ো ভাষাৰ অনুনাসিক স্বৰ সুৰৰ লগত একেলগে উচ্চাৰিত হয বাবে বিচিত্রতা নাথাকে, অসমীযা ভাষাত 'অ আৰু এ ধ্বনি দুটাৰ অনুনাসিক উচ্চাৰণ বিৰল। ইয়াত এ আ অ ও ধ্বনি অনুনাসিকীকৃত। এই অনুনাসিকতাই বিৰোধ সৃষ্টি কৰিব পাৰে বাবে ই বিশিষ্ট ধ্বনি। যেনে

কাহ	আহ
কাঁহ	আঁহ।

উক্ত বিশিষ্ট স্বৰধ্বনিবোৰক তিনিটা ভাগত ভাগ কৰিব পাৰি

(ক) একক স্বৰ-ধ্বনি

(খ) দ্বিস্বৰ-ধ্বনি

(গ) ত্রিস্বৰ-ধ্বনি।

একক স্বৰধ্বনিৰ উচ্চাৰণৰ সমযত গুণগত চৰিত্র অপৰিৱর্তিত হৈ থাকে। আনহাতে দুটি স্বৰ মিলিত হৈ গঠিত হোৱা স্বৰধ্বনিক দ্বিস্বৰ ধ্বনি বোলে আৰু তিনিটা স্বৰৰ মিল হৈ ত্রিস্বৰ ধ্বনিৰ সৃষ্টি হয। অসমীয়া আৰু বড়ো ভাষাত দ্বিস্বৰ আৰু ত্রিস্বৰ-ধ্বনি পোৱা যায। তলত সেইবোৰ যথাক্রমে উল্লেখ কৰা হ'ল—

অসমীযা ভাষাত তিনি প্রকাৰৰ দ্বিস্বৰ আছে— উন্নত দ্বিস্বৰ অৱনমিত দ্বিস্বৰ

আৰু সমদ্বিস্বৰ। যিবোৰ দ্বিস্বৰত শেষলৈ নাদ বেছি, সেইবোৰ উন্নত আকৌ আৰম্ভণিতে নাদ বেছি হ'লে অৱনমিত আৰু দুয়োটা ধ্বনিৰে নাদ সমান হ'লে সমদ্বিস্বৰ বোলা হয়। অসমীয়াত ঐ আৰু ঔ দ্বিস্বৰ বুজোৱা আখৰ থাকিলেও উচ্চাৰণত কিন্তু দ্বিস্বৰ বহুতো। উজনি অসমৰ ভাষাত অৱনমিত দ্বিস্বৰ আৰু নামনি অসমৰ ভাষাত উন্নত দ্বিস্বৰ পোৱা যায়।

অসমীয়া ভাষাৰ দ্বিস্বৰধ্বনি :

আই, আএ আঅ আও আউ এ'ই এএ এ'অ এও এ'উ ইই, ইও ইউ অএ অও অ'ই (ঐ) অ'উ (ঔ) ওঅ ওও উই, উঅ উঅ উও উউ।

ত্ৰিস্বৰ ধ্বনি :

নামনি অসমৰ ভাষাত ত্ৰিস্বৰ বহুত পোৱা যায়। যেনে

কেউইলা = কএ'উঈলআ
দেউইলা = দএ'উঈলআ
খাউইৰা = খআউঈৰআ ইত্যাদি।

উজনি অসমৰ ভাষাত যেনে

কেৱলীয়া = কএ'ৱলঈআ
দেৱলীয়া = দএ'ৱলঈআ
খাৱৰীয়া = খআৱঅ'ৰঈআ ইত্যাদি।

বড়ো ভাষাৰ দ্বিস্বৰধ্বনি :

/আই/	/আ̃ই/	/উআ/	/অআ/
/আউ/	/আ̃উ/	/উআ̃/	/এআ/
/এঅ/	/আ̃আ/	/আ̃উ/	/ইউ/
/ইআ/	/ইআ̃/	/অই/	/এই/।

উদাহৰণ গিযা (ভয় নকৰা)
বাউ (পহৰা)
বায (কিনা)।

কেইটামান ত্ৰিস্বৰ-ধ্বনিৰ উল্লেখ কৰা হ'ল—

/ইআই/	/আউআ/	/অউআ/	/আইআ̃/
/ইআউ/	/এউআ/	/আউআ̃/	/অআ̃ই/
/উআউ/	/আ̃আউ/	/আউআ/	/আ̃ইআ̃/
/আঅউ/	/অআউ/	/আইআ/	/উইআ/
/উইআ̃/।			

উদাহৰণ মেউআ (বাঁহৰ গাজ)
হউআ(পুৰুষ)
মাউআ (কাম নকৰা)।

বড়ো আৰু অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ প্ৰযোগ তথা উচ্চাৰণৰ বৈশিষ্ট্যৰ বিষযে কিছু আলোচনা কৰা হ'ল। কিন্তু শেষত আৰু এটা কথা উল্লেখ কৰিব লাগিব যে কণ্ঠতন্ত্ৰীৰ দৃঢতা বঢাই নাইবা কমাই একোটা শব্দক বেলেগ বেলেগ সুৰত উচ্চাৰণ কৰিব পাৰি। সুৰ অনুযাযী অথৰ তাৰতম্য ঘটে। সকলো ভাষাতে সুৰ দেখা নাযায যদিও অসমৰ জনজাতীয ভাষাসমূহ সুৰযুক্ত। আমি আগতেই উল্লেখ কৰিছোঁ যে স্বৰধ্বনিযেহে সুৰ বহন কৰিব পাৰে। এই সুৰ বৈযাকৰণিক নহয শাব্দিকহে। সুৰ সম্বলিত শব্দবোৰৰ মাজত কেতিযাবা বিৰোধ আৰু অৰ্থান্তৰো হয। প্ৰকৃততে এই সুৰ উচ্চ আৰু নিম্ন দুই প্ৰকাৰৰ যদিও ড ভট্টাচাৰ্যই বড়ো ভাষাত চাৰি প্ৰকাৰৰ সুৰৰ ব্যৱহাৰ দেখুৱাইছে—উচ্চ (High) মধ্য (Mid) নিম্ন (Low) আৰু নিৰপেক্ষ (Neutral)

চি (উচ্চ) — (কাপোৰ)
চিচান (মধ্য) — (হস্তৰ্গত)
চি (নিম্ন) — (তিতা)
চিখলা (নিৰপেক্ষ) — (গাভৰু)

এই সুৰৰ বাবেই বড়ো ভাষাক সুৰ প্ৰধান ভাষা বুলি কোৱা হয। সুৰ প্ৰধান হোৱা বাবে ধ্বনি-লযৰ বিশেষ বিশেষ গুণ বা উপাদানবিলাক সুৰৰ দ্বাৰা পৰিচালিত হয কিন্তু অসমীযা ভাষাত সুৰ বা বলাঘাতৰ বাবে শব্দৰ অৰ্থৰ ভিন্নতা প্ৰকাশ নাপায। অৱশ্যে অইন সকলো ভাষাত থকাৰ দৰে অসমীযাতো সুৰ লহৰৰ বাবেহে ভিন্ন অৰ্থ প্ৰকাশিত হয।

এনেদৰে বড়ো আৰু অসমীযা ভাষাৰ ধ্বনি ৰূপ বা বাক্যতত্ত্ব আদি যি দিশেৰেই আলোচনা বা তুলনা কৰা নাযাওক কিয ভাষাতাত্ত্বিক দিশত বৈসাদৃশ্যতকৈ সাদৃশ্যহে অধিক পৰিলক্ষিত হ'ব। তথাপি এনে আলোচনাৰ দ্বাৰা দুযোটা ভাষাতেই ভাষিক ক্ষেত্ৰত পাৰস্পৰিক উপকাৰ সাধিত হোৱাৰ লগতে সমন্বয সাধনতো সহায কৰিব বুলি আশা কৰিব পাৰি।❑

সহাযক গ্ৰন্থ ◦

Banikanta Kakati — **Assamese Its Formation and Development**

Promod Ch Bhattacharya — **A Descriptive Analysis of the Bodo Language**

নগেন ঠাকুৰ : পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য

গোলোকচন্দ্ৰ গোস্বামী : ধ্বনিবিজ্ঞানৰ ভূমিকা

অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

উপেন্দ্ৰনাথ গোস্বামী : ভাষাবিজ্ঞান

দীপ্তি ফুকন পাটগিৰি (সম্পা) ভাষাতত্ত্বৰ বিচিত্ৰ কথা

ৰমেশ পাঠক : অসমীয়া ভাষাৰ ইতিহাস

Madhuram Bodo **Assamese and Bodo A Comparative and Constrastive Study**

বড়ো ভাষাৰ গঠন

ভবেন নাৰ্জি বড়ো ৰাও

নাহেন্দ্ৰ পাদুন (সম্পা) ভাষাৰ তত্ত্বকথা

দেবেন গগৈ (সম্পা) অসমৰ ভাষা

দয়ানন্দ পাঠক (সম্পা) অসম সাহিত্য সভা পত্ৰিকা (বিশেষ ভাষা সংখ্যা ১৯৯২-১৯৯৩)।

ৰাজবংশী ভাষা আৰু কোচ ৰাজবংশীসকল

❑ দ্বিজেন্দ্ৰ নাথ ভকত

অসমৰ পশ্চিম অঞ্চল পশ্চিমবঙ্গৰ উত্তৰাঞ্চল বাংলাদেশৰ উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলৰ প্ৰথম ভাষা ৰাজবংশী। দ্বিতীয় ভাষা হিচাপে তেওঁলোকে মান্য অসমীয়া আৰু সাধু বাংলা ভাষা ব্যৱহাৰ কৰে। এই ভাষাটো বিভিন্ন লোকৰ দৃষ্টিত বিভিন্ন নামেৰে পৰিচিত। ৰাজবংশী ভাষাটোৱে প্ৰাচীন কামৰূপ ৰাজ্যৰ পশ্চিমাঞ্চলত জন্ম লাভ কৰি কমতা আৰু কোচ ৰজাসকলৰ দিনত ক্ৰমবিকশিত হৈছিল। সমযত ই বিকাশৰ শীৰ্ষবিন্দুত উপনীত হৈ সকলো ধৰণৰ মৰ্যাদা লাভ কৰি সুদূৰ প্ৰসাৰিত হয়। কোচ ৰজা নৰনাৰায়ণৰ পাছৰ পৰা ই সংকুচিত ৰূপত আগবাঢ়ে আৰু শেষত সৰু সৰু আঞ্চলিক ৰূপত পৰিণত হয়।

বৰ্তমান ৰাজবংশী ভাষা ৰাজনৈতিক মৰ্যাদা হেৰুৱাই মান্যৰূপ লাভৰ পৰা বঞ্চিত হ'লেও নতুনকৈ পণ্ডিতসকলে ইয়াৰ চৰ্চা আৰম্ভ কৰাত ইয়াৰ উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি। ব্যুৎপত্তিৰ ফালৰ পৰা ৰাজবংশী ভাষা হ'ল কোচ ৰাজবংশী জনগোষ্ঠীয় ভাষা। ই প্ৰভাৱশালী ভাষা হিচাপে বৰ্তমান উপৰি উক্ত অঞ্চলৰ সকলো লোকৰে মুখৰ ভাষা হৈছে অথবা উক্ত অঞ্চললৈ বসতি কৰিবলৈ অহা সকলো মানুহক এই ভাষাই প্ৰভাবান্বিত কৰিছে। তদুপৰি নেপাল ভূটান মেঘালয় উৰিষ্যা ত্ৰিপুৰা বিহাৰ আদি ঠাইতো কিছুমান অঞ্চলত এই ভাষা কোৱা কোচ ৰাজবংশীসকলৰ লগতে আন মানুহ আছে।

উক্ত ভাষিক অঞ্চলৰ কোচ সকল ৰাজবংশী বুলি পৰিচিত। তেওঁলোকৰ ভাষাকে ৰাজবংশী ভাষা বুলি কোৱা হৈছে। জৰ্জ আব্ৰাহাম গ্ৰিয়াৰছনে ইয়াৰ নামকৰণ কৰিছিল। তেওঁৰ ভাষাত— The dialect is usually known as Rajbangsi from the tribe of that name তেওঁ আকৌ কয়— When we cross the river (the Brahmaputra) coming from Dacca we meet a well marked form of speech in Rangpur and the districts to its north and east It is called Rajbangsi and while undoubtedly belonging to the eastern branch has still points of difference which lead us to class it as a separate dialect

খ্ৰী ১৩শ ১৪শ শতিকাত ৰাজবংশী উপভাষাই ক্ৰমবিকশিত হৈ মান্য ৰূপ লাভ কৰিছিল। ড বাণীকান্ত কাকতিৰ উক্তিয়ে তাক প্ৰমাণ কৰে। কাকতিৰ ভাষাত— The dialect (Rajbangsi) that was evolved under the domination of the Koch kings of Koch Behar

কোচসকলৰ ভাষাই যে সেই সময়ত বিস্তাৰ লাভ কৰিছিল আন এজন পণ্ডিতৰ উক্তিৰ পৰা জানিব পৰা যায়। গ্ৰিয়াৰছনৰ সমসাময়িক পণ্ডিত J D Anderson-ৰ ভাষাত— The language of the Koches the dominating and ruling tribe on the great Koch kingdom which servived with somthing of the ancient prestige and power–long enough to be visited by an Englishman Ralf Fitch in queen Elizabeth s time it would seem than that the language spoken in the ancient Koch kingdom which extended from the Himalayan to the Bay of Bengal

ৰাজবংশী ভাষাটোৰ লগত অতি প্ৰাচীন কালৰ পৰা কোচ-ৰাজবংশী জনজাতিৰ গৌৰৱময় ইতিহাস জড়িত হৈ আছে। সেয়ে প্ৰাচীনত্ব আৰু জনজাতীয় গুৰুত্বৰ বিচাৰত এটি মহত্ত্বপূৰ্ণ ভাষা হিচাপে ৰাজবংশী ভাষাৰ নাম উল্লেখযোগ্য। পণ্ডিতসকলে নিৰপেক্ষ দৃষ্টিভংগীৰে অধ্যয়ন কৰাৰ প্ৰয়োজন সম্প্ৰতি নুই কৰিব নোৱাৰি। আহোমসকলৰ টাই ভাষাৰ দৰে ৰাজবংশী ভাষাৰ অধ্যয়নো অসমত বিশেষভাৱে প্ৰয়োজন। ইয়াৰ সুকীয়া ধ্বনিগত ৰূপগত শব্দগত আদি সকলোবোৰ ক্ষেত্ৰতে সুস্পষ্ট বৈশিষ্ট্য বিদ্যমান। তদুপৰি ফকৰা-যোজোনা প্ৰবচন আদিৰো সুকীয়া ৰূপ আছে। এই বৈশিষ্ট্যবোৰে ইয়াৰ মান্য অসমীয়া আৰু সাধু বাংলাৰ সৈতে পাৰ্থক্য নিৰ্ণয় কৰে। এসময়ত কোচ ৰাজবংশী জনজাতিৰ নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজত জন্ম লাভ কৰি এই ভাষাই আন আন জনগোষ্ঠীয় ভাষা আৰু উপভাষাৰ মাজতো প্ৰভাৱ বিস্তাৰ কৰে। ফলত ইয়াৰ শব্দ-সম্ভাৰো টনকিয়াল হৈ পৰে।

বিংশ শতিকাৰ প্ৰথম ভাগত গ্ৰিয়াৰছনে আৰ্যভাষী জনজাতি কোচ ৰাজবংশীসকলৰ ভাষাক ৰাজবংশী হিচাপে নামকৰণ কৰিছিল। ভাৰতীয় ভাষাবোৰৰ পিয়ল কৰোঁতা হিচাপে তেওঁ আগশাৰীৰ ভাষাবিদ। তেওঁ অকল নামকৰণ কৰিয়ে ক্ষান্ত নাথাকি এই ভাষাৰ পৰিসীমাও উল্লেখ কৰিছে— ৰংপুৰ (বৰ্তমান বাংলাদেশ) জলপাইগুৰি দাৰ্জিলিং জিলাৰ তৰাই অঞ্চল থলুৱা ৰাজ্য কোচবিহাৰকে ধৰি অসমৰ গোৱালপাৰাৰ কিছু অংশত এই ভাষা কোৱা হয়।[৫] তেওঁৰ মতে পশ্চিম গোৱালপাৰা আৰু দক্ষিণ পশ্চিম গোৱালপাৰাৰ উপভাষা বিশুদ্ধ ৰাজবংশী[৬]। 'ৰাজবংশী উপভাষাৰ পূৰ্ববঙ্গৰ উপভাষাৰ সৈতে বহু ক্ষেত্ৰত মিল দেখা যায়'[৭] বুলিও তেওঁ অভিমত দিছে। তেওঁ ৰাজবংশী উপভাষা কোৱা লোকসংখ্যা আগবঢ়াইছে এইদৰে— We thus find that the Rajbongsi dialect is spoken by the

following number of people

Number of district	Number of speaker
Jalpaiguri	568 976
Rangpur	2 037 460
Cooch Beher (native state)	562 500
Darjeeling (Bahe sub dialect)	47,435
Total for Bengal	3 216 371
Goalpara	292,800
Grand total	3,509 171

ড সুনীতি কুমাৰ চট্টোপাধ্যাযে কোচ ৰাজবংশীসকলৰ নৃতাত্ত্বিক বৈশিষ্ট্য আৰু ভাষাৰ বিষযে কৈছে,[৯] The masses of North Bengal areas are very largely of Bodo origin or mixed Austrict Dravidian Mongoloid They can now mainly be described as koch i e Hinduised or semi Hinduised Bodo who have abandoned their original Tibeto-Burman speech and have adopted the northern dialect of Bengali They are proud to call themselves as Rajbansis ড° চট্টোপাধ্যায়ে গ্ৰিয়াৰছনৰ ৰাজবংশী উপভাষাকে পুন বিন্যস্ত কৰি বাংলাৰ উত্তৰাঞ্চলৰ উপভাষা বুলিছে। কেতিয়াবা তেও ৰাজবংশী মৌখিক উপভাষা[১] বুলিও স্বীকাৰ কৰিছে। ড সুকুমাৰ সেনে ইযাক উত্তৰ পূৰ্ববঙ্গৰ উপভাষা[১১] বুলি কৈছে।

চাৰু চন্দ্ৰ স্যান্যালে কৈছে[১২]— The dialect of the Rajbansis of Siliguri subdivision of Darjeeling undivided Jalpaiguri Cooch Behar Goalpara of Assam and North Rangpur of East Pakisthan (present Bangladesh) is a local dialect of Bengali Infact it is the spoken language (Chalit Bhasa) differs in many cases widely from the standard colloquial Bengali

এইদৰে ৰাজবংশী ভাষাটোকে পৰৱৰ্তী পণ্ডিতসকলে যথাক্ৰমে পঞ্চানন বৰ্মাই 'কমতা বিহাৰী ভাষা'[১] ড ধীৰেন দাসে 'কামতাই ভাষা'[১৪] ড উপেন্দ্ৰ নাথ গোস্বামীযে গোৱালপৰীযা ভাষা'[১১] ড বীৰেন্দ্ৰ নাথ দত্তই দেশী-ভাষা'[১৬] আৰু আন কিছুমান পণ্ডিতে ইযাক কামৰূপী[১৭], কামতা ভাষা[১৮] আদি নামেৰে নামকৰণ কৰা দেখা যায। বৰ্তমান কোচ ৰাজবংশীসকল হ'ল এক আন্তঃ ৰাষ্ট্ৰীয় জনগোষ্ঠী। তেওঁলোকৰ ৰাজবংশী ভাষাও এক আন্তঃ ৰাষ্ট্ৰীয় ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। নেপাল ভূটান বাংলাদেশ অসম পশ্চিমবঙ্গ মেঘালয় ত্ৰিপুৰা আদি অঞ্চলত ৰাজবংশী ভাষা কোৱা লোক সিঁচৰতি হৈ আছে। কোনো কোনো ঠাইত ৰাজবংশী ভাষাৰ বিকাশৰ বাবে কিছুমান সংগঠনো গঢ়ি উঠিছে, তাৰ ভিতৰত নেপালৰ ৰাজবংশী ভাষা প্ৰচাৰ সমিতি বিহাৰৰ ৰাজবংশী ভাষা সেৱা পৰিষদ

অসমৰ ৰাজবংশী সাহিত্য সভা আদিৰ নাম উল্লেখযোগ্য। অসমৰ বেছি ভাগ পণ্ডিতে জনগোষ্ঠীয় ভাষাটোৰ জনগোষ্ঠীয় নাম পৰিহাৰ কৰাৰ ফলত কোচ ৰাজবংশীসকলৰ ভাষিক সাংস্কৃতিক ঐতিহাসিক অৱদানৰ কথা অস্বীকাৰ কৰা হৈছে যেন লাগে। নব্য ভাৰতীয় আৰ্যভাষী জনগোষ্ঠীৰ ভাষা হিচাপে ৰাজবংশী ভাষা সুদূৰ প্ৰসাৰী। আধুনিক কালত ৰাজবংশী ভাষাত অস,খ্য গ্ৰন্থও প্ৰকাশিত হৈছে।

ৰাজবংশী ভাষাৰ উৎপত্তি স্থল হ'ল প্ৰাচীন কামৰূপ ৰাজ্যৰ পশ্চিমাঞ্চল অৰ্থাৎ বৰ্তমান উত্তৰবঙ্গ অসমৰ পশ্চিমাঞ্চল আৰু বা,লাদেশৰ উত্তৰ পূৰ্বাঞ্চল। ৰাজবংশী ভাষাৰ উৎপত্তিৰ বিচাৰ কৰিবলৈ যাওঁতে কোচ ৰাজবংশীসকলৰ অৱস্থিতিৰ কথা প্ৰাসঙ্গিকভাৱে আহি পৰে। গ্ৰিয়াৰছনৰ মতে— কোচ বুলিলে এজন হিন্দুকৃত বড়োক বুজায় যিসকলে নিজৰ ধৰ্ম আৰু ভাষা ত্যাগ কৰি হিন্দুধৰ্ম আৰু আৰ্যভাষা গ্ৰহণ কৰিছে। গোৱালপাৰা কোচবিহাৰ ইত্যাদি অঞ্চলৰ ৰাজবংশী সকল এনে ধৰ্মান্তৰিত কোচ।[১৯] স্যান্যালে উল্লেখ কৰিছে যে খ্ৰীষ্টপূৰ্ব দশম শতিকাত বৃহৎ বড়ো পৰিযাল পূব ফালেদি ভাৰতত প্ৰৱেশ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত বসতি কৰিবলৈ লয় আৰু লাহে লাহে গোটেই অসম সমগ্ৰ উত্তৰবঙ্গ আৰু পূৰ্ববঙ্গ লৈ সিঁচৰতি হয়।[২] গ্ৰিয়াৰছনৰ অভিমতত কোচসকলৰ হিন্দুধৰ্ম আৰু আন ভাষা গ্ৰহণৰ কথা উল্লেখ থাকিলেও সঠিক সময়ৰ উল্লেখ নাপাওঁ। ঐতিহাসিক পণ্ডিত গেইটে কোচসকলৰ ভাষা আৰু নৃতাত্ত্বিক বৈশিষ্ট্যৰ সন্ধান দিয়ে। তেওঁৰ মতে কোচ ভাষা মৃতপ্ৰায় কিন্তু কোচ ভাষাৰ যি দুই এটা চানেকি পোৱা যায় তাৰ পৰা এই ভাষাৰ সৈতে গাৰো ভাষাৰ মিল দেখা যায়। তেওঁ কয় 'জলপাইগুৰি কোচবিহাৰ আৰু গোৱালপাৰা অঞ্চলৰ বৰ্তমান যিসকল ৰাজবংশী লোক আছে তেওঁলোক প্ৰকৃততে কোচহে, তেওলোকৰ গাৰ বৰণ ক'লা হ'লৈও আকৃতি মঙ্গোলীয়।[১] গেইটৰ কোচ ভাষাই অনাৰ্যভাষী অৰ্থাৎ তিবৃত-বৰ্মীভাষী কোচসকলক বুজাইছে।

কনকলাল বৰুৱাই বৰ্ণনা কৰিছে, মঙ্গোলীয়সকল ইন্দোচীন গোটৰ তিব্বত-বৰ্মী পৰিযালৰ আৰু তেওঁলোকৰ বৰ্তমান প্ৰতিনিধি হ'ল কচাৰী কোচ ৰাভা মেচ মিকিৰ লালু, গাৰো নগা কুকি আৰু চুটিযাসকল। তেওঁলোকে অসমৰ সমতল ভূমি দখল কৰাৰ পাছত বহুদিনলৈকে বড়ো ভাষা কোৱা দেখা যায়। উক্ত বড়োসকলৰ পূৰ্বপুৰুষসকলক প্ৰাগজ্যোতিষলৈ অহা প্ৰথম ভাগৰ আৰ্যসকলে নিঃসন্দেহে কিৰাট আৰু ম্লেছ বুলি অভিহিত কৰিছিল। আৰ্য লেখকসকলৰ তথ্যমতে কিৰাট আৰু ম্লেছসকলৰ হালধীয়া বৰণৰ অৱয়ৱ আছিল।[২২]

এডোৱাৰ্ড গেইটৰ মতে— 'মঙ্গোলীয়সকলে যিমানে অসমৰ পশ্চিমে আগবাঢ়ে

সিমানেই তেওঁলোকৰ বৈশিষ্ট্য হ্ৰাস পায আৰু বৰ্তমানৰ বিহাৰৰ সীমা পাযগৈ মানে ই সম্পূৰ্ণৰূপে লোপ পায আৰ্য আক্ৰমণকাৰীসকলে আৰ্য নাইবা ইণ্ডো ইউৰোপীয ভাষা কৈছিল। উত্তৰ ভাৰতৰ সৰহ-সংখ্যক লোকেই পাছলৈ এই ভাষা গ্ৰহণ কৰে। কেৱল দক্ষিণ ভাৰতৰ বাহিৰে অনাৰ্য ভাষা সৌ সিদিনালৈকে ডাঠ হাবিৰে ভৰা কিছুমান দুৰ্গম অঞ্চলতহে বৰ্তি থাকেগৈ ।[২৩] উত্তৰবঙ্গৰ লোকসকলে কেতিযা আৰ্যভাষা গ্ৰহণ কৰিবলৈ ধৰে—এই বিষযে সঠিক সমযৰ কোনো উল্লেখ পোৱা নগ'লেও ঐতিহাসিক ৰাখাল দাস বন্দ্যাপাধ্যাযে উল্লেখ কৰিছে যে খ্ৰীংপূং ৬ষ্ঠ শতিকাৰ পূৰ্বতে মগধত আৰ্য সভ্যতা প্ৰসাৰিত হৈছিল। মগধৰ প্ৰাচীন অধিবাসীসকলে তেওঁলোকৰ ভাষা আৰু ৰীতি-নীতি ত্যাগ কৰি আৰ্য আচাৰ-ব্যৱহাৰ আৰু ধৰ্ম গ্ৰহণ কৰিছিল।[২৪] তেওঁৰ মতে খ্ৰী পূ দুই তিনি শতিকাৰ ভিতৰত আৰ্যসকলে উত্তৰাঞ্চলৰ অধিকাংশ ঠাই হস্তগত কৰে। উত্তৰবঙ্গ সেই সমযত আৰ্যসকলৰ পৰিচিত আছিল।[২৫] উক্ত তথ্যৰ আধাৰত আমি অনুমান কৰিব পাৰোঁ যে খ্ৰী পূ দুই তিনি শতিকাত আৰ্যসকলৰ লগত পূব ফালৰ পৰা অহা মঙ্গোলীযসকলৰ পৰিচয হৈছিল। কোচসকল সেই মঙ্গোলীযসকলৰে অন্তৰ্গত আছিল।

আমাৰ বেছি ভাগ পণ্ডিতে বিশ্বসিংহৰ (১৫১৫) পৰা কোচ ৰাজত্বৰ আৰম্ভণি বুলি উল্লেখ কৰিছে। ষোড়শ শতিকাত বিশ্বসিংহ সম্পূৰ্ণৰূপে হিন্দু হয।[২৬] হগছন (Hodgson)-ৰ মতে বিশ্বসিংহই কোচ নাম পৰিত্যাগ কৰি ৰাজবংশী হয।[২৭] মহাৰাজ বিশ্বসিংহৰ পৰাই কোচ সাম্ৰাজ্যৰ পৰম্পৰা ক্ৰমানুসাৰে আৰম্ভ হ'লেও তেৱেঁ প্ৰথম কোচ ৰজা নহয। তেওঁক প্ৰথম হিন্দুধৰ্ম গ্ৰহণ কৰোঁতা কোচ ৰজা বুলি ধৰিলে ৰাজবংশী ভাষাৰ ইতিহাস ষোড়শ শতিকাৰ পৰা ধৰিব লাগিব। কিন্তু ৰাজবংশী ভাষাৰ ইতিহাস ষোড়শ শতিকাৰ পৰা আৰম্ভ হোৱা নাই। তেওঁৰ পূৰ্বত আমি অনেক কোচ ৰজাৰ নাম পাওঁ।

অনুমানিক খ্ৰীঃ ৪ৰ্থ ৫ম শতিকাত কোচ দেশৰ সাঙ্গলদেব নামেৰে এজন ৰজা কামৰূপত অতি প্ৰবল প্ৰতাপী হৈ উঠিছিল বুলি প্ৰসিদ্ধ আছে। তেওঁ হূনসকলক খেদাই লক্ষ্মাৱতী বা গৌড়ত ৰাজধানী স্থাপন কৰিছিল।[২৮] খোৰসেদ জাহানামা গ্ৰন্থত উল্লেখ পোৱা যায যে কোচ দেশৰ ৰজা মঙ্গলদীপ শিবালিক পৰ্বতৰ গণ্ডাৰ অথবা কেদাৰ নামেৰে এজন ব্ৰাহ্মণক পৰাজিত কৰি গৌড় নগৰ প্ৰতিষ্ঠা কৰে।[২৯] অনুমান হয সাঙ্গলদেব আৰু মঙ্গলদীপৰ কোচ দেশেই আছিল ৰাজবংশী ভাষা কথিত অঞ্চল। সাঙ্গলদেবক কোচজাতীয় আৰু ভগদত্ত বংশীয বুলি কোৱা হয। কৰ্ণেল শ্যেকছপীযেৰৰ মতে 'সাঙ্গলদেবৰ অভ্যুত্থানৰ পৰা কোচ ৰাজত্বৰ আৰম্ভণি হৈছে বুলি ক'ব পাৰি ।[৩]

সুপ্ৰসিদ্ধ ঐতিহাসিক কাছিম ফেৰিস্তাৰ মতে— বৰ্তমান কোচবিহাৰৰ কোচ

ৰাজবংশ অৰ্থাৎ বিশ্বসিংহৰ পিতৃ হৰিদাস মণ্ডলৰ বংশ পঞ্চম শতিকাৰ কোচ ৰজা সাঙ্গলদেবৰ পৰাই নানা পৰিবৰ্তনৰ চাকনৈয়া অতিক্ৰম কৰি পুৰুষানুক্ৰমে বংশানুক্ৰমৰ ধাৰা ৰক্ষা কৰি আহিছে আৰু নিজ ৰাজ্যৰ দাঁতি কাষৰীয়া ৰাজ্যবোৰত এৰা ধৰাকৈ ৰাজত্ব কৰি আহিছে। উক্ত কোচ ৰাজবংশৰে বিভিন্ন ৰজা মহাৰজা সামন্তৰজা আৰু কৰতলীয়া ৰজাই মহাৰাজ বিশ্বসিংহৰ পিতৃ হৰিদাস মণ্ডল পুনৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ আগডোখৰলৈকে ৰাজত্ব বা প্ৰাধান্য বিস্তাৰ কৰি আহিছিল।

ভগদত্ত বংশীয় ভাস্কৰ বৰ্মণে ৭ম শতিকাত কামৰূপত ৰাজত্ব কৰে। চট্টোপাধ্যাযৰ মতে— কুমাৰ ভাস্কৰ বৰ্মণ আছিল ইণ্ডো-মঙ্গোলীয পৰিযালৰ হিন্দুকৃত ম্লেছ সদস্য। কিছু পুৰুষ পূৰ্বতে হিন্দুধৰ্ম গ্ৰহণ কৰিছে। চীন দেশৰ লেখকে (হিউযেন চাঙ) তেওৰ ৰাজ্যৰ প্ৰজাসকলৰ মঙ্গোলীয চৰিত্ৰৰ বিষযে লিখিছে— 'মানুহবোৰ সহজ সৰল, চুটি চাপৰ গাৰ বৰণ আছিল ডাঠ হালধীযা। মধ্য ভাৰতৰ ভাষাতকৈ তেওঁলোকৰ ভাষা অলপ বেলেগ আছিল।'[১২] এই মন্তব্যক প্ৰাচীন কামৰূপৰ ভাষা সম্পৰ্কে ঐতিহাসিক মন্তব্য বুলি কোৱা হয। অনুমান হয ভাস্কৰ বৰ্মণৰ কেইবাপুৰুষ পূৰ্বতে অৰ্থাৎ পুষ্যবৰ্মাই খ্ৰী০ ৪ৰ্থ শতিকাত ৰাজত্ব কৰা কালতে একে ভগদত্ত বংশীয ৰজা সাঙ্গলদেবে প্ৰাচীন কামৰূপত কোচ দেশ গঠন কৰিছিল। ভাস্কৰ বৰ্মণৰ দিনত কোচ দেশ প্ৰাচীন কামৰূপৰ অন্তৰ্ভুক্ত হয। মঙ্গোলীয কোচসকলে সেই সময়তে বা কিছুকাল পূৰ্বতে আৰ্যভাষা গ্ৰহণ কৰিবলৈ ধৰিছিল। ভাস্কৰ বৰ্মণৰ ৰাজধানীও পশ্চিম কামৰূপ অঞ্চলতে আছিল। গেইটে অনুমান কৰিছে— ভাস্কৰ বৰ্মণৰ ৰাজধানী গোৱালপাৰা জিলা কোচবিহাৰ বা ৰংপুৰৰ উত্তৰ পূবে আছিল।[১৩] তেওঁৰ ৰাজত্বকালতে হিউয়েন চাঙ কামৰূপলৈ আহে। চট্টোপাধ্যাযে ভাষা সম্পৰ্কে অভিমত দিছে যে— When Hiuen Ts ang visited Assam the Aryanisation in language of the Bodo (Mangolian) masses of Assam does not appear to have progressed much The notable remnants of Bodo speech in most parts of Assam at the present day

বৰ্মণ বংশ অনেক শাখা উপশাখাত বিভক্ত হয। মূল বংশ নিৰবছিন্নভাৱে কামৰূপৰ সিংহাসনৰ অধিকাৰী হ'ব পৰা নাছিল । শালস্তম্ভ নামেৰে এজন শক্তিশালী ৰজাই ভাস্কৰ বৰ্মণৰ পাছত প্ৰবল প্ৰতাপী হৈ মূল বৰ্মণ বংশক সিংহাসনচ্যুত কৰে।[১]

১০ম শতিকাত বৰ্মণ বংশ ক্ষমতাচ্যুত হোৱাত কোচ নামে পৰিচিত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰজা অথবা সামন্তসকলে প্ৰবল হ'বলৈ চেষ্টা কৰিছিল। ৮ম শতিকাৰপৰা

১২শ শতিকালৈ তেওঁলোক গৌড়ৰ পাল ৰজাৰ কৰতলীয়া আছিল।[৩৬] ৮ম শতিকাৰপৰা ১১শ শতিকালৈ 'কোচ ৰাজ্য' কামৰূপৰ পাল ৰজাৰ কৰতলীয়া আছিল বুলিও জনা যায়।[৩৭] ১০ম বা ১২শ শতিকাত কম্বোজ বা কোচসকল উত্তৰবঙ্গ আৰু নামনি অসমত পাহাৰ অঞ্চলত বসবাস কৰিছিল বুলিও উল্লেখ আছে।[৩৮] ভগদত্ত পাল নামেৰে এজন ৰজাই ১০মৰ পৰা ১১শ শতিকাৰ ভিতৰত মধুপুৰত (ময়মন সিংহ জিলা—বাংলাদেশ) ৰাজত্ব কৰিছিল। তেওঁকো কোচ বুলি অনুমান কৰা হৈছে।[৩৯] ১৩শ শতিকাত মোহম্মদ বখতিয়াৰৰ তিব্বত অভিযানৰ সময়ত আৰু তাৰ পাছৰ কালতো উত্তৰবঙ্গৰ ৰজাবোৰে অৰ্ধ স্বাধীন অৱস্থাত ৰাজত্ব কৰিছিল।[৪০] তেওঁৰ অভিযানৰ বৃত্তান্তত পশ্চিম কামৰূপৰ গোৱালপাৰা, ৰংপুৰ, জলপাইগুৰি আৰু কোচবিহাৰত কোচ আৰু মেচ জাতিয়ে বসবাস কৰাৰ উল্লেখ আছে।[৪১] সেই সময়ৰ পৰা আৰম্ভ কৰি ১৪শ শতিকাৰ আগলৈকে পশ্চিম কামৰূপত তেওঁলোকৰ আধিপত্য বিদ্যমান আছিল। বুকানন হেমিলটনৰ মতে খেন বংশীয় ৰজাসকলৰ সময়তো কামৰূপত কোচ আৰু মেচ প্ৰভৃতি জাতি মূৰ দাঙি উঠিছিল। মোহম্মদ বখতিয়াৰৰ পাছত পাঠান চুলতানসকলে পশ্চিম কামৰূপত কম পৰিমাণে যুদ্ধাভিযান চলায়, পূব কামৰূপ বিজয়েই তেওঁলোকৰ প্ৰধান লক্ষ্য আছিল। সেই সময়ত পশ্চিম কামৰূপত (কমতা ৰাজ্যত) এটি পৃথক ৰাজবংশ বিদ্যমান থকাৰ বৃত্তান্ত চুটিয়া আৰু আহোম বুৰঞ্জীত উল্লেখ আছে। অৱস্থান অনুসৰি বুকাননে অনুমান কৰিছে যে সেই ৰাজবংশ কোচ বা মেচ সম্প্ৰদায়ভুক্ত আছিল।[৪২]

১২৫০ খ্ৰীঃত আৰম্ভ হোৱা সন্ধ্যাৰায়ৰদ্বাৰা প্ৰতিষ্ঠিত ৰাজবংশ হ'ল কমতাৰ প্ৰথম ৰাজবংশ। সেই সময়ত কমতা ৰাজ্যৰ ভিতৰত আছিল বৰ্তমানৰ ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাওঁ, জলপাইগুৰি আৰু বাংলাদেশৰ ৰংপুৰ আৰু ময়মন সিংহ জিলা। বৰপেটা নলবাৰীও ইয়াৰ ভিতৰত আছিল। কনকলাল বৰুৱাৰ মতে কছাৰীসকলৰ সম্প্ৰসাৰণৰ ফলত সন্ধ্যাৰায়ে উত্তৰ গুৱাহাটীত অৱস্থিত ৰাজধানী কামৰূপ নগৰ পৰিত্যাগ কৰি বৰ্তমানৰ কোচবিহাৰ নগৰত ৰাজধানী পাতে। এই ক্ষেত্ৰত ড ৰমেন্দ্ৰনাথ অধিকাৰীয়ে অনুমান কৰিছে যে তেওঁৰ ৰাজধানী আছিল কোচবিহাৰ নগৰৰ পৰা ২৭ কি মি দক্ষিণত দিনহাটা মহকুমাত অৱস্থিত গোসানীমাৰী মন্দিৰৰ এলাকাৰ সৈতে কমতাপুৰৰ দুৰ্গ, টাকশাল এলাকাবোৰৰ অভ্যন্তৰ ভাগত।[৪৪]

সন্ধ্যাৰায় সিন্ধুৰায়ৰ পাছৰ দুৰ্লভ নাৰায়ণ, নীলধ্বজ আদি কমতাপুৰৰ ৰজাসকলো কোচ আছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পুৰাতত্ত্ব বিভাগৰ অধ্যক্ষ ড সুধীৰ ৰঞ্জন দাস আৰু পুৰাতত্ত্ববিদ অমিয় কুমাৰ বন্দ্যোপাধ্যায়ে কোচবিহাৰ জেলাৰ পুৰাকীৰ্তি' নামৰ গ্ৰন্থৰ ভূমিকাত উল্লেখ কৰিছে যে, কোচ বংশীয় অন্যান্য

ৰজাসকলৰ ভিতৰত দুৰ্লভ নাৰায়ণ, কামেশ্বৰ, কান্তেশ্বৰ প্ৰভৃতিৰ নামো বিশেষভাৱে উল্লেখযোগ্য। এওঁলোক সম্ভৱতঃ ত্ৰয়োদশ চতুৰ্দশ শতিকাত বিদ্যমান আছিল।[৪৫]

কমতাপুৰৰ প্ৰতিষ্ঠাতা নীলধ্বজ ৰাজবংশী বা কোচ নামে পৰিচিত আছিল। আমানত উল্লা আহমদে 'কোচবিহাৰৰ ইতিহাস' গ্ৰন্থৰ টোকাত লিখিছে যে কামৰূপৰ বুৰঞ্জী গ্ৰন্থত বি 'প্ৰাচীন কামৰূপ পুৰাবৃত্ত' মুদ্ৰিত হৈছে তাত ৰজা নীলধ্বজক 'কোচবংশী' বুলি কোৱা হৈছে। ড° বুকানন হেমিলটনে (সম্ভৱতঃ সৰ্বপ্ৰথম) নীলধ্বজক জাত্যাংশ হিচাপে খেন (Khyen) বুলি উল্লেখ কৰিছে (১৮০৮) কিন্তু তেওঁ তাৰ কোনো প্ৰমাণ উল্লেখ কৰা নাই। নীলধ্বজক যে অসুৰ বংশোদ্ভৱ বোলা হৈছিল আৰু ৰাজবংশীসকলে যে তেওঁক স্বজাতীয় বুলি ভাবিছিল এই কথা তেওঁ শুনিছিল।[৪৬]

ড চট্টোপাধ্যায়েও এঠাইত উল্লেখ কৰিছে According to Minhaju S Siraj the author of Tabaqat i Nasiri, Compiled in C1251 Kamrup was inhabited by the Kunc the Myj and Th rw (i e KÕc or Koch, Mec or Mech and Tharu) people whose Mongoloid race speech made a distinct impression upon the turks[৪৭]

এইদৰে আমি বিশ্বসিংহৰ পূৰ্বত অনেক কোচ ৰজা বা কোচ-ৰাজবংশী সম্প্ৰদায় থকাৰ কথা উল্লেখ পাওঁ। তেওঁলোক আৰ্য-সভ্যতাৰ সংস্পৰ্শলৈ আহিছিল আৰু আৰ্যভাষা গ্ৰহণ কৰিছিল। তেওঁলোক সকলোৱে প্ৰাচীন কামৰূপৰ পশ্চিম অঞ্চলত আধিপত্য বিস্তাৰ কৰিছিল। খ্ৰীঃ ৪ৰ্থ, ৫ম শতিকাৰ পৰা প্ৰাচীন কামৰূপত কোচসকলৰ অৱস্থিতিৰ কথা কোৱা হৈছে। সমতল ভূমিত বসবাস কৰা বেছি ভাগ কোচে নিজৰ ধৰ্ম আৰু 'তিব্বত-বৰ্মী' ভাষা ত্যাগ কৰি হিন্দুধৰ্ম আৰু আৰ্যভাষা গ্ৰহণ কৰিছিল। হিউয়েন চাঙৰ উক্তিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাচীন কামৰূপত ভাষাৰ গঠন কাল ৭ম শতিকা বুলি ধৰিলে সেই সময়ত অথবা কিছুকাল পূৰ্বৰ পৰাই প্ৰাচীন কামৰূপৰ পশ্চিমাঞ্চলত মঙ্গোলীয় কোচসকলে নিজৰ ভাষা এৰি সংযোগী ভাষা হিচাপে আৰ্যভাষা গ্ৰহণ কৰিবলৈ ধৰিছিল। সেই ভাষাৰে পৰৱৰ্তী নামকৰণ ৰাজবংশী ভাষা। ◻

প্ৰসঙ্গ তালিকা

১ G A Grierson – *Linguistic Survey of India*, 1963 Vol V Part I p 163
২ Ibid Vol–I part I p 153 (1927)
৩ B Kakati – *Assamese Its Formation and Development* 1972 p 18

৪ J D Anderson – *Introduction to the Koches*, p XVII
৫ Grierson – Ibid Vol V, Pt 1 p 163
৬ Ibid
৭ Ibid
৮ Ibid
৯ S K Chatterji – *Kirata Jana Kriti* 1951 p 60
১০ ড রমেন্দ্রনাথ অধিকারী — সংগৃহীত তথ্য, প্রবন্ধ "আধুনিক রাজবংশী-ভাষা ও সাহিত্য", যাত্রা ১৯৯৩ সম্পাদক — উপেন্দ্র নাথ সরকার, নিখিল সিংহ।
১১ ড° সুকুমার সেন — **ভাষার ইতিবৃত্ত**, ১৯৯৩, পৃ ১৪৮।
১২ Charu Chandra Sanyal – *The Rajbansis of North Bengal* 1965 p 250
১৩ Rai Sahib Thakur Panchanan Barma – *History of Kamata Bihari Literature* (Uttar Banga Sahitya Sammilan, 3rd annual convention held at Gauripur, 1317 B S)
১৪ D Das – *The Kamatai Language* 1990
১৫ ড উপেন্দ্রনাথ গোস্বামী — **অসমীয়া ভাষার উদ্ভব সমৃদ্ধি আরু বিকাশ**, ১৯৯৪ পৃ ৯৬।
১৬ ড বীরেন্দ্রনাথ দত্ত — **গোৱালপাৰাৰ লোক সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অবদান** ১৯৮২, পৃ ১৮।
১৭ সুখবিলাস বর্মা — **ভাওয়াইয়া গান**, ১৯৯৮, পৃ ১২৬।
১৮ Dr Taracharan Rajtogir – *Maulana Azad Academy Journal* (May–1 31) 1993
১৯ Grierson – Ibid p 163
২০ Sanyal – Ibid p 10
২১ Sir Edward Gait – *A History of Assam*, 1984 p 47
২২ K L Barua – *Early History of Kamrupa* 1988 p 14
২৩ Gait – Ibid P 4
২৪ রাখাল দাস বন্দ্যোপাধ্যায় — **বাংলার ইতিহাস**, ১ম খণ্ড, (১৯৯৫), পৃ ১৮
২৫ প্রাগুক্ত গ্রন্থ — পৃ ১৫।

২৬ S N Sarma – *A Socio Economic and Cultural History of Medieval Assam* 1989 p 42
২৭ Hodgson *Journal of Asiatic Society of Bengal* 1849 Vol XVIII part II p 704
২৮ আমানত উল্লা আহমেদ — **কোচবিহাৰেৰ ইতিহাস** ১ম খণ্ড, ১৯৯০ পৃ ১৪।
২৯ প্ৰাগুক্ত গ্ৰন্থ পৃ ১৫।
৩০ Colonel Shakespeare – *History of Upper Assam* P 20 আমানত উল্লা আহমেদ — **কোচবিহাৰেৰ ইতিহাস** পৃ ৭৭।
৩১ অম্বিকাচৰণ চৌধুৰী — **কোচ ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি**, ১৯৯৩ পৃ ১০০।
৩২ S K Chatterji – *The Place of Assam in the History and Civilization of India* 1997 p 22
৩৩ Gait – Ibid p 27
৩৪ S K Chatterji Ibid p 34
৩৫ পদ্মনাথ বিদ্যাবিনোদ — **কামৰূপ-শাসনাৱলী** পৃ ১৯।
৩৬ ৰজনীকান্ত চক্ৰবৰ্তী— **গৌড়েৰ ইতিহাস** ২য় খণ্ড পৃ ১৪৩।
৩৭ **কোচ বিহাৰেৰ ইতিহাস** পৃ ২০।
৩৮ D Nath – *History of Koch Kingdom* 1989 p 15
৩৯ গুণাভিৰাম বৰুৱা — **আসাম বুৰঞ্জী** ৪ৰ্থ সংস্কৰণ, পৃ ৫১।
৪০ **কোচবিহাৰেৰ ইতিহাস** পৃ ৩৯।
৪১ History of Upper Assam p 24
৪২ **কোচবিহাৰেৰ ইতিহাস** পৃ ৩৯।
৪৩ ড ৰমেন্দ্ৰনাথ অধিকাৰী — প্ৰাগুক্ত গ্ৰন্থ পৃ ৫।
৪৪ প্ৰাগুক্ত গ্ৰন্থ পৃ ৬।
৪৫ ড সুধীৰ ৰঞ্জন দাস অমিয় কুমাৰ বন্দ্যোপাধ্যায — **কোচবিহাৰ জেলাৰ পুৰাকীৰ্তি** ১৯৭৪ ভূমিকা।
৪৬ **কোচবিহাৰেৰ ইতিহাস** — পৃ ৩৯।
৪৭ S K Chatterji – *Kirata Zanakriti* p 54

লেখক-পৰিচিতি
(প্ৰবন্ধৰ ক্ৰম অনুসৰি)

১। ড নগেন ঠাকুৰ ° বিভাগীয় প্ৰধান অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়।
ঠিকনা (বাসস্থান) ০ অধ্যাপক নিবাস, ফ্লেট নং ২/
ইউ-৭ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ গোপীনাথ
বৰদলৈ নগৰ গুৱাহাটী - ৭৮১০১৪।

২। ড মদন শৰ্মা ° প্ৰাধ্যাপক তথা বিভাগীয় প্ৰধান ইংৰাজী বিভাগ,
কলা আৰু সমাজ-বিজ্ঞান বিভাগৰ ডিন
তেজপুৰ বিশ্ববিদ্যালয় নপাম তেজপুৰ-৭৮৪০২৮।

৩। ড খগেশ সেন ডেকা জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ পূব কামৰূপ
মহাবিদ্যালয় বাইহাটা চাৰিআলি ৭৮১৩৮১।
ঠিকনা (বাসস্থান) প্ৰাগজ্যোতিষ নগৰ জালুকবাৰী
গুৱাহাটী ৭৮১০১৪।

৪। ড দয়ানন্দ পাঠক ০ অধ্যক্ষ সুৰেন দাস মহাবিদ্যালয়
হাজো - ৭৮১১০২।
ঠিকনা (বাসস্থান) লাচিত নগৰ
গুৱাহাটী ৭৮১০০৭।

৫। ড মালিনী গোস্বামী ৰীডাৰ অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়
ঠিকনা (বাসস্থান) ° নৱগিৰি পথ চানমাৰি
গুৱাহাটী - ৭৮১০০৩।

৬। ড নাৰায়ণ দাস মুৰব্বী তথা জ্যেষ্ঠ অধ্যাপক
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় গুৱাহাটী - ৭৮১০০৯।

৭। ড সুবাসনা মহন্ত অধ্যাপিকা অসমীয়া বিভাগ ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় ৭৮৬০০৪।

৮। ড পৰীক্ষিত হাজৰিকাঃ প্ৰাক্তন মুৰব্বী তথা প্ৰাধ্যাপক, অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়
ঠিকনা (বাসস্থান) ঃ ফটাশিল আমবাৰী
গুৱাহাটী ৭৮১০২৫।

৯। ড সতীশ চন্দ্ৰ ভট্টাচাৰ্য ঃ মুৰব্বী তথা জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ,
দৰং মহাবিদ্যালয তেজপুৰ - ৭৮৪০০১।

১০। সমীৰণ দাস মুৰব্বী তথা জ্যেষ্ঠা অধ্যাপিকা অসমীয়া বিভাগ
কামাখ্যাৰাম বৰুৱা বালিকা মহাবিদ্যালয
গুৱাহাটী - ৭৮১০২৫।

১১। ড মুকুল চক্ৰবৰ্ত্তী ঃ জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ, ৰাধাগোবিন্দ
বৰুৱা মহাবিদ্যালয, গুৱাহাটী - ৭৮১০২৫।

১২। ড অৰ্পণা কোঁৱৰ ঃ বীডাৰ অসমীয়া বিভাগ, ডিব্ৰুগড বিশ্ববিদ্যালয
ডিব্ৰুগড - ৭৮৬০০৪।

১৩। ড বসন্ত কুমাৰ ভট্টাচাৰ্য মুৰব্বী তথা জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ
নলবাৰী মহাবিদ্যালয নলবাৰী - ৭৮১৩৩৫।
ঠিকনা (বাসস্থান) বিদ্যাপুৰ ৮ নং উপপথ
নলবাৰী - ৭৮১৩৩৫।

১৪। ভৱপ্ৰসাদ চলিহা ঃ প্ৰাক্তন মুৰব্বী তথা প্ৰাধ্যাপক অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয।
ঠিকনা (বাসস্থান) আবাস নং - ৩১ গুৱাহাটী
বিশ্ববিদ্যালয চৌহদ গোপীনাথ বৰদলৈ নগৰ,
গুৱাহাটী - ৭৮১০১৪।

১৫। ড লীলাৱতী শইকীয়া বৰা ঃ বীডাৰ অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয।
ঠিকনা (বাসস্থান) ঃ আবাস নং - ১৭
গুৱাহাটী বিশ্ববিদ্যালয চৌহদ গোপীনাথ বৰদলৈ
নগৰ, গুৱাহাটী - ৭৮১০১৪।

১৬। ড জ্যোতিষ চন্দ্ৰ বৰ্মন ঃ জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ, সুৰেন দাস
মহাবিদ্যালয়, হাজো - ৭৮১১০২।

১৭। ড নৰনাৰায়ণ শৰ্মা ঃ জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ এম এন চি
বালিকা মহাবিদ্যালয নলবাৰী - ৭৮১৩৩৫।

১৮। ড গোলোকচন্দ্র গোস্বামী ঃ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ মুৰব্বী প্ৰাধ্যাপক, অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়।
ঠিকনা (বাসস্থান) ঃ গোস্বামী ভৱন অম্বিকাগিৰি নগৰ, গুৱাহাটী - ৭৮১০২৪।

১৯। ড উপেন্দ্রনাথ গোস্বামী ঃ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ মুৰব্বী প্ৰাধ্যাপক অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
ঠিকনা (বাসস্থান) ঃ পল্টন বজাৰ, গুৱাহাটী - ৭৮১০০৮।

২০। বিভা ভৰালী অধ্যাপিকা অসমীয়া বিভাগ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় গুৱাহাটী - ৭৮১০০৯।

২১। ড অনুপমা বৰ্মণ ঃ জ্যেষ্ঠা অধ্যাপিকা অসমীয়া বিভাগ ছয়গাঁও মহাবিদ্যালয় ছয়গাঁও - ৭৮১১২৪।

২২। লক্ষ্মী দাস পাঠক ঃ জ্যেষ্ঠা অধ্যাপিকা, অসমীয়া বিভাগ, ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় মালিগাঁও গুৱাহাটী - ৭৮১০১২।

২৩। ড সুকুমাৰ বিশ্বাস ঃ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ মুৰব্বী প্ৰাধ্যাপক বাংলা বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়।
ঠিকনা (বাসস্থান) আই চি/ডি উত্তৰায়ণ ২৯৪ পৰ্ণশ্ৰী কলিকতা - ৭০০০৬০।

২৪। ড দীপ্তি ফুকন পাটগিৰি ৰীডাৰ অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়।
ঠিকনা (বাসস্থান) আবাস নং - ৯৮ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ গোপীনাথ বৰদলৈ নগৰ গুৱাহাটী - ৭৮১০১৪।

২৫। ড° উপেন ৰাভা হাকাচাম অধ্যাপক অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়।
ঠিকনা (বাসস্থান) ঃ আবাস নং ৭১ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ গোপীনাথ বৰদলৈ নগৰ গুৱাহাটী - ৭৮১০১৪।

২৬। বৰ্ণালী ডেকা অধ্যাপিকা অসমীয়া বিভাগ ৰঙিয়া মহাবিদ্যালয় ৰঙিয়া - ৭৮১৩৫৪।

২৭। দ্বিজেন্দ্র নাথ ভকত জ্যেষ্ঠ অধ্যাপক অসমীয়া বিভাগ, চিলাৰায় মহাবিদ্যালয় গোলোকগঞ্জ।
ঠিকনা (বাসস্থান) ৰামকৃষ্ণ মিছন ৰোড, বিদ্যাপাৰা ধুবুৰী - ৭৮৩৩২৪।